সদৰামীন সমাজৰ ওপৰ খলপাৰ মানুহ আছিল। (উল্লেখ কৰা ভাল যে ঢেঁকিয়াল ফুকনৰ দিনতে বংগদেশৰ পাইকপাৰাৰ জমিদাৰে কোম্পানীত বছৰি ১ লাখ টকা সোধাইছিল!)

আহোম ৰাজত্বত বিপুল নিষ্কৰ ভূসম্পত্তি ভোগ কৰা সত্ৰীয়া গোসাঁই সকলৰ মাটিও নিষ্কৰ বা অৰ্দ্ধহাৰত (নিস্পিখেৰাজ) তেওঁলোকৰ হাততে ৰখা হ'ল। কাৰণ আহোম ৰজাৰ দৰে ব্ৰিটিছ চৰকাৰেও সত্ৰীয়া গোসাঁইৰ আলম লৈ প্ৰজাৰ আনুগত্য ৰক্ষা কৰাৰ উপায় চিন্তিছিল। (**Assam District Gazetteers : Nowgong, p. 90**)। এই গোসাঁই সকলৰ মাটি স্বাভাৱিকতে আধিশোষণৰ উপকৰণ হৈ পৰিল। এই গোসাঁই সকলৰ ভিতৰত সকলোতকৈ বেছি সৌভাগ্যবান আছিল শিৱসাগৰৰ চাৰিথন সত্ৰৰ অধিকাৰ। আউনি আটিয়া গোসায়ে ২১,০০০ একৰ নিষ্কৰ আৰু ৬০০ একৰ নিস্পিখেৰাজ, দালিণপটীয়া গোসায়ে ১০,৪০০ একৰ নিষ্কৰ মাটি, কমলাবৰীয়া গোসায়ে ৫,৯০০ একৰ নিষ্কৰ মাটি আৰু বেঙেনা আটিৰ গোসায়ে ২৫০০ একৰ নিষ্কৰ মাটি ভোগ কৰাৰ অধিকাৰ পাইছিল। (**Sibsagar District Gazetteer**, p. 101)। এই বিৰাট ভূসম্পত্তিত ব্যৱসায়ী ভিত্তিত খেতি কৰা হোৱা নাছিল।

আনহাতে শিল্প বাণিজ্যৰ যোগেদি মূলধন সংগ্ৰহৰ পথো অসমীয়া মধ্যবিত্তৰ বাবে প্ৰশস্ত নাছিল। অসমীয়া মানুহে—আনকি অৱস্থাপন্ন মানুহেও—প্ৰয়োজনীয় বহু সামগ্ৰী ঘৰতে তৈয়াৰ কৰি লৈছিল। পণ্য উৎপাদন তথা বেহাবেপাৰ একমনে চলাবলৈ এটা সদাগৰ বা বেপাৰী শ্ৰেণীও গঢ় লৈ উঠা নাছিল। **Nowgong District Gazetteer**ত লিখিছে:

"The Assamese is a cultivator and nothing more, and with wholesale trade, crafts and industries, he has little or no concern. Practically the whole of the profit of the external trade of the district pass into the hands of the Marwari merchants, and though large sums of money were expended by the Assam Bengal Railway Company in Nowgong, Coolies and contractors alike were foreigners and the profits of capital and the wage of labour passed into foreign hands......the natives of the district have little or no commercial instinct or capacity, and allow almost the whole of the profits of their trade to be monopolised by foreigners." (p. 177)

(আগলৈ)



# নতুন পৃথিৱী

(প্ৰগতিশীল তিনিমহীয়া আলোচনী)

সম্পাদনা সমিতি

ডঃ হীৰেন গোহাঁই

অনিল ৰায় চৌধুৰী

তাৰক চন্দ্ৰ গোস্বামী

যোগাযোগৰ ঠিকনা ঃ

মুকুট ভট্টাচাৰ্য্য
কাৰ্য্যালয় সঞ্চালক (অবৈতনিক)
১৬, বিশ্ববিদ্যালয় চৌহদ
গুৱাহাটী-১৪

দ্বিতীয় বছৰ ১৯৭৩
দ্বিতীয় সংখ্যা ফেব্ৰুৱাৰী

OKDISCD

# নতুন পৃথিৱী সম্পৰ্কে

দল নিৰপেক্ষ ভাবে মাৰ্ক্সবাদৰ সঠিক চৰ্চাই "নতুন পৃথিৱী"ৰ মুখ্য উদ্দেশ্য।

সাম্ৰাজ্যবাদী, সামন্তবাদী আৰু পুঁজিবাদী সমাজ ব্যৱস্থাৰ অবসানৰ বাবে শোষিত জনগণে চলোৱা সংগ্ৰামৰ লগত একাত্মবোধ থকা প্ৰতিজন প্ৰগতিশীল নিষ্ঠাবান লিখকৰ বাবেই 'নতুন পৃথিৱী'ৰ দুৱাৰ মুকলি।

প্ৰয়োজনীয় ডাক-টিকট লগত নপঠালে অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয়। কাগজৰ এপিঠিত পৰিষ্কাৰকৈ লিখি প্ৰবন্ধ-পাতি **ডঃ হীৰেন গোহাঁই, নিজৰা পাৰ, গুৱাহাটী-৩** এই ঠিকনাত পঠাব।

তিনিমহীয়া "নতুন পৃথিৱী" ইংৰাজী ফেব্ৰুৱাৰী, মে, আগষ্ট আৰু নবেম্বৰ মাহত প্ৰকাশ হ'ব।

এজেণ্ট সকলে প্ৰতিটো এজেন্সিৰ বাবে দহ টকাকৈ আগধন জমা থব লাগিব আৰু সেই ধন এজেন্সি এৰাৰ পিচতহে ঘূৰাই দিয়া হব। দহ বা ততোধিক কপিৰ বাবে কমিচনৰ নিৰিখ শতকৰা পচিশ। গ্ৰাহকৰ বছৰেকীয়া বৰঙণি দহ টকা। এজেণ্ট সকললৈ ভি পি যোগে আৰু গ্ৰাহক সকললৈ সাধাৰণ ভাবে under certificate of posting ত আলোচনী পঠোৱা হয়। ঠিকনা সলনি হলে আৰু কপি সৰহকৈ লাগিলে আগতীয়াকৈ জনাব।

টকা পইচা পঠোৱাৰ, এজেন্সি, বিজ্ঞাপন আদিৰ বাবে যোগাযোগ কৰাৰ ঠিকনাঃ **মুকুট ভট্টাচাৰ্য্য, ১৬ বিশ্ববিদ্যালয় চৌহদ, গুৱাহাটী-১৪।**

# সূচী-পত্ৰ


১। সম্পাদকীয় (পৃঃ ১৮৯)

২। ৰঞ্জিৎ নাৰায়ণ ডেকা : আমাৰ শিক্ষাব্যৱস্থা (পৃঃ ১৯৬)

৩। মাও ছে' তুং : জনগণৰ মাজৰ দ্বন্দ্বৰ নিৰ্ভুল ব্যৱহাৰ (পৃঃ ২০৫)

৪। উমা শৰ্ম্মা : মানব সমাজৰ অগ্ৰগতি আৰু সমাজবিপ্লৱ (পৃঃ ২৩৮)

৫। ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী : অসমীয়া কবিতা : ১৯৫১—১৯৭১ (পৃঃ ২৬১)

৬। যামিনী ফুকন : শ্বেক্সপীয়াৰ আৰু তেওঁৰ সমাজ। (পৃঃ ২৭৪)

৭। উমেশ দাস : চাকৰি বিচাৰি (গল্প) (পৃঃ ২৮১)

৮। শীলভদ্ৰ : ৰতুবাবুৰ বিয়া (গল্প) (পৃঃ ২৮৮)

৯। অচিন্ত্য ভট্টাচাৰ্য : অসমত কৃষিনিগমৰ অৰ্থনীতি আৰু ৰাজনীতি (পৃঃ ২৯৩)

১০। বদৰুদ্দিন উমৰ : সাম্প্ৰদায়িক সংঘৰ্ষ (পৃঃ ৩০১)
অনুবাদক : কৰুণেশ ভট্টাচাৰ্য্য

১১। শিবনাথ বৰ্ম্মণ : ছিছিফাছৰ শ্ৰম (পৃঃ ৩১১)

১২। সাময়িক প্ৰসংগ (পৃঃ ৩৩০)

১৩। কবিতা : টু হু-উ ; পো চু-ই (অনুঃ নীলমণি ফুকন) ; স্বাতী বৰুৱা ; সনন্ত তাঁতি ; খগেন্দ্ৰ ভৰালী ; গৰিমা গগৈ ; জগন্নাথ পাঠক ; অমৃত সাগৰ দিহিঙীয়া ; অশোক কুমাৰ বৰঠাকুৰ ; ফণীন্দ্ৰ নাথ গায়ন ; ৰমেন ৰায় ; বিমল বৰা। (পৃঃ ৩৪৪)

১৪। এম, এছ, প্ৰভাকৰ : ফেনস্বন কিতাপথন। (পৃঃ ৩৫৮)

১৫। দ্বিজেন দাস : নতুন পুৰুষৰ গল্পৰ চিন্তাধাৰা আৰু বাস্তৱ সমস্যাৰ প্ৰত্যাহ্বান। (পৃঃ ৩৬৯)

১৬। সমালোচনা (১) পুথি সমালোচনা (পৃঃ ৩৮৪)
(২) আলোচনী (পৃঃ ৩৯৯)

১৭। হীৰেণ গোহাঁই : অসমীয়া মধ্যবিত্ত সমাজৰ ইতিহাস। (পৃঃ ৪০৫)

১৮। চিঠিপত্ৰ : ইন্দ্ৰেশ্বৰ তালুকদাৰ ; হেমেন দাস। (পৃঃ ৪১৪)


---


গুৱাহাটীৰ প্ৰেৰক ছপাশালত শ্ৰীমুকুট ভট্টাচাৰ্য্যৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মূল্যঃ ২·৫০ টকা


OKDISCD

# অহা সংখ্যাৰ আকৰ্ষণ

**অনুবাদ :** ষ্টালিনৰ প্ৰবন্ধ ; ভিয়েটনামৰ মুক্তি যুদ্ধ—শ্ৰীমতী অলকা গায়ন

**প্ৰবন্ধ :** ডঃ হীৰেন গোহাঁই ; এম, এস, প্ৰভাকৰ ; যামিনী ফুকন ; বিজনলাল চৌধুৰী

**উপন্যাসিকা :** মুকুট ভট্টাচাৰ্য্যৰ-গতি

**একাংকিকা :** বিপ্লব ৰূপক বৰুৱাৰ—সিহঁত সূৰ্য্য

ইয়াৰ উপৰিও সাময়িক প্ৰসংগ, শিল্প জগত আদি

**নতুন পৃথিৱীৰ** নিয়মীয়া শিতান সমূহ।

# সম্পাদকীয়

সম্প্ৰতি আমাৰ দেশ এক গভীৰ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। খাদ্য শস্য আৰু দৈনন্দিন জীৱনৰ অত্যাৱশ্যকীয় অন্যান্য বস্তুসমূহৰ নাটনি আৰু সৰ্বসাধাৰণ শ্ৰেণীৰ লোকে ঢুকি নোপোৱা চৰা দাম, নিবনুৱা আৰু অৰ্দ্ধনিবনুৱা লোকৰ সংখ্যা বৃদ্ধি আদি সমস্যাসমূহে এনে এক তীব্ৰ ৰূপ ধাৰণ কৰিছে যে সমাজ জীৱনৰ সকলো দিশ আজি হতাশাই আচ্ছন্ন কৰিছে। আৰ্থিক উন্নয়নৰ পৰিকল্পনা, সামাজবাদী সমাজ প্ৰতিষ্ঠাৰ সংকল্প; সেউজীয়া বিপ্লৱ, গৰীবি হটাও আদিৰ নামত শাসনত অধিষ্ঠিত দলটোৱে যি মোহৰ মায়াজালৰ সৃষ্টি কৰিছিল সিয়ে ক্ষণস্থায়ী তাক আজি সকলোৱে বুজিব পাৰিছে। তথাকথিত সেউজীয়া বিপ্লৱৰ ফলত বিদেশী খাদ্য শস্যৰ আমদানিৰ ওপৰত নিৰ্ভৰশীলতা আঁতৰি যাব বুলি চৰকাৰে বাৰে বাৰে ঘোষণা কৰিছিল যদিও বৰ্ত্তমান ১৯৭৩ চনৰ প্ৰথম ভাগতে ১৬০ কোটি টকা মূল্যৰ বিদেশী মুদ্ৰা খৰচ কৰি ২ নিযুত টন খাদ্য শস্য আমদানি কৰিব লগীয়া হৈছে। বছৰটোৰ বাকী ছোৱাত এই আমদানিৰ পৰিমাণ আৰু বাঢ়িব বুলি অনুমান কৰা হৈছে। ১৯৬৫ আৰু ১৯৬৬ চনৰ খৰাঙৰ পিচত খাদ্য শস্যৰ উৎপাদনৰ যি বৃদ্ধি হৈছিল সেয়া কোনো চৰকাৰীৰ কৃষি বিপ্লৱৰ ফল নহয় বৰং অনুকূল বতৰৰ অনুগ্ৰহহে মাথোন। ১৯৭২ চনত দেশৰ কিছুমান অঞ্চলত হোৱা খৰাং বতৰৰ ফলত বৰ্ত্তমান বছৰত খাদ্য শস্যৰ যি নাটনিৰ আৰু চৰাদামৰ উদ্ভৱ হৈছে তাৰ পৰাই এই কথাৰ সত্যতা প্ৰমাণিত হৈছে। খেতিপথাৰত পানী যোগানৰ বাবে যুগ যুগ ধৰি ভাৰতীয় কৃষি ব্যৱস্থা বৰষুণৰ ওপৰত নিৰ্ভৰশীল হৈ আহিছে। চৰকাৰৰ কৃষি উন্নয়নৰ পৰিকল্পনা আৰু তথাকথিত সেউজীয়া বিপ্লৱৰ ফলত এই অৱস্থাৰ বিশেষ একো পৰিবৰ্ত্তন হোৱা নাই।

খাদ্যশস্য নাটনি আৰু দাম বৃদ্ধি হোৱাৰ উপৰিও অন্যান্য নিত্য ব্যৱহাৰ্য্য বস্তুৰ নাটনি আৰু দাম বৃদ্ধি হৈ থকাৰ ফলত সৰ্বসাধাৰণ শ্ৰেণীৰ লোক সকলৰ জীৱন নিৰ্বাহ দুৰ্বহ হৈ পৰিছে। বস্তুৰ পাইকাৰী দামৰ চৰকাৰী ( The official wholesale prices Index ) সূচক ফেব্ৰুৱাৰী মাহৰ ১৭ তাৰিখে



OKDISCD

শেষ হোৱা সপ্তাহত ২১৮ দশমিক ৫ লৈ বৃদ্ধি পাইছে (১৯৬২ চনৰ মাৰ্চ মাহত শেষ হোৱা প্ৰাৰম্ভিক বছৰত ১০০ ধৰি)। এই অনুসৰি এবছৰ আগৰ সূচকৰ লগত তুলনা কৰিলে সকলোবোৰ বস্তুৰ দাম গড় ১৪ দশমিক ৩ শতাংশ বৃদ্ধি হৈছে। এই সূচকৰ বৃদ্ধিয়ে বুজায় যে ১৯৬২ চনৰ পৰা আৰম্ভ হোৱা এঘাৰ বছৰৰ ভিতৰত বছৰি গড়ে দহ শতাংশতকৈও অধিক হাৰত বস্তুৰ পাইকাৰী দাম বৃদ্ধি হৈ আহিছে। এনেদৰে উচ্চ হাৰত বছৰৰ পাছত বছৰ ধৰি বস্তুৰ দাম বৃদ্ধি হোৱাৰ লগে লগে নিম্ন আয়বিশিষ্ট সাধাৰণ লোকসকলৰ আৰ্থিক দুৰৱস্থাও বৃদ্ধি পাই গৈ আছে। বৰ্ত্তমান বছৰত হোৱা দাম বৃদ্ধিৰ হাৰ আগতকৈও অধিক হোৱা বাবে এই দেশৰ সাধাৰণ শ্ৰমজীৱী লোকসকলৰ আৰ্থিক দুৰৱস্থাৰ তীব্ৰতাও এই বছৰ বৃদ্ধি পাইছে। আনহাতে বস্তুৰ দামৰ উৰ্দ্ধমুখী গতি বন্ধ হোৱাৰ কোনো লক্ষণ প্ৰকাশ পোৱা নাই; বৰং অধিক ক্ষীপ্ৰ হৈহে গৈ আছে। ১৭ ফেব্ৰুৱাৰী তাৰিখে শেষ হোৱা সপ্তাহৰ পাইকাৰী বস্তুৰ দামৰ সূচক তাৰ আগৰ এমাহৰ সূচকৰ তুলনাত ১ দশমিক ৭ শতাংশ অধিক।

স্বভাৱতে প্ৰশ্ন উঠে বস্তুৰ দাম বৃদ্ধি ইমান উচ্চ হাৰত ইমান দীঘলীয়া কালধৰি চলি থকাৰ কাৰণ কি? এই প্ৰশ্নৰ উত্তৰ জটিল বিশ্লেষণৰ আশ্ৰয় নোলোৱাকৈ দিয়া সম্ভৱ নহয়। কিন্তু বিশেষজ্ঞসকল প্ৰায় একমত যে সম্প্ৰতি আমাৰ দেশত চলি থকা বস্তুৰ দাম বৃদ্ধিৰ মূখ্য কাৰণ মুদ্ৰাস্ফিতি অৰ্থাৎ জনসাধাৰণৰ মাজত মুদ্ৰাৰ যোগান বৃদ্ধি। প্ৰশাসনীয় কাৰ্য্য, প্ৰতিৰক্ষা, আৰ্থিক পৰিকল্পনা আদিৰ ক্ষেত্ৰত বাঢ়ি অহা খৰচৰ এক বৃহৎ অংশ চৰকাৰে ঘাটি বাজেটৰ যোগেদি অৰ্থাৎ নতুনকৈ কাগজৰ মুদ্ৰা ছপাই উলিয়ায়। ইয়াৰ উপৰিও ৰিজাৰ্ভ বেঙ্ক আৰু অন্যান্য বেঙ্কসমূহৰ পৰা চৰকাৰে ঋণ গ্ৰহণ কৰাৰ লগতে ব্যৱসায়ী বেঙ্কসমূহে ব্যৱসায় উদ্যোগ আদিত বিনিয়োগৰ বাবে যি ঋণ আগবঢ়ায় তাৰ ফলতো মুদ্ৰাস্ফীতি হৈছে। এই সকলোবোৰ কাৰণতে জনসাধাৰণৰ মাজত যোগান হোৱা মুদ্ৰাৰ মুঠ পৰিমাণ ১৯৬২ চনত ৩৩১০ কোটি টকাৰ পৰা ১০৭২ চনৰ জুলাই মাহৰ শেষত ৮৩৩৪ কোটি টকালৈ বৃদ্ধি পায়। গতিকে দেখা যায় যে এই কাল ছোৱাত জনসাধাৰণৰ মাজত মুদ্ৰাৰ যোগান বছৰি গড়ে ১৩ শতাংশতকৈও অধিক হাৰত বৃদ্ধি পাইছে। ইয়াৰ বিপৰীতে





বস্তুৰ যোগান অতি নগণ্য হাৰতহে বৃদ্ধি পাইছে। ১৯৬০—৬১ চনৰ বস্তুৰ দামৰ মানত আমাৰ দেশৰ জাতীয় আয় ১৯৬১ চনত ১৩৭৯৫ কোটি টকাৰ পৰা ১৯৭০ চনত ১৮৪৮২ কোটি টকালৈহে বৃদ্ধি পাইছে অৰ্থাৎ এই ৯ বছৰত গড়ে বাৰ্ষিক চাৰে তিনি শতাংশ কৈহে বৃদ্ধি হৈছে। ১৯৭০ চনৰ পিচৰ দুই বছৰত জাতীয় আয়ৰ বৃদ্ধি মাত্ৰ দুই শতাংশতকৈও কম হাৰত হোৱা বুলি চৰকাৰী ভাবেই স্বীকাৰ কৰা হৈছে। জাতীয় আয়ৰ বৃদ্ধি মন্থৰ গতি হোৱা মানে দেশত উৎপাদিত হোৱা বস্তুৰ পৰিমাণ কম হাৰত বৃদ্ধি হোৱা। এনে স্থলত জনসাধাৰণৰ মাজত মুদ্ৰাৰ যোগান অতি উচ্চ হাৰত বৃদ্ধি হলে বস্তুৰ দামো উচ্চ হাৰত বৃদ্ধি নহৈ নোৱাৰে। ভোগৰ বাবেই হওক বস্তু কিনাৰ বাবে মুদ্ৰাৰ খৰচ হয়; সঞ্চিত অংশত বিনিয়োগত খৰচ হয়। ভোগৰ বাবে হলে ভোগ্য বস্তু আৰু বিনিয়োগৰ বাবে হলে মূলধন জাতীয় বস্তু কিনা হয়। সেয়ে বস্তুৰ উৎপাদন বৃদ্ধিৰ হাৰৰ তুলনাত মুদ্ৰাৰ যোগানৰ হাৰ বৃদ্ধি হলে বস্তুৰ দাম বৃদ্ধি হয়।

যিহেতু মুদ্ৰাস্ফীতি হৈছে চৰকাৰৰ ঘাটি বাজেট নীতি, ৰিজাৰ্ভ বেঙ্ক আৰু অন্যান্য বেঙ্কৰ পৰা ঋণ গ্ৰহণ নীতি আদিৰ বাবে, বস্তুৰ দাম বৃদ্ধি আৰু ইয়াৰ ফলত উদ্ভৱ হোৱা জনসাধাৰণৰ আৰ্থিক দুৰৱস্থাৰ বাবে চৰকাৰেই প্ৰত্যক্ষ ভাবে দায়ী। প্ৰশাসনীয় খৰচৰ বাবেই হওক বা আৰ্থিক উন্নয়নৰ খৰচৰ বাবেই হওক মুদ্ৰাস্ফিতিৰ আশ্ৰয় লোৱাটো সম্পূৰ্ণৰূপে এটা জনবিৰোধী নীতি। কাৰণ মুদ্ৰাস্ফীতিৰ যোগেদি যি সম্পদ আহৰণ কৰা হয় তাৰ সকলো অংশ আছে জনসাধাৰণৰ আটাইতকৈ নিম্ন আয় বিশিষ্ট অংশৰ পৰা। মুদ্ৰাস্ফীতিৰ ফলত বস্তু দাম বৃদ্ধি হলে কম আয়ৰ লোকসকলে আগৰ তুলনাত কম পৰিমাণে বস্তু কিনিব লগীয়া হয়। অৰ্থাৎ নতুনকৈ সৃষ্টি কৰা মুদ্ৰাৰে চৰকাৰে কিনিব লগীয়া বস্তুখিনি তেওঁলোকে এনেদৰে "ৰাহি" কৰে। তেওঁলোকে নিজৰ বাবে অত্যাৱশ্যকীয় বস্তুসমূহ আৱশ্যকীয় পৰিমাণে কিনিব নোৱাৰে বাবেই এই "ৰাহি" সম্ভৱ হয়। আনহাতে উচ্চ আয়ৰ লোকসকলে বস্তুৰ দাম বৃদ্ধি হলেও আৱশ্যকীয় পৰিমাণে সকলো বস্তু কিনিব পাৰে যদিও তেওঁলোকৰ স্বেচ্ছামুলক সঞ্চয়ৰ পৰিমাণ কিছু কমে। এনেস্থলত চৰকাৰী খৰচৰ (যি অংশ মুদ্ৰাস্ফীতিৰে পূৰণ কৰা হয়। প্ৰকৃত বোজাৰ real burden) সকলো



OKDISCD

অংশ কম আয়ৰ লোকসকলৰ ওপৰত পৰে; উচ্চ আয়ৰ লোকসকলৰ ওপৰত তাৰ কোনো অংশই নপৰে। প্ৰত্যক্ষ কৰ বৃদ্ধিৰ যোগেদি সেই খৰচৰ ধন উঠোৱাহেঁতেন তাৰ প্ৰকৃত বোজা উচ্চ আয়ৰ লোকসকলৰ ওপৰতহে পৰিলহেঁতেন; কাৰণ নিম্ন আয়ৰ লোকসকলে প্ৰত্যক্ষকৰ প্ৰায়ে দিবলগীয়া নহয়। আকৌ পৰোক্ষ কৰৰ যোগেদি সেই ধন উঠোৱাহেঁতেন তাৰ প্ৰকৃত বোজাৰ কিছু অংশ উচ্চ আয়ৰ লোকসকলৰ ওপৰত পৰিলহেঁতেন, যদিও এনে কৰৰ প্ৰকৃত বোজাৰ সৰহ অংশই নিম্ন আয়ৰ লোকসকলৰ ওপৰতে পৰে। কাৰণ পৰোক্ষ কৰৰ যি অংশ বিলাসী বস্তুৰ ওপৰত লগোৱা হয় সেই অংশ উচ্চ আয়ৰ লোক-সকলে বহন কৰিব লগীয়া হয়। আনহাতে নিত্য ব্যৱহাৰ্য্য বস্তুৰ ওপৰত পৰোক্ষ কৰৰ প্ৰকৃত বোজা নিম্ন আয়ৰ লোকসকলৰ ওপৰতহে পৰে কিয়নো ইয়াৰ ফলত সেইবোৰ বস্তুৰ দাম বৃদ্ধি হোৱা বাবে তেওঁলোকে সেইবোৰ বস্তু কম পৰিমাণে ভোগ কৰিব লগা হয়। কিন্তু উচ্চ আয়ৰ লোকসকলে সেইবোৰ বস্তুৰ দাম বাঢ়িলেও আগৰ দৰে একে পৰিমাণেই ভোগ কৰি থাকে; কেৱল তেওঁলোকৰ সঞ্চয়ৰ পৰিমাণ কমে। ইয়াৰ পৰা বুজিব পাৰি যে মুদ্ৰাস্ফীতিৰ যোগেদি চৰকাৰী খৰচৰ বাবে ধন উঠোৱা নীতি অত্যান্ত প্ৰতিক্ৰিয়াশীল। লগতে উনুকিয়াই যোৱা প্ৰয়োজন যে পৰোক্ষ কৰৰ যোগেদি, বিশেষকৈ সৰ্বসাধাৰণ শ্ৰেণীৰ নিত্যে ব্যৱহাৰ্য্য বস্তুৰ ওপৰত লগোৱা পৰোক্ষ কৰৰ যোগেদি, চৰকাৰী খৰচৰ বাবে ধন উঠোৱা নীতিও সমৰ্থনযোগ্য নহয় যিহেতু এনে কৰৰ ফলত বস্তুৰ দাম বৃদ্ধি হয়। কিন্তু আমাৰ দেশত চৰকাৰে ৰাজহৰ সৰহ অংশই আদায় কৰে পৰোক্ষ কৰৰ যোগেদি। মুদ্ৰাস্ফীতি আৰু পৰোক্ষ কৰৰ ওপৰত এনেদৰে নিৰ্ভৰ কৰা বাবেই বস্তুৰ দাম বৃদ্ধি হৈ গৈ আছে।

অহা মাৰ্চ মাহত শেষ হব লগীয় বিত্তীয় বছৰটোত কেন্দ্ৰীয় চৰকাৰৰ মুঠতে ৫৫০ কোটি টকা ঘাটি পৰা বুলি অহা বছৰৰ বাবে বাজেট উত্থাপন কৰোতে কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে জনাইছে। ইয়াৰ লগত ৰাজ্যসমূহৰ ঘাটি পূৰণৰ বাবে কেন্দ্ৰই আগবঢ়োৱা ঋণ ৪২১ কোটি টকা আৰু কেন্দ্ৰীয় চৰকাৰে উঠোৱা ৪৭৮ কোটি ঋণ ধৰিলে এই বছৰটোৰ মুঠ ঘাটি হয় গৈ ১৪৪৯ কোটি টকা। অহা বছৰৰ কেন্দ্ৰীয় বাজেটত যদিও মাত্ৰ ৮৫ কোটি টকা ঘাটি পৰিব বুলি দেখুৱা হৈছে, প্ৰকৃততে এই ঘাটি বহুত বেচি হোৱাৰ সম্ভাৱনা আছে। কিয়নো ৰাজ্য





চৰকাৰ সমূহৰ বাজেটৰ ঘাটিৰ উপৰিও তৃতীয় দৰমহা আয়োগৰ অনুমোদন অনুসৰি চৰকাৰী কৰ্মচাৰী সকলৰ দৰমহা বৃদ্ধিৰ বাবে আৱশ্যক হোৱা অতিৰিক্ত খৰচৰ বাবে কেন্দ্ৰীয় বাজেটত কোনো ব্যৱস্থা ৰখা হোৱা নাই। বৰ্তমান বছৰত চৰকাৰৰ মুঠ ৰাজহৰ পৰিমাণ বাজেটত ধৰাতকৈ ৭১৮ কোটি টকা বৃদ্ধি হোৱা সত্বেও ঘাটিৰ পৰিমাণ বাজেটত ধৰা ২৫১ কোটিৰ ঠাইত ৫৫০ কোটি হোৱাৰ পৰাই বুজিব পাৰি যে অহা বছৰতো কেন্দ্ৰীয় বাজেটৰ ঘাটি এতিয়া ধৰা ৮৫ কোটি টকাতকৈ বহুত বেচি হব। গতিকে দেখা যায় যে আমাৰ চৰকাৰে মুদ্ৰাস্ফীতি বন্ধ কৰাৰ কথা মুখত কলেও কাৰ্য্যতঃ ঘাটি বাজেটৰ ব্যৱস্থা কৰি মুদ্ৰাস্ফীতি ঘটাই আছে।

পৰোক্ষ কৰৰ বাবে বস্তুৰ দাম বৃদ্ধি হোৱাৰ কথা আগেয়ে উল্লেখ কৰি অহা হৈছে। এটা হিচাপ অনুসৰি ১৯৬৭ চনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সমূহে আদায় কৰা মুঠ পৰোক্ষ কৰৰ পৰিমাণ আছিল প্ৰায় ২৭৬৩ কোটি টকা। ইয়াৰ বিপৰীতে প্ৰত্যক্ষ কৰৰ পৰিমাণ আছিল মুঠ প্ৰায় ৬৬৮ কোটি টকা। যিহেতু পৰোক্ষ কৰৰ সৰহ অংশ আহে সাধাৰণ শ্ৰেণীৰ লোকসকলৰ পৰা, প্ৰত্যক্ষ কৰৰ তুলনাত পৰোক্ষ কৰৰ অনুপাত বহু বেচি হোৱাটোৱে চৰকাৰৰ কৰ নীতিৰ স্বচনা কৰে। প্ৰত্যক্ষ কৰৰ তুলনাত অধিক পৰিমাণৰ পৰোক্ষ কৰ আদায় কৰিয়ে আমাৰ চৰকাৰে ক্ষান্ত হৈ থকা নাই; প্ৰত্যক্ষ কৰৰ তুলনাত পৰোক্ষ কৰ অধিক পৰিমাণে বৃদ্ধি কৰিও আছে। ১৯৫০ চনত কেন্দ্ৰীয় চৰকাৰৰ মুঠ কৰৰ শতকৰা ৬৬ ভাগ আছিল পৰোক্ষ কৰ; কিন্তু ১৯৬৬ চনত ইয়াৰ অনুপাত হয় গৈ শতকৰা ৭১ ভাগ। আকৌ ৰাজ্যসমূহে আদায় কৰা পৰোক্ষ কৰৰ অনুপাত ১৯৫১ চনত শতকৰা ৫৩ ভাগৰ পৰা ১৯৬৬ চনত শতকৰা ৭৫ ভাগলৈ বৃদ্ধি পাইছে। প্ৰত্যক্ষ কৰৰ তুলনাত পৰোক্ষ কৰৰ বৃদ্ধিয়ে এফালে দেশত আয় আৰু সম্পত্তিৰ বৈষম্য বৃদ্ধি কৰিছে আৰু আন ফালে বস্তুৰ দাম বৃদ্ধিত সহায় কৰিছে।

দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বস্তুসমূহৰ নাটনি আৰু দাম বৃদ্ধিৰ উপৰিও আন এটা সমস্যাই এই দেশৰ সাধাৰণ শ্ৰেণীৰ লোকসকলক বিবুদ্ধিত পেলাইছে— সেইটো হ'ল নিবনুৱা সমস্যা। বৰ্তমান আমাৰ দেশত কিমান লোক নিবনুৱা হৈ আছে তাৰ হিচাপ স্বয়ং চৰকাৰেই দিব পৰা নাই। চতুৰ্থ পৰিকল্পনাৰ নথি-পত্ৰৰ



OKDISCD

লগত আগৰে পৰা থকা নিবনুৱা লোকৰ সংখ্যা, সংশ্লিষ্ট পৰিকল্পনাৰ কালত যোগ হব লগা শ্ৰমিকৰ সংখ্যা আৰু সেই কালৰ ভিতৰত যিমান লোকৰ কৰ্ম সংস্থান যোগান ধৰাৰ সম্ভাৱনা থাকে তাৰ সংখ্যা প্ৰকাশ কৰা হৈছিল। চতুৰ্থ পৰিকল্পনাৰ পৰা এই ব্যৱস্থা বাদ দিয়া হৈছে। ১৯৭১ চনৰ লোক পিয়লৰ তথ্য অনুদৰি জনা গৈছে যে এই দেশৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশ অৰ্থাৎ শতকৰা প্ৰায় ৩৩ ভাগ হে প্ৰকৃতপক্ষে কৰ্মৰত হৈ আছে। অৱশ্যে শিশু, ছাত্ৰ, বুঢ়া, ৰোগী, আদি বাদ দিলে আমাৰ দেশৰ কৰ্যক্ষম লোকৰ অনুপাত মুঠ জন সংখ্যাৰ প্ৰায় ৪২ শতাংশ হে হয়। গতিকে এই ৪২ শতাংশৰ পৰা কৰ্মৰত ৩৩ শতাংশ বাদ দিলে প্ৰায় ৯ শতাংশ লোক নিবনুৱাৰ শ্ৰেণীত পৰে। ১৯৭১ চনৰ লোক পিয়লৰ সময়ত এই দেশৰ জন সংখ্যাৰ মুঠ পৰিমাণ আছিল ৫৪ কোটি ৭০ লাখ। ইয়াৰে শতকৰা ৯ ভাগ মানে হয় প্ৰায় ৫ কোটি। অৰ্থাৎ আমাৰ দেশত নিবনুৱা হৈ থকা লোকৰ সংখ্যা প্ৰায় ৫ কোটি। এই নিবনুৱা লোকসকলৰ সৰহ ভাগে গাওঁ আৰু নগৰ অঞ্চলত বাস কৰা সাধাৰণ শ্ৰেণীৰ শ্ৰমজীৱী পৰিয়ালৰ লোক। দৈনন্দিন জীৱনৰ অত্যাৱশ্যকীয় বস্তুৰ অভাৱ-অনাটন আৰু চৰা দামৰ লগত সংগ্ৰাম কৰি জুৰুলা হোৱা সাধাৰণ শ্ৰেণীৰ পৰিয়ালসমূহৰ বাবে নিবনুৱা-লোকৰ ভৰণ-পোষণ দিয়াটো কিমান কঠিন কাম তাক বুজিবলৈ টান নহয়। এই নিবনুৱা লোকসকলৰ সৰহ ভাগে অশিক্ষিত। কিন্তু শিক্ষিত নিবনুৱাৰ সংখ্যাও যোৱা কিছু বছৰৰ ভিতৰত বহু পৰিমাণে বাঢ়িছে। এটা হিচাপ অনুসৰি কৰ্মহীন ইঞ্জিনিয়াৰৰ সংখ্যা ৭৫০০০ জন আৰু উচ্চ শিক্ষিত নিবনুৱাৰ সংখ্যা ৫৮০,০০০ জন। ইয়াৰ বাহিৰেও আমাৰ দেশত বহুতো লোক অৰ্দ্ধ নিবনুৱা হৈ আছে যি সকলে বছৰটোৰ ভিতৰত আধা বা তাতকৈ অধিক সময় কাম নকৰাকৈ থাকিব লগীয়া হয় বা যিবিলাকে নিজৰ অৰ্হতাতকৈ কম দক্ষতাৰ কামত নিযুক্ত হৈ থাকিব লগীয়া হৈছে।

এই বাঢ়ি অহা নিবনুৱা সমস্যা সমাধানৰ বাবে আমাৰ চৰকাৰে কিবা কৰিছে জানো? কৰা নাই। অহা বছৰৰ বাজেট উথাপন কৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে উল্লেখ কৰিছে যে ৫ লাখ লোকক কৰ্ম সংস্থান দিবলৈ আৰু ভবিষ্যতে অতিৰিক্ত লোকক কৰ্মসংস্থান দিয়া সম্পৰ্কে তথ্য-পাতি সংগ্ৰহ কৰিবলৈ অহা বছৰটোৰ ভিতৰত চৰকাৰে ১০০ কোটি টকাৰ খৰচৰ বাবে প্ৰস্তাৱ কৰিছে। যি দেশত ৫ কোটি





লোক নিবনুৱা হৈ আছে তাত ৫ লাখ লোকৰ বাবে কৰ্ম সংস্থানৰ প্ৰস্তাৱে মাত্ৰ চৰম ঔদাসীন্যৰ কথাই প্ৰমাণ কৰিছে। আনকি এই ৫ লাখ লোকৰ বাবে লোৱা কৰ্ম সংস্থানৰ প্ৰস্তাৱো কিমান দূৰ কাৰ্য্যকৰী হয় তাত সন্দেহৰ অৱকাশ আছে। চতুৰ্থ পৰিকল্পনাৰ প্ৰথম দুই বছৰৰ ভিতৰত কাৰ্য্যক্ষম বয়সৰ লোকৰ সংখ্যা বৃদ্ধি হয় ১২ নিযুত ৮০ লাখ; কিন্তু এই কালছোৱাৰ ভিতৰত অৰ্থব্যৱস্থাৰ সংগঠিত খণ্ডত মাত্ৰ ৮২ লাখ লোকৰ নিয়োগ বৃদ্ধি হয়। অসংগঠিত খণ্ডত অৰ্থাৎ কৃষিখণ্ডত অতিৰিক্ত কৰ্মসংস্থানৰ সম্ভাৱনা তেনেই সীমিত; কাৰণ আমাৰ দেশত কৃষিকাৰ্য্যত যিমান লোকৰ প্ৰয়োজন তাতকৈ বহু বেছি সংখ্যক লোকে তাত ইতিমধ্যে কাম কৰিয়েই আছে।

নিবনুৱা লোক সকলক কৰ্মসংস্থান যোগাবলৈ হলে দেশৰ ঔদ্যোগিক প্ৰগতি ক্ষীপ্ৰ হব লাগিব। ইয়াৰ বাবে প্ৰযোজন প্ৰচুৰ মূলধনৰ। এই মূলধন আহিব ক'ৰ পৰা? দেশৰ শাসনত অধিষ্ঠিত দলটোৰে পৰোক্ষকৰ আৰু মুদ্ৰাস্ফীতিৰ যোগেদি জনসাধাৰণৰ আটাইতকৈ দুখীয়া অৱস্থাৰ লোক সকলৰ আয়ৰ পৰা চৰকাৰী খৰচৰ সৰহ অংশ আদায় কৰাৰ নীতি চলাই আছে। এই নীতিৰে নিবনুৱা সমস্যা সমাধানৰ বাবে ঔদ্যোগিক উন্নয়ন সাধন কৰা সম্ভৱ নহয়। দেশী আৰু বিদেশী একচেটিয়া পুঁজিপতি সকলৰ সম্পত্তি আৰু আয়ৰ পৰা আৱশ্যকীয় মূলধন সংগ্ৰহ নীতি গ্ৰহণ নকৰাকৈ ঔদ্যোগিক উন্নয়নৰ বাবে প্ৰয়োজনীয় মূলধন সংগ্ৰহ কৰা সম্ভৱ নহয়। আমাৰ দেশৰ বৰ্ত্তমানৰ চৰকাৰৰ দ্বাৰা এই কাম কেতিয়াবা সাধিত হব জানো?

[ **বিশেষ ঘোষণা ঃ** অহা সংখ্যাত প্ৰকাশ পাব অমল ঘোষ দস্তিদাৰৰ "নিবনুৱা সমস্যা" সম্পৰ্কে বিস্তাৰিত আৰু তথ্যবহুল প্ৰবন্ধ। ]

---



OKDISCD

# আমাৰ শিক্ষা ব্যৱস্থা ঃ

## বাস্তৱ আৰু আদৰ্শ

**ৰঞ্জিত নাৰায়ণ ডেকা**

( ৪ৰ্থ সংখ্যাৰ পিচৰ পৰা )

### শিক্ষক আৰু জনমত গঠন

বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ আটাইবোৰ কেৰোণ দেখুৱাত বিশেষকৈ প্ৰাথমিক আৰু মাধ্যমিক স্কুলৰ শিক্ষক সকলৰ প্ৰগতিশীল অংশ আগৰণুৱা, আৰু আন মানুহ এই কামত শিক্ষক সকলৰ সহযোগী হব লাগিব। আমাৰ সৰহ ভাগ প্ৰাথমিক আৰু মাধ্যমিক স্কুল গাঁৱঁত। বৰ্ত্তমানৰ বিকাৰগ্ৰস্ত আৰু শোষণৰ আহিলা স্বৰূপ শিক্ষা ব্যৱস্থাৰ কুফল হাতে হাতে ভোগ কৰা লোক সকলৰ সৰহ সংখ্যকো বাস কৰে গাঁৱঁত। শিক্ষা ব্যৱস্থাৰ দোষত্ৰুটি বুজাৰ ক্ষমতা আছে শিক্ষক সকলৰহে, কাৰণ তেওঁলোকেই গাৱঁৰ ভিতৰত শিক্ষিত লোক। এই শিক্ষিত লোক সকলে গাঁৱৰ নিৰক্ষৰ মানুহবোৰক যদি বুৰ্জোৱা আৰু ধনিক শ্ৰেণীৰ চক্ৰান্তৰ ভেদ ভাঙি দিয়াৰ দায়িত্ব নলয়, তেন্তে কোনে লব? গতিকে গাঁৱত সামাজিক পৰিবৰ্ত্তন আনিবলৈ হলে শিক্ষক সকল আগবাঢ়ি আহিবই লাগিব আৰু তেখেত সকলৰ লগত থাকিব ছাত্ৰ-ছাত্ৰী। গাঁৱৰ যি সকল শিক্ষিত লোকে গাঁৱলীয়া সমাজখনৰ উন্নতি বিচাৰে, তেওঁলোকে ছাত্ৰ ছাত্ৰী সকলক প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কেৰোণ সমূহ তন্ন-তন্নকৈ বুজাই দি ছাত্ৰ-ছাত্ৰী সকলৰ সহায়ত গাৱঁৰ খেতিয়ক সকলৰ মাজতো সেই কথা ধৈৰ্য্য আৰু সহনশীলতাৰ প্ৰচাৰ কৰাৰ সাংগঠনিক ব্যৱস্থা কৰিলে সুফল যে হব সেই বিষয়ে আমাৰ সন্দেহ নাই। কিন্তু মনত ৰখা উচিত এই কাম এদিনতে বা সহজে নহয়। ইয়াৰ বাবে লাগিব মনৰ দৃঢ়তা আৰু কষ্ট স্বীকাৰ। এনে





কাম বৰ্ত্তমানৰ স্কুল পৰিদৰ্শক সকলৰ দ্বাৰা যে নহব সেই বিষয়ে আমাৰ সন্দেহ নাই।

সমাজৰ উন্নতিৰ চিন্তা কৰিব লাগে, সমাজখনৰ প্ৰতি দায়িত্ব লব লাগে—এনেবোৰ কথা আমাৰ শিক্ষিত লোক সকলে সমূলি নেভাবে। তেওঁলোকৰ কথা হ'ল—"মই সুবিধা পাইছোঁ; তই সুবিধা পোৱা নাই, পঢ়া নাই—চাকৰি পোৱা নাই। ইয়াত মোৰ কি আহে যায়?" ঠিক এনে এটা স্থূল মনোভাব; আৰু অসমীয়া তথাকথিত শিক্ষিত মধ্যবিত্তই এই নীচ মনোভাবকে আভিজাত্য বুলি প্ৰচাৰ কৰে। এই শিক্ষিত আভিজাত্যৰ নমুনা হ'ল—'ধুৰ' মাৰি হওক তালিবাজি কৰি হওক, ভেটি-ভূটা খাই হওক, দমী কাপোৰ পৰিধান কৰিব লাগে, বাটত লহ্-পহ্কৈ ফুৰিব লাগে; দালান বনাব লাগে, সমাজত লগা-লগি হলে আনৰ দুৰ্ণাম ৰটিব লাগে, ইত্যাদি ইত্যাদি। গতিকে এনে এটা ধনিক শ্ৰেণীৰ হাতৰ পৰা শিক্ষা নীতিৰ দায়িত্ব কাঢ়ি অনাৰ বাবে সমাজৰ প্ৰগতিশীল লোক সকল একগোট হবই লাগিব। কাৰণ এই মধ্যবিত্ত শ্ৰেণীটোৰ ধনবল আছে, শিক্ষা আছে, আৰু নানান প্ৰভাৱ আছে। সমাজৰ প্ৰগতিশীল লোক সকলে **সুসংগঠিত ভাবেহে** সুবিধাভোগী মধ্যবিত্ত শ্ৰেণীক আঁতৰোৱাৰ পথ তৈয়াৰ কৰিব পাৰিব।

বৰ্ত্তমান মধ্যবিত্ত শিক্ষিত শ্ৰেণীটোৰ এনে আচৰণত আচৰিত হব লগীয়া একো নাই। এই মধ্যবিত্ত শ্ৰেণীটো চৰকাৰী বিষয়া হিচাপে হওক, বিশ্ববিদ্যালয় কলেজ-স্কুলৰ শিক্ষক হিচাপে হওক, আৰু উদ্যোগ আদিৰ বিষয়া হিচাপেই হওক—সকলো ক্ষেত্ৰতে ইহঁতে মালিক শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰি থাকে। দেখাত যদিও ইহঁতৰ উচ্চ শিক্ষা আছে, সমাজত উচ্চ স্থান আছে আৰু ইয়াৰবাবে ইহঁতে নিজে নিজে গৌৰব অনুভৱো কৰে, তথাপি বিষয়া-অধ্যাপক শিক্ষক সকল প্ৰকৃততে **মালিক শ্ৰেণীৰ চাকৰহে।** আমাৰ সমাজ ব্যৱস্থাত মালিক শ্ৰেণীৰ প্ৰতিপত্তি থকালৈকে নতুন শিক্ষা নীতিৰ প্ৰচলন হব নোৱাৰে। **সমাজ ব্যৱস্থা পৰিবৰ্ত্তন হলেহে নতুন শিক্ষা নীতি সম্ভৱ।** শিক্ষা নীতিৰ আমুল পৰিবৰ্ত্তন বিচৰা লোক সকলে এই কথাটো সদায় স্পষ্ট ভাবে মনত ৰাখিব লাগিব। ৰাছিয়া আৰু চীনত প্ৰাচীন সমাজ ব্যৱস্থা ভাঙি সাম্যবাদ প্ৰবৰ্ত্তন হোৱাৰ পিচতহে শিক্ষা নীতিৰ আমূল পৰিবৰ্ত্তন কাৰ্য্যতঃ সম্ভৱ



OKDISCD

হৈছে[১]। ৰাছিয়াত সমাজতন্ত্ৰ হোৱাৰ পিচত ৰাছিয়াৰ বুদ্ধিজীৱী সকল গাৱঁলৈ গৈ শিক্ষাৰ প্ৰসাৰত দেহে কেহে লাগিছিল। কিন্তু আমাৰ বুদ্ধিজীৱী সকলে এনে কাম নকৰে[২]। তেওঁলোকে চহৰ নগৰতে বুদ্ধিৰ ফুলজাৰি জ্বলাই বিপ্লৱ আদি আনি দপদপাই থাকে। ভাৰতবৰ্ষত সাম্যবাদ হলে আৰামৰ জীৱন সাং হব বুলি আমাৰ বুদ্ধিজীৱী সকলে ভয়তে কয় যে সাম্যবাদত বাকস্বাধীনতা নাই, গণতন্ত্ৰ নাই। অৰ্থাত বুদ্ধিজীৱী শ্ৰেণীটো মুষ্টিমেয় হৈ আৰামত থাকি জীৱন ধাৰণৰ সকলো সুবিধা গ্ৰহণ কৰি মালিক শ্ৰেণীৰ চাকৰ হৈ থকাটোকে শ্ৰেষ্ঠ বুলি প্ৰচাৰ কৰে। প্ৰকাশ্যে অৱশ্যে এই শ্ৰেণীটোৱে মালিক শ্ৰেণীটোকহে চলায় বুলি কয়। মালিক শ্ৰেণীটোৰ দৰে ইহঁতো সমানে বজ্জাত। আমাৰ গাৱঁলীয়া ৰাইজে চহৰ নগৰত থকা বুদ্ধিজীৱী সকলৰ পৰা এতিয়াও আশা কৰি আছে। গাৱঁৰ বিভিন্ন শিক্ষা অনুষ্ঠানে এই চাকৰ বুদ্ধিজীৱী সকলক নিমন্ত্ৰণ কৰি গাৱঁলৈ নিয়াও আমাৰ চকুত পৰিছে। গাৱঁৰ প্ৰগতিশীল ছাত্ৰ শিক্ষক অভিভাৱক সকলৰ সদাই চাব লাগে যাতে এই **চাকৰ বুদ্ধিজীৱী সকল গাৱঁলৈ নিমন্ত্ৰিত নহয়**। গাৱঁৰ মানুহ সকলে বুজা উচিত যে বুদ্ধিজীৱী সকলৰ সৰহ ভাগেই গাৱঁলৈ যায় দিনটো বটাই অহাৰ বাবেহে, ইয়াতকৈ মহৎ উদ্দেশ্য ইহঁতৰ নাই। প্ৰগতিশীল ছাত্ৰ-শিক্ষক অভিভাৱক সকলে এই খাইপাত ফলা বুদ্ধিজীৱী সকলৰ ভূমিকা নিজে বুজি লৈ সিহঁতৰ আচল

১. 'when a country becomes Communist, a vigorous campaign is usually waged to make the whole people literate within a few years.' (Gunnar Myrdal, 'The challenge of world poverty (1971, P-185)

২. 'we noticed nothing similar to that crusade in India. We heard complaints about mass unemployment among young graduates of the universities, but we could get no answer to the question : 'Why cannot a million of them be mobilised for rural teaching ?' Such a mobilization would be possible if Indian intellectuals felt the urgency of primary education for the villages as keenly as did the Russian intellectuals in the days of my youth.' (W. S. Woytinsky, **India : The Awakening Giant** [1957], P. 137.)





স্বৰূপ গাৱঁলীয়া ৰাইজক চিনাই দিলে গাৱঁলীয়া ৰাইজৰ ইহঁতৰ প্ৰতি থকা মোহ এদিন আঁতৰি যাব। এই মোহৰ দূৰীকৰণেও গাৱঁলীয়া ৰাইজক প্ৰগতিশীল হোৱাত সহায় কৰিব। আগতে কৈ অহা হৈছে যে বুদ্ধিজীৱী শ্ৰেণীটোৱে কেতিয়াও শিক্ষাৰ ব্যাপক প্ৰসাৰত আগভাগ নলয়। আনকি চৰকাৰৰ সহযোগী শিক্ষাবিদ জে পি নায়কেও প্ৰাথমিক শিক্ষাই কম গুৰুত্ব পোৱাৰ মূলতে বুদ্ধিজীৱী শ্ৰেণীৰ শোষণৰ মনোভাব থকা বুলি কৈছে।[৩]

নায়কে কৈছে যে এই ক্ষেত্ৰত **আমাৰ কমিউনিষ্ট দেশবোৰৰ পৰা শিকিব-লগীয়া আছে**। দেশ এখন **কমিউনিষ্ট হোৱাৰ পিচতহে** তাত শিক্ষা নীতিৰ আমুল পৰিৱৰ্ত্তন সম্ভৱ হয়। কাৰণ কমিউনিষ্ট দেশত ব্যাপক প্ৰাথমিক জনশিক্ষা হবই লাগিব। পুঁজিৰ অভাৱৰ অজুহাতত এই আঁচনি পিচ পৰি থাকিব নোৱাৰে। কিন্তু জনগণৰ বা শ্ৰমিক-কৃষকৰ দখলত থকা পুঁজিহে জনগণৰ কাৰণে ব্যয় হব; ধনী বা পুঁজিপতিৰ দখলত থকা পুঁজি কেতিয়াও জনসাধাৰণৰ কল্যাণৰ কাৰণে ব্যয় নহয়। সেয়ে শ্ৰমিক কৃষক শ্ৰেণীয়ে দেশৰ সকলো পুঁজিপতিৰ পুঁজি ৰাজহুৱা পুঁজিলৈ পৰিৱৰ্ত্তন কৰিব লাগিব আৰু সেই পুঁজি প্ৰকৃতাৰ্থত জনগণৰ পুঁজি হব। এইখিনি কথা নায়কে ধৰিব নোৱাৰি বিভ্ৰান্ত হৈ কৈছে যে প্ৰাথমিক শিক্ষা সম্বন্ধে মাত্ৰ প্ৰস্তাৱহে গ্ৰহণ কৰা হৈছে—কাম হোৱা নাই।[৪] কমিউনিষ্ট দেশবোৰত উৎপাদনৰ ওপৰত যিমান গুৰুত্ব দিয়া হয়, শিক্ষাৰ ওপৰতো

৩. 'In my opinion, this lower priority accorded to elementary education is due mainly to the fact that the inteelligentsia, which has come into power at the end of the British rule, is now tending to transform itself from a service group into an exploiting group.' (J. P. Naik, **Elementary Education in India [1966], P. 19**)

৪. 'Elementary education in the post Independence period thus began with a "good" resolution and it appears to me that, in our way of life, the "making" of good resolutions is far more important than "implementing" them. (Ibid p. 4.)

সিমানে গুৰুত্ব দিয়া হয়। কাৰণ শিক্ষা আৰু উৎপাদনৰ সম্পৰ্ক গভীৰ। ১৯৪৯—৫০ চনত ভাৰত আৰু চীনৰ আখৰীৰ (literate) সংখ্যা যদিও প্ৰায় সমান-সমান আছিল, কিন্তু ১৫ বছৰৰ ভিতৰত চীনত আখৰীৰ সংখ্যা ৭০ শতাংশ হ'ল আৰু ভাৰতবৰ্ষত হ'লগৈ ২৪ শতাংশ।[৫] সহজ কথাত কমিউনিষ্ট দেশত শিক্ষা সম্প্ৰসাৰণৰ বাবে পুঁজি ব্যয় কৰা হয়, জনগণৰ কল্যাণৰ স্বাৰ্থত; আনহাতে ভাৰতত পুঁজি ব্যয় কৰা হৈছে পুঁজিপতি বা শোষক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থত। ৰাছিয়াতো প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ব্যাপক প্ৰসাৰণ হৈছে। মাধ্যমিক স্তৰৰ শিক্ষাত ৰুছিয়াত যি ব্যাপক সুবিধা আছে, সেই সুবিধা পৃথিবীৰ আন কোনো দেশতে নাই; আনকি পৃথিবীৰ আটাইতকৈ ধনীদেশ বুলি পৰিগণিত আমেৰিকাতো নাই। উল্লেখযোগ্য যে এই মন্তব্য এজন সাম্যবাদীৰ পৰা অহা নাই।

---

৫. On the other hand, the so-called free world which vehemently denounces the Marxist doctrince of the primary role of the ecnomic factors, actually acts in exactly the opposite way inasmuch as it places greater emphasis on dams, roads, aeroplanes, factories and the like, and gives a low priority to education as a whole and particularly to programmes of mass education. For instance, a comparison between Indian and Chinese policies in this sector affords an interesting contrast.

The communists came to power in China in 1949 and, curiously enough, this is about the time we took the decision to enforce compulsory education in a period of ten years. It is seen therefrom that, 1949-50, the position of adult literacy or elementary education was more or less the same in the two contries. But the latest accounts of Chinese education show the tremendous progress they have made in mass education. Large literacy compaigns have been organised; and in spite of the difficulties of the Chinese script—one has to learn about 5,000 symbols to be able to read and understand Chinese literature intelligently—millions of persons





শিক্ষাৰ গোটেই পৰিবেশটো ৰূপান্তৰ কৰিবলৈ হলে শিক্ষক সকল হব লাগিব স্বাধীনচিন্তীয়া। কেইজনমান নিষ্প্ৰাণ হাজিৰা কৰা আমোলাৰ মুখলৈ চাই থাকিলে শিক্ষক সকল এতিয়াতকৈ আৰু হতাশগ্ৰস্ত হব। এই বিষয়ে শিক্ষক সকল সক্ৰিয়ভাবে সচেতন হওক। সাম্যবাদ নহালৈকে হাত সাৱটি বহি লাভ নাই। ইতিমধ্যে শিক্ষকসকলে তেওঁলোকৰ অভিজ্ঞতাৰ সহায়ত শিক্ষানীতিৰ কি কি সংস্কাৰ সাধিলে জনগণৰ উপকাৰ হব তাৰ খচৰা তৈয়াৰ কৰক আৰু সেই আদৰ্শ প্ৰচাৰ কৰক। শিক্ষক সকলৰ পিচত আছে সমগ্ৰ অসমৰ জনতা। শিক্ষক সন্থাৰ সভা পাতি তাত প্ৰকৃত শিক্ষা সম্বন্ধীয় সমস্যা আৰু বৰ্ত্তমান শিক্ষা নীতিৰ কেৰোণ সমূহ বিতং আলোচনা কৰি তাক পুস্তিকা আকাৰত প্ৰকাশ কৰি ৰাইজক প্ৰকৃত কথাবোৰ বুজাই দিব পাৰি। এই সুসংগঠিত প্ৰচেষ্টা হাতত ললে দেখা যাব অসমৰ জনতাই কেনেকৈ সঁহাৰি দিয়ে। সেই সঁহাৰিৰ বলত শিক্ষাসংস্কাৰৰ প্ৰকৃত গণতান্ত্ৰিক খোজ বোৰ পোনপ্ৰথম বাৰলৈ দিব পৰা যাব। সুসংগঠন আৰু জনচেতনাৰ মাজেদি শিক্ষা নীতিৰ আমূল পৰিবৰ্ত্তন সাধিবলৈ শিক্ষক সকল আগবাঢ়ি আহিব লাগে। শিক্ষা নীতিৰ যি কোনো তথাকথিত পৰিবৰ্ত্তনৰ ক্ষেত্ৰত শিক্ষক সকলক বাদ দি কেৱল আমোলা আৰু পৰজীৱীৰ দলটোৱে মাত মতাৰ এতিয়ালৈকে যি প্ৰচলিত নিয়ম, সি অসমৰ শিক্ষক সকলৰ সমূহীয়া প্ৰচেষ্টাত উফৰি যাবলৈ বাধ্য। এনে কৰ্মপন্থা হাতত ললেহে শিক্ষক সকলে

---

pass literacy tests every year and it is now claimed that the percantage of literacy has risen to 70 or that, barring those people who are too old to learn, almost every person has become literate. In India, the percentage of literacy is still 24 and we have done little to liquidate adult illiteracy. In elementacy education, China has already been able to enrol 92 per cent of children in the corresponding age-group as against 61 per cent in India. I believe that the communist policies with regard to mass education do have a lesson for all the democracies, which can be ignored only at their peril. (Ibid, 1966 P. 17-18)



OKDISCD

নিজকে সমাজত প্ৰতিষ্ঠা কৰিব পাৰিব আৰু জনগণৰ লগত শিক্ষকসকলৰ প্ৰকৃত গণতান্ত্ৰিক ঐক্য প্ৰতিষ্ঠা হ'ব। ঠিক এনে এটা শক্তিৰ প্ৰভাৱৰ কাৰণে আমাৰ শিক্ষা ব্যৱস্থাত আজি সুবিধাভোগী-তোষামোদকাৰী-ধুৰন্ধৰৰ দল এটাই টিঘিল-ঘিলাই আছে। শিক্ষা নীতি উপযোগী হ'বলৈ প্ৰাইমেৰি আৰু মাধ্যমিক স্তৰৰ শিক্ষা দান কৰা শিক্ষক সকলৰ পৰামৰ্শ অপৰিহাৰ্য্য আৰু শিক্ষা নীতি গঠনত এওঁলোকৰ পোনপটীয়া সহযোগিতা অনস্বীকাৰ্য্য।

### শিক্ষক-অভিভাৱকৰ ভূমিকাঃ

শিক্ষা নীতিৰ পৰিবৰ্ত্তন আনিবলৈ হ'লে অভিভাৱক সকলক সক্ৰিয়ভাৱে সাঙুৰি লোৱাৰ ব্যৱস্থা কৰিব লাগিব। বৰ্ত্তমান বিদ্যালয় আৰু অভিভাৱকৰ মাজত কিবা এটা সম্পৰ্ক থকা বুলি কব নোৱাৰি। বিদ্যালয় আৰু অভিভাৱকৰ মাজত নিবিড় সম্বন্ধ থাকিব লাগে। স্কুলবোৰত বছৰত এদিন "পিতৃ মাতৃৰ দিন" জাতীয় বস্তু এটা পতা হয় আৰু তাত কিছু পিতৃ-মাতৃৰো সমাগম হয়। কিন্তু কলেজিয়েট বা লতাশিল বা মাণিক চন্দ্ৰ স্কুলৰ "পিতৃ মাতৃৰ দিনত" যিমান পিতৃ-মাতৃ আহে তাতকৈ "কনভেণ্টৰ পিতৃ-মাতৃৰ দিনলৈ" বেছি পিতৃ-মাতৃ আহে। এনে হোৱাৰ কাৰণ সকলোৰে ভাবি চালেই ওলাই পৰিব।

আমাৰ মতে বছৰত এদিন স্কুলত সমবেত হ'লেই অভিভাৱকৰ ভূমিকাৰ ওৰ নপৰে। ইয়াতকৈ অভিভাৱক সকলে অধিক গুৰুত্ব বহন কৰিব লাগিব। কিন্তু বৰ্ত্তমান শাসক বৰ্গই শিক্ষাৰ ব্যৱস্থাত অভিভাৱক গভীৰ ভাৱে সাঙোৰ খাই পৰা কাৰ্য্য সমৰ্থন নকৰিব। কাৰণ ইয়ে বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ প্ৰতি জনগণক সচেতন কৰি তোলাৰ উপৰিও জনগণক এই শোষণ নীতিৰ বিৰুদ্ধে বল গোটাবলৈ প্ৰেৰণা দিব। শিক্ষকসকলৰ সংগঠনে এই কাম কৰিব পাৰিব। স্কুলৰ শিক্ষক আৰু অভিভাৱকৰ যুটীয়া কাৰ্য্যপন্থাৰ ফলত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে সবল জনমত গঢ় লৈ উঠাটো স্বাভাৱিক। কিন্তু ইয়াৰ অবিহনে শিক্ষা বিভাগৰ বৰ বৰ কাকতী আমোলাৰ হাতত শিক্ষা নীতি মধ্যবিত্তৰ শোষণৰ আহিলা হৈ ৰব মাথোন। উদাহৰণ স্বৰূপে শিক্ষকে-অভিভাৱকে মিলি নতুন পাঠ্যপুথিৰ চৰাদামৰ বিৰুদ্ধে নিশ্চয় প্ৰতিবাদ জনাব পাৰিব।

শাসক শ্ৰেণীৰ চক্ৰান্তত শোষণৰ আহিলা হিচাবে গঢ় লোৱা শিক্ষা নীতি





ওফৰাবলৈ শিক্ষক আৰু অভিভাৱকে যুটীয়া কৰ্ম্মপন্থা গ্ৰহণ কৰিব লাগিব। এই উদ্দেশ্যে অভিভাৱকৰ সাধাৰণ সভাই এখন অভিভাৱক কমিটিৰ গঠন কৰিব আৰু এই কমিটিৰ সভ্য দহ জন হ'ব। কমিটিৰ সভ্য সকল শিক্ষাত প্ৰকৃততে ৰাপ থকা ব্যক্তি হ'ব লাগিব।

একেদৰে স্কুলৰ শিক্ষক সকলেও এখন শিক্ষক কমিটি গঠন কৰিব। এই শিক্ষক কমিটিতো দহ জন সভ্য থাকিব।

প্ৰতি বছৰে স্কুলৰ নতুন শ্ৰেণী আৰম্ভ হোৱাৰ লগে লগে দুয়োখন কমিটি গঠন কৰিব। এই শিক্ষক কমিটিতো দহ জন সভ্য থাকিব।

প্ৰতি বছৰে স্কুলৰ নতুন শ্ৰেণী আৰম্ভ হোৱাৰ লগে লগে দুয়োখন কমিটি নিৰ্বাচিত হ'ব।

দুই মাহে দুই মাহে শিক্ষক আৰু অভিভাৱক কমিটিৰ যুটীয়া বৈঠক বহিব। যুটীয়া বৈঠকত সভাপতিত্ব কৰিব স্কুলৰ প্ৰধান শিক্ষকে।

যুটীয়া বৈঠকত সহ সভাপতিজন হ'ব অভিভাৱক কমিটিৰ। দুয়োখন কমিটিৰ এজন সচিব থাকিব আৰু এই সচিব জন হ'ব শিক্ষক কমিটিৰ সভ্য।

বৈঠকৰ আলোচনাত শিক্ষক সকলে চৰকাৰৰ বহুতীয়া মনোভাব পোষণ কৰিব নোৱাৰিব। বৈঠকত কোনো বাহিৰা লোক থাকিব নোৱাৰিব। সভ্য সকলে সদায় এটা কথা মনত ৰাখিব লাগিব যে তেওঁলোকে সমাজকহে সেৱা কৰিছে।

বৈঠকত আলোচনা কৰোতে সভ্য সকলে স্থানীয় পৰিস্থিতি আৰু সমস্যাৰ পৰিপ্ৰেক্ষিতহে কোনো ধৰণৰ বাস্তৱ আচনি গ্ৰহণ কৰিব লাগিব।

বৈঠকত পঢ়াশালীৰ সকলো সমস্যাৰ আলোচনা হ'ব। এই আলোচনাৰ বিষয় বস্তু হ'ব শিক্ষাক্ৰম, পাঠ্যক্ৰম, শিক্ষাৰ সম্প্ৰসাৰণ, শিশুৰ প্ৰতিপালন, ৰাজহুৱা কাম আৰু সম্পৰ্ক, কাৰিকৰী আৰু বৃত্তিমূলক ( vocational ) শিক্ষা ঘৰ-দুৱাৰ পৰিচ্ছন্ন ৰখা, স্বাস্থ্য ৰক্ষা, স্কুলত বাধ্যতামূলক উপস্থিতিলৈ চকু ৰখা, জিৰণিৰ সময়ত খেলাধুলা কৰাৰ ব্যৱস্থা কৰা আৰু শিক্ষকসকলে তাত পালপাতি চকু ৰখা ইত্যাদি। তাৰ বাবে চৰকাৰী মহলৰপৰা যি বিত্তীয় সাহায্য প্ৰয়োজন, সেই সাহায্যৰ বাবে এই কমিটিয়ে প্ৰবল দাবী জনাব।

বৈঠকত উপনীত হোৱা সকলো সিদ্ধান্ত পঢ়াশালীৰ অফিচৰ ফাইলত ৰাখিব লাগিব। এই গৃহীত সিদ্ধান্তবোৰ শিক্ষকৰ বছৰেকীয়া অধিবেশনত



OKDISCD

খৰচি মাৰি আলোচনা কৰি সেই সিদ্ধান্তবোৰৰ ভিত্তিত এখন প্ৰতিবেদন ৰচনা কৰি শিক্ষা নীতিত আৱশ্যকীয় পৰিবৰ্ত্তন সমূহ আঙুলিয়াই দিয়া হব আৰু সেইমতে শিক্ষা নীতি গ্ৰহণ কৰিবলৈ চৰকাৰৰ ওপৰত চাপ দিয়া হব।

গাওঁ অঞ্চলত সিচৰতি হৈ থকা অসংখ্য স্কুলৰ ক্ষেত্ৰতো অভিভাৱক সকলৰ ভূমিকা অতি অসন্তোষজনক। আমি জনা মতে গাওঁৰ স্কুল বোৰত 'পিতৃ-মাতৃৰ দিনলৈ কেইজনমান পিতৃহে আহে; মাতৃ সমূলি নাহে। এনে সভাবোৰ শুৱনী কৰিবলৈ কিছুমান ভদ্ৰলোক বা বিশিষ্ট ব্যক্তি (যেনে— সাহিত্যিক সমালোচক, প্ৰবন্ধ লেখক, অধ্যাপক, অধ্যক্ষ আৰু সাংবাদিক) নিমন্ত্ৰণ কৰি অনা হয় প্ৰায়ে চহৰৰ পৰা। সভালৈ স্থানীয় গণ্য-মান্য (অৰ্থাৎ টকা পইচা থকা, নানা তৰহৰ কেৰামতি কৰি পঞ্চায়তত সোমোৱা, মন্ত্ৰীৰ লেমটো জাতীয়) ব্যক্তিও নিমন্ত্ৰিত হয়। এনে সভালৈ এজন সাধাৰণ খেতিয়ক অভিভাৱক অহাত বহুত বাধা আছে। সভালৈ আহিব পৰাকৈ এজন খেতিয়কৰ এখন ধুতি, এটা চোলাকে নাই। দিনৰ বেলা মিটিঙলৈ অহাৰ অৱসৰো বহুতৰ নাই। যদিও ভাৰত স্বাধীন হবৰ ২৫ বছৰ হ'ল আৰু ২৫ বছৰে ৰাইজৰ কাৰণে বহুত টকাও খৰছ হ'ল, **তথাপি আজি খেতিয়কৰ ঘৰত দুবেলা ভাত নিমিলে, পিন্ধিবলৈ এযোৰ পোচাক নেথাকে। এনে পৰিস্থিতিত খেতিয়ক অভিভাৱক সকলৰ উৎসাহ নথকাটো স্বাভাৱিক।** গতিকে তেওঁ নিজে আহিবলৈ লাজো পায়। এই লাজৰ পৰা খেতিয়ক সকলক মুক্ত কৰিবলৈ গাওঁৰ শিক্ষিত ডেকা সকলো বিশেষ যত্নপৰ নহয়। খেতিয়ক সকলৰ নিজৰ ল'ৰা ছোৱালী স্কুলত পঢ়ে যদিও তেওঁ-লোকে স্কুলৰ কাৰ্য্যত বা পৰিচালনাত তেওঁলোকৰ দায়িত্ব থকা বুলি ভাবিব পৰা হোৱা নাই। স্বাধীনতাৰ পাচত আজি ২৫ বছৰে (শিক্ষাৰ প্ৰচাৰ হোৱা সত্বেও !!) আমাৰ খেতিয়ক সকলৰ এনে মানসিক অৱস্থা হৈ থকাটো আমাৰ শিক্ষক আৰু ছাত্ৰ সকলে গ্ৰহণ নকৰ'ব ইয়াক আঁতৰাবলৈ দৃঢ় সংকল্প হব লাগে। এনে কৰ্মপন্থা হাতত ললেহে ছাত্ৰ-ছাত্ৰী সকলৰ নতুন অভিজ্ঞতা হব আৰু সেই অভিজ্ঞতাৰ যেগেদি তেওঁলোকৰ সমাজিক চেতনা বাঢ়িব। তেতিয়াহে তেওঁলোকে বুজিব পাৰিব বেনেদৰে কাম কৰিলে সামাজিক পৰিবৰ্ত্তন আহিব।

(৪০৪ পৃষ্ঠাত চাওক)



# জনগণৰ মাজৰ দ্বন্দ্বৰ নিৰ্ভুল ব্যৱহাৰ

(অনুবাদ)

মাও চে টুং

## ২য় খণ্ড

(আগৰ সংখ্যাৰ পিঁছৰ পৰা)

### ২। প্ৰতি-বিপ্লৱ দমনৰ প্ৰশ্ন ঃ

আমাৰ আৰু শত্ৰুৰ মাজৰ সংগ্ৰাম এটা শত্ৰুতামূলক দ্বন্দ্ব আৰু এনে সংগ্ৰামৰ লগত প্ৰতি-বিপ্লৱ দমনৰ প্ৰশ্নটো জড়িত হৈ আছে। জনতাৰ মাজৰ কিছুমান লোকে এই প্ৰশ্নটো কিঞ্চিৎ বেলেগ দৃষ্টিৰে বিচাৰ কৰে। সোঁপন্থী-লোকে আমাৰ আৰু শত্ৰুৰ মাজত কোনো পাৰ্থক্য ৰাখিব নোখোজে আৰু শত্ৰুকে জনতাৰ লোক বুলি ভাবে। জনতাই যাক শত্ৰু বুলি ভাবে তেওঁলোকক এই সকলে বন্ধু বুলি ভাবে। 'বামপন্থী' সকলে আমাৰ আৰু শত্ৰুৰ মাজৰ দ্বন্দ্বসমূহক ইমান বাহুল্য কৰি দেখুৱায় যে জনতাৰ দ্বন্দ্বসমূহকে শত্ৰুৰ লগত থকা দ্বন্দ্বসমূহ বুলি ভাবে আৰু যি প্ৰকৃততে প্ৰতি-বিপ্লৱী নহয় তেওঁলোককে প্ৰতি-বিপ্লৱী বুলি লয়। এই দুয়োটা দৃষ্টিভঙ্গী ভুল। কোনোটোৱেই প্ৰতি-বিপ্লৱ দমনৰ প্ৰশ্নৰ আচল সমাধান আনি দিব নোৱাৰে আৰু আমাৰ এই কামৰ প্ৰকৃত মূল্যাঙ্কনো কৰিব নোৱাৰে।

প্ৰতি-বিপ্লৱ দমন কাৰ্য্যৰ প্ৰকৃত মূল্যাংকন কৰিবৰ কাৰণে হাঙ্গেৰীৰ ঘটনা-ৱলীয়ে চীনত কি প্ৰতিক্ৰিয়া কৰিছে তাক বিশ্লেষণ কৰা যাওঁক। ঘটনাৱলী হোৱাৰ পাচত বুদ্ধিজীৱীৰ এটা অংশই স্থিৰতা হেৰুৱাই পেলাইছিল, কিন্তু তাৰপৰা কোনো বিপৰ্যায় নহ'ল। কিয় এনে নহ'ল? এইটো কবই লাগিব যে ইয়াৰ এটা কাৰণ হৈছে, আমি প্ৰতি-বিপ্লৱক সম্পূৰ্ণৰূপে দমন কৰাত সফলতা লাভ কৰিছোঁ।

অৱশ্যে আমাৰ দেশৰ সংহতি থকাৰ মূল কাৰণ প্ৰতি-বিপ্লৱ দমন নহয়। ইয়াৰ মূল কাৰণ, আমাৰ কমিউনিষ্ট পাৰ্টি, মুক্তিফৌজ আৰু কেইবা দশকৰ



OKDISCD

বিপ্লবী সংগ্ৰামত অভিজ্ঞ হোৱা শ্ৰমিক জনতা। আমাৰ পাৰ্টি আৰু আমাৰ সশস্ত্ৰ ফৌজ জনতাৰ লগত জড়িত, দীৰ্ঘস্থায়ী বিপ্লৱৰ জুইৰ লগত যুঁজি যুঁজি দৃঢ় হৈ পৰিছে; যুঁজ দিবৰ কাৰণে তেওঁলোকৰ শক্তি আছে। এটা ৰাতিতে আমাৰ জনতাৰ গণতন্ত্ৰ গঢ়ি উঠা নাছিল; বিপ্লবী ঘাটি সমূহৰ প্ৰচেষ্টাত ক্ৰমে গঢ়ি উঠিছিল। কিছুমান গণতান্ত্ৰিক ব্যক্তিও সংগ্ৰামৰ যোগেদি বিভিন্ন মাত্ৰাত দৃঢ় হৈ পৰিছে; আৰু আমাৰ লগত তেওঁলোকেও অশান্ত কালছোৱাৰ সন্মুখীন হৈছে। কিছুমান বুদ্ধিজীৱী, সাম্ৰাজ্যবাদ আৰু প্ৰতিক্ৰিয়াশীলতাৰ বিৰুদ্ধে সংগ্ৰাম কৰি দৃঢ় হৈছে। মুক্তিৰ পাচত তেওঁলোকৰ বহুতেই, আমাৰ আৰু শত্ৰুৰ মাজৰ পাৰ্থক্য স্পষ্ট ভাৱে দেখুৱাবৰ কাৰণে লোৱা মতাদৰ্শৰ ভিত্তিত গঢ় দিয়া শিক্ষা ব্যৱস্থাৰে শিক্ষিত হৈছে। ইয়াৰ উপৰিও, আমাৰ মূলগত ভাৱে সুদৃঢ় অৰ্থনৈতিক ব্যৱস্থা, নিৰাপত্তা আৰু ক্ৰমোন্নতি লাভ কৰা জনতাৰ জীৱন যাত্ৰা, আৰু অন্যশ্ৰেণী আৰু জাতীয় বুৰ্জোৱাৰ প্ৰতি অৱলম্বন কৰা শুদ্ধ নীতি, ইত্যাদিৰ কাৰণে আমাৰ দেশৰ সংহতি ৰক্ষা পৰিছে। তথাপি, প্ৰতি বিপ্লৱ দমনৰ সাফল্য নিঃসন্দেহে আমাৰ ৰাষ্ট্ৰৰ সংহতিৰ এটা প্ৰধান কাৰণ। এই সকলোবিলাক কাৰণত বহুতেই শ্ৰমিক পৰিয়ালৰ পৰা নাহিলেও, কেইজনমানক বাদ দি, আমাৰ কলেজীয়া ছাত্ৰসকল দেশ-প্ৰেমিক আৰু সমাজতন্ত্ৰ সমৰ্থক। হাঙ্গেৰীৰ ঘটনাৱলীৰ সময়ত তেওঁলোকে কোনো চাঞ্চল্য প্ৰকাশ কৰা নাই। জাতীয় বুৰ্জোৱাসকলৰ ক্ষেত্ৰতো একে কথাই খাটে। মূল জনতা অৰ্থাৎ শ্ৰমিক আৰু কৃষক সকলৰ বিষয়েতো কোৱাৰ প্ৰয়োজনেই নাই।

মুক্তিৰ পাচত এটা সংখ্যক প্ৰতি বিপ্লবীক আমি উচ্ছেদ কৰিছিলোঁ। গুৰুতৰ অপৰাধৰ কাৰণে কিছুমানক আমি মৃত্যুদণ্ড বিহিছিলোঁ। এনেকৰাৰ একান্ত প্ৰয়োজন আছিল; জনতাই এই দাবী কৰিছিল, জনতাক প্ৰতি-বিপ্লবী আৰু সকলো ধৰণৰ স্থানীয় অত্যাচাৰীৰ উৎপীড়নৰ পৰা মুক্তি দিবৰ কাৰণে এই শাস্তি দিয়া হৈছিল; অন্যকথাত, উৎপাদিকা শক্তিক মুক্ত কৰিবৰ কাৰণে এনে ব্যৱস্থা লোৱা হৈছিল। আমি এনে নকৰা হলে, জনতাই মূৰেই ডাঙিব নোৱাৰিলেহেতেন। ১৯৫৬ চনৰ পৰা অৱশ্যে পৰিস্থিতিৰ আমূল পৰিবৰ্তন হৈছে। মুঠতে দেশৰ পৰা ব্যাপক প্ৰতি-বিপ্লবীক উচ্ছেদ কৰা হৈছে। আমাৰ মূল কাৰ্য্য এতিয়া উৎপাদিকা শক্তিক মুক্ত কৰাটো নহয়, উৎপাদনৰ নতুন





সম্পৰ্কৰ পৰিপ্ৰেক্ষিতত উৎপাদিকা শক্তিৰ ৰক্ষণ আৰু সম্প্ৰসাৰণ কৰাটোহে এতিয়া মূল কাৰ্য্য। আমাৰ বৰ্ত্তমান নীতি যে বৰ্ত্তমান পৰিস্থিতিৰ উপযোগী আৰু আমাৰ অতীতৰ নীতি যে অতীত পৰিস্থিতিৰ উপযোগী আছিল, এই কথাটো বহুতে নুবুজি অতীত ঘটনাৱলীৰ সম্পৰ্কে আমাৰ সিদ্ধান্তবিলাকক বৰ্ত্তমান নীতিৰ সহায়ত সলনি কৰিব খোজে আৰু প্ৰতি-বিপ্লৱ দমনৰ সাফল্যক অস্বীকাৰ কৰিব খোজে। এনে কৰিব খোজাটো নিতান্ত অন্যায় আৰু জনতাই ইয়াক মানি লবলৈ প্ৰস্তুত নহয়।

প্ৰতি-বিপ্লৱ দমন কৰাৰ সম্পৰ্কে সাফল্য লাভ কৰাই প্ৰধান কথা আছিল। কিন্তু ভুলো লগতে হৈছিল। কিছুমান ক্ষেত্ৰত দমন কাৰ্য্য মাত্ৰাধিক আছিল আৰু আন কিছুমান ক্ষেত্ৰত প্ৰতি-বিপ্লবীয়ে দমনৰ পৰা হাত সাৰিও গৈছিল। আমাৰ নীতি হৈছে: "প্ৰতি-বিপ্লবীক পালেই দমন কৰিব লাগিব আৰু ভুল ধৰা পৰিলেই শুদ্ধ কৰিব লাগিব।" প্ৰতি-বিপ্লৱ দমনৰ কাৰণে অৱলম্বন কৰা আমাৰ কাৰ্য্যনীতি হৈছে গণকৰ্মনীতি। অৱশ্যে গণ নীতিৰে দমন কৰা কাৰ্য্যতো ভুল হ'ব পাৰে কিন্তু সহজে শুদ্ধ কৰিব পৰা কম ভুল হ'ব। সংগ্ৰামৰ যোগেদি জনতাই অভিজ্ঞতা লাভ কৰিছে। শুদ্ধভাৱে কৰা কামৰ অভিজ্ঞতাৰ পৰা তেওঁলোকে কেনেকৈ কাম কৰা উচিত তাক শিকিছে। ভুলভাৱে কৰা কামৰ অভিজ্ঞতাৰ পৰা তেওঁলোকে কেনেকৈ ভুল নকৰিব পাৰি এই বিষয়ে প্ৰয়োজনীয় শিক্ষা লাভ কৰিছে।

প্ৰতি-বিপ্লৱ দমন কাৰ্য্যত হোৱা ভুল বিলাকৰ শুধৰণীৰ কাৰণে ব্যৱস্থা লোৱা হৈছে বা লৈ থকা হৈছে। এতিয়াও ধৰা নপৰা ভুলবিলাক দৃষ্টিগোচৰ হলেই সংশোধন কৰা হ'ব। শাস্তি লাঘৱ কৰা বা সংস্থাপনৰ সিদ্ধান্ত সমূহ, আগৰ ভুল সিদ্ধান্ত বিলাক যিমান বিস্তাৰিত ভাৱে প্ৰচাৰিত কৰা হৈছিল সিমান বিস্তাৰিত ভাৱে, প্ৰচাৰ কৰা উচিত। অভিজ্ঞতাক পুঞ্জীভূত কৰাবৰ উদ্দেশ্যে আৰু ন্যায়ৰ কাৰণে থিয় দিবলৈ আৰু অন্যায়ৰ লগত যুঁজিবলৈ সাহস যোগোৱাৰ উদ্দেশ্যে, মই প্ৰস্তাৱ কৰো যে এই বছৰেই বা পাচৰ বছৰত প্ৰতি-বিপ্লৱ দমন কাৰ্য্যৰ এটা সামগ্ৰিক পৰ্য্যালোচনা কৰা যাওক। জাতীয় ক্ষেত্ৰত এই পৰ্য্যালোচনাৰ কাম কৰিব জাতীয় জনতাৰ মহাসভাৰ (National People's Congress) স্থায়ী কমিটিয়ে আৰু জনতাৰ ৰাজনৈতিক উপদেষ্টা



OKDISCD

সন্মিলনৰ (people's political consultative conference) স্থায়ী কমিটিয়ে আৰু স্থানীয় ক্ষেত্ৰত এই পৰ্য্যালোচনাৰ কাম কৰিব, প্ৰাদেশিক আৰু মিউনিচিপাল জনতাৰ পৰিষদ আৰু জনতাৰ ৰাজনৈতিক উপদেষ্টা সন্মিলনৰ কমিটিবিলাকে। যি বিপুল সংখ্যক কৰ্মী আৰু সক্ৰিয়লোকে প্ৰতি-বিপ্লৱ দমন কাৰ্য্যত অংশ গ্ৰহণ কৰিছিল, এই পৰ্য্যালোচনাৰ যোগেদি তেওঁলোকক আমি সহায় কৰিব লাগিব, নিৰুৎসাহ কৰিব নেলাগিব। তেওঁলোকৰ উৎসাহক নিস্তেজ কৰাটো ন্যায় নহ'ব। অৱশ্যে, ভুল দেখিলে সংশোধন কৰিব লাগিব। সমস্ত সাধাৰণ নিৰাপত্তা-যন্ত্ৰৰ, অভিযোক্তা আৰু বিচাৰ বিভাগৰ, শ্ৰমৰ যোগেদি অপৰাধীক সংশোধন কৰাৰ দায়িত্ব থকা জেল আৰু এজেন্সিৰ, এই মনোভাবটো থাকিব লাগিব। আমি আশা কৰো, য'তে সম্ভৱ হয় জাতীয় জনতাৰ মহাসভাৰ আৰু জনতাৰ ৰাজনৈতিক উপদেষ্টা সন্মিলনৰ স্থায়ী কমিটিৰ সভ্য সকলে আৰু জনতাৰ প্ৰতিনিধি সকলে এই পৰ্য্যালোচনাত অংশ গ্ৰহণ কৰিব। এই অংশ গ্ৰহণে আমাৰ আইন ব্যৱস্থা উন্নত কৰাত, প্ৰতি বিপ্লৱী আৰু অপৰাধীৰ ক্ষেত্ৰত প্ৰকৃত ব্যৱস্থা লোৱাত সহায় কৰিব।

প্ৰতি-বিপ্লৱীৰ সম্পৰ্কে বৰ্ত্তমান যি পৰিস্থিতি তাক এইদৰে বৰ্ণনা কৰিব পাৰি ঃ এতিয়াও প্ৰতি-বিপ্লৱী আছে, কিন্তু বেছি নহয়। প্ৰথম কথা হৈছে এতিয়াও প্ৰতিবিপ্লৱী আছে। কিছুমান লোকে কয় যে প্ৰতিবিপ্লৱী শেষ হল, সকলোৱেই শান্ত হৈ পৰিছে আৰু আমি এতিয়া সেই কাৰণে বিচনাত পৰি শুব পাৰো। কিন্তু পৰিস্থিতিটো এনেকুৱা নহয়। আচল কথা হৈছে, প্ৰতি-বিপ্লৱী এতিয়াও আছে, (অৱশ্যে এইটো অৰ্থ নহয় যে সকলোতে আৰু প্ৰত্যেক সংগঠনতে তেওঁলোকক পোৱা যাব)। প্ৰতি-বিপ্লৱীৰ লগত আমি আমি যুঁজ চলাই থাকিব লাগিব। এই কথাটো বুজিব লাগিব যে, আত্মগোপনকাৰী প্ৰতি-বিপ্লৱীসকলে সহজে বশ্যতা স্বীকাৰ নকৰে, বিশৃঙ্খলা সৃষ্টি কৰিবলৈ তেওঁলোকে নিশ্চয় প্ৰত্যেকটো সুযোগৰ সুবিধা ল'ব। মাৰ্কিন সাম্ৰাজ্যবাদী আৰু চিয়াং কাই-শেকৰ চক্ৰই ধ্বংসাত্মক কাৰ্য্যকলাপ চলাবৰ কাৰণে সদায়েই তেওঁলোকৰ গুপ্ত দালাল পঠাব লাগিছে। এটাই বিলাক প্ৰতি-বিপ্লৱীক উচ্ছেদ কৰিলেও, নতুন প্ৰতি-বিপ্লৱীৰ আবিৰ্ভাৱ হব পাৰে। সতৰ্ক হবলৈ আমি যদি এৰি দিওঁ, বৰ মুৰ্খামি কৰা হব আৰু গুৰুতৰ ভাবে ভুগিম। প্ৰতি-বিপ্লৱীক য'তে





অশান্তি সৃষ্টি কৰা দেখা যাব ত'তে কঠোৰ ভাৱে উচ্ছেদ কৰিব লাগিব। কিন্তু সমগ্ৰদেশৰ প্ৰতি-বিপ্লৱীৰ সংখ্যা প্ৰকৃততে বেছি নহয়। এতিয়াও চীনত বহু সংখ্যক প্ৰতি-বিপ্লৱী আছে বুলি কোৱাটো ভুল হ'ব। এই মতটো গ্ৰহণ কৰিলেও বেমেজালি সৃষ্টি হ'ব।

## ৩। কৃষি সমবায়ৰ প্ৰশ্ন ঃ

আমাৰ (কৃষিজীৱী) ৫০০ নিযুত গ্ৰামবাসী আছে, সেয়ে আমাৰ কৃষকসকলৰ অৱস্থাৰ লগত আমাৰ অৰ্থনৈতিক বিকাশৰ আৰু আমাৰ ৰাষ্ট্ৰ ক্ষমতাৰ সংহতিৰ গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে। মোৰ ধাৰণামতে এই অৱস্থাটো এতিয়া মূলতে সুস্থ। কৃষি সমবায় বিলাক সফলতাৰে গঢ়ি তোলা হৈছে, আৰু ই সমাজতান্ত্ৰিক উদ্যোগীকৰণ আৰু ব্যক্তিগত কৃষিপামৰ মাজত থকা বৃহৎ দ্বন্দ্বৰ সমাধান কৰিছে। ইমান দ্ৰুত গতিৰে কৃষিক সমবায় ভিত্তিলৈ ৰূপান্তৰ কৰাৰ কাৰণে কিছুমান লোক বিব্ৰত হৈ পৰিছিল আৰু দুৰ্ভাগ্য ঘটে বুলি চিন্তা কৰিছিল। কিছুমান খুত প্ৰকৃততে আছে, কিন্তু সৌভাগ্যক্ৰমে এইবিলাক গুৰুতৰ নহয়। মুঠতে আন্দোলন সুস্থ ভাৱে চলিছে। কৃষক সকলে আগ্ৰহেৰে কাম কৰিছে। বছৰি প্ৰচণ্ড বানপানী, অনাবৃষ্টি, আৰু ঘূৰ্ণী বতাহ হোৱা সত্বেও যোৱা বছৰ খাদ্য শস্যৰ উৎপাদন বৃদ্ধি হৈছিল। এতিয়া এটা ক্ষুদ্ৰ ঘূৰ্ণীবতাহ সৃষ্টি কৰা মানুহ ওলাইছে। তেওঁলোকে আপত্তি কৰিছে যে সমবায় কৃষি ভাল নহয়, ই ব্যক্তিগত কৃষিতকৈ উন্নততৰ হব নোৱাৰে। কৃষি সমবায় উন্নততৰ হয় নে নহয় ? আজিৰ সভাত বিতৰণ কৰা দলিল বিলাকৰ মাজত হোপেই প্ৰদেশৰ চুনহুৱা কাউন্টিৰ ৱাং কুও-ফান সমবায় সম্পৰ্কে এখন দলিল আছে। এই দলিলখন মই সকলোকে পঢ়ি চাবলৈ কওঁ। এই সমবায়খন এটা পাৰ্ব্বত্য অঞ্চলত প্ৰতিষ্ঠিত। অতীতত এই অঞ্চলটো বৰ দুখীয়া আছিল আৰু বছৰবছৰ জনগণৰ চৰকাৰৰ পৰা সাহায্য হিচাবে পঠোৱা খাদ্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। ১৯৫৩ চনত সমবায় খন যেতিয়া প্ৰথমে গঠন কৰা হৈছিল, তেতিয়া মানুহে ইয়াক 'দুখীয়াৰ সমবায়' বুলি আখ্যা দিছিল। কিন্তু প্ৰতি বছৰে ই উন্নতি কৰিবলৈ ধৰিলে আৰু এতিয়া চাৰি বছৰৰ কঠোৰ পৰিশ্ৰমৰ ফলত অধিকাংশ গৃহস্থৰ ঘৰত শস্যৰ ভঁড়াল হৈছে। এই সমবায়খনে যি কৰিব পাৰিছিল, আনবিলাক সমবায়েও স্বাভাৱিক অৱস্থাত

OKDISCD

সমান বা কিছু দীৰ্ঘ সময়ৰ ভিতৰত তাকে কৰিবলৈ সমৰ্থ হোৱা উচিত। তেতিয়া হলে এইটো সুস্পষ্ট যে কৃষি সমবায় ভুল পথে গৈছে বুলি কোৱাৰ কোনো ভিত্তি নাই। এইটোও সঁচা কথা যে সমবায় বিলাকৰ গঠনৰ কাৰণে কঠোৰ পৰিশ্ৰমৰ দৰ্কাৰ হয়। নৱপ্ৰৱৰ্ত্তনৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধা আৰু বিপৰ্য্যয় বিলাকক সদায়েই পৰাভূত কৰিব লগা হয়। অসুবিধা আৰু বিপৰ্য্যয় অতিক্ৰম নকৰাকৈ বা অশেষ শ্ৰম নকৰাকৈয়ে সমাজতন্ত্ৰ ৰচনাৰ কাম বাধাহীন আৰু সহজ সাধ্য হব পাৰে বুলি ভৱাটো এটা সম্পূৰ্ণ অলীক কল্পনা।

কোনবিলাক মানুহ সমবায় সমূহৰ সক্ৰিয় সমৰ্থক? এওঁলোক হৈছে বিপুল সংখ্যা গৰিষ্ঠ দুখীয়া খেতিয়ক আৰু নিম্ন মধ্যবিত্ত খেতিয়ক সকল। গ্ৰাম জন-সংখ্যাৰ শতকৰা ৭০ ভাগতকৈ বেচি লোকেই হৈছে এই খেতিয়ক সকল। বাকী থকা সৰহ সংখ্যক লোকেই সমবায় সমূহৰ উন্নতি আশা কৰে। অতি লঘিষ্ঠ সংখ্যক লোকেইহে প্ৰকৃততে অসন্তুষ্ট। সমবায় সমূহৰ সাফল্য আৰু ব্যৰ্থতা বিলাক, আৰু এই ব্যৰ্থতা বিলাকৰ কাৰণ সমূহ সামগ্ৰিক ভাবে পৰীক্ষা নকৰি বহু লোকে চিত্ৰৰ এটা অংশকে সমগ্ৰ চিত্ৰ বুলি ধৰিছে আৰু এই অৱস্থাটো বিশ্লেষণ কৰিবলৈ অপাৰগ হৈছে। এইদৰে সমবায় সমূহ উন্নততৰ নহয় বুলি সমালোচনা কৰি জনতাৰ কিছু লোকে এটা ক্ষুদ্ৰ ঘূৰ্ণী বতাহৰ সৃষ্টি কৰিছে।

সমবায় সমূহ সুদৃঢ় কৰিবলৈ বা সমবায় সমূহ উন্নততৰ নহয় বুলি হোৱা বিতৰ্কৰ অৱসান ঘটাবলৈ আৰু কিমান দিন লাগিব? বহু সমবায়ৰ অভিজ্ঞতা বিচাৰ কৰি চালে দেখা যায় এই কাম কৰিবলৈ পাঁচ বছৰ বা কিছু অধিক সময় লাগিব। সৰহ ভাগ সমবায় গঠন হোৱা এবছৰেই হোৱা নাই যেতিয়া বেচি আশা কৰাটো অযুক্তিকৰ হব। প্ৰথম পৰিকল্পনাত গঠিত হোৱা সমবায় সমূহ সুদৃঢ় কৰিব পাৰিলে, মোৰ মতে, দ্বিতীয় পঞ্চ-বাৰ্ষিক পৰিকল্পনাৰ কাল-ছোৱাত আমি সাফল্য লাভ কৰিব পাৰিম।

সমবায় সমূহ এতিয়া ক্ৰমান্বয়ে সুদৃঢ় হোৱাৰ পথত। ৰাষ্ট্ৰ আৰু সমবায়ৰ মাজত থকা দ্বন্দ, সমবায় সমূহৰ মাজত থকা দ্বন্দ্ব আৰু সমবায়ৰ আভ্যন্তৰীণ দ্বন্দ্ব, এনে দ্বন্দ্ব সমূহৰ সমাধান হবলৈ বাকী আছে। এই দ্বন্দ্ব সমূহ সমাধান কৰিবলৈ হলে আমি উৎপাদন আৰু বিতৰণ সম্পৰ্কীয় সমস্যা বিলাকৰ প্ৰতি সদায় দৃষ্টি ৰাখিব লাগিব, সমবায় অৰ্থনৈতিক ব্যৱস্থা ৰাষ্ট্ৰৰ একত্ৰিত অৰ্থনৈতিক





পৰিকল্পনাৰ অধীন হব লাগিব। অৱশ্যে ৰাষ্ট্ৰৰ একত্ৰিত পৰিকল্পনা বা নীতি, আইন আৰু বিনিময়ৰ বিৰোধী নোহোৱা নিজস্ব কোনো পথ আৰু কাৰ্য্যস্বাধীনতা সমবায়বিলাকৰ থাকিব পাৰিব। আনফালে ব্যক্তিগত ব্যৱহাৰৰ কাৰণে আবণ্টিত মাটিৰ সম্পৰ্কে আৰু ব্যক্তিগত পৰিচালনাধীন অৰ্থনৈতিক ব্যৱস্থাৰ সম্পৰ্কে নিজস্ব উপযোগী পৰিকল্পনা কৰাৰ বাদেও কোনো সমবায় অন্তৰ্ভুক্ত প্ৰত্যেক গৃহস্থই সেই সমবায় বা উৎপাদন সমষ্টিৰ সামগ্ৰিক পৰিকল্পনা অনুসৰি চলিব লাগিব। আয় বিতৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰ, সমবায় আৰু ব্যক্তিৰ স্বাৰ্থৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। ৰাষ্ট্ৰীয় কৃষি কৰ, সমবায়ৰ সঞ্চয় বিধি আৰু কৃষকৰ ব্যক্তিগত আয় এই তিনিটাৰ মাজৰ সম্পৰ্ক সঠিক ভাবে নিৰ্ণয় কৰিব লাগিব আৰু সদায় সতৰ্ক হব লাগিব যাতে ইহঁতৰ মাজৰ দ্বন্দ্ব সমূহ সামঞ্জস্য ৰক্ষা কৰি সমাধান কৰা যায়। ৰাষ্ট্ৰ আৰু সমবায়ৰ কাৰণে সঞ্চয় অত্যাৱশ্যকীয়, কিন্তু কোনোটোৰ ক্ষেত্ৰতে ই অত্যধিক হোৱা অনুচিত। বৰ্দ্ধিত উৎপাদনৰ ভিত্তিত স্বাভাৱিক সময়ত কৃষক সকলে যাতে তেওঁলোকৰ ব্যক্তিগত আয় বছৰি বঢ়াই নিব পাৰে তাৰ কাৰণে সম্ভাব্য সকলো চেষ্টা কৰা উচিত।

বহুতে কয় যে কৃষকসকলে কঠোৰ জীৱন যাপন কৰিছে। কথাটো সঁচা জানো? এটা দিশত ই সঁচা। অৰ্থাৎ সাম্ৰাজ্যবাদী আৰু সিহঁতৰ দালালে এশ বছৰৰো অধিককাল আমাৰ দেশৰ ওপৰত উৎপীড়ন আৰু শোষণ চলাইছিল ফলত আমাৰ দেশ দুখীয়া হ'ল, সেয়ে কেৱল কৃষক সকলৰেই নহয়, শ্ৰমিক আৰু বুদ্ধিজীৱিৰ জীৱনযাত্ৰাৰ মানদণ্ডও এতিয়াও নিম্ন হৈ আছে। ভালেমান দশকৰ আন্তৰিক চেষ্টাৰ ফলতহে আমি সমস্ত জনতাৰ জীৱন যাত্ৰাৰ মানদণ্ড লাহে লাহে উন্নত কৰিবলৈ সক্ষম হ'ম। এই অৰ্থত "কঠোৰ" শব্দটোৱেই উপযুক্ত। কিন্তু আন অৰ্থত ই সঁচা নহয়। মুক্তিৰ সাত বছৰৰ পাচত যে শ্ৰমিকৰ জীৱনহে উন্নত হৈছে, কৃষকসকলৰ নাই হোৱা, এই অভিযোগটোকে আমি উল্লেখ কৰোঁ। আচলতে কেইটামান মাত্ৰ ব্যতিক্ৰমৰ বাদে কৃষক আৰু শ্ৰমিক দুয়োৰে জীৱন উন্নত হৈছে। মুক্তিৰ পাচৰ পৰা কৃষকসকল জমিদাৰৰ শোষণৰ পৰা মুক্ত হৈছে আৰু বছৰি তেওঁলোকৰ উৎপাদন বাঢ়ি গৈছে। খাদ্য শস্যৰ কথাই ধৰক। ১৯৪৯ চনত দেশৰ উৎপাদন আছিল ২১০,০০০ নিযুত কেটি (catties, ১৯৫৬ চনত এই উৎপাদন বাঢ়ি ৩৬০,০০০ নিযুত কেটিতকৈ অধিক হ'ল,



OKDISCD

অৰ্থাৎ ১৫০,০০০ নিযুত বেট্টি বৃদ্ধি হৈছিল। ৰাষ্ট্ৰীয় কৃষিকৰ গধুৰ নহয়, বছৰি মাত্ৰ ৩০,০০০ নিযুত বেট্টি। ৰাষ্ট্ৰই বছৰি ৫০,০০০ নিযুত বেট্টিৰ অধিক খাদ্যশস্য কৃষকসকলৰ পৰা উচিত মূল্যত ক্ৰয় কৰে। এই দুয়োটা আহৰণ মিলি মুঠতে ৮০,০০০ নিযুত বেট্টিৰ অধিক হয়। ইয়াৰ উপৰিও, এই শস্যৰ আধাতকৈ অধিক পৰিমাণ গাওঁ আৰু নগৰ বিলাকত পুনৰ বিক্ৰী কৰা হয়। স্বভাৱতে কৃষকসকলৰ জীৱনৰ একো উন্নতি হোৱা নাই বুলি আৰু কোনেও ক'ব নোৱাৰে। কৃষিৰ উন্নতি আৰু সমবায়বিলাকৰ সংহতি সাধনৰ কাৰণে বহুবছৰলৈকে শস্যকৰ আৰু ৰাষ্ট্ৰই ক্ৰয় কৰা শস্যৰ পৰিমান প্ৰায় ৮০,০০০ নিযুত বেট্টিত থকাকে স্থিৰ কৰি দিবলৈ আমি প্ৰস্তুত। এইদৰে গাওঁ অঞ্চলত খাদ্যশস্য কম থকা লঘিষ্ঠ সংখ্যক গৃহস্থৰ অভাৱ নহব আৰু শিল্পৰ কাৰণে প্ৰয়োজনীয় শস্য উৎপাদন কৰা সকলৰ বাবে সকলো কৃষকৰ ঘৰতে খাদ্যশস্যৰ ভড়াল থাকিব, অথবা, অন্ততঃ স্বয়ংসম্পূৰ্ণ হব। দুখীয়া খেতিয়ক আৰু নেথাকে; সকলো কৃষকৰ জীৱন যাত্ৰাৰ মানদণ্ড মধ্যবিত্তসকলৰ সমান বা তাতোকৈ উন্নততৰ হব। এজন কৃষকৰ গড়হিচাপে বাৰ্ষিক আয়ৰ লগত এজন শ্ৰমিকৰ গড়হিচাপে আয় তুলনা কৰি, এজনৰ আয় খুব কম আৰু আন জনৰ খুব বেচি এই বুলি মন্তব্য কৰাটো শুদ্ধ নহয়। কৃষকতকৈ শ্ৰমিকৰ উৎপাদন শক্তি বহুত বেচি, আৰু কৃষকৰ জীৱন যাত্ৰাৰ ব্যয় নগৰত বাস কৰা শ্ৰমিকতকৈ বহুত কম। সেই কাৰণে ৰাষ্ট্ৰৰ পৰা শ্ৰমিক সকলে বিশেষ অনুগ্ৰহ পাইছে বুলি কব নোৱাৰো। অৱশ্যে, কমসংখ্যক শ্ৰমিক আৰু চৰ্কাৰী কৰ্ম্মচাৰী কিছুমানৰ বেতন কিছু উচ্চ, এই ক্ষেত্ৰত কৃষকসকল অসন্তুষ্ট হোৱাৰ যুক্তি আছে। সেয়ে বিশেষ পৰিস্থিতি অনুসৰি প্ৰয়োজনীয় সাল-সলনি কৰাটো আৱশ্যকীয় হৈ পৰিছে।

## ৪। শিল্পপতি আৰু ব্যবসায়ীৰ প্ৰশ্ন:

আমাৰ সামাজিক ব্যৱস্থা পৰিবৰ্ত্তনৰ ক্ষেত্ৰত, ১৯৫৬ চনটোত কৃষি আৰু হস্তশিল্পৰ সমবায় গঠন কৰাৰ উপৰিও ব্যক্তিগত মালিকীস্বত্বত থকা শিল্প আৰু ব্যৱসায় প্ৰতিষ্ঠান বিলাক সংযুক্ত চৰকাৰী বেচৰকাৰী প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত কৰা হৈছিল। এই ৰূপান্তৰৰ গতি আৰু নিৰ্বিঘ্নতাৰ লগত আমাৰ দেশত





জনতাৰ দ্বন্দ্ব ৰূপে গণ্য কৰা শ্ৰমিক আৰু জাতীয় বুৰ্জোৱাৰ মাজত থকা দ্বন্দ্বৰ সমাধানৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। এই শ্ৰেণীদ্বন্দ্বটোৰ সম্পূৰ্ণ সমাধান হৈছে জানো? এতিয়াও হোৱা নাই। সমাধান কৰোতে যথেষ্ট সময় লাগিব। অৱশ্যে কিছুমান মানুহে কয় যে শ্ৰমিকৰ পৰা প্ৰায় ভিন্ন নোহোৱাকৈ পুজি-পতিসকলক পুনৰ গঢ় দিয়া হৈছে যেতিয়া আৰু অধিক সংশোধনৰ আবশ্যকতা নাই। আন কিছুমানে এই পৰ্য্যন্ত কৈছে যে পুঁজিপতিসকল শ্ৰমিকসকলতকৈ কিছু ভালেই হৈছে। আৰু কিছুমানে সোধে যে সংশোধনৰ যদি আৱশ্যকতা আছে, তেন্তে শ্ৰমিক শ্ৰেণীৰ সংশোধন নহয় কিয়? এই মত বিলাক জানো শুদ্ধ? কেতিয়াও শুদ্ধ নহয়।

সমাজ তান্ত্ৰিক সমাজ ৰচনাৰ শোষক আৰু শ্ৰমিক প্ৰত্যেকৰে সংশোধনৰ দৰ্কাৰ। শ্ৰমিক শ্ৰেণীৰ সংশোধন নেলাগে বুলি কোনে কৈছে? অৱশ্যে, শোষকৰ সংশোধন গুণগত ভাৱে শ্ৰমিকৰ সংশোধনৰ পৰা বেলেগ। এই দুই বিধ সংশোধনক ভুলকৈ বুজিব নেলাগিব। শ্ৰমিক শ্ৰেণীয়ে শ্ৰেণী সংগ্ৰাম কৰি আৰু প্ৰকৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি সমগ্ৰ সমাজক নতুন ৰূপ দিয়াৰ লগতে নিজেও নতুন ৰূপ লয়। শ্ৰমিক শ্ৰেণীয়ে কৰ্ত্তব্য পালন কৰি যাওঁতে অহৰহ শিকি যাব লাগিব আৰু অসুবিধা বিলাক লাহে লাহে দূৰ কৰি যাব লাগিব, আৰু এনে কৰাৰ পৰা কেতিয়াও ক্ষান্ত থাকিব নেলাগিব। ইয়াত উপস্থিত থকা আমাৰ মাজৰ লোকসকলৰে উদাহৰণ লোৱা যাওক। আমাৰ মাজৰ বহুতে প্ৰত্যেক বছৰে কিছু উন্নতি কৰিছে; অৰ্থাৎ আমি প্ৰতিবছৰে নতুনকৈ গঢ় লব ধৰিছো। মোৰ কথাকে যদি ধৰোঁ, আগতে অ-মাৰ্ক্সীয় সকলো ধাৰণা মোৰ আছিল, পাচতহে মাৰ্ক্সবাদ গ্ৰহণ কৰিছিলো। কিতাপ পঢ়ি মই মাৰ্ক্সবাদ কিছু বুজিছিলো। আৰু এইদৰে মোৰ ধাৰণা বিলাকৰ প্ৰাথমিক গঢ় লৈছিল। কিন্তু প্ৰধানকৈ বহুবছৰ ধৰি শ্ৰেণী সংগ্ৰামত অংশ গ্ৰহণ কৰিহে মই নিজকে গঢ় দিব পাৰিছিলোঁ। মই যদি আৰু উন্নতি কৰিবলৈ বিচাৰোঁ, শিকা কামটো কৰি যাব লাগিব, নহলে পাচ পৰি থাকিব লাগিব। পুজিপতি সকল ইমান সংশোধিত হৈ আছে জানো যে তেওঁলোকৰ সংশোধনৰ আৰু আৱশ্যক নাই?

কিছুমানে মতপ্ৰকাশ কৰে যে, চীনৰ বুৰ্জোৱা চৰিত্ৰৰ দুটা দিশ নাই। কেৱল



OKDISCD

এটাই আছে। এই কথাটো সচানে? সঁচা নহয়। যুক্ত চৰকাৰী বেচৰকাৰী প্ৰতিষ্ঠান বিলাকত বুৰ্জোৱা সকল কৰ্মী হলেও আৰু শোষকৰ পৰা শ্ৰমিকলৈ ৰূপান্তৰ হৈ নিজৰ শ্ৰমৰ ওপৰত জীৱন যাপন কৰিলেও, তেওঁলোকে এতিয়াও যুক্ত প্ৰতিষ্ঠান বিলাকত ন্যস্ত কৰা মূল ধনৰ অংশৰ ওপৰত এটা নিৰ্দিষ্ট পৰিমাণৰ সুত পাই থাকে, অৰ্থাৎ তেওঁলোকৰ শোষণৰ শিপা এতিয়া ছিন্ন হোৱা নাই। তেওঁলোকৰ আৰু শ্ৰমিক শ্ৰেণীৰ মাজত এতিয়াও জীৱনৰ আদপ কায়দা, অনুভূতি আৰু আদৰ্শৰ ক্ষেত্ৰত এটা ডাঙৰ ব্যৱধান বিৰাজ কৰিছে। বুৰ্জোৱা সকলৰ চৰিত্ৰৰ যে দুটা দিশ নাই ই কেনেকৈ সচা হব পাৰে? তেওঁলোকে নিৰ্দিষ্ট সুতৰ টকা পোৱাটো বন্ধ হলেও আৰু বুৰ্জোৱা ছাপটো নাইকীয়া হলেও কিছুদিনৰ কাৰণে তথাপি তেওঁলোকৰ আদৰ্শগত শিক্ষাৰ প্ৰয়োজন হব। বুৰ্জোৱা সকলৰ যদি, কিছুমান মানুহে ধাৰণা কৰাৰ দৰে, দ্বৈত চৰিত্ৰ নেথাকে, তেন্তে পুঁজিপতি সকলৰ শিক্ষা লোৱা আৰু নিজে সংশোধিত হোৱা কাম নেথাকিবই।

আমাৰ শিল্পপতি আৰু ব্যৱসায়ীৰ প্ৰকৃত অৱস্থাৰ লগতেই হওক বা তেওঁলোকৰ অধিক সংখ্যকে বিচৰা প্ৰাপ্যৰ লগতে হওক, কোনোটোতে এই মত নিমিলে বুলি কবই লাগিব। যোৱা কেইবছৰ মানৰ ভিতৰত তেওঁলোকৰ সৰহ ভাগেই শিক্ষাৰ কাৰণে ইচ্ছুক আৰু উল্লেখযোগ্যভাবে উন্নতিও কৰিছে। কামৰ যোগেদিহে তেওঁলোকৰ সম্পূৰ্ণ সংশোধন হব পাৰিব। তেওঁলোকে প্ৰতিষ্ঠানবিলাকৰ বিষয়া গোষ্ঠিৰ আৰু শ্ৰমিকসকলৰ লগত কাম কৰা উচিত, আৰু প্ৰতিষ্ঠান বিলাকেই তেওঁলোকৰ সংশোধন কেন্দ্ৰ বুলি বিবেচনা কৰা উচিত। অধ্যয়নৰ যোগেদি তেওঁলোকৰ পুৰণা ধাৰণা বিলাক পৰিবৰ্তন কৰাটোও তেওঁলোকৰ কাৰণে আৱশ্যকীয়। স্বেচ্ছামূলক ভাবে এনে অধ্যয়ন কৰা উচিত। অধ্যয়ন দলৰ লগত কেইসপ্তাহমান যোগদান কৰি প্ৰতিষ্ঠানবিলাকলৈ ঘূৰি অহা বহুতো শিল্পপতি আৰু ব্যৱসায়ীয়ে ৰাষ্ট্ৰীয় অংশ অধিকাৰীৰ প্ৰতিনিধি আৰু শ্ৰমিক সকলৰ লগত অধিক সহজ ভাষাৰে কথাবাৰ্ত্তা পাতিব পাৰিছে, আৰু সেয়ে একেলগে কাম কৰাৰ অধিক সম্ভাৱনা দেখা গৈছে। ব্যক্তিগত অভিজ্ঞতাৰ পৰা তেওঁলোকে বুজিছে যে, অধ্যয়ন আৰু নিজকে সংশোধন কৰি যোৱাটো তেওঁলোকৰ কাৰণে মঙ্গল। অধ্যয়ন আৰু সংশোধনৰ আৱশ্যকতা নাই বুলি





কোৱা ধাৰণাটো সৰহ সংখ্যক শিল্পপতি আৰু ব্যৱসায়ীৰে নাই; এনেদৰে কেৱল কম সংখ্যকেহে ভাবে।

## ৫। বুদ্ধিজীৱী সকলৰ প্ৰশ্ন ঃ

আমাৰ দেশৰ জনতাৰ মাজত থকা দ্বন্দ্বসমূহৰ প্ৰকাশ বুদ্ধিজীৱী সকলৰ মাজতো হোৱা দেখা যায়। পুৰণা সমাজৰ সেৱা কৰা কেইবা নিযুত বুদ্ধিজীৱীয়ে এতিয়া নতুন সমাজখনক সেৱা কৰিছে। নতুন সমাজৰ চাহিদা অনুসৰি তেওঁলোকক উপযুক্ত কৰা আৰু এনে হোৱাত আমি তেওঁলোকক সহায় কৰাই হৈছে এতিয়াৰ প্ৰশ্ন। জনতাৰ ইও এটা দ্বন্দ্ব।

যোৱা সাত বছৰত আমাৰ অধিকাংশ বুদ্ধিজীৱীয়ে উল্লেখযোগ্য উন্নতি কৰিছে। সমাজতান্ত্ৰিক ব্যৱস্থাৰ সমৰ্থন তেওঁলোকে জনাইছে। বহুতে কঠোৰ পৰিশ্ৰম কৰি মাৰ্ক্সবাদ অধ্যয়ন কৰিছে আৰু কিছুমান কমিউনিষ্ট হৈছে। কমিউনিষ্টৰ সংখ্যা কম হলেও ক্ৰমাৎ বাঢ়িছে। কম সংখ্যক হলেও সমাজতন্ত্ৰৰ প্ৰতি দ্বিধা বোধ থকা বা ইয়াক সমৰ্থন নকৰা কিছুমান বুদ্ধিজীৱী অৱশ্যে এতিয়াও আছে।

বিৰাট সমাজতান্ত্ৰিক নিৰ্মাণ কাৰ্য্যত বুদ্ধিজীৱীৰ যি কোনো পৰিমাণৰ সেৱাই চীনৰ আৱশ্যক হৈ পৰিছে। সমাজতন্ত্ৰৰ কাৰণে কাম কৰিবলৈ প্ৰকৃততে ইচ্ছুক হোৱা বুদ্ধিজীৱীসকলকে আমি বিশ্বাস কৰা উচিত। তেওঁলোকৰ বুদ্ধিমত্তাৰ পূৰ্ণ সৎব্যৱহাৰ যাতে হয়, তাৰ কাৰণে তেওঁলোকৰ লগত আমাৰ সম্বন্ধ আমি আমূলভাবে উন্নতি কৰা উচিত আৰু তেওঁলোকৰ যিকোনো সমস্যাৰ সমাধনত সহায় কৰা উচিত। আমাৰ বহুতো কমৰেদে, বুদ্ধিজীৱীৰ লগত মিল হবলৈ নিবিচাৰে। এওঁলোকে তেওঁলোকৰ লগত ৰূঢ় ব্যৱহাৰ কৰে; তেওঁলোকৰ কামৰ প্ৰতি সন্মান নেদেখুৱায়; আৰু অবাঞ্ছিত ভাবে তেওঁলোকৰ বৈজ্ঞানিক আৰু সাংস্কৃতিক কামত হস্তক্ষেপ কৰে। আমি এনেবিলাক আসোঁৱাহ দূৰ কৰিবই লাগিব।

বুদ্ধিজীৱীৰ অধিকাংশই উন্নতিৰ পথত কিছু আগ বাঢ়িছে। কিন্তু তেওঁলোক ইমানতে সন্তুষ্ট হৈ থকাটো উচিত নহয়। তেওঁলোকে নিজকে সংশোধন কৰি যাবই লাগিব; আৰু ক্ৰমান্বয়ে বুৰ্জোৱাৰ বিশ্ব দৃষ্টিভঙ্গী ত্যাগ কৰিব



OKDISCD

লাগিব ; নতুন সমাজৰ চাহিদাৰ কাৰণে পূৰ্ণভাবে উপযুক্ত হবলৈ আৰু শ্ৰমিক আৰু কৃষকৰ লগত মিলিত হবলৈ তেওঁলোকে সৰ্বহাৰাৰ আৰু কমিউনিষ্টৰ বিশ্ব দৃষ্টিভঙ্গী আহৰণ কৰিবই লাগিব। এই বিশ্ব দৃষ্টিভঙ্গী পৰিবৰ্ত্তনটো এটা মৌলিক কথা, আৰু এতিয়ালৈকে আমাৰ অধিকাংশ বুদ্ধিজীৱীয়ে এইটো সাধন কৰিব পৰা নাই। তেওঁলোকে উন্নতি কৰি যোৱাটো আমি আশা কৰিছোঁ আৰু আশা কৰিছোঁ যাতে তেওঁলোকে কাম আৰু অধ্যয়নৰ যোগেদি ক্ৰমান্বয়ে বিশ্ব দৃষ্টিভঙ্গী আহৰণ কৰে, মাৰ্ক্সবাদ লেনিনবাদ ভালদৰে বুজি পায়, আৰু শ্ৰমিক আৰু কৃষকৰ লগত এক হৈ পৰে। তেওঁলোকে মাজপথত বৈ নোযোৱাটো আমি আশা কৰিছোঁ ; বিপথে যোৱাটো দুৰ্ভাগ্যৰ কথা হ'ব, কিয়নো পশ্চাৎ গতিত তেওঁলোকৰ ভবিষ্যত শূন্য। যিহেতু আমাৰ দেশৰ সামাজিক ব্যৱস্থাৰ পৰিবৰ্ত্তন হৈছে আৰু বুৰ্জোৱা আদৰ্শৰ অৰ্থ নৈতিক ভিত্তি প্ৰধানতঃ উচ্ছেদ কৰা হৈছে, আমাৰ সৰহভাগ বুদ্ধিজীৱীৰ বিশ্ব দৃষ্টি ভঙ্গী সলনি হোৱাটো কেৱল আৱশ্যকেই নহয়, এনেহোৱাৰ তেওঁলোকৰ সম্ভাৱনাও আছে। কিন্তু বিশ্ব দৃষ্টি ভঙ্গী সম্পৰ্কে পূৰ্ণ পৰিবৰ্ত্তন হোৱাত যথেষ্ট সময় লাগে ; আৰু আমি অধীৰ নহৈ ধৈৰ্য্যৰে কাম কৰা উচিত। প্ৰকৃততে আদৰ্শগত ভাবে মাৰ্ক্সবাদ লেনিনবাদ আৰু কমিউনিজম গ্ৰহণ কৰাত অনিচ্ছুক কিছুমান লোক থাকিবই, তেওঁলোকৰ পৰা আশা কৰা থিনি আমি জোৰ দি আদায় কৰিব নেলাগিব। ৰাষ্ট্ৰৰ প্ৰয়োজন মানি আৰু ন্যায় সঙ্গত কাৰ্য্যকলাপত নিযুক্ত হৈ যিমানদিন তেওঁলোক চলিব, সিমান দিন আমি তেওঁলোকক উপযুক্ত কামৰ সুযোগ দিয়া উচিত।

আদৰ্শগত আৰু ৰাজনৈতিক কামত সম্প্ৰতি ছাত্ৰ আৰু বুদ্ধিজীৱী সকল পিছ পৰি গৈছে, ফলত অসুস্থ মতিগতিয়ে দেখা দিছে। কিছুমান মানুহে ভাবিব খুজিব যে, ৰাজনীতিৰ সম্পৰ্কে বা মাতৃভূমিৰ ভবিষ্যতে আৰু মানবাদৰ্শৰ সম্পৰ্কে চিন্তা ভাৱনা কৰাৰ কোনো প্ৰয়োজন নাই। এনে ভাৱ হয় যেন, মাৰ্ক্সবাদ এসময়ত কেৱল চিন্তাৰ বিষয় আছিল আৰু এতিয়া তাৰ দিন গ'ল। এনে পৰিস্থিতিৰ সন্মুখীন হবলৈকে আমি আমাৰ আদৰ্শগত আৰু ৰাজনৈতিক কামৰ উন্নতি সাধন কৰি লাগিব। ছাত্ৰ আৰু বুদ্ধিজীৱী উভয়ে কঠোৰ পৰিশ্ৰমেৰে অধ্যয়ন কৰা উচিত। বিশেষ বিশেষ বিষয়ৰ অধ্যয়ণৰ





উপৰিও তেওঁলোকে মাৰ্ক্সবাদ লেনিনবাদ অধ্যয়ন কৰি, চলিত ঘটনাৱলী আৰু ৰাজনৈতিক সমস্যাৰ সম্পৰ্কে জ্ঞান লাভ কৰি, আদৰ্শগত আৰু ৰাজনৈতিক ভাৱে আগুৱাই যাব লাগিব। শুদ্ধ ৰাজনৈতিক ধাৰণা নথকা আৰু আত্মা নথকা একে কথা। অতীতৰ আদৰ্শগত সংশোধনৰ প্ৰয়োজন আছিল আৰু এতিয়া তাৰ প্ৰত্যক্ষ ফল লাভ হৈছে। কিন্তু এই সংশোধনৰ কাম কিছু কঠোৰ ভাৱে কৰা হৈছিল আৰু বহুতৰে অন্তৰত আঘাত লাগিছিল। এনে হোৱাটো ভাল নাছিল। ভবিষ্যতে এনে ভুল আমি কৰিব নেলাগিব। সকলো বিভাগ আৰু অনুষ্ঠানে আদৰ্শগত আৰু ৰাজনৈতিক কামৰ দায়িত্ব বহন কৰা উচিত। কমিউনিষ্ট পাৰ্টি, যুৱক সংঘ, এই কাম কৰি থকা চৰকাৰী বিভাগ বিলাক, আৰু বিশেষকৈ শিক্ষা অনুষ্ঠান বিলাকৰ মুৰব্বী আৰু শিক্ষক সকলে এই দায়িত্ব লব লাগিব। আমাৰ শিক্ষা নীতি এনে হ'ব লাগিব যাতে শিক্ষা থকা প্ৰত্যেক লোকেই নৈতিক, বুদ্ধিবৃত্তি আৰু শাৰীৰিক ক্ষেত্ৰত উন্নতি কৰাত সমৰ্থ হয় আৰু এজন সু-শিক্ষিত সমাজতান্ত্ৰিক মনোভাবাপন্ন কৰ্মী হিচাপে গঢ় লয়। কঠোৰ পৰিশ্ৰম আৰু আৰু মিতব্যয়িতাৰে আমাৰ দেশ গঢ়ি তোলাৰ ভাৱ আমি প্ৰচাৰ কৰিব লাগিব। আমাৰ যুৱক সকলক আমি বুজাব লাগিব যে আমাৰ দেশ এতিয়া অতি দুখীয়া। কম সময়ৰ ভিতৰত এই পৰিস্থিতিৰ আমুল পৰিবৰ্ত্তন আনিব নোৱাৰি, আৰু বুজাব লাগিব যে যুৱক সম্প্ৰদায় আৰু সমস্ত জনতাৰ একত্ৰিত প্ৰচেষ্টাৰ যোগেদি আৰু নিজ হাতে শ্ৰম কৰি কেই দশকমানৰ ভিতৰত চীনক শক্তিশালী আৰু সমৃদ্ধিশালী কৰিব পৰা যাব। আমাৰ সমাজতান্ত্ৰিক ব্যৱস্থাৰ স্থাপনে ভবিষ্যতৰ আদৰ্শ সমাজৰ পথ উন্মুক্ত কৰি দিছে। কিন্তু এই আদৰ্শক বাস্তৱত ৰূপায়িত কৰিবলৈ হলে কঠোৰ পৰিশ্ৰমৰ আৱশ্যক। আমাৰ কিছুমান যুবকে ভাবে যে সমাজতান্ত্ৰিক সমাজ গঠনৰ লগে লগে সকলো নিখুত হৈ যোৱা উচিত আৰু তেওঁলোকে বিনাপৰিশ্ৰমে এটা প্ৰস্তুত সুখীজীৱন ভোগ কৰিবলৈকে পাব। ই এটা অবাস্তৱ কথা।

## ৬। সংখ্যালঘু জাতীয় সম্প্ৰদায় সকলৰ প্ৰশ্ন ঃ

আমাৰ দেশৰ সংখ্যালঘু জাতীয় সম্প্ৰদায় সকলৰ জনসংখ্যা ৩০ নিযুতত কৈ অধিক হব। মুঠ জনসংখ্যাৰ শতকৰা ৬ ভাগ হলেও তেওঁলোকে চীনৰ

মুঠ মাটি কালিৰ শতকৰা ৫০ ৰ পৰা ৬০ ভাগ বিস্তাৰিত অঞ্চল সমূহত বসবাস কৰিছে। হানজাতি আৰু সংখ্যালঘু জাতীয় সম্প্ৰদায় সকলৰ মাজত সুসম্পৰ্ক গঢ়ি তোলাটো দায়িত্বপূৰ্ণ কাম হৈ পৰিছে। এই প্ৰশ্নৰ সমাধানৰ মূল উপায় হৈছে হান উগ্ৰস্বাদেশিকতাক পৰাভূত কৰা। লগে লগে সংখ্যালঘু জাতীয় সম্প্ৰদায় সকলৰ মাজত থকা আঞ্চলিক জাতীয়তাবাদ দূৰ কৰাৰ চেষ্টাও কৰা উচিত। হান উগ্ৰস্বাদেশিকতা আৰু আঞ্চলিক জাতীয়তাবাদ দুয়োটাই সম্প্ৰদায়-সমূহৰ ঐক্যৰ পৰিপন্থী; উভয়কে দূৰ কৰিবলগীয়া জনতাৰ এটা বিশেষ দ্বন্দ্ব হিচাপে দেখা দিছে। এই ক্ষেত্ৰত ইতিমধ্যে আমি কিছু কাম কৰিছোঁ। সংখ্যলঘু সম্প্ৰদায় সকলৰ মাজত সম্পৰ্ক গঢ়িতোলা কামত যথেষ্ট উন্নতি হৈছে, কিন্তু সমাধান কৰিবলগীয়া ভালেমান সমস্যাও আছে। কিছুমান অঞ্চলত হান উগ্ৰ-স্বাদেশিকতা আৰু আঞ্চলিক জাতীয়তাবাদ দুয়োটাই এতিয়াও গুৰুতৰ পৰিমাণে বৰ্ত্তি আছে। এই বিষয়ত আমি সম্পূৰ্ণ সতৰ্কতা অবলম্বন কৰিব লাগিব। সমগ্ৰ জাতীয় সম্প্ৰদায় সকলৰ চেষ্টাৰ ফলত প্ৰায়বিলাক সংখ্যা লঘু জাতীয় সম্প্ৰদায় এলেকাতে প্ৰধানতঃ গণতান্ত্ৰিক সংস্কাৰ আৰু সমাজতান্ত্ৰিক পৰিবৰ্ত্তন সম্পূৰ্ণ কৰা হৈছে। পৰিস্থিতি পৰিপক্ক নোহোৱাৰ হেতু তিব্বতত এতিয়াও গণতান্ত্ৰিক সংস্কাৰ কামত আগবঢ়া নাই। কেন্দ্ৰীয় জনতাৰ চৰকাৰ আৰু তিব্বতৰ স্থানীয় চৰকাৰৰ মাজত হোৱা ১৭ দফীয়া চুক্তি অনুসৰি সমাজ ব্যৱস্থাৰ সংস্কাৰ কৰিবই লাগিব; কিন্তু তিব্বতৰ বিপুল সংখ্যা গৰিষ্ঠ জনতা আৰু তেওঁলোকৰ নেতৃস্থানীয় জননায়ক সকলেহে সংস্কাৰৰ সময় স্থিৰ কৰিব; গতিকে এই বিষয়ত অধৈৰ্য্য হোৱা অনুচিত। দ্বিতীয় পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ সময়ছোৱাত তিব্বতত গণতান্ত্ৰিক সংস্কাৰ কামত আগবঢ়াটোকে সিদ্ধান্ত কৰা হৈছে। তৃতীয় পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ সময় ছোৱাত সংস্কাৰৰ কাম হবনে নহয় তাক সেই সময়ৰ পৰিস্থিতি বিচাৰ কৰিহে সিদ্ধান্ত কৰা হ'ব।

## ৭। সামগ্ৰিক পৰিকল্পনা আৰু উপযুক্ত ব্যৱস্থাঃ

আমাৰ দেশৰ ৬০০ নিযুত জনতাৰ স্বাৰ্থৰ কথা বিবেচনা কৰি ৰচনা কৰা পৰিকল্পনাকে সামগ্ৰিক পৰিকল্পনা বুলি আমি বুজোঁ। পৰিকল্পনা ৰচনা কৰোতে বা সমস্যাৰ সমাধানৰ চেষ্টা কৰোতে বা সমস্যাবিলাকৰ বিষয়ে চিন্তা কৰোতে, চীনৰ





যে ৬০০ নিযুত জনতা আছে এই সত্যটোক ভিত্তি কৰিব লাগিব, আৰু আমি এই সত্যটোক কেতিয়াও পাহৰিব নেলাগিব। এই কথাটো আমি কিয় উল্লেখ কৰিছোঁ?

আমাৰ যে ৬০০ নিযুত জনতা আছে এই কথাটো এতিয়াও নজনা এনে লোক থকাৰ কি সম্ভাৱনা আছে নেকি? প্ৰত্যেকেই যে কথাটো জানে সঁচা, কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত কিছুমান মানুহে একেবাৰে পাহৰি পেলায় আৰু তেওঁলোকে এনে ভাবি কাম কৰে যেন যিমানেই কম মানুহ হয়, আৰু ক্ষুদ্ৰ চক্ৰ হয়, সিমানেই ভাল। এই 'ক্ষুদ্ৰ চক্ৰ' মনোবৃত্তি থকা লোকবিলাকে সকলো যে সকাৰাত্মক উপাদানে ক্ৰিয়া কৰে তাক ধাৰণা নকৰে, মিলিত হব পৰা প্ৰত্যেকৰ লগত মিলিব নোখোজে, সমাজতান্ত্ৰিক সমাজ গঢ়াৰ কাৰণে নেতিবাচক উপাদানক সকাৰাত্মকলৈ পৰিবৰ্ত্তন কৰিবলৈ যি কোনো চেষ্টা কৰা মনোভাৱ পোষণ নকৰে। মই ভাবো, এই মানুহ বিলাকে নিজৰ দৃষ্টি-ভঙ্গী বহল কৰিব, আমি যে ৬০০ নিযুত মানুহ আছো, ই এটা যে বাস্তৱিক সত্য, আৰু ই যে এটা সম্পদ তাকো ভালদৰে বুজিবলৈ চেষ্টা কৰিব। আমাৰ বহল জন। সংখ্যাৰ কাৰণে অসুবিধা কিছুমান থাকিলেও শুভ দিশ এটাও নথকা নহয়। সকলো প্ৰান্ততে খুব সফলভাবে আৰু উৎসাহেৰে গঠন কাৰ্য্য আগুৱাই গৈছে, কিন্তু বিৰাট সামাজিক পৰিবৰ্ত্তনৰ বৰ্ত্তমান সংক্ৰমনকালীন সময় ছোৱাত এতিয়াও ভালেমান জটিল সমস্যা আছে। প্ৰগতিৰ লগত প্ৰতিবন্ধক, ইও এটা দ্বন্দ্ব। অৱশ্যে দ্বন্দ্বসমূহক সমাধান কৰাটো উচিত, আৰু সমাধানৰ নিশ্চিত সম্ভাৱনাও আছে। আমাক পৰিচালিত কৰা নীতি হৈছে, সামগ্ৰিক পৰিকল্পনা আৰু উপযুক্ত ব্যৱস্থা। খাদ্য, প্ৰাকৃতিক দুৰ্যোগ, নিয়োগ, শিক্ষা, বুদ্ধিজীৱি, দেশপ্ৰেমিক শক্তিৰ সংযুক্ত সন্থা, সংখ্যালঘু জাতীয় সম্প্ৰদায়, বা আন যি কোনো সমস্যাৰ ক্ষেত্ৰত, আমি, সকলো জনতাৰ স্বাৰ্থ বিবেচনা কৰা সামগ্ৰিক পৰিকল্পনাৰ যোগেদি আগ বাঢ়িব লাগিব। আৰু নিৰ্দ্দিষ্ট কাল আৰু স্থানৰ বিশেষ সম্ভাৱনাখিনিক বিবেচনা কৰি আৰু সংশ্লিষ্ট স্তৰৰ সতে আলোচনা কৰি আমি উপযুক্ত ব্যৱস্থা কৰিব লাগিব। আমাৰ জনসংখ্যা বিপুল, আমি পাছ পৰা, সমস্যাবিলাক জটিল, সমাধান কৰাটো টান, এনে বিলাক আপত্তি আৰু সমস্যা বিলাকক আওকান কেতিয়াও কৰিব নেলাগিব। চৰকাৰেই যে কেৱল সকলো বিষয়ে দায়িত্ব লব এনে কোনো কথা আছেনেকি? নিশ্চয় নাই। বহু ক্ষেত্ৰত সামাজিক সংগঠন



OKDISCD

পৰিবৰ্ত্তন আনিব খোজে, বুৰ্জোৱা সকলেও তেওঁলোকৰ নিজ বিশ্ব-বীক্ষা অনুসৰি পৰিবৰ্ত্তন আনিব খোজে। এই ক্ষেত্ৰত সমাজতন্ত্ৰৰ জয় হ'বনে ধনতন্ত্ৰৰ জয় হ'ব এই প্ৰশ্নৰ সমাধান এতিয়াও প্ৰকৃততে হোৱা নাই। পৃথিৱীৰ সমগ্ৰ জনসাধাৰণ আৰু বুদ্ধিজীৱীৰ মাজত মাৰ্ক্সবাদীসকল এতিয়াও সংখ্যালঘু হৈ আছে। সেয়ে সংগ্ৰামৰ মাজেদি মাৰ্ক্সবাদৰ আৰু বিকাশ হ'ব লাগিব। কেৱল সংগ্ৰাম যোগেদিহে মাৰ্ক্সবাদে বিকাশ লাভ কৰিব পাৰিব। একমাত্ৰ অতীত আৰু বৰ্ত্তমানৰ ক্ষেত্ৰতেই ই সত্য নহয়, ভৱিষ্যতৰ ক্ষেত্ৰতো নিশ্চিত সত্য। অসত্যৰ লগত সংগ্ৰাম কৰিয়েই সত্যৰ বিকাশ সদায় হৈ আহিছে। সত্য, সুন্দৰ আৰু মঙ্গল সদায় অসত্য অসুন্দৰ আৰু অশুভৰ বিপৰীতে থাকি আৰু সংগ্ৰামৰ কৰি বিকাশ লাভ কৰে। মানৱ সমাজে অসত্য ত্যাগ কৰি বিশেষ সত্য এটাক গ্ৰহণ কৰাৰ লগে লগে নতুন সত্যই নতুন অসত্যৰ লগত সংগ্ৰাম কৰিবলৈ আৰম্ভ কৰে। এনেকুৱা সংগ্ৰামৰ শেষ নাই। সত্যৰ বিকাশৰ এই-টোৱেই নিয়ম আৰু মাৰ্ক্সবাদৰ বিকাশৰ নিয়মো স্বাভাৱিকতে এয়ে।

আমাৰ দেশৰ সমাজতন্ত্ৰ আৰু ধনতন্ত্ৰৰ মাজত হোৱা আদৰ্শগত সংগ্ৰামৰ প্ৰশ্নৰ সমাধান হওতে যথেষ্ট দিন লাগিব। ইয়াৰ কাৰণ হৈছে, আমাৰ দেশত বহুদিনলৈকে পুৰণা সমাজৰ পৰা অহা বুদ্ধিজীৱী আৰু বুৰ্জোৱা সকলৰ প্ৰভাৱবৈ যাব আৰু সেয়ে তেওঁলোকৰ শ্ৰেনী আদৰ্শও জীয়াই থাকিব। এই কথাটো যদি আমি বুজিব নোৱাৰো বা ভালদৰে বুজা হোৱা নাই, তেন্তে মাৰাত্মক ভুল কৰা হ'ব, আৰু আদৰ্শগত সংগ্ৰাম চলাই যোৱাৰ আৱশ্যকতাকেই অস্বীকাৰ কৰা হ'ব। আদৰ্শগত সংগ্ৰাম আন সংগ্ৰামৰ পৰা পৃথক। এই সংগ্ৰামত ব্যৱহৃত হোৱা পদ্ধতিটো হৈছে যুক্তিতৰ্কই, বলপ্ৰয়োগ কৰা থকটা পদ্ধতিৰে নহয়, আদৰ্শগত সংগ্ৰামৰ ক্ষেত্ৰত সমাজবাদ বৰ্ত্তমান সুবিধাজনক স্থান লৈছে। ৰাষ্ট্ৰৰ প্ৰধান ক্ষমতা সৰ্বহাৰাৰ দ্বাৰা পৰিচালিত শ্ৰমিক জনতাৰ হাতত। কমিউনিষ্ট পাৰ্টি এতিয়া শক্তিশালী আৰু সন্মানৰ উচ্চ আসনত প্ৰতিষ্ঠিত। আমাৰ কাৰ্যত যদিও ক্ৰটি বিচ্যুতি হৈছে, সৎভাবাপন্ন প্ৰত্যেক লোকেই দেখিছে যে জনতাৰ প্ৰতি আমি বিশ্বস্ত, তেওঁলোকৰ লগত যোগ দি মাতৃভূমিক গঢ়ি তোলাৰ সংকল্প আৰু ক্ষমতা আমাৰ আছে, ইতিমধ্যে আমি মহৎ সাফল্য লাভ কৰিছোঁ আৰু ইয়াতকৈয়ো মহৎ সাফল্যআমি লাভ কৰিম। পুৰণা





সমাজৰ পৰা অহা অধিকাংশ বুৰ্জোৱা আৰু বুদ্ধিজীৱীয়ে দেশভক্ত আৰু তেওঁলোকৰ উদীয়মান সমাজতান্ত্ৰিক মাতৃভূমিক সেৱা কৰিবলৈ তেওঁলোক আগ্ৰহান্বিত। তেওঁলোকে জানে যে যদি সমাজতান্ত্ৰিক আদৰ্শক আৰু কমিউনিষ্ট পাৰ্টিৰ দ্বাৰা পৰিচালিত শ্ৰমিক জনতাক উপেক্ষা কৰে, তেন্তে তেওঁলোক সহায়হীন হ'ব আৰু তেওঁলোকৰ উজ্বল ভৱিষ্যতৰ পৰিসমাপ্তি ঘটিব।

জনতাই সুধিব পাৰে; যিহেতু আমাৰ দেশৰ অধিকাংশ জনতাই মাৰ্ক্সবাদক পথ-নিৰ্দেশক আদৰ্শ হিচাপে গ্ৰহণ কৰিছে, এইক্ষেত্ৰত এনে আদৰ্শক জানো সমালোচনা কৰিব পাৰি? নিশ্চয় পাৰি। মাৰ্ক্সবাদ এটা বৈজ্ঞানিক সত্য, গতিকে সমালোচনালৈ কোনো ভয় নাই। যদি সমালোচনালৈ ভয় থাকে আৰু যুক্তিতৰ্কৰে মাৰ্ক্সবাদক পৰাজিত কৰিব পাৰি, তেন্তে মাৰ্ক্সবাদ এটা অসাৰ বস্তুলৈ পৰিণত হ'ব। আচলতে ভাববাদী সকলে জানো মাৰ্ক্সবাদক সদায়েই যিকোনো ৰূপে সমালোচনা কৰা নাই? যি সকলে বুৰ্জোৱা আৰু পেটি বুৰ্জোৱাৰ ধাৰণা পোষণ কৰিছে আৰু ইয়াৰ কোনো পৰিবৰ্ত্তন নিবিচাৰে, তেওঁ-লোকেও জানো মাৰ্ক্সবাদক সকলো ফালৰপৰা সমালোচনা কৰা নাই? যিকোনো মহলাৰ পৰা হোৱা সমালোচনালৈ মাৰ্ক্সবাদীয়ে ভয় কৰা অনুচিত। বৰং সম্পূৰ্ণ বিপৰীত। ভয় কৰা উচিত, সংগ্ৰামৰ প্ৰচণ্ডতা আৰু ৰূঢ়তাৰ মাজেদি, সমালোচনাৰ তীব্ৰতাৰ সন্মুখীন হৈ তেওঁলোকে নিজকে সুস্থ, সবল আৰু উন্নত কৰিব লাগিব। আৰু নতুন প্ৰতিষ্ঠা লাভ কৰিব লাগিব। অসত্য ধাৰণাৰ বিৰুদ্ধে সংগ্ৰাম কৰাটো ছিটা লোৱাৰ দৰে। ছিটা লোৱাৰ ফলত এজন মানুহে বেমাৰৰ পৰা নিস্কৃতি হৈ থকা ক্ষমতা বেছি পায়। উত্তপ্ত ঘৰত গজোৱা গছ শক্তি-শালী হব নোৱাৰে। শত ফুল ফুলি উঠক আৰু শত মতৰ সংঘাত হওক এই নীতি মানি চলিলে মাৰ্ক্সবাদ দুৰ্বল হৈ নপৰে, বৰং আদৰ্শৰ ক্ষেত্ৰত ইয়াৰ অগ্ৰগতিৰ স্থান বেছি শক্তিশালী হ'ব।

অমাৰ্ক্সীয় ধাৰণাৰ সম্বন্ধে আমাৰ কি নীতি হোৱা উচিত? নিসন্দেহে যিবোৰ প্ৰতি-বিপ্লৱী আৰু সমাজতান্ত্ৰিক আদৰ্শৰ ধ্বংসকাৰী সি বিলাকৰ ক্ষেত্ৰত ব্যৱস্থাটো সহজ। পোনপটীয়াভাৱে তেওঁলোকৰ আমি বাকস্বাধীনতা ভোগ কৰাৰ পৰা বঞ্চিত কৰিম। কিন্তু জনতাৰ মাজৰ অশুদ্ধ ধাৰণাৰ ক্ষেত্ৰত ব্যৱস্থাটো সম্পূৰ্ণ



OKDISCD

বেলেগ। তেওঁলোকৰ ধাৰণাখিনিক নিসিদ্ধ কৰাটো আৰু মতপ্ৰকাশৰ সুযোগক বন্ধ কৰাটো জানো উচিত হ'ব? নিশ্চয় নহয়। জনতাৰ আদৰ্শগত প্ৰশ্নৰ আৰু মানুহৰ আত্মিক জীৱনৰ প্ৰশ্নৰ সমাধান কৰোতে কেচা আৰু সংক্ষেপ পদ্ধতি প্ৰয়োগ কৰাটো নিস্ফল যে হব তেনে নহয়, ক্ষতিকৰো হ'ব।

ভুল ধাৰণা প্ৰকাশ কৰাটো নিষেধ কৰিব পাৰি, কিন্তু ধাৰণাখিনি মানুহৰ মনত থাকিয়েই যাব। আন কথাত, শুদ্ধ ধাৰণাক প্ৰতিকূল শক্তিৰ প্ৰভাৱত পৰিবলৈ নিদি বা ৰোগ প্ৰতিষেধক শক্তি আহৰণৰ সুবিধা নিদি যদি উত্তপ্ত ঘৰৰ মাজতেই ৰখা হয়, তেন্তে এনে ধাৰণাই ভুল ধাৰণাক পৰাজিত কৰি জয়যুক্ত হব নোৱাৰিব। সেই কাৰণে, কেৱল আলোচনা, সমালোচনা আৰু যুক্তিতৰ্ক পদ্ধতিটোক প্ৰয়োগ কৰিহে আমি শুদ্ধ ধাৰণা প্ৰকৃততে পোষণ কৰিব পাৰো; ভুল ধাৰণাক দূৰ কৰিব পাৰো আৰু বিভিন্ন প্ৰশ্নৰ সমাধান কৰিব পাৰো।

বুৰ্জোৱা আৰু পেটি বুৰ্জোৱাই নিজৰ ধাৰণা অনিবাৰ্য্যই প্ৰকাশ কৰিব। ৰাজনৈতিক আৰু আদৰ্শগত প্ৰশ্নত তেওঁলোকে দুৰ্দমনীয় ভাৱে নিজৰ মত যি কোনো উপায়েৰে প্ৰকাশ কৰিব। মত প্ৰকাশ নকৰাটো আমি আশা কৰিব নোৱাৰো। দমনমূলক পদ্ধতিৰে তেওঁলোকৰ মত প্ৰকাশত আমি বাধা দিয়া উচিত নহয়। তেওঁলোকক মতপ্ৰকাশ কৰিবলৈ দিয়াটোহে উচিত আৰু লগে লগে তেওঁলোকৰ লগত যুক্তিতৰ্ক কৰা আৰু সুচিন্তিত সমালোচনা কৰা উচিত। যিকোনো ভুল ধাৰণাকে আমি নিসন্দেহে সমালোচনা কৰিব লাগিব। সমালোচনা নকৰি, অবাধ গতিৰে ভুল ধাৰণাক প্ৰচাৰিত হবলৈ এৰি দিলে আৰু একাধিকাৰ স্থাপন কৰিবলৈ দিলে, কথাটো বৰ অন্যায় হ'ব। ভুল ধাৰণাক সমালোচনা কৰিবই লাগিব। আৰু বিষাক্ত বন য'তে হ'ব ত'তে নষ্ট কৰিব লাগিব। কিন্তু এনে সমালোচনাৰ ক্ষেত্ৰত মতান্ধ হোৱা আৰু অধ্যাত্মিক পদ্ধতি প্ৰয়োগ কৰা উচিত নহয়। দ্বন্দ্বাত্মক পদ্ধতি প্ৰয়োগ কৰিবলৈ চেষ্টা কৰা উচিত। বৈজ্ঞানিক বিশ্লেষণ আৰু বিশ্বাসযোগ্য যুক্তিৰ প্ৰয়োজন হৈ পৰিছে। মতান্ধ সমালোচনাই একো মীমাংসা কৰিব নোৱাৰে। যিকোনো বিষাক্ত বনকে আমি উভালি পেলাব লাগিব। কিন্তু তাকে কৰোতে প্ৰকৃত বিষাক্ত বন আৰু প্ৰকৃত সুগন্ধি ফুলৰ পাৰ্থক্য আমি সযতনে নিৰ্ণয় কৰিব লাগিব। জনতাৰ লগত





হাত মিলাই এই দুটাৰ মাজৰ পাৰ্থক্য সযতনে নিৰ্ণয় কৰিবলৈ আৰু বিষাক্ত বন শুদ্ধ পদ্ধতিৰে নষ্ট কৰিবলৈ শিকিব লাগিব।

মতান্ধতাক সমালোচনা কৰাৰ লগে লগে সংশোধনবাদক সমালোচনা কৰাৰ প্ৰতিও আমি দৃষ্টি ৰাখিব লাগিব। সংশোধনবাদ বা সোঁপন্থী সুবিধাবাদ বুৰ্জোৱা সকলৰ চিন্তাৰ এটা ধাৰা। এনে ধাৰা মতান্ধতাতকৈ বেছি মাৰাত্মক। সংশোধনবাদী বা সোঁপন্থী সুবিধাবাদীয়ে মাৰ্ক্সবাদক মৌখিক সমৰ্থন জনায়; তেওঁলোকেও মতান্ধতাক সমালোচনা কৰে। কিন্তু তেওঁলোকৰ সমালোচনাৰ মূল লক্ষ্যস্থান হৈছে মাৰ্ক্সবাদৰ মৌলিক বিষয়বস্তুৰ ওপৰত। তেওঁলোকে বস্তুবাদ আৰু দ্বন্দ্ববাদক হয় বিৰোধিতা কৰে, নহয় বিকৃত কৰি দেখুৱায়; জনতাৰ গণতান্ত্ৰিক একনায়কত্বক আৰু কমিউনিষ্ট পাৰ্টিৰ পৰিচালকৰ ভূমিকাক বিৰোধিতা কৰে বা দুৰ্বল কৰিবলৈ চেষ্টা কৰে; আৰু সমাজতান্ত্ৰিক ৰূপান্তৰক আৰু সমাজতান্ত্ৰিক গঠন কাৰ্য্যত বাধা দিয়ে বা দুৰ্বল কৰিবলৈ চেষ্টা কৰে। আমাৰ দেশত সমাজতান্ত্ৰিক বিপ্লৱৰ মৌলিক বিজয়ৰ পাচত এতিয়াও কিছুমান লোকে পুঁজিবাদী ব্যৱস্থাৰ পুনঃস্থাপনৰ নিস্ফল আশা কৰে; আৰু তেওঁলোকে আদৰ্শগতকৈ ধৰি প্ৰত্যেক প্ৰান্ততে শ্ৰমিক শ্ৰেণীৰ লগত যুঁজ চলাইছে। আৰু এই যুঁজত সংশোধনবাদী বিলাকেই তেওঁলোকৰ সোঁহাত স্বৰূপ।

প্ৰথম দৃষ্টিত "শতফুল ফুলি উঠক আৰু শত মতৰ সংঘাত হওক" এই ধ্বনি দুটাৰ কোনো শ্ৰেণীচৰিত্ৰ নাই। সৰ্বহাৰা, বুৰ্জোৱা বা আনলোকেও এই ধ্বনি দুটা নিজৰ উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰে। কিন্তু কোন বিলাক সুগন্ধি ফুল, কোনবিলাক বিষাক্ত বন এই বিষয়ে বিভিন্ন শ্ৰেণী, স্তৰ আৰু সামাজিক দলৰ প্ৰত্যেকৰে নিজৰ মত আছে। তেন্তে ব্যাপক জনতাৰ দৃষ্টিভংগীৰ পৰা বিচাৰ কৰিলে, বিষাক্ত বনৰ পৰা সুগন্ধি ফুলক পৃথক কৰাৰ আজি মাপকাঠি কি হোৱা উচিত? আমাৰ জনতাৰ ৰাজনৈতিক ক্ষেত্ৰত আমাৰ কথা আৰু কামত কোনটো ভুল কোনটো শুদ্ধ কেনেকৈ নিৰ্ণয় কৰা উচিত? আমাৰ সংবিধানৰ নীতি, বিপুল সংখ্যা গৰিষ্ঠ জনতাৰ ইচ্ছা, আৰু বহুবাৰ আমাৰ ৰাজনৈতিক পাৰ্টি আৰু দলে যুটীয়া ভাৱে লোৱা ৰাজনৈতিক আঁচনিৰ ওপৰত ভিত্তি কৰি আমি বিবেচনা কৰো যে সাধাৰণতে নিম্নলিখিত সত্যাসত্য বিচাৰ কৰা মাপকাঠি কেইটা হোৱা উচিত:



OKDISCD

১। আমাৰ কথা আৰু কামে আমাৰ বিভিন্ন জাতীয় সম্প্ৰদায়ৰ মানুহৰ মাজত বিভেদ সৃষ্টি কৰাৰ পৰিবৰ্তে ঐক্যৰ সৃষ্টি কৰা উচিত।

২। সমাজতান্ত্ৰিক ৰূপান্তৰ আৰু সমাজতান্ত্ৰিক গঠন কাৰ্য্যত আমাৰ কথা আৰু কাম ক্ষতিকৰ হোৱাৰ পৰিবৰ্ত্তে হিতকৰ হোৱা উচিত।

৩। জনতাৰ গণতান্ত্ৰিক একনায়কত্বক হেয় বা দুৰ্বল হোৱাত নহয়, সংহত হোৱাত হে আমাৰ কথা আৰু কামে সহায় কৰা উচিত।

৪। গণতান্ত্ৰিক কেন্দ্ৰীয়বাদক হেয় বা দুৰ্বল হোৱাত নহয়, সংহত হোৱাতহে আমাৰ কথা আৰু কামে সহায় কৰা উচিত।

৫। কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বক ত্যাগ বা দুৰ্বল কৰাত নহয়, শক্তিশালী কৰাতহে আমাৰ কথা আৰু কামে সহায় কৰা উচিত।

৬। আন্তৰ্জাতিক সমাজতান্ত্ৰিক ঐক্য আৰু পৃথিবীৰ শান্তিপ্ৰিয় জনতাৰ ঐক্য স্থাপনত আমাৰ কথা আৰু কাম ক্ষতিকৰ হোৱাৰ পৰিবৰ্ত্তে হিতকৰ হোৱা উচিত।

এই ছটা মাপকাঠিৰ ভিতৰত সমাজতান্ত্ৰিক পথ আৰু পাৰ্টিৰ নেতৃত্বই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ মাপকাঠি। এই ছটা মাপকাঠি জনতাৰ মাজৰ বিভিন্ন প্ৰশ্নৰ স্বাধীন আলোচনা গঢ়ি উঠিবৰ কাৰণে দিয়া হল; বাধা দিবৰ কাৰণে নহয়। এই মাপকাঠি বিলাকক অনুমোদন জনাব নোখোজা লোকে নিজৰ মত দাঙি ধৰিব পাৰে আৰু যুক্তিতৰ্কৰে ইয়াক বুজাব পাৰে। অৱশ্যে, অধিকাংশ জনতাৰ বিচাৰ কৰাৰ সুস্পষ্ট মাপকাঠি আছে যেতিয়া সমালোচনা আৰু আত্ম সমালোচনা সঠিক পথত চালিত কৰিব পৰা যাব আৰু জনতাৰ ভুল বা শুদ্ধ কথা আৰু কাম একে মাপকাঠিৰে বিবেচনা কৰি সুগন্ধি ফুল নে বিষাক্ত বন তাকো নিৰ্ণয় কৰিব পৰা যাব। এই বিলাক ৰাজনৈতিক মাপকাঠি। স্বভাৱতে বৈজ্ঞানিক মতবাদৰ সত্যাসত্য নিৰ্দ্ধাৰণৰ কাৰণে বা শিল্পকলাৰ সৌন্দৰ্য্য নিৰূপণৰ কাৰণে উপযুক্ত মাপকাঠিৰ আৱশ্যক। কিন্তু শিল্পকলা আৰু বিজ্ঞানৰ সমস্ত কাৰ্য্যকলাপৰ ক্ষেত্ৰত এই ছটা ৰাজনৈতিক মাপকাঠিও ব্যৱহাৰ কৰিব পাৰি। আমাৰ দৰে এখন সমাজতান্ত্ৰিক দেশত ৰাজনৈতিক মাপকাঠিৰে বিচাৰ কৰিব নোৱাৰি এনেকুৱা কোনো প্ৰয়োজনীয় বৈজ্ঞানিক আৰু শিল্পকলাগত কাৰ্য্যকলাপ থাকিব পাৰে জানো?





ওপৰত উল্লিখিত মতবিলাক চীনৰ বিশেষ ঐতিহাসিক অৱস্থাৰ ভিত্তিত প্ৰতিষ্ঠিত। বিভিন্ন সমাজতান্ত্ৰিক দেশৰ অৱস্থা বিভিন্ন ধৰণৰ, সেইদৰে বিভিন্ন কমিউনিষ্ট পাৰ্টিৰ অৱস্থাও বিভিন্ন। সেইকাৰণে আমি ক'ব নিবিচাৰো যে আন দেশ আৰু কমিউনিষ্ট পাৰ্টিয়ে চীনৰ পথ অনুসৰণ কৰা উচিত বা অনুসৰণ কৰিব লাগিব।

"দীৰ্ঘকালীন সহ-অৱস্থান আৰু পাৰস্পাৰিক তত্ত্বাবধান" ধ্বনিটোও চীনৰ বিশেষ ঐতিহাসিক অৱস্থাৰ সৃষ্টি। হঠাৎ এই ধ্বনি আহি পৰা নাই, ভালে-বছৰ ধৰি লাহে লাহে এই ধ্বনি গঢ়ি উঠিছে। বহুদিন আগৰে পৰা দীৰ্ঘ-কালীন সহ-অৱস্থানৰ ধাৰণাটো আছিল। যোৱা বছৰ সামাজিক ব্যৱস্থাৰ মৌলিক প্ৰতিষ্ঠা হোৱাৰ পাচত স্পষ্ট ভাষাত এই ধ্বনিটো তোলা হয়। শ্ৰমিক শ্ৰেণীৰ পাৰ্টিৰ লগত বুৰ্জোৱা আৰু পেটি-বুৰ্জোৱাৰ গণতান্ত্ৰিক পাৰ্টিক কিয় বহুদিন বৰ্ত্তি থাকিবলৈ দিয়া হৈছে? কাৰণ সমাজতন্ত্ৰৰ আদৰ্শৰ কাৰণে জনতাক ঐক্যবদ্ধ কৰা কামত সঁচাই ব্ৰতী হোৱা আৰু জনতাৰ আস্থা ভাজন হোৱা সকলো ৰাজনৈতিক পাৰ্টিৰ ক্ষেত্ৰত, দীৰ্ঘকালীন সহ-অৱস্থান নীতি অৱলম্বন নকৰাৰ কোনো যুক্তি নাই। ১৯৫০ ৰ জুন মাহত বহা জনতাৰ ৰাজনৈতিক মন্ত্ৰণা-সভাৰ জাতীয় কমিটিৰ দ্বিতীয় অধিবেশনত বিষয়টোৰ সম্পৰ্কে এইদৰে কৈছিলোঁ:

"যিজনে প্ৰকৃততে জনতাক সেৱা কৰিবলৈ আগ্ৰহান্বিত, কষ্টৰ সময়ত যিজনে প্ৰকৃততে জনতাক সহায় কৰিছিল, সৎকাম কৰিছিল আৰু মাজপথত এৰা নিদি সৎকাম কৰি যাব পাৰে, সেইজনক ত্যাগ কৰাৰ বা জীয়াই থকাৰ পৰা আৰু দেশক সেৱা কৰাৰ পৰা বঞ্চিত কৰাৰ কোনো যুক্তি জনতাৰ আৰু জনতাৰ চৰকাৰৰ থাকিব নোৱাৰে।"

ইয়াৰ যোগেদি বিভিন্ন পাৰ্টিৰ দীৰ্ঘকালীন সহ-অৱস্থানৰ ৰাজনৈতিক ভিত্তিৰ বিষয়ে মই আলোচনা কৰিছিলো। বিভিন্ন গণতান্ত্ৰিক পাৰ্টিৰ লগত বহুদিনলৈকে কমিউনিষ্ট পাৰ্টিয়ে সহ-অৱস্থান কৰি থকাটোৱেই কমিউনিষ্ট পাৰ্টিৰ আশা আৰু নীতি। এই গণতান্ত্ৰিক পাৰ্টি বিলাক বহুদিন ধৰি তিষ্ঠি থকাটো কমিউনিষ্ট পাৰ্টিৰ ইচ্ছাৰ ওপৰতে কেৱল নিৰ্ভৰ কৰা নাই, তেওঁলোকে কি ধৰণেৰে কৰ্ত্তব্য পালন কৰিছে আৰু জনতাৰ আস্থাভাজন হব পাৰিছে নে নাই তাৰ ওপৰতহে তিষ্ঠি থকাটো নিৰ্ভৰ কৰিছে। বিভিন্ন পাৰ্টিৰ ভিতৰতে প্ৰত্যেকে প্ৰত্যেকক উপদেশ দিয়া

OKDISCD

আৰু সমালোচনা কৰা এই পাৰস্পৰিক তত্ত্বাৱধান নীতি বহুদিন ধৰি চলি আহিছে। পাৰস্পৰিক তত্ত্বাৱধান কেতিয়াও একপক্ষীয় হব নোৱাৰে। অৰ্থাৎ কমিউনিষ্ট পাৰ্টিয়ে যেনেকৈ আন গণতান্ত্ৰিক পাৰ্টিবিলাকেও তেনেকৈ কমিউনিষ্ট পাৰ্টিৰ তত্ত্বাৱধান কৰা উচিত। কমিউনিষ্ট পাৰ্টিৰ তত্ত্বাৱধান কৰিবলৈ গণতান্ত্ৰিক পাৰ্টিবিলাকক কিয় দিয়া উচিত? কাৰণ ব্যক্তিৰ দৰেই এটা পাৰ্টিৰো আনৰ মতামত শুনা একান্ত প্ৰয়োজন। শ্ৰমিক জনতা আৰু পাৰ্টিৰ সভ্যসকলে প্ৰধানতঃ কমিউনিষ্ট পাৰ্টিৰ তত্ত্বাৱধান লয় বুলি আমি সকলোৱে জানো। কিন্তু গণতান্ত্ৰিক পাৰ্টিবিলাকৰ পৰাও আমি উপকৃত হওঁ। অৱশ্যে, ওপৰত উল্লিখিত ছটা ৰাজনৈতিক মাপকাঠি অনুসৰি কমিউনিষ্ট পাৰ্টি আৰু আন গণতান্ত্ৰিক পাৰ্টিৰ মাজত উপদেশ আৰু সমালোচনাৰ আদান প্ৰদান হলেহে তত্ত্বাৱধানৰ কাম সুন্দৰ ভাৱে চলিব। সেই কাৰণে আমি আশাকৰো যাতে নতুন সমাজৰ চাহিদা মিটাবৰ কাৰণে সমস্ত গণতান্ত্ৰিক পাৰ্টিয়ে আদৰ্শগত পুনৰ গঠনৰ বিষয়ত মনযোগ দিব আৰু কমিউনিষ্ট পাৰ্টিৰ লগত দীৰ্ঘকালীন সহ-অৱস্থানৰ আৰু পাৰস্পৰিক তত্ত্বাৱধানৰ নীতি কাৰ্য্যকৰী কৰাৰ চেষ্টা কৰিব।

## ৯। জনতাৰ সৰু সৰু দলে সৃষ্টি কৰা অশান্তিৰ সম্পৰ্কে ঃ

১৯৫৬ চনত শ্ৰমিক আৰু ছাত্ৰৰ সৰু সৰু দলে কিছুমান ঠাইত ধৰ্মঘট কৰিছিল। তেওঁলোকৰ বৈষয়িক সা-সুবিধাৰ কিছুমান দাবী পূৰাব নোৱাৰাই আছিল এই অশান্তি বিলাকৰ তাৎকালিক কাৰণ। কিছুমান দাবী পূৰণ কৰা উচিত আছিল আৰু পূৰণ কৰিব পৰা গলহেতেন। কিন্তু আন কিছুমান দাবী অপ্ৰাসঙ্গিক আৰু মাত্ৰাধিক আছিল আৰু সেয়ে বৰ্তমান অৱস্থাত পূৰণ কৰা সম্ভৱ নাছিল। কিন্তু অশান্তিৰ তাতোকৈ ডাঙৰ কাৰণ আছিল আমোলতান্ত্ৰিক নেতৃত্ব। কিছুমান ক্ষেত্ৰত, আমোলতান্ত্ৰিক ভুলৰ কাৰণে উচ্চতৰ কৰ্তৃপক্ষই দায়ী. নিম্নথাপৰ লোকক দোষ দিয়াতো উচিত নহয়। শ্ৰমিক আৰু ছাত্ৰৰ মাজত আদৰ্শগত আৰু ৰাজনৈতিক শিক্ষাৰ অভাৱেই এই অশান্তি বিলাকৰ আন এটা কাৰণ। একেটা বছৰতে কৃষি সমবায়বিলাকৰ কিছুমান সভ্যই অশান্তি সৃষ্টি কৰিছিল; এই ক্ষেত্ৰতো আমোলতান্ত্ৰিক নেতৃত্ব আৰু জনতাৰ মাজত ৰাজনৈতিক শিক্ষাৰ অভাৱেই মূল কাৰণ আছিল।





এইটো স্বীকাৰ কৰা উচিত যে কিছুমান লোকে তাৎকালিক, আংশিক আৰু ব্যক্তিগত স্বাৰ্থৰ কথাহে চিন্তা কৰে; তেওঁলোকে সুদূৰপ্ৰসাৰী, জাতীয় আৰু সামূহিক স্বাৰ্থৰ কথা নুবুজে বা ইয়াৰ কিঞ্চিত জ্ঞানহে থাকে। ৰাজনৈতিক আৰু সামাজিক জীৱনৰ অভিজ্ঞতাৰ অভাৱৰ কাৰণে অনেক যুৱকৰ পুৰণা আৰু নতুন চীনৰ তুলনামূলক জ্ঞান নাই। সাম্ৰাজ্যবাদী আৰু কুওমিনটাঙ প্ৰতিক্ৰিয়াশীল লোকৰ উৎপীড়নৰ পৰা নিজকে মুক্ত কৰিবলৈ কৰা সংগ্ৰামত জনতাই যি দুখ কষ্ট স্বীকাৰ কৰিব লগা হৈছিল বা সুখী সমাজতান্ত্ৰিক সমাজ গঢ়াৰ কাৰণে যে দীৰ্ঘদিন ধৰি কষ্টসহিষ্ণুতাৰে কাম কৰিব লাগিব, এইবিলাক কথা তেওঁলোকে সম্পূৰ্ণ ৰূপে বুজিব নোৱাৰে। সেই কাৰণে আমি জনতাৰ মাজত উৎসাহজনক আৰু কাৰ্য্যকৰী ৰাজনৈতিক শিক্ষা প্ৰদানৰ কাম কৰি যাব লাগিব। সন্মুখীন হোৱা অসুবিধাবিলাকৰ কথা তেওঁলোকক জনোৱা উচিত আৰু কেনেকৈকৈনো এই অসুবিধা বিলাক দূৰ কৰিব পাৰি তাৰ বিষয়ে আলোচনা কৰা উচিত।

অশান্তিক আমি অনুমোদন জনাব নোৱাৰো, কাৰণ জনতাৰ মাজৰ দ্বন্দ্বসমূহক "ঐক্য, সমালোচনা, ঐক্য" সূত্ৰটোৰ অনুসৰি সমাধান কৰিব পৰা যায়। ইয়াকে নকৰিলে অশান্তিৰ ফলত ক্ষয়ক্ষতি হোৱাটো নিশ্চিত আৰু সমাজতন্ত্ৰৰ অগ্ৰগতিত বাধা আহি পৰিব। জনতাই সমাজতন্ত্ৰ সমৰ্থন কৰা, বিবেচক ভাবে নিয়মানুবৰ্ত্তিতা পালন কৰা, যুক্তিসংঙ্গত কাম কৰা, বিনা কাৰণে অশান্তি সৃষ্টি নকৰা, এই বিলাক আমি বিশ্বাস কৰো। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে আমাৰ দেশত অশান্তি হোৱাৰ সম্ভাৱনা নাই। এই প্ৰশ্নটোৰ সম্পৰ্কে নিম্নলিখিত কথাখিনি আমি কৰা উচিত ঃ

(১) অশান্তিৰ কাৰণসমূহৰ মূল উভালিবলৈ হলে, আমোলতন্ত্ৰক আমি নিঃশেষ কৰিব লাগিব, আদৰ্শগত আৰু ৰাজনৈতিক শিক্ষাৰ যথেষ্ট উন্নতি সাধিব লাগিব, আৰু সকলো দ্বন্দ্ব সঠিকভাবে সমাধান কৰিব লাগিব। এনে ব্যৱস্থা ললে কোনো অশান্তি আৰু হব নোৱাৰে।

(২) আমাৰ আসোঁৱাহ থকা কামৰ কাৰণে যদি অশান্তি সৃষ্টি হয় তেন্তে এনে আসোঁৱাহত লিপ্ত থকা সকলক আমি শুদ্ধ পথত পৰিচালনা কৰা উচিত। আমাৰ কাৰ্য্যৰ উন্নতি কৰাত, জনতাৰ শিক্ষা প্ৰদানত, আৰু আগতে উপেক্ষা কৰা প্ৰশ্নসমূহৰ



OKDISCD

সমাধান ক্ষেত্ৰত অশান্তি সমূহক আমি বিশেষ উপলক্ষ হিচাপে ব্যৱহাৰ কৰা উচিত। কোনো অশান্তি দূৰ কৰা কাৰ্য্য আমি ধৈৰ্য্যসহকাৰে কৰা উচিত আৰু অতি সহজ পদ্ধতি কেতিয়াক ব্যৱহাৰ কৰিব নেলাগিব, অথবা খৰ-ধৰ কৰি অশান্তি দূৰ হৈছে বুলি ঘোষণা কৰিব নেলাগিব। দণ্ডনীয়, অপৰাধ যিবিলাকে কৰিছে, বা যিবিলাক সক্ৰিয় প্ৰতিবিপ্লৱী আৰু যাৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা ল'ব লাগিব, এনেলোকৰ বাহিৰে, অশান্তিত লিপ্ত ঘাই পৰিচালক বিলাকক কামৰ পৰা সম্পূৰ্ণ বৰ্খাস্ত কৰা অনুচিত। আমাৰ দৰে এখন বিশাল দেশত জনতাৰ সৰু সৰু দলে যদি অশান্তি সৃষ্টি কৰে তেন্তে তাৰ পৰা ভয় খোৱাৰ কোনো কাৰণ নাই; বৰং এনে অশান্তিয়ে আমোলতন্ত্ৰ দূৰ কৰাত সহায়কে কৰিব।

সৰ্বসাধাৰণ স্বাৰ্থ উপেক্ষা কৰি আইন ভঙ্গ কৰা আৰু অপৰাধ কৰা জনতাৰ কিছুমান সৰু সৰু দল আমাৰ সমাজত আছে। তেওঁলোকে আমাৰ নীতিৰ সুযোগ ল'ব পাৰে আৰু ইয়াক বিকৃত কৰি দেখুৱাব পাৰে; জনতাক উত্তেজিত কৰিবৰ কাৰণে ইচ্ছাকৃত ভাৱে অযুক্তিকৰ দাবী তোলে; অথবা অশান্তি সৃষ্টিৰ কাৰণে আৰু সাৰ্বজনিক শৃংখলা ভঙ্গ কৰিবৰ কাৰণে ইচ্ছাকৃত-ভাবে অপবাদ প্ৰচাৰ কৰে। এনেলোকক নিজইচ্ছামতে কাম কৰিবলৈ আমি দিব নোৱাৰো। বৰং এওঁলোকৰ বিৰুদ্ধে উপযুক্ত আইনগত ব্যৱস্থা ল'ব লাগিব। এওঁলোকক শাস্তি দিয়াটো জনতাৰ দাবী আৰু এওঁলোকক শাস্তি নিদিলে জনতাৰ ইচ্ছাৰ বিৰুদ্ধে যোৱা হ'ব।

## ১০। বেয়া-বস্তুক ভালবস্তুত পৰিণত কৰিব পাৰিনে?

মই আগতে কৈছো যে, আমাৰ সমাজৰ কিছুমান লোকে অশান্তি সৃষ্টি কৰাটো বেয়া কাম; আৰু আমি এনে কামৰ অনুমোদন নজনাও। কিন্তু যেতিয়া অশান্তি হয়েই, ইয়াৰ পাৰ আমি শিক্ষা আহৰণ কৰাৰ চেষ্টা কৰো। এই শিক্ষাই আমোলাতন্ত্ৰ দূৰ কৰাত আৰু কৰ্মী আৰু জনতাক শিক্ষা প্ৰদান কৰাত আমাক সহায় কৰে। এই অৰ্থত বেয়া বস্তুক ভাল বস্তুত পৰিণত কৰিব পাৰি। এইদৰে অশান্তি বিলাকৰ এটা দ্বৈত চৰিত্ৰ আছে। প্ৰত্যেক অশান্তিকে একেৰূপত চাব পাৰি।

সকলোৰে জানে যে হাঙ্গেৰীৰ ঘটনাৱলী ভাল বস্তু নাছিল। কিন্তু এই-





বিলাকৰো এটা দ্বৈত চৰিত্ৰ আছে। আমাৰ হাঙ্গেৰীৰ কমৰেড সকলে ঘটনা-ৱলীৰ সময়ত যথোপযুক্ত ব্যৱস্থা লৈছিল কাৰণে, যিটো আগেয়ে বেয়া আছিল সি শেষত ভালত পৰিণত হ'ল। হাঙ্গেৰী ৰাষ্ট্ৰ এতিয়া আগতকৈ বেছি সুদৃঢ় ভিত্তিত প্ৰতিষ্ঠিত হৈছে; আৰু সমাজতান্ত্ৰিক শিবিৰৰ সকলো দেশেই শিক্ষা পাইছে।

একেধৰণে ১৯৫৬ চনৰ শেষাৰ্দ্ধত পৃথিৱীব্যাপী হোৱা কমিউনিজিম আৰু জনতা বিৰোধী প্ৰচাৰ নিশ্চয় বেয়া বস্তু আছিল। কিন্তু ই সকলোদেশৰ কমিউনিষ্ট পাৰ্টি আৰু শ্ৰমিক শ্ৰেণীক শিক্ষিত আৰু সুদৃঢ় কৰিছিল, আৰু এইদৰে ই ভালবস্তুত পৰিণত হৈছিল। এই অশান্ত সময়তেই অনেক দেশত কিছুসংখ্যক জনতাই কমিউনিষ্ট পাৰ্টি ত্যাগ কৰিছিল। পদত্যাগ কৰিলে পাৰ্টিৰ সভ্য সংখ্যা কমি যায়, আৰু ই নিশ্চয় এটা বেয়া লক্ষণ। কিন্তু ইয়াৰ এটা ভাল দিশো আছে। পাৰ্টিত থাকিবলৈ মন নকৰা দোদুল্যমান লোকবিলাকে পদত্যাগ কৰিছে, কিন্তু আচল পাৰ্টি সভ্যাৰ অধিকাংশই সংগ্ৰামৰ কাৰণে বেছি দৃঢ়তাৰে একত্ৰিত হৈছে। ই কি ভাল লক্ষণ নহয়?

সংক্ষেপত কবলৈ গলে, সমস্যাৰ সামগ্ৰিক দিশৰ প্ৰতি আমি লক্ষ্য ৰাখিব লাগিব। ভাল দিশৰ লগতে বেয়া দিশো চাব লাগিব। বিশেষ অৱস্থাত বেয়া বস্তুৰ পৰা ভাল ফল পোৱা যায় আৰু ভালবস্তুৰ পৰা বেয়া ফল পোৱা যায়। ২০০০ বছৰৰো পূৰ্বে লাও জুয়ে কৈছিল, "দুৰ্ভাগ্যত সৌভাগ্য আৰু সৌভাগ্যত দুৰ্ভাগ্য নিহিত থাকে।" যেতিয়া জাপানীয়ে চীনত পদাৰ্পন কৰিছিল, তেওঁলোকে ভাবিছিল তেওঁলোকৰ বিজয় লাভ হৈছিল। চীনৰ বিৰাট অঞ্চল তেওঁলোকে দখল কৰিছিল আৰু চীনাসকলে ইয়াক পৰাজয় বুলি লৈছিল। কিন্তু চীনৰ পৰাজয়ত বিজয়ৰ বীজ আৰু আনহাতে জাপানৰ বিজয়ত পৰাজয়ৰ বীজ সঞ্চিত আছিল। ইতিহাসে জানো ইয়াক প্ৰমাণ কৰা নাই?

সমগ্ৰ পৃথিৱীতে মানুহে আলোচনা কৰিছে তৃতীয় বিশ্বযুদ্ধ হবনে নহয়। এই প্ৰশ্নৰ সম্বন্ধে আমি মানসিক ভাৱে সাজু হৈ থাকিব লাগিব আৰু কিছু বিশ্লেষণ কৰিব লাগিব। আমি শান্তি বিচাৰো আৰু যুদ্ধৰ বিৰোধিতা কৰো। কিন্তু যদি সাম্ৰাজ্যবাদী সকলে আৰু এখন যুদ্ধৰ অৱতাৰণা কৰিব খোজে তেন্তে আমি ভীত হ'ব নেলাগিব। আন অশান্তিৰ সম্পৰ্কে আমাৰ যি



OKDISCD

ধাৰণা এই প্ৰশ্নৰ ক্ষেত্ৰতো একে ধাৰণা। প্ৰথমতে, আমি ইয়াৰ বিৰোধী; দ্বিতীয়তে, আমি ভীত নহওঁ। প্ৰথম বিশ্বযুদ্ধৰ পাচত ২০০ নিযুত জনসংখ্যাৰে সৈতে চোভিয়েট ইউনিয়নৰ জন্ম হৈছিল। যদি সাম্ৰাজ্যবাদী সকলে তৃতীয় এখন বিশ্বযুদ্ধ বিচাৰে, তেন্তে নিশ্চিতভাৱে আৰু কেইবাশ নিযুত লোক সমাজ-তন্ত্ৰৰ ফালে ঢাল ল'ব। তেতিয়া সাম্ৰাজ্যবাদী সকলৰ কাৰণে পৃথিৱীত বেছি স্থানেই নেথাকিব। এইটোও হ'ব পাৰে যে সাম্ৰাজ্যবাদৰ সমগ্ৰ সৌধেই ভাঙি পৰিব।

বিশেষ অৱস্থাত, সংগ্ৰামৰ ফলত দ্বন্দ্বৰ এটা বিপৰীত দিশ আনটো বিপৰীত দিশলৈ পৰিবৰ্তন হয়। এই অনুকূল অৱস্থাৰ একান্তই আৱশ্যক। বিশেষ অৱস্থা নেথাকিলে বিৰোধী দিশদুটাৰ কোনোটোৱেই পৰস্পৰলৈ পৰিবৰ্ত্তিত হ'ব নোৱাৰে। পৃথিৱীৰ সকলো শ্ৰেণীৰ ভিতৰত নিজ অৱস্থাৰ পৰিবৰ্তনৰ কাৰণে সৰ্বহাৰা শ্ৰেণীটোৱেই আটাইতকৈ বেছি আগ্ৰহ দেখুৱায়, আৰু ইয়াৰ পিচতে অৰ্দ্ধ-সৰ্বহাৰা শ্ৰেণীটো আগ্ৰহশীল কাৰণ, সৰ্বহাৰা একেবাৰে যোত্ৰহীন, আন-হাতে অৰ্ধ সৰ্বহাৰাৰ অৱস্থা কিঞ্চিৎ পৰিমানে ভাল। বৰ্ত্তমান যি অৱস্থাত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰসংঘত সংখ্যা গৰিষ্ঠতা আছে আৰু পৃথিৱীৰ অনেক অংশত আধিপত্য চলাইছে, সেই অৱস্থা অস্থায়ী মাত্ৰ। অৱশেষত ই পৰিবৰ্ত্তিত হ'ব। আন্তৰ্জাতিক ক্ষেত্ৰৰ অধিকাৰৰ পৰা বঞ্চিত হোৱা দুখীয়া চীনৰ বৰ্ত্তমান অৱস্থাৰ পৰিবৰ্তন হ'ব। দুখীয়া দেশ চহকী দেশলৈ ৰূপান্তৰিত হ'ব; অধিকাৰৰ পৰা বঞ্চিত হৈ থকা দেশে অধিকাৰ পাব; এই ধৰণেই বস্তুৱে ইহঁতৰ বিৰোধী ৰূপ ধাৰণ কৰে। এই ক্ষেত্ৰত সমাজতান্ত্ৰিক ব্যৱস্থা আৰু ঐক্যবদ্ধ জনতাৰ সংহত প্ৰচেষ্টাই ৰূপান্তৰৰ চূড়ান্ত অনুকূল অৱস্থা।

## ১১। মিতব্যয়ৰ অভ্যাসৰ সম্পৰ্কে।

মিতব্যয়' অভ্যাস কৰাৰ সম্পৰ্কে মই সংক্ষেপে ক'ব খুজিছো। ব্যাপক ভাবে সংগঠন কাৰ্য্য কৰি যোৱাটো আমি বিচাৰো; কিন্তু আমাৰ দেশ এতিয়াও দুখীয়া হৈ আছে। ইয়াতেই দ্বন্দ্বৰ বৰ্ত্তমান। প্ৰত্যেক ক্ষেত্ৰতে কঠোৰ মিতব্যয়ৰ চেষ্টা নেৰানেপেৰা ভাবে কৰি যোৱাটোৱেই এই দ্বন্দ্ব সমাধানৰ এটা উপায়।

১৯৫২ চনত 'চানফান' আন্দোলনৰ সময়ত, আমি দুৰ্নীতি, অপব্যয় আৰু





আমোলাতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিলোঁ। দুৰ্নীতৰ বিৰুদ্ধে কৰা সংগ্ৰামত বেছি জোৰ দিয়া হৈছিল। ১৯৫৫ চনত বিৰাট সাফল্যৰে আমি মিতব্যয়ৰ অভ্যাস কৰিছিলো। মূলধন গঠনৰ আন অকাৰ্য্যকৰী পৰিকল্পনা সমূহৰ অপ্ৰয়োজনীয় উচ্চ মানৰ বিৰুদ্ধে কৰা সংগ্ৰাম আৰু শিল্পোৎপাদনত আৱশ্যকীয় কেঁচা মালৰ ব্যৱহাৰত মিতব্যয় সাধনৰ ওপৰত আমি জোৰ দিছিলো। কিন্তু সেই সময়ত জাতীয় অৰ্থনীতিৰ সকলো বিভাগত, অথবা চৰকাৰী কাৰ্য্যালয় বিলাকত, সৈন্য বিভাগৰ গোটবিলাকত, স্কুলত আৰু জনতাৰ সংগঠন বিলাকৰ পৰিচালিকা নীতি হিচাবে মিতব্যয়ৰ কাম আগ্ৰহেৰে হোৱা নাছিল। সমগ্ৰ দেশৰ যাতে অপব্যয় বন্ধ হয় আৰু ব্যয় হ্ৰাস কৰা হয়, তাৰ কাৰণে আমি এই বছৰ আহ্বান জনাইছো। আমাৰ গঠন কাৰ্য্যৰ অভিজ্ঞতা এতিয়াও কম। যোৱা কেইবছৰমানত আমাৰ বিপুল সাফল্য হৈছে, কিন্তু অপচয়ো হৈছে। শিল্পৰ ভিত্তি হিচাপে আমি কিছুমান বৃহৎ আয়তনৰ আধুনিক শিল্প সন্থা ক্ৰমান্বয়ে গঢ়ি তুলিব লাগিব। এনে নকৰিলে আগত দশক কেইটাৰ ভিতৰত আমাৰ দেশক আধুনিক শিল্প শক্তিৰ দেশত আমি পৰিণত কৰি নোৱাৰিম। কিন্তু অধিকাংশ শিল্প সাক এনে আয়তনত গঢ়ি তোলা উচিত নহয়; আমি অধিক ক্ষুদ্ৰ আৰু মধ্যমীয়া শিল্প সংস্থাহে গঢ়ি তোলা উচিত; আৰু পুৰণা সমাজে এৰি যোৱা শিল্প ভিত্তিৰ পূৰ্ণ ব্যৱহাৰ কৰা উচিত। ফলত ব্যয় হ্ৰাস যথেষ্ট হ'ব আৰু অলপ ধনেৰে বেচি কাম কৰা যাব। ১৯৫৬ চনৰ নৱেম্বৰত বহা চীনৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ দ্বিতীয় পূৰ্ণ অধিবেশনত আগতকৈ বেছি কঠোৰ মিতব্যয়ী হোৱা আৰু অপচয় হ্ৰাস কৰা নীতি অৱলম্বন কৰিবৰ পৰা কেইমাহমানৰ ভিতৰতে সুফল দেখা গৈছে। মিতব্যয়ৰ এই অভিযান নিখুঁত আৰু ধাৰাবাহিক ৰূপে চলাই যাব লাগিব। ভুল বা খুঁতৰ সমালোচনাৰ দৰে অপচয়ৰ বিৰুদ্ধে কৰা সংগ্ৰামক মুখ পৰিষ্কাৰ কৰা কাৰ্য্যৰ লগত তুলনা কৰিব পাৰি। মানুহে জানো সদায় তেওঁলোকৰ মুখ পৰিষ্কাৰ নকৰে? চীন কমিউনিষ্ট পাৰ্টি, গণতান্ত্ৰিক পাৰ্টিসমূহ, কোনো পাৰ্টিত ভুক্তভোগী নোহোৱা গণতান্ত্ৰিকলোক, বুদ্ধিজীৱী, শিল্পপতি, ব্যৱসায়ী, শ্ৰমিক, কৃষক আৰু হস্ত-শিল্পী, সংক্ষেপত আমাৰ দেশৰ ৬০০ নিযুত সমগ্ৰ জনতাই অধিক উৎপাদন আৰু মিতব্যয়ৰ কাৰণে চেষ্টা কৰিব লাগিব, আৰু ব্যয়বাহুল্য আৰু অপচয়ৰ



OKDISCD

বিৰুদ্ধে সংগ্ৰাম কৰিব লাগিব। কেৱল অৰ্থনৈতিক দিশৰ পৰাই নহয়, ৰাজনৈতিক দিশৰ পৰাও এই কামৰ গুৰুত্ব অতিশয় বেছি। কিছুদিনৰ পৰা আমাৰ কৰ্মচাৰীবিলাকৰ মাজত এটা বিপজ্জনক মনোভাব দেখা গৈছে। এই মনোভাৱ হৈছে জনতাৰ সুখ-দুখৰ ভাগ লোৱাৰ প্ৰতি অনিচ্ছা, আৰু ব্যক্তিগত লাভ আৰু প্ৰতিষ্ঠাৰ প্ৰতি আগ্ৰহ। ই অতি বেয়া কথা। এই বিপজ্জনক মনোভাৱ দূৰ কৰাৰ এটা উপায় হৈছে উৎপাদন বৃদ্ধি আৰু মিতব্যয়ৰ অভ্যাসৰ অভিযান চলোৱাৰ লগতে আমাৰ সংগঠন বিলাক সহজ ৰূপত নিৰ্মাণ কৰা, আৰু কৰ্মী বিলাকক নিম্ন স্তৰলৈ বদলি কৰি দিয়া, যাতে গৰিষ্ঠ সংখ্যক কৰ্মীয়ে উৎপাদনশীল কামলৈ ঘূৰি যাব পাৰে। আমি লক্ষ্য ৰাখিব লাগিব যাতে আমাৰ দেশ বিৰাট এখন সমাজতান্ত্ৰিক দেশ হলেও যে অৰ্থনৈতিক ফালৰ পৰা পাছপৰা আৰু ই যে এটা অতি বৃহৎ দ্বন্দ্ব এই বুলি যেন আমাৰ সমগ্ৰ কৰ্মী আৰু জনতাই মনত ৰাখে। যদি আমি চীনক চহকী আৰু শক্তিশালী কৰিব খোজো, তেন্তে কেইদশকমান ধৰি ভীষণ চেষ্টা চলাব লাগিব। অন্য বিষয়ৰ বাদেও, কঠোৰ মিতব্যয়ী হোৱাৰ আৰু অপচয় বন্ধ কৰাৰ চেষ্টা, অৰ্থাৎ কঠোৰ পৰিশ্ৰম আৰু মিতব্যয়ৰ যোগেদি আমাৰ দেশক গঢ়ি তোলাৰ নীতিকে এই ভীষণ চেষ্টাই বুজাইছে।

## ১২। উদ্যোগীকৰণত চীনৰ পথ।

উদ্যোগীকৰণত চীনৰ পথৰ কথা আলোচনা কৰোতে প্ৰধানতঃ মই ক'ব খুজিছো যে গুৰু শিল্প, লঘু শিল্প আৰু কৃষিৰ বিকাশৰ মাজত থকা সম্বন্ধৰ সম্পৰ্কে চীনৰ অৰ্থনৈতিক নিৰ্মাণত গুৰু শিল্প মৰ্মস্থান বুলি স্বীকাৰ কৰিব লাগিব। কিন্তু লগতে কৃষি আৰু লঘুশিল্পৰ বিকাশৰ প্ৰতিও পূৰ্ণ মনোযোগ দিব লাগিব। চীন এখন বিৰাট কৃষিপ্ৰধান দেশ, ইয়াৰ শতকৰা ৮০ ভাগ লোক গাওঁবাসী। সেয়ে কৃষি আৰু শিল্প দুয়োটা একেলগে গঢ়ি উঠিব লাগিব। এনে হলেহে শিল্পৰ কাৰণে কেঁচামাল আৰু বজাৰ পোৱা যাব, আৰু শক্তিশালী গুৰুশিল্প গঢ়ি তুলিবলৈ আৱশ্যক হোৱা যথেষ্ট পৰিমাণৰ অৰ্থ সঞ্চয় সম্ভৱ হ'ব। কৃষিৰ লগত লঘু শিল্পৰ ঘনিষ্ঠ সম্বন্ধ থকা কথাটো সকলোৱে জানে। কৃষি নহলে কোনো লঘু শিল্প গঢ়ি উঠিব নোৱাৰে। কিন্তু কৃষিয়ে যে গুৰুশিল্পৰ





কাৰণে এখন প্ৰয়োজনীয় বজাৰ সৃষ্টি কৰে এই কথাটো এতিয়াও ভালদৰে বুজা নাই। এই সত্যটো অৱশ্যে সোনকালে বুজি উঠিব যেতিয়া ক্ৰমশ প্ৰযুক্তি-বিদ্যাৰ বিকাশৰ কাৰণে আৰু কৃষিৰ আধুনিক কৰণৰ অগ্ৰগতিৰ কাৰণে বৰ্দ্ধিত পৰিমাণৰ যন্ত্ৰ, সাৰ, জল সংৰক্ষণ, বিদ্যুৎ উপাদান কাৰখানাৰ প্ৰয়োজন হৈ আহিব আৰু কৃষিকামৰ কাৰণে যানবাহনৰ সুবিধা আৰু গ্ৰামবাসী সকলৰ ইন্ধন আৰু বাস নিৰ্মাণৰ বয়বস্তুৰ দৰকাৰ হৈ পৰিব। দ্বিতীয় আৰু তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত সমগ্ৰ জাতীয় অৰ্থনীতিয়েই উপকৃত হব যদিহে আমি আমাৰ কৃষিৰ আৰু উন্নতি সাধো আৰু এইদৰে লঘু শিল্পৰ অনুৰূপ বৰ্দ্ধিত বিকাশত সহায় কৰোঁ। কৃষি আৰু লঘু শিল্প বিকাশৰ লগে লগে, শিল্পয়ো বজাৰ আৰু পুঁজিৰ নিশ্চয়তাৰে সৈতে দ্ৰুত গতিৰে আগ বাঢ়িব। সেয়ে উদ্যোগীকৰণৰ গতি মন্থৰ যেন লাগিলেও প্ৰকৃততে মন্থৰ নহব, বৰং দ্ৰুত গতিৰহে হব। তিনিটা পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বা সম্ভৱ কিছু বেছি সময়ৰ ভিতৰত, ১৯৪৩ চনত হোৱা প্ৰাক্ স্বাধীনতাৰ সৰ্বাধিক উৎপাদন ৯লাখ টনৰ পৰা বাঢ়ি চীনৰ বাৰ্ষিক লো উৎপাদন হবগৈ ২০ নিযুত টন। গাওঁ, নগৰ সকলোতে ই জনতাক আনন্দিত কৰি তুলিব।

আজি মই অৰ্থনৈতিক প্ৰশ্নৰ আলোচনা কৰিব নোখোজো। অৰ্থনৈতিক নিৰ্মাণ কাৰ্য্য হোৱা মাত্ৰ ৭ বছৰহে হৈছে। আমাৰ অভিজ্ঞতাৰ এতিয়াও যথেষ্ট অভাব, আৰু অধিক অভিজ্ঞতা সঞ্চয় কৰাৰ দৰকাৰ হৈ পৰিছে। আৰম্ভণিত আমাৰ বিপ্লৱৰ সম্পৰ্কে মুঠেই অভিজ্ঞতা নাছিল, আৰু আমি অনেক ঘাত প্ৰতিঘাতৰ মাজেদি অভিজ্ঞতা লাভ কৰাৰ পাচতহে দেশজোৰা জয় লাভ কৰিছিলো। আমাৰ এতিয়া কৰ্ত্তব্য হৈছে যাতে বিপ্লৱৰ কামত অভিজ্ঞতা লাভ কৰোতে আমাৰ যিমান সময় লাগিছিল তাতকৈ কম সময়ত অৰ্থনৈতিক নিৰ্মাণ কাৰ্য্যৰ অভিজ্ঞতা লাভ কৰিব পাৰো, আৰু ইয়াৰ কাৰণে ইমান অধিক মূল্য দিবলৈ সাজু হব নেলাগিব। কিছুমূল্য আমি দিবই লাগিব, কিন্তু আমি আশা কৰো যাতে ই বিপ্লৱৰ সময়ত দিব লগীয়া অধিক মূল্যৰ সমান নহব। এই ক্ষেত্ৰত যে এটা দ্বন্দ্ব আছে তাক আমি বুজিব লাগিব। এখন সমাজতান্ত্ৰিক দেশৰ অৰ্থনৈতিক বিকাশৰ বাস্তৱ নিয়ম আৰু আমাৰ এই সম্পৰ্কে আত্মনিষ্ঠ বোধৰ মাজত দ্বন্দ্ব ৰৈছে। এই দ্বন্দ্বৰ



OKDISCD

সমাধান আমি কৰিব লাগিব। এই দ্বন্দ্বই বিভিন্ন লোকৰ মাজতো আন এক দ্বন্দ্ব হিচাপে দেখা দিয়ে; অৰ্থাৎ এই বাস্তৱ নিয়মসমূহৰ আপেক্ষিক ভাৱে শুদ্ধ বোধ থকা লোক আৰু এইবিলাকৰ আপেক্ষিক ভাৱে ভুল বোধ থকা লোকৰ মাজত এই দ্বন্দ্বই প্ৰকাশ পায়। জনতাৰ ইও এটা দ্বন্দ্ব। প্ৰত্যেক দ্বন্দ্বই এটা বস্তুনিষ্ঠ সত্য, ইয়াক সাধ্যানুসাৰে বুজা আৰু সমাধান কৰাই হৈছে আমাৰ দায়িত্ব।

আমাৰ দেশক শিল্প শক্তিৰ দেশত পৰিণত কৰিব খুজিলে, সোভিয়েত ইউনিয়নৰ উন্নত অভিজ্ঞতাৰ পৰা সজ্ঞান ভাবে আমি শিক্ষা লাভ কৰিব লাগিব। সোভিয়েত ইউনিয়নে ৪০ বছৰ ধৰি সমাজতন্ত্ৰ গঢ়ি তুলিছে, আৰু এওঁলোকৰ অভিজ্ঞতা আমাৰ কাৰণে অতি মূল্যবান। ভাবকচোন ঃ আমাৰ কাৰণে কোনে ইমান বিলাক লাগতীয়াল কাৰখানাৰ পৰিকল্পনা কৰিছিল আৰু সুসজ্জিত কৰিছিল? মাৰ্কিন যুক্তৰাষ্ট্ৰই কৰিছিল নেকি? নে বৃটেইনে? নহয় এওঁলোকৰ কোনোৱে নহয়। কেৱল সোভিয়েত ইউনিয়নেহে কৰিছিল, কাৰণ সোভিয়েত ইউনিয়ন এখন সমাজতান্ত্ৰিক দেশ আৰু আমাৰ বন্ধু। সোভিয়েত ইউনিয়নৰ বাহিৰে, পূৰ্ব ইউৰোপৰ কেইখনমান বন্ধুদেশেও আমাক কিছু সাহায্য দিছে। এইটো কথা সম্পূৰ্ণ সত্য যে সমাজতান্ত্ৰিক বা পুঁজিবাদী সকলো দেশৰ ভাল অভিজ্ঞতাৰ পৰা আমি শিক্ষা লাভ কৰা উচিত আৰু ই বিতৰ্কমূলক কথা নহয়। কিন্তু প্ৰধান কথা হৈছে সোভিয়েত ইউনিয়নৰ পৰা এতিয়াও শিকি থাকিব লাগিব। আজি কালি, আনৰ পৰা শিক্ষা লোৱাৰ প্ৰতি দুটা মনোভাৱৰ সৃষ্টি হৈছে। এটা হৈছে, আমাৰ দেশৰ উপযোগী হোৱা নোহোৱা নেভাবি প্ৰত্যেক বস্তুকে প্ৰতিষ্ঠা কৰিবলৈ বিচৰা মতান্ধৰ ভাব। ই মুঠেই ভাল নহয়। অন্যটো মনোভাব হৈছে ভালদৰে বুজি আমাৰ দেশৰ বাবে উপযোগী হোৱা খিনিক শিকি লোৱা, অৰ্থাৎ যি অভিজ্ঞতাই আমাৰ কাৰণে লাগতীয়াল তাকে আয়ত্ব কৰা। এনে মনোভাৱেই আমি গ্ৰহণ কৰা উচিত।

সোভিয়েত ইউনিয়নৰ লগত আমাৰ সংহতি অধিক দৃঢ় কৰা, সকলো সমাজতান্ত্ৰিক দেশৰ লগত আমাৰ সংহতি দৃঢ় কৰা এইটোৱেই হৈছে আমাৰ মৌলিক নীতি, ইয়াতেই আমাৰ মৌলিক স্বাৰ্থ নিহিত আছে। ইয়াৰ





পিচত এচিয়া আৰু আফ্ৰিকাৰ দেশ সমূহ আৰু সকলো শান্তিকামী দেশ আৰু জনতা আছে। আমি এওঁলোকৰ লগতো আমাৰ সংহতি দৃঢ় আৰু বৃদ্ধি কৰিব লাগিব। এই দুই শক্তিৰ লগত মিলিত হব পাৰিলে আমি অকলে থাকিব নেলাগিব। সাম্ৰাজ্যবাদী দেশৰ সম্পৰ্কে কবলৈ গলেও, আমি এই দেশবিলাকৰ জনতাৰ লগত মিলিত হোৱা উচিত আৰু দেশবিলাকৰ লগত শান্তিপূৰ্ণ সহ-অৱস্থান কৰাৰ চেষ্টা কৰা উচিত। এই দেশ বিলাকৰ লগত আমি ব্যৱসায় কৰা উচিত আৰু সম্ভাব্য যুদ্ধক বাধা দিয়া উচিত, কিন্তু যিকোনো পৰিস্থিতিতেই এই দেশ বিলাকৰ সম্পৰ্কে আমি অবাস্তৱ ধাৰণা পোষণ কৰিব নেলাগিব।

—×—


## গণ পুথি ঘৰ

মাৰ্ক্সবাদী সাহিত্য পুথি পত্ৰৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান

যোগাযোগ কৰক

মেনেজাৰ

গণ পুথি ঘৰ

চন্দ্ৰকুমাৰ ৰোদ—পানবজাৰ

গুৱাহাটী




OKDISCD

# মানৱ সমাজৰ অগ্ৰগতি আৰু সমাজ বিপ্লৱ

## ( ২য় খণ্ড )

উমা শৰ্ম্মা

( আগৰ সংখ্যাৰ পিছৰ পৰা )

### (৬) পুঁজিবাদী সমাজ ব্যৱস্থাৰ অন্তৰ্দ্বন্দ্ব আৰু বৈজ্ঞানিক সমাজতন্ত্ৰবাদৰ তত্ত্ব

সামন্তবাদী সমাজ ব্যৱস্থাত উৎপাদিকা শক্তি সমূহৰ বিকাশ যথেষ্ট পৰিমাণে হোৱাৰ পিছত সামন্তবাদী উৎপাদন সম্পৰ্ক সমূহ অচল হৈ পৰিছিল আৰু সেই বোৰেই উৎপাদিকা শক্তিসমূহৰ বিকাশৰ পথত হেঙাৰ হৈ পৰিছিল। সামন্তবাদী ব্যৱস্থাৰ ভিতৰতে বিজ্ঞানৰ যথেষ্ট অগ্ৰগতি হয়, বিবিধ যন্ত্ৰপাতিৰ আবিষ্কাৰ হয়। গোটেই পৃথিবীত ইখন দেশৰ লগত সিখন দেশৰ বেহা-বেপাৰৰ পৰিমাণ বাঢ়ে, মজুৰ খটুৱাই পণ্য উৎপাদন কৰা কাৰখানা আদি গঢ়ি উঠে। পুঁজিবাদী পদ্ধতিত উৎপাদনৰ ভেটি স্থাপন হয়। বেহা-বেপাৰৰ প্ৰসাৰণ, মুদ্ৰাৰ ব্যপক প্ৰচলন আদিয়ে কাৰখানা সমূহত উৎপাদিত পণ্যৰ চাহিদা বৃদ্ধি কৰে, কাৰখানাবোৰ বৃদ্ধি কৰাৰ, সম্প্ৰসাৰণ কৰাৰ আৰু উন্নত কৰাৰ বাস্তৱ অৱস্থাবোৰ আহি পৰে কিন্তু সামন্তবাদী সমাজ সম্পৰ্ক সমূহে তাত নানা ধৰণে বাধাৰ সৃষ্টি কৰে। উৎপাদিকাশক্তি আৰু উৎপাদন সম্পৰ্ক সমূহৰ মাজত ঘটা এই বিসঙ্গতিয়ে সামন্তবাদী সমাজত জাউৰিয়ে জাউৰিয়ে সমস্যাৰ সৃষ্টিকৰে আৰু অৱশেষত এটাৰ পিছত এটাকৈ ঘটা বিভিন্ন দেশৰ সমাজ বিপ্লৱবোৰ ( যিবোৰক বুৰ্জুৱা গণতান্ত্ৰিক বিপ্লৱ কোৱা হয় ) সামন্তবাদী সমাজৰ উৎপাদন সম্পৰ্ক সমূহ ভাঙি চিঙি চুৰমাৰ কৰি দি পুঁজিবাদী উৎপাদন সম্পৰ্ক গঢ়ি তোলে। সমাজ ব্যৱস্থাত পুঁজিবাদী সমাজৰ সকলো নিয়ন্ত্ৰণ আৰু ৰাষ্ট্ৰক্ষমতা বুৰ্জুৱা শ্ৰেণীৰ হাতত পৰিল। বুৰ্জুৱা শ্ৰেণী হ'ল সমাজৰ সৰ্ব্বাধিক প্ৰতিপত্তিশীল শ্ৰেণী, আৰু তাৰ লগে লগেই জন্ম হ'ল আৰু পুঁজিবাদৰ লগে লগে ই কঢ়িয়াব ধৰিলে শিল্পমজুৰ বা সৰ্ব্বহাৰা শ্ৰেণী। সামন্তবাদৰ পৰা

পুঁজিবাদৰ উত্তৰণ আৰু বুৰ্জুৱা শ্ৰেণীৰ ক্ষমতাত আৰোহনৰ প্ৰসঙ্গত কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেদ্ৰিক এঙ্গেলছে এইদৰে উল্লেখ কৰিছিল।

"তাৰ পিছত আমি দেখো যে উৎপাদন আৰু বিনিময়ৰ যিবোৰ হাতিয়াৰক অৱলম্বন কৰি বুৰ্জুৱা শ্ৰেণী গঢ়ি উঠিছে সেইবোৰৰ সামন্তবাদী সমাজৰ গৰ্ভতে জন্ম হৈছিল। সামন্তবাদী সমাজত উৎপাদন আৰু বিনিময়ৰ কাৰণে ব্যৱহাৰ কৰি থকা হাতিয়াৰ বোৰেই অৰ্থাৎ সামন্তবাদী কৃষি পদ্ধতি আৰু শিল্প-উৎপাদন পদ্ধতিয়েই বিকাশ লাভ কৰি এনে এটা অৱস্থাত আহি পৰে য'ত সামন্তবাদী সম্পত্তি সম্পৰ্ক সমূহ খাপ নোখোৱা হৈ পৰিল বৰং বিকশিত উৎপাদিকা শক্তিবোৰৰ বিকাশৰ পথত এইবোৰে অসংখ্য বাধাৰ সৃষ্টি কৰিব ধৰিলে। এইবোৰক চূৰমাৰ কৰি দিয়াৰ প্ৰয়োজন হৈ পৰিল আৰু এইবোৰক চূৰমাৰ কৰি দিলে।

এইবোৰৰ ঠাইত আহি পৰিল মুক্ত প্ৰতিযোগিতা, আৰু মুক্ত প্ৰতিযোগিতাৰ লগত খাপখোৱা ধৰণৰ সামাজিক আৰু ৰাজনৈতিক বিধি বিধান। তাৰ লগে লগে বুৰ্জুৱা শ্ৰেণীৰ সামাজিক আৰু ৰাজনৈতিক প্ৰতিষ্ঠাও আহি গ'ল।" (কমিউনিষ্ট মেনিফেষ্টো—মাৰ্ক্স আৰু এঞ্জেলছ '১৮৪৮')

পুঁজিবাদী ব্যৱস্থাৰ বিশেষ চৰিত্ৰ হ'ল তাৰ সকলো উৎপাদনেই বজাৰত বিক্ৰিৰ উদ্দেশ্যে উৎপাদিত হয়। আগৰ সমাজ ব্যৱস্থাবোৰত বেহাবেপাৰে প্ৰসাৰণ লাভ কৰাৰ লগে লগে বজাৰত বিক্ৰীৰ উদ্দেশ্যে কৰা অতিৰিক্ত উৎপাদনৰ মাত্ৰাও বাঢ়ি আহিছিল। কিন্তু সকলো মানুহে সকলো বস্তুকে বিক্ৰীৰ কাৰণেই উৎপাদন কৰা নাছিল। ভোগৰ উদ্দেশ্যেই মূলতঃ উৎপাদন কৰিছিল, আৰু নিজে ভোগ কৰাৰ পিছত উদ্বৃত্ত বস্তু খিনি বজাৰত অন্য ভোগ্য বস্তুৰ লগত বিনিময় কৰিছিল। মানৱ সমাজৰ অগ্ৰগতিত, বেহবেপাৰ বঢ়াৰ লগে লগে, মুদ্ৰাৰ প্ৰচলন বঢ়াৰ লগে লগে, পণ্য উৎপাদনৰ মাত্ৰা বাঢ়ি যায়। মজুৰ নিয়োগ কৰি পণ্য উৎপাদন কৰা পদ্ধতিও ক্ৰমে ক্ৰমে বাঢ়ি আহে। পুঁজিবাদী স্তৰত গৈ মানৱ সমাজৰ উৎপাদন ব্যৱস্থাই সম্পূৰ্ণ ভাৱে পণ্য উৎপাদনৰ ৰূপ লয়। পুঁজিবাদী ব্যৱস্থাৰ সকলো দিশ এই প্ৰবন্ধৰ আলোচ্য বিষয়বস্তু নহয়। কিন্তু সম্পূৰ্ণ পণ্য উৎপাদনৰ ব্যৱস্থাই পুঁজিবাদী সমাজত যি জটিলতা আনি দিলে সেই খিনি থুল-মূল ভাৱে উল্লেখ





কৰিব লাগিব। পুঁজিবাদী পদ্ধতিৰ উৎপাদন ব্যৱস্থাত উৎপাদিত পণ্য সমূহ বজাৰত বিক্ৰী হব লাগিব, তাৰ বিনিময়ত পোৱা মুদ্ৰাৰে কাৰখানাৰ মজুৰ সকলক মজুৰী দিব লাগিব, পুনৰ উৎপাদনৰ কাৰণে কেঁচামাল কিনিব লাগিব। কলকাৰখানা আদিৰ মেৰামতি আৰু সম্প্ৰসাৰণ কৰিব লাগিব। কিন্তু উৎপাদন কৰিব লাগিব, অৰ্থাৎ উৎপাদন বৃদ্ধি কৰিবও লাগিব আৰু পুঁজিৰ বৃদ্ধিও কৰিব লাগিব। কিন্তু উৎপাদিত পণ্য সমূহ যদি বজাৰত বিক্ৰী নহয় তেন্তে সেইবোৰ মানৱ সমাজৰ কোনো ব্যৱহাৰতেই নাহিব। আৰু সমাজৰ সমগ্ৰ উৎপাদন ব্যৱস্থাই অচল হৈ যাব। উৎপাদিকা শক্তি সমূহৰ বিকাশৰ পথ সুগম কৰি ৰাখিবলৈ হলে, পুঁজিবাদী ব্যৱস্থাত উৎপাদিত পণ্য সমূহ যাতে বজাৰত বিক্ৰী হয়, অৰ্থাৎ মানৱ সমাজৰ বিভিন্ন মানুহৰ যাতে সেই বোৰ পণ্যৰ প্ৰয়োজন থাকে আৰু সেইবোৰ কিনিব পৰাৰ জোখাৰে মানুহৰ হাতলৈ মুদ্ৰা অহাৰ পথ থাকে; তাৰ নিশ্চয়তা সমাজ ব্যৱস্থাত থাকিব লাগিব। কিন্তু পুঁজিবাদৰ বিকাশৰ সাধাৰণ নিয়ম হ'ল যিমানেই শিল্পৰ উন্নতি হয় সিমানেই মজুৰৰ সংখ্যা বাঢ়ে, সিমানেই ক্ষুদ্ৰ ক্ষুদ্ৰ উৎপাদন কৰাবোৰ নোহোৱা হৈ যায়। কলকাৰখানা বোৰত কাম কৰাৰ বাহিৰে সমাজৰ অধিক সংখ্যক মানুহৰ কাম কৰাৰ অন্য পথ নোহোৱা হয়। পুঁজিপতি সকলৰ কাৰখানা বোৰত মজুৰি লৈ কাম কৰাৰ কাৰণে মানুহৰ প্ৰতিদ্বন্দ্বিতা হয়, বহুত মানুহ কৰ্মহীন হৈ পৰে, পুঁজিপতি সকলে মজুৰ সকলক যি মজুৰি দিব বিচাৰে সেই মজুৰিতে কাম কৰিবলৈ মজুৰ সকল বাধ্য হৈ পৰে। ইপিনে মজুৰৰ প্ৰাপ্য মজুৰিতকৈ কম মজুৰি দিলেই পুঁজিপতি সকলৰ মুনাফা বাঢ়ে। মজুৰ শ্ৰেণীটোৱে উৎপাদন ব্যৱস্থাত নিজৰ প্ৰাপ্য অংশৰ পৰা ক্ৰমবৰ্দ্ধমান ভাৱে বঞ্চিত হব ধৰে। এই প্ৰক্ৰিয়াই আন এটা অৱস্থাৰ সৃষ্টি কৰে। য'ত পুজিবাদী ব্যৱস্থাৰে কাৰখানা সমূহত উৎপাদিত বস্তুবোৰ কিনিবলৈ সমাজৰ মানুহৰ হাতত প্ৰয়োজন অনুপাতে ধন কমি যায় আৰু মানুহৰ হাতত ধনৰ অভাৱৰ কাৰণেই পণ্য সমূহ বজাৰত বিক্ৰী নোহোৱা হয়। উৎপাদিত পণ্য সমূহ বজাৰত বিক্ৰী নোহোৱাৰ মানেই হ'ল সমগ্ৰ উৎপাদন ব্যৱস্থাত সঙ্কট আৰম্ভ হোৱা। পুঁজিপতি বিলাকে নানা কৌশলেৰে মজুৰৰ মজুৰি হ্ৰাস কৰাত লাগে, সৰু সৰু কাৰখানা বোৰ বন্ধ হৈ যায়। এই প্ৰক্ৰিয়াৰ ফলত



OKDISCD

সমাজত মানুহৰ হাতত আৰু ধন কমে। আৰু পণ্যৰ বিক্ৰী কমিব ধৰে। আৰু অবশেষত গৈ সমস্ত উৎপাদন ব্যৱসায়েই অচল হৈ পৰে। এয়ে হ'ল পুঁজিবাদৰ সঙ্কট। পুঁজিবাদী ব্যৱস্থা প্ৰচলিত হোৱাৰ মাত্ৰ কেইবছৰমানৰ ভিতৰতে এই সঙ্কট বিভিন্ন পুজিবাদী দেশত কেইবছৰমানৰ অন্তৰে অন্তৰে ঘটিব ধৰে। এই সঙ্কট আৰম্ভ হলেই পণ্যৰ বজাৰৰ কাৰণে পুজিপতি সকলৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হয়। সৰু সৰুবোৰ ধ্বংস হৈ যায়, পৃথিবীৰ নতুন নতুন অঞ্চলবোৰত পণ্যৰ বজাৰ সৃষ্টি কৰাৰ চেষ্টা চলোৱা হয়, আনকি কোনো উপায় নোহোৱা হলে উৎপাদিত পণ্যবোৰৰ কিছু অংশ এনেয়ে নষ্ট কৰি পেলোৱা হয়, বহুতো কল-কাৰখানা ধ্বংস কৰি পেলোৱা হয়। এই দৰে সঙ্কটৰ এটা সাময়িক সমাধান কৰে।

একপিনে উৎপাদনৰ প্ৰাচুৰ্য্য, আনপিনে মানুহৰ ভোগ্য বস্তুৰ অপূৰণীয় অভাৱ, অথচ উৎপাদিত বস্তু নষ্ট কৰি পেলোৱা হয়। উৎপাদিকা শক্তিসমূহক প্ৰচলিত উৎপাদন সম্পৰ্কত ব্যৱহাৰ কৰিব নোৱাৰা হলে উৎপাদিকা শক্তি সমূহক ধ্বংস কৰে কিন্তু উৎপাদন সম্পৰ্কৰ পৰিবৰ্ত্তন হব নিদিয়ে। এয়ে পুঁজিবাদৰ প্ৰধান অন্তৰ্দ্বন্দ্ব। এই অন্তৰ্দ্বন্দ্বৰ আলোচনা কৰি কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেদৰিক এঙ্গেলছে— কমিউনিষ্ট মেনিফেষ্টোত কৈছিল।

"এই সঙ্কটবোৰে এনে এটা মহামাৰী হিচাবে দেখা দিয়ে যিটো বিগত যুগ বোৰত মানুহৰ কল্পনাৰ অতীত আছিল। এই মহামাৰীটো হ'ল সমাজৰ উৎপাদন বেচি হোৱাৰ কাৰণে। গোটেই মানৱ সমাজ কিছুদিনৰ কাৰণে এটা বৰ্ব্বৰ যুগত বাস কৰিব লগীয়া হৈ পৰে। এনে এটা ধাৰণা হয় যেন এটা বিশ্বজোৰা প্ৰলয়ে এটা মহা দুৰ্ভিক্ষৰ সৃষ্টি কৰিছে আৰু সমাজত মানুহৰ জীৱনধাৰণৰ সকলো সম্ভাৱেই নোহোৱা হৈ গৈছে। শিল্প আৰু বাণিজ্য ধ্বংস হৈ যায়। কিন্তু কিয়? তাৰ কাৰণ হ'ল সভ্যতাৰ মাত্ৰা বাঢ়িছে। আমাৰ উৎপাদনৰ প্ৰাচুৰ্য্য বাঢ়িছে, শিল্প আৰু বাণিজ্যৰ সম্প্ৰসাৰণ অধিক হৈছে। সমাজৰ উৎপাদিকা শক্তি সমূহে আৰু বুৰ্জুৱা সম্পত্তিৰ বান্ধোন মানি চলিবলৈ নোখোজে, আৰু এই বান্ধোনবোৰেও উৎপাদিকা শক্তি সমূহৰ বিকাশৰ পথত বাধাৰ সৃষ্টি কৰি সেইবোৰক স্তব্ধ কৰি দিব বিচাৰিছে। এই হেঙাৰবোৰৰ তুলনাত উৎপাদিকা শক্তিবোৰৰ ভৰ বহুত বেচি হৈছে আৰু হেঙাৰবোৰ ভাঙিলেই





সমস্ত বুৰ্জুৱা সমাজ আৰু বুৰ্জুৱা সম্পত্তিৰ অস্তিত্ব বিপদাপন্ন হৈ পৰিব। (কমিউনিষ্ট মেনিফেষ্টো—১৮৪৮ খৃঃ)

পুঁজিবাদী ব্যৱস্থাত সঙ্কটবোৰ সঘনে ঘটিব ধৰে। পুঁজিবাদ সমাজলৈ কেনেকৈ আহিল, পুঁজিবাদৰ বিকাশৰ নিয়ম বিলাক, আৰু পুঁজিবাদৰ পিছত মানৱ সমাজৰ গন্তব্য স্থল, ইত্যাদি মাৰ্ক্সৰ বিখ্যাত গ্ৰন্থ কেপিটেলত অতি বিশদভাবে অকাট্য যুক্তি সহকাৰে আলোচনা কৰিছে। পুঁজিবাদৰ যুগত বিজ্ঞানৰ নতুন নতুন আবিষ্কাৰে উৎপাদিকা শক্তি সমূহক আৰু বেচি শক্তিশালী কৰি আনিলে, উৎপাদন বঢ়াৰ লগে লগে সমাজৰ দৰিদ্ৰতাও বাঢ়িব ধৰিলে। পুঁজিবাদী পণ্যৰ বৃদ্ধিৰ লগে লগে বজাৰ সংকুচিত হৈ পৰে। সৰু সৰু পুঁজিপতিবোৰ প্ৰতিযোগিতাত আৰু সঙ্কটত তিষ্ঠিব নোৱাৰি ক্ৰমে ক্ৰমে ধ্বংস হৈ পৰে আৰু একচেতিয়া পুঁজিৰ সৃষ্টি হয়। কেইখনমান দেশৰ মুষ্টিমেয় একচেতিয়া পুঁজি-পতিয়ে নিজ নিজ দেশৰ ৰাষ্ট্ৰক্ষমতা দখল কৰি লোৱাৰ উপৰিও গোটেই পৃথিবীৰে পশ্চাৎপদ দেশবোৰ দখল কৰি উপনিবেশৰ সৃষ্টি কৰে। এই উপ-নিবেশ বোৰৰ নিজস্ব উৎপাদিকা শক্তিবোৰৰ স্বাভাৱিক বিকাশৰ পথ ৰুদ্ধ কৰি দি সেইবোৰক পুঁজিবাদী দেশ সমূহৰ পণ্য বিক্ৰিৰ একচেতিয়া বজাৰত পৰিণত কৰে। গোটেই পৃথিবীখনতেই মুষ্টিমেয় একচেতিয়া পুঁজি-পতিৰ শোষণ আৰম্ভ হয়। ফলত গোটেই পৃথিবীতে অধিক সংখ্যক মানুহ দৰিদ্ৰ হৈ পৰে। পুঁজিবাদৰ সঙ্কট কিন্তু নকমিল। আগেয়ে ঘটা সঙ্কটবোৰ নিজ নিজ দেশৰ চাৰিসীমাৰ ভিতৰতে আবদ্ধ আছিল, এতিয়া সঙ্কটবোৰেও বিশ্বজোৰা আকাৰ ধাৰণ কৰিলে। সাম্ৰাজ্যবাদৰ যুগ আৰম্ভ হ'ল। বিভিন্ন সাম্ৰাজ্যবাদী ৰাষ্ট্ৰবোৰৰ উপনিবেশৰ কাৰনে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু সাম্ৰাজ্য-বাদী যুদ্ধ আৰম্ভ হ'ল। যিমানেই পুঁজিবাদৰ বিকাশ ঘটে সিমানেই সংকটবোৰো সঘনাই হব ধৰে আৰু গোটেই বিশ্বজোৰা হৈ পৰে। সমগ্ৰ মানৱ সমাজতেই দৰিদ্ৰতা, নিবনুৱা সমস্যা, নৈতিক অধঃপতনে আগুৰি ধৰে। পুঁজিবাদৰ বিশ্বজোৰা সঙ্কটৰ সময়ত বহুদেশতে মানৱ সমাজৰ কাৰণে উৎপাদিত অজস্ৰ ভোগ্য বস্তু বিক্ৰি নোহোৱা বাবে নষ্ট কৰি পেলাব ধৰিলে। সাম্ৰাজ্যবাদী যুদ্ধবোৰত পণ্যৰ বজাৰ বিস্তাৰ কৰাৰ কাৰণে লাখ লাখ মানুহ বধ কৰা হ'ল, পৰাজিত দেশবোৰৰ কল কাৰখানা আদি ধ্বংস কৰি দি উৎপাদিকা শক্তিবোৰকে ধ্বংস কৰি দিয়া হ'ল।

উৎপাদিকা শক্তিসমূহৰ বিকাশৰ লগত উৎপাদন সম্পৰ্কৰ অসঙ্গতিয়ে সমাজ-জীৱনৰ সকলো ক্ষেত্ৰতে আঘাত কৰিলে। মাৰ্ক্সবাদৰ মূল কথা হ'ল—পুঁজিবাদৰ বিকাশৰ নিয়ম অনুসাৰেই উৎপাদিকা শক্তিসমূহে এনেধৰণে বিকাশ লাভ কৰিছে যে বৃহৎ বৃহৎ কাৰখানা সমূহত লাখ লাখ মানুহে মিলি গোটেই পৃথিবীৰে কেচামালৰ দ্বাৰা গোটেই মানব সমাজৰ কাৰণেই ভোগ্য বস্তু উৎপন্ন কৰা হয়। উৎপাদিকা শক্তিসমূহৰ চৰিত্ৰ সম্পূৰ্ণ সামাজিক হৈ পৰিছে। কিন্তু পুঁজিবাদী ব্যৱস্থাত এই বৃহৎ কাৰখানাবোৰ পুঁজিপতি সকলৰ ব্যক্তিগত বা কোনো কোনো ক্ষেত্ৰত সমূহীয়া শ্ৰেণীগত সম্পত্তি হৈ আছে। সামাজিক উৎপাদিকা শক্তিবোৰক ব্যক্তিগত মালিকানাৰ ব্যৱস্থাত যথাৰ্থভাবে ব্যৱহাৰ কৰিব নোৱাৰি। এয়ে হ'ল পুঁজিবাদৰ প্ৰধান অসঙ্গতি। এই অসঙ্গতি দূৰ কৰিব লাগিলে উৎপাদনৰ সঁজুলি সমূহৰ মালিকানা গোটেই সমাজৰ হাতত পৰিব লাগিব আৰু তেতিয়াহে এই অসঙ্গতি দূৰ হব, সমাজৰ সমস্যাবোৰৰ সমাধান হব। মাৰ্ক্স আৰু এঙ্গেলছে পুঁজিবাদৰ অন্তৰ্দ্বন্দ্ববোৰ অধ্যয়ন কৰি, পুঁজিবাদী সঙ্কট বোৰৰ কাৰণ, আৰু পুঁজপতি সকলে সেই সঙ্কট দূৰ কৰিব বিচৰা প্ৰচেষ্টা বোৰ লক্ষ্য কৰি, সমাজৰ বিভিন্ন শোষিত জনসাধাৰণৰ বিশেষকৈ সৰ্ব্বহাৰা শ্ৰেণীৰ ক্ৰমবৃদ্ধি, ক্ৰমবৰ্দ্ধিত চেতনা আৰু ক্ৰমবৰ্দ্ধমান সংগঠন বোৰলৈ লক্ষ্যকৰি, তেওঁ-লোকে থাটাং সিদ্ধান্তত আহিছিল যে আগন্তুক সমাজবিপ্লৱ সৰ্ব্বহাৰা শ্ৰেণীৰ বিপ্লৱ হিচাবেই সংঘটিত হব, সৰ্ব্বহাৰা শ্ৰেণীয়ে ৰাষ্ট্ৰক্ষমতা দখল কৰি লব। আৰু পুঁজিবাদী উৎপাদন সম্পৰ্কবোৰ ভাঙি ছিঙি তাৰ ঠাইত সমাজতান্ত্ৰিক উৎপাদন সম্পৰ্ক তথা সমাজতান্ত্ৰিক সমাজব্যৱস্থা গঢ়ি তুলিব। মাৰ্ক্স আৰু এঙ্গেলছে সৰ্ব্বহাৰা বিপ্লৱৰ আগমন, তাৰ কিছুমান বিশেষ চৰিত্ৰ, আৰু মানবসমাজৰ পৰৱৰ্ত্তী গন্তব্যস্থল যে অবধাৰিত ভাবেই সমাজতন্ত্ৰবাদ; সেই বিষয়ে মূলকথাবোৰ আৰু মূল-নীতিবোৰ আবিষ্কাৰ কৰিছিল যদিও তেওঁলোকৰ জীবিত কালতেই সমাজতান্ত্ৰিক বিপ্লৱৰ সময় হোৱা নাছিল—কাৰণ পুঁজিবাদৰ সকলো সম্ভাৱনা তেতিয়াই শেষ হৈ যোৱা নাছিল। এই সম্পৰ্কত মাৰ্ক্সে কৈছিল।

"এটা সমাজ ব্যৱস্থাৰ ভিতৰত আটাইবোৰ উৎপাদিকা শক্তিৰে বিকাশৰ সম্ভাৱনাবোৰ সম্পূৰ্ণভাবে নিঃশেষ হৈ নোযোৱা পৰ্য্যন্ত সমাজ ব্যৱস্থাটো উঠি যাব নোৱাৰে। পুৰণি সমাজ ব্যৱস্থাৰ গৰ্ভতে নতুন উৎপাদন সম্পৰ্ক গঢ়ি





উঠাৰ বাবে বাস্তব অৱস্থাবোৰৰ সৃষ্টি নহলে নতুন উৎপাদন সম্পৰ্ক কেতিয়াও গঢ়ি উঠিব নোৱাৰে। সুতৰাং মানৱজাতিয়ে সদায় এনেধৰণৰ কামহে হাতত লয় যিবোৰ সম্পন্ন কৰাটো তেওঁলোকৰ পক্ষে সম্ভৱপৰ। এই কথাটো আৰু গভীৰভাবে বিচাৰ কৰি চালে আমি দেখোঁ যে মানৱ জাতিৰ সমুখত দেখা দিয়া প্ৰত্যেকটো কৰণীয় কামৰে, কামটো ওলোৱাৰ আগতেই সেই কামটো সমাধা কৰিব পৰা বাস্তৱ অৱস্থাবোৰৰ সৃষ্টি হয়, অন্ততঃ সৃষ্টি হবলৈ আৰম্ভ কৰে।"

(Karl Marx—Preface to the Critique of Political Economy.)

সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰধান চালিকা শক্তিটো হব সৰ্ব্বহাৰা শ্ৰেণীয়েই, সেই শ্ৰেণীয়েই যে বিপ্লৱত নেতৃত্ব কৰিব লাগিব, সেই বিষয়ে মাৰ্ক্স আৰু এঙ্গেলছে দৃঢ় আস্থা সহকাৰে কৈছিল।

"বৰ্ত্তমান সমাজত বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে ঠিয় দিয়া আটাইবোৰ শ্ৰেণীৰ ভিতৰত অকল সৰ্বহাৰা শ্ৰেনীয়েহে বিপ্লৱী শ্ৰেনী। আধুনিক শিল্পৰ অগ্ৰগতিত অন্যান্য শ্ৰেণী সমূহ ক্ৰমে ক্ৰমে জহি যাব ধৰিছে আৰু অৱশেষত লয় হৈ যাব। কিন্তু সৰ্ব্বহাৰা শ্ৰেণী হ'ল পুঁজিবাদৰ বিশেষ সৃষ্টি আৰু পুঁজিবাদৰ অস্তিত্বৰ কাৰণেই অপৰিহাৰ্য্য।

নিম্নমধ্যবিত্ত, ক্ষুদ্ৰ উৎপাদনকাৰী, দোকানদাৰ, কাৰিগৰ, কৃষক আদি মজলীয়া শ্ৰেনীবোৰকো বুৰ্জোৱা শ্ৰেনীয়ে সৰ্ব্বহাৰাত পৰিণত কৰিব বিচাৰিছে, এই শ্ৰেনী বোৰ মজলীয়া শ্ৰেনী হিচাবে বাচি থকাৰ প্ৰয়াস কৰিহে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰাম কৰে। এই অৰ্থত এই শ্ৰেণীবোৰৰ ভূমিকা সংৰক্ষণশীল। ইতিহাসৰ চকা ওলোটা ফালে ঘুৰাব বিচাৰে বুলি এওঁলোকক প্ৰতিক্ৰিয়াশীল বুলিও কব পাৰি। যদি ঘটনাচক্ৰত এই শ্ৰেণীবোৰেও আহি বিপ্লৱী হৈ পৰে তাৰ কাৰণ হব এওঁলোকে সৰ্ব্বহাৰা শ্ৰেণীত পৰিণত হোৱাটোক সুনিশ্চিত বুলি বুজি পাই এওঁলোকৰ বৰ্ত্তমানৰ মজলীয়া শ্ৰেণীৰ স্বাৰ্থক বিসৰ্জ্জন দি ভবিষ্যতৰ শ্ৰেণী স্বাৰ্থৰ কাৰণে সংগ্ৰামত নামি পৰা আৰু সৰ্ব্বহাৰা শ্ৰেণীৰ স্বাৰ্থৰ লগত নিজৰ শ্ৰেণী স্বাৰ্থক মিলাই লোৱা।" (মাৰ্ক্স-এঙ্গেলছ কমিউনিষ্ট মেনিফেষ্ট—১৮৪৮)

কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেদৰিক এঙ্গেলছৰ জীবিত কালতেই পুঁজিবাদী ব্যৱস্থাৰ অন্তৰ্দ্বন্দ্ব অৰ্থাৎ উৎপাদিকা শক্তি বোৰৰ বিকাশৰ লগত উৎপাদন সম্পৰ্কৰ



OKDISCD

অসঙ্গতি আৰু সংঘাত আৰম্ভ হৈছিল। পুঁজিবাদৰ সপক্ষে আৰু পুঁজিবাদৰ বিপক্ষে, বিপ্লৱৰ সপক্ষে আৰু বিপ্লৱৰ বিপক্ষে দাৰ্শনিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক বিভিন্ন তত্ত্বৰ উদয় হৈছিল। মাৰ্ক্সবাদে বিভিন্ন ধৰণৰ তত্ত্বৰ লগত অসংখ্য বাদানুবাদৰ মাজেৰে নিজকে প্ৰতিষ্ঠিত কৰিব লগীয়া হৈছিল। মাৰ্ক্সবাদে প্ৰতিপন্ন কৰি গৈছিল যে সমাজৰ উৎপাদিকা শক্তিসমূহৰ বিকাশৰ এটা স্তৰত পুজিবাদ সমাজলৈ আহিছে, সমাজ বিকাশৰ আমোঘ নিয়মবোৰৰ মাজেদিয়ে তাৰ বিকাশ হব, আৰু উৎপাদিকা শক্তিবোৰৰ বিকাশৰ অন্য এটা উচ্চতৰ স্তৰত গৈ সমাজ বিকাশৰ নিয়মবোৰৰ মাজেদি পুঁজিবাদ সমাজৰ পৰা আঁতৰি গৈ সমাজতান্ত্ৰিক সমাজ গঢ়ি উঠিব।

পুঁজিবাদ মানব সমাজলৈ কিছুমান দুষ্ট প্ৰকৃতিৰ পুঁজিপতিয়ে চক্ৰান্ত কৰি অনা নাই, গতিকে কিছুমান সৎ আৰু সমাজপ্ৰেমী পুঁজিপতিয়ে শুভবুদ্ধিৰ বশবৰ্ত্তী হৈ পুঁজিবাদ বৰ্জন কৰিবও নোৱাৰে। দৰিদ্ৰতা, নিবনুৱা সমস্যা, নৈতিক অধঃপতন, প্ৰশাসনীয় দুৰ্নীতি আদিও পুঁজিবাদী ব্যৱস্থাৰ বিকাশৰ স্তৰত আনুষঙ্গিক ভাবেই মানব সমাজলৈ আহিছে আৰু পুঁজিবাদ যোৱাৰ লগে লগে এইবোৰো আতৰি যাব। কিছুমান ভাল পুঁজিপতিয়ে আলোচনা বিলোচনাৰ মাজেৰে এইবোৰ সমাজৰ পৰা আতৰ কৰিব নোৱাৰে। পুঁজিবাদ যেনেকৈ শ্ৰেণী সংগ্ৰামৰ মাজেদি সমাজলৈ আহিছে; ই শ্ৰেণীসংগ্ৰাম-সমাজবিপ্লৱৰ মাজেদিহে মানব সমাজৰ পৰা যাব। **সমাজতন্ত্ৰ ভাল কিন্তু শ্ৰেণী সংগ্ৰাম বেয়া", "সমাজতন্ত্ৰ লাগে কিন্তু বিপ্লৱ নোহোৱাকৈও সমাজতন্ত্ৰ হব পাৰে" ইত্যাদি ধৰণৰ সমাজতন্ত্ৰ সম্পৰ্কীয় কল্পনা প্ৰসূত তত্ত্ব বিলাকক মাৰ্ক্স আৰু এঙ্গেলছে তেওঁলোকৰ অসংখ্য লেখাৰ মাজেৰে ভুল আৰু অবাস্তৱ বুলি প্ৰতিপন্ন কৰি গৈছে** আৰু বৈজ্ঞানিক সমাজতন্ত্ৰবাদৰ তত্ত্বক দৃঢ় ভেটিত প্ৰতিষ্ঠা কৰি থৈ গৈছে। মাৰ্ক্স আৰু এঙ্গেলছৰ জীবিত কালত কোনো দেশতেই সমাজতান্ত্ৰিক বিপ্লৱৰ অৱস্থা পৰিপক্ক হোৱা নাছিল আৰু বিপ্লবো সংগঠিত হোৱা নাছিল। ১৮৭১ চনত ফৰাচী দেশৰ শ্ৰমিক সকলে ৰাষ্ট্ৰ ক্ষমতা দখল কৰি লৈ প্ৰায় ৯০ দিন ধৰি তাক নিজ হাতত ৰাখিছিল। (প্যাৰি কমিউন) সেয়ে আছিল তেওঁলোকৰ জীৱিত কালত শ্ৰমিক শ্ৰেণীৰ সৰ্ববৃহৎ ৰাজনৈতিক সংগ্ৰাম। প্যেৰি কমিউনক মাৰ্ক্স আৰু এঙ্গেলছে অতি





গভীৰ ভাবে অধ্যয়ন কৰি তাৰ শিক্ষা সমূহক তেওঁলোকৰ তত্ত্বৰ লগত সন্নিবিষ্ট কৰি মাৰ্ক্সবাদক সমৃদ্ধ কৰি থৈ গৈছে।

## (৭) সাম্ৰাজ্যবাদ আৰু সমাজতান্ত্ৰিক বিপ্লৱৰ সূচনা ঃ

পুঁজিবাদী উৎপাদন ব্যৱস্থাই বিকাশৰ স্তৰত গৈ একচেতিয়া পুঁজিৰ সৃষ্টি কৰি পুঁজিবাদৰ ঘোষিত নীতি মুক্ত প্ৰতিযোগিতাক নোহোৱা কৰিলে। গোটেই পৃথিবীৰে মুষ্টিমেয় একচেতিয়া পুঁজিপতিয়ে বিৰাট বিৰাট কোম্পানী, ট্ৰাষ্ট, কাৰ্টেল আদি নানা ধৰণৰ সংঘ বা চক্ৰ গঠন কৰি সমগ্ৰ পৃথিবীৰে কেচা মালবোৰ, কাৰখানাবোৰ, দক্ষতা থকা মজুদুৰবোৰ, আৰু পণ্য বিক্ৰিৰ বজাৰ-কৰতলগত কৰি পেলালে। সাম্ৰাজ্যবাদৰ যুগত একচেতিয়া পুঁজিৰ বৰ্ণনা দি লেনিনে কৈছিল "এতিয়া আৰু আগৰদৰে কাৰো লগত কাৰো সম্পৰ্ক নথকা পুঁজিপতি কিছুমানৰ এখন অনিশ্চিত বজাৰত বিক্ৰিৰ বাবে চলোৱা পণ্য উৎপাদনৰ প্ৰতি-যোগিতা নহয়। এতিয়াৰ অৱস্থাই পুঁজিক এনেদৰে পুঞ্জীভূত কৰিছে যে এখন দেশৰ, বা বহুবিলাক দেশৰ, আনকি সমগ্ৰ পৃথিবীৰ কেঁচা মালবোৰৰ হিচাব কৰি উলিওৱাটো সম্ভৱপৰ হৈছে। অকল হিচাব কৰাই নহয়, এই সমস্তবোৰকে কেইটামান বিৰাট বিৰাট একচেতিয়া পুজিপতিৰ গোষ্ঠীয়ে হস্তগত কৰি পেলাইছে। সমগ্ৰ পৃথিবীৰে পণ্য বজাৰৰো এটা হিচাপ কৰি পেলাইছে আৰু এই গোষ্ঠী কেইটাই নিজৰ ভিতৰতে আপোচতে বজাৰখনকো ভগাই লৈছে। দক্ষ শ্ৰমিক, ইঞ্জিনিয়াৰ আদিক হস্তগত কৰি লৈছে, যানবাহন আদি হস্তগত কৰি লৈছে, সমগ্ৰ আমেৰিকা আৰু ইউৰোপৰে জাহাজ কোম্পানীবোৰ, আমেৰিকাৰ ৰেল পথবোৰ, একচেতিয়া পুজিবাদী গোষ্ঠীবোৰে হস্তগত কৰি লৈছে। সাম্ৰাজ্যবাদী স্তৰত, পুজিবাদী উৎপাদন সম্পূৰ্ণভাবে সামাজিক হৈ পৰিছে। উৎপাদন সামাজিক হ'ল, কিন্তু তাৰ মালিকানা ব্যক্তিগত হৈয়ে থাকিল। সামাজিক উৎপাদনৰ এই সজুঁলি-সমূহ কেইজনমান মানুহৰ ব্যক্তিগত সম্পত্তি হৈ আছে। বাহ্যিক ভাবে মুক্ত প্ৰতিযোগিতাৰ অধিকাৰ এতিয়াও স্বীকৃত হৈ আছে। কিন্তু কেইজনমান এক-চেতিয়া পুঁজিপতিয়ে সমগ্ৰ জনসাধাৰণৰ ওপৰতে জাপি দিয়া বোজাৰ ওজন এশগুণে বেচি আৰু অসহনীয় হৈ পৰিছে।

( Imperialism, the highest stage of capitalism : Lenin )



OKDISCD

পুঁজিবাদী পদ্ধতিত উৎপাদিকা শক্তি সমূহৰ সম্ভাৱনা নিঃশেষ হৈ গৈছে। উৎপাদিকা শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজৰ সংঘাত তীব্ৰতম হৈ পৰিছে। বিৰাট বিৰাট একচেতিয়া পুজিপতিৰ চক্ৰই সমগ্ৰ পৃথিৱীখনকে পণ্যৰ বজাৰ কৰি নিজৰ ভিতৰতে ভাগ কৰি লৈছে, উন্নত পুজিবাদী ৰাষ্ট্ৰ কেইখনে গোটেই পৃথিৱীখনকে ৰাজনৈতিক ভাবে দখল কৰি লৈছে। কিন্তু পুজিবাদৰ আমোঘ নিয়ম মতে তথাপিও পুজিবাদৰ অন্তৰ্দ্বন্দ্বৰ ওৰ নপৰিল বৰং বাঢ়িহে গ'ল। পৃথিৱীত বজাৰৰ কাৰণে নতুন ঠাই নাই, অথচ সমগ্ৰ পৃথিৱীজোৰা বজাৰতো পণ্যবোৰ বিক্ৰি নহয়—কাৰণ মানুহৰ হাতত কিনিবলৈ পয়ছা নাই। বিভিন্ন একচেতিয়া পুঁজিপতিৰ চক্ৰবোৰৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰম্ভ হ'ল—বিভিন্ন পুঁজিবাদী ৰাষ্ট্ৰবোৰৰ মাজত উপনিবেশ কাঢ়ি অনাৰ কাৰণে যুদ্ধৰ সম্ভাৱনা বাঢ়ি আহিল আৰু সমগ্ৰ মানব সমাজেই ধ্বংস হৈ যোৱাৰ উপক্ৰম হল। সমাজতন্ত্ৰৰ কাৰণে বাস্তব অৱস্থাবোৰৰ সৃষ্টি হ'ল—উৎপাদন পুজিবাদী ব্যৱস্থাৰ ভিতৰতে সামাজিক হৈ পৰিল। মাত্ৰ মালিকানাটো ব্যক্তিগত সম্পত্তিৰ পৰা সামাজিক কৰাৰ প্ৰয়োজন।

মাৰ্ক্সবাদৰ তত্ত্বক বাস্তবত ৰূপায়িত কৰাৰ উপযুক্ত সময় আহি পৰিল—সমাজতান্ত্ৰিক বিপ্লৱৰ সময় আহি পৰিল—তেনে এটা পটভূমিকাত লেনিনে পৃথিৱীৰ ৰাজনৈতিক মঞ্চত প্ৰৱেশ কৰিলে। লেনিনে সাম্ৰাজ্যবাদৰ সকলো চৰিত্ৰকে অতি গভীৰভাবে বিচাৰ কৰি, মাৰ্ক্সবাদৰ তত্ত্বক অতি গভীৰভাবে অধ্যয়ন কৰি মাৰ্ক্সবাদক বাস্তবত ৰূপায়িত কৰাৰ পথ নিৰ্দ্দেশন কৰিলে। লেনিনবাদক সাম্ৰাজ্যবাদৰ যুগৰ মাৰ্ক্সবাদ বুলি সাধাৰণভাবে কোৱা হয়। ষ্টেলিনে কৈছিল—লেনিনবাদ হ'ল সাধাৰণভাবে সৰ্ব্বহাৰাৰ বিপ্লৱৰ তত্ত্ব আৰু বিশেষ ভাবে সৰ্ব্বহাৰাৰ একনায়কত্বৰ তত্ত্ব। লেনিনে আবিষ্কাৰ কৰিলে যে সাম্ৰাজ্যবাদে গোটেই পৃথিৱীখনকে পুজিবাদৰ শোষণ শিকলিৰে বান্ধি পেলাইছে। এই শিকলিৰ যিকোনো এঠাইত আজোৰ মাৰিলেই গোটেই পৃথিৱীৰে পুঁজিবাদ তথা সাম্ৰাজ্যবাদ জিকাৰ খাই উঠে। সাম্ৰাজ্যবাদৰ স্তৰেই হ'ল পুঁজিবাদৰ শেষ স্তৰ। পুজিবাদৰ আৰু বিকাশৰ থল নাই। এই ব্যৱস্থা মৰণমুখী হৈ পৰিছে। প্ৰত্যেক দেশতে পুঁজিপতি শ্ৰেণীৰ বিৰুদ্ধে মজুৰ শ্ৰেণাৰ বিৰোধ, বিভিন্ন সাম্ৰাজ্যবাদী শক্তিবোৰৰ মাজত বজাৰ দখলৰ কাৰণে প্ৰতিদ্বন্দ্বিতা আৰু





তাৰ ফলত সম্ভাব্য সামৰিক সংঘৰ্ষ, আৰু সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ বিৰুদ্ধে সমগ্ৰ উপনিবেশবোৰৰ জনসাধাৰণৰ বিদ্ৰোহ; এই আটাইবোৰেই প্ৰত্যেকখন সাম্ৰাজ্যবাদী ৰাষ্ট্ৰকে বাহিৰৰ পৰা মহাশক্তিশালী হৈ থকা যেন দেখিলেও ভিতৰে ভিতৰে দুৰ্ব্বল আৰু ঘুনে খোৱা কাঠৰ খুটাৰ নিচিনা কৰি পেলাইছে।

সমাজ তান্ত্ৰিক বিপ্লৱৰ সকলো শক্তিকে, অৰ্থাৎ সমাজৰ উৎপাদন ব্যৱস্থাত উৎপাদন সম্পৰ্কৰ পৰিৱৰ্ত্তন বিচৰা সকলো শ্ৰেণীৰ মানুহকে ৰাজনৈতিকভাবে সচেতন কৰি আৰু সংঘঠিত কৰি সাম্ৰাজ্যবাদী শিকলিৰ দুৰ্ব্বল স্থান বোৰত সজোৰে আঘাত কৰিব পাৰিলে শিকলি ছিঙি যাবলৈ বাধ্য। মাৰ্ক্সবাদৰ তত্ত্বৰ বিশ্লেষণ কৰি লেনিনে কলে,

"বুৰ্জুৱা শ্ৰেণীক শাসনৰ পৰা উচ্ছেদ কৰিব পাৰে অকল সৰ্ব্বহাৰা শ্ৰেণীয়েহে। পুঁজিবাদী ব্যৱস্থাত এই বিশেষ শ্ৰেণীটোৰ অৰ্থনৈতিক অৱস্থানৰ বাস্তব অৱস্থাবোৰেই তেওঁলোকক এই কৰ্ত্তব্যৰ বাবে শিক্ষিত কৰি তোলে আৰু কৰ্ত্তব্য পালনৰ বাবে সুযোগ আৰু শক্তিৰ যোগান ধৰে। বুৰ্জুৱা শ্ৰেণীয়ে কৃষক সম্প্ৰদায়ক আৰু অন্যান্য মজলীয়া শ্ৰেণীবোৰক অসংগঠিত আৰু ছিন্নভিন্ন কৰি দিয়ে, কিন্তু সৰ্ব্বহাৰা শ্ৰেণীক একেঠাইতে একত্ৰিত কৰে, ঐক্যবদ্ধ কৰে, আৰু সংগঠিত কৰি তোলে। বৃহৎ বৃহৎ শিল্পত মজুৰ শ্ৰেণীয়ে গ্ৰহণ কৰিবলগীয়া ভূমিকাৰ কাৰণেই মজুৰ শ্ৰেণী বুৰ্জুৱা শ্ৰেণীৰ দ্বাৰা শোষিত আৰু নিপীড়িত সকলো শ্ৰমজীৱী জনসাধাৰণৰে নেতৃত্ব কৰিবলৈ উপযুক্ত হৈ উঠে। অন্যান্য শ্ৰমজীৱী জনসাধাৰণক বুৰ্জুৱা শ্ৰেণীয়ে কমকৈ শোষণ আৰু নিপীড়ন কৰে তেনে নহয়। বৰং বহুক্ষেত্ৰত বেচি পৰিমানেই শোষণ কৰে। কিন্তু তথাপিও এই শ্ৰেণীবোৰে নিজৰ মুক্তিৰ কাৰণে সুকীয়াভাবে বুৰ্জুৱা শাসনৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ সক্ষম নহয়।" (লেনিন ঃ ৰাষ্ট্ৰ আৰু বিপ্লৱ।)

পুঁজিবাদৰ অন্তৰ্দ্বন্দ্ব সমূহ সুক্ষ্মভাবে বিচাৰ কৰি লেনিনে সিদ্ধান্ত কৰিলে যে সেই সময়ত (১৯০৫—১৭ চনত) ৰুচিয়াই হৈছে সাম্ৰাজ্যবাদী শিকলিৰ আটাইতকৈ দুৰ্ব্বল স্থান। আটাইবোৰ বিৰোধেই সেই দেশত তীব্ৰতম ভাবে প্ৰকাশ পাইছে। ৰুচিয়াই হ'ল আগন্তুক সমাজ তান্ত্ৰিক বিপ্লৱৰ কাৰণে উপযুক্ত স্থান। সেইমতে ৰুচিয়াত সৰ্ব্বহাৰা শ্ৰেণীৰ ৰাজনৈতিক দলটোক বিপ্লৱৰ উপযোগী ধৰণে গঢ়ি তুলিলে, সৰ্ব্বহাৰা শ্ৰেণীক সেই দলৰ নেতৃত্বত সংগঠিত



OKDISCD

কৰিলে, ৰাজনৈতিক ভাবে সচেতন কৰি তুলিলে। আৰু সকলো শ্ৰমজীৱি জনসাধাৰণকে সৰ্ব্বহাৰা শ্ৰেণীৰ নেতৃত্বত সংগঠিত কৰিলে বিপ্লৱী শক্তিবোৰক একত্ৰিত কৰি, সাম্ৰাজ্যবাদৰ অন্তৰ্দ্বন্দ্বৰ সকলো সুযোগকে ব্যৱহাৰ কৰি উপযুক্ত সময়ত সফল ভাৱে বিপ্লৱ সংঘটিত কৰিলে, বুৰ্জুৱা শ্ৰেণীৰ হাতৰ পৰা ৰাষ্ট্ৰক্ষমতা কাঢ়ি আনিলে, সৰ্ব্বহাৰা শ্ৰেণীৰ প্ৰথম ৰাষ্ট্ৰ গঢ়ি তুলিলে আৰু সেই ৰাষ্ট্ৰৰ সহায়ত সমগ্ৰ ৰুছ দেশতে সমাজতান্ত্ৰিক উৎপাদন ব্যৱস্থা প্ৰতিষ্ঠা কৰিলে।

সাম্ৰাজ্যবাদৰ শিকলি এঠাইত ছিগি গ'ল। এঠাইত ছিগাৰ পিছত মামৰে খোৱা সেই শিকলি আৰু জোৰা নালাগিল। পুজিবাদী সমাজ ব্যৱস্থাত ভাঙোন ধৰিলে। সকলো সাম্ৰাজ্যবাদী শক্তিয়ে এই সদ্যজাত সৰ্ব্বহাৰা শ্ৰেণীৰ ৰাষ্ট্ৰখনক ধ্বংস কৰাৰ কাৰণে উঠিপৰি লাগিল। অৰ্থ নৈতিক ভাবে অবৰোধ কৰিলে, মতাদৰ্শৰ ক্ষেত্ৰত বিশ্বজুৰি সমাজতন্ত্ৰ বিৰোধী মিছা প্ৰচাৰৰ ব্যৱস্থা কৰিলে, কুটনীতিৰে এঘৰীয়া কৰিব বিচাৰিলে, আৰু সামৰিক ভাবেও হস্তক্ষেপ কৰিলে। কিন্তু ইতিহাসৰ অবধাৰিত নিয়মমতেই সমাজতন্ত্ৰৰ শক্তি ক্ৰমে ক্ৰমে বাঢ়িব ধৰিলে আৰু পুঁজিবাদৰ শক্তি সমুহ দ্ৰুত গতিত দুৰ্ব্বল হৈ যাব ধৰিলে। অক্টোবৰ বিপ্লৱৰ পৰা অৰ্দ্ধ শতাব্দী কাল পাৰ নোহোৱাতেই পৃথিবীৰ বহুদেশত বিভিন্ন ধৰণে সমাজতান্ত্ৰিক বিপ্লৱ সংঘটিত হ'ল। পৃথিবীৰ প্ৰায় একতৃতীয়াংশ ঠাইত একতৃতীয়াংশ জনসাধাৰণে সমাজতান্ত্ৰিক সমাজব্যবস্থা গঢ়ি তুলিলে। পুঁজিবাদ, ব্যক্তিগত সম্পতি, শ্ৰেণী-বিভক্ত সমাজ ইত্যাদিক মানব সমাজৰ সনাতন প্ৰথা বুলি পতিয়ন নিয়াবৰ কাৰণে বুৰ্জুৱা দাৰ্শনিক আৰু অৰ্থনীতিবিদ সকলৰ সকলো চেষ্টা অথলে গ'ল। মাৰ্ক্সবাদৰ দাৰ্শনিক আৰু অৰ্থ নৈতিক তত্ত্ব সমূহৰ সত্যতা ইতিহাসে প্ৰমাণিত কৰি দিলে। বিপ্লৱ যে মানব সমাজৰ অগ্ৰগতিৰ পথত অপৰিহাৰ্য্য, বিপ্লৱ নোহোৱাকৈ যে উৎপাদন ব্যৱস্থাৰ পৰিবৰ্ত্তন অসম্ভৱ, বিশ্বৰ সকলো সামৰিক শক্তিয়ে বৰ্ব্বৰতম হিংসাৰ ব্যৱহাৰ কৰিও যে বিপ্লৱৰ গতি ৰোধ কৰিব নোৱাৰে সেইটো বাৰে বাৰে প্ৰমাণিত হৈ আছে। মানবসমাজৰ অগ্ৰগতিৰ বৰ্ত্তমান স্তৰত যে পুঁজিবাদী উৎপাদন ব্যৱস্থা খাপ নোখোৱা হৈ পৰিছে সেইটো অতি সুস্পষ্ট ভাবে প্ৰমানিত কৰি দিছে সমাজ তান্ত্ৰিক দেশবোৰৰ অৰ্থ নৈতিক উন্নয়নে। দৰিদ্ৰতা, নিবনুৱা





সমস্যা, প্ৰশাসনীয় দুৰ্নিতী, নৈতিক অধঃপতন আদিক এৰাই যোৱাৰ কোনো পথেই নাই বুলি পুঁজিবাদী সমাজৰ, তথা পুঁজিবাদৰ তত্ত্ববিদ সকলৰ মত। অথচ সমাজতান্ত্ৰিক ব্যৱস্থা প্ৰচলিত হোৱা দেশবোৰে অতি কম সময়ৰ ভিতৰতে এই সমস্যা বিলাক সম্পূৰ্ণভাবে নোহোৱা কৰি সমগ্ৰ বিশ্বতে চমক লগাই দিছে আৰু সমাজতন্ত্ৰৰ প্ৰতি আৰু সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰতি সমগ্ৰ পৃথিবীৰ শোষিত নিপীড়িত জনসাধাৰণক আকৃষ্ট কৰি তুলিছে।

এপিনে সমাজতন্ত্ৰৰ প্ৰতি মানুহৰ তীব্ৰ আকৰ্ষণ, আনপিনে পুঁজিবাদী ব্যৱস্থা থকা অংশত ক্ৰমবৰ্দ্ধমান দৰিদ্ৰতা, নিবনুৱা, নৈতিক অধঃপতন, আৰু পুঁজিবাদী দেশসমূহৰ পৰস্পৰৰ মাজত সংকুচিত হৈ পৰা পণ্যৰ বজাৰৰ কাৰণে তীব্ৰ প্ৰতিদ্বন্দ্বিতা, জাতীয় তিক্ততা আদিৰ চূড়ান্ত প্ৰকাশ। এই পৰিস্থিতিয়ে এনে এটা অৱস্থাৰ সৃষ্টি কৰিছে যে সমাজতন্ত্ৰৰ শক্তিসমূহে একত্ৰিত হৈ আজোৰ মাৰিলে সাম্ৰাজ্যবাদৰ শিকলি য'তে ত'তে ছিঙি যোৱাটো সম্ভৱপৰ। এতিয়া আৰু শিকলিৰ বিশেষ বিশেষ দুৰ্ব্বল স্থান নাই, সমস্ত শিকলিডালেই মামৰ লাগি দুৰ্ব্বল হৈ গৈছে।

## (৮) সমাজতান্ত্ৰিক বিপ্লৱৰ বিশেষ চৰিত্ৰ ঃ

দাসপ্ৰথাই আছিল শ্ৰেণী বিভক্ত সমাজৰ আৰম্ভনি আৰু পুঁজিবাদেই হ'ল শ্ৰেণীবিভক্ত সমাজৰ শেষ অৱস্থা। পুঁজিবাদী ব্যৱস্থাত উৎপাদিকা শক্তি সমূহৰ উন্নতিয়ে যি স্তৰ পাইছে আৰু পাব ধৰিছে, তাৰ পিছত আৰু মানৱ সমাজক শ্ৰেণী বিভক্ত কৰি ৰাখিব পৰা কোনো ধৰণৰ উৎপাদন সম্পৰ্কই উন্নত উৎপাদিকা শক্তি সমূহৰ উপযুক্ত ব্যৱহাৰ কৰিব নোৱাৰিব। গতিকে পুঁজিবাদৰ পিছত মানব সমাজৰ গতি হ'ল অবধাৰিত ভাবেই সমাজতন্ত্ৰলৈ, এয়ে হ'ল মাৰ্ক্সবাদ লেনিনবাদৰ তথা ঐতিহাসিক বস্তুবাদৰ খাতাং সিদ্ধান্ত। গতিকে যি সমাজ বিপ্লৱে পুঁজিবাদী উৎপাদন সম্পৰ্কসমূহক উৎখাত কৰি সমাজতান্ত্ৰিক উৎপাদন সম্পৰ্ক প্ৰতিষ্ঠা কৰিব, সেই বিপ্লৱে শ্ৰেণী বিভক্ত মানব সমাজত যুগ যুগ ধৰি গঢ়ি উঠা সকলো প্ৰকাৰৰ শোষণৰ প্ৰথা, আৰু শোষণ ব্যৱস্থাৰ অবশিষ্ট সমূহকো নোহোৱা কৰিব লাগিব, সমাজৰ পৰা সকলো প্ৰকাৰৰ শ্ৰেণী বিভাজনকে নোহোৱা কৰি শ্ৰেণীহীন সমাজ ব্যৱস্থা গঢ়ি তুলিব লাগিব।



OKDISCD

আগতে হৈ যোৱা সমাজ বিপ্লৱ বোৰে এক প্ৰকাৰৰ শোষণ ব্যৱস্থা নোহোৱা কৰি অন্য একপ্ৰকাৰৰ শোষণ ব্যৱস্থাকে প্ৰতিষ্ঠা কৰিছিল, কিছুমান শ্ৰেণীৰ অস্তিত্ব বা আধিপত্য নোহোৱা কৰি অন্য কিছুমান নতুন নতুন শ্ৰেণীৰ সৃষ্টি কৰিছিল। উৎপাদন সম্পৰ্ক পৰিবৰ্ত্তিত হৈছিল, সমাজব্যৱস্থা পৰিবৰ্ত্তিত হৈছিল, কিন্তু শোষণ আৰু শ্ৰেণী বিভাজন সমাজত থাকিয়ে গৈছিল। এটা সমাজ ব্যৱস্থাৰ ভিতৰতে ভবিষ্যত সমাজব্যৱস্থাৰ কাৰণ সমূহৰ সৃষ্টি হয়। কিন্তু দাস প্ৰথাৰ পৰা সামন্তবাদলৈ উত্তৰণৰ পথত, আৰু বিশেষকৈ সামন্তবাদৰ পৰা পুঁজিবাদলৈ উত্তৰণৰ পথত, প্ৰচলিত সমাজ ব্যৱস্থাৰ ভিতৰতে ভবিষ্যতৰ সমাজ ব্যৱস্থাৰ উৎপাদন সম্পৰ্কসমূহো কিছু কিছু পৰিমানে গঢ়ি উঠিছিল। সামন্তবাদ লোপ হোৱাৰ আগতেই, সামন্তবাদী সমাজ ব্যৱস্থাৰ ভিতৰতে সামন্তবাদী সকলৰ হাতত ৰাষ্ট্ৰক্ষমতা থকা অৱস্থাতে পুঁজিবাদী উৎপাদন সম্পৰ্কও কিছু কিছু পৰিমাণ গঢ়ি উঠিছিল, নতুন নতুন শ্ৰেণীৰ বিশেষকৈ পুঁজিপতি আৰু মজুৰ শ্ৰেণীৰ সৃষ্টিও হৈছিল যথেষ্ট পৰিমানে। সমাজত ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল সমাজ শ্ৰেণী বিভক্ত হোৱাৰ পিছত, শোষক শ্ৰেণী সমূহে শোষিত শ্ৰেণী সমূহক দমন কৰাৰ উদ্দেশ্যে। গতিকে দাসযুগৰ ৰাষ্ট্ৰ সামন্ত বাদীৰ যুগৰ ৰাষ্ট্ৰ আৰু পুঁজিবাদী যুগৰ ৰাষ্ট্ৰবোৰৰ বাহ্যিক ৰূপ সম্পূৰ্ণ বেলেগ বেলেগ ধৰণৰ হলেও সেই ৰাষ্ট্ৰবোৰৰ মাজত মৌলিক পাৰ্থক্য একোৱেই নাছিল। ৰাষ্ট্ৰযন্ত্ৰৰ সকলো অঙ্গ-প্ৰত্যঙ্গকে শোষক শ্ৰেণীসমূহৰ স্বাৰ্থৰক্ষা কৰাৰ কাৰণে আৰু শোষিত শ্ৰেণীবোৰক দমন কৰি ৰখাৰ কাৰণে প্ৰয়োজনীয় ভাবে যুগে যুগে উন্নত কৰি অনা হৈছে। ৰাষ্ট্ৰৰ আমোলাসকল, সৈন্যবাহিনী সেইসকলৰ তথাকথিত নৈতিক মান, এই আটাইবোৰকে শোষণৰ লক্ষ্যত, শোষকসকলৰ স্বাৰ্থৰক্ষাৰ বাবে উপযুক্ত ভাবে তৈয়াৰ কৰি লোৱা হৈছে। আগৰ সমাজ বিপ্লৱ বোৰত বিপ্লৱী শ্ৰেণীসমূহৰ নেতাশ্ৰেণীটোৱে ৰাষ্ট্ৰ ক্ষমতা দখল কৰি লৈ, পুৰণি যন্ত্ৰটোকে প্ৰয়োজন অনুপাতে মেৰামতি কৰি লৈ নতুন উৎপাদন সম্পৰ্ক গঢ়ি তোলাৰ কাৰণে ব্যৱহাৰ কৰাত বিশেষ কোনো অসুবিধা হোৱা নাছিল। ৰাষ্ট্ৰ যন্ত্ৰৰ আমোলাসকল, সৈন্যবাহিনী আগেও জনবিৰোধী আছিল আৰু বিপ্লৱৰ পিছতো তেওঁলোকৰ জনবিৰোধী চৰিত্ৰ আৰু ধৰণ কৰণ বদলাবৰ প্ৰয়োজন হোৱা নাছিল। মাত্ৰ একধৰণৰ শোষণৰ ঠাইত অন্য একধৰণৰ





শোষণক সাহায্য কৰা আৰু একশ্ৰেণী শোষকৰ ঠাইত অন্য একশ্ৰেণীৰ শোষকৰ সেৱা কৰাৰ কাৰণে প্ৰস্তুত কৰি লʼলেই ৰাষ্ট্ৰযন্ত্ৰৰ মেৰামতি সম্পূৰ্ণ হৈ গৈছিল, ব্যৱহাৰৰ যোগ্য হৈ উঠিছিল। কিন্তু সমাজতান্ত্ৰিক বিপ্লৱৰ কৰ্ত্তব্য সমাজত যুগ যুগ ধৰি গঢ়ি উঠা শোষনৰ ব্যৱস্থা, শ্ৰেণী নিপীড়ন, শ্ৰেণীগত ধ্যান-ধাৰণা সকলোকে নিৰ্ম্মূল কৰা। এনে এখন শোষনহীন আৰু শ্ৰেণী সমাজ গঢ়ি তোলাৰ কাৰণে পুৰণি ৰাষ্ট্ৰ যন্ত্ৰক মেৰামত কৰি ব্যৱহাৰ কৰাটো মতেই শ্ৰেণীহীন সম্ভৱপৰ নহয়। গতিকে সমাজতান্ত্ৰিক বিপ্লৱত ৰাষ্ট্ৰযন্ত্ৰক দখল কৰি বিপ্লৱী শ্ৰেণীসমূহে মেৰামতি কৰি ব্যৱহাৰ কৰাটো অবাস্তব কথা। এই বিপ্লৱে পুৰণি ৰাষ্ট্ৰ যন্ত্ৰক সম্পূৰ্ণ ভাবে ভাঙি-ছিঙি চূৰমাৰ কৰি দিব লাগিব, আৰু তাৰ ঠাইত নতুন আদৰ্শ, নতুন ধ্যান ধাৰণা লৈ নতুন লক্ষ্য সাধনৰ বাবে ব্যৱহাৰ কৰিব পৰা এখন নতুন ৰাষ্ট্ৰ গঢ়ি তুলিব লাগিব। সামন্তবাদী ৰাষ্ট্ৰৰ শাসন কালতে, সমাজৰ আংশিক ভাবে হলেও পুঁজিবাদী সম্পৰ্ক গঢ়ি উঠাটো সম্ভৱপৰ হৈছিল। কাৰণ দুয়োটা ব্যৱস্থাতে শোষক আৰু শোষিত শ্ৰেণী আছিল, আৰু ৰাষ্ট্ৰযন্ত্ৰই শোষণক নিৰাপত্তা দিছিল। ব্যক্তিগত সম্পত্তিক ৰক্ষনাবেক্ষন দিছিল। আনহাতে সমাজতান্ত্ৰিক সমাজ ব্যবস্থাত ব্যক্তিগত সম্পত্তিৰ সকলো ধ্যান ধাৰণাকে নিৰ্ম্মূল কৰিব লাগিব, সকলো প্ৰকাৰৰ শোষণৰে অবসান কৰিব লাগিব। সেই পুঁজিবাদী ব্যবস্থাৰ গৰ্ভতে সমাজতান্ত্ৰিক সমাজব্যবস্থাৰ বাবে প্ৰয়োজনীয় সামাজিক চৰিত্ৰসম্পন্ন বৃহৎ বৃহৎ উৎপাদনৰ সঁজুলি, সচেতন সংগঠিত আৰু মানব সমাজৰ বৃহত্তম অংশক সামৰি লোৱা সৰ্বহাৰা শ্ৰেণী ইত্যাদি, কেচামাল সমূহ বা সমাজতন্ত্ৰৰ বাস্তৱ অৱস্থাবোৰৰ সৃষ্টি হলেও, পুঁজিবাদী ৰাষ্ট্ৰৰ শাসনত সমাজতান্ত্ৰিক উৎপাদন সম্পৰ্ক গঢ়ি উঠাটো বা সমাজতন্ত্ৰৰ সূচনা হোৱাটো সম্ভৱপৰ নহয়।

সমাজত শ্ৰেণী বিভাজনৰ অন্ত পৰিলে, সমাজত সকলো প্ৰকাৰৰ শোষনৰ অৱসান হলে এটা শ্ৰেণীয়ে আন শ্ৰেণীক দমন কৰাৰ প্ৰয়োজনো নোহোৱা হব আৰু সমাজৰ সেই স্তৰত ৰাষ্ট্ৰৰো কোনো প্ৰয়োজন নোহোৱা হৈ পৰিব। কিন্তু পুঁজিবাদী ব্যৱস্থাৰ পৰা সমাজতন্ত্ৰলৈ উত্তৰণ একে দিনে নহয়। সমাজ বিপ্লবৰ প্ৰথম পদক্ষেপত সৰ্বহাৰা শ্ৰেণীয়ে সকলো শোষিত জনসাধাৰণৰ সাহায্যত পুজিবাদী ৰাষ্ট্ৰক ধ্বংস কৰি দি, পুজিপতি তথা বুৰ্জুৱা শ্ৰেণীক নিৰস্ত্ৰ কৰি লব লাগিব আৰু নিজৰ হাতত ৰাষ্ট্ৰ ক্ষমতালৈ সৰ্বহাৰা শ্ৰেণীৰ নতুন ধ্যান



OKDISCD

ধাৰণা সম্পন্ন ৰাষ্ট্ৰ এখন গঢ়ি তুলিব লাগিব। এই ৰাষ্ট্ৰই ক্ষমতাচ্যুত আৰু বিদায়ী বুৰ্জুৱা শ্ৰেণী আৰু সকলো শোষক শ্ৰেণীৰে প্ৰতিবিপ্লৱী অভ্যুত্থানবোৰক, আৰু সমাজতন্ত্ৰ ৰচনাৰ পথত সৃষ্টি কৰা প্ৰতিৰোধবোৰক পৰাস্ত কৰি যাব লাগিব, তেতিয়াহে মানৱ সমাজত শ্ৰেণীহীন সমাজব্যৱস্থা সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ হব।

সমাজতান্ত্ৰিক বিপ্লৱৰ বাস্তৱ অৱস্থা আহি পৰাৰ পিছত, মাৰ্ক্সবাদৰ তত্ত্বক বাস্তৱত ৰূপায়িত কৰাৰ সময়ত লেনিনে ৰাষ্ট্ৰ সম্পৰ্কে মাৰ্ক্সবাদৰ তত্ত্ব, পুঁজিবাদী ৰাষ্ট্ৰৰ প্ৰকৃতি সমাজতান্ত্ৰিক বিপ্লৱৰ দৃষ্টিভঙ্গী আৰু কৰ্ত্তব্য ইত্যাদি বিষয়ত বহুতো তৰ্ক বিতৰ্কৰ সন্মুখীন হব লগীয়াত পৰিছিল আৰু সেই তৰ্ক বিতৰ্কৰ মাজেদিয়ে লেনিনৰ বিখ্যাত গ্ৰন্থ "ৰাষ্ট্ৰ আৰু বিপ্লৱ" ৰচিত হৈছিল। দ্বিতীয় আন্তৰ্জাতিকৰ নেতা সকলে পুঁজিবাদ আৰু সমাজতন্ত্ৰৰ মাজত হোৱা মতাদৰ্শমূলক সংগ্ৰামত অৱতীৰ্ণ হৈ পুজিবাদৰ পৰৱৰ্ত্তী সমাজব্যৱস্থা যে সমাজতন্ত্ৰই হব, সৰ্বহাৰা শ্ৰেণীয়েই যে সমাজ বিপ্লৱৰ নেতৃত্ব কৰি সমাজতন্ত্ৰ ৰচনা কৰিব লাগিব, এইবোৰ সম্পৰ্কত মাৰ্ক্সবাদৰ তত্ত্বক মানৱ সমাজত সুপ্ৰতিষ্টিত কৰিছিল। আৰু সৰ্ব্বহাৰা শ্ৰেণীকো ৰাজনৈতিক ভাবে সচেতন আৰু সংগঠিত কৰিছিল। কিন্তু বিপ্লৱৰ উপযুক্ত সময় আহি পৰাত দ্বিতীয় আন্তৰ্জাতিকৰ বেছিভাগ নেতায়েই মাৰ্ক্সবাদৰ যথাৰ্থ প্ৰয়োগ কৰাত ব্যৰ্থ হৈছিল, আৰু ৰাষ্ট্ৰৰ ক্ষেত্ৰত তেওঁলোকৰ মতাদৰ্শই ভ্ৰান্ত হৈ পৰিছিল। লেনিনে এই সমস্ত তত্ত্ববিদৰ লগত মতাদৰ্শৰ সংগ্ৰাম কৰি মাৰ্ক্স-বাদক শুদ্ধ পথত সুপ্ৰতিষ্ঠিত কৰিছিল। সৰ্বহাৰা শ্ৰেণীৰ বিপ্লৱী ৰাজনৈতিক দল সময়োপযোগী কৰি গঢ়ি তুলিছিল আৰু বিপ্লৱৰ বাস্তৱ অৱস্থা আহি পৰোঁতে বিপ্লৱক সাৰ্থক কৰি তুলিছিল। ৰাষ্ট্ৰ সম্পৰ্কে মাৰ্ক্সবাদৰ শিক্ষাক লেনিনে এইদৰে প্ৰকাশ কৰিছিল।

"ৰাষ্ট্ৰ আৰু সমাজ বিপ্লৱৰ ক্ষেত্ৰত শ্ৰেণীসংগ্ৰামৰ তত্ত্বক প্ৰয়োগ কৰোতে মাৰ্ক্সে যি কৈ গৈছে তাৰ অৰ্থ হ'ল সৰ্বহাৰা শ্ৰেণীৰ ৰাজনৈতিক শাসন বা সৰ্ব্বহাৰাৰ একনায়কত্ব। অৰ্থাৎ এই ক্ষমতাত আন কোনো শ্ৰেণীৰে অংশ নাথাকে আৰু এই ক্ষমতা একমাত্ৰ জনসাধাৰণৰ সশস্ত্ৰ বাহিনীৰ ওপৰতহে নিৰ্ভৰ কৰিব লাগিব। সৰ্বহাৰা শ্ৰেণীয়ে শাসক শ্ৰেণী হৈ অন্যান্য সকলো শ্ৰমজীৱি আৰু শোষিত মানুহক সংগঠিত কৰি বুৰ্জুৱা শ্ৰেণীৰ অৱধাৰিত প্ৰতিৰোধক





ধ্বংস কৰিব পাৰিলেহে সমাজৰ পৰা বুৰ্জুৱা শ্ৰেণীৰ সকলো শিপা উভালি পেলাই নতুন অৰ্থনৈতিক ব্যৱস্থা গঢ়ি তুলিব পাৰিব।"

( লেনিন—ৰাষ্ট্ৰ আৰু বিপ্লৱ। )

পুঁজিবাদী ৰাষ্ট্ৰক ধ্বংস কৰি দি সৰ্ব্বহাৰা শ্ৰেণীয়ে যি শ্ৰেণী ৰাষ্ট্ৰ "সৰ্বহাৰাৰ একনায়কত্ব" গঢ়ি তুলিব, পুঁজিবাদৰ পৰা সমাজতন্ত্ৰলৈ উত্তৰণৰ সমস্ত কালছোৱাতে অপৰিহাৰ্য্য ভাবে সেই ৰাষ্ট্ৰৰ প্ৰয়োজন থাকি যাব। যেতিয়া মানৱ সমাজৰ সকলো অংশতে শ্ৰেণীহীন সমাজ ব্যৱস্থা—সমাজতন্ত্ৰ গঢ়ি উঠিব, তেতিয়াহে মানৱ সমাজত বুৰ্জুৱা শ্ৰেণীৰ ধ্যান ধাৰণা আৰু সশস্ত্ৰ প্ৰতিৰোধৰো অন্ত পৰিব আৰু ৰাষ্ট্ৰও নিস্প্ৰয়োজনীয় হৈ পৰিব। সমাজৰ সেই পৰ্য্যায়তহে ৰাষ্ট্ৰৰ বিলোপ হব।

## (৯) সমাজতান্ত্ৰিক বিপ্লৱৰ লক্ষ্য আৰু পথ ঃ

পুঁজিবাদী ব্যৱস্থাত প্ৰতিষ্ঠিত উৎপাদন সম্পৰ্কসমূহে সমাজৰ উৎপাদিকা শক্তি সমূহৰ বিকাশৰ পথ ৰুদ্ধ কৰি দিছে, গতিকে সেই সম্পৰ্কবোৰ উভালি পেলাই সমাজত নতুন ধৰণৰ উৎপাদন-সম্পৰ্ক অৰ্থাৎ সমাজতান্ত্ৰিক উৎপাদন-সম্পৰ্ক প্ৰতিষ্ঠা কৰি সমাজতান্ত্ৰিক ব্যৱস্থা ৰচনা কৰিব লাগিব। এয়ে হ'ল থুলমূল ভাবে সমাজতান্ত্ৰিক বিপ্লৱৰ লক্ষ্য। এই লক্ষ্য সাধনৰ কাৰণে বিপ্লৱৰ চালিকা শক্তি হ'ল সৰ্ব্বহাৰা শ্ৰেণী, অৰ্থাৎ শিল্প মজুৰ শ্ৰেণী আৰু এই বিপ্লৱৰ ঘাই শত্ৰু হ'ল বুৰ্জুৱা শ্ৰেণী। সাম্ৰাজ্যবাদৰ যুগত যে যি কোনো দেশৰ বিপ্লৱেই আন্তৰ্জাতিক সমাজতান্ত্ৰিক বিপ্লৱৰ অংশ হৈ পৰিছে সেইটো আমি আগতেই আলোচনা কৰি আহিছো অৰ্থাৎ সমাজতান্ত্ৰিক বিপ্লৱ হ'ল সমগ্ৰ পৃথিবীৰ বুৰ্জুৱা শ্ৰেণীৰ বিৰুদ্ধে সমগ্ৰ পৃথিবীৰ সৰ্ব্বহাৰা শ্ৰেণীৰ বিপ্লৱ, সমস্ত পৃথিবীতে পুঁজিবাদৰ ঠাইত সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ বিপ্লৱ। সমগ্ৰ পৃথিবীৰ সৰ্ব্বহাৰা শ্ৰেণীয়ে একেলগে বহি কোন দেশত কেতিয়া বিপ্লৱ কৰিব বা কৰা উচিত হব, সেইটো আলোচনা কৰি বিপ্লৱ নকৰে আৰু সেইদৰে বিপ্লৱ নহয়। কিন্তু যি কোনো এখন দেশত সৰ্ব্বহাৰা শ্ৰেণীয়ে বুৰ্জুৱা শ্ৰেণীৰ স্বাৰ্থত আঘাত কৰিলেই যে গোটেই পৃথিবীৰ বুৰ্জুৱা শ্ৰেণীয়েই জিকাৰ খাই উঠে, আৰু সেইদেশৰ বিপ্লৱক বাধা দিবলৈ দৌৰি আহে বা সাহায্য আৰু সমৰ্থন আগ বঢ়ায়, সেইটো জল জল



OKDISCD

পট্ পট্ কথা। তেনে অৱস্থাত যি কোনো দেশৰ সৰ্ব্বহাৰা শ্ৰেণীয়ে নিজৰ দেশত বুৰ্জুৱা শ্ৰেণীক আঘাত কৰোতে অৰ্থাৎ বুৰ্জুৱা শ্ৰেণীৰ হাতৰ পৰা ৰাষ্ট্ৰ ক্ষমতা কাঢ়ি আনিব যাওতে পৃথিৱীৰ অন্যান্য দেশৰ বুৰ্জুৱা শ্ৰেণীৰ অৱস্থা আৰু সৰ্ব্বহাৰা শ্ৰেণীৰ অৱস্থালৈ নিশ্চয় মন কৰিব লাগিব। অন্যান্য দেশৰ বুৰ্জুৱা শ্ৰেণীৰ অৰ্থাৎ বুৰ্জুৱা ৰাষ্ট্ৰবোৰৰ কোনবোৰে বা কিমানে আহি সংশ্লিষ্ট দেশৰ বুৰ্জুৱা শ্ৰেণীক কি পৰিমাণে সহায় কৰাটো সম্ভৱপৰ সেইটো যেনেকৈ লক্ষ্য কৰিব লাগিব, অন্যান্য দেশৰ সৰ্ব্বহাৰা শ্ৰেণীৰ সংগঠন, শক্তি আদিও তেনেকৈ লক্ষ্য কৰিব লাগিব।

দ্বিতীয়তে নিজ নিজ দেশত সৰ্ব্বহাৰা শ্ৰেণীয়ে বিপ্লৱৰ প্ৰস্তুতি কৰোতে সেই দেশত বিৰাজ কৰা উৎপাদন সম্পৰ্কসমূহ, সেইবোৰে সৃষ্টি কৰা শ্ৰেণী সমূহ, বিভিন্ন শ্ৰেণীৰ মাজত থকা শ্ৰেণীদ্বন্দ্ব সমূহ, কোনবোৰ শ্ৰেণীয়ে বিপ্লৱক সাহায্য বা সমৰ্থন দিয়াৰ সম্ভাৱনা থাকে আৰু কোনবোৰ শ্ৰেণীয়ে বিপ্লৱৰ বিৰোধিতা কৰাৰ সম্ভাৱনা থাকে, বিপ্লৱৰ ঘাই শত্ৰু কোন শ্ৰেণী ইত্যাদি তন্ন তন্ন কৈ বিচাৰ কৰি উলিয়াব লাগিব। সমাজতান্ত্ৰিক বিপ্লৱ পুঁজিবাদী সমাজব্যৱস্থাক ভাঙি সমাজতন্ত্ৰ ৰচনা কৰাৰ বিপ্লৱ। কিন্তু আমি আগেয়ে আলোচনা কৰি আহিছো যে সাম্ৰাজ্যবাদৰ যুগত পৃথিৱীৰ বেছিভাগ দেশকেই মুষ্টিমেয় কেইখনমান উন্নত পুঁজিবাদী দেশে উপনিবেশ বা অৰ্দ্ধ-উপনিবেশত পৰিণত কৰি সেই দেশসমূহৰ উৎপাদন ব্যৱস্থাক বিকৃত ধৰণে আগবাঢ়িবলৈ বাধ্য কৰিছে। সেই দেশবোৰত উন্নত সাম্ৰাজ্যবাদী শোষণৰ পৰা আৰম্ভ কৰি সামন্তবাদী বা তাতকৈয়ো আগৰ যুগৰ শোষণ ব্যৱস্থাবোৰকো জীয়াই ৰখা হৈছে আৰু সেইদৰে বহুধৰণৰ শোষক আৰু শোষিত শ্ৰেণীও বৰ্ত্তমান আছে। এনে কিছুমান অঞ্চল বা ক্ষুদ্ৰ ক্ষুদ্ৰ দেশো আছে য'ত সাম্ৰাজ্যবাদৰ শোষণ বা শাসন, নাইবা দুয়োটাই আছে অথচ সেই দেশৰ ভৌগলিক সীমাৰ ভিতৰত বুৰ্জুৱা শ্ৰেণীয়ো নাই সৰ্ব্বহাৰা শ্ৰেণীয়ো নাই অৰ্থাৎ কোনোধৰণৰ পুঁজিবাদী শিল্পই প্ৰতিষ্ঠা হোৱা নাই।

সমাজতান্ত্ৰিক বিপ্লৱে যিহেতু পুঁজিবাদী সমাজত প্ৰতিষ্ঠা হোৱা বা আগৰ যুগৰ পৰাই ৰৈ থকা সকলো শোষণ আৰু সকলো শ্ৰেণী বিভাজনৰে অৱসান কৰিব লাগিব, বিপ্লৱৰ আশু কৰ্ত্তব্য বিলাকো বিভিন্ন দেশত বিভিন্ন ধৰণৰ হ'ব,





আৰু সেই দৰে বিভিন্ন দেশত বিভিন্ন ধৰণৰ শ্ৰেণী সমাবেশো হব। বিপ্লৱৰ শ্ৰেণী সমাবেশ আৰু আশুকৰ্ত্তব্যৰ তাৰতম্য অনুসৰি বিভিন্ন স্তৰৰ বিপ্লৱক বিভিন্ন ধৰণে নামাকৰণ কৰা হৈছে যেনে জাতীয় মুক্তিৰ বিপ্লৱ, জনগণতান্ত্ৰিক বিপ্লৱ, ইত্যাদি। কিন্তু সাম্ৰাজ্য বাদৰ যুগত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে হোৱা সকলো দেশৰ সকলো বিপ্লৱেই বিশ্ব সমাজতান্ত্ৰিক বিপ্লৱৰ অংশ বিশেষ। কাৰণ এই যুগৰ সকলো সাম্ৰাজবাদ বিৰোধী বিপ্লৱৰে অৱধাৰিত ফল হয় পুঁজিবাদৰ শক্তি সমূহক দুৰ্ব্বল কৰা আৰু সমাজতন্ত্ৰৰ শক্তিসমূহক শক্তিৰ যোগান ধৰা।

বিশ্ব কমিউনিষ্ট আন্দোলনৰ লক্ষ্য সম্পৰ্কত লেনিনৰ নেতৃত্বত গঠিত তৃতীয় আন্তৰ্জাতিকৰ কাৰ্য্যসূচীত ১৯২৮ চনতে কোৱা হৈছিল "প্ৰত্যেক দেশৰ কমিউনিষ্ট পাৰ্টিয়ে নিজৰ ৰণকৌশল গ্ৰহণ কৰোতে বিবেচনা কৰিব লাগিব সেই দেশৰ আভ্যন্তৰীণ আৰু পাৰিবেশিক বাস্তৱ অৱস্থাবোৰ, শ্ৰেণী শক্তিবোৰৰ পাৰস্পৰিক অৱস্থান, বুৰ্জুৱাশ্ৰেণীৰ শক্তি আৰু স্থিৰতাৰ পৰিমাণ, সৰ্ব্বহাৰা শ্ৰেণীৰ প্ৰস্তুতিৰ পৰিমাণ, আৰু বিভিন্ন মজলীয়া শ্ৰেণীসমূহে গ্ৰহণ কৰা ভূমিকা ইত্যাদি। এই অৱস্থাবোৰৰ লগত সঙ্গতি ৰাখিহে প্ৰত্যেক দেশৰ কমিউনিষ্ট পাৰ্টিয়ে নিজ নিজ দেশৰ কাৰণে ৰণকৌশল গ্ৰহণ কৰিব লাগিব আৰু ৰণধ্বনি (slogan) বাচি লব লাগিব যাতে বিপ্লৱৰ কাৰণে জনসাধাৰণৰ সৰ্ব্ববৃহৎ অংশক সৰ্ব্বাধিক মাত্ৰাত সুসংগঠিত কৰাটো সম্ভৱপৰ হৈ উঠে।"

(কমিউনিষ্ট আন্তৰ্জাতিকৰ কাৰ্য্যসূচী, ১৯২৮)

১৯২৮ চনৰ পিছতো আৰু প্ৰায় ৪৫ বছৰ কাল অতীত হৈ গ'ল। এই কালছোৱাত পুঁজিবাদ আৰু সমাজতন্ত্ৰৰ মাজৰ সংগ্ৰাম আৰু তীব্ৰতৰ হৈছে। ১৮১৮ চনৰ পৰাই একমাত্ৰ সমাজতান্ত্ৰিক ৰাষ্ট্ৰ চোভিয়েট ৰুচিয়াক ধ্বংস কৰিবলৈ বিশ্বৰ সকলো সাম্ৰাজ্যবাদী ৰাষ্ট্ৰই, সশস্ত্ৰ হস্তক্ষেপ, অৰ্থ নৈতিক অৱৰোধ কূটনৈতিক অপকৌশল সকলো চলোৱাৰ পিছতো মানৱ সমাজৰ ইতিহাস মাৰ্ক্সবাদ লেনিনবাদে আবিষ্কাৰ কৰা পথেৰেই ৰচিত হৈ আছে। পৃথিৱীৰ ১৩।১৪ খন দেশত পুঁজিবাদী ব্যৱস্থা লোপ হৈ সমাজতন্ত্ৰ প্ৰতিষ্ঠা হৈছে, সাম্ৰাজ্য বাদৰ শিবিৰৰ নাজীজাৰ্ম্মেনি, মুছলিনিৰ ইটালী আদি প্ৰধান প্ৰধান অংশীদাৰ কিছুমান চিৰকালৰ বাবে লোপ পাইছে, পৃথিৱীৰ এক তৃতীয়াংশ জনসাধাৰণ



OKDISCD

বাসস্থান প্ৰায় এক তৃতীয়াংশ ঠাইত সমাজতান্ত্ৰিক সমাজ ৰচিত হৈছে। সাম্ৰাজ্যবাদৰ বিশ্বজোৰা বজাৰ পৃথিবীৰ বাকী দুই তৃতীয়াংশত সীমাবদ্ধ হৈছে পৃথিবীৰ প্ৰায়ভাগ উপনিবেশতেই সাম্ৰাজ্যবাদী প্ৰত্যক্ষ শাসনৰ অৱসান হৈছে। সংকুচিত বজাৰত সাম্ৰাজ্যবাদী শক্তি কেইটাৰ প্ৰতিদ্বন্দ্বিতা তীব্ৰতৰ হৈছে। সদ্যমুক্ত উপনিবেশবোৰৰ দুৰ্ব্বল শাসক শ্ৰেণীৰ সাম্ৰাজ্যবাদীহঁতে অৰ্থনৈতিক সাহায্য, ৰাজনৈতিক ৰক্ষনাবেক্ষন দিয়াৰ চল কৰি নব্য উপনিবেশ হিচাবে জীয়াই ৰখাৰ চেষ্টা চলাইছে। পৃথিবীৰ সকলো দেশতেই মজলীয়া শ্ৰেণীসমূহৰ সমাজতন্ত্ৰৰ প্ৰতি আকৰ্ষণ বাঢ়িছে।

মতাদৰ্শ আৰু অৰ্থনীতিৰ ক্ষেত্ৰত পুজিবাদতকৈ সমাজতন্ত্ৰৰ শ্ৰেষ্ঠতা সন্দেহাতীত ভাবে প্ৰতিপন্ন হৈছে। সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ প্ৰথম পদক্ষেপ হিচাপে সৰ্ব্বহাৰা শ্ৰেণীৰ হাতত ৰাষ্ট্ৰক্ষমতাৰ আৱশ্যক। কিন্তু এতিয়াও পৃথিবীৰ দুই তৃতীয়াংশ অঞ্চলত ৰাষ্ট্ৰক্ষমতা বুৰ্জুৱা শ্ৰেণীৰ হাততেই আছে কাৰণে সেই বিৰাট অঞ্চলত জনসাধাৰণৰ বৃহত্তম অংশই সমাজতন্ত্ৰ কামনা কৰিলেও তেওঁলোকৰ পক্ষে সমাজতান্ত্ৰিক সমাজ ৰচনা কৰাটো সম্ভৱপৰ হোৱা নাই। সেই অঞ্চল সমূহত বুৰ্জুৱা শ্ৰেণীৰ হাতৰ পৰা সৰ্ব্বহাৰা শ্ৰেণীয়ে কি উপায় ৰাষ্ট্ৰক্ষমতা অধিকাৰ কৰিব পাৰি সেইটোৱে আজি বিশ্ব সমাজতান্ত্ৰিক বিপ্লৱৰ সমুখত প্ৰাথমিক কৰ্ত্তব্য। সৰ্ব্বহাৰা শ্ৰেণীয়ে বিভিন্ন দেশত বিভিন্ন কৌশলেৰে চেষ্টা চলাই আছে। বুৰ্জুৱাশ্ৰেণীয়েও বিভিন্ন দেশত বিভিন্ন কৌশলেৰে তেওঁলোকৰ শ্ৰেণীশাসন বচাই ৰখাৰ চেষ্টা চলাই আছে। বিভিন্ন দেশৰ এই কৌশল আৰু অপকৌশলবোৰৰ আলোচনা কৰাটো এই প্ৰবন্ধত সম্ভৱপৰ নহয় আৰু এই প্ৰবন্ধৰ লক্ষ্যও নহয়। সাধাৰণভাবে এটা প্ৰশ্ন সদায়, সকলো ঠাইতে উঠে যে কমিউনিষ্ট সকলে সদায় হিংসাৰ পোষকতা কৰে, আৰু তেওঁলোকে অহিংসা পথৰ ওপৰত বিশ্বাস নকৰে। এই কথাষাৰৰ অলপ চমু আলোচনা কৰিয়ে এই প্ৰবন্ধৰ সামৰণি মাৰিম।

সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ কাৰণে সৰ্ব্বহাৰা শ্ৰেণীৰ হাতত ৰাষ্ট্ৰক্ষমতা অপৰিহাৰ্য্য। বুৰ্জ্জুৱা শ্ৰেণীৰ হাতত ৰাষ্ট্ৰক্ষমতা থকালৈকে সমাজতন্ত্ৰ ৰচনা অবাস্তৱ আৰু অসম্ভৱ। কাৰণ বুৰ্জ্জুৱা শ্ৰেণীয়ে ৰাষ্ট্ৰক্ষমতা হাতত ৰাখিছে পুঁজিবাদী ব্যৱস্থা নিৰাপদ ভাবে চলাইযোৱাৰ কাৰণে, পুঁজিবাদী শোষনৰ পথত শোষিত শ্ৰেণী





সমূহে সৃষ্টি কৰা বাধাবোৰক আতঁৰ কৰাৰ কাৰণে, শোষিত শ্ৰেণীসমূহক দমন কৰাৰ কাৰণে। ৰাষ্ট্ৰসম্বন্ধে এয়ে হ'ল মাৰ্ক্সবাদ লেনিনবাদৰ তত্ত্ব। ৰাষ্ট্ৰক্ষমতা হাতীলৈ অনা এই অপ্ৰীতিকৰ কামটো সৰ্ব্বহাৰা শ্ৰেণীয়ে কোনোমতেই এৰাই যাব নোৱাৰে। গতিকে এই কামটো কিদৰে কৰিব পৰা যায় সেইটো খাইকৈ নিৰ্ভৰ কৰে বুৰ্জুৱা শ্ৰেণীৰ ওপৰত। অৰ্থাৎ সৰ্ব্বহাৰা শ্ৰেণায়ে অধিক সংখ্যক জনসাধাৰণৰ সমৰ্থন লৈ ৰাষ্ট্ৰক্ষমতা বিচাৰিলে বুৰ্জুৱা শ্ৰেণীয়ে স্বেচ্ছাই এৰি দিব নে নিদিয়ে-- সেইটোৰ ওপৰত। "বুৰ্জুৱা শ্ৰেণীয়ে বেয়া পাব কাৰণে আমাক ৰাষ্ট্ৰক্ষমতাই নালাগে" এনে এটা ''মহান আদৰ্শ" লৈ সমাজতন্ত্ৰ প্ৰতিষ্ঠা হব নোৱাৰে, আৰু ইতিহাসৰ বাস্তৱ অৱস্থাই তেনে এটা "মহান আদৰ্শৰ" গৰাকী কৰি সৰ্ব্বহাৰা শ্ৰেণাক সৃষ্টিও কৰা নাই।

বিভিন্ন দেশৰ বিভিন্ন যুগৰ বিপ্লৱৰ অভিজ্ঞতাই আমাক শিক্ষা দিয়ে, আৰু এই যুগত সংঘটিত হোৱা সকলো দেশৰ সমাজতান্ত্ৰিক বিপ্লৱেই আমাক শিক্ষা দিছে যে কোনো যুগতেই শাসক শ্ৰেণীয়ে স্বেচ্ছাই ৰাষ্ট্ৰক্ষমতা এৰি দিয়া নাই। আৰু বুৰ্জুৱা শ্ৰেণীয়ো কোনো দেশতেই ৰাষ্ট্ৰক্ষমতা স্বেচ্ছাই এৰি দিয়া নাই। যদি কোনোবা দেশত সেই দেশৰ বুৰ্জুৱা শ্ৰেণীয়ে বিপ্লৱত সশস্ত্ৰ প্ৰতিৰোধ কৰিব পৰা নাই তেন্তে আন্তৰ্জাতিক বুৰ্জুৱা শ্ৰেণীয়ে আহি বিপ্লৱত সশস্ত্ৰ প্ৰতিৰোধ কৰিছে। এই যুগৰ বিপ্লৱৰ সকলো অভিজ্ঞতাকে সন্নিবিষ্ট কৰি ১৯৬০ চনত বিশ্বৰ ৮১ খন দেশৰ কমিউনিষ্ট পাৰ্টি সমূহৰ প্ৰতিনিধি সকলে মস্কোত বহা সম্মিলনৰ ঘোষণাত কৈছিল।

"লেনিনবাদে আমাক শিকাইছে আৰু আমাৰ অভিজ্ঞতায়ো এইটো প্ৰতিপন্ন কৰিছে যে শাসক শ্ৰেণী সমূহে কেতিয়াও স্বেচ্ছাই ৰাষ্ট্ৰক্ষমতা এৰি নিদিয়ে। এই অৱস্থাত শ্ৰেণী সংগ্ৰামৰ তিক্ততাৰ পৰিমান কিমান হব পাৰে আৰু শ্ৰেণী সংগ্ৰামে কি ধৰণৰ ৰূপ ধাৰণ কৰিব পাৰে সেইটো সৰ্ব্বহাৰা শ্ৰেণীৰ ওপৰত নিৰ্ভৰ নকৰে, সেইটো বিশেষকৈ নিৰ্ভৰ কৰিব সংখ্যাগৰিষ্ঠ জনসাধাৰণৰ ইচ্ছাক কাৰ্য্যত পৰিণত কৰোতে প্ৰতিক্ৰিয়াশীল চক্ৰবোৰে কি পৰিমানে আৰু কি ধৰণে প্ৰতিৰোধ গঢ়ি তোলে, আৰু সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ বিভিন্ন পৰ্য্যায়ত এই প্ৰতিক্ৰিয়াশীল চক্ৰবোৰে কি পৰিমানে সামৰিক শক্তি প্ৰয়োগ কৰে।"



OKDISCD

আমি চকুৰ আগতে দেখি আছোঁ যে বুৰ্জুৱা শ্ৰেণীয়ে ৰাষ্ট্ৰক্ষমতা এৰি দিয়া দূৰৰ কথা নিজ নিজ দেশত শ্ৰমিক শ্ৰেণীৰ সাধাৰণ সংগঠন, গণতান্ত্ৰিক অধিকাৰৰ আন্দোলন আদিক দমন কৰাৰ কাৰণেই কথাই কথাই ৰাষ্ট্ৰৰ সামৰিক শক্তিক ব্যৱহাৰ কৰি আছে। ভিয়েটনামৰ জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰৰ আন্দোলনত আন্তৰ্জাতিক বুৰ্জুৱা শ্ৰেণীৰ হৈ মাৰ্কিন সাম্ৰাজ্যবাদৰ বৰ্ব্বৰতম আক্ৰমণ আমাৰ চকুৰ আগতে চলি আছে। সকলো দেশতেই প্ৰকৃত মাৰ্ক্সবাদী লেনিনবাদী সকলে আৰু সৰ্ব্বহাৰা শ্ৰেণীয়ে ৰাষ্ট্ৰক্ষমতা দখল কৰাৰ কাৰণে প্ৰস্তুতি চলাই আছে আৰু খোজে খোজে আগবাঢ়ি আছে। সন্মুখত যি পথ খোলা পাইছে সেই পথেৰেই আগ বাঢ়ি আছে—পথত যেতিয়া বাধাৰ সৃষ্টি হৈছে তেতিয়া সেই বাধা আতাৰবৰ চেষ্টা কৰিছে। বাধা যি ধৰণে আহে সেই ধৰণেই তাক আঁতৰ কৰিব লগীয়া হয়। ১৯৬০ চনৰ পিছত বিশ্বৰ কমিউনিষ্ট আন্দোলন বিভক্ত হৈ পৰিছে। আন্তৰ্জাতিক নেতৃত্ব বুলিবলৈ একো নাই—মাত্ৰ আছে মাৰ্ক্সবাদ লেনিনবাদৰ তত্ত্ব আৰু শিক্ষা। তেনে অৱস্থাত ভিয়েটনামৰ জনসাধাৰণে এই তত্ত্ব আৰু শিক্ষাৰ ওপৰত আস্থা ৰাখি, ইতিহাসত নিজৰ ভূমিকাৰ বিষয়ে দৃঢ় আস্থা ৰাখি, ইতিহাসৰ নতুন অধ্যায়টো ৰচনা কৰি আছে, সি এতিয়াও শেষ হোৱা নাই। ১৯৭০ চনত ভিয়েটনামৰ কমিউনিষ্ট পাৰ্টিৰ নেতা লে ডুৱানে এটা প্ৰবন্ধত কৈছে "বৈপ্লৱিক পৰিস্থিতি আহি পৰা মানে ক্ষমতা দখলৰ সমস্যাটো আহি ততালিকে সমুখত উপস্থিত হোৱা। কেনেকৈ ক্ষমতা দখল কৰা যায় সেইটো প্ৰত্যেক দেশৰে নিজ নিজ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে, কিন্তু সকলো দেশতে সকলো ক্ষেত্ৰতে ক্ষমতা দখলৰ একমাত্ৰ পথ হ'ল বিপ্লৱ, সংস্কাৰ নহয়। তাৰ অৰ্থ হ'ল শাসক শ্ৰেণী সমূহৰ হিংস্ৰ আক্ৰমণক শোষিত আৰু নিপীড়িত শ্ৰেণী সমূহে হিংস্ৰভাবেই মোকাবিলা কৰিব লাগিব। গতিকে ৰাজনৈতিক সংগ্ৰামক কেনেকৈ সসস্ত্ৰ সংগ্ৰামৰ লগত যুক্ত কৰিব পাৰি সেই কায়দাটো নিশ্চয় আয়ত্ব কৰিব লাগিব। বিপ্লৱৰ সফলতাৰ কাৰণে বিপ্লৱৰ ৰাজনৈতিক আৰু সামৰিক এই দুয়োটা বাহিনীৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব।" ( লেডুৱান ঃ ভিয়েটনামৰ বিপ্লৱ আৰু তাৰ জৰুৰী সমস্যা। )

এই যুগৰ বৈশিষ্ট্য হ'ল পুজিবাদৰ পতন আৰু সমাজতন্ত্ৰৰ অভ্যুদয়। পুজিবাদী বিশ্বত আৰম্ভ হোৱা সাধাৰণ সংকট, আৰু সেই সংকটে সৃষ্টি কৰা





দৰিদ্ৰতা, নিবনুৱা, নৈতিক অধঃপতন আদি সকলো সমস্যাৰে সমাধানৰ এক মাত্ৰ পথ হ'ল পুজিবাদী উৎপাদন সম্পৰ্ক সমূহৰ বিলোপ কৰি সমাজতান্ত্ৰিক উৎপাদন সম্পৰ্ক গঢ়ি তোলা অৰ্থাৎ উৎপাদন ব্যৱস্থাত উৎপাদিকা শক্তি সমূহৰ বিকাশৰ পথত পুঁজিবাদী সম্পৰ্কই সৃষ্টি কৰা বাধাবোৰক আতৰ কৰি দিয়া।

সমাজতান্ত্ৰিক বিপ্লৱৰ ঘাই চালিকা শক্তি আৰু একমাত্ৰ নেতা হ'ল শ্ৰমিক শ্ৰেণী তথা সৰ্ব্বহাৰা শ্ৰেণী। সৰ্ব্বহাৰা শ্ৰেণীৰ নেতৃত্বত আৰম্ভহলে বা মাজ পথতে সৈ সৰ্ব্বহাৰা শ্ৰেণীয়ে নেতৃত্বৰ গ্ৰহন কৰিব পাৰিলেও এই যুগৰ জাতীয় স্বাধীনতা, গণতন্ত্ৰ বা অন্য যি কোনো বৈপ্লৱিক আন্দোলনেই সৈ সমাজ তান্ত্ৰিক বিপ্লৱলৈ আগবাঢ়ি যোৱাটো অৱধাৰিত। আনহাতে জাতীয়মুক্তি, গণতন্ত্ৰ বা আন যিকোনো গণতান্ত্ৰিক অধিকাৰৰ বাবে বৈপ্লৱিক আন্দোলন আন কোনোবা শ্ৰেণীৰ নেতৃত্বত আৰম্ভ হলেও তাত আহি সাম্ৰাজ্যবাদে বাধা দিয়াটো অৱধাৰিত। এই যুগত সাম্ৰাজ্যবাদৰ তথা পুজিবাদৰ ভয়—যিকোনো বৈপ্লৱিক আন্দোলনেই পুজিবাদৰ পতন ঘটাব পাৰে, আনপিনে সৰ্ব্বহাৰা শ্ৰেণীৰ লক্ষ্য ঃ যি কোনো সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনকেই সমাজতন্ত্ৰ ৰচনাৰ পথত ব্যৱহাৰ কৰাটো সম্ভৱপৰ হব পাৰে।

জাতীয়মুক্তি গণতন্ত্ৰ আৰু সমাজতন্ত্ৰৰ আন্দোলন অবিচ্ছেদ্য ভাবে একেডাল সূতাতে বান্ধ খাই গৈছে—আৰু সাম্ৰাজ্যবাদে তাত আহি বাধাৰ সৃষ্টি কৰিছে। তৎসত্বেও পুজিবাদৰ আমোঘ নিয়ম অনুসাৰে বিভিন্ন সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজত বিভিন্ন দিশৰ পুজিপতি সকলৰ মাজত অন্তৰ্দ্বন্দ্ব আছে আৰু সেইবোৰ সিহঁতে নোহোৱা কৰিব নোৱাৰে। সৰ্ব্বহাৰা শ্ৰেণীয়ে সেই দ্বন্দ্ববোৰকো পাৰ্য্যমানে বিপ্লৱৰ সপক্ষে ব্যৱহাৰ কৰিব লাগিব।

—×—



OKDISCD

# অসমীয়া কবিতা ঃ ১৯৫১—১৯৭১

ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী

কবিতা আত্মকেন্দ্রিক মনৰ অনুভূতিৰ সাৱলীল প্রকাশ নহয়, জীৱন জিজ্ঞাসা আৰু চেতনাই ৰূপ দিয়া অভিজ্ঞতাহে। শোষিত জনসাধাৰণৰ প্রতি উষ্ণ সহানুভূতিয়েই অকল অভিজ্ঞতাক ৰূপদান কৰিব নোৱাৰে সঁচা, কিন্তু বুর্জোৱা আত্মকেন্দ্রিকতাৰ বঠিন খোলা অতিক্রম নকৰিলেও কাব্যিক প্রক্রিয়াৰ অন্তৰঙ্গ হ'ব নোৱাৰি। যিহেতু এটা কবিতাৰ নিশ্চিত সাফল্য নির্ভৰ কৰে আর্কিবল্ড ম্যাকলিছে সজ্ঞানে উলাই কৰা 'অর্থ'ৰ স্বৰূপৰ ওপৰতে, সেয়েহে কাৰিকৰী সূক্ষ্মতা সত্ত্বেও কোনো কবিতাই এক নির্দিষ্ট মান আয়ত্ত কৰিবলৈ সক্ষম নহ'বও পাৰে। অন্তিম বিশ্লেষণত 'অর্থ' আৰু আন একো নহয়,—ৰূপান্বিত, অনুভূত অভিজ্ঞতাৰ তন্ময়তা।

আনহাতে নিজক অতিক্রম কৰাটোও নির্ভৰ কৰে জীৱনৰ সামগ্রিক উপলব্ধি আৰু Commitmentৰ তীব্রতাৰ ওপৰত। বাস্তৱৰ সতেজ, সুস্থিৰ অৱলোকন আৰু বিশ্লেষণ যি কবিৰ অনাত্মীয় নহয়, তেওঁ অহৰহ চেতন বা অৱচেতন ভাৱে বুর্জোৱা মেৰঘৰৰপৰা মুক্তিৰ আকাংক্ষা কৰে, আৰু কাব্যিক প্রক্রিয়াত তন্ময়তা অর্জন কৰে।

এই শতিকাৰ অন্যতম শ্রেষ্ঠ দার্শনিক লাডবিগ বিৎগেণষ্টাইণৰ "ট্রেক্টেটাচ—লজিকো-ফিলোচফিকাচ" গ্রন্থৰ ইংৰাজী সংস্কৰণৰ পাতনিত ৰাচেলে কৈছে যে ন্যায়িক ভিত্তিত বিৎগেণষ্টাইণৰ "সাধাৰণ ভাষ" সম্পৃকীয় তত্ত্বক ওফৰাবলৈ অক্ষম হ'লেও তেওঁ সেই তত্ত্ব ভ্রান্তিকৰ বুলি ঠাৱৰ কৰিছে। এই সিদ্ধান্তৰ জনক নিশ্চয় অপৰিমিত জীৱন জিজ্ঞাসা। কবিতাৰ বিশ্লেষণৰ সৈতেও এই প্রশ্নটো অৱশ্যম্ভাৱী ভাৱে জড়িত থকা হেতুকে বহু সময়ত কবিতা-বিচাৰত পয়মালৰ সৃষ্টি হয়। কিন্তু ভেদজ্ঞান আৰু ৰসবুদ্ধি থকা পাঠকৰ বাবে বিচাৰত কোনো হেৰফেৰ হ'ব নালাগে, যদিহে শান্ত, নিৰাবেগ, বস্তুগত বিশ্লেষণত তেওঁ স্থিৰ থাকে। সজাগ পাঠকৰ বাবে জীৱন-জিজ্ঞাসা কোনো বিমূর্ত্ত, অতিভৌতিক বস্তু নহয়, বৰং ই ইঙ্গিত কৰা দোষ ত্রুটিও শেষত বিশ্লেষণীয়।





প্রস্তাৱিত কালচোৱাৰ কেইজনমান কবিৰ বিষয়ে মোৰ জনদিয়েক পূর্ব-সূৰীয়ে কৈ গৈছে; সেয়ে, বিস্তৃত আলোচনা য'ত অদৰ্কাৰী, তাত থোৰতে দিয়া মন্তব্যৰেই ক্ষান্ত থাকিম।

১৯৫১ চনত "হে অৰণ্য হে মহানগৰ" প্রকাশ হ'বৰে পৰা শ্রীনবকান্ত বৰুৱাৰ কবিতাৰ বিষয়ে বিভিন্ন আলোচনা ওলাই আছে। দৰাচলতে অমূল্য বৰুৱা, চক্রেশ্বৰ ভট্টাচার্য্য আৰু ভৱানন্দ দত্তৰ কবিতাত কম-বেচি পৰিমাণে উপকৰা ৰূপত পোৱা কাল-চেতনাৰ প্রকৃত, সতেজ বিকাশ শ্রীনৱকান্ত বৰুৱাৰ কবিতাতে প্রথমে ঘটিছিল। সাম্রাজ্যবাদী মুনাফাত গঢ়ি উঠা উদ্যোগ আৰু তাৰ বিকাশৰ ফলত যি সভ্যতাৰ ৰূপ গঢ় লৈ উঠিছিল তাৰ প্রতি কবিৰ প্রতিক্রিয়াই আবেগক ৰূপ দিছিল ঃ

... ... ... ...  
বকচাৰ আৰু পলাচীৰ আৰু ইয়াণ্ডাবুৰ ইতিহাস  
জগৎ শেঠৰ ক্রে'ণৰ চকাত ঘূৰে ... (প্রাণগঙ্গাৰ বন্দৰ)

শোষক সম্প্রদায়ৰ প্রতি এই তীব্র অথচ সংযত বিদ্বেষৰ লগতে শোষিতসকলৰ প্রতিও কৰুণা আৰু সহানুভূতিৰ সুৰ এটা সমান্তৰাল ভাৱে বাজি আছে ঃ

সিয়নিত কোন শোৱে ?  
জগৎ শেঠৰ ক্রে'নৰ চকাত তেজৰ চর্বি  
এতিয়াও কোনে  
দিয়ে......... ? (প্রাণগঙ্গাৰ বন্দৰ)

"হে অৰণ্য হে মহানগৰ'ত প্রকট জগতখন ব্যস্ত শ্রমৰ জগত, আৰু বাস্তৱৰ কংক্রিট উপলব্ধিৰ বাবেই সর্ব্বসাধাৰণ জীৱনৰ নিৰাপত্তাবিহীনতাত কবিৰ মনৰ প্রাপ্তবয়স্ক বিষাদ নিস্তেজ আৰু পেশীহীন হৈ পৰা নাই ঃ

জীৱন জীয়াই থাকে। তথাপি জীয়াই থাকে।  
আৰু থাকে জীৱিকাৰ গলিৰ সাথঁৰ  
অমৃতৰ পুত্র আমি  
মৃত্যু-স্নাতা হে মহানগৰ!...... (হে অৰণ্য হে মহানগৰ)

"ইয়াত নদী আছিল"ত পুঁজিবাদী সভ্যতাই কঢ়িয়াই অনা সনাতন মূল্যবোধৰ বিপত্তি The Waste Landৰ কবিৰ দৰে, প্রত্যয়জনক নাটকীয় নির্লিপ্ততাৰে শ্রীবৰুৱাই ফুটাই তুলিব পাৰিছে।



OKDISCD

কিন্তু পঞ্চাশৰ দশকত বেচ চাঞ্চল্যৰ সৃষ্টি কৰা এই কবি গৰাকীয়ে পিচলৈ এই সফলতাৰ পুনৰাবৃত্তি কৰিব নোৱাৰিলে, আৰু সত্তৰৰৰ দশকত প্ৰকাশ কৰা কেইটামান কবিতাৰ জৰিয়তে তেওঁৰ সীমাবদ্ধতাৰ স্পষ্ট ইঙ্গিত দিলে। পূৰ্ব্বৰ উপলব্ধিৰ গভীৰতা ("হে অৰণ্য হে মহানগৰ", "ইয়াত নদী আছিল") ৰ পৰিবৰ্ত্তে পাতল, শিশুসুলভ ভাৱাবেগ ("একোৰিয়ামৰ ৰাজনীতি") আৰু সাংগীতিক অনুভূতি ("বোধিদ্ৰুমৰ খৰি") ৰ পৰিবৰ্ত্তে জঠৰ, পেশীহীন গদ্য ("ৰান্ধনি ৰ'দ") শ্ৰীবৰুৱাৰ শেহতীয়া কবিতাৰ লক্ষণ। বুৰ্জোৱা আত্মকেন্দ্ৰিকতাই এক উন্নাসিক ৰূপত প্ৰকাশ লাভ কৰা এই কবিতা সমূহ এক হিচাপে ভাৰতীয় মধ্যবিত্ত সঙ্কটৰ বহিঃপ্ৰকাশ। এফালেদি পুজিবাদৰ প্ৰসাৰণত নিৰাপত্তাবিহীনতা, অথচ চৌদিশে মেৰাই ধৰা জালৰ পৰা ওলাবৰ বৃথা প্ৰচেষ্টাৰ পৰা উদ্ভুত আত্মকৰুণা ('স্বীকৃতি'), আৰু আনফালে—আসন্ন সমাজ বিপ্লৱৰ ভেৰীধ্বনিৰ প্ৰতিও, নীলমণি ফুকনৰ বিপৰীতে, এক নিৰ্ব্বিকাৰ নিশ্চলতা। শ্ৰীনগেন হাজৰিকাই বুজা নাই যে এয়া এক পেটি-বুৰ্জ্জোৱা দোমোজা, আৰু কঠোৰ Commitment ৰ অবিহনে এনে কবিৰ কবিতা পঙ্গু আৰু জীৱনী শক্তিবিহীন হবৰ বাধ্য ঃ

নিশব্দ বিপ্লৱৰ
ৰঙা নিচান
কৃষ্ণচূড়াই
বছৰি আনে মিলেনিয়াম।
দূৰত
পাহাৰৰ ডিঙিত
জুই-ফুলৰ হাৰ
ইয়াত
সোনাৰুৰ সভাত
সখিয়তিৰ গানৰ পোহাৰ।— (স্কেচ্)

সন্দেহ নাই, নাটকীয় পৰিক্ৰমাৰ মাজতো "মই জানো মই ক্লীৱ" বচনভঙ্গী কবিৰ আত্মকৰুণাৰে অজানিত প্ৰকাশ। যিহেতু পিচৰ কবিতাখিনিৰ মূল্য যথাৰ্থতেই কম. আৰু 'হে অৰণ্য হে মহানগৰ", "ইয়াত নদী আছিল" প্ৰভৃতি





মুষ্টিমেয় কবিতাৰ বাহিৰে আগৰ বাকীখিনিত ভৱিষ্যত কৃতিত্বৰ ইঙ্গিত হে মাথোন আছিল, সেয়ে স্বাভাৱিক সৃজনী প্ৰতিভা থকা সত্ত্বেও কাৰ্য্যতঃ শ্ৰীনৱকান্ত বৰুৱা এজন আগশাৰীৰ স্মৰণীয় কবি ৰূপেহে ৰ'ল। আমাৰ যুগৰ একমাত্ৰ প্ৰথম শ্ৰেণীৰ কবি শ্ৰীনীলমণি ফুকন।

প্ৰভাৱৰ বিশালতাৰ ফালৰপৰা শ্ৰীনৱকান্ত বৰুৱাৰ পিচতে তাৎপৰ্য্যপূৰ্ণ কবি শ্ৰীহোমেন বৰগোহাঞি। কিন্তু শ্ৰীবৰুৱাৰ সফল কবিতা সমূহত অৰ্থৰ যি সমৃদ্ধি, শ্ৰীবৰগোহাঞিৰ কবিতাত সি স্তিমিত। এওঁৰ বহু কথিত "ওফেলিয়া"ৰ ধ্বনিসৰ্ব্বস্বতা শ্যেক্সপীয়েৰৰ text ৰ উপকৰা অধ্যয়নৰ পৰিণাম। ওফেলিয়াৰ জীৱনৰ ট্ৰেজিক দিশটোনো কি, যাৰ বাবে আনকি আকাংক্ষিত মৃত্যুও মাথোন নিস্ফল আশ্বাস?—শ্ৰীবৰগোহাঞিৰ কবিতাত তাৰ ইঙ্গিত অনুপস্থিত। "ৰাধা" নামৰ কবিতাত অৱচেতন illusion এ অৰ্থৰ অৱগাহনত কি দৰে বাধাৰ সৃষ্টি কৰিছে, তাৰ ইঙ্গিত পোৱা যায়।

চিতাগ্নিৰ কেউকাষে ৰক্তিম ভীতিৰ দৰে
ঈশ্বৰৰ নৈঃসঙ্গৰ অন্ধকাৰ …… ইত্যাদি। ("ৰাধা")

এই বিষণ্ণ, স্বপ্নাভ মায়াময়তাৰ পুনৰাবৃত্তি শ্ৰীবৰগোহাঞিৰ কেইবাটাও কবিতাত ছেগা-ছোৰোকাকৈ অনুভৱ কৰিব পাৰি ঃ

১ নিৰূপম এইবোৰ সত্তাৰ নিভৃত অন্ধকাৰ……
("জননী সন্ধানত এজন ডেকা মানুহ")

২………সোণালী স্তব্ধতা, দুঃসহ বিস্ময় আৰু উত্তাপ
অন্ধকাৰ আৰু অন্ধকাৰ……… ("সাপ")

৩ আমাৰ নিয়তি এই ৰূদ্ধ-দ্বাৰ গাঢ় অন্ধকাৰ … ("নিয়তি")

কিন্তু কবিতা যত কংক্ৰিট অভিজ্ঞতা বিমুখ এলেহুৱা ৰোমান্তিকতাৰ বাহক তাতেই মোৰ আপত্তি। বিষাদানুভূতি আৰু ভাৱালুতাই শ্ৰীবৰগোহাঞিৰ অধিকাংশ কবিতাৰে effect লাঘৱ কৰিছে। ইয়াৰ বিপৰীতে, 'স্মৃতি' নামৰ কবিতাত মানৱ-অন্তৰত নিহিত সৃষ্টিৰ প্ৰতি তীব্ৰ আকুলতাৰ এক নাটকীয় অভিব্যক্তি। কিন্তু এই সাফল্যৰ পুনৰাবৃত্তি বিৰল।

শ্ৰীহৰি বৰকাকতীৰ কবিতা সমূহ, ঐতিহাসিক দৃষ্টিভঙ্গীৰে, যতীন দুৱৰা আৰু গণেশ গগৈৰ পৰম্পৰাৰ সৈতে জড়িত, যদিও আধুনিকতাৰ মোহৰ স্বৰূপ



OKDISCD

মেটাফিজিকেল conceitৰ সদ্য প্ৰয়োগে সময়ত—দুৰ্বৰা আৰু গগৈৰ কবিতাৰ বিপৰীতে এক ৰসৰ সঞ্চাৰ কৰে। কিন্তু সফল কবিতাৰ পৰিমাণ নগন্য। 'সন্ধিয়াৰ ধোঁৱা'ৰ তিয়াল্লিশটা শাৰী যোৱাৰ পিচতহে আৰব্য mythৰ উদ্ৰেকে কবিতাটোত কিছু সমৃদ্ধিৰ সঞ্চাৰ কৰিছে, আৰু ব্যক্তিগত বেদনাবোধে নিৰ্দিষ্টতা ( particular )ৰ দেওনা কিছু পৰিমাণে চেৰাব পাৰিছে ঃ

ছাহাৰাই ক'ব……
কাৰাবন্দিনীৰ ছায়া খেদি খেদি
কোনোবা অচিন ৰাজকোঁৱৰৰ
বিৰামবিহীন যাত্ৰাৰ ৰূপকথা…… ইত্যাদি।

( সন্ধিয়াৰ ধোঁৱা )

কিন্তু ইয়াতো অন্তঃছন্দৰ ভধলা ৰূপ ('বন্ধ্যা ছাহাৰাত সন্ধ্যা …') আৰু অদৰ্কাৰী অনুপ্ৰাস ('ফুটুকাৰ ফুল', 'সময়ে শিকিলে শকুনিৰ প্ৰতিশোধ')ৰ সদ্য প্ৰয়োগে পাঠকৰ সহাৰি ঘোলা কৰে। "অৰ্থ"ৰ দাৰিদ্ৰ্যক বিৰামবিহীন fluency ৰে ঢাকিব পৰা হলে চানফ্ৰানচিচকোৰ দুৰ্দ্দান্ত বীট ইতকেই মহৎ কবি বুলিলোহেঁতেন।

বাকসংযমহীনতা আৰু অলঙ্কাৰপ্ৰবণতা প্ৰভৃতি এই কবিতাটোৰ কেইবাটিও দোষৰ উল্লেখনীয় দোষ হৈছে ইয়াৰ ছন্দ-প্ৰয়োগৰ খেলিমেলি। এই শতিকাৰ য়ুৰোপীয় আধুনিকতাৰ আন্দোলন সমূহৰ দৰেই, অসমতো এই আন্দোলন আৰম্ভ হয় প্ৰাচীনতাৰ প্ৰতি তীব্ৰ বিষোদগাৰেৰে। বিষয় বস্তু নিৰ্ব্বাচনৰ উপৰিও ফৰ্মৰ বেলিকাও ঐতিহ্যৰ বিৰুদ্ধে কবি সকলে প্ৰচণ্ড হুঙ্কাৰ দিলে। কিন্তু লক্ষ্যৰ অস্পষ্টতাৰ বাবেই বোধহয় শ্ৰীনৱকান্ত বৰুৱাৰ বাহিৰে প্ৰায়সকল কবিয়েই ছন্দ প্ৰয়োগ সম্বন্ধে এটা খেলিমেলি ভাৱত ভুগিলে। শ্ৰীহেম বৰুৱা, শ্ৰীহৰি বৰকাকতি আৰু শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যক এই গ্ৰুপৰ আগশাৰীত থ'ব পাৰি। "বিষ্ণুৰাভা এতিয়া কিমান ৰাতি"ৰ বলীষ্ঠ ভাৱাবেগ আৰু বেগবান অনুভূতি সত্বেও ই সফলতাৰ চূড়ান্ত শিখৰত উঠিব নোৱাৰিলে মাত্ৰ ফৰ্ম্মৰ প্ৰতি এই অৱজ্ঞাৰ কাৰণেই।

শ্ৰীনীলমণি ফুকনৰ প্ৰথম ডোখৰ কবিতাৰ বিষয়-বস্তু আছিল বুৰ্জ্জোৱা





সভ্যতাৰ অগ্ৰগতিয়ে ক্ৰমাগত ভাবে জন্ম দিয়া জীৱন-যন্ত্ৰণাৰ প্ৰত্যয়জনক উপলব্ধি ঃ

(১) ৰাতি হোৱালৈ বাট চাই চাই
গছৰ পাতত
আন্ধাৰ ছটফটায়
মোৰ তেজত ছটফটায়
অবালক কোনো
অন্ধ শিশুৰ হাঁহি ( "তেজ" )

(২) আয়নাৰ সমুখত থিয় হৈ দেখা পাইছিলো কেৱল অন্ধকাৰ
মৃত্যুৰ দৰে ক্ৰমাৎ ঘন হৈ আহিছিল, অন্ধকাৰত
পোত গৈ থকা চকু দুটাই এবাৰ ওপৰলৈ
উঠি অহাৰ নিস্ফল আশাত ছটফটাই উঠিছিল ……

( 'বিষাদ গাথা' )

কাব্যিক ভাৱে এক বিশেষ সফলতা লাভ কৰিব নোৱাৰিলেও এই কবিতা সমূহত অভিজ্ঞতাৰ সাধুতা সন্দেহৰ বাহিৰত। পুঁজিবাদী শোষণৰ অন্তৰ্গত যন্ত্ৰ-উদ্যোগে গঢ়ি তোলা সভ্যতাই জীৱনৰ আকাংক্ষিত মুহূৰ্ত্ত সমূহো কেনে নিৰ্দ্দয়ভাৱে কাঢ়ি দিছে—তাৰ এক তীব্ৰ উপলব্ধি, শ্ৰীনৱকান্ত বৰুৱাৰ প্ৰথম চোৰাৰ কবিতাৰ দৰেই, শ্ৰীফুকনে সংযত ভাৱে ফুটাই তুলিব পাৰিছে ঃ

এটা গধুৰ চকা চলি যায়
মোৰ তেজৰ মাজেৰে। ( "তেজ" )

"সূৰ্য্য হেনো নামি আহে এই নদীয়েদি" আৰু "আৰু কি নৈশব্দ"ৰ ভালেমান কবিতাতে নিঃসঙ্গ উপলব্ধি কংক্ৰিট অভিজ্ঞতাৰ পৰশত মূৰ্ত্ত হৈ উঠা নাই; কিন্তু "নিৰ্জ্জনতাৰ শব্দ"ৰ অন্তৰ্গত "কেৱল স্তব্ধতাৰ শব্দ" ত উনবিংশ শতিকাৰ ফৰাচী ইম্প্ৰেশ্যনিষ্টিক পেইন্টিং সমূহৰ দৰে, স্ব.ৰলস্বী খুটিনাটিৰ সংযোগত উক্ত উপলব্ধি এক বিশিষ্ট ৰূপত মূৰ্ত্ত হৈ উঠিছে, য'ত যেন ধ্বনিত হৈছে পাস্কলৰ সেই হৃদয় বিদাৰী উপলব্ধি ঃ "the eternal silence of these infinite spaces ……"। শিলৰ খোৰোঙৰ পৰা পৃথিবীৰ ওপৰেদি বৈ যোৱা এটা "শুকান কাহ", "ভেৰাৰ নোমৰ আন্ধাৰ" "এচপৰা ম'মৰ স্তব্ধতা" আৰু সদো শেহত



OKDISCD

“কোনো নিনাও বৃদ্ধাৰ হাড়ৰ স্তব্ধতা” এই সকলো এক তীব্ৰ অথচ সংযত চেতনাৰ দ্যোতক শীতল উপলব্ধি। কোৰা বাহুল্য মাথোন, ইয়াত সহাঁৰি দিবলৈ পাঠক নিঃসঙ্গতাৰ দাস নহলেও চলে।

অভিজ্ঞতাৰ এই সুস্থিৰ অনুশীলন আৰু সাধুতাই শ্ৰীফুকনক এক নতুন পথৰ সন্ধান দিছে। “ফুলি থকা সূৰ্য্যমূখী ফুলৰ ফালে” ত সংকলিত “থৰ হৈ তেওঁ আমাৰ মুখলৈ চাই আছে” আৰু “হাতত খোলা তৰোৱাল লৈ আহিবা” ত বাস্তৱৰ কংক্ৰিট উপলব্ধিৰ পৰা উদ্ভূত সামাজিক চেতনা এক হিচাপে শ্ৰীফুকনৰ কবিতাত একো নতুন কথা নহয়, বৰং অভিজ্ঞতাৰ অহৰহ অনুশীলনৰ ই এক অৱশ্যম্ভাবী সুৰ। সেয়েহে সংযত প্ৰতিটো শব্দৰ আঁৰত সবল চিন্তা, মন্থন আবেগ আৰু অনুভূতিৰ চাপ। “তোমাৰ বাহু পাশত মুহুৰ্মুহুঃ শিহৰিত” কবিতাটো, উদাহৰণ স্বৰূপে, মুষ্টিমেয় সফল আধুনিক কবিতা সমূহৰ অন্যতম ঃ

তোমাৰ বাহুপাশত মুহুৰ্মুহুঃ শিহৰিত
মই আন্ধাৰো নহয়, পোহৰো নহয়
তেজ হৈ ব’ব পৰা মই আন্দোলিত গ্ৰীষ্ম
ক্ৰোধৰ ভৰত দোঁ খাই পৰা যৌৱন
স্বপ্নৰ মুঠিত নাচি উঠা কৃপাণৰ
মই নৃশংস নগ্নতা
মই আন্ধাৰো নহয়, পোহৰো নহয়
তেজ হৈ ব’ব পৰা মই প্ৰজ্বলিত ভাৱনা।

কিন্তু সুৰৰ urgency য়েই কবিতাটোৰ সফলতাৰ একমাত্ৰ নিৰূপক নহয়, চিন্তাৰ সোঁতৰ সৈতে প্ৰকাশভঙ্গীৰ এক অনুপম সৌহাৰ্দ্দ্য ইয়াত বৰ্ত্তমান। কবিতাটো “বক্তা” যিহেতু আইডিয়া বা “ভাৱনা”, কাজেই আনুনাসিক স্বৰৰ আধিপত্যই গোপন আলাপ কিম্বা গুণগুণনিৰ ইঙ্গিত সূচনা কৰে। ভাষাৰ ওপৰত শ্ৰীফুকনৰ বাঢ়ি অহা দখল ইয়াত স্পষ্ট।

আলোচ্য কালৰ প্ৰথম দশকত আত্মপ্ৰকাশ কৰা শ্ৰীহীৰেণ ভট্টাচাৰ্য্যই দ্বিতীয় দশকত ৰচনা কৰা কেইটামান কবিতাৰ জৰিয়তে অসমীয়া কবিতাৰ জগতত শুভ-পদক্ষেপ কৰিছে। প্ৰেম আৰু যৌৱনৰ কবি হিচাপেই শ্ৰীভট্টাচাৰ্য্যৰ খ্যাতি কিন্তু এওঁৰ কবিতাৰ অৰ্থ আৰু কৰ্ম্ম দুয়োটাতে—যতীন দুৱৰা, গণেশ গগৈ,





ৰত্নকান্ত বৰকাকতি আৰু শ্ৰীদেৱকান্ত বৰুৱাৰ কবিতাৰ বিপৰীতে—এক পেশী-সুলভ দৃঢ়তা অনুভৱ কৰিব পাৰি। কোনো কোনো কবিতাত এনেকি সোতৰ শতিকাৰ ইংৰাজী মেটাফিজিকেল কবিতাৰ কটকটীয়া লজিক, অৰ্থৰ ঘনত্ব আৰু ছন্দৰ সংনম্যতাই অভিনৱ ব্যঞ্জনাৰ সৃষ্টি কৰে ঃ

তুমিতো জানাই
এই কবিৰ আৰু একো নাই।
এটাই মাথো কামিজ
তাৰো চিগো চিগো চিলাই।

প্ৰেম নিশ্চয় এনেকুৱাই,
আৱৰণ খুলি হৃদয় জুৰায়। ………… (ভোগালি)

কবিতা হিচাপে প্ৰকৃত বিচাৰত এক বিশেষ মনোগ্ৰাহিতা অৰ্জ্জন নকৰিলেও ইয়াত অসমীয়া কবিতাত বিৰল এক gesture অনুভূত হৈছে, যি প্ৰসঙ্গত “তুমিতো” “একো” “এটাই” আৰু “তাৰো” আদি শব্দই এক বিশেষ নাটকীয় থেউকি লাভ কৰিছে। “প্ৰেম নিশ্চয় এনেকুৱাই ……” শাৰীত কবিৰ অপ্ৰত্যাশিত উপলব্ধি দৈহিক ভঙ্গিমাৰ ইঙ্গিতেৰে মূৰ্ত্ত হৈ উঠিছে। শ্ৰীভবেন বৰুৱাই মোক মাফ কৰিব, বাঊল কবিৰ “তীব্ৰ” গীতিধৰ্মিতাতকৈ ই বেলেগ বস্তু।

শ্ৰীভট্টাচাৰ্য্যৰ প্ৰথম ডোখৰৰ কবিতাৰ লক্ষণ যদি মাথোন কোমল অনুভূতি আৰু চিত্ৰকল্পৰ চাঁট মৰা উজ্জলতাই আছিল, কাব্যিক ভাৱে সফল আজিৰ প্ৰতিটো কবিতাৰ শব্দৰ আঁৰত যেন সতেজ চিন্তা, Contemplation ঃ

১. মোৰ ইচ্ছা আৰু অপেক্ষাৰ মাজত
ৰিব্ ৰিব্ হেমন্ত।
২. কবিতা মোৰ দুখৰ ঋতুৰ এপাহ খৰিকাজাঁই।

জাপানী কবিতাৰ নিবিড় উপলব্ধি ইয়াত প্ৰকট। প্ৰকৃতিৰ প্ৰাচুৰ্য্যৰ মাজত মানুহৰ অবুজ বেদনা, আৰু ফলবশতঃ মানুহৰ বিচ্ছিন্নতাবোধ, ইন্দ্ৰিয়বহ (sensuous) চিত্ৰকল্পৰ সহায়ত স্পষ্ট আৰু যথাযথ ভাৱে প্ৰকাশ কৰাত শ্ৰীভট্টাচাৰ্য্যৰ কেতবোৰ কবিতা অকৃত্ৰিমভাৱে সংবেদনশীল আৰু হৃদয়গ্ৰাহী ঃ



OKDISCD

১. হেমন্ত বৰ বিষাদৰ ঋতু
বেদনাৰ্ত কঁপে
গৰ্ভিনী ধানৰ মৃদুগন্ধী সৰল বুকু।

২. ......................
খোজে খোজে
হালে জালে
ধানৰ কোমল ঠোক।
......................
ভাজে ভাজে
কঁপি উঠে
এমুঠি কঠিন শোক। ("তোমাৰ খোজ")

শ্ৰীনীলমণি ফুকনৰ দৰেই শ্ৰীভট্টাচাৰ্য্যৰ কবিতাৰ প্ৰশংসনীয় গুণ হ'ল আবেগৰ সংযম আৰু শব্দৰ economy। "বাঁহীৰ মাত" কবিতাত, উদাহৰণ স্বৰূপে, অপ্ৰত্যাশিত ভাৱে কাব্যিক অনুপ্ৰেৰণাৰ ঢল আৰু তাৰ প্ৰতি কবিৰ সচেতন প্ৰতিক্ৰিয়া যিদৰে প্ৰকাশ পাইছে, সিয়েই সমসাময়িক কবিতাত ভট্টাচাৰ্য্যৰ তাৎপৰ্য্য ইঙ্গিত কৰিব ঃ

বজ্ৰৰ বাৰে খোৰা হাড়ত
অনুভৱ কৰিলোঁ বাঁহীৰ মাত।
......... ( বাঁহীৰ মাত )

"শোভাযাত্ৰাত নিহতজনৰ কবিতা" নিঃসন্দেহে এই যুগৰ অন্যতম শ্ৰেষ্ঠ কবিতা। স্থানান্তৰত তাৰ তাৎপৰ্য্য উন্মুকিয়াবলৈ চেষ্টা কৰিম।

কিন্তু এই সাফল্যয়েই বোধহয় শ্ৰীভট্টাচাৰ্য্যৰ সাময়িক স্খলন অধিক পীড়াদায়ক কৰি তুলিছে। অভিজ্ঞতাৰ অনুধাৱন যেতিয়া শব্দৰ ভেঙ্কীৰে কবিয়ে পাহৰাব খোজে, তেতিয়াই কবিতাৰো মৃত্যু। যোৱা কেইমাহমানৰ ভিতৰতে প্ৰকাশিত শ্ৰীভট্টাচাৰ্য্যৰ কেতবোৰ কবিতা পঢ়ি ("এন্ধাৰত সাপ", "মই পাতালৰ এন্ধাৰেৰে"......... ইত্যাদি) এই ইঙ্গিত অপ্ৰাসঙ্গিক নহব যেন লাগিছে।

শ্ৰীহীৰেন ভট্টাচাৰ্য্যৰ দৰেই শ্ৰীনিৰ্মলপ্ৰভা বৰদলৈও প্ৰাথমিকতে প্ৰেমৰ



OKDISCD



কৱি, আৰু দুয়োজনৰে কবিতাৰ অনুভূতি আৰু শব্দ চয়নৰ কেতবোৰ আমোদজনক মিল বৰ্ত্তমান ঃ

১. মোৰ শিৰাই শিৰাই শেষ বাৰিষাৰ মেঘ—ভট্টাচাৰ্য্য
মোৰ শিৰাই শিৰাই ধুমুহা............ —বৰদলৈ
২. ফুলৰ গোন্ধত মোৰ ল'ৰালি............ —ভট্টাচাৰ্য্য
কপউৰ কণত ৰ লাগি মোৰ ল'ৰালি...... —বৰদলৈ

কিন্তু জীৱনৰ তুচ্ছ খুটিনাটিৰ মাজেৰে বিশাল অভিজ্ঞতাৰ অক্লান্ত অনুসন্ধানে শ্ৰীবৰদলৈৰ কবিতাৰ পৰিসৰ ( range ) বৃদ্ধি কৰিও নহা নহয়। কবিৰ অকৃত্ৰিম সৰলতাই, উদাহৰণ স্বৰূপে, বেগবান অনুভূতি কিদৰে ধৰি ৰাখিছে তলৰ কবিতা দুটাই তাৰ প্ৰমান দিব ঃ

১. বন্দুকৰ শব্দত ৰাতি পুৱায় নে?
ওহোঁ।
পুৱায় সেই চৰাইটোৰ মাতত
যিটোৱে কুটি যায় ৰাতিৰ আন্ধাৰ বোৰ
লাহে লাহে।

২. বসন্তৰ কথা মোক নুসুধিবা
মই কেনেকৈ চিনি পাম?
সদায় সেমেকা বাৰিষাৰ মই
তৰুৱা কদম।

"আহিনৰ পথাৰ গোন্ধ......" ত অনুভূতিৰ গাঢ়তা, "কপউৰ কণত ৰ লাগি মোৰ ল'ৰালি"ত কল্পনাৰ সজীৱতা, আৰু ততোধিক "মই মোক সজাও ভৰাওঁ" ত তীক্ষ্ণ আত্মবিশ্লেষণৰ অন্তত পোৰা মৌলিক সত্য, প্ৰত্যয়জনক ভাৱে পৰিবাহিত হৈছে। যিহেতু "বন ফৰিঙৰ ৰঙ"ৰ জঠৰ, কুহুমীয়া অনুভূতিৰ পিচত উল্লিখিত কবিতামালাত প্ৰায় বিস্ময়কৰ কাব্যিক বিকাশ অনুভূত হৈছে, সেয়ে শ্ৰীবৰদলৈৰ কবিতাই ভবিষ্যতে অধিকতৰ সমৃদ্ধি লাভ কৰিব পাৰিব বুলি অনুমান কৰিব পৰা যায়।

"ৰামধেনু" আৰু "নৱযুগ" ত প্ৰকাশিত শ্ৰীগীৰেণ গোহাঁইৰ মুষ্টিমেয় কবিতা ("আবেলি", "অভিমন্যু", "উত্তৰ ৰবীন্দ্ৰ" আদি)ত ভাৱবিলাসী জঠৰতাৰ পৰিবৰ্ত্তে

এক পুৰুষসুলভ বলীষ্ঠতা পোৱা গৈছিল, আৰু এনেবোৰ কবিতাৰ লক্ষণ আছিল ছন্দৰ সচেতন আৰু দক্ষ, সংযম্য প্ৰয়োগৰ পৰা উদ্ভুত খাপচাৰা ধৰণৰ নাটকীয় স্বগতোক্তিৰ urgency। যিহেতু সাহিত্য সমালোচনাত পৰম্পৰাৰ প্ৰশ্নটো বাদ দিয়া অসম্ভৱ, সেয়ে উত্তৰ সাধকৰ বাবে শ্ৰীগোহাঁইৰ ৰচনা নীতি আৰু ভাৱৰ কঠোৰ সংযমৰ তাৎপৰ্য স্বীকাৰ কৰিব লাগিব। "নৰক দৰ্শন"ত ব্যক্তিগত দুখবোধ আৰু ক্ৰোধৰ চিত্ৰ প্ৰত্যয়জনক ভাৱে প্ৰকাশ পাইছে। অনুৰূপ ভাৱেই মহাভাৰতৰ আখ্যানত কবিয়ে নিজৰ আবেগৰ সাদৃশ্য বিচাৰি পোৱাত ..............

"মহাভাৰত" কবিতাকেইটিয়েও এক বিশেষ হৃদয়গ্ৰাহিতা অৰ্জন কৰিছে। কিন্তু আবেগৰ স্বচ্ছতা আৰু সাধুতাই যিহেতু এটা কবিতাৰ সফলতাৰ অন্তিম নিৰূপক নহয়, সেয়েহে, "শগুণ"ত প্ৰকাশিত ক্ৰোধ আৰু ঘৃণাৰ সুৰটো গাজতে

শৰীৰৰ প্ৰতিটো জীৱকোষত
শুনো কাৰ কলৰোল.........

জাতীয় কোমল ভাৱাবেশেৰে সংযত কৰাৰ চেষ্টা থকা সত্বেও, সামগ্ৰিক বিচাৰত সি অমসৃণ আবেগৰ মন্ময় ( supjective ) ৰূপ হৈয়েই ৰ'ল। "কাকতী ফৰিং" কবিতাত এনে ধৰণৰ পীড়াদায়ক স্খলনৰ যথাযথ ইঙ্গিত পোৱা যায়। কবিৰ যি জ্বলন্ত ক্ষোভ আৰু সাময়িক বিতৃষ্ণা, তাৰ যেন প্ৰকৃত বাস্তৱ সহগ ( objective correlative ) কাকতী ফৰিং আৰু তাৰ আনুষঙ্গিক নহয়; সেয়ে, কবিৰ বাস্তৱ অনুধাৱনত পোৱা অনুভূতি এই ক্ষেত্ৰত মাত্ৰাধিক আৰু কলাত্মক বিচাৰত নিষ্ফল, লক্ষ্যভ্ৰষ্ট আস্ফালন ঃ দ্বিতীয় অনুচ্ছেদৰ উপমাৱলী আৰু "পৌৰুষহীন কাপুৰুষ..." প্ৰভৃতি দুৰ্বল বাক্যাংশই ইয়াৰ স্পষ্ট ইঙ্গিত বহন কৰে। তুলনাত, বৰং "ভৱিষ্যতৰ ভাই-ভনী সকললৈ" কবিতাৰ বলিষ্ঠ ভাবাবেগ আৰু সুৰৰ urgency য়ে উষ্ণ সহাৰি আদায় কৰে।

সমসাময়িক কবিতাত শ্ৰীনীলমণি ফুকনৰ প্ৰভাৱৰ ব্যপকতা ইতিমধ্যেই স্পষ্টৰ পৰা স্পষ্টতৰ হৈ আহিছে। আমাৰ আলোচ্য কবি সকলৰ এজন হ'ল শ্ৰীভবেন বৰুৱা। শ্ৰীফুকনৰ খুঁটিনাতি সমূহ যদি অনুভূত জীৱনৰ পৰা উদ্ভুত, শ্ৰীবৰুৱাৰ খুঁটিনাটি সমূহ প্ৰায়েই affected, নিশ্চল ঃ





তোমাৰ হাত
হালধীয়া পাতৰ কঁপনিত
পাৰ হোৱা পদধ্বনিত
বতাহবোৰত আইনা ভগাৰ শব্দ
তোমাৰ হাতত ... ... ... ( আন্ধাৰৰ হাত )

"সোনালী জাহাজ"ক কোনোৱে শ্ৰীবৰুৱাৰ অন্যতম ভাল কবিতা বুলি কৈছে। কিন্তু তৰুণ কবিৰ পাথেয় আশাবাদ ইয়াত অনুধাবিত অভিজ্ঞতাৰ পৰা উদ্ভুত নহয়; সেয়ে, অৰ্থৰ গ্লানি ঢাকি ৰখাৰ প্ৰচেষ্টাত কবিয়ে কালে-কুটা cliche ৰ আশ্ৰয় গ্ৰহণ কৰিব লগাত পৰিছে ঃ

"লোহাৰ শিকলি চিঙি শিলৰ দুৱাৰ খুলি ... ...

সময়ত নিকৃষ্ট, চেণ্টিমেণ্টেল অসমীয়া গানৰ বাকভঙ্গীৰ আঁচোৰ ঃ

"মোৰেই তেজৰ উচ্ছল কঁপনি তুলি ... ... "

আৰু সমগ্ৰ কবিতাটোতে কাৰিকৰিতা ( Craftsmanship ) ৰ খাতিৰত অৰ্থৰ নিৰ্য্যাতনৰ ইঙ্গিত ঃ

যি বনিজ আনিবলৈ সোণালী জাহাজে সি প্লাৱন ভূমিৰ
ক্লেদৰ নিৰ্য্যাস-ভৰা শস্য কণা নাশিবলৈ এক ছায়ানট।
... ... ("সোণালী জাহাজ")

কোলৰিজৰ কবিতাৰ দৰে এক অতি প্ৰাকৃতিক বিস্ময় (awe) ৰ ভাৱ উদ্ৰেক কৰিবলৈ শ্ৰীবৰুৱাই তেওঁৰ কোনো কোনো কবিতাত যত্ন কৰে, যথা "শিলাস্তম্ভৰ সন্মুখত" কবিতাত। কিন্তু সুস্থ, কংক্ৰিত অভিজ্ঞতাৰ প্ৰৱক্তাৰ বিচাৰত কোলৰিজৰ কবিতাৰ বিপৰীতে, শ্ৰীবৰুৱাৰ এই অভিজ্ঞতা সযত্নে গোপন কৰা কেতবোৰ মানসিক খেলিমেলি। "পচিশ" "অশ্বাৰোহী আৰু "প্ৰৱালৰ গীত" বিশেষ ব্যঞ্জনাক্ষম; কিন্তু "মুখ", "স্বচ্ছতা" আদি কবিতাত কুহুমীয়া অনুভূতি আৰু দুৰ্বল আবেগ বিৰক্তিকৰ। শ্ৰীবৰুৱাৰ প্ৰবন্ধ ৰচনা সমূহত পাণ্ডিত্য আৰু গভীৰতাতকৈ যিদৰে পৰিশ্ৰম আৰু উদ্যোগৰ চিনহে স্পষ্ট, সেই দৰে তেওঁৰ কবিতা সমূহতো, স্বাভাৱিক সৃজনী প্ৰতিভাতকৈ কাৰীকৰী দক্ষতাৰহে উমান অধিক। আলোচ্য কালছোৱাৰ কবি সকলৰ ভিতৰত তেওঁ নিসন্দেহে il miglior fabbro.



OKDISCD

মোৰ আলোচনাত স্থান নোপোৱা, অথচ তাৎপৰ্য্য পূৰ্ণ জনদিয়েক কবিৰ বিষয়ে দুই-এক মন্তব্য দিয়েই ক্ষান্ত থাকিম। শ্ৰীকেশৱ মহন্তৰ "আঘোনৰ কুঁৱলী" ৰ সুসংহত প্ৰতীক, "সোনজিৰা মাহী" ৰ সবল বাকভঙ্গী আৰু মন্থন অনুভূতি, শ্ৰীবীৰেশ্বৰ বৰুৱা আৰু শ্ৰীদিনেশ গোস্বামীৰ কোনো কোনো পৰীক্ষা (experiment), বস্তুনিচয়ৰ বৌদ্ধিক বিশ্লেষণৰ প্ৰতি শ্ৰীহীৰেন্দ্ৰ নাথ দত্তৰ ধাউতি আৰু শ্ৰীমিকুসিং ৰাজপুতৰ সংযত কল্পনা নিশ্চয় আশাপ্ৰদ। অসমীয়া কবিতাৰ আধুনিক যুগৰ অন্যতম কবি শ্ৰীঅজিৎ বৰুৱাই দীৰ্ঘকাল নীৰবতাৰ পাচত "জেংৰাই ১৯৬৩" এটা উৎকৃষ্ট কবিতা লিখি উলিয়ায়। সীমিত পৰিসৰত এই সকলোৰে খুঁটিনাটি বিশ্লেষণ সহজ সাধ্য নহয়।

আলোচ্য কালৰ সামৰণিৰ ফালে আত্মপ্ৰকাশ কৰা কবি সকলৰ ভিতৰত শ্ৰীআনিছ-উজ-জামান, শ্ৰীগায়ত্ৰী কোঁৱৰ আৰু আৰু শ্ৰীকেশৰ গগৈ সম্ভাৱনা-পূৰ্ণ। শ্ৰীজামানৰ কবিতাত "স্বত:স্ফূৰ্ত্ত" আবেগৰ নিটোল প্ৰকাশ সময়ত মনোগ্ৰাহী ("অন্তৰাল"), অথচ পৰিপক্কতাৰ লক্ষণ স্বৰূপ আৱশ্যকীয় মন্থনতাকণ আদায় কৰাৰ সময়ো তেওঁৰ আহি পৰিছে। যি সময়ত কোনো প্ৰাপ্তবয়স্ক কবিৰ কবিতাতো অসংযত আবেগৰ উঠানমাই পাঠকক বিৰক্ত কৰে, সেই সময়ত এই তৰুণ কবিজনৰ সংযম-সাধনাৰ বিশেষ তাৎপৰ্য্য আছে ("গীত" "অজ্ঞাতে" দ্ৰষ্টব্য)। শ্ৰীজামানৰ কবিতাত বিৰল এক সাংগীতিক চেতনা শ্ৰীকোঁৱৰৰ কোনো কোনো কবিতাত ৰিণি ৰিণি শুনা যায় (যথা "প্ৰেম, মোৰ সোণালী ৰঙৰ প্ৰেম"ত), কিন্তু বৰ্ণোজ্বল চিত্ৰকল্পেৰে অৰ্থৰ অধলা ৰূপ ঢকাৰ প্ৰচেষ্টা বৰ্জনীয়। শ্ৰীকেশৰ গগৈৰ কবিতাত বুৰ্জোৱা সভ্যতাৰ অৱক্ষয়ৰ চিত্ৰ (অৱক্ষয়) আৰু সৰ্ব্বহাৰা দলৰ প্ৰতি সহানুভূতিৰ লগতে এই যন্ত্ৰণাৰ প্ৰতি অৱজ্ঞা সূচক মধ্যবিত্ত নিৰ্লিপ্ততাত কবিৰ তীব্ৰ ক্ৰোধ ("দৰ্শক") হৃদয়গ্ৰাহী। অভিজ্ঞতাৰ পৰিসৰ বহল কৰাৰ লগতে কঠোৰ বাক্ সংযমৰ সাধনা কৰিলে ভৱিষ্যতে শ্ৰীগগৈয়ে সফলতা লাভ কৰিব পাৰিব বুলি আশা কৰিব পৰা যায়।

—০—০—



# শেক্সপীয়েৰ আৰু তেওঁৰ সমাজ

যামিনী ফুকন

( আগৰ সংখ্যাৰ পিচৰ পৰা )

"অজেয় আৰ্মাদা"ক ( The invincible Armada ) পৰাজয় কৰি ইংলেণ্ডে এক নতুন যুগৰ পাতনি মেলিলে। যি আৰ্মাদাৰ ঘটনাৱলীয়ে অকল ইংলেণ্ড স্পেইন বা য়ুৰোপৰ ইতিহাসেই নহয়, সমগ্ৰ বিশ্বৰ ইতিহাসৰ সোঁত বেলেগে বোৱাই দিলে সেই আৰ্মাদাৰ বিষয়ে চমুকৈ উল্লেখ কৰা হ'ল।

কেলে ( Calais ) হাতৰপৰা যোৱাৰ পিছতো ইংলেণ্ডৰ উল আৰু কাপোৰ বিক্ৰীৰ অতি পুৰণি কেন্দ্ৰ নেদাৰলেণ্ডৰ ব্ৰুজ (Bruges) আৰু বেলজিয়ামৰ এণ্টৱাৰ্পত ব্যৱসায় ভালধৰণেই চলি আছিল। কিন্তু কেইবছৰমানৰ ভিতৰতে ব্যৱসায়ৰ সেই পথটো বন্ধ হ'ল। এলিজাবেথ আৰু তেওঁৰ প্ৰিভি কাউন্সিলৰ লগত স্পেইনৰ ফিলিপৰ হৈ নেদাৰলেণ্ডত শাসন কৰা গ্ৰেনভেলৰ বিৰোধৰ সূত্ৰপাত হৈছিল বিভিন্ন ৰাজনৈতিক, অৰ্থ নৈতিক আৰু ধৰ্ম সংক্ৰান্ত বিষয়লৈ। ইংলিছ প্ৰণালীত ইংৰাজ জলদস্যুৰ সঘন আক্ৰমণ, বিভিন্ন দেশৰ বিভিন্ন মহা-নগৰত বেহা-বেপাৰ কৰা ইংৰাজসকলৰ দ্বাৰা সেইবোৰ দেশৰ প্ৰটেষ্টাণ্ট ধৰ্ম্মা-লম্বীসকলৰক উচটনি দিয়া কাৰ্য্য, এণ্টৱাৰ্পৰ মেজিষ্ট্ৰেট আৰু বাসিন্দাসকলে ইংৰাজক উৎসাহ দান কৰা কাৰ্য্য, অন্যধৰ্মমতাবলম্বীসকলৰ প্ৰতি স্পেইনৰ অসহিষ্ণুতা— এই সকলোবোৰ কথাই কম বেচি পৰিমাণে এই বিৰোধ তীব্ৰ কৰি তুলিছিল। এইবোৰৰ উপৰিও বিৰোধৰ অন্য এটা উল্লেখযোগ্য কাৰণ হ'ল গ্ৰেনভেল ( Granvelle ) আৰু এলিজেবেথৰ নিজা নিজা নিজা বিপৰীত মুখী বাণিজ্যিক নীতিৰ সংঘৰ্ষ। এই দুই প্ৰতিদ্বন্দীদলৰ প্ৰত্যেকটোৱেই ভাবি-ছিল যে ইটো পক্ষ তেওঁলোকৰ অনুগ্ৰহতে বৰ্তি আছে। এহাতে গ্ৰেনভেল নিশ্চিত আছিল যে যদি ইংৰাজ বণিক সকলক নেদাৰলেণ্ডত কাপোৰ বিক্ৰী

কৰিবলৈ নিষেধ কৰা হয় তেন্তে তেওঁলোকে বিদেশৰ কোনো ঠাইতে সেই কাপোৰ বিক্ৰী কৰিব নোৱাৰিব। বস্ত্ৰ ব্যৱসায় লাভজনক নোহোৱা দেখিলে ইংলেণ্ডৰ ব্যৱসায়ীসকলে কেচা উল নেদাৰলেণ্ডলৈ ৰপ্তানি কৰিবলৈ বাধ্য হব। অন্যহাতে ইংৰাজসকল নিশ্চিত আছিল যে তেওঁলোকৰ ব্যৱসায় অবিহনে নেদাৰলেণ্ডৰ উন্নতিৰ পথ ৰুদ্ধ হব। স্পেইন আৰু ইংলেণ্ডৰ মাজত আচল যুদ্ধ সংঘটিত হোৱাৰ বিশ বছৰৰ আগতে আৰু মহাৰাণীৰ ৰাজত্বৰ প্ৰথম দশকতে এই বিবাদে প্ৰায় শীৰ্ষ বিন্দু চুইছিলগৈ। নেদাৰলেণ্ডৰ পৰা বহিষ্কৃত হৈ ইংৰাজ বস্ত্ৰব্যৱসায়ীসকলে ১৫৬৭ চনত, য়ুৰোপৰ দুৱাৰমুখ স্বৰূপ হাম্বুৰ্গ (Hamburg) বন্দৰত ব্যৱসায় আৰম্ভ কৰিছিলগৈ। কিন্তু তাৰ ব্যৱসায়ীসকলৰ প্ৰতিদ্বন্দ্বিতা আৰু ঈৰ্ষাৰ প্ৰকোপত তিষ্ঠিব নোৱাৰি দহ বছৰ পিছত সেই ঠাইয়ো এৰিবলৈ ইংৰাজ সদাগৰসকল বাধ্য হ'ল। ব্যৱসায়ত এই অনিশ্চয়তা আৰু দুয়োপক্ষৰ মাজত হোৱা বিবাদৰ অৱশ্যম্ভাৱী পৰিণতি হ'ল যুদ্ধ আৰু অৱশেষত পোপ ৫ম চিক্সটাছৰ আশীৰ্ব্বাদ শিৰত লৈ ১৫৮৮ চনত স্পেইনৰ ২য় ফিলিপৰ নৌ বাহিনীয়ে ইংলেণ্ড আক্ৰমণ কৰিলেহি। আক্ৰমণৰ প্ৰত্যুত্তৰ ইংৰাজ নৌ বাহিনীয়ে উপযুক্ত ভাবেই দিছিল।

৮ম হেনৰীয়ে প্ৰতিষ্ঠাকৰা ইংৰাজ নৌবাহিনীটোৰ অৱনতি ঘটিছিল ষষ্ঠ এডৱাৰ্ড আৰু মেৰীৰ ৰাজত্ব কালত। ইয়াক পুনৰ সক্ৰিয় কৰা হ'ল এলিজাবেথৰ দিনত। অৱশ্যে তেওঁৰ ৰাজত্বৰ প্ৰথম বিশ বছৰত নৌ বাহিনীৰ উন্নয়ন মন্থৰ গতিৰেহে কৰা হৈছিল। এই মন্থৰ গতিৰ কাৰণ হ'ল তেওঁ ৰাজপাটত আৰোহন কৰাৰ সময়ত ৰাজকোষ প্ৰায় শূন্য আছিল। আকৌ ৰাজপাট লাভ কৰিয়েই তেওঁৰ অস্থিৰ আৰু দুৰ্দমনীয় প্ৰজাবৃন্দৰ ওপৰত গধুৰ কৰৰ বোজা জাপি দিবলৈয়ো তেওঁ সাহস গোটাব নোৱাৰিছিল। মহাৰাণী এলিজাবেথৰ ব্যয়কুণ্ঠিতা সৰ্বজনপ্ৰিয় নহলেও সৰ্বজনবিদিত আছিল। অৱশ্যে তেওঁৰ চৰকাৰৰ কেৱল অস্তিত্বটোক বজাই ৰাখিবৰ কাৰণেই কঠোৰ মিতব্যয়িতা অৱলম্বন কৰিবলৈ তেওঁ বাধ্য হৈছিল। তৎসত্ত্বেও নৌ-বাহিনীৰ উন্নয়নৰ কাৰণে চেপা খুন্দাৰ যোগেদি তেওঁ যিখিনি ধন সঞ্চয় কৰিবলৈ সমৰ্থ হৈছিল তাৰো অধিকাংশ অপব্যয় হৈছিল। জাহাজ নিৰ্মাণ কেন্দ্ৰবোৰত দীৰ্ঘদিনধৰি যি দুৰ্নীতি চলি আহিছিল তাক সংস্কাৰ কৰিবলৈ চেচিল (cecil) আৰু





সদাসতৰ্ক প্ৰিভি কাউঞ্চিল যত্নপৰ হৈছিল যদিও প্ৰায়োগিক জ্ঞানৰ অভাৱত অকৃতকাৰ্য্য হৈছিল। কিন্তু এক শুভ সময়ত (১৫৭৮ চনত) জাহাজ নিৰ্মাণ আৰু নিৰ্মিত জাহাজবোৰৰ সংৰক্ষণৰ দায়িত্ব এলিজাবেথে জন হকিন্সৰ হাতত অৰ্পণ কৰে। ড্ৰেকৰ দৰেই হকিন্সে ইংৰাজ নৌ-বাহিনীৰ উন্নতিৰ কাৰণে উল্লেখযোগ্য বৰঙণি আগ বঢ়াইছিল। প্ৰশান্ত আৰু আটলান্টিক মহাসাগৰৰ উপকূলত ড্ৰেকে যেনে পৰ্য্যায়ৰ কাম কৰিছিল, আচল যুদ্ধ আৰম্ভ হোৱাৰ আগৰ দশকত পোতাঙ্গনত হকিন্সে ঠিক তেনে পৰ্য্যায়ৰ কাম কৰিছিল।

আৰ্মাদাৰ আগমনৰ বিশ বছৰৰ আগতেই ইংৰাজ নাৱিকসকলে জাহাজ নিৰ্মাণৰ সকলো কলা কৌশল আয়ত্ব কৰি মহাসাগৰীয় যাত্ৰাৰ কাৰণে প্ৰয়োজনীয় সকলো ব্যৱস্থাকে ত্ৰুটি বিচ্যুতিহীন কৰি লব পাৰিছিল। হয় ৰাজকীয় জাহাজত চাকৰি কৰি, নহয় সদাগৰ বা আবিষ্কাৰক বা সাগৰত জাহাজ লুণ্ঠনকাৰী হিচাপে কাম কৰি ইংৰাজ নাৱিকসকলে সাগৰ যাত্ৰা আৰু নৌ পৰিবহনৰ শিক্ষা লাভ কৰিছিল। উল্লিখিত বিভিন্ন স্থানত থাকি বিভিন্ন জনে লাভ কৰা অভিজ্ঞতা সমন্বয় বা বিনিময় কৰি বহুত সময়ত কামত লগোৱা হৈছিল। যুজ বাগৰ কৰি পৃথিৱীৰ বিভিন্ন সাগৰ মহাসাগৰ পাৰ হৈ বেহা-বেপাৰ কৰি ফুৰা; প্ৰায়ে আত্মৰক্ষাৰ কাৰণে যুদ্ধত অৱতীৰ্ণ হবলগা হোৱা সদাগৰসকলৰ জাহাজবোৰে আৰ্মাদাৰ বিৰুদ্ধে হোৱা যুদ্ধত বিশেষভাৱে অংশ গ্ৰহণ কৰিছিল। এই যুদ্ধত মহাৰাণীৰ চৰকাৰী যুদ্ধ জাহাজ কেইখনৰ ভূমিকা অৱশ্যেই গুৰুত্বপূৰ্ণ আছিল কিয়নো ক্ষিপ্ৰগতি সম্পন্ন এই জাহাজ কেইখনৰ অবিহনে আৰ্মাদাৰ বিৰুদ্ধে জয়লাভ বোধহয় সম্ভৱ ন'হলহেতেন।

আৰ্মদাৰ যুদ্ধই প্ৰতীয়মান কৰিলে যে নৌ-শক্তিত স্পেইনতকৈ ইংলেণ্ড শ্ৰেষ্ঠ। সময়োচিত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ ক্ষমতা আৰু ব্যক্তিগত উদ্যমৰ মণি-কাঞ্চন সংযোগতহে এই যুদ্ধত ইংলেণ্ডৰ জয়লাভ সম্ভৱপৰ হৈছিল। এই যুদ্ধত বিজয়ী দেশ হিচাপে ইংলেণ্ডে স্পেইনৰ ওপৰত যি সুবিধা পাইছিল সেই সুবিধা ইংলেণ্ডে এক বিশেষ ধৰণেৰে ব্যৱহাৰ কৰাত ইতিহাসৰ সোঁতেই বেলেগ ধৰণৰ হ'ল। সাধাৰণতে বিজয়ী দেশখনে বিজিত দেশখন অধিকাৰ কৰাৰ কথা ভাবে। স্পেনীয়সকলৰ ওপৰত ইংলেণ্ডৰ বিজয় এজন আলেকজেণ্ডাৰ বা পিজাৰ' (Francisco Pizarro-পেৰ দেশ জয়

কৰা এজন স্পেনীয় আৱিষ্কাৰক ঃ জন্ম ১৪৭১ মৃত্যু ১৫৪১ ) বা নেপোলিয়নৰ এটা সামৰিক বিজয়ৰ নিচিনা নাছিল। উল্লিখিত বীৰসকল বা নিজৰ বিখ্যাত পূৰ্বপুৰুষ ৫ম হেনৰীৰ লগত এলিজাবেথৰ সামঞ্জস্য যৎসামান্যবিধৰ আছিল। Agincourt ৰ বিজয়ে ( ইংলেণ্ডৰ ৫ম হেনৰীয়ে ১৪১৫ চনত এই যুদ্ধত ফৰাচীসকলক পৰাজয় কৰিছিল ) ইংৰাজ জাতিক অকল উল্লাসিত বা আহ্লাদিত কৰাই নহয়, তেওঁলোক যে এটা "বীৰ-জাতি" সেই কথা সোঁৱৰাই দিছিল। কিন্তু বৰ্তমান মুহূৰ্তত দেখা গ'ল যে এলিজাবেথ আৰু ড্ৰেকৰ [ Sri Francis Drake (১৫৪০ ?—৯৬) ] বিজয় গৌৰৱৰ ধাৰণা বা উদ্দেশ্য জুলিয়াছ চিজাৰৰ দৰে নাছিল। সেয়েহে, য়ুৰোপতেই হওক বা নতুন পৃথিবীতে হওক, স্পেইনৰ এক ইঞ্চি ভূমি পদানত কৰিবলৈ ইংলেণ্ডে বৰ্তমান সময়ত আগ্ৰহ প্ৰকাশ কৰা নাছিল। তদুপৰি অতিৰিক্ত ৰাজ কৰ শোধৰ প্ৰতি ইংৰাজ জাতিৰ বিৰাগ চিৰবৰ্তমান। তেওঁলোকৰ কৰ বিৰোধী মনোভাৱ নথকাহলে আৰু যুদ্ধত জয় লাভ কৰি অধিক গৌৰৱ-বোধ কৰিলে এলিজাবেথে বোধহয় স্পেইনৰ অধীনত থকা গ্ৰীষ্ম মণ্ডলৰ অঞ্চলসমূহ অধিকাৰ কৰাৰ কথা ভাবিলেহেতেন। এই অঞ্চলসমূহ জয় কৰিবলৈ যোৱা হলে ইংলেণ্ডৰ ধন-জনৰ অতিমাত্ৰা অপচয় হ'ল হেতেন বুলি ভৱিষ্যতৰ ইতিহাসে প্ৰমাণ কৰিলেহেতেন আৰু লগতে সাগৰৰ যুদ্ধত জয়লাভ কৰি শ্ৰেষ্ঠ নৌ-শক্তি বুলি পৰিগণিত হৈ ইংলেণ্ডে যি সুবিধা লাভ কৰিছিল তাক অপব্যৱহাৰ কৰা হ'লহেতেন। কিন্তু এলিজাবেথ আৰু ড্ৰেক আদিৰ দূৰদৰ্শিতাৰ কাৰণে সম্ভাব্য অপচয়ৰ পৰিবৰ্তে প্ৰভূত লাভ ইংলেণ্ডৰ কাৰণে সম্ভৱপৰ হ'ল। বিশাল সমুদ্ৰত প্ৰতিপক্ষৰ জাহাজক শলঠেকত পেলাই কৰা লুণ্ঠন কাৰ্য্য, অপ্ৰতিহত সমুদ্ৰ যাত্ৰা, নিজ দেশৰ ব্যৱসায় বৃদ্ধি আৰু নিজৰ বিবেচনা অনুসৰি ভগবানৰ উপাসনা কৰা কাৰ্য্য—এনেবোৰ বিষয়ৰ ওপৰতহে ড্ৰেকৰ দৃষ্টি নিবদ্ধ আছিল। তেওঁৰ শেষ লক্ষ্য আছিল জন-বসতিহীন অঞ্চলবোৰত উপনিবেশ স্থাপন কৰা, কিয়নো তেনে ক্ষেত্ৰত প্ৰতি-ৰোধৰ আশঙ্কা অতি ক'ম আছিল আৰু প্ৰতিৰোধো কৰিলেহেতেন অকল ৰেড ইণ্ডিয়ান যাযাবৰীসকলেহে।

এলিজাবেথৰ দিনত ঘটা এই নৌ যুদ্ধই এক অপ্ৰত্যাশিত বিপৰীত





প্ৰভাৱৰো সৃষ্টি কৰিছিল—এই যুদ্ধই ইংৰাজসকলৰ স্বাধীনতা প্ৰৱণতা বৃদ্ধি কৰিলে। ৰাজকীয় সৈন্য বাহিনীৰ দ্বাৰা ৰজা বা ৰাণীয়ে যেনেকৈ প্ৰজাসকলক নিয়ন্ত্ৰণ কৰিব পাৰে, ৰাজকীয় নৌ-বাহিনী এটাৰ দ্বাৰা তেনেকৈ নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহয়। ইংলেণ্ডত অৱশ্যে তেতিয়া প্ৰকৃত অৰ্থত কোনো ৰাজকীয় সৈন্য বাহিনী নাছিলেই আৰু প্ৰথম চাৰ্লছৰ দিনত যেতিয়া গৃহযুদ্ধ আৰম্ভ হ'ল তেতিয়া ৰাজকীয় নৌ-বাহিনী আচলতে পাৰ্লামেণ্টৰ পক্ষভুক্তহে হৈছিল। ইংলেণ্ডৰ এই নব্যলব্ধ নৌ-শক্তিয়ে আকৌ ব্যক্তিগত উদ্যমৰো সৃষ্টি কৰিছিল। ড্ৰেক, হকিন্স বা তেখেতসকলৰ নিচিনা ব্যক্তিসকল আমেৰিকাৰ ওচৰৰ সাগৰ কেইখনতে ব্যস্ত আছিল। এই নৌ-শক্তিৰ ওপৰতে নিৰ্ভৰ কৰি বিভিন্ন ঠাইত বেহা বেপাৰ কৰিবৰ কাৰণে লণ্ডনস্থ কোম্পানীবোৰ গঢ়ি উঠিছিল।

ইংলেণ্ডৰ সমাজ জীৱনত তেতিয়া দুটা নতুন বস্তু যোগ হৈছিল—নগৰস্থ কোম্পানীসমূহ আৰু যুজাৰু নাৱিকসকল। নতুনকৈ সংযোজিত হোৱা এই দুই উপাদানে সমগ্ৰ দেশখনৰ ওপৰতে অতিমাত্ৰা প্ৰভাৱ বিস্তাৰ কৰিছিল। ড্ৰেক আৰু তেওঁৰ সতীৰ্থ সকল জাতীয় বীৰ হিচাপে বিবেচিত হ'ল। এই নাৱিক সকল অটল প্ৰটেষ্টাণ্ট আছিল; এওঁলোকক সহায় কৰা পুঁজিপতি সদাগৰ সকলো বিচলিত নোহোৱাবিধৰ প্ৰটেষ্টান্ট আছিল। পুনশ্চ তেওঁলোকৰ জাতীয় ( national ) 'শত্ৰু' স্পেনীয়সকল ৰোমান কেথলিক মতাৱলম্বী হোৱা কাৰণে প্ৰটেষ্টাণ্ট মতবাদৰ প্ৰতি ইংৰাজসকলৰ আনুগত্য বৃদ্ধি পাইছিল। ফ্ৰান্সৰ Rochelle অঞ্চলৰ হিউগান ( Huguenot ) আৰু একাংশ ওলন্দাজেও ইংৰাজসকলক সহায় কৰিছিল। স্পেইনৰ ফিলিপ আৰু তেওঁৰ 'পোপ-বিৰোধী সকলৰ বিৰুদ্ধে ঘোষণা আৰু তেওঁলোকক জীৱন্তে দহন '( auto-da-fe )' অৰ্থাৎ এক কথাত ৰোমান কেথলিকসকলৰ ধৰ্মীয় গোড়ামিৰ পৰা 'পৃথিৱী খন'ক ৰক্ষা কৰিবলৈ প্ৰয়োজন হৈছিল এক "কঠোৰ সাগৰ সাথিত্ব" (rough Sea-fellowship)। এই সাগৰ সাথিত্বকো আকৌ অনুপ্ৰাণিত কৰিছিল প্ৰটেষ্টাণ্ট মতবাদৰ সংগ্ৰামী ৰূপটোৱে। মুঠতে ইংলেণ্ডৰ বাসিন্দাসকলৰ ওপৰত এই ধৰ্মই গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। স্পেইনক পৰাজয় কৰা নাৱিক-সকল আছিল স্থূল ক্ৰেতা (rough customer)। স্বাভাৱিকতে তেওঁলোকে ৰাষ্ট্ৰ বা গীৰ্জাৰ কোনো ব্যক্তিকে গ্ৰাহ্য নকৰিছিল। কিন্তু কাৰ্য্যক্ষেত্ৰত নিষ্ঠা



OKDISCD

আৰু সততা প্ৰদৰ্শন কৰা দলৰ নায়কসকলৰ সৰ্বাধিনায়ক আছিল মহাৰাণী নিজেই আৰু মহাৰাণীৰ প্ৰতি নায়কসকলৰ আছিল অবিচল আনুগত্য।

সেই সময়ৰ জাহাজবোৰত স্বাস্থ্য বিজ্ঞানৰ নীতি নিয়ম মুঠেই পালন কৰা নহৈছিল (মানুহে এই নীতি-নিয়মবোৰৰ কথা তেতিয়া জনাইনাছিল)। খাদ্য বস্তু সঘনে পচিছিল আৰু সংক্ৰামক ব্যাধি প্ৰতিৰোধৰ কোনো ব্যৱস্থাই নাছিল। ফলত নানা ধৰণৰ মহামাৰীয়ে জাহাজবোৰত ভয়ঙ্কৰ আক্ৰমণ চলাইছিল। এনে মহামাৰী, প্ৰতিপক্ষৰ লগত হোৱা নৌ-যুদ্ধ, আৰু অন্যান্য জাহাজ দুৰ্ঘটনাৰ মুখৰপৰা জীউটো টোপোলাবান্ধি যাত্ৰা কৰা নাৱিক সকলৰ খুব ক'ম সংখ্যকেহে ৰক্ষা পাইছিল।

ইংলেণ্ডৰ সদাগৰসকলে যে নানা কাৰণত বজাৰ হেৰুৱাবলগা হৈছিল সেই কথা যথাস্থানত উল্লেখ কৰা হৈছে। এইদৰে বজাৰ বদলাই থাকিব লগা হোৱাত দেশে নানা দুৰ্দশা ভোগ কৰাৰ লগতে দেশৰ বস্ত্ৰোৎপাদন কাৰ্য্যত জড়িত থকা বহুতোলোক নিবনুৱা হব লগা হৈছিল। অৱশ্যে দুৰ-দুৰণিত হলেও নতুন নতুন বজাৰ ক্ৰমশঃ বিচাৰি পোৱা হৈছিল। লণ্ডন নগৰত নতুন নতুন কোম্পানি গঠন কৰা হৈছিল। সিবোৰে ৰাছিয়া, প্ৰাছিয়া, টুৰ্কী আৰু লেভান্ট আদি দেশলৈকে ব্যৱসায় বিস্তাৰ কৰিছিল, উত্তমাশা অন্তৰীপেৰে ভাৰতবৰ্ষতো উপস্থিত হৈছিলহি। ভাৰতবৰ্ষত ব্যৱসায় কৰিবলৈ অহা ইষ্ট ইণ্ডিয়া কোম্পানিক ১৬০০ চনত মহাৰাণীয়ে এখন চনদ দিয়ে। এদেও, দুদেও লোটা নিবৰ ছেও কৰি এই ইষ্ট ইণ্ডিয়া কোম্পানিয়ে কেনেকৈ ভাৰতবৰ্ষখন এদিন ব্ৰিটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিলে তাক দোহাৰিবৰ প্ৰয়োজন নাই।

এলিজাবেথৰ ৰাজত্বৰ শেষৰ ফালে এহাতে আধুনিক ভিত্তিত ইংৰাজৰ ৰাজস্ব আৰু ব্যৱসায়ৰ পুনৰুত্থান আৰু সম্প্ৰসাৰণ হৈছিল আৰু অন্যহাতে তেওঁৰ পুৰণা প্ৰতিদ্বন্দ্বী দেশবিলাক দ্ৰুতভাৱে অক্ষমো হৈ আহিছিল। চতুৰ মহাৰাণী আৰু তেওঁৰ উদ্যোগী প্ৰজাবৃন্দই অন্যান্য দেশবোৰৰ অক্ষমতাৰ সুযোগ পূৰামাত্ৰাই গ্ৰহণ কৰিছিল।

অতীতৰ সঙ্ঘাধীন গিল্ড ব্যৱস্থাৰ (Gild System) ধ্বংস ত্বৰান্বিত কৰা সদাগৰী পুঁজিবাদৰ (merchant Capitalism) ক্ৰমোন্নতিৰ লগত সাগৰ মহাসাগৰৰ সিপাৰে বৃদ্ধি পোৱা ইংলেণ্ডৰ ক্ৰমবৰ্দ্ধমান ব্যৱসায়ৰ গভীৰ সম্পৰ্ক





আছিল। এই খিনিতে C. R. Fay এ লিখা 'Great Britain from Adam Smith to the Present Day' নামৰ কিতাপখনৰ এষাৰ কথা উল্লেখযোগ্য ঃ "The guild System was not favourable to capital accumulation. In their technique and the ordering of their life the merchants and craftsmen of ths Middle Ages surpassed perhaps the centuries which followed. But the guild outlook was municipal and its structure inelastic, and therefore it gave way to a System which let itself to cxpansion and change. This we call merchant capitalism, with its complement domestic industry. The merchant capitalist was a middleman who broke down ancient barriers. He defied corporate towns by giving out work to the country, and evaded the monopolies of privileged companies by interloping.........He committed excesses, but he was the life blood of economic growth" ("English Social History"ৰ পৰা উদ্ধৃত পৃঃ ২০০)।

অতীতৰ সঙ্ঘাধীন গিল্ড ব্যৱস্থাৰ প্ৰায় সমান্তৰাল হিচাপে গঢ়লোৱা এই সদাগৰী পুঁজিবাদৰ লক্ষণসমূহ আনকি কবি চচাৰৰ (chancer) যুগৰ উল ব্যৱসায়তে স্পষ্ট হৈ পৰিছিল। এলিজাবেথৰ যুগত নতুন ধৰণৰ ব্যৱসায়ী কোম্পানিৰ গঠনত সহায় কৰি এই পুঁজিবাদ অগ্ৰগতিৰ পথত আৰু এখোজ আগুৱাই গ'ল।

উল্লিখিত কম্পেনিবোৰ দুট ভাগত ভগালে সমীচীন হব। এই দুবিধৰ প্ৰথমবিধ হ'ল 'নিয়ন্ত্ৰিত কোম্পানি' ('Regulated company') এনে কোম্পানিৰ অংশীদাৰসকলে কোম্পানিৰ নীতি নিয়ম মানি চলি নিজৰ ব্যক্তিগত মূলধনৰ ওগৰত ভিত্তি কৰি ব্যৱসায় কৰিছিল। উজ্জল ভৱিষ্যতৰ সম্ভাৱনা বহন কৰা Merchant Adventurer কোম্পানিবোৰ এনে 'নিয়ন্ত্ৰিত কোম্পানি' আছিল। অংশীদাৰ সকলৰ হৈ গোটেই প্ৰতিষ্ঠানটোৱেই ব্যৱসায় চলোৱা দ্বিতীয়বিধ আছিল 'যৌথ কোম্পানি' (Joint Stock company)। কোম্পানিয়ে কৰা লাভৰ অংশ অংশীদাৰ সকলে পাইছিল আৰু কোম্পানিৰ লোকচান হলে



OKDISCD

অংশীদাৰ সকলে ক্ষতিপূৰণ দিব লগা হৈছিল। আমাৰ পৰিচিত বিখ্যাত ইষ্ট ইণ্ডিয়া কোম্পানি এটা 'যৌথ কোম্পানি' আছিল।

ৰাষ্ট্ৰৰ অৰ্থাৎ স্বদেশ ইংলেণ্ডৰ ওপৰত অতি সামান্যভাৱে নিৰ্ভৰশীল লণ্ডনৰ এই ডাঙৰ ডাঙৰ কোম্পানিবোৰে বিভিন্ন দেশত নানা বি। পৰি-স্থিতিৰ মাজত কাম কৰিব লগা হোৱা কাৰণে ব্যক্তিগত উদ্যম, ৰাষ্ট্ৰনীতিক স্ব-শাসন ( Self-Government ) আৰু আত্মনিৰ্ভৰশীলতা আদি গুণাৱলী আয়ত্ব কৰিবলৈ বাধ্য হৈছিল। এহাতে যেনেকৈ উত্তৰ আমেৰিকা আৰু আৰু ভাৰতবৰ্ষৰ ইতিহাসত এই কোম্পানিবোৰৰ সৰ্বশেষ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ আছিল ঠিক অন্যহাতে তেনেকৈ স্বদেশৰ মানুহৰ চৰিত্ৰ আৰু দেশৰ ৰাজনৈতিক আৰু সামাজিক চিত্ৰৰ পৰিবৰ্তন সাধন কৰাত এই কোম্পানিবোৰৰ ভূমিকা সমানে গুৰুত্বপূৰ্ণ আছিল। ষ্টুৱাৰ্ট আৰু হেনভেৰীয় ( Hanoverian ) যুগত উক্ত পৰিবৰ্তন সমূহৰ ফল পৰিলক্ষিত হৈছিল। এলিজাবেথৰ মৃত্যুৰ এক পুৰুষ ( generation ) পিছত ইংলেণ্ডত ভ্ৰমণ কৰা পিটাৰ মুণ্ডিয়ে ( Peter Mundy ) য়ে লিখামতে ইংলেণ্ডে ৭টা বিষয়ত কৃতিত্ব প্ৰদৰ্শন কৰিছিল। সেই টা বিষয়ৰ ভিতৰত উল্লেখযোগ্য হ'ল বৈদেশিক বাণিজ্যৰ উদ্দেশ্য গঠিত হোৱা কোম্পানিবোৰে বৈদেশিক বাণিজ্য বৃদ্ধিৰ পথ আৱিস্কাৰৰ কাৰণে পৃথিৱীৰ অগম্য অঞ্চল আৰু দেশলৈ নিজৰ শক্তি সামৰ্থ অনুসৰি মানুহ আৰু জাহাজ প্ৰেৰণ কৰাত লভা কৃতিত্ব। ইটালিয়ান, জাৰ্মান আৰু ফৰাচীসকলে মধ্যযুগৰ ইংলেণ্ডৰ লগত ব্যৱসায় কৰিছিল কিন্তু এতিয়া ইংলেণ্ড নিজেই দুৰ-দুৰান্তত ব্যৱসায় কেন্দ্ৰ স্থাপন কৰিবলৈ সমৰ্থ হ'লগৈ, বাণিজ্যৰ দৃষ্টিকোণৰ পৰা ইংলেণ্ড এতিয়া নিয়াৰি ( Anvil ) হবলৈ এৰিলে, ইংলেণ্ড এতিয়া হাতুৰিৰ (Hammer) ভূমিকাত অৱতীৰ্ণ হ'ল।

( আগলৈ )

—০০—



# চাকৰি বিচাৰি

( গল্প )

**উমেশ দাস**

[ শ্ৰীউমেশ চন্দ্ৰ দাস এজন শ্ৰমিক। তেখেতৰ এই প্ৰথম প্ৰকাশিত গল্পত সহজ বৰ্ণনাৰ যোগেদি সমাজৰ সৰহ সংখ্যক মানুহৰ দুখ বেদনাৰ এটি জীৱন্ত চিত্ৰ ফুটি উঠিছে। এনে বিষয় বস্তু লৈ মধ্যবিত্ত লেখকে লেখা গল্পত অভিজ্ঞতাৰ সঁচ সাধাৰণতে নেথাকে, আৰু সেয়ে তাৰ শক্তিও হয় ক্ষীণ। একাণপতীয়াকৈ চৰ্চা কৰিলে আৰু গল্পৰ কৌশল শিকি বুজি ললে এদিন শ্ৰীদাস নিশ্চয় জনসাধাৰণৰ আপোন সাহিত্যিক হব পাৰিব ঃ সম্পাদক ]

মেট্ৰিক পাচ কৰি তিনি বছৰ ঘৰতে বহিলে অমৃতে। ঘৰখনত পৰিয়াল বুলিবলৈ মাত্ৰ দুজন। মাক মালতী আৰু পুতেক অমৃত। বহুকষ্ট কৰি অমৃতে মেট্ৰিক পাচ কৰিলে, কিন্তু অভাৱ অনাটন আৰু ঘৰুৱা চিন্তাৰ বাবে সি কলেজত পঢ়িব নোৱাৰিলে। সেয়েহে অমৃতৰ মনত বৰ দুখ। সংসাৰৰ বহুত চিন্তাই তাক আগুৰি ধৰিছে। এমুঠি ভাত, এখনি বস্ত্ৰৰ বাবে আজি অমৃতে হাঁহাকাৰ কৰি চকুলো টুকিছে। কিমান দিন যে লঘোনিয়া পেটে সি স্কুললৈ গৈছিল সেই কথা মনত পৰিলে আজিও তাৰ ধাৰাসাৰে চকুলো বৰলৈ ধৰে। এই তিনি বছৰে চাকৰি বিচাৰি সি হাবাথুৰি খালে কিন্তু কতো এটি চাকৰিৰ সন্ধান নেপালে। তাক লাগে মাত্ৰ এটা চাকৰি। কিবা এটা সৰু সুৰা চাকৰি হলেও সি কোনো মতে চলিব পাৰিব। কিন্তু চাকৰি পায় ক'ত ? এদিন ৰাতি পুৱাই অমৃতে গুৱাহাটীলৈ চাকৰি বিচাৰি ওলাল। চহৰৰ পৰা প্ৰায় ৮·৯ (আঠ ন) মাইল মান দূৰত অমৃতৰ ঘৰ। অহাযোৱা-কৰিবলৈ গাড়ী মটৰৰ বেছ সুবিধা আছে, কিন্তু নাই মাথো তাৰ হাতত টকা পইছা। গোটেই পথেই সি খোজ কাঢ়ি যাব লগীয়া হ'ল। বাটত চাহ পানী এটোপা খাবলৈ বুলিও তাৰ হাতত পইচা নাছিল। দুপৰীয়া ৰ'দত জলাকলা হৈ সি উপস্থিত হ'ল গৈ গুৱাহাটীৰ ফাঁচিবজাৰত। তাতে এখন



OKDISCD

চাহৰ দোকানত পানী এগিলাচ খাই লৈ ইমান দূৰ খোজ কাঢ়ি অহা ভাগৰখিনি আঁতৰালে। তাৰপিচত সি চাকৰি বিচাৰি ফুৰিব ধৰিলে।

সেইদিনা অমৃতে বহুঠাই ঘুৰিলে। কিন্তু কতো একো সুবিধা নেপাই হতাশ মনে ঘৰলৈ উভতিল। গধুলী সাত মান বজালৈ অমৃত উভতি নোযোৱাত মাকৰ বৰ চিন্তা লাগিল। বুঢ়ীৰ মনত বহুচিন্তাই ভুমুকি মাৰিব ধৰিলে। ৰাতি ন মান বজাত অমৃত উপস্থিত হ'লগৈ। পুতেকক দেখি বুঢ়ীৰ মনৰ খেলিমেলিবোৰ আঁতৰি গ'ল। অমৃতৰ মুখলৈ চাই মাকে বুজিলে যে সি গোটেই দিনটো ক'তো একো খোৱানাই। সেয়ে মাকে তাক ভৰি ধুবলৈ পানী এবাণ্টি দিলে আৰু লৰা লৰিকৈ ভাত ৰান্ধিব ধৰিলে। কিছু পৰ পিচত সি ভাত খাব বহিল। কিন্তু সি বৰ আচৰিত হৈছিল, কাৰণ মাকে তাক দিনটো একো নোখোৱা কথাহে সুধিলে, কিন্তু চাকৰি পোৱা নোপোৱাৰ কথা এবাৰো নুসুধিলে। বুঢ়ীয়ে হয়তো পুতেকৰ মুখলৈ চাই সকলো কথা বুজিব পাৰিছিল। ভাত খোৱাৰ পিচত সি বিছনাত পৰামাত্রে টোপনি আহিল।

পিচদিনা গধুলি অমৃতে লেমটো জ্বলাই পঢ়া টেবুলৰ ওচৰত বহি আছিল। এনেতে ভূপেন আহি তাৰ কোঠাত সোমাল। অমৃতে চকিখনৰ পৰা উঠি বিছনাত বহিল, আৰু চকি খনত অমৃতক বহিব দিলে। ভূপেনে সুধিলে তই যে যোৱাকালি গুৱাহাটীলৈ গৈছিলি, কিবা সুবিধা হ'ল নে ? : নাই ভাই, সুবিধা আৰু ক'ত পাম ? দুখীয়াৰ দুখ চিৰ দিনে। আৰুনো কিমান সহ্য কৰিম ! খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, ইমান কষ্টত জীয়াই থকাতকৈ মৰি যোৱাই ভাল। কথা পাতি থাকোঁতে ভালেমান ৰাতি হ'ল। আৰু সিমানতে ভূপেনে অমৃতৰ পৰা বিদায় ললে॥

কিছুদিন পিচত এদিন অমৃত আকৌ চহৰলৈ গ'ল। সেই দিনা হলে সি খোজ কাঢ়ি নগল, কাৰণ তাৰ হাতত অহাযোৱা কৰিবলৈ গাড়ীৰ ভাৰাখিনি আছিল। সেই দিনাও সি বহুঠাই ঘুৰিলে। কেবাটাও অফিচত চাকৰি বিচাৰি গল কিন্তু সকলোতে একেটা কথা। ন' ভেকেঞ্চি'। অমৃতৰ মনটো বৰ বেয়া লাগিল। মনৰ দুখত, পেটৰ ভোকত, ৰ'দৰ কোবত, বেচেৰা অচল অবল হৈ ঘৰলৈ উভতি গ'ল।।

ঘৰলৈ যোৱাত মাকে সুধিলে, বোপা, কিবা সুবিধা পালি নে ? দুখ





মনেৰে অমৃতে উত্তৰ দিলে—নাই মা, গোটেই দিনটো হাঁ চাকৰি হাঁ চাকৰি কৰি চহৰ খন ওলট পালট কৰিলো কিন্তু .........। সি আৰু কথা কব নোৱাৰিলে। তাৰ চকুদুটাৰে দুটোপাল চকুলো নিগৰি পৰিল। মাকে তাক সান্তনা দি কলে নেকান্দিবি বোপা ! চাকৰি নোহোৱা মানুহে জীৱন কটোৱা নাই নে ? আৰু আজি তিনি বছৰে যে তই চাকৰি পোৱা নাই, সেই বুলি আমি জানো নোখোৱাকৈ জীয়াই আছোঁ ! সচাঁ মা, যেনেকৈ দিনে দিনে খাদ্য বস্তুৰ অভাৱ অনাটন হৈছে তেনেকৈ চাকৰি পোৱাটোও বৰ টান হৈছে। সেয়েহে মোৰ দৰে শ শ লৰাই চাকৰি বিচাৰি ঘুৰি ফুৰিছে কিন্তু কেইজনে নো চাকৰি পাইছে।

ৰাতি ভাত খাই দুয়ো মাক পুতেক বিছনাত পৰিল, বিছনাত বাগৰ দিয়া মাত্রে মাকৰ টোপনি আহিল কিন্তু অমৃতৰ হলে বহুৰাতিলৈ টোপনি অহা নাছিল। তাৰ মনলৈ অনেকচিন্তা আহিল। তিনি বছৰ ঘৰতে বহি বেকাৰ হৈ আছে। তাৰ লগৰীয়া লৰাবোৰে আজি কলেজত পঢ়িব লাগিছে। এনেকৈ ভাবি থাকোঁতে কেতিয়া তাৰ টোপনি আহিল কবই নোৱাৰিলে সি।

কিছুদিন পিচত। সেইদিনা শুক্রবাৰ। ১৯৭১ চনৰ জুলাই মাহৰ ১৬ তাৰিখ। ৰাতি পুৱা পইতা ভাত কেইটামান খাই অমৃত ওলাল গুৱাহাটী চহৰলৈ চাকৰি বিচাৰি। দুপৰীয়া এখন চাহৰ দোকানত গৈ সুদা চাহ একাপ খালে অমৃতে। দোকানৰ মেনেজাৰ জনে এখন বাতৰি কাগজ পঢ়ি আছিল। "নতুন অসমীয়া"। কাগজখন অমৃতৰ পঢ়িবৰ মন গৈছিল। সেয়ে সি মেনেজাৰক খুজি কাগজখন হাতত লৈ প্রথম পৃষ্ঠাটো নপঢ়ি দ্বিতীয় পৃষ্ঠাটো উলিয়াই কিবা এটা পঢ়িছে মাত্র এনেতে হঠাৎ তাৰ চকু পৰিল কেইটামান ডাঙৰ আখৰৰ ওপৰত। **কাম খালী**। তলত লিখা আছে :"জেইল ওৱাৰ্দৰ লাগে। সেয়েহে ভাৰতীয় নাগৰীকৰ পৰা দৰ্খাস্ত আহ্বান কৰা হল। জুলাই-মাহৰ ৩১ তাৰিখলৈ দৰ্খাস্ত লোৱা হব। আগষ্টৰ ২ তাৰিখে ৰাতি পুৱা ১০ বজাত ইণ্টাৰভিউ লোৱা হব। স্থান গুৱাহাটী জেল।

তৃতীয় অধীক্ষক।
গুৱাহাটী জেইল।



OKDISCD

কথাখিনি পঢ়ি চাই বৰ ভাল লাগিল। সি আকৌ এবাৰ চালে। চাহৰ দোকানত বহিয়েই অমৃতে এখন দৰ্খাস্ত লিখিলে আৰু জেল অফিচলৈ বুলি খোজ ললে। অফিচত এজন ওৱাৰ্দৰে কোৱা মতে, অমৃতে দৰ্খাস্তখন নিৰ্দিষ্ট ঠাইত (এটা বাকচত) থৈ বংমনে ঘৰলৈ খোজ ললে। ঘৰত উপস্থিত হৈ অমৃতে মাকৰ আগত দিনটোৰ সকলো কথা বিবৰি কলে। আৰু ভূপেন হঁতৰ ঘৰলৈ গৈ ভূপেনক এখন দৰ্খাস্ত দিয়াৰ কথাও কলে। পিচদিনা ভূপেনে গৈ দৰ্খাস্ত এখন দি আহিল।

দিনৰ পিচত দিন গৈ আহি পালে সেই দিনটো। ইন্‌টাৰভিউ। কাইলৈ ইন্‌টাৰভিউ। অমৃতৰ মনত আজি আনন্দ উল্লাসৰ সীমা নাই। সি ভাবিছে যে চাকৰিটো সি পাব। কাৰণ দেখাত সি এজন হৃষ্ট-পুষ্ট ডেকা লৰা। ওৱাৰ্ডৰৰ কাম সি সহজে কৰিব পাৰিব। ইত্যাদি বহুতো চিন্তাই আহি অমৃতৰ মনত খেলিমেলি লগাইছে। ৰাতি বিচনাত বাগৰ দি সি ভাৱিব ধৰিলে। যে চাকৰিটো পালে, সি গুৱাহাটীত এটা ঘৰ ভাড়া কৰি থাকিব, মাকক তাৰ লগতে ৰাখিব, নাইবা কিছুদিন ঘৰৰ (গাওঁৰ) পৰা অহাযোৱা কৰিব। সুবিধা পালে ৰাতিৰ কলেজত সি পঢ়িব, হয়তো আৰু বহুত কিবা কিবি কৰিব কিমান যে আশা ভৰষা আহি অমৃতৰ মনত ভুমুক মাৰিছে তাৰ সীমা নাই।

পিছ দিনা ৰাতি পুৱাই সাজি কাচি ওলাল অমৃত ইন্টাৰভিউ দিবলৈ, আৰু লগতে ওলাল ভূপেন। দুয়ো বৰ আনন্দেৰে যাত্ৰা কৰিলে গুৱাহাটীলৈ। বাটত যাওঁতে ভূপেনে কলে বৰ সোনকালে আহিলো দেই অমৃত। ইন্টাৰভিউ ১০ (দহ) বজাতহে হব। এইদৰে দুয়ো গৈ উপস্থিত হল জেলৰ সম্মুখত। কিন্তু উপস্থিত হৈ সিহঁত দুয়ো হতভম্ব হৈ গ'ল। কাৰণ জেলৰ সন্মুখৰ ৰিৰাট পথাৰখনত মানুহ নধৰা হৈছে। সিহঁতে ভাবি নেপালে ইমানবোৰ লৰা কেতিয়া ক'ৰ পৰা আহি তাত গোট হৈছে। চাওঁতে চাওঁতে প্ৰায় এঘাৰটা বাজিল। কিন্তু ইন্টাৰভিউ লবলৈ একো সাৰ-সুৰ নাই। ছাৰে এঘাৰটামান বজাত জেল অফিচাৰ এজনে ডিগ্ৰী অনুযায়ী লৰাবোৰৰ নাম মাতিব ধৰিলে। ইফালে অমৃতৰ মনটো একেবাৰে জহি গৈছে। কিয়নো তাৰ মতে বহু আগতেই তাক মাতিব লাগিছিল। প্ৰায় দুশমান লৰা যোৱাৰ পিছত পাল পৰিল অমৃতৰ।





কিন্তু এতিয়াও প্ৰায় দেৰ হাজাৰ মান লৰা বাকী থাকিল। কিছুমানে আকৌ ইন্টাৰভিউ নিদিয়াকৈ মেটিনী-শ্বো চিনেমা চাবলৈ গ'ল। অফিচৰ ভিতৰত এজন মানুহে অমৃতক সুধিলে, তুমি মেট্ৰিক পাচ কৰি কলেজত নপঢ়িলা কেলেই ?

অমৃত ঃ ঘৰৰ অৱস্থা বৰ বেয়া ছাৰ!

"হুঁঃ বুজিলো। পিচে আমি মেট্ৰিক পাছ লৰা নলওঁ। কাৰণ ওৱাৰ্ডৰৰ কামটো বৰ ভাল কাম নহয়। আৰু বেছি লিখা পঢ়া নহলেওঁ হয়, গতিকে তুমি বেলেগ কিবা সুবিধা বিচাৰাগৈ যোৱা।" তেখেতৰ কথাবোৰ বৰ নিৰস যেন লাগিল অমৃতৰ। সেয়েহে তেখেতৰ কথা শুনি অমৃতৰ মনত শোকে খুন্দা-মাৰি ধৰিলে আৰু বোবা মানুহৰ দৰে বাহিৰ ওলাই আহি ভূপেনক কলে যে ওৱাৰ্ডৰৰ কামত হেনো মেট্ৰিক পাচ লৰা নেলাগে, গতিকে মই যাওঁ। তই থাক্। অমৃত যাব ওলোৱাত ভূপেনো যাব ওলাল। কিন্তু অমৃতে তাক বুজাই কলে যে অফিচাৰজনে কৈছে মেট্ৰিকফেইলৰ পৰা ৬ষ্ঠ শ্ৰেণীলৈ পঢ়া লৰাৰ ভিতৰত হে লৰা লব। কথাটো ভূপেনৰ বেয়া নেলাগিল কাৰণ সিও মেট্ৰিক ফেল। দুবাৰ পৰীক্ষা দিছিল কিন্তু উত্তীৰ্ণ হব নোৱাৰি ঘৰতে বহি আছে। অমৃতে ভূপেনৰ পৰা বিদায় ললে। তেতিয়া আবেলি ৪টা মান বাজিছিল। জেল অফিচৰ পৰা ওলাই ব্ৰহ্মপুত্ৰৰ পাৰেৰে (ফুটপাথেৰে) অতি দুখ মনেৰে ঘৰলৈ গৈ থাকিল। আৰু কিমান দিন বা এইদৰে ঘৰত বহি থাকিব লাগে! চাকি নুমালে ঘৰ অন্ধকাৰ হোৱা দি সকলো উৎসাহ মাৰ গৈ তাৰ মনো অন্ধকাৰ হৈ পৰিল। তাৰ যেন খোজ দিবলৈকো গাত বল নোহোৱা হ'ল। ৰাস্তাৰ মানুহবোৰ কিবা আচহুৱা যেন লাগিল। যেন সিহঁত বেলেগ জগতৰ বাসিন্দা। দুই একে কৌতূহলেৰে তাৰ পিনে চালে। মাকক আজি ঘৰলৈ গৈ কি কব সি? মূৰটো অলপ ঘূৰি যোৱা যেন পালে। ভৰলুমুখত ক্লান্ত অমৃতে ফুটপাথৰ পৰা নামি সোঁফালৰ পৰা বাওঁ ফালে যাওঁ বুলি আলি বাটটো পাৰ হব খুজিলে। হঠাতে পিছফালৰ পৰা এখন লৰী মটৰে খুন্দা মাৰি বগৰাই দিলে অমৃতক। লগে লগে বেচেৰাৰ মূৰৰ খোলা ফাঁটি গ'ল। ঘটনাস্থলীত মানুহৰ জুম বান্ধিলে। ততাতৈয়াকৈ অমৃতক হাস্পাতাললৈ নিবলৈ বুলি দুজনমান মানুহে ৰিক্সা এখন লৈ আহিল। হেন সময়তে ভূপেন আহি উপস্থিত। সি ভালদৰে চাই চিতি দেখিলে যে অমৃত আৰু এই সংসাৰত নাই। ভূপেনে



OKDISCD

অমৃতৰ মৃত দেহটো হাস্পাতাললৈ নিব নিদিলে। সি এখন ঘোৰাগাড়ী ভাড়া কৰি তাতে অমৃতৰ মৃত দেহটো উঠাই লৈ ঘৰলৈ বুলি ঢাপলি মেলিলে। ৰাতি আঠমান বজাত ঘোড়াৰ গাড়ী গৈ ভূপেনহঁতৰ গাওঁ পালে। গাঁৱলীয়া বাট পথ বোকা পানীৰে ভৰপুৰ। সেয়েহে ঘোড়া গাড়ীৱালা জনে আৰু আগুৱাই যাব নোখোজে। মাজে মাজে ঘোড়াটোৱে বোকাত খোজ কাঢ়িব নোৱাৰি একে ঠাইতে ঠিয় হৈ থাকে। বেচেৰা ঘোড়াটোৱে ভূপেন আৰু অমৃতৰ দুৰৱস্থাৰ কথা বুজিব পাৰিছিল বোধহয়। সেয়েহে নিজৰ দুখকো দুখ বুলি নাভাবি হিৰ-হিৰকৈ গাড়ী টানিব ধৰিলে।

ৰাতিৰ ঘোপমৰা আন্ধাৰ, বাট পথ একো চিনিব নোৱাৰি। ভূপেনে এবাৰ দূৰলৈ নিৰিখি চাই বুজিলে ঘৰ পাবলৈ আৰু বেছি পৰ নাই। এসময়ত ভূপেনৰ নিৰ্দ্দেশমতে ঘোড়াগাড়ীখন ৰৈ গ'ল। ঘোড়াটোৰ ডিঙিত থকা জুনুকা-বোৰৰ শব্দ শুনি অমৃতৰ মাকে লেমটো হাতত লৈ পদুলিমুখলৈ আহি দেখিলে ভূপেন, আৰু আন এজন মানুহে গাড়ীৰ পৰা কিবা এটা বস্তু নমাব ধৰিছে। বুঢ়ীয়ে সুধিলে, কি আনিছ অ' ভূপেন? ভূপেন নিমাত। অমৃতৰ মৃতদেহ টো চোতালত থৈ ঘোড়াগাড়ীৱালাক বিদায় দি ভূপেনে অমৃতৰ মাকক সকলো কথা বিৰৰি কলে। কিন্তু মাকে জানো ইমান সময় ধৈৰ্য্য ধৰি থাকিব পাৰিব? ভূপেনৰ কথা শেষ হব নৌপাওঁতেই পুতেকৰ তেল্‌টোক সাৱটি ধৰি বুকু ভুকুৱাই কান্দি কান্দি অচেতন হৈ পৰিল বুঢ়ী। গাৱঁৰ মানুহ আহি চোতাল উপচি পৰিল। কেইজনমানে বুঢ়ীজনীক শুশ্ৰূষা কৰিব ধৰিলে আৰু কেইজনমানে শ'টো দাহ কৰাৰ ব্যৱস্থা কৰিলে। এজনে আকৌ কলে ৰাতিৰ ভিতৰতে পুৰি পেলালেই ভাল হব। কথাষাৰ কোৱা মাত্ৰে বুঢ়ীৰ জ্ঞান আহিল, আৰু চিঞৰি চিঞৰি কলে, মোৰ বোপাৰ লগতে মোকো পুৰি পেলোৱা…।

উঃ … ৰি … পে … লো … ৱা …।

—০—০—

# ৰতুবাবুৰ বিয়া

(গল্প)

শীলভদ্ৰ

অধ্যাপক বিজয় বৰুৱাৰ গাড়ীৰ সোঁফালৰ মাডগাৰ্ডটো লৰফৰ কৰি আছিল। ৰতুবাবুই ক'লে অলপ সময় লাগিব। গাড়ীখন থৈ বৰুৱা চক্ৰবৰ্ত্তীৰ ঘৰলৈ গ'ল। সেইথিনিতেই চক্ৰবৰ্ত্তীৰ ঘৰ।

ফটফটীয়া জোনাক। ৰাতিপুৱা এজাক বৰষুণ দিছিল। চক্ৰবৰ্ত্তীৰ ঘৰৰ পৰা খোজকাঢ়ি আহি বৰুৱাৰ খুব ভাল লাগিছে। মনত ধুনীয়া এটা কাব্যিক অনুভূতিৰ সঞ্চাৰ হৈছে। এই অনুভূতিৰ ঠিক কোনো সংজ্ঞা নাই।

ৰতুবাবুই তেতিয়াও কাম কৰি আছিল।

"কিমান দেৰি?"

"এই হ'ল।"

গেৰেজৰ বাতাৱৰণ সম্পূৰ্ণ ভিন্ন। ধূলি মাকতি ঘাম। তাত থকা গাড়ীবোৰৰ মাজত ঘোপমাৰা এন্ধাৰ। আকৌ ৰতুবাবুই কাম কৰি থকা ঠাইখিনিত পীড়া-দায়ক ভাৱে উজ্জল পোহৰ। চকুদুটা স্বয়ংক্ৰিয় ভাৱে কোঁচ খাই যায়।

উপায় নাই। ৰখি থাকিব লাগিব। আগতে কথা বেলেগ আছিল। যতীন মেকানিকে ঠিকঠাক কৰি গাড়ীখন ঘৰত দি থৈ আহিলে হয়। ৰেয়া লাগে। টি, বি হৈ বিনা চিকিৎসাত মৰিল ডেকা লৰাজন।

যতীন; দীননাথ, কেশৱ, হৰিহৰ, কাঞ্চা। এওঁলোক হ'ল মটৰ মেকানিক। ৰতুবাবুৰ গেৰেজটো হ'ল এওঁলোকৰ প্ৰধান আড্ডা। কাৰো নিৰ্দ্দিষ্ট কোনো কাম নাই। মানুহৰ ঘৰত গৈ কাম কৰে। ৰতুবাবুৰ গেৰেজত অনা গাড়ীৰ ওৱেল্ডিঙৰ বাহিৰে বেলেগ কিবা কাম থাকিলে কৰি দিয়ে। অৱশ্যে যতীন আৰু নাই। বাকীবোৰে একেধৰণে চলি আছে। ৰতুবাবুৰ গেৰেজ মানে হ'ল এখন খেৰৰ চালি। ৰতুবাবুই আচলতে ওৱেল্ডিঙৰ কামহে কৰে। হাত খুব ভাল। নাম আছে।





OKDISCD

সকতে যতীন মেকানিকে বিজয় বৰুৱাৰ লগত তলৰ শ্ৰেণীত কিছুদিন একেলগে পঢ়িছিল। ৰতুবাবুৰ গেৰেজত আকৌ তাক লগ পাই বৰুৱাই ভালেই পাইছিল। পুৰণি গাড়ী চলাবলৈ হ'লে কামজনা মানুহ এজন হাতত থাকিলে নিশ্চিন্ত।

সিও টি, বি হৈ মৰিল। তাকে তো। তাৰ পৰিবাৰ আৰু ছোৱালীজনীৰ নো কি হ'ল? পৰিবাৰৰ দেউতাক বেমাৰী মানুহ। মাহীমাকজনী হেনো সাক্ষাৎ ৰণচণ্ডী। বাপেক তেওঁৰ ভয়তে কম্পমান। ৰতুবাবুই কোৱা কথা। যতীনৰ পৰিবাৰজনী কম বয়সৰ ধুনীয়া ছোৱালী। যতীনৰ অসুখৰ সময়ত এদিন ক্ষন্তেকৰ কাৰণে তাৰ ঘৰলৈ যাওঁতে বৰুৱাই দেখিছিল। দুৱাৰ খুলি দি কেঁচুৱাটোক কোলাত লৈ ত্ৰস্তভাৱে ঘৰৰ পৰা ওলাই গৈছিল।

যতীনে হেনো প্ৰেমত পৰি তাইক বিয়া কৰাইছিল। এই কথাও ৰতুবাবুৰ মুখত শুনা। যতীনৰ অসুখৰ সময়ত তেওঁ এই কথা কৈ মুখখন বিকৃত কৰি দিছিল। ভয়ানক ভাৱে উত্তেজিত হৈ উঠিছিল। ৰতুবাবুৰ মেজাজ এবাৰ গৰম হ'লে আৰু ৰক্ষা নাই। যোগালী ল'ৰা কেইজনে গালিৰ কোবত তত নোপোৱা হয়। আৰু গালি মানে? স্বাভাৱিকতে কম কথাকোৱা মানুহজনৰ ভাষাজ্ঞান দেখি তবধ মানিব লাগে।

বৰুৱাই ৰতুবাবুক সুধিলে—"যতীনৰ পৰিবাৰৰ কি খবৰ?"

নিবিষ্ট মনে কাম কৰি থকা অৱস্থাতে ৰতুবাবুই উত্তৰ দিলে—"কব নোৱাৰো।"

এই এজন মানুহ। কোনোৰকমৰ ভাৱাবেগ বা অনুভূতি নাই। একেলগে কামকৰা মানুহ যতীন। তাৰ অবৰ্ত্তমানে তাৰ পৰিবাৰে কেনেকৈ চলিছে সেইবোৰ খা-খবৰ অলপ ৰাখিব লাগে। বাস্তৱিকে এইবোৰ মানুহৰ দায়িত্বজ্ঞান মুঠেই নাই।

"খা-খবৰ নলয় আপোনালোকে?"

ৰতুবাবুই মুখেৰে একো নামাতিলে। কামৰ মাজতে মুখখন ঘুৰাই পূৰ্ণদৃষ্টিৰে বৰুৱাৰ মুখৰ ফালে এবাৰ চালে মাত্ৰ।

এনেতে ক'ৰবাৰ পৰা হৰিহৰ আহি ওলাল। হৰিহৰ মেকানিকেও কাম-কাজ ভাল কৰে কিন্তু তাৰ আত্মবিশ্বাস নাই। আগতে যতীনৰ লগত থাকি কাম কৰিছিল। হৰিহৰৰ মুখখন বিমৰ্ষ। কিছুপৰ থিয়হৈ থাকি ক'লে—





"যতীনৰ ছোৱালীজনীও মৰিল। অকণমান ছোৱালীজনীকো ভালকৈ চাৰিটা খাবলৈ নিদিয়ে। যিহে অৱস্থা হৈছে। দেখিলে বেয়া লাগে।"

ৰতুবাবু আগৰদৰে নিৰ্ব্বাক।

"আমি মাজেমধ্যে খবৰ লবলৈ যাওঁ কাৰণে মাহীমাকজনীয়ে যি পায় তাকে বদনাম উলিয়াই ফুৰিছে।"

"যাব কিয়? কামত একো কৰিব নোৱাৰিলে গৈ কি লাভ? মিছাকৈ বদনাম উলিয়াবৰ মানুহৰ সুবিধাহে হয়।"

"অৱস্থা দেখিলে বেয়া লাগে কাৰণে যাওঁ। নহলে নো কি?"

ৰতুবাবুই গেচৰ পাইপ ডুডাল থৈ ঘূৰি চালে।

"এনেকুৱা অৱস্থাৰ মানুহ দুনিয়াত হাজাৰে হাজাৰে আছে। কিমানৰ নো তই কি কৰিব পাৰ?"

বাস্তৱিকে মানুহজনৰ মন বোলা একো বস্তু নাই। কাম শেষ হোৱাত পইচা-খিনি দি বৰুৱাই ক'লে—"ঠিকেই কৈছে। খা খবৰ লৈ নো কি লাভ? কৰাৰো একো নাই। দুই চাৰিদিনৰ কথা নহয়। দহ টকা বিশ টকা দিলেও বা কি হব? কেইদিন চলিব? বয়স হোৱা হ'লে কাৰোবাৰ ঘৰত কামবন কৰিও চলিব পাৰিলে হয়। বয়স কম, চেহেৰাপাতিও ভাল। এই হৈছে বিপদৰ কথা। পঢ়ালিখা কিবা জানিলেও ক'ৰবাত কিবা সুবিধা কৰি দিয়াৰ চেষ্টা কৰিব পৰা গ'ল হয়।"

ৰতুবাবুই বৰুৱাক সমৰ্থন কৰিলে।

"আমি নো কি কৰিব পাৰো? আপুনিয়েই বা বা কি কৰিবু পাৰে? কাৰো একো কৰিবৰ নাই।"

"নহয়। কথা হ'ল যতীন বেচেৰাই সকতে কিছুদিন আমাৰ লগত পঢ়িছিল। সেই কাৰণেই বেয়া লাগে। ন'হলে নো কি?"

কোন যতীন? হয়, হয়। যতীন মেকানিক। মৰিল নহয় সি? বেচ কিছুদিন হ'ল। ন'হল জানো? পৰিবাৰ এজনী আছিল তাৰ। কম বয়সৰ। ধুনীয়া। ছোৱালী এজনীও আছিল নহয়? পিছে পৰিবাৰ আৰু ছোৱালীজনী নথকা হ'লেই ভাল আছিল। নহয় জানো? এই দুনিয়াখন



OKDISCD

সিহঁতৰ নিচিনা প্ৰাণীৰ কাৰণে নহয়। সিহঁতৰ অৱস্থাত মানুহে কেনেকৈ জীয়াই থাকিব পাৰে? অসম্ভৱ কথা। ইমান দিনে শেষ হৈ গৈছে কিজানি। ইমান দিনৰ মূৰত সিহঁতৰ কথা বিজয় বৰুৱাৰ মনত থকাৰ কথা নহয়।

পুৰণি গাড়ী থাকিলে ৰতুবাবুৰ তালৈ যাবলগীয়া হব পাৰে। ৰতুবাবুৰ গেৰেজত গাড়ী-চাড়ী নাই। খালী। ৰতুবাবুই সৰু ছোৱালী এজনীক কোলাত লৈ থিয় হৈ আছে।

বিজয় বৰুৱাই সুধিলে—"আপোনাৰ?"

"এৰা, মোৰেই।"

বৰুৱাই আঙুলিৰে ছোৱালীজনীৰ গালখন চুই মৰম কৰিলে। ৰতুবাবুই কথা কম কয়। ছোৱালীজনীক টুলত বহুৱাই লৰচৰ কৰিবলৈ হাক দি তেওঁ কামত লাগি গ'ল। অলস ভাৱে ৰখি থাকিবলগীয়া হ'লে হঠাতে মানুহৰ বহুতো কথা মনত পৰে। যতীন, যতীন মেকানিক। এই গেৰেজত, এইখন চালিৰ তলত বহুদিন বৰুৱাৰ গাড়ীৰ কাম কৰিছে।

বৰুৱাই সুধিলে—"যতীনৰ পৰিবাৰ তেওঁৰ মাকৰ ঘৰতেই আছে, নহয়?

"নাই।"

"কিয়? ক'ত গ'ল।"

"বিয়া হৈ গ'ল।"

"বিয়া? ই মানে, যতীনে প্ৰেমত পৰি বিয়া কৰোৱা নাছিল?"

ৰতুবাবুই তেওঁৰ সেই বিশেষ দৃষ্টিৰে এবাৰ বৰুৱাক চাই ল'লে।

"আমালোকৰ ভুনিয়াখন বেলেগ, বৰুৱা চাৰ।"

"পিছে ক'ত নো বিয়া সোমালে?"

"মইয়েই বিয়া কৰালো।"

"আপুনি?"

"উপায় নাছিল। মাহীমাকজনীয়ে টকা লৈ তাইক গোবৰ্দ্ধন দাসৰ তাত বিক্ৰি কৰি দিয়াৰ মতলব কৰিছিল। গোবৰ্দ্ধন দাসৰ মতলব আছিল মেসাত চালান কৰাৰ। তাই কথাষাৰ গম পাই ঘৰত আহি মোৰ ভৰিত দীঘল দি পৰিলে। মই অকলশৰীয়া ডাং বৰলা মানুহ। বিয়া নকৰাকৈ কেনেকৈ ৰাখো?





ৰতুবাবুই হাঁহিলে।

"গোবৰ্দ্ধন দাসে ওস্তাদি মাৰিবলৈ আহিছিল। কেশৰে টায়াৰ লিভাৰ এটা হাতত লৈ খেদি গ'ল। —কোবাই মূৰ ফালি দিম। আমি ভদ্ৰলোক মানুহ নহওঁ। মাৰপিট হুলস্থুলক ভয় নকৰো। সিও এটা মস্ত পাগল।"

ৰতুবাবুই মুখত গাম্ভীৰ্য্য বজায় ৰাখিলেও চকুহুটা তেওঁৰ কৌতুকত নাচি উঠিল।

"ভৰিৰ ধুলি দিবচোন এদিনা আমাৰ ঘৰত। আমি অতি সাধাৰণ মানুহ। আপোনাক মাতিবলৈ সাহস নহয়। পিছে, হাজাৰ হওঁক আমাৰ তেওঁ তো আপোনাৰ বন্ধু পত্নী।"

গৈ থাকোঁতে ব্ৰেকমাৰি গাড়ীখন ৰখাব লগাই হ'ল। কি ক'লে ৰতুবাবুই? বন্ধুপত্নী? অৰ্থাৎ? যতীনক তেওঁৰ বন্ধু বুলি ক'লে কব পাৰি। কিছুদিন একেলগে পঢ়িছিল যেতিয়া যতীনক তেওঁৰ বন্ধু বুলি ক'লে কব পাৰি। ৰতুবাবুই বিয়া কৰোৱাৰ পিছত কেনেকৈ তেওঁৰ বন্ধু পত্নী হব পাৰে? ৰতুবাবুই নিশ্চয় তেওঁক বন্ধু বুলি দাবী কৰিব নোৱাৰে। এইখিনি জ্ঞান তেওঁৰ আছে। তেনেহলে? ৰতুবাবুৰ কথাৰ অৰ্থ কি?

—ঃঃ—



OKDISCD

# অসমত কৃষিনিগমৰ অৰ্থনীতি আৰু ৰাজনীতি ঃ এটি টোকা

অচিন্ত্য ভট্টাচাৰ্য্য

[ ১ ]

সম্প্ৰতি এটি অধ্যাদেশৰ বলত অসমত কৃষি নিগম পতাৰ প্ৰস্তাৱ আইনতঃ বিধিবদ্ধ হৈছে। কৃষিনিগম সমূহৰ যোগেদি চৰকাৰী উদ্যোগ আৰু নিয়ন্ত্ৰনত ডাঙৰ কৃষিপাম গঠনৰ দিহা কৰা হৈছে। বাতৰি কাকতৰ চমু বিৱৰণৰ পৰা দেখা যায়, এইবোৰ কৃষি কৰ্পৰেচন বা কৃষিনিগমৰ পুঁজিৰ শতকৰা ৫১% অংশৰ মালিক হ'ব চৰকাৰ আৰু আৰু ৰাইজৰ কাৰণে গাইগুটীয়া এখনমাত্ৰ দহটকীয়া শেয়াৰৰ ব্যৱস্থা ৰখা হব। পৰিচালক বৰ্গৰ ৫০% শতাংশ চৰকাৰে নিযুক্ত কৰিব, বাকীখিনিক অংশীদাৰ সকলে বাছনি কৰিব ; অৰ্থাৎ পৰিচালনাৰ পঞ্চাশ অংশত গণতন্ত্ৰ আৰু পঞ্চাশ অংশত আমোলাতন্ত্ৰ চলিব ! এইবোৰ নিগমৰ মাটি ক'ৰ পৰা পোৱা যাব আৰু অংশীদাৰ হবৰ বাবে কি অৰ্হতাৰ প্ৰয়োজন, প্ৰকাশিত বিৱৰণত তাৰ বিতং বাতৰি নাই। চৰকাৰে খাচ চৰকাৰী মাটি আৰু ছিলিং আইনৰ বলত পোৱা ওপৰঞ্চি মাটি এই নিগমবিলাকক পট্টন দিব। পামৰ অংশীদাৰ সকল খেতিয়ক হব লাগিব নে নেলাগিব, এই সম্পৰ্কে একো সন্দেহ পোৱা নগ'ল।

মুখ্যমন্ত্ৰী, কংগ্ৰেছৰ প্ৰবন্ধ আৰু বাতৰি কাকতৰ ভাষ্যকাৰ সকলে কৃষি-নিগম পতাৰ আঁচনিখনক বিভিন্ন সময়ত "বৈপ্লবিক", "সমাজতান্ত্ৰিক" নাইবা "নিবনুৱা সমস্যা নিৰসনৰ ভিত্তি" আদি বুলি প্ৰচাৰ কৰিছে। পেতিবুৰ্জুৱা সমাজতান্ত্ৰিক, উদাৰনৈতিক বুদ্ধিজীৱী আৰু শিক্ষিত মজলীয়া শ্ৰেণীত এই প্ৰচাৰে কিছু প্ৰভাৱ বিস্তাৰ কৰিছে ; অন্ততঃ কৃষিউৎপাদনৰ বিকাশৰ বাবে ই এটি সৎ প্ৰস্তাৱ বুলি এটা ধাৰণা জন্মিছে।

গতিকে ওপৰোক্ত ধাৰণাৰ যথাৰ্থতা চালিজাৰি চোৱা দৰ্কাৰ হৈ পৰিছে।





[ ২ ]

চৰকাৰে খেতিৰ উপযুক্ত খাচ মাটিৰ এটা বুজন পৰিমান অংশ এইবোৰ নিগমক দিব। এই মাটিখিনিৰ বিৰাট অংশ নামত খাচ হলেও কামত খেতিয়ক বিশেষকৈ দুখীয়া ভূমিহীন খেতিয়কসকলৰ দখলত ৰৈ আছে। মানুহে কঠোৰ শ্ৰমেৰে হাবি কাটি খলাবমা মাৰি এইবোৰ মাটি খেতিৰ উপযুক্ত কৰি তুলিছে। এই মাটিখিনি, বিশেষকৈ একচনীয়া মাটি সামান্য প্ৰিমিয়াম লৈ দখলদাৰ প্ৰজাক মেয়াদী পট্টাত দিয়া হব বুলি ১৯৫৬ চনত অসম চৰকাৰে কৃষক সভাৰ প্ৰবল আন্দোলনৰ হেঁচাত স্বীকাৰ কৰি লৈছিল। ফলত কিছু মাটি ম্যাদী কৰা হল ; কিছু কৃষকে পালে, কিন্তু সৰহভাগ পালে অৱস্থাপন্ন খেতিয়ক সকলে আৰু কংগ্ৰেছৰ অনাখেতিয়ক অনুগামী আৰু অনুগ্ৰহভাজন চৰকাৰী বিষয়াসকলে। যি সকলে এই মাটিখিনি ভাঙিছিল, সিহঁতৰ সৰহভাগ উচ্ছেদ হ'ল নাইবা নিজৰ মাটিত নিজেই আধিয়াৰত ৰূপান্তৰিত হ'ল। বেচি অংশ মাটি এক-চনীয়া থাকি গ'ল। আইনতঃ একচনীয়া মাটিত দখলদাৰে স্বত্বৰ দাবী কৰিব নোৱাৰে। চৰকাৰে এই মাটিখিনি নিগমৰ নামত খেতিয়কৰ হাতৰ পৰা একেৱাৰে আনিব।

যোৱা বছৰ 'প্ৰগতিবাদী' শৰৎসিংহ মন্ত্ৰীসভাই ঘোষণা কৰিলে যে খাচ নাইবা ছিলিংৰ ওপৰঞ্চি ( ভেষ্টেড্ ) মাটি কোনো খেতিয়কক গাইগুটীয়াকৈ দিয়া নাই। কাৰণ দেখুৱা হ'ল যে দুখীয়া নাইবা ভূমিহীন খেতিয়কে মাটি পালেও উন্নত খেতিৰ বাবে পুঁজি আৰু সজুলি যুগুত কৰিব নোৱাৰে ; গতিকে, তেওঁলোকৰ মতে, এনেধৰণৰ সৰুসুৰা খেতি কৃষিৰ বিকাশ আৰু যান্ত্ৰিকতাৰ পক্ষে হেঙাৰ মাত্ৰ।

এই ঘোষনাৰ লগত ওপৰোক্ত তথ্যবোৰ চালিজাৰি চালে চৰকাৰৰ নিগম আঁচনিৰ ভিতৰুৱা লক্ষ্যটো সহজতে ওলাই পৰিব। চৰকাৰী ঘোষনাবাক্যৰ কোৱা ভাতুৰীয়া বাকলি গুচাই পেলালে সাৰমাত্ৰ এইটোৱেই থাকে যে খাচ মাটিৰ পৰা হেজাৰে হেজাৰে দখলদাৰ খেতিয়কক নিগমৰ নামত উঘালি পেলোৱা হব। গুৱনি বননীৰ তলত হিংস্ৰ জন্তু লুকাই থকাৰ নিচিনাকৈ এই বাক্যালঙ্কাৰ বোৰৰ তলত এই লক্ষ্যটিয়েই প্ৰচ্ছন্ন হৈ আছে!

এই ক্ষেত্ৰত চৰকাৰে অসমৰ শ্ৰমকাৰী খেতিয়কৰ লগত যি বিশ্বাসঘাতকতা



OKDISCD

কৰিলে সঁচাকৈই তাৰ তুলনা নাই। যোৱা ৬৮ চনৰ ভূমিনীতিৰ ঘোষণাত কোৱা হয় যে, চৰকাৰ ভূমিহীন সবলক মাটি দিবলৈ ইচ্ছুক, পিচে বিতৰণৰ কামত বাধা সৃষ্টি কৰিছে চৰকাৰী মাটিত ইচ্ছামতে য'তে ত'তে বহি যোৱা মানুহবিলাকে; গতিকে এই আসোৰাহ আঁতৰোৱাৰ বাবে এই মানুহবিলাকক চৰকাৰে প্ৰথমতে উচ্ছেদ কৰিহে শৃংখলাৰে মাটি বিতৰণৰ কাম হাতত লব পাৰিব। যেনে কথা তেনেই কাম। এই ঘোষনাৰ পিছত চৰকাৰে কমপক্ষে পঞ্চাশ হেজাৰ খেতিয়কক খাচ চৰকাৰী মাটিৰ পৰা খেদিলে। এই 'মহৎ' উদ্দেশ্য পূৰণ কৰাৰ বাবে তেওঁলোকে পুলিচ বাহিনী, ভাড়াটিয়া গুণ্ডাৰ দল লগাই, হাতী লৈ মানুহবিলাকৰ ওপৰত আক্ৰমণ চলালে, ঘৰ-বাৰী খেতিৰ ফচল আদি জুই লগাই পুৰি শেষ কৰিলে। এই কামখিনি কৰি আঁতাই চৰকাৰে মাটি বিতৰণৰ নতুন নীতি ঘোষণা কৰিলে যে কাকো ব্যক্তিগতভাবে মাটি দিয়া নহব!

গতিকে মাটি 'বিতৰণৰ' কাম ইমানতেই শেষ হল। নিগম পতাৰ বৰ্তমান কাহিনীৰ এয়ে আদিপৰ্ব্ব।

[ ৩ ]

এই নীতি অনুসৰি, পঞ্চাশ বিঘাৰ নতুন ছিলিং প্ৰয়োগৰ জৰিয়তে যি মাটি চৰকাৰৰ হাতলৈ আহিব, এই 'ভেষ্টেড্' মাটিখিনিও নিগমসমূহলৈ যাব, কোনো ব্যক্তিক দিয়া নহয়। এই নতুন ছিলিংওৰ দ্বাৰা চৰকাৰে কিমান মাটি সংগ্ৰহ কৰিব পাৰিব কোৱা টান। মাটিগিৰি শ্ৰেণীৰ হাততেই চৰকাৰ। ১৯৭২ চনত ছিলিং আইনে ৰাষ্ট্ৰপতিৰ অনুমোদন পোৱা সত্ত্বেও এলাগী হৈ পৰি আছে। এই আইনে চাহবাগিচা, ফলবাগিছা, দেৱস্থান আদি মাটিক ছিলিংওৰ আওঁতাত ৰাখিছিল। পিছে কংগ্ৰেছৰ সৰ্ব্বোচ্চ নেতৃত্বই এই শ্ৰেণীৰ মাটিত ছিলিং নবহাবলৈ পৰামৰ্শ আগবঢ়াইছে। ফলত যি আইনখনে ৰাষ্ট্ৰপতিৰ অনুমোদন পালে, সেইখন আইনক ভাৰতৰ আচল 'ৰাষ্ট্ৰপতি' মাটিগিৰি পুজিপতি শ্ৰেণীয়ে ভ্ৰূকুটিৰে নাকচ কৰি ৰাখিলে! আমাৰ ৰাষ্ট্ৰৰ আচল গৰাকী নো কোন এই এটা ঘটনাই তাক উদঙাই দিয়াৰ পক্ষে যথেষ্ট। অসম চৰকাৰে মাটিগিৰি আৰু বাগিচামালিকৰ স্বাৰ্থত আইনখন আকৌ সংশোধন কৰিবলৈ ওলাইছে।





সংশোধিত ছিলিং আইন কাৰ্য্যকৰী হলে কিছু ওপৰঞ্চি মাটি চৰকাৰৰ হাতলৈ আহিব পাৰে। এই মাটিখিনি অৱশ্যে মাটিগিৰি সকলৰ পট্টাত থাকিলেও কাৰ্য্যতঃ আধিয়াৰ প্ৰজাৰ হাতত আছে। এই মাটিত মালিকসকলে আধিখন্দুৱা চোখানী আদি সামন্তবাদী বন্দোবস্তৰে নিৰ্ম্মম শোষণ চলাই আছে। ছিলিং আইনৰ আওঁতাত মাটি পৰিলে, মালিকসকলে এই মাটিখিনি চৰকাৰক গতাব। চৰকাৰে প্ৰজাস্বত্ব আইন উলঙ্ঘা কৰি এই শ্ৰেণীৰ মাটিত প্ৰজা আৰু আধিয়াৰৰ সৰহ অংশক আজিলৈকে খতিয়ানত তালিকাভুক্ত নকৰিলে। যি তাকৰ অংশকে খতিয়ানত নাম উঠাবলৈ সক্ষম হৈছে, তেওলোকে এটা সময়ত দখলৰ প্ৰমান দিব লাগিব। পিচে অসমৰ প্ৰজা আধিয়াৰৰ শতকৰা ৮২% অংশৰ হাতত এই প্ৰমাণ, যেনে ৰচীদ, কবুলিয়ৎ, দখলী পট্টা আদি একো নাই। এই সংখ্যাতত্ব আমাৰ নহয়, কেন্দ্ৰীয় চৰকাৰৰ গৃহদপ্তৰৰ সমীক্ষাৰ ফল। কংগ্ৰেছৰ দয়াত মাটিগিৰি শ্ৰেণীয়ে বহুদিনৰ পৰা খাজনাৰ ৰচীদ বা দখলৰ কাগজ দিয়াটো এৰিছে। গতিকে 'প্ৰমাণ' নাই বুলি এই প্ৰজাসকলৰ ভালেমান অংশ উচ্ছেদ হব বুলি আশঙ্কা হয়। চৰকাৰে এই উচ্ছেদ নিজেই চলাব। নহলে নিগমৰ মাটি ক'ৰ পৰা ওলাব? এই মাটিখিনিক দুখীয়া কৃষকৰ হাতৰ পৰা 'মুক্ত' কৰিলেহে! অসমত চৰকাৰী ভাণ্ডমতে উন্নত যান্ত্ৰিক কৃষিপামৰ বাবে ডাঙৰ খেতিপথাৰ ওলাব!

সেয়ে দুখীয়া কৃষক আধিয়াৰ দলটো নিগম দেৱতাৰ সেৱাৰ বাবে বলি হব লাগিব। লক্ষ লক্ষ খেতিয়কক মাটিৰ পৰা ক্ৰমে ক্ৰমে খেদি দি মাটিখিনি পুজিবাদী খেতিৰ বাবে পুজিপতি শ্ৰেণীৰ হাতলৈ তুলি দিয়া, এইটোৱেই নিগম পৰিকল্পনাৰ অৰ্থ নৈতিক লক্ষ্য!

অসম চৰকাৰে এই কথাষাৰ লুকাবলৈ চেষ্টা কৰিছে সঁচা, পিচে কিছুমান পুজিবাদী অৰ্থনীতিবিদে ভাৰতত পুজিবাদী কৃষি গঠনৰ সমস্যা মুকলিভাৱে আলোচনা কৰি আছে। তেওঁলোকে অগণন প্ৰকৃত খেতিয়কৰ মাটিৰ পৰা নিৰ্ম্মম উচ্ছেদৰ কথা স্বীকাৰ কৰি দেখাবলৈ চেষ্টা কৰি আছে যে, পিছপৰা দেশখনত কৃষিৰ ব্যাপক আৰু বৈপ্লৱিক বিকাশৰ বাবে বিৰাট ত্যাগৰ প্ৰয়োজন আছে। তেওঁলোকৰ মতে এই খেতিয়কসকলে উচ্ছেদ মানি লৈ দেশৰ উমৈহঁতীয়া স্বাৰ্থৰ হকে এই ত্যাগ স্বীকাৰ কৰিবলগীয়া লাগিব! ত্যাগৰ দায়িত্ব হ'ল



OKDISCD

খেতিয়কৰ ! লাভৰ অধিকাৰ শোষক শ্ৰেণীৰ ! এই চমৎকাৰ সমাজতন্ত্ৰৰ চানেকি হল কৃষিনিগম।

মাটিগিৰি আৰু বাগিচামালিকহঁত অৱশ্যে বহি থকাৰ পাত্ৰ নহয়। সিহঁতে চৰকাৰৰ উদ্দেশ্য গ'ম পাই বহু দিনৰ পৰা নিজেই পাৰ্য্যমানে প্ৰজা-আধিয়াৰক উচ্ছেদ কৰি আহিছে। কৃষক বধৰ এই কামে পুঁজিবাদী জমিদাৰ শ্ৰেণীৰ ৰাষ্ট্ৰৰ আমোল-বিষয়া, পুলিচ আৰু আদালতৰ সমৰ্থন পাইয়েই আছে। এই চক্ৰবেহুৰ বিৰুদ্ধে অসংগঠিত কৃষক প্ৰজা-আধিয়াৰ থেৰথাগৰী মাথোন।

এই নীতিৰ ফলবিলাক অসমৰ জনসাধাৰণে হাতে হাতে পাই আছে। ইতিমধ্যে প্ৰকৃত খেতিয়কৰ ৩০% ভূমিহীন হৈ দেশৰ দাৰিদ্ৰ্যৰ বোজা বৃদ্ধি কৰিছে। ১৯৬১-৭১ দহ বছৰৰ ভিতৰত, লোকপিয়লৰ হিচাপমতে অসমত গাৱলীয়া বনুৱাৰ সংখ্যা প্ৰায় তিনিগুণ বাঢ়িছে। আনফালে ইতিমধ্যে ৰাজ্যত কৃষিৰ উৎপাদন কমিছে।

**মাটিহীন কৃষকে মাটিৰ কাৰণে হাহাকাৰ কৰি ফুৰিছে আৰু চৰকাৰে কৃষক উচ্ছেদৰ অভিযান চলাইছে, কৃষকৰ পাবলগীয়া মাটিখিনি মাটি-গিৰি, পুজিবাদী আৰু চৰকাৰী বিষয়াবোৰৰ কৰ্প্ৰবেচনৰ হাতত গতাই দিব বিচাৰিছে,—ভূমি সম্পত্তি ক্ষেত্ৰত অসমত শাসক শ্ৰেণীৰ এয়েই 'নতুন কৌশল'।**

[ ৪ ]

এই তথাকথিত "বৈপ্লবিক" নিগমৰ সাফল্যৰ সম্ভাৱনা আছে নে, এই প্ৰশ্ন স্বাভাৱিকতে উঠিছে।

আমাৰ মতে নানাবিধৰ প্ৰজেক্ট, প্যাকেজ প্লেন, সেউজ বিপ্লৱ আদিৰ দৰে এই আঁচনিখনো কৃষি আৰু কৃষকৰ উন্নয়নৰ লক্ষ্যৰ ফালৰ পৰা সুনিশ্চিত ভাৱে ব্যৰ্থ হব। কাৰণ, আমাৰ দেশৰ বাস্তৱ অৱস্থাত ইয়াৰ ভিত্তি নাই। মাটি, পুজি, যন্ত্ৰ আৰু শ্ৰম,—কৃষি উৎপাদন বঢ়োৱাৰ এই চাৰিটা আহিলাৰ ভিতৰত পুজিৰ অৱস্থা অত্যন্ত দুৰ্ব্বল। পুজি অভাৱৰ বাবে দেশৰ শিল্পায়নৰ গতি অতি লেহেম—বছৰেকীয়া নামমাত্ৰ ১% মাত্ৰ। সমগ্ৰ দেশখনত কৃষি-খণ্ডত যন্ত্ৰপাতি, জলসিঞ্চন, মাটিসংৰক্ষণ উন্নত বীজ সাৰৰ বহুল প্ৰয়োগৰ বাবে





যি বিৰাট পুঁজিৰ প্ৰয়োজন, তাৰ নামমাত্ৰ একাংশও পুঁজিপতি-মাটিগিৰি শ্ৰেণীয়ে যোগাৰ কৰিব নোৱাৰে; কৃষিত যান্ত্ৰিক বিকাশৰ শিল্পগত ভিত্তি আজিলৈকে গঢ়ি উঠা নাই। পথাৰত বিজুলী শক্তি যোগান ধৰাৰ আঁচনিত বিজুলীতকৈ বিজুতিহে বেছি। মাটিৰ গুণাগুণ ইচ্ছামতে সলাব নোৱাৰি আৰু তাত পুজিৰ প্ৰয়োজন গধুৰ। মাটিৰ পৰিমানো ইচ্ছামতে বঢ়াব নোৱাৰি। এনে পৰিস্থিতিত, শ্ৰমশক্তিৰ যথাযথ আৰু পূৰ্ণ ব্যৱহাৰে কৃষিৰ উৎপাদন বঢ়োৱাৰ বাট মুকলাই দিব পাৰে। ভাৰতত শ্ৰমশক্তি অপৰিসীম।

কংগ্ৰেছৰ আঁচনিত শ্ৰমশক্তিয়েই আটাইতকৈ অৱহেলিত। লক্ষ লক্ষ খেতিয়কক নিজৰ মাটিত শ্ৰম কৰাৰ সুযোগৰ পৰা ক্ৰমাৎ বঞ্চিত কৰি, তাৰে একাংশক পুজিবাদী কৃষি পামত—সস্তীয়া মজুৰ হিচাপে শোষণ কৰাই এই আঁচনিৰ শ্ৰমনীতি, শ্ৰমিক সম্পৰ্কিত লক্ষ্য।

অসমত ভূমিহীন আৰু গাৱলীয়া বনুৱাৰ সংখ্যা বৃদ্ধিয়েই নহয়, বৰ্ত্তমান মজুৰী (হালোৱা, চাকৰৰ বেতন আদিৰে সৈতে) দিনে সৰ্ব্বোচ্চ আঢ়ৈ টকা আৰু তলৰ ফালে এটকা মাত্ৰ। বিশেষ কিছুমান সময়ত মজুৰীৰ নিৰিখ বৃদ্ধি পায় আৰু বিশেষ দুই চাৰিটা অঞ্চলত মজুৰীৰ নাটনিৰ বাবে নিৰিখ বেছি হয় সঁচা, কিন্তু সমগ্ৰ ৰাজ্যৰ বাবে গড় উলিয়াই ললে, উপৰোক্ত সংখ্যাবোৰৰ যথাৰ্থতা প্ৰমাণিত হব। গাওঁত নিঃস্বৰ সংখ্যা বঢ়াৰ ফলত, ল'ৰা শ্ৰমিকৰ প্ৰচলন বাঢ়িছে। বেছিৰ ভাগ ক্ষেত্ৰত ল'ৰা বনুৱাই খোৱাৰ বাহিৰে একো নেপায়।

এই আঁচনিক যি পদ্ধতিত কাৰ্য্যকৰী কৰা হৈ আছে, তাত প্ৰজা আধিয়াৰ আৰু দুখীয়া কৃষকৰ ওপৰত ব্যাপক বলপ্ৰয়োগ অনিবাৰ্য্য। ৰাষ্ট্ৰক্ষমতাৰ আলম লৈ মাটিৰ পৰা উচ্ছেদ, শ্ৰমজীবি খেতিয়কৰ ওপৰত বলপ্ৰয়োগ, আৰু নিৰুপায় শ্ৰমিকক নিৰ্দ্দয়ভাৱে শোষণ কৰা, এই বোৰেৰেই পুজিতন্ত্ৰৰ উদ্ভৱৰ যুগত উৎপাদন ব্যৱস্থাৰ ভেটি পোতা হৈছিল। সেই যুগ কেতিয়াবা উকলিল। আজি পুজিতন্ত্ৰৰ এই অন্তিম সময়ছোৱাত, এই সনাতন দস্যুবৃত্তিৰ পদ্ধতি শ্ৰমিজীবিৰ প্ৰতিৰোধৰ সম্মুখত কামত নাহিব। কালৰ সোঁত উজাই নবয়।

কৃষকৰ স্বাৰ্থত, কৃষি উন্নয়ণৰ ফালৰ পৰা সেয়ে এইখন আঁচনিৰ ব্যৰ্থতা অৱধাৰিত।



OKDISCD

[ ৫ ]

অৱশ্যে কংগ্ৰেছ চৰকাৰে কৃষি উন্নয়নৰ এই আঁচনিৰ কাৰ্য্যকৰী কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ নেৰিব। মাটিগিৰি গাৱলীয়া ধনীবিলাক আদি শ্ৰেণীৰ অৱস্থা ৰাষ্ট্ৰৰ ধনেৰে টনকিয়াল কৰাৰ যোগেদি, এই শোষকহঁতৰ স্বাৰ্থত কৃষি উন্নয়নৰ পুজিবাদী ব্যৱস্থাক প্ৰতিষ্ঠিত কৰা হৈ আছে। পুজিবিনিয়োগ আৰু উন্নত কৌশলৰ বলত কৃষিৰ উৎপাদন বঢ়াব পৰা যাব আৰু ৰাহী খাদ্যৰে শ্ৰমিক আৰু নগৰীয়া ৰাইজক কিছু সস্তাত যোগান দি চৰকাৰ-বিৰোধী বিক্ষোভৰ বাটৰ পৰা আঁতৰাই ৰখা সম্ভৱ হব—এয়ে কংগ্ৰেছৰ নীতি-নিৰ্ম্মাতাসকলৰ সিদ্ধান্ত।

কিন্তু তেওঁলোকৰ এই হিচাপৰ ভিত্তি লেহুকা। পুজি, যন্ত্ৰ আৰু বিজুলী-শক্তিৰ নাটনি আৰু সঙ্কট তেওঁলোকৰ যত্ন সত্বেও আঁতৰ নহল। গতিকে এইবোৰ আহিলাৰ সুযোগ নিচেই ঠেক। ফলত উৎপাদনৰ এটা মাত্ৰ সহজলভ্য উপাদান, শ্ৰমশক্তিক তেওঁলোকে নিৰ্ম্মমভাৱে শোষণ কৰিবলৈ কোনো চেষ্টা বাদ নিদিব। দৰাচলতে তেওঁলোকে এইটোৱেই বিচাৰিছে। দাৰিদ্ৰ্য, চৰাদৰৰ খাজনা কৰকাটল আৰু পোনপটীয়া উচ্ছেদৰ যোগেদি দুখীয়া কৃষকৰ অৰ্থনীতিক চুৰমাৰ কৰি কংগ্ৰেছে ইতিমধ্য বিৰাট গাৱঁলীয়া নিবনুৱা মাটিহীন মানুহৰ বাহিনীৰ জন্ম দিছে। এই বনুৱাক সস্তাত শোষণ কৰাৰ অব্যাহত সুযোগ পোৱাৰ দাবী লৈ মাটিগিৰি আৰু গাৱঁলীয়া ধনী, পুজিপতিৰ দলে কৃষিৰ নতুন কৌশলৰ কংগ্ৰেছী পতাকা লৈ দেহেকেহে লাগি গৈছে। তেওঁলোকৰ মতে শ্ৰমজীৱি খেতিয়ক আৰু গাৱলীয়া বনুৱাৰ প্ৰতিৰোধৰ বাহিৰে এই বাটত অইন প্ৰতি-বন্ধক নাই। **এই বাধা দমন নাইবা দূৰ কৰাৰ বাবে কংগ্ৰেছে শ্ৰীমতী গান্ধীৰ নেতৃত্বত সমাজতন্ত্ৰ আৰু আৰ্থিক উন্নয়নৰ আশাৰে ৰাইজক মোহাচ্ছন্ন কৰি, গণতন্ত্ৰক ডিঙি চেপিবলৈ উদ্যত হৈছে।**

ভূমিব্যৱস্থাৰ আমুল পৰিবৰ্ত্তন কৰি ভাৰতৰ অৰ্থনীতিৰ গণতান্ত্ৰিক পুনৰ্গঠনৰ যি দাবী দেশৰ সকলো গণতন্ত্ৰবাদীয়ে আজি আগবঢ়াইছে,—সেই প্ৰৱল বাধাৰ বিৰুদ্ধে এয়েই কংগ্ৰেছৰ ৰাজনৈতিক প্ৰস্তুতি।

গাৱঁলীয়া অঞ্চলত কংগ্ৰেছ আধাসামন্তবাদী মাটিগিৰি মহাজন শ্ৰেণীৰ





সমৰ্থনৰ ভেটিত থিয় দি আছে। সেই টলংভলং ভিত্তিক পুজিৰ জীপেৰে সতেজ কৰাৰ আৰু গাৱলীয়া অঞ্চলত কংগ্ৰেছৰ ৰাজনৈতিক ভিত্তি বহলাই লোৱাৰ বাবে শাসকশ্ৰেণীয়ে এই আঁচনি লৈ আগবাঢ়িছে। সিহঁতে উৎপাদন বৃদ্ধি আৰু অৰ্থনৈতিক লাভৰ আশা দেখুৱাই মজলীয়া খেতিয়ক শ্ৰেণীক নিজৰ ফালে লৈ আহিব বিচাৰিছে, যাতে দুখীয়া, সৰ্বহাৰা স্তৰটোক মজলীয়াৰ পৰা বিছিন্ন কৰি, শলঠেকত পেলাই পেলাই দমন নাইবা নিৰস্ত কৰা সহজ হয়। কৃষি সম্পৰ্কৰ ক্ষেত্ৰত এই স্তৰটো নিভাঁজ বিপ্লৱবাদী আৰু আমূল পৰিবৰ্ত্তনৰ প্ৰয়াসী। এইখন আচনিত নতুন কাম ওলাব বুলি শাসকশ্ৰেণীয়ে নগৰীয়া নিবনুৱাসকলকো প্ৰলোভন দেখুৱাই আছে।

শ্ৰমকাৰী কৃষকৰ বিৰুদ্ধে শোষক শ্ৰেণীৰ এই ক্ৰুৰ আক্ৰমণক লুকাই ৰখাৰ কাৰণে কংগ্ৰেছে আৰু ভাড়াটিয়া বুদ্ধিজীৱি সকলে নানা ছলচাতুৰীৰ আশ্ৰয়লৈ প্ৰচাৰ চলাব ধৰিছে। তথাপি আজিলৈকে প্ৰকৃত খেতিয়ক শ্ৰেণীৰ মন এই প্ৰচাৰে চুব পৰা নাই। বিভিন্ন জিলাৰ বাতৰিৰ পৰা দেখা যায়, কৃষিনিগম পতাৰ চৰকাৰী আলোচনা সভাবোৰত 'গাৰীবাৰীৰ' মালিক বোৰ, মাটিগিৰি শ্ৰেণী আৰু বহুতীয়া জীৱসকলৰ ভীৰ হৈছে, শ্ৰমকাৰী খেতিয়ক মাত্ৰ অনুপস্থিত।

গতিকে খেতিয়ক শ্ৰেণীক পাতিয়ন নিয়াবৰ বাবে কংগ্ৰেছে সোঁপন্থী কমিউনিষ্টকলৈ যুটীয়া সভাসমাৱেশ মেলা পাতিব ধৰিছে। **পুজিৰ সেৱাদাস সংশোধনবাদী দলটোৱে এডোখৰ কুটীৰ বিনিময়ত এই মাৰাত্মক কৌশলক 'প্ৰগতি' বুলি দেখুৱাবলৈ প্ৰয়াস কৰিছে।**

সন্দেহ নাই জীৱনৰ বাস্তৱতাই এই কৌশলৰ কৃষক-বিৰোধী চৰিত্ৰ উদঙাই দিবা তাৰ বাবে বেছি পৰ নেলাগিব বুলি ধাৰণা কৰা যায়। এই আঁচনিৰ কৌশল কৃষকশ্ৰেণীৰ প্ৰতিৰোধৰ সন্মুখীন হ'ব, আজি ভূমিব্যৱস্থাৰ মৌলিক পৰিবৰ্ত্তন কৰি, সামন্তবাদী জমিদাৰী মাটিগিৰি ব্যৱস্থাক সমূলঞ্চে উৎখাত কৰি, প্ৰকৃত খেতিয়কৰ হাততে মাটি বিনামূল্যে দিয়াৰ দাবীক শাসকশ্ৰেণীয়ে কোনোপধ্যে পৰাস্ত কৰিব নোৱাৰিব।

———



OKDISCD

# সাম্প্ৰদায়িক সংঘৰ্ষ

**বদৰুদ্দিন উমৰ**

[ **বদৰুদ্দিন উমৰঃ** বাংলাদেশৰ এজন অগ্ৰগণ্য আৰু প্ৰসিদ্ধ নবীন বামপন্থী বুদ্ধিজীৱী। বহু দুখকষ্ট বৰণ কৰি বাংলাদেশৰ সমাজত প্ৰগতিশীল চিন্তাধাৰা প্ৰবাহিত কৰিবলৈ তেওঁ চেষ্টা কৰি আহিছে। বঙালী তথা ভাৰতীয় সমাজৰ বিৱৰ্ত্তন আৰু বিবিধ সমস্যা সম্পৰ্কে তেখেতৰ ঐতিহাসিক গৱেষণাই দেশবিদেশৰ সুধীসমাজৰ সমাদৰ লভিছে। ভাষা, ধৰ্ম্ম আৰু সংস্কৃতিৰ বিভিন্ন সমস্যা যে সামাজিক পৰিৱৰ্তনৰ পৰা আঁতৰত বুজিব নোৱাৰি বা সমাধান কৰিব নোৱাৰি, ই তেওঁৰ অন্যতম ঘাই বক্তব্য।

১৯৬৬ চনত প্ৰকাশিত "সাম্প্ৰদায়িকতা" নামৰ এখন কিতাপৰ অংশবিশেষৰ অনুবাদ আমি তলত প্ৰকাশ কৰিলোঁ। ঘনাই বিবিধ জাতি উপজাতিৰ মাজত সংঘৰ্ষ হৈ থকা অসমত ক্ষমতাবান শ্ৰেণীটোৱে ৰাইজৰ মাজত সাম্প্ৰদায়িকতা সম্পৰ্কে সুস্থ চিন্তা প্ৰৱৰ্তন কৰিব নোখোজে। আন হাতে প্ৰগতিশীল ৰাইজৰ মাজত এই বিষয়টো অত্যন্ত জৰুৰী হৈ পৰিছে। সেয়ে কিছু পুৰণি হলেও তাৎপৰ্য্যপূৰ্ণ বুলি আমি এই ৰচনা প্ৰকাশ কৰিছোঁ।

বৰ আগ্ৰহ আৰু যত্ন কৰি অনুবাদ কৰি দিছে শ্ৰীযুত কৰুণেশ ভট্টাচাৰ্য্যই।

**সম্পাদক** ]

সাম্প্ৰদায়িক মনোবৃত্তিৰ চূড়ান্ত পৰিণতি সাম্প্ৰদায়িক সংঘৰ্ষত। একেই এলেকাভুক্ত দুই সম্প্ৰদায়ৰ মানুহৰ পৰস্পৰ বিৰোধিতা আৰু তিক্ততা জান্তৱ আৰু অস্বাভাৱিক পৰ্য্যায়ত অৱনমিত হলে তেতিয়াই সাম্প্ৰদায়িক সংঘৰ্ষৰ প্ৰস্তুতি সম্পূৰ্ণ হয়। এনে অৱস্থাত সাধাৰণ মানুহৰ বহুতে অস্বাভাৱিক আচৰণত লিপ্ত হৈ পৰে। এই কাৰণে মানুহে সাধাৰণ জীৱন যাত্ৰাত ভাল বেয়া, সৎ অসৎ আৰু হিতাহিতৰ যি তাৰতম্য কৰে তাৰ কোনো এটাও সংঘৰ্ষত লিপ্ত মানুহে ৰক্ষা কৰিবলৈ সক্ষম নহয়। মানুহৰ মাজত হয় মনুষ্যত্বৰ সম্পূৰ্ণ নিবৃত্তি।





হিন্দু মুছলমান অথবা শিখ যিয়েই নহওক কিয়, সাধাৰণ জীৱনযাত্ৰাত মানুহৰ পক্ষে সংঘৰ্ষৰ মানসিকতা স্বাভাৱিক নহয়। আদিম আৰু জান্তৱ হিংস্ৰতাই বহু সাধনাৰ জৰিয়তে অৰ্জ্জিত কৰা মনুষ্যত্বক অলপ সময়ৰ বাবে পৰাভূত আৰু বিধ্বস্ত কৰিলেও সাধাৰণ মানুহে নিজৰ মনুষ্যত্বৰ এই পৰাভৱক দীৰ্ঘস্থায়ী হব নিদিয়ে। তেওঁলোকৰ প্ৰকৃতিয়েই ইয়াৰ বিৰুদ্ধে বিদ্ৰোহ কৰে। ফলত আকস্মিক ভাৱে অসাম্প্ৰদায়িক হৈ নুঠিলেও তেওঁলোক ক্ৰমাৎ প্ৰকৃতিস্থ হয়। এৰিব পাৰে সংঘৰ্ষৰ উন্মত্ততা।

## ( দুই )

কিন্তু সাম্প্ৰদায়িক সংঘৰ্ষত মানুহ এনে উন্মত্ত হয় কেনেকৈ? ইয়াৰ উত্তৰৰ বাবে প্ৰয়োজন জনমত কিদৰে গঠিত হয় তাৰ বিশ্লেষণ কৰা। জনমত গঠনৰ কিছুমান প্ৰচলিত মাধ্যম আছে। যেনে বাতৰি কাকত, সভাসমিতি, বেতাৰযন্ত্ৰ, টেলিভিজন, ইস্তেহাৰ আৰু অন্যান্য প্ৰচাৰ পত্ৰ। যিকোনো নীতি অথবা কৰ্মপদ্ধতিৰ সপক্ষে জনমতক উপযুক্তভাৱে গঠন কৰিবৰ বাবে ইয়াৰ গোটেই নহলেও অন্ততঃ কিছুমানৰ নিয়োগ আৰু নিয়ন্ত্ৰণৰ প্ৰয়োজন অপৰিহাৰ্য্য। অকল আমাৰ ঘৰৰ ওচৰতেই নহয়, পৃথিৱীৰ এটা প্ৰান্তৰ পৰা আৰু এক প্ৰান্তলৈ দিনে ৰাতি যি ঘটিছে তাৰ বাতৰি পাবলৈ আমি প্ৰচাৰমাধ্যম বিলাকৰ, বিশেষকৈ বাতৰি কাকত আৰু বেতাৰৰ ওপৰত নিৰ্ভৰশীল। যি কোনো বিষয়ে জনমত গঠনৰ কাৰণে এই বাতৰি সৰবৰাহ কৰা প্ৰতিষ্ঠান বিলাকৰ দায়িত্ব আৰু গুৰুত্ব সেই কাৰণেই খুব বেছি। প্ৰচাৰ মাধ্যমবিলাকে যে অকল বাতৰিয়েই সৰবৰাহ কৰে তেনে নহয়। বাতৰিৰ ব্যাখ্যা বিশ্লেষণ কৰি জনমতক নিজৰ প্ৰয়োজন অনুসৰি গঠন আৰু চালনা কৰাও সিহঁতৰ কাৰ্য্যক্ৰমৰ অন্তৰ্গত। এই কাৰণে যেতিয়া কোনো বিষয়ে জনমত গঠিত হয় তেতিয়া তাৰ বাবে প্ৰচাৰযন্ত্ৰ সমূহৰ দায়িত্বক অস্বীকাৰ কৰিব নোৱাৰি। সাম্প্ৰদায়িক সংঘৰ্ষৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নাই। সেই কাৰণে কোনো দেশত, প্ৰদেশত, নগৰত অথবা গাওঁবোৰত যেতিয়াই সংঘৰ্ষৰ সূত্ৰপাত হয় তেতিয়াই তাৰ কাৰ্য্যকাৰণ সূত্ৰৰ সন্ধানৰ বাবে প্ৰয়োজন হয় জনমত গঠনকাৰী এই প্ৰচাৰ যন্ত্ৰবিলাকৰ প্ৰচাৰ কাৰ্য্যৰ বিশ্লেষণ কৰা। য'ত এই প্ৰচাৰ কাৰ্য্যক উপযুক্ত



OKDISCD

ভাৱে নিয়ন্ত্ৰণ কৰা হয় তাত সাম্প্ৰদায়িকতা জনসাধাৰণৰ মাজত যিমানেই প্ৰবল হওক সেই মনোবৃত্তিয়ে তেওঁলোকক সংঘৰ্ষৰ পথত চালনা নকৰে।

সাম্প্ৰদায়িক সংঘৰ্ষ য'তেই ঘটে তাত সেয়েহে বাতৰিকাকত, বেতাৰ, ৰাজনৈতিক সভাসমিতি ইত্যাদিৰ গুৰুত্ব বেছি। কিছু সংখ্যক নিম্ন চৰিত্ৰৰ মানুহৰ বাদে সমাজৰ অধিকাংশ মানুহেই এই ক্ষেত্ৰত শান্তিপ্ৰিয়। এই শান্তিপ্ৰিয় জনসাধাৰণৰ একাংশ হঠাৎ ৰক্তপাতৰ অথবা বেলেগৰ সম্পত্তি নাশৰ নিচাত উন্মত্ত হৈ নুঠে। তাৰ বাবে বহুখিনি মানসিক প্ৰস্তুতিৰ প্ৰয়োজন হয়। এই প্ৰস্তুতিৰ সম্পূৰ্ণ দায়িত্ব তেওঁলোকৰেই যি সকলে এই প্ৰচাৰ মাধ্যম সমূহ আংশিক নাইবা সম্পূৰ্ণ ভাবে নিয়ন্ত্ৰণ কৰে।

( তিনি )

যি প্ৰচাৰ মাধ্যমবিলাকৰ উল্লেখ কৰা হল সেই বিলাকক নিয়ন্ত্ৰণ কৰে কোনে ? আৰু কোন স্বাৰ্থৰ তেওঁলোক প্ৰতিনিধি ? সাম্প্ৰদায়িক সংঘৰ্ষৰ চৰিত্ৰক যথাযোগ্যভাৱে বুজিবলৈ হলে এই কথা জনা প্ৰয়োজন। আমাৰ দেশৰ উল্লেখযোগ্য ৰাজনৈতিক দলসমূহ এতিয়া মোটামুটি ভাবে মধ্যবিত্ত অৰ্থাৎ বুৰ্জোৱা স্বাৰ্থৰ প্ৰতিনিধি। মধ্যবিত্তৰ মাজত অৱশ্যে বহুত স্তৰভেদ আছে। গতিকে মধ্যবিত্তৰ প্ৰতিনিধিত্ব বুলিলে সকলো ক্ষেত্ৰত একেই বস্তু নুবুজায়। কোনো কোনো ৰাজনৈতিক দলৰ মাজত নিম্ন মধ্যবিত্ত; কোনোটোৰ মাজত মধ্য-মধ্যবিত্তৰ আৰো কোনোটোৰ মাজত উচ্চ মধ্যবিত্তৰ প্ৰাধান্য। ইয়াৰ বাবে সাম্প্ৰদায়িক সংঘৰ্ষৰ ক্ষেত্ৰত সকলো ৰাজনৈতিক দলৰ অথবা মধ্যবিত্ত শ্ৰেণীভুক্ত মানুহৰ দায়িত্ব সমান নাথাকে। তথাপি এই কথা কলে খুব বেছি ভুল নহয় যে যিবিলাক ৰাজনৈতিক দলৰ মাজত উচ্চ মধ্যবিত্তৰ প্ৰাধান্য বেছি, সংঘৰ্ষৰ দায়িত্বও সেই বিলাকৰ সেই তুলনাত অধিকতৰ। কাৰণ বৃহত্তৰ সংঘৰ্ষৰ জৰিয়তে সচেতনভাবে আৰু পৰিকল্পনা অনুযায়ী উচ্চ-মধ্যবিত্তৰ স্বাৰ্থকেই তেওঁলোকে পৰিপূৰ্ণ কৰে। গোটেই ভাৰত-পাক উপমহাদেশৰ ক্ষেত্ৰতেই এই কথা সাধাৰণ ভাবে প্ৰযোজ্য।

উচ্চ মধ্যবিত্ত স্বাৰ্থপ্ৰধান ৰাজনৈতিক দলসমূহেই সৰহভাগ বাতৰি কাকত আৰু আন আন প্ৰচাৰ মাধ্যম সমূহৰ সমৰ্থক, গৰাকী আৰু নিয়ন্ত্ৰক। সেয়েহে





ইয়াৰ জৰিয়তে কেৱল সংঘৰ্ষৰ ক্ষেত্ৰতেই নহয় জীৱনৰ সকলো ক্ষেত্ৰতেই উচ্চ মধ্যবিত্ত স্বাৰ্থ সুক্ষ্মভাবে ৰক্ষাৰ ব্যৱস্থা হয়। ইয়াৰ বাবেই দেখা যায় সাম্প্ৰদায়িক সংঘৰ্ষৰ ক্ষেত্ৰত দেশৰ সকলো কাকতৰ ভূমিকা একেই হৈ নুঠে, কোনো কোনো বাতৰিকাকতে হয়তো সংঘৰ্ষ মনোবৃত্তিৰ বিৰোধিতা কৰে, কিন্তু জনমত গঠনত সিহঁতৰ প্ৰভাৱ আন বিলাকৰ তুলনাত অপেক্ষাকৃতভাবে দুৰ্বল।

( চাৰি )

কিন্তু উচ্চ মধ্যবিত্ত স্বাৰ্থৰক্ষাৰ বাবে সাম্প্ৰদায়িক সংঘৰ্ষৰ প্ৰয়োজন কি ? ইয়াৰ উত্তৰ বৰ সহজ। ইয়াৰ প্ৰয়োজন হয় ৰাজনৈতিক আৰু অৰ্থ নৈতিক দুয়োবিধ কাৰণত। দেশ শাসন আৰু দেশৰ বিভিন্ন কাৰ্য্য পৰিচালনাৰ ক্ষেত্ৰত উচ্চ মাধ্যবিত্ত শ্ৰেণীয়েই তেওঁলোকৰ আৰ্থিক শক্তিৰ প্ৰতাপত আটাইতকৈ প্ৰতিপত্তিশালী। এই প্ৰতিপত্তিৰ জৰিয়তে তেওঁলোকে যি কৰে তাৰ সৰহভাগেই নিজৰ শ্ৰেণীস্বাৰ্থ উদ্ধাৰৰ উদ্দেশ্যত। কিন্তু দেশৰ অসংখ্য জনসাধাৰণৰ পৰা তেওঁলোকৰ শাসন আৰু শোষণৰ প্ৰকৃত চৰিত্ৰ আৰু উদ্দেশ্য লুকাই ৰখাটো তেওঁলোকৰ নিজৰ কাম সুচাৰুভাৱে সম্পূৰ্ণ কৰিবলৈ নিতান্ত প্ৰয়োজন। অকল দুখ দুৰ্দশাৰ মাজত জীৱন যাপন কৰিলে আৰু বেলেগৰ দ্বাৰা শোষিত হলেই মানুহৰ মনত গণতান্ত্ৰিক আৰু বৈপ্লৱিক চেতনাৰ সঞ্চাৰ নহয়। এই চেতনাৰ বাবে প্ৰয়োজন তেওঁলোক যি দৰে আৰু যিসকলৰ দ্বাৰা শোষিত হয় তাৰ সম্পৰ্কেও উপযুক্তভাৱে সচেতন আৰু অবহিত হোৱা। সমাজ জীৱনত এইটো যাতে নঘটে তাৰ বাবে মধ্যবিত্ত বা বুৰ্জোৱা স্বাৰ্থ সদায় জাগ্ৰত আৰু সচেষ্ট থাকে, এই কাৰণেই বৃহত্তৰ ৰাজনৈতিক জীৱনত মানুহে যাতে এই চিন্তাৰ অৱকাশ নাপায় তাৰ বাবে তেওঁলোকে ইচ্ছাকৃতভাৱে সৃষ্টি কৰে নানা বিভ্ৰান্তিৰ জাল। অসাৱধানী আৰু সৰলমনা জন-সাধাৰণ তাৰ দ্বাৰা সহজেই প্ৰতাৰিত হয় আৰু বিপদৰ ফালে ঢাল খায়।

বুৰ্জোৱা শ্ৰেণীয়ে সকলো সময়ত নিজৰ স্বাৰ্থৰ সৈতে গোটেই দেশৰ স্বাৰ্থক একাকাৰ কৰি চাবলৈ চেষ্টা কৰে। এই প্ৰচেষ্টাত সাধাৰণতে তেওঁলোক বিফল নহয়। কিন্তু কোনো কোনো ক্ষেত্ৰত অসুবিধাৰ আশংকাই দেখা দিলে অথবা কোনো প্ৰকৃত অসুবিধাৰ সৃষ্টি হলে তেতিয়াই তেওঁলোকে চতুৰালিৰে



OKDISCD

ৰচনা কৰে কোনো নহয় কোনো ৰাজনৈতিক বিভ্ৰান্তিৰ। আমাৰ দেশৰ এই বিভ্ৰান্তি সমূহৰ মাজত সাম্প্ৰদায়িকতা এতিয়াও সৰ্বপ্ৰধান, সৰ্বাপেক্ষা কাৰ্য্যকৰী আৰু সৰ্বাপেক্ষা মাৰাত্মক। সাম্প্ৰদায়িকতাৰ যোগেদি বুৰ্জোৱা শ্ৰেণীয়ে আনৰ শ্ৰেণী চেতনাক বিনাশ কৰিবলৈ চেষ্টা কৰে। প্ৰাক স্বাধীনতা যুগত বেলেগ সম্প্ৰদায়ভুক্ত বুৰ্জোৱা প্ৰতিযোগিতাৰ পৰা পৰিত্ৰাণ পাবৰ বাবে সাম্প্ৰদায়িকতাৰ প্ৰয়োজন আছিল। কিন্তু স্বাধীনতা পৰবৰ্ত্তী যুগত নিজৰ সম্প্ৰদায়ভুক্ত নিম্ন-বিত্ত মানুহৰ শ্ৰেণী চেতনা মষিমূৰ কৰিবৰ বাবেই সাম্প্ৰদায়িকতাৰ প্ৰয়োজন। সম্প্ৰদায়গত বুৰ্জোৱা স্বাৰ্থৰ প্ৰতিষ্ঠা আৰু সম্প্ৰসাৰণ দুয়ো ক্ষেত্ৰতেই সাম্প্ৰদায়িকতাৰ দান সেয়েহে পৰ্বত প্ৰমাণ। ইয়াৰ বাবেই সদৌ ভাৰত পাক উপমহাদেশৰ বুৰ্জোৱা স্বাৰ্থ উদ্ধাৰৰ নিমিত্তে এই অস্ত্ৰ আজিলৈকে ব্যৱহাৰযোগ্য হৈ আছে।

( পাঁচ )

কিদৰে মধ্যবিত্তৰ বৃহত্তৰ আৰ্থিক আৰু ৰাজনৈতিক স্বাৰ্থ সংঘৰ্ষৰ জৰিয়তে ৰক্ষিত হয় তাক যি কোনো সংঘৰ্ষৰ কাৰ্য্যকাৰণ আৰু ফলাফলৰ বিশ্লেষণ কৰিলে বুজিব পাৰি। ইয়াৰ বাবে মাথো দুটামান উদাহৰণ উল্লেখ কৰা হ'ল। এটা হ'ল ১৯৩৬ চনত সংঘটিত বিহাৰৰ সাম্প্ৰদায়িক সংঘৰ্ষ। এই সংঘৰ্ষত মুছলিম লীগৰ হিচাবত কুৰিৰ পৰা ত্ৰিশ হেজাৰ, হিন্দু চৰমপন্থীইঁতৰ ( কংগ্ৰেছ আৰু হিন্দু মহাসভাভুক্ত ) হিচাবত দুইৰ পৰা তিনি হেজাৰ আৰু ইংৰাজৰ হিচাবত সাতৰ পৰা আঠ হেজাৰ মুছলমান মহিলা পুৰুষ আৰু শিশুৱে প্ৰাণ হেৰুৱায়। ১৯৪৬ চনলৈকে ইমান ডাঙৰ হত্যাকাণ্ড কলিকতাৰ বাহিৰে আৰু কতো ঘটা নাছিল। গাওঁবোৰৰ ক্ষেত্ৰত সেয়াই অৱশ্যে সৰ্ববৃহৎ হত্যাকাণ্ড আছিল।

এই সংঘৰ্ষৰ সম্পৰ্কে লিখিবলৈ গৈ তেতিয়াৰ ব্ৰিটিছ সেনাবাহিনীৰ পূৰ্বাঞ্চলৰ অধিনায়ক লেফ্টেনেণ্ট জেনাৰেল ছাৰ ফ্ৰান্সিচ টকাৰে কয় যে এই হত্যাকাণ্ড এটা সুগঠিত পৰিকল্পনা অনুযায়ী সংঘটিত হৈছিল। অৱশ্যে আৰম্ভণিত তেওঁ এই পৰিকল্পনাৰ সৈতে কোন জড়িত আছিল সেই সম্পৰ্কে নিজৰ অজ্ঞানতা প্ৰকাশ কৰিছে। কিন্তু তেৰেঁই আকৌ বেলেগ ক্ষেত্ৰত কৈছে যে ঘটনাৰ ভালেমান সপ্তাহৰ পিচত তেওঁ উৰাবাতৰি শুনিছিল যে আগৰ কলিকতাৰ সংঘৰ্ষত যিবিলাক মাৰোৱাৰী আৰু হিন্দু ব্যৱসায়ী কলিকতাত থকা বিহাৰী





মুছলমানৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছিল তেওঁলোকেই এই পৰিকল্পনা তৈয়াৰ কৰি কাৰ্য্যত পৰিণত কৰে। তেওঁৰ নিজৰ মতে এই সংঘৰ্ষ হিন্দু মহাসভাৰ দ্বাৰা সংঘটিত হৈছিল।

ফ্ৰান্সিচ টকাৰৰ এই স্বীকাৰোক্তিৰ মাজত দুটা বস্তু উল্লেখযোগ্য। প্ৰথমতে তেওঁ আংশিক ভাবে স্বীকাৰ কৰিছে যে এই সংঘৰ্ষত উচ্চ মধ্যবিত্ত শ্ৰেণীৰ হিন্দু ব্যৱসায়ী বিলাকৰ হাত আছিল আৰু হিন্দু মহাসভাই ইয়াত প্ৰধান অংশ গ্ৰহণ কৰিছিল। দ্বিতীয় বস্তুটো বিশেষকৈ উল্লেখযোগ্য। টকাৰৰ মতে এই হত্যাকাণ্ড পূৰ্ব পৰিকল্পনা অনুযায়ী ঘটিলেও তাৰ খবৰ তেওঁলোকে একেবাৰেই পোৱা নাছিল। অকল সেয়েই নহয়, তেওঁ দুখ প্ৰকাশ কৰি কৈছে যে এই সংঘৰ্ষৰ সময়ত বিহাৰৰ অভিজ্ঞ গৱৰ্ণৰ ছাৰ হিউ ডাও ৩১ অক্টোবৰৰ পৰা ৫ নৱেম্বৰ ( অৰ্থাৎ ঠিক সংঘৰ্ষৰ সময়ত ) বিহাৰত অনুপস্থিত থকাৰ ফলত অৱস্থা আয়ত্তাধীনত আনা তাৰ সামৰিক কৰ্তৃপক্ষৰ দ্বাৰা সম্ভৱ হোৱা নাছিল। সামৰিক কৰ্তৃপক্ষৰ ব্যৰ্থতাৰ বাবে তেওঁ বিহাৰৰ মন্ত্ৰীসভাক দোষাৰোপ কৰিয়েই ক্ষান্ত হৈছিল।

ব্ৰিটিছ ৰাজত্বত চোৰাংচোৱা বিভাগৰ যোগ্যতা, দক্ষতা আৰু কৰ্মতৎপৰতা সকলোৱে জানে। এনেকুৱা চোৰাংচোৱা বিভাগৰ কৰ্মচাৰীবিলাক সাম্প্ৰদায়িক সংঘৰ্ষৰ এনে বিস্তৃত পৰিকল্পনা আৰু সেই পৰিকল্পনাৰ প্ৰয়োগ সম্পৰ্কে একেবাৰে অজ্ঞ আছিল এই কথা সম্পূৰ্ণ অবিশ্বাস্য। ব্ৰিটিছ চোৰাংচোৱা বিভাগে সন্ত্ৰাস-বাদীসকলৰ সতৰ্কতা আৰু সাৱধানতা সত্বেও তেওঁলোকক সন্ত্ৰাসবাদী আন্দোলনৰ সময়ত গুপ্ত স্থানসমূহৰ পৰা এজন এজনকৈ বিচাৰি উলিয়াবলৈ সমৰ্থ হৈছিল; সেই চোৰাংচোৱা বিভাগে বিহাৰ সংঘৰ্ষৰ ইমান বিস্তৃত প্ৰস্তুতিৰ কোনো বাতৰিয়েই সংগ্ৰহ কৰিবলৈ সক্ষম হোৱা নাছিল এই যুক্তি নিতান্তই অক্ষম। ইয়াৰ অসাৰতা প্ৰমাণৰ বাবে বেছি আলোচনাৰ প্ৰয়োজন নাই। ভাৰতবৰ্ষক নিজৰ পূৰ্ব পৰিকল্পনা অনুসৰি বিভক্ত কৰাৰ কাৰ্য্যক সহজে আৰু অচিৰতে কৰাৰ বাবে ভাৰতবাসীৰ চেতনাৰ যি বিভ্ৰান্তি সৃষ্টিৰ প্ৰয়োজন আছিল সেই বিভ্ৰান্তি সংঘৰ্ষৰ যোগেদি সম্পূৰ্ণ আৰু চৰম ভাবে সৃষ্টি কৰিছিল। কংগ্ৰেছ আৰু লীগৰ নেতৃবৃন্দক নানাভাবে আলোচনাৰ সীমাৰ মাজত আবদ্ধ ৰাখি আৰু প্ৰয়োজন অনুসৰি সাম্প্ৰদায়িক সংঘৰ্ষ ঘটাই তেওঁলোকে নিজৰ পৰিকল্পনাৰ



OKDISCD

উপযুক্ত ক্ষেত্ৰ প্ৰস্তুত কৰিবলৈ সমৰ্থ হৈছিল। এই কাৰণে ১৯৪৭ চনৰ আগষ্ট মাহত ভাৰতবৰ্ষ যিদৰে বিভক্ত হল সেইটো কংগ্ৰেছ আৰু লীগৰ যুক্ত পৰিকল্পনা অনুসৰি হোৱা নাছিল। দেশ বিভক্ত হৈছিল ইংৰাজৰ পৰিকল্পনা অনুসৰি। ইয়াৰ ফলস্বৰূপে তেওঁলোকে অকল ভাৰতবৰ্ষক 'ভাৰত' আৰু 'পাকিস্থানত' বিভক্ত কৰিলে সেয়েই নহয়। তেওঁলোকে বিভক্ত কৰিলে বাঙলা দেশ। বিভক্ত আৰু বিধ্বস্ত কৰিলে পঞ্জাবক। বহুখিনি কৌশলেৰে তেওঁলোকে বিভক্ত কৰিলে কাশ্মীৰ (এই বিষয়ত মাউণ্টবেটেনৰ দক্ষতা প্ৰশংসনীয়) আৰু তাৰ জৰিয়তে পাক-ভাৰতীয় উপমহাদেশত সাম্প্ৰদায়িকতাক আজিলৈকে জীয়াই ৰাখিছে।

## (ছয়)

১৯৪৭ চনৰ আগষ্ট মাহত পাঞ্জাৱত সমগ্ৰ উপমহাদেশৰ বুৰঞ্জীৰ জঘন্যতম সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হয়। এই সংঘৰ্ষত হেজাৰ হেজাৰ হিন্দু মুছলমান শিখ নৰনাৰী আৰু শিশু নিহত, আহত আৰু ভগনীয়া হয়। এই সম্বন্ধে ধম্বন্তৰী আৰু পূৰন চন্দ্ৰ যোশীয়ে পাঞ্জাৱ সংঘৰ্ষৰ সময়ৰ অৱস্থা নিজে পৰ্য্যবেক্ষণ কৰি তেওঁলোকৰ লিখিত এখন কিতাপত কয় যে বৃটিছ শাসনত প্ৰতিপালিত জাতীয়তা বিৰোধী প্ৰতিক্ৰিয়াশীল শক্তি বিকাশেই সেই ক্ষেত্ৰত আটাইতকৈ জঘন্য ভূমিকা পালন কৰিছিল। নিজ নিজ সম্প্ৰদায়ৰ মাজত তেওঁলোকেই এই বিষয়ে সৰ্বপ্ৰধান অপৰাধী আছিল। এই প্ৰসঙ্গত তেওঁলোকে আৰু কয়ঃ

"পাঞ্জাৱৰ দেশীয় ৰজাসকলে নিজ নিজ সম্প্ৰদায়ৰ দলবদ্ধ গুণ্ডাবিলাকক অস্ত্ৰ শস্ত্ৰৰ যোগান দিছিল। নেচনেল গাৰ্ডবিলাকক অস্ত্ৰ যোগাইছিল ভাৱালপুৰ ৰাজ্যই। পাটিয়ালা আৰু ফৰিদকোটে দিছিল আকালীবোৰক। গাৱঁবোৰত ডাঙৰ ডাঙৰ জমিদাৰসকলে নিজেই ডাঙৰ ডাঙৰ সশস্ত্ৰ গুণ্ডাদল পৰিচালনা কৰি সংখ্যালঘুসকলক হত্যা কৰি, উৎখাত কৰি নিজে তেওঁলোকৰ ঘৰ-বাৰী খেতি মাটি দখল কৰিছিল, কৃষকৰ মাজত সৃষ্টি কৰিছিল সাম্প্ৰদায়িক বিভেদ আৰু এইদৰেই নিজৰ সামন্তবাদী শাসনৰ ভেটি সুদৃঢ় কৰি পেলাইছিল।"





'যি সকল ব্যৱসায়ীয়ে যুদ্ধৰ কালছোৱাত নগৰত চোৰাং কাৰবাৰত ধন আৰ্জ্জিছিল ; তেওঁলোকেই নিজে সাম্প্ৰদায়িক সংগঠনবিলাকৰ পৃষ্ঠপোষক, তেওঁলোকেই অজস্ৰ টকা পইচা যোগান দিছিল।'

'কাৰখানাৰ হিন্দু গৰাকীসকলে মুছলমান শ্ৰমিকক বৰখাস্ত কৰিছিল আৰু হিন্দু শ্ৰমিক ছাটাই হৈছিল মুছলমান গৰাকীৰ দ্বাৰা পাইকাৰীভাবে।'

'যি সকল ধনীয়ে যুদ্ধৰ যোগেদি টকা কৰি ডাঙৰ মানুহ হৈছিল তেওঁলোকৰ উদ্দেশ্য আছিল—ব্যৱসায় আৰু শিল্পৰ ক্ষেত্ৰৰ পৰা প্ৰতিদ্বন্দী ব্যৱসায়ীবিলাকক আঁতৰাই বজাৰত একচেটীয়া প্ৰভুত্ব স্থাপন কৰা।'

'সংঘৰ্ষ বিধ্বস্ত পাঞ্জাৱত যোৱা ছমাহ ধৰি যি বিশৃঙ্খল অৱস্থা চলিছে তাৰ মাজত প্ৰতিক্ৰিয়াশীল সাম্প্ৰদায়িক নেতাবিলাকে জনপ্ৰিয়তা অৰ্জন কৰিবৰ বাবে কাৰ্য্যক্ষেত্ৰত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিছে। এওঁলোকৰ সাহায্য নোহোৱা হলে অগ্নিসংযোগকাৰী ব্ৰিটিছ আৰু তেওঁলোকৰ কায়েমী স্বাৰ্থবাদীবিলাকৰ চক্ৰান্ত কেতিয়াও সফল নহলহেঁতেন।'

পূব পাকিস্তান সেনাবাহিনীৰ তেতিয়াৰ জেনেৰেল অফিচাৰ কমাণ্ডিং মেজৰ জেনৰেল ফজল মুকিম খানে পাকিস্তান সৈন্যবাহিনী সম্পৰ্কে লিখা এখন কিতাপত পাঞ্জাব সংঘৰ্ষৰ সম্পৰ্কে এটি সংক্ষিপ্ত আলোচনা কৰিছে। তাত তেওঁ এই কথা উল্লেখ কৰিছে যে ১৯৪৭ চনৰ আগষ্ট মাহৰ আৰু তাৰ আগৰ সংঘৰ্ষৰ বিস্তৃত প্ৰস্তুতিৰ গোটেই খবৰ 'ক্ৰিমিনাল ইনভেষ্টিগেচন ডিপাৰ্টমেণ্টে' ব্ৰিটিছ ভাৰতীয় চৰকাৰৰ ওচৰত দাঙি ধৰিছিল। কিন্তু সেই সত্বেও বৰলাট আৰু পাঞ্জাৱৰ গৰ্ভনৰ জেনকিনচে সংঘৰ্ষ ৰোধ কৰাৰ কোনো ব্যৱস্থাই নকৰিলে।

পাঞ্জাৱৰ সংঘৰ্ষৰ ক্ষেত্ৰত মাউণ্টবেটেনৰ প্ৰত্যক্ষ আৰু ব্যক্তিগত দায়িত্ব যে কিমান গধুৰ আছিল এই কথা কিছুদিন আগতে প্ৰকাশিত এখন কিতাপত এজন বুৰ্জোৱা ইংৰাজ লিখকেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছে।

ওপৰত বৰ্ণনা কৰা বিহাৰ আৰু পাঞ্জাৱৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰা বুজিব পাৰি সংঘৰ্ষত সক্ৰিয় অংশ কোনে লয় আৰু কোনে তাৰদ্বাৰা লাভবান হয়।



OKDISCD

## ( সাত )

পাক ভাৰতীয় উপমহাদেশত মধ্যবিত্ত শ্ৰেণীয়েই এতিয়া ইংৰাজবিলাকৰ উত্তৰাধিকাৰী। উত্তৰাধিকাৰী সুত্ৰে তেওঁলোকে যে এই দেশত অকল ব্যৱসায়-বানিজ্য, শিল্প আৰু শাসনৰ অধিকাৰেই লাভ কৰিছে তেনে নহয়। এই সুত্ৰেৰে তেওঁলোকে ইংৰাজে ব্যৱহাৰ কৰা বিভেদ সৃষ্টিৰ অস্ত্ৰবিলাকো যথাযথভাবে ব্যৱহাৰ কৰিবলৈ শিকিছে। প্ৰয়োজন অনুসৰি ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে তেওঁলোকে সাম্প্ৰদায়িক সংঘৰ্ষৰ আশ্ৰয় লবলৈ সংকোচ, আনকি কুণ্ঠাবোধ নকৰে।

এই কথা যি কোনো সাধাৰণ বালকৰ পক্ষেও সহজবোধ্য যে পাকিস্তানৰ সংখ্যালঘূবোৰক হত্যা কৰা অথবা তেওঁলোকৰ ওপৰত অন্যান্য অত্যাচাৰ কৰাৰ অৰ্থ ভাৰতৰ সংখ্যালঘু অৰ্থাৎ মুছলমানবোৰক হত্যা কৰা আৰু সিহঁতৰ ওপৰত অত্যাচাৰ কৰিবৰ কাৰণে ভাৰতীয় হিন্দু সাম্প্ৰদায়িকতাবাদী সকলক সুযোগ দিয়া। আকৌ ভাৰতত সংখ্যালঘুবিলাকক হত্যা কৰা অথবা সিহঁতৰ ওপৰত অন্যান্য অত্যাচাৰ কৰাৰ অৰ্থ পাকিস্তানৰ সংঘ্যালঘূ অৰ্থাৎ হিন্দু সকলক হত্যা কৰা আৰু সিহঁতৰ ওপৰত অত্যাচাৰ কৰিবলৈ পাকিস্তানী মুছলমান সাম্প্ৰদায়িকতাবাদী বিলাকক সুযোগ দিয়া। অৰ্থাৎ যিবোৰে ভাৰতীয় মুছলমানৰ দুখত বিচলিত হৈ পাকিস্তানত থকা সংখ্যালঘূবিলাকক বিনাশ কৰিব বিচাৰে তেওঁলোক ভাৰতীয় মুছলমানৰ শত্ৰু। আৰু পাকিস্তানী হিন্দু বিলাকৰ দুখত যি বিলাকে ভাৰতত সংখ্যালঘূক বিনাশ কৰিব খোজে, বাস্তৱতে তেওঁলোক পাকিস্তানী হিন্দুবিলাকৰ শত্ৰু।

কিন্তু স্বাভাৱিক অৱস্থাত এজন সাধাৰণ বালকৰ পক্ষে যিটো বোধগম্য সেইকথা সাম্প্ৰদায়িক প্ৰচাৰ আৰু উন্মত্ততাৰ মাজত বহুত শুভবুদ্ধি সম্পন্ন মানুহৰ পক্ষেও বোধগম্য নহয়। সাম্প্ৰদায়িকতাৰ বাস্তব ভিত্তি স্বাধীনতা পুৰ্ব যুগতকৈ বৰ্তমানত বহুখিনি দুৰ্বল হলেও তাৰ মানসিক ভিত্তি এতিয়ালৈকে পুৰ্ব প্ৰভাবতকৈ বহুত শক্তিশালী। স্বাধীনতা উত্তৰকালত পাক-ভাৰতীয় উপমহাদেশত সাম্প্ৰদায়িক সংঘৰ্ষৰ হিচাপ ললে এই সম্পৰ্কে সন্দেহৰ আৰু কোনো অৱকাশ নাথাকে।





## ( আঠ )

সাম্প্ৰদায়িক সংঘৰ্ষৰ মাধ্যমেদি সেয়েহে কোনোমতেই ধৰ্মৰ গৌৰৱ বৰ্ধন নাইবা হিন্দু মুছলমান সংখ্যালঘূসকলৰ নিৰাপত্তাৰ ভেটি দৃঢ়তৰ নহয়। তাৰোপৰি ইয়াৰ মাজেদি ধৰ্মৰ অবমাননা আৰু সংখ্যালঘূসকলৰ দুখ দুৰ্দশাক দীৰ্ঘস্থায়ী আৰু অধিক নিদাৰুণ কৰাৰ পথহে বিস্তৃত হয়। অকল সেয়েই নহয়। সাম্প্ৰদায়িকতা আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ মাধ্যমেৰে ভাৰত আৰু পাকিস্তানৰ অসংখ্য দুখীয়া খেতিয়ক, শ্ৰমিক আৰু নিম্ন মধ্যবিত্তবিলাক নিজে লাভবান নহৈ উচ্চ মধ্যবিত্তৰ শ্ৰেণীস্বাৰ্থৰ বলি ৰূপে কল্পনাতীত ভাবে ক্ষতিগ্ৰস্ত হয়।

পাক ভাৰতীয় উপমহাদেশৰ জীৱনত সাম্প্ৰদায়িকতাক উচ্ছেদ কৰিবলৈ হলে তাৰ বাবে অকল ভাৰত অথবা পাকিস্তানৰ জনসাধাৰণেৰ প্ৰচেষ্টাই যথেষ্ট নহয়। এই সমস্যা এক প্ৰকাৰে পশ্চিম পাকিস্তানৰ খালৰ পানীৰ সমস্যা আনকি পূব পাকিস্তানৰ বানপানী নিয়ন্ত্ৰণ সমস্যাৰ লগত তুলনীয়। এই সমস্যাৰ সমাধানৰ বাবে দুই দেশৰ চৰকাৰৰ আৰু জনসাধাৰণৰ শুভেচ্ছা আৰু মিলিত প্ৰচেষ্টাৰ প্ৰয়োজন।

ভাৰতীয় সাম্প্ৰদায়িকতাবাদীসকল বিশেষকৈ সংঘৰ্ষ সংগঠনকাৰীসকল পাকিস্তানী সাম্প্ৰাদায়িকতাবাদীসকলৰ আৰু সংঘৰ্ষসংগঠনকাৰীৰ বন্ধু আৰু হিতৈষী। এই দুই দেশৰ জনসাধাৰণে এই পৰম সত্যক যেতিয়ালৈকে যথাযথভাৱে উপলব্ধি নকৰে আৰু নিজ নিজ সম্প্ৰদায়ভুক্ত সাম্প্ৰদায়িকতাবাদী সকলক শত্ৰুৰূপে ভাবিব নোৱাৰে, তেতিয়ালৈকে তেওঁলোকৰ নীতিৰে এই উপমহাদেশত সাৰ্থক আৰু ব্যাপক গণতান্ত্ৰিক আৰু ৰাজনৈতিক আন্দোলনৰ উদ্বোধন নহব।

অনুবাদ : করুণেশ ভট্টাচাৰ্য

---



OKDISCD

# চিচিফাছৰ শ্ৰম

## বিজ্ঞানৰ অধ্যাত্মীকৰণ সম্পৰ্কে দু-আষাৰ

শিৱনাথ বৰ্মণ

জাৰ্ম্মান দাৰ্শনিক ফিখ্‌টেই কৈছিল, "মানুহজন কেনে ধৰণৰ তুমি মোক কোৱা, আৰু মানুহজনে কেনে দৰ্শন গ্ৰহণ কৰে, সেই কথা মই তোমাক কৈ দিম।" এজন ভাববাদী দাৰ্শনিকৰ কাপৰ পৰা ওলোৱা ই এটা তাৎপৰ্য্যপূৰ্ণ মন্তব্য। মন্তব্যটো দুয়োটা ফালৰ পৰা সমানে সত্য। এজন মানুহৰ স্বভাৱ সম্পৰ্কীয় জ্ঞানে তেওঁ গ্ৰহণ কৰা দৰ্শনৰ বিষয়ে আমাক জ্ঞান দিয়াৰ দৰে এজন মানুহে গ্ৰহণ কৰা দৰ্শন সম্পৰ্কীয় জ্ঞানেও মানুহজনৰ স্বভাৱৰ বিষয়ে আমাক কিছু জ্ঞান দিব পাৰে; কাৰণ মানুহ পাৰিপাৰ্শ্বিকতাৰ উপাদান; পাৰিপাৰ্শ্বিকতাক মানুহেই গঢ় দিয়ে সঁচা, আনহাতে মানুহৰ মানসিক গঠনৰ বাবে দায়ীও ঘাইকৈ পাৰিপাৰ্শ্বিকতাই। ধাৰ্ম্মিক আৰু ভাববাদী দাৰ্শনিক সকলে ভবাৰ দৰে দৰ্শন এটা অতিজাগতিক সৃষ্টি (supra mundane) নহয়; ভাষা, সাহিত্য, নৈতিকতা আদিৰ নিচিনাকৈ দৰ্শনৰো উৎস লুকাই থাকে জীৱনৰ ব্যৱহাৰিক পৰিস্থিতিবিলাকৰ মাজত, আৰু ব্যৱহাৰিক পৰিস্থিতিৰ সলনিৰ লগে লগে দৰ্শনৰ ৰূপো সলনি হৈ গৈ থাকে; ব্যৱহাৰিক পৰিস্থিতি সুকীয়া হোৱা বাবেই ঋগবৈদিক দৰ্শনৰ লগত বুদ্ধৰ দৰ্শনৰ বা থালেছৰ দৰ্শনৰ লগত প্লেটোৰ দৰ্শনৰ পাৰ্থক্য আমি দেখা পাওঁ। চমুকৈ কবলৈ গলে, দৰ্শন আমি বাস কৰা ব্যৱহাৰিক জগতখনৰ এটা প্ৰতিফলন মাথোন। এজন মানুহে গ্ৰহণ কৰা দৰ্শনক গঢ় দিয়ে তেওঁ বাস কৰা ব্যৱহাৰিক জগতখনৰ পৰিস্থিতিবিলাকে। উদাহৰণ স্বৰূপে, শ্ৰেণীবিৰোধ নথকা সমাজত ভাববাদৰ জন্ম এটা অলৌকিক ঘটনা। (সেয়ে পৃথিৱীৰ আদিম কোনো সমাজতে ভাববাদী দৰ্শন পাবলৈ নাই।) আনহাতে সমাজত শ্ৰেণীবিৰোধ উদ্ভৱ হোৱাৰ পিচত সমাজৰ যিটো ৰঘুমলা শ্ৰেণীয়ে শ্ৰমিক বনুৱাৰ উদ্বৃত্তৰ আয়ত যিসকল লোক লালিত পালিত হয়, তেওঁলোক মগজুত ভাববাদৰ জন্ম অৱশ্যম্ভাবী। শ্ৰমিকৰ





শ্ৰম চুৰ কৰি এইসকল লোক জীয়াই থাকে। জীয়াই থাকিবৰ বাবে কৰা কঠোৰ সংগ্ৰামৰ পৰা শ্ৰমিকে দিয়া অব্যাহতিয়ে এইসকল লোকক পাৰ্থিব জগতখনত বাস্তৱতাৰ কথা অনুভৱ কৰিবলৈ সুবিধা নিদিয়ে। জীৱন-নিৰ্ব্বাহৰ সকলো সুবিধা বিনা পৰিশ্ৰমে লাভ কৰি চিন্তা কৰাৰ আগতে যে মানুহ জীয়াই থাকিব লাগিব আৰু জীয়াই থাকিবলৈ হলে যে মানুহে আহাৰ খাব লাগিব আৰু সেই আহাৰ যে পোৱা যায় জড়দেহ সম্পন্ন কিছুমান মানুহে জড়জগতত কৰা হাড়ভঙা পৰিশ্ৰমৰ ফলস্বৰূপে, এই সাধাৰণ সত্যবিলাক এই শ্ৰেণীটোৱে পাহৰি যায়। গতিকে পদাৰ্থজগত খনতকৈও মানসিক জগতখনৰ ওপৰতহে তেওঁলোকে অধিক গুৰুত্ব দিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলত উদ্ভৱ হয় ভাববাদী দৰ্শনৰ, আৰু ই অলস চিন্তাৰ কিছুমান মায়াজাল সৃষ্টি কৰি সৰ্ব্বসাধাৰণৰ মন বিভ্ৰান্ত কৰি পেলায়। দৈহিক শ্ৰমৰ পৰা মানসিক শ্ৰমক বিচ্ছিন্ন কৰি পেলোৱাৰ ফলত তেওঁলোকে, মাৰ্ক্সৰ ভাষাত কবলৈ গলে সঁচা একো ভাবিব নোৱাৰে, মাথোন সঁচাকৈ কিবা ভাবিছো বুলি ভাবে[১]। ভাব পদাৰ্থৰ পৰা নহয়, পদাৰ্থহে ভাবৰ পৰা উৎপত্তি হয়. আমি দেখা জগত খন সত্য নহয়, ভাবজগতখনহে সত্য—এনে ধৰণৰ কিছুমান উদ্ভট সিদ্ধান্ত প্ৰমাণ কৰি দেখুৱাবলৈ এই পণ্ডিতসকলে এসময়ত ধৰ্ম্মতত্ত্বৰ সহায় লৈছিল, আজিকালি তেওঁলোকৰ কোনো কোনোৱে ইয়াৰ বাবে বিজ্ঞানৰ, বিশেষকৈ আধুনিক পদাৰ্থবিজ্ঞানৰ সহায় লোৱা লোৱা দেখা যায়। জৰ্ম্মানীৰ বনুৱা দাৰ্শনিক ইউজিন ডিয়েৎজেনে Scientific priest আখ্যা দিয়া এই পণ্ডিত সকলৰ মতে পদাৰ্থবিজ্ঞান হেনো সম্প্ৰতি ভাববাদী হৈ পৰিছে, ই হেনো পদাৰ্থৰ অস্তিত্ব নাই বুলি প্ৰমাণ কৰি দেখুৱাইছে।

এই মতাৱলম্বী লোকসকলৰ পুৰোধা হ'ল ইংলণ্ডৰ সুবিখ্যাত পদাৰ্থবিজ্ঞানী

---

১. 'Division of labour only becomes truly such from the moment when a division of material and mental labour appears. From this moment onwards conciousness can really flatter itself that it is something other than consciaosness of existing practice, that it really represents something without representing something real.'—K. Markx. German Ideology. Moscow 1968. P. 48.



OKDISCD

চাৰ আৰ্থাৰ এডিংটন আৰু চাৰ জেম্চ জীন্স। New pathways in Science, The Nature of the Physical World, The Philosophy of Physical Science আদি গ্ৰন্থসমূহৰ যোগেদি এডিংটনে আৰু The Mysterious Universe, The New background of Science, Physics and Philosophy আদি গ্ৰন্থসমূহৰ যোগেদি জীন্সে বিজ্ঞান সম্পৰ্কে তেওঁলোকৰ ভাববাদী মতবাদ সমূহ জনপ্ৰিয় কৰি তুলিছে। এডিংটনৰ মূল বক্তব্য হ'ল 'Mind is the first and most direct in an experience, all else is remote inference'[২]. বিজ্ঞানীসকলৰ পদাৰ্থ সম্পৰ্কে তেওঁ কয় 'perhaps we are going to find something that doesnot exist'[৩]. জীন্সৰ মতে ... 'the universe begins to look more like great thought than like a great machine. Mind no longer appears as an accidental intruder into the realm of matter ; we are begining to suspect that we ought rather to hail it as the creator and governor of ther ealm of matter'[৪].

এই বিজ্ঞানীদুজনৰ অনুকৰণত সম্প্ৰতি এচাম লোকে আধুনিক পদাৰ্থ বিজ্ঞান ভাববাদী বুলি ধৰি লৈছে আৰু ভাৰততো তেওঁলোকে পদাৰ্থবিজ্ঞানক ভাববাদী দৰ্শনসমূহৰ লগত সাঙুৰিবলৈও যত্ন কৰা দেখা গৈছে। তাৰে এটা উদাহৰণ স্বৰূপে মিচ কৃষ্ণ ৰেইনাই লিখা The Philosophy of Matter in the Atomic Era নামৰ গ্ৰন্থখনলৈ আঙুলিয়াব পাৰি। অসমতো এনে চিন্তাৰ বীজ নোসোৱাকৈ থকা নাই। আধুনিক বিজ্ঞান ভাববাদী বুলি আৰু আধুনিক পদাৰ্থবিজ্ঞানৰ লগত ভাৰতীয় ভাববাদী দৰ্শনসমূহৰ সম্পৰ্ক আছে বুলি 'প্ৰমাণ' কৰিবলৈ এসময়ত স্বৰ্গীয় ৰাধানাথ ফুকনদেৱে আপ্ৰাণ চেষ্টা কৰিছিল। তেখেতে পাঠকৰ মনত এনে এটা ভাব সুমুৱাই দিবলৈ যত্ন কৰিছিল যে আধুনিক বিজ্ঞানে সম্প্ৰতি যিবিলাক তত্ত্ব আবিস্কাৰ কৰিছে, সেই সকলোবিলাক যেন সাংখ্য আৰু বেদান্ত দৰ্শনতেই সোমাই আছে, যেন সাংখ্য আৰু বেদান্ত দৰ্শন ভালদৰে জানিলে বিজ্ঞান আৰু নপঢ়িলেও হয়! অকনো লুকঢাক নকৰাকৈ তেখেতে লিখিছিল।

২. Nature of the physical World.
৩. Space, time and Gravitation.
৪. The Mysterious Universe.



"But now the Western Science is no longer materialistic and is actually idealistic"[৫] আৰো "আজিকালি নতুন বিজ্ঞানে পৰীক্ষাৰে প্ৰমাণ কৰি দেখুৱাইছে যে এই জগতত বস্তু বুলিবলৈ একো নাই। ইয়াত মাত্ৰ দুটি পদাৰ্থহে আছে—(১) চিৎশক্তি (consciousness) আৰু (২) জড়শক্তি ( energy ) ...... বিজ্ঞানে আৰু কৈছে যে জড়শক্তিৰ একো বাস্তৱ অস্তিত্ব নাই, ই আমাৰ মনৰ কল্পনা মাত্ৰ আৰু ই অঙ্কশাস্ত্ৰৰ সৃষ্টি।"[৬] 'বেদান্ত দৰ্শন', 'কথাৰে উপনিষদ,' 'বিজ্ঞানৰ সিপাৰে' আদি তেখেতৰ অন্যান্য গ্ৰন্থসমূহৰ এনে অসংখ্য উদ্ধৃতি দাঙি ধৰিব পাৰি। ফুকনদেৱৰ সুৰতে লিখা Advaitya Vedanta and Modern Physics নামৰ এখন সৰু কিতাপো আজি কিছু বছৰৰ আগতে প্ৰকাশ পাইছে আৰু তাত লিখকে কৈছে,

"We can of course safely claim that the present of science are convincingly gravitating more and more towards the monistic idealism of Vedanta. Vedanta can be compared to a fixed illumination and physics to a travelling ray of light which is steadily tending to become identical with that fixed illumination"[৭],

উল্লেখযোগ্য যে এই গ্ৰন্থখনৰ ৰচনা কাৰ্য্যত লিখকক সহায় কৰিছে অসমৰ আন এগৰাকী খ্যাতনামা দাৰ্শনিক ডঃ যোগীৰাজ বসুদেৱে। তেখেতে নিজেও এই সম্পৰ্কে প্ৰবন্ধ লিখিছে য'ত তেখেতে আধুনিক পদাৰ্থবিজ্ঞান বেদান্তমুখী বুলি 'প্ৰমাণ' কৰি দেখুৱাইছে।[৮]

গতিকে দেখা যায় যে অসমতো এনে চৰ্চা নোহোৱাকৈ থকা বুলি কব

৫. Sankhya karika of Iswarkrishna. Calcutta 14.
৬. সাংখ্য দৰ্শন।
৭. S. P. Parampanthi ; Advaitya Vedanta and modern Physics.
৮. The above discussion proves beyond doubt that the findings of modern physics are to support the doctrines of vedanta regarding conciousness, matter and the nature of physical universe'—the nature of the physical world, an article published in Post Graduate students, Journal. Twenty First Issue.



OKDISCD

নোৱাৰি। গোজেই গছ হোৱাৰ দৰে এনে ধৰণৰ পণ্ডিতীয় চিন্তাৰ বীজেই এসময়ত বিশাল মহীৰুহ হৈ অসমৰ বৌদ্ধিক জগত এন্ধাৰ কৰি তুলিব পাৰে। গতিকে আধুনিক পদাৰ্থবিজ্ঞান সম্পৰ্কে এনে ধৰণৰ পণ্ডিতীয় ভাববাদী চিন্তাৰ বিৰুদ্ধে মেহনতী ৰাইজক সতৰ্ক কৰি দিয়া প্ৰয়োজন।

× × ×

পদাৰ্থবিজ্ঞানৰ বিষয়ে আলোচনা কৰিব খুজিলেই আমাৰ মনত সৰ্ব্বপ্ৰথমে যি প্ৰশ্নৰ উদয় হয়, সি হৈছে এই ঃ 'পদাৰ্থবিজ্ঞানৰ উদ্দেশ্য কি? পদাৰ্থ বিজ্ঞানৰ উদ্দেশ্য হৈছে আমি দেখা আৰু আমি বাসকৰা পদাৰ্থজগৎখনৰ বিষয়ে পদ্ধতিমূলক ভাবে আলোচনা কৰা। পদাৰ্থবিজ্ঞান হৈছে পদাৰ্থজগতৰ ৰহস্য উদ্ঘাটনৰ এটা বৌদ্ধিক অভিযান আৰু এই অভিযানত পদাৰ্থবিদ সকলৰ ঘাই অস্ত্ৰকেইপাত হ'ল—পৰ্য্যবেক্ষণ, যুক্তি আৰু পৰীক্ষা। গতিকে পদাৰ্থবিজ্ঞান জীয়াই থাকিবলৈ হলে আমি পদাৰ্থৰ অস্তিত্ব প্ৰথমে মানি লব লাগিব। পদাৰ্থ যদি সঁচাকৈয়ে নাথাকে, তেন্তে অকল পদাৰ্থবিজ্ঞানৰেই নহয়, জগতৰ কোনো বস্তুৰেই অস্তিত্ব নাথাকিব,—আৰু কোনো বস্তুৰ অস্তিত্ব নোহোৱা হলে, ভাবৰো অস্তিত্ব নোহোৱা হব, আৰু ভাবৰ অস্তিত্ব নোহোৱা হলে, লেনিনে তেওঁৰ Materialism and Empirio Criticism গ্ৰন্থত কোৱা দৰে ভাববাদী দাৰ্শনিকসকলে পদাৰ্থজগতৰ অস্তিত্ববিহীনতা সম্পৰ্কে আগবঢ়োৱা যুক্তিবিলাকৰ অস্তিত্বও নোহোৱা হ'ব—বৌদ্ধ সন্ন্যাসী নাগাৰ্জুনে ভবাৰ দৰে গোটেই জগতখন হব এটা বিৰাট শূণ্য!! যদি সেয়ে নহয়, অৰ্থাৎ যদি কেৱল পদাৰ্থৰহে অস্তিত্ব নাথাকে কিন্তু ভাবৰ অস্তিত্ব থাকে, তেন্তে ই হব হয় কেৱল নিজৰ অস্তিত্বৰ বাহিৰে আনকাৰো অস্তিত্ব স্বীকাৰ নকৰা Solipism, নহয় ব্ৰহ্ম, ঈশ্বৰ, Substance, Absolute Idea আদি কিছুমান কাল্পনিক সত্তাত প্ৰকৃত বাস্তবতা আৰোপ কৰা objective idealism ৰ অসংখ্য শাখা প্ৰশাখা বিলাকৰ এটা। অৱশ্যে ভাববাদী পণ্ডিত সকলে পদাৰ্থৰ অস্তিত্ব বিনাশ কৰিবলৈ যিপাত অস্ত্ৰ হাতত লৈছে, সেইপাত nihilism বা solipism ৰ দৰে ইমান ভোটা অস্ত্ৰ নহয়, তেওঁলোকে বাস্তব জগতখন অস্বীকাৰ নকৰে, কেৱল তেওঁলোকে কয় যে বাস্তব জগতখন সত্য 'ব্যৱহাৰিক অৰ্থতহে' 'পৰমাৰ্থিক অৰ্থত নহয়; পৰমাৰ্থিক অৰ্থত জগতখন মায়াহে (appearance), অলপধতুৰাবিলাকে ৰচী এডালকে সাপ বুলি ভ্ৰম





কৰাৰ দৰে আমিও মায়াৰ জগতখনকে আচল জগত বুলি ভুল কৰোঁ।ঃ তেওঁলোকৰ মতে প্ৰকৃত বাস্তবতা আছে Absolute Idea, ব্ৰহ্ম, Universal Mind প্ৰভৃতি কাল্পনিক সত্তা কিছুমানতহে, আমি বাস কৰা ইন্দ্ৰিয়গ্ৰাহ্য জগতখনত নহয়।

আধুনিক পদাৰ্থবিজ্ঞানে পদাৰ্থজগতৰ অস্তিত্ব নাইকিয়া কৰি ভাবজগতৰ ফালে ক্ৰমান্বয়ে ঢাল লৈছে বুলি 'প্ৰমাণ' আৰু প্ৰচাৰ কৰিব খোজা এই দাৰ্শনিকসকলৰ এটা বস্তুৰ অভাব; সি হৈছে এক বলিষ্ঠ কাণ্ডজ্ঞান। দৰ্শনৰ জটিলতাৰ মাজত সোমাই দৈনন্দিন ব্যৱহাৰিক জগতখনৰ সাধাৰণ সত্যবিলাকৰ কথা পাহৰি যোৱা দাৰ্শনিকৰ সংখ্যা ইতিহাসত তেনেই বিৰল নহয়। বিশেষকৈ আমাৰ দেশত এনে দাৰ্শনিকৰ সংখ্যা ইমান বেছি যে আমাৰ দেশত ইয়াক দাৰ্শনিকৰ এটা বিশিষ্ট লক্ষণ বুলি ধৰি লোৱা হয়। নকলেও হব, সৰ্ব্বসাধাৰণৰ মাজত দৰ্শন সম্পৰ্কে এনে মনোভাব বদ্ধমূল হৈ পৰাৰ বাবে দায়ী হৈছে ব্যৱহাৰিক জগতৰ পৰা বিচ্ছিন্ন 'বিশুদ্ধ' চিন্তাৰ পৰা উদ্ভূত ভাববাদী দৰ্শন। কিন্তু বিজ্ঞানৰ ভেটি 'বিশুদ্ধ চিন্তা নহয়, ইয়াৰ ভেটি হ'ল যুক্তি, পৰীক্ষা আৰু পৰ্য্যবেক্ষণ; দৈনন্দিন ব্যৱহাৰিক জগতখনৰ দৃঢ় ভেটিৰ ওপৰত বিজ্ঞানৰ দেউল গঢ়ি উঠে। ধৰ্মতত্ব বা ভাববাদী দৰ্শনৰ নিচিনাকৈ কোনো এক অতিজাগতিক প্ৰসঙ্গৰ পৰা বিজ্ঞানে বাস্তব জগতখন ব্যাখ্যা কৰিবলৈ যত্ন নকৰে। এসময়ত বিজ্ঞানৰ জন্ম হৈছিল কিছুমান সঁচা, বাস্তব অভিজ্ঞতাৰ পৰা আৰু আমি বাস কৰা এই সঁচা বাস্তব জগতখনতেই আজিও বিজ্ঞানৰ সিদ্ধান্ত বিলাকৰ সত্যাসত্য নিৰ্ণীত হয়। ভাববাদী দাৰ্শনিক সকলে প্ৰচাৰ কৰাৰ দৰে বিজ্ঞানৰ জগতখন বাস্তব জগতৰ পৰা বিচ্ছিন্ন কেৱল বিশুদ্ধ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত এখন স্বকীয়া জগত নহয়।[৯] গতিকে বাস্তৱ জগতখনৰ অস্তিত্ব যদি ধৰিলোৱা নাযায়, তেন্তে বিজ্ঞান আৰু বিজ্ঞানহৈ নাথাকে, ই হব অধিবিজ্ঞান (metaphysics)—আৰামী চকিত বহি চিন্তা কৰা এচাম লোকৰ কিছুমান অলস চিন্তাৰ সমল মাথোন। কিন্তু বৰ্ত্তমান যুগত পদাৰ্থ

৯. আইনষ্টাইনে লিখিছে 'Pure logical thinking connot yield us any knowledge of the empirical world; all knowledge of reality starts from experience and ends in it' Albert Einstein, Essays in Science. New York. P. 14.



OKDISCD

বিজ্ঞানৰ ব্যৱহাৰিক দিশটোৰ দ্ৰুত বিকাশে ইয়াৰ বিপৰীত কথাহে প্ৰমাণ কৰে। আধুনিক বৃটেনৰ বৌদ্ধিক সমাজৰ এগৰাকী নেতা জেকব ব্ৰনৌস্কিৰ উক্তি এই খিনিতে প্ৰণিধানযোগ্য। তেখেতে লিখিছে,

"To my mind philosophers put the cart before the horse when they say that Science constructs a world by sorting out what experiences of different people have in common. On the contrary, the practice of science supposes the existence of **a real and a common world** and assumes that its impact on each individual who is a part of it is modified by him in a way which constitutes his personel experience. We donot construct a world from our experience. We are aware of the world of experiences. Science is a language for **not about experience but about the world.**"[১০]

কিন্তু পদাৰ্থনো দৰাচলতে কি ? ভাববাদী দাৰ্শনিকসকলে ইয়াৰ নানা সংজ্ঞা আগবঢ়ায় যদিও পদাৰ্থ কি তাক বুজা বোধকৰো খুব টান কথা নহয়। 'মানুহ' যেনেকৈ ৰাম, শ্যাম, হৰি আদি নামসমূহৰ এটা সাধাৰণ নাম, বা 'ফল' যেনেকৈ আম কঠাল, পনিয়ল আদিৰ এটা সাধাৰণ নাম, সেইদৰে 'পদাৰ্থ' হৈছে আমি আমাৰ সুবিধাৰ্থে দৈনন্দিন জীৱনত আমাৰ চাৰিওফালে দেখা পোৱা বস্তুবিলাকক দিয়া এটা সাধাৰণ নাম। (দাৰ্শনিকসকলে ইয়াকে 'সাধাৰণ' আৰু 'বিশেষ' Universal and particular নাম দিছে।) পদাৰ্থ হৈছে এটা দাৰ্শনিক পৰিভাষা যাৰদ্বাৰা আমাৰ মনৰ বাহিৰত আমাৰ চিন্তাৰ ওপৰত নিৰ্ভৰ নকৰা যিখন জগত আছে, তাৰ ইংগিত দিয়া হয়। গতিকে পদাৰ্থৰ বিষয়ে আমি জ্ঞান লাভ কৰিব পাৰো দৈনন্দিন জগতত আমি দেখা আমাৰ ইন্দ্ৰিয় গ্ৰাহ্য মূৰ্ত্ত বস্তুবিলাকৰ যোগেদিহে—পদাৰ্থক সিহঁতৰ পৰা বিচ্ছিন্ন কৰি নহয়। এঙ্গেলচে লিখিছে,

১০ Jacob Bronowsky The commonsense of Science. Pelical 1968. P. 119 ( emphasis added )





"Matter is nothing but the totality of material things from which this concept is abstracted and motion as such nothing but the totality of all sensuously perceptible forms of motion, words like 'matter' and 'motion' are nothing but abbreviations in which are comprehended many different sensuously perceptible things according to their common properties. Hence matter and motion can be known in no other way than by investigation of the separate material things and forms of motion, and by knowing these we also pro tanto know matter and motion as such."[১১]

আমি ভালদৰে মনত ৰখা উচিত যে সাধাৰণ বিশেষৰ নহয়, বিশেষহে সাধাৰণৰ মাতৃ। সাধাৰণ সদায় লুকাই থাকে বিশেষৰ মাজত, বিশেষৰ বাহিৰত নহয়; গতিকে সাধাৰণৰ অনুসন্ধানত আমি বিশেষক বাদ দিব নোৱাৰো। তাকে কৰিব খুজিলে আমি বৃক্ষৰাজিৰ মাজত থাকি অৰণ্যৰ অনুসন্ধান কৰিবলৈ যোৱাৰ দৰে, বা ফল খোৱাৰ আশা কৰি থাকি আম কঠাল খাবলৈ বাদ দিয়াৰ দৰেহে হ'ব। জীয়াই থকাৰ অৰ্থ বিচাৰি জীৱনক ত্যাগ কৰা 'বিশুদ্ধ' দাৰ্শনিকৰ পক্ষেহে এনে বাতুলতা সম্ভৱ, সুন্দৰৰূপে জীয়াই থকাতে জীৱনৰ ৰহস্য লুকাই আছে বুলি ভাবিব পৰা মানসিক বলিষ্ঠতা যিসকলৰ আছে, তেওঁলোকৰ মতে এনে দৰ্শন অৰ্থহীন।

সন্দেহবাদী পাঠকৰ মনত এইখিনিতে হয়তো এটা প্ৰশ্নৰ উদয় হব পাৰে: 'পদাৰ্থ যদি সঁচাকৈয়ে এটা বাস্তৱতা, তেন্তে কুৰি শতিকাৰ দাৰ্শনিকৰ কথাই নকওঁ, আনকি এডিংটন, জীন্স, আদি খ্যাতনামা পদাৰ্থবিদসকলো ভাববাদী মনোভাবসম্পন্ন হৈ পৰাৰ কাৰণ কি?' এই প্ৰশ্নৰ উত্তৰ দিবলৈ হলে আমি বিজ্ঞানৰ ইতিহাস, বিশেষকৈ আধুনিক পদাৰ্থবিজ্ঞানৰ ইতিহাস, কিছু পৰিমাণে বৰ্ণনা কৰিব লাগিব। কুৰি শতিকাটো পদাৰ্থবিজ্ঞানৰ বাবে এটা বিপ্লৱৰ যুগ বুলিব পাৰি। এই শতিকাত আকাশ, কাল, ভৰ, শক্তি, মহাকৰ্ষণ, জড়তা আদি পদাৰ্থবিজ্ঞানৰ বহুতো মৌলিক ধাৰণাৰ আমূল পৰিবৰ্তন ঘটিছে। কুৰি

১১. F. Engels. Dlalectics of Nature. Moscow. 1965 P-236



OKDISCD

শতিকাৰ আৰম্ভণিতে এই পৰিবৰ্তনবিলাক ইমান অভিনৱ যেন লাগিছিল যে এডিংটন, জীন্স, প্ৰমুখ্যে দাৰ্শনিক মনোভাবসম্পন্ন পদাৰ্থবিদসকলে এই পৰিবৰ্তন-বিলাক শীতল মগজুৰে বস্তুধৰ্ম্মীভাবে চাব পৰা ক্ষমতা হেৰুৱাই পেলাইছিল। পদাৰ্থৰ ধাৰণাৰ যে পৰিবৰ্তনহে ঘটিছে এই কথা বুজিব নোৱাৰি তেওঁলোকে পদাৰ্থৰ অস্তিত্বই নাইকিয়া কৰি দিবলৈ বিচাৰিছিল। অৱশ্যে কোনো কোনো লোকে কুৰি শতিকাৰ আৰম্ভণিতেই পদাৰ্থবিদসকলে কৰা এই ভুলৰ উমান পাইছিল। যেনে, ১৯০৮ চনতেই লেনিনে 'a minority of new physicists, however, influenced by the breakdown of old theories brought by great discoveries in recent years… …have slipped into idealism by way of relativism' বুলি বৌদ্ধিক সমাজক সতৰ্ক কৰি থৈ গৈছিল।[১২]

গেলিলিওৰ পৰা আৰম্ভ কৰি উনৈশ শতিকাৰ শেষভাগলৈকে পদাৰ্থবিজ্ঞান সকলে পদাৰ্থজগতখন যান্ত্ৰিকভাবে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰি আহিছিল। প্ৰকৃতিক তেওঁলোকে যন্ত্ৰবৎ গণ্য কৰিছিল আৰু ভাবিছিল যে এজন কাৰি-

১২. V. I. Lenin Materialism and Empirio Criticism. Moscow. 1966. P. 347. কোনো পাঠকে হয়তো ভাবিব পাৰে 'দাৰ্শনিকসকলে হয়তো ভুল কৰিব পাৰে, কিন্তু পদাৰ্থবিদসকলেও পদাৰ্থ সম্পৰ্কে ভুল কৰা সম্ভৱ নে? এই চাম পাঠকৰ সন্দেহ মৰিষণৰ বাবে কব পাৰি: 'হয়, পদাৰ্থবিদেও পদাৰ্থ সম্পৰ্কে ভুল কৰা সম্ভৱ। পদাৰ্থবিজ্ঞানীসকলে পদাৰ্থৰ গঠনৰ বিষয়েহে আলোচনা কৰে, পদাৰ্থৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা যাইকৈ দাৰ্শনিকৰহে কাম; আৰু জ্ঞানবান পদাৰ্থবিদ জ্ঞানবান দাৰ্শনিক নহবও পাৰে।' এই সন্দৰ্ভত মিছ এল ষ্টেবিঙে লিখা Philosophy and the Physicists আৰু মৰিছ কৰ্ণফোৰ্থে লিখা Scince Versus Idealism নামৰ কিতাপ দুখন পঢ়িবলৈ পাঠক সকলক অনুৰোধ কৰা হ'ল। কৰ্ণফোৰ্থে লিখিছে Analytic philosophers have pointed out that these writings of Jeans and Eddington weie extremely muddled and lacking in clear **logical analysis. This was very truye"—M. Cornfoth. Science Vc. idealism. hondon 1946. P. 116.**





কৰে যেনেকৈ এটা যন্ত্ৰ খুলি মেলি তাৰ বিভিন্ন অংশবোৰৰ বিষয়ে পুঙ্খানুপুঙ্খ জ্ঞান লাভ কৰিব পাৰে, ঠিক তেনেদৰে বিজ্ঞানী সকলেও প্ৰকৃতিৰ বিষয়ে পুঙ্খানুপুঙ্খ জ্ঞান লাভ কৰা সম্ভৱ। বিজ্ঞানৰ জগতখনক তেওঁলোকে আমাৰ ইন্দ্ৰিয়গ্ৰাহ্য জগতখনৰ লগত সম্পৰ্ক নথকা এখন সুকীয়া জগত বুলি ভাবিছিল আৰু সেইবাবেই পৰ্য্যবেক্ষক আৰু পৰ্য্যবেক্ষিত বস্তুৰ মাজত এটা কটকটীয়া সীমাৰেখা আছে বুলি তেওঁলোকে ধৰি লৈছিল। প্ৰকৃতিৰ কাৰ্য্যকাৰণ সূত্ৰৰ ( Causal laws ) ওপৰত তেওঁলোকৰ অগাধ বিশ্বাস আছিল। অতীত আৰু বৰ্তমানৰ বিষয়ে ভালদৰে জনা থাকিলে ভৱিষ্যতটো নিখুঁত ভাবে গণনা কৰি উলিয়াব পাৰি বুলি তেওঁলোকে বিশ্বাস কৰিছিল। কিন্তু উনৈশ শতিকাৰ আৰম্ভণিৰ লগে লগে পদাৰ্থ বিজ্ঞানত আপেক্ষিকতাবাদ আৰু কোৱাণ্টাম তত্ত্বৰ উদ্ভাৱন হ'ল, আৰু ইহঁতে প্ৰকৃতি সম্পৰ্কে বিজ্ঞানী সকলৰ মাজত চলি অহা বহুতো ধাৰণাৰ আমূল পৰিবৰ্তন ঘটালে। পৰ্য্যবেক্ষক আৰু পৰ্য্যবেক্ষিত বস্তুৰ মাজত এক কটকটীয়া সীমাৰেখা আছে বুলি বিজ্ঞানীসকলৰ মাজত যি ধাৰণা আছিল, ইহঁতে তাক মষিমূৰ কৰিলে। আইনষ্টাইন দেখুৱালে যে প্ৰকৃতি পৰ্য্যবেক্ষকৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল; প্ৰাকৃতিক ব্যাঘাট নজন্মোৱাকৈ আমি প্ৰাকৃতিক পৰ্য্যবেক্ষণ কৰিব নোৱাৰো। বস্তু বিলাকৰ দৈৰ্ঘ্য বা দুটা ঘটনাৰ মাজৰ সময়ৰ ব্যৱধান—এইবিলাক কিছুমান দ্ৰষ্টা নিৰপেক্ষ ধ্ৰুৱক ৰাশি (constant quantily) নহয়, দ্ৰষ্টাৰ অৱস্থানৰ পৰিবৰ্তনৰ লগে লগে সিহঁতৰ মানবো (magnitude) পৰিবৰ্তন ঘটে। আকাশ (space), কাল (time), ভৰ (mass) শক্তি (energy) আদি ৰাশিবিলাক পৰস্পৰে স্বাধীন বুলি ইমান দিনে গণ্য কৰি অহা হৈছিল, আপেক্ষিকতাবাদৰ দ্বাৰা এই কথা সত্য নহয় বুলি আইনষ্টাইনে প্ৰমাণ কৰিলে; তেওঁ দেখুৱালে যে, আকাশ আৰু কাল, ভৰ আৰু শক্তিৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক আছে।[১৩] প্ৰাকপণ্ডিত

১৩। কিছুমান বিশেষ কৌশলৰ দ্বাৰা ভৰক শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি বুলি আইনষ্টাইনে কৈছিল, কিন্তু ভৰেই শক্তি বুলি তেখেতে কোৱা নাছিল। আনহাতে স্বৰ্গীয় ৰাধানাথ ফুকনদেৱৰ মতে ভৰেই শক্তি। তদুপৰি তেখেতৰ মতে শক্তি এটা মনৰ কল্পনা মাথোন—আৰু যিহেতু ভৰেই শক্তি, গতিকে ভৰ বা



OKDISCD

ইউক্লিডৰ দিনৰ পৰাই পদাৰ্থজগতখন ত্ৰিপস্থীয় বুলি ইমান দিনে ভাবি অহা হৈছিল ; আইনষ্টাইনে দেখুৱালে যে পদাৰ্থজগতখন আচলতে চতুৰ্প্ৰস্থীয়হে,— আকাশৰ তিনিটা পৰিচিত প্ৰস্থৰ উপৰিও আমি কালকো এটা প্ৰস্থ বুলি গণ্য কৰা উচিত। ( আপেক্ষিকতাবাদৰ এই সিদ্ধান্তৰ আলম লৈয়েই বাৰ্ট্ৰাণ্ড ৰাছেলে পদাৰ্থক এটা 'ঘটনা'—event আখ্যা দিছে। তেওঁ কয় যে আমি সাধাৰণতে ভবাৰ দৰে পদাৰ্থৰ কোনো 'thingness' বা বস্তুত্ব নাই, পদাৰ্থ সাধাৰণতে চাৰি প্ৰস্থীয়া আকাশ-কালত ঘটা কিছুমান ঘটনাৰ সমষ্টি মাথোন। ৰাছেলৰ এই সিদ্ধান্তৰ পৰা পাঠকে যেন পদাৰ্থক ভাৱ কিম্বা চিৎবস্তু আদিৰ এটা উৎপাদন বুলি তৎক্ষণাৎ সিদ্ধান্ত কৰি নলয়, কাৰণ ৰাছেলে পদাৰ্থৰ অস্তিত্ব সম্পূৰ্ণৰূপে অস্বীকাৰ কৰা নাই। 'Matter is becoming less material'—ৰাছেলৰ এই উক্তি শুনি ভাৱবাদী পণ্ডিতসকল আনন্দিত হব সঁচা, কিন্তু দুখৰ কথা যে তাৰ ঠিক পিছতে তেওঁ কৈছে 'and mind is becoming less mental'. পদাৰ্থ আৰু মন সম্পৰ্কে ৰাছেলৰ neutral monism নামৰ বিভ্ৰান্তিকৰ তত্ত্বটোৰ ব্যাখা কৰা যেহেতু আমাৰ উদ্দেশ্য নহয়, গতিকে ৰাছেলৰ পদাৰ্থৰ অস্তিত্ব সম্পৰ্কীয় আলোচনা আমি ইয়াতে সামৰণি মাৰিলো। )

---

পদাৰ্থও এটা মনৰ কল্পনা ; ( "জগতৰ প্ৰত্যেক পৰমাণু ফালি বিজ্ঞানে আমাৰ চকুলৈ আঙুলিয়াই দি দেখুৱাই দিছে যে ইয়াত একো বাস্তৱ পদাৰ্থ নাই ; যিবা বিজুলী শক্তি আছে বুলি ভাবো, সি আমাৰ মনৰ পৰা উদ্ভৱ হোৱা গনিত শাস্ত্ৰৰ সৃষ্টি—এটা মানসিক কল্পনা মাত্ৰ।—বেদান্ত দৰ্শন, পৃঃ ৪) বিজ্ঞানক আধ্যাত্মীকৰণ কৰাৰ চেষ্টাত বিভোৰ হৈ ৰিয়েক্টৰৰ পৰা ওলোৱা বিষাক্ত বিকিৰণ বিলাকৰ কথা বা পৰমাণুবোমা বিস্ফোৰণৰ ফলত জাপানত মৃত্যু হোৱা শ শ নৰ-নাৰীৰ কথা তেখেতে পাহৰি পেলাইছিল। এই থিনিতে পৰিভাষা বিলাকৰ উপযুক্ত প্ৰয়োগৰ কথা আহি পৰে। কোনোবা ভাৱবাদী দৰ্শনত শক্তি হয়তো এটা কাল্পনিক সত্বা হব পাৰে, কিন্তু পদাৰ্থ বিজ্ঞানত ইয়াৰ এক বস্তুধৰ্ম্মী অস্তিত্ব আছে। দৰ্শন বা দৈনন্দিন জীৱনত পৰিভাষাবিলাক যি অৰ্থত ব্যৱহাৰ কৰা হয়, বিজ্ঞানত সেইবিলাকে একে অৰ্থ নুবুজাবও পাৰে। ইয়াৰ এটা উদাহৰণ হিচাপে 'কৰ্ম' (work) নামৰ পৰিভাষাটোৰ কথাকে ধৰা যাওঁক। এজন বনুৱাক যদি এচটা





আবিষ্কাৰৰ প্ৰথম অৱস্থাত কোৱাণ্টাম তত্ত্ব আপেক্ষিকতাবাদৰ দৰে ইমান আলোড়নকাৰী নাছিল, যদিও ইয়াত আলোড়নৰ বহুতো বীজ লুকাই আছিল। পোহৰ প্ৰমুখ্যে সকলো আকাৰৰ বিকীৰণ তৰঙ্গৰ ৰূপত এঠাইৰ পৰা আন এঠাইলৈ যায় বুলি হাইগেন্স, মেক্সৱেল আদি পুৰণি পদাৰ্থবিদ সকলে ভাবিছিল। ১৯০০ চনত মাক্স প্লাঙ্কে দেখুৱালে যে শক্তি অকল তৰঙ্গৰ ৰূপতেই যে প্ৰবাহিত হয় এনে নহয়, ই অনেক সময়ত গোট বা কোৱাণ্টাম হিচাবেও এঠাইৰপৰা আন এঠাইলৈ যাব পাৰে। এই ঘটনাৰ প্ৰায় কুৰিবছৰৰ পিচত লুই ডি ব্ৰগলি নামে এজন ফৰাচী বৈজ্ঞানীয়ে পদাৰ্থ সম্পৰ্কে আন এটা নতুন মতবাদ দাঙি ধৰিলে। কোৱাণ্টাম তত্ত্বত বিশেষ আপেক্ষিকতাবাদ খটুৱাই তেওঁ দেখুৱালে যে প্ৰতিটো গতিশীল পদাৰ্থৰ লগত একোবিধ ঢৌ অবিচ্ছিন্ন ভাবে সংলগ্ন হৈ থাকে ; এই ঢৌবিলাকৰ তেওঁ নাম থলে 'পদাৰ্থ তৰঙ্গ' (matter wave)। পদাৰ্থৰ এই অভিনৱ আবিষ্কাৰ বিলাকে পদাৰ্থবিদ সকলক খুব বিমোৰত পেলাইছিল। পুৰণি পদাৰ্থবিদসকলৰ ধাৰণা আছিল যে পদাৰ্থ পৰমাণবিক (atomic), আৰু শক্তি অবিচ্ছিন্ন (continuous), কুৰি শতিকাত প্লাঙ্ক, ডি ব্ৰগলিৰ তত্ত্বই দেখুৱালে যে শক্তিও অনেক সময়ত পদাৰ্থৰ দৰে পৰমাণবিক হব পাৰে। আৰু পদাৰ্থও অনেক সময়ত শক্তিৰ দৰে অবিচ্ছিন্ন হব পাৰে। গতিকে পদাৰ্থবিদ সকলৰ মনত স্বাভাবিকতে প্ৰশ্নৰ উদয় হ'ল ; পদাৰ্থ আৰু শক্তি ঢৌ নে কণিকা, নে দুয়োটাই ? পদাৰ্থ আৰু শক্তি দুয়োটাই

---

প্ৰকাণ্ড শিল লৰাবলৈ দিয়া হয়, আৰু যদি তেওঁ গোটেই দিনটো যত্ন কৰিও শিলটো অকনো লৰচৰ কৰাব নোৱাৰে, তেন্তে পদাৰ্থ বিজ্ঞানৰ মতে বনুৱাজনে ভাগৰত জুকলিজুপুৰি হৈ পৰিলেও তেওঁ কোনো 'কৰ্ম' নকৰে ; কিন্তু এই চেলুলৈ আমি তেওঁক হাজিৰা নিদিয়াকৈ থাকিব নোৱাৰোঁ। সেইদৰে action momentum, power, field, potential আদি শব্দবিলাক দৈনন্দিন জীৱনত যেনে অৰ্থত ব্যৱহাৰ কৰা যায়, পদাৰ্থ বিজ্ঞানত সিহঁতে ঠিক এনে অৰ্থ বহন নকৰে। বিজ্ঞানৰ দাৰ্শনিক দিশটোৰ কথা আলোচনা কৰোতে আমি এই কথা বিশেষ ভাবে মনত ৰখা বাঞ্চনীয় ; কাৰণ দৰ্শনত বহুতো কৃত্ৰিম বা ছদ্ম-সমস্যাৰ ( pseudo-problem ) সৃষ্টি হয় পৰিভাষাবিলাকৰ ভুল ব্যৱহাৰৰ ফলতেই।



OKDISCD

সম্পূৰ্ণ একে নেকি, নে সিহঁতৰ মাজত কিবা পাৰ্থক্য আছে? ইত্যাদি।[১৪] এইবিলাক অতি জটিল প্ৰশ্ন আছিল। অৱশেষে সৌভাগ্যৰ বিষয় যে এনে ধৰণৰ সমস্যা সমাধান কৰিব পৰা কিছুমান মেধাবী ডেকাও সেই সময়ত আবিৰ্ভাৱ হৈছিল। ১৯২৫ চনত মাৰ্ক্স বৰ্ণে 'সম্ভাৱনা তৰঙ্গ' (probability wave) আবিষ্কাৰ কৰিলে, তাৰ কেইমাহমান পিচতেই শ্ৰোডিঙ্গাৰ আৰু হাইজেনবাৰ্গে 'কোৱাণ্টাম বলবিজ্ঞান' (quantum mechanics) নামৰ তত্বটোৰ ভেটি স্থাপন কৰিলে; এই ঘটনাৰ কেইবছৰমানৰ পিচত ১৯২৯ চনত পলডিৰাকে এখন প্ৰতি পদাৰ্থৰ (anti matter) জগত উদ্ভাৱন কৰিলে; ইয়াৰ পিচত 'কণিকা পদাৰ্থ বিজ্ঞান (particle physics) নামে পদাৰ্থ বিজ্ঞানৰ এটা নতুন শাখাৰ সৃষ্টি হ'ল আৰু ই পদাৰ্থৰ প্ৰকৃত উপাদান নেকি তাৰ সাধনাত নিমগ্ন হৈ পৰিল।

এই তত্ববিলাকৰ প্ৰতিটোৰেই অতিশয় গাণিতিক জটিলতাৰে ভৰা আৰু সিহঁতৰ বিশদ বৰ্ণনা আমাৰ উদ্দেশ্যও নহয়। কিন্তু আধুনিক পদাৰ্থ বিজ্ঞানৰ ইতিহাস কবলৈ এৰাৰ আগতে আমি 'অনিশ্চয়তা সূত্ৰ' (uncertanity principle) নামৰ সূত্ৰটোৰ বিষয়ে কিছু কোৱা উচিত হব, কাৰণ বহুতো ভাববাদীয়ে এই তত্বৰ সহায়লৈও পদাৰ্থজগতখন মনোধৰ্মী বুলি ঘোষণা কৰিব খোজে। সম্পূৰ্ণৰূপে গাণিতিক হোৱা বাবে এই তত্বৰ শুদ্ধ সংজ্ঞা দিয়া টান। সাধাৰণ ভাবে মাথোন ইয়াকে কব পাৰি যে এই তত্ব অনুসৰি পদাৰ্থ জগতখন আমি কেতিয়াও নিখুঁতভাৱে জানিব নোৱাৰোঁ। উদাহৰণ স্বৰূপে, এটা ইলেকট্ৰনৰ বেগ আৰু ভৰ—দুয়োটাকে আমি কেতিয়াও একে সময়তে নিখুত ভাবে হিচাব কৰি উলিয়াব নোৱাৰো। পদাৰ্থবিজ্ঞানৰ এটা ৰাশি আমি যিমানেই নিখুতভাবে হিচাপ কৰি উলিয়াও, আনবিলাক ৰাশিৰ গণনাত সিমানেই বেছিকৈ অনিশ্চয়তা সোমাই পৰে। আপেক্ষিকতাবাদৰ দৰে এই তত্বয়ো পৰ্য্যবেক্ষক আৰু পৰ্য্যবেক্ষণৰ মাজত থকা কটকটীয়া সীমাৰেখা অস্বীকাৰ কৰে। এই তত্ব অনুযায়ী আমি নিজে অকণো অংশ গ্ৰহণ নকৰাকৈ প্ৰকৃতিক দূৰৰ পৰা পৰ্য্যবেক্ষণ কৰা অসম্ভব, কাৰণ আমিও প্ৰকৃতিৰে এটা

---

১৪. পদাৰ্থৰ এট তৰঙ্গ প্ৰকৃতি আছে—এই আবিস্কাৰে পদাৰ্থৰ অস্তিত্ব নোহোৱা কৰিলে বুলি কোনো কোনো ভাববাদীয়ে কব খোজে। যেনে, পূৰ্ব্বেই উল্লেখ কৰা ৰচনা খনৰ এঠাইত ডঃ যোগীৰাজ বসুদেৱে, লিখিছে, 'The wave picture leads us to the region of immediately shorn of matter, but the particle picture drags us from behind. কিন্তু দৰাচলতে পদাৰ্থৰ তৰঙ্গ প্ৰকৃতিয়ে আমাক 'পদাৰ্থবিহীন অঞ্চললৈ লৈ নাযায়; তৰঙ্গ প্ৰকৃতিৰো এটা বস্তুধৰ্মী অস্তিত্ব আছে। সমাৰোপন (Interference) অপবৰ্ত্তন (diffraction) আদিৰ দ্বাৰা পদাৰ্থৰ তৰঙ্গ প্ৰকৃতি পৰীক্ষামূলক ভাবে ধৰা পেলাব পাৰি আৰু ডেভিছন আৰু জাৰ্ম্মাৰ নামে দুজন মাৰ্কিন বিজ্ঞানীয়ে ইলেকট্ৰনৰ তৰঙ্গপ্ৰকৃতি পৰীক্ষামূলকভাবে সচাসচিকৈয়ে ধৰা পেলাইছিল। তৰঙ্গ বলবিজ্ঞানৰ (wave mechanics) আবিস্কৰ্তা স্বয়ং শ্ৰোডিংগাৰে লিখিছে 'Neither the particle concept, nor the wave concept is hypothetical. (what is Matter' article publish in Scientific American September 1953) এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হব। সৰ্বসাধাৰণ পাঠকে বিজ্ঞানৰ ধাৰণাবিলাকৰ এটা ছবি বিচাৰে, আৰু বিজ্ঞানৰ জনপ্ৰিয় পুথিবিলাকত এনেছবিৰ যোগানো ধৰা হয়। কিন্তু আচলতে আধুনিক পদাৰ্থবিজ্ঞানৰ ধাৰণাবিলাকৰ কোনো ধ্ৰুপদী উপমা (classical analogue) নাই। গতিকে ঢৌ বা কণিকা বুলিলে যি ছবি সাধাৰণতে আমাৰ মনত ভাহি উঠে, তেনে কোনো ছবি আধুনিক পদাৰ্থবিজ্ঞানত পাবলৈ আশা কৰা বৃথা। ডিৰাকে লিখিছে, It may be remarked that the main object of physical Science is not the provision of pictures, but is the formulation of laws governing phenomena and the application of these laws to the discovery of new phenomena. If a picture exists, so much the better, but whether a picture exists or not is a matter of only secondary importance. **In the case of atomic phenomena no pictnre can be expected to exist in the usual sense of the word 'picture' by which is meant a model functioning essentially on classical lines.** — P. A. M. Dirac. Principles Quanton Mechanics. P. 10 emphasis added গতিকে 'The wave picture leads us to the region of immateriality' বুলি লিখাৰ সময়ত ডঃ বসু দেৱে যিখন ছবি মনতে কল্পনা কৰিছিল, বাস্তৱ জগতত তেনে কোনো ছবি পাবলৈ নাই।

এটা অবিচ্ছিন্ন অংশ। চমুকৈ কবলৈ গলে, প্ৰকৃতি আমাৰ বাহিৰত নাই। আমিয়েই প্ৰকৃতি। (নীল্‌চ বোৰে এই কথা সুন্দৰকৈ প্ৰকাশ কৰিছে,— 'we are not merely observers, but also actors on the stage of Nature'. )

আধুনিক পদাৰ্থবিজ্ঞানৰ মতে মানুহ যে প্ৰকৃতিৰ এটা অংশহে, এই কথা বুজিব নোৱাৰি এডিংটন প্ৰমুখ্যে দাৰ্শনিক মনৰ বহুতো পদাৰ্থবিদে এসময়ত প্ৰকৃতিদেৱীকে মন্ময় (Subjective) বুলি ধৰিলৈছিল। তেওঁলোকে নিজকে প্ৰকৃতিৰ পৰা বিচ্ছিন্ন বুলি গণ্য কৰিছিল আৰু সেইবাবে কৈছিল যে প্ৰকৃতিক অনুসন্ধান কৰি কৰি অৱশেষত পদাৰ্থবিদসকলে প্ৰকৃতিক বিচাৰি নাপালে, বৰং পুনৰ নিজকেই লগ পালেহি। ('we have found a strange foot print on the shores of unknown. We have devised profound theories one after another to account for its origin. Al last we have succeded in constructing the creature that make the foot print. And lo! it is our own'[১৫] 'Man tries to penetrate into the factual truth of nature, but in her last, unfathomable reaches, as if in a mirror, he meets himself'[১৬] )

কিন্তু ওপৰোক্ত আলোচনাখিনিৰ পৰা আমি দেখিলো যে আধুনিক পদাৰ্থ বিজ্ঞানে পদাৰ্থজগতখন মনোধৰ্মী বুলি প্ৰমাণ কৰা নাই,[১৭] বৰং ই মানুহক প্ৰকৃতিৰ এটা অবিচ্ছিন্ন অঙ্গ বুলিহে প্ৰমাণ কৰিছে। পুৰণি পদাৰ্থবিদসকলে

১৫, Arthur Eddington. Space, Time and Gravitation.

১৬. C. Von. Weltzacker. The History of Nature.

১৭. 'It must suffice here to assert that, in my opinion at least, modern theories of the atom afford not the slighttest justification for saying that recent developments in Physics have any tendency to show that materialism is false or are capable of being used to provide any arguments in favour of idealism'.—L. Susan Stebbing. Philosophy and the physicists. New york. 1958. P. 278.





ভবাৰ দৰে মানুহ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা এজন নিষ্ক্ৰিয় দৰ্শক নহয়, ই প্ৰকৃতিক কেৱল নিৰপেক্ষভাৱে পৰ্য্যবেক্ষণ কৰিয়েই নাথাকে, পৰ্য্যবেক্ষণৰ যোগেদি ই প্ৰকৃতি লগত এটা সক্ৰিয় অংশ গ্ৰহণ কৰে, আৰু ইয়াৰ দ্বাৰা ই প্ৰকৃতিৰ পৰিবৰ্ত্তন কৰি পেলায় আৰু নিজেও পৰিবৰ্ত্তিত হয়। বিজ্ঞান প্ৰকৃতিৰ বিষয়ে কৰা এটা অলস চিন্তা নহয়, ই কৰ্ম্মৰ পথ নিৰ্দ্দেশক।

দ্বান্দ্বিক বস্তুবাদে আধুনিক বিজ্ঞানৰ ওপৰোক্ত সকলোখিনি সিদ্ধান্ত সমৰ্থন কৰে। মাৰ্ক্সৰ মতে মানুহ প্ৰকৃতিৰ পৰা বিচ্ছিন্ন এটা পৃথক সত্ত্বা নহয়; ত্ৰুটিপূৰ্ণ সমাজ-ব্যৱস্থাই মানুহক প্ৰকৃতিৰ পৰা বিচ্ছিন্ন বুলি ভাবিবলৈ বাধ্য কৰাইছে যদিও মানুহ আচলতে প্ৰকৃতিৰেই এটা অংশ; প্ৰকৃতিক বাদ দি মানুহৰ সামাজিক সত্তাটোৰ বিকাশ কেতিয়াও সম্ভৱ নহয়; আনভাৱে কবলৈ গলে, প্ৰকৃতি মানুহ আৰু মানুহৰ মাজৰ এটা বন্ধন মাথোন। মাৰ্ক্সে আনকি ইমানলৈকে কৈছিল যে প্ৰকৃতিৰ বাবে এটা আৰু মানুহৰ বাবে এটা এনেধৰণৰ দুটা স্বকীয়া ভেটি আচলতে থাকিব নোৱাৰে, প্ৰকৃতিৰ বিজ্ঞান আৰু মানুহৰ বিজ্ঞান—এই দুয়োবিধ বিজ্ঞান এটা সময়ত একীকৃত হৈ পৰিব বুলিয়ো তেখেতে আশা ৰাখিছিল।[১৮] গ্ৰীকসকলৰ দিনৰ পৰা উনৈশ শতিকা পৰ্য্যন্ত দাৰ্শনিকসকলে প্ৰকৃতিৰ লগত কোনো যোগাযোগ নকৰাকৈ, কেৱল নিষ্ক্ৰিয় চিন্তাৰ দ্বাৰাই প্ৰকৃতি সম্পৰ্কীয় সকলো প্ৰকাৰৰ জ্ঞান লাভ কৰা সম্ভৱ বুলি ভাবিছিল। মাৰ্ক্সেই প্ৰথমে দেখুৱালে যে এই জগতত 'নিষ্ক্ৰিয় চিন্তা' নামৰ কোনো বস্তু থাকিব নোৱাৰে। জগতখনৰ বিষয়ে চিন্তা কৰাৰ অৰ্থ ই হ'ল জগতখনৰ লগত এটা সক্ৰিয় অংশ গ্ৰহণ কৰা, আৰু নিজ জগতখনৰ লগত এইদৰে সক্ৰিয় হৈ পৰাৰ পৰিণাম হ'ল, জগতখনক—আৰু তাৰ লগত নিজকো পৰিবৰ্ত্তন কৰা। ("thus by acting on the external world and

১৮. 'Natural science will in time subsume under itself the science of man, just as the science of man will subsume under itself natural science, there will be one Science' —K. Mark Economic and philosophical Manuscripts of 1844 Moscow. 1967. P. 103.



OKDISCD

changing it, he at the same time changes his own nature.'[১৯])
মাৰ্ক্সৰ মতে মানুহ আৰু প্ৰকৃতিৰ মাজত, জীৱন আৰু চেতনাৰ মাজত অহৰহ এটা দ্বান্দ্বিক সংঘৰ্ষ হৈ থাকে আৰু সেয়ে জগতৰ কোনো ধাৰণাই সনাতন বা স্থবিৰ নহয়; সকলো ধাৰণাই গতিশীল—সেয়ে আপেক্ষিক আৰু ক্ষণস্থায়ী। পৰম সত্য বুলি কোনো কথা নাই; আজি যিটো ধাৰণা আমি যি পৰিমাণে সত্য বুলি গ্ৰহণ কৰিছোঁ পৰিবৰ্ত্তনশীল জগতত কাইলৈ সেই ধাৰণাটোত সেই পৰিমাণৰ সত্যতা নাথাকিবও পাৰে। স্বয়ং পদাৰ্থবিজ্ঞানতে আমি ইয়াৰ অনেক উদাহৰণ পাওঁ। নিউটনৰ দিনত ভৰ, শক্তি, আকাশ, কাল আদি সম্পৰ্কে যিবিলাক ধাৰণা প্ৰচলিত আছিল, আজি আৰু সেই ধাৰণাবিলাক প্ৰচলিত নহয়; ইয়াৰ দ্বাৰা সেই ধাৰণাবিলাক যে সম্পূৰ্ণৰূপে ভুল বা সিহঁত যে পদাৰ্থবিজ্ঞানৰ পৰা একেবাৰে অদৃশ্য হৈ গ'ল, তেনেও নহয়। আধুনিক পদাৰ্থ বিজ্ঞানে সেই ধাৰণাবিলাক মাথোন পৰিবৰ্দ্ধনহে কৰিলে। আইনষ্টাইনে দেখুৱালে যে ভৰ, শক্তি, আকাশ, কাল আদিৰ বিষয়ে নিউটনে কৰা ধাৰণাবিলাক আপেক্ষিকহে—সিহঁত সম্পূৰ্ণৰূপে ভুল নহয়, সিহঁত পদাৰ্থবিজ্ঞানৰ পৰা একেবাৰে নাইকিয়া হৈয়ো যোৱা নাই। (দৈনন্দিন জীৱনৰ প্ৰায়বিলাক ক্ষেত্ৰতে আজিও আমি নিউটনীয় বিজ্ঞানহে ব্যৱহাৰ কৰোঁ।) পদাৰ্থৰ ধাৰণাৰ ক্ষেত্ৰতো ঠিক একে কথাই প্ৰযোজ্য। লিউচিপাছ আৰু ডেমক্ৰিটাছে পৰমাণুৰ যি ধাৰণা কৰিছিল, ডেল্টনে সেই ধাৰণা অবিকৃতভাবে লোৱা নাছিল, বা ডেল্টনৰ পৰমাণুৰ ধাৰণাটোও ৰাডাৰফোৰ্ডে অবিকৃতভাবে গ্ৰহণ কৰা নাছিল। ঠিক একেদৰে ৰাডাৰ ফোৰ্ডৰ দিনত পৰমাণুৰ যিটো ধাৰণা প্ৰচলিত আছিল, আজিৰ কণিকা পদাৰ্থ বিজ্ঞানৰ দিনত সেই ধাৰণা অপ্ৰচলিত। পদাৰ্থৰ ধাৰণাৰ এই পৰিবৰ্ত্তনে পদাৰ্থৰ বিলুপ্তি সুসূছায়, বৰং ই পদাৰ্থৰ স্বৰূপ সম্পৰ্কে বিজ্ঞানীসকলৰ জ্ঞান গভীৰতাৰহে ইঙ্গিত দিয়ে। লেনিনে তাহানিতে এই কথা স্পষ্টকৈ কৈ গৈছে ঃ

"Matter disappears" means that the limit within which we have here to known matter disppears and that on knowledge is penetrating deeper, properties of matter are like wise disappearing which formerly seemed absolute, immutable and primary ... and which are now revealed to be relative and charactiristic only of certain states of matter."[২০]

১৯. K. Marx. Capital. Vol. 1. Moscow 1965. P. 177.





OKDISCD

পদাৰ্থবিজ্ঞানত সম্প্ৰতি এটা ধাৰণাৰ সঙ্কট উপস্থিত হৈছেহি। কুৰি শতিকাৰ তৃতীয় দশকমানৰ পৰা এতিয়ালৈকে পদাৰ্থৰ স্বৰূপ সম্পৰ্কে কেইবাটাও নতুন নতুন ধাৰণাৰ সৃষ্টি হৈছে; যেনে—পদাৰ্থৰ তৰঙ্গ প্ৰকৃতি আৰু কণিকা প্ৰকৃতি, প্ৰতি পদাৰ্থৰ সৃষ্টি, ট্ৰেন্স ইউৰেনিয়াম কণিকাবিলাকৰ উদ্ভাবন ইত্যাদি। কিন্তু এই সকলোবিলাককে একেলগে সাঙুৰিব পৰা কোনো সন্তোষজনক তত্ত্ব এতিয়ালৈকে আবিৰ্ভাব হোৱা নাই। গতিকে পদাৰ্থবিজ্ঞানৰ এই দ্বন্দ্ববিলাকে কোনো কোনো আধুনিক পদাৰ্থবিদক হতাশ কৰে; পদাৰ্থ-সম্পৰ্কে ইমানদিনে চলি অহা ধাৰণাবিলাক ক্ৰমান্বয়ে নাইকিয়া হৈ আহিবলৈ ধৰা দেখি স্বয়ং পদাৰ্থই নাইকিয়া হৈ পৰিল বুলি তেওঁলোকে কেতিয়াবা কব খোজে। (লেনিনৰ ভাষাত, "they throw out the baby along with the bath water.'[২১]) আৰু তেওঁলোকৰ এই মনোভাবৰ আলম লৈ ভাববাদী দাৰ্শনিকৰ এটা চামে তেওঁলোকৰ প্ৰিয় 'আধ্যাত্মিক' দৰ্শনসমূহৰ লগত বিজ্ঞানক সাঙুৰি পেলাবলৈ যত্ন কৰে, যাতে ক্ৰমাৎ অপ্ৰচলিত হৈ আহিবলৈ ধৰা তেওঁলোকৰ আধ্যাত্মিক দৰ্শনসমূহে এক এক বিজ্ঞান সন্মত পোচাক পিন্ধি যুগৰ লগত ফেৰ মাৰিব পৰা হয়। কিন্তু দ্বান্দ্বিক বস্তুবাদ যিসকলে অধ্যয়ণ কৰিছে তেওঁলোকে জানে যে পদাৰ্থবিজ্ঞান প্ৰকৃতিৰ এখন বন্ধ হৈ যোৱা কিতাপ নহয়; ই পদাৰ্থৰ স্বৰূপ সম্পৰ্কে মানুহে যুগ যুগ ধৰি কৰি অহা এটা ক্ৰমবিকাশমান বৌদ্ধিক প্ৰচেষ্টাহে। গতিকে পদাৰ্থবিজ্ঞানত সম্প্ৰতি সৃষ্টি হোৱা দ্বন্দ্ববিলাক পদাৰ্থৰ মৃত্যুৰ ইঙ্গিত নহয়, সিহঁত পদাৰ্থ সম্পৰ্কে আমাৰ জ্ঞানৰ ব্যাপকতাৰ আৰু গভীৰতাৰ নিৰ্দ্দেশকহে।

* * * *

সৰ্ব্বশেষত এটা প্ৰশ্নৰ উত্থাপন কৰা যাওক ঃ তাত্ত্বিক যুক্তি তৰ্কৰ দ্বাৰা পদাৰ্থৰ অস্তিত্বৰ প্ৰমাণ সম্ভৱনে? বাৰ্কলিৰ ভাববাদী দৰ্শনৰ ব্যাখ্যা শুনি সান্ধ্য ভ্ৰমণৰত চেমুৱেল জনচনে হেনো বাটৰ এটা শিলগুটি ভৰিৰে গোৰ-

20. V. I. Lenin op cit. p 248

21. ibid.

মাৰি দি কৈছিল, শিলগুটিটো গুৰিয়াই মই যে দুখ পালো, পদাৰ্থৰ অস্তিত্বৰ সেয়াই প্ৰমাণ'। এইটো দেখাত পদাৰ্থৰ অস্তিত্বৰ অতি সহজ প্ৰমাণ যেন লাগিব পাৰে। কিন্তু চতুৰ ভাববাদীয়ে তৎক্ষণাৎ উত্তৰ দিব, 'শিলগুটিটো গুৰিয়াই তুমি যি দুখ পালা, সি অনুভূত হ'ল তোমাৰ মনৰ যোগেদিহে; মন নথকা হলে তুমি দুখো অনুভৱ নকৰিলাহেঁতেন। গতিকে গোটেই ঘটনা-টোৱে পদাৰ্থতকৈও আগে মনৰ অস্তিত্বহে প্ৰমাণ দিয়ে! গতিকে দেখা যায় যে দৰ্শনৰ কোনো আহফলা যুক্তিৰ সহায়েৰে পদাৰ্থৰ অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰি, কাৰণ যুক্তিৰ সহায় লোৱা মানেই মনৰ ওপৰত প্ৰথমে নিৰ্ভৰ কৰা। গতিকে সমাজত বস্তুবাদ প্ৰতিষ্ঠা কৰাৰ উপায় হ'ল 'বিশুদ্ধ' যুক্তিৰ কিছুমান মায়াজাল সৃষ্টি কৰা নহয়, যিবিলাক সামাজিক পৰিস্থিতিয়ে মানসিক শ্ৰমক দৈহিক শ্ৰমৰ পৰা বিচ্ছিন্ন কৰি ভাববাদী দৰ্শনৰ অ-সমাধানযোগ্য সাঁথৰ-বিলাকৰ জন্ম দিয়ে, সেই পৰিস্থিতিবিলাক নিৰ্মুল কৰা। মাৰ্ক্সৰ ভাষাত

'.........all forms and products of conciousness cannot be dissolved by mental criticisms,...but by the practical over throw of the actual social relations which gave rise to this idealistic humbug.'২২

আধুনিক পদাৰ্থবিজ্ঞানে পদাৰ্থৰ অস্তিত্ব অস্বীকাৰ নকৰে; গতিকে ভাববাদী দাৰ্শনিকসকলে পদাৰ্থজগতখন 'মায়া' বুলি দেখুৱাবলৈ কৰা বৌদ্ধিক কাৰণ-বিলাক তাহানিৰ গ্ৰীক উপকথাৰ চিচিফাছে কৰা শ্ৰমৰ দৰেই পণ্ডশ্ৰমৰ বাহিৰে আন একো নহয়। আনহাতে পদাৰ্থবিজ্ঞানে পদাৰ্থৰ অস্তিত্ব প্ৰমাণো নকৰে, গতিকে যুক্তিৰ সহায়েৰে পদাৰ্থৰ অস্তিত্ব প্ৰমাণ কৰিব বিচৰা বস্তু-বাদীসকলৰ শ্ৰমো চিচিফাছৰ শ্ৰমেৰেই সমতুল্য। সমাজত প্ৰকৃত বস্তুবাদৰ প্ৰতিষ্ঠা সম্ভৱ কেৱল প্ৰকৃত সমাজবাদতহে য'ত কায়িক আৰু মানসিক শ্ৰমৰ কোনো বিৰোধ নাথাকে। গতিকে বৰ্ত্তমানৰ বৌদ্ধিক সমাজত বস্তুবাদ প্ৰতিষ্ঠা কৰিবলৈ মগজুৰ কছৰতৰ প্ৰয়োজন নাই; বৰ্ত্তমান সমাজত সমাজবাদৰ নামত যি ভেকো-ভাওনা চলিব লাগিছে, তাৰ প্ৰতিবাদ কৰাৰ মানেই হ'ল বৌদ্ধিক জগতত বস্তুবাদৰ প্ৰতিষ্ঠাৰ পথ সুচল কৰা।

—×—

22. K. Marx German Ideology. Moscow. 1965. p. 50



# সাময়িক প্ৰসংগ

## আকৌ !

অসমৰ ভ্ৰাতৃঘাতী অশান্তিৰ শাম কটাৰ লগে লগে এইবাৰ আকৌ আৰম্ভ হ'ল উৰিষ্যা আৰু পশ্চিম বঙ্গত। জাতি বিদ্বেষ আৰু উগ্ৰ জাত্যাভিমানক বেচি তীব্ৰ কৰি জনগণৰ মাজত খৰিয়াল লগোৱাৰ কুটাঘাতী প্ৰচেষ্টা দেশৰ উত্তৰপূৰ অঞ্চলত চলিয়েই আছে। চলিয়েই থাকিব শাসক শ্ৰেণীয়ে শোষনৰ স্বাৰ্থত তাক চলাই থাকে মানে; চলিয়েই থাকিব শ্ৰমকাৰী জনগণে ব্যাপক ঐক্যৰ ভিত্তিত শোষণৰ বিৰুদ্ধে সংগ্ৰামী চেতনা তীব্ৰতৰ কৰি—এনে অপচেষ্টাক প্ৰতিহত নকৰে মানে।

ভাৰতৰ জন-গণ বিক্ষুব্ধ। 'গৰিবী হটাও'ৰ ৰংচঙীয়া কোৱাভাতুৰীয়া ৰূপটো উলংগ ভাবে ওলাই পৰিব ধৰিছে। দ্ৰব্যমূল্য'বৃদ্ধি, কৰৰ বোজা বৃদ্ধি, নিবনুৱা সমস্যা, আকালৰ সমস্যা, আদিয়ে জনসাধাৰণৰ নেলু ছেপি ধৰিছে। ভুতৰ ওপৰত দানহৰ দৰে কেন্দ্ৰীয় আৰু ৰাজ্যিক বাজেট সমূহে কঢ়িয়াই আনিব ধৰিছে—আৰু অধিক-কৰৰ বোজা, আৰু দ্ৰব্য মুল্য বৃদ্ধিৰ ব্যৱস্থা, আৰু অধিক নোট ছপাই ডেফিছিট ফাইনেন্সিংৰ দ্বাৰা মুদ্ৰাস্ফীতি বৃদ্ধি আৰু মুদ্ৰা মুল্য হ্ৰাসৰ ভয়ংকৰ সম্ভাবনা।

ভাতৃঘাতী বিদ্বেষ খৰিয়ালৰ দ্বাৰা সাধাৰণ মানুহৰ চিন্তা, চেতনা আৰু দৃষ্টিক এনেবোৰ গুৰুতৰ প্ৰশ্নৰ পৰা আতৰাই ৰাখিবলৈ এনে চেষ্টা সময়ে সময়ে শোষক আৰু শাসক শ্ৰেণীয়ে কৰি আহিছে। সিহঁতৰ সেৱাদাস সকল আৰু কিছুমান বাতৰি কাকতৰ ভূমিকাও এয়েই।

যিটো কথালৈ বৰ্ত্তমান' অশান্তিৰ সুত্ৰপাত সেইটো হ'ল কলিকতাৰ আনন্দ বাজাৰ গ্ৰুপৰ দৈনিক ইংৰাজী কাকত হিন্দুস্থান ষ্টেণ্ডাৰ্ডৰ ৪।২।৭৩ তাৰিখৰ ৩ নং সম্পাদকীয়। উৰিষ্যাৰ পৰা এশজন চিকিৎসকক পশ্চিম বঙ্গ চৰকাৰে ধাৰে আনি কামত নিয়োগ কৰা সম্পৰ্কত সম্পাদকীয় ধুৰ্ত্ততা আৰু নিম্ন মান



OKDISCD

-ৰুচি সম্পন্ন বক্তব্যৰ প্ৰতিবাদত (!) উৰিয্যাৰ ঠাঁয়ে[২] হোৱা অশান্তি—তাৰে প্ৰতিক্ৰিয়া হিচাবে পশ্চিম বঙ্গতো অশান্তি।

হিন্দুস্থান ষ্টাণ্ডাৰ্ড হ'ল আমাৰ অসমৰ দুই এখন দৈনিক বাতৰি কাকতৰ দৰেই প্ৰত্যক্ষ চৰকাৰ নহলেও শাসক দল—আৰু শোষক শ্ৰেণীৰ বেচৰকাৰী মুখপত্ৰ। বহু সময়ত নিশ্চয় চৰকাৰী ইংগিতমতেই বাতৰি দিয়া হয়, সম্পাদকীয় লেখা হয়।

আমি পোৱা সূত্ৰ মতে এনে অশান্তিয়ে উৰিষ্যা আৰু পশ্চিমবঙ্গৰ শাসক সকলৰ বহুত প্ৰশ্নৰ সমাধান কৰি দিব পাৰে হেনো। দুয়োখন ৰাজ্যতে তীব্ৰ ভাবে গঢ়ি উঠিব ধৰা গণতান্ত্ৰিক প্ৰগতিশীল আন্দোলন বোৰ তছনছ কৰি দিবলৈ জাতি বিদ্বেষেই হেনো ভাল হাতীয়াৰ।

শাসক সকলে যিয়েই নাভাবক এটা কথা অতি স্পষ্ট: জনগণ ক্ৰমে ক্ৰমে আৰু হুছিয়াৰ হৈ আহিব ধৰিছে।

## এটা ঐতিহাসিক পদক্ষেপ:

চকুত পৰিছিল এখন উজল পোষ্টাৰ—

**'দমন নীতিক ভয় নকৰিবি**
**শ্ৰমিক শ্ৰেণী হুশিয়াৰ**
**শোষনক আমি ভেটিব লাগিব**
**ঐক্য আমাৰ হাতীয়াৰ।'**

সেয়া আছিল অসম ট্ৰেড ইউনিয়ন অভিবৰ্তন। গুৱাহাটীৰ বঙালী বয়জ হাইস্কুল ভবনটিত যোৱা ২১ আৰু ২২ জানুৱাৰীৰ দিনা সমবেত হৈছিল অসম, মেঘালয়, অৰুনাচল, মণিপুৰ, নাগাভূমিৰ বিভিন্ন শ্ৰমিক-কৰ্মচাৰী সংগঠনৰ পৰা ৪০২ জন নিৰ্বাচিত প্ৰতিনিধি দৰ্শক আৰু ভ্ৰাতৃত্বমূলক প্ৰতিনিধিয়ে। উদ্দেশ্য—ব্যাপকতম ঐক্যৰ ভিত্তিত শ্ৰমিক আন্দোলনৰ যৌথ নেতৃত্ব গঢ়ি তোলাৰ কাৰণে 'গুৱাহাটী ট্ৰেড ইউনিয়ন অধিকাৰ ৰক্ষা তদৰ্থ কমিটিয়ে' যি অভিবৰ্ত্তনৰ আয়োজন কৰিছিল, তাক সম্পূৰ্ণ সাৰ্থক কৰি তোলা। প্ৰতিনিধি হিচাবে যোগদান কৰিবলৈ আহিছিল—সুদূৰ আৰু দুৰ্গম অঞ্চলৰ লগত আধুনিক চহৰৰ যোগাযোগ ৰক্ষাকাৰী ডাক-তাৰ আৰু ৰেল শ্ৰমিক, আহিছিল শ্ৰমিক শ্ৰেণীৰ ভিতৰত আটাইতকৈ শোষিত চাহ বাগিছাৰ আদিবাসী শ্ৰমিক, চহৰৰ





বহুতো সৰু ডাঙৰ কল-কাৰখানাৰ শ্ৰমিক, বিশ্ববিদ্যালয়ৰ কৰ্মীবৃন্দও। কিন্তু আৰম্ভণিৰে পৰা অভিবৰ্ত্তনত যোগদানকাৰী প্ৰতিজন শ্ৰমিক-কৰ্মচাৰীৰ চকুত যি অব্যক্ত আবেগ আৰু মুখাবয়ৱত যি দৃঢ় প্ৰত্যয়ৰ ভাব ফুটি উঠিছিল, সিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁলোকৰ অন্তৰৰ ভাব সঠিকভাবেই ভাষাহৈ প্ৰকাশ পাইছিল দুখন পষ্টাৰৰ জৰিয়তে—(১) "সকলো জাতিৰ সমান অধিকাৰ, সকলো জাতিৰ আত্ম-নিয়ন্ত্ৰনৰ অধিকাৰ, সকলো জাতিৰ শ্ৰমিক শ্ৰেণীৰ ঐক্য-মাৰ্ক্সবাদে কচিয়াৰ লগতে সমগ্ৰ বিশ্বৰ অভিজ্ঞতাই শ্ৰমিক শ্ৰেণীক এনে ধৰণৰ জাতীয় কৰ্মসূচীৰ কথাকেই শিকায়।"

(২) বিভিন্ন ভাষা-গোষ্ঠী অথবা উপজাতিৰ জাগৰণ আৰু তেওঁলোকৰ অৰ্থ নৈতিক অগ্ৰগতিৰ বিৰুদ্ধে কৰা সংগ্ৰাম, ভাৰত যুক্তৰাষ্ট্ৰৰ কোনো এটা শোষক জাতিৰ বিৰুদ্ধে কৰা সংগ্ৰাম নহয়; বৰং, ই সামগ্ৰিক ভাবে দেশৰ অৰ্থ নৈতিক পশ্চাদপদতা আৰু নিৰ্ভৰশীলতাৰ অবলুপ্তিৰ বাবে সকলো জাতিয়ে চলোৱা উমৈহতীয়া সংগ্ৰামৰেই অংশ বিশেষ। ভাৰতৰ ঐক্য সংৰক্ষণৰ জৰিয়তে এই সংগ্ৰামক আগুৱাই নিয়া সম্ভৱ। বিপৰীতে, বিচ্ছিন্নতাবাদী শক্তিবোৰে সংগ্ৰামী জনসাধাৰণৰ মাজত অনৈক্য আৰু বিভেদ সৃষ্টি কৰি শাসক গোষ্ঠীকহে সহায় কৰে।

**পটভূমি:** ভাৰতৰ পুঁজিপতি জমিদাৰ গোষ্ঠীৰ আৰু বিদেশী পুঁজিৰ স্বাৰ্থত অনুসৃত চৰকাৰী নীতিৰ ফলত সমগ্ৰ দেশৰ অৰ্থনীতিক সংকট ক্ৰমাৎ তীব্ৰৰ পৰা তীব্ৰতৰ হৈ আহিছে। শাসক আৰু শোষক গোষ্ঠীয়েও এই সংকটৰ বোজা শ্ৰমজীৱি ৰাইজৰ পিঠিত ক্ৰমাৎ বেছিকৈ জাপি দিছে, শোষণ ব্যৱস্থা যাতে অবাধ গতিত চলাই যাব পাৰে, তাৰ কাৰণে নতুন নতুন কৌশল আৰু দমন নীতিৰ আশ্ৰয় লব লগা হৈছে। যিহেতুকে, শ্ৰমিকশ্ৰেণীয়ে বিনা বাধাৰে মানি লোৱা নাই, গতিকেই অৱশ্যম্ভাৱী ৰূপে দেখা দিছে ক্ৰমাৎ অধিকতৰ সংখ্যাত শ্ৰম বিৰোধ, সৰ্বাত্মক আক্ৰমণ আৰু শোষণৰ বিৰুদ্ধে ব্যাপকতম শ্ৰমিক কৰ্মচাৰীৰ ঐক্য আৰু প্ৰতিৰোধ গঢ়ি উঠিব ধৰিছে। সাম্প্ৰতিক কালৰ তিক্ত অভিজ্ঞতাৰ মাজেদি শ্ৰমজীৱি মানুহে লাহে লাহে উপলব্ধি কৰিব ধৰিছে যে নিজৰ জীৱন-জীৱিকাৰ সংগ্ৰামক এতিয়া আৰু সমাজ জীৱনৰ অন্যান্য গণতান্ত্ৰিক আন্দোলনৰ পৰা বিচ্ছিন্ন কৰি ৰাখিব নোৱাৰি। গুৱাহাটি ট্ৰেড ইউনিয়ন



OKDISCD

অধিকাৰ ৰক্ষা তদৰ্থ কমিটিয়ে শ্ৰমিক শ্ৰেণীৰ এই উপলব্ধিক যথোচিত গুৰুত্ব দি, অভিবৰ্ত্তনৰ ভিত্তি হিচাবে দক্ষতাৰে সৈতে যিদৰে সকলোৰে কাৰণে গ্ৰহণ যোগ্য নিম্নতম দাবী সমূহ বাছনি কৰি উলিয়ালে আৰু উপযুক্ত সময়ত অভি-বৰ্ত্তন অনুষ্ঠিত কৰি সৰ্বাঙ্গ সাৰ্থক কৰি তুলিলে, তাৰ কাৰণে তদৰ্থ কমিটিয়ে নিশ্চিত ভাবে অসমৰ প্ৰতিজন গণতন্ত্ৰপ্ৰিয় নাগৰিকৰ পৰা প্ৰশংসা দাবী কৰিব পাৰে।

চৰকাৰৰ ব্যয় সংকোচন নীতি; অটোমেচন প্ৰয়োগ, কলকাৰখানা বন্ধ, মাটিহীন মানুহৰ সংখ্যাবৃদ্ধি, শিল্প বিকাশৰ জৰিয়তে চাকৰীৰ ক্ষেত্ৰ সম্প্ৰসাৰণ কৰাৰ পৰিবৰ্ত্তে, পুজিৰ অভাৱত ক্ৰমান্বয়ে সঙ্কুচিত হৈ পৰাত, দেশৰ আন আন ৰাজ্যৰ দৰেই, অসমতো এক ভয়াবহ নিবনুৱা সমস্যাই দেখা দিছে। চৰকাৰে নিবনুৱা সমস্যা সহ ৰাইজৰ কোনো এটা মৌলিক সমস্যাকে সমাধান কৰিব নোৱাৰি বিক্ষুব্ধ মানুহৰ দৃষ্টি অন্যত্ৰ ঢাল খুৱাবৰ বাবে, শিক্ষাৰ মাধ্যমক কেন্দ্ৰ কৰি শাসকদল আৰু ন্যস্ত স্বাৰ্থ গোষ্ঠীয়ে কি দৰে অসমৰ গণতান্ত্ৰিক শক্তিৰ মাজত অনৈক্য সৃষ্টি কৰে আৰু পৰস্পৰৰ মাজত জাতি-বিদ্বেষ আৰু ঘৃণা জগাই তোলাৰ হীন চক্ৰান্ত চলাই আছে, অসমৰ শ্ৰমজীৱি মানুহে আজি যথেষ্ট পৰিমানে তাক উপলব্ধি কৰিব পাৰিছে।

সেয়ে অভিবৰ্ত্তনে সঠিক ভাবেই অসমৰ সমগ্ৰ শ্ৰমিক-শ্ৰেণীক ঐক্যবদ্ধ কৰাৰ কাৰণে দাবী জনাইছে ঃ সকলোৰে বাবে প্ৰয়োজনভিত্তিক নিম্নতম মজুৰী, বোনাচ আৰু মূল্যসূচীৰ সম্পূৰ্ণ ক্ষতিপূৰণ হিচাবে মৰগীয়া বানচ, আবাস-গৃহৰ কাৰণে, বৰখাস্ত হোৱা শ্ৰমিক-কৰ্মচাৰীৰ পুনৰ মকৰল আৰু বন্ধ কল-কাৰখানা খোলাৰ বাবে, সেই একে সময়তে কেৰেলাৰ চৰকাৰী কৰ্মচাৰীৰ সংগ্ৰামক সমৰ্থন কৰাৰ দৰে পূৰ্ণ সমৰ্থন আগবঢ়াইছে কৃষক আৰু কৃষি শ্ৰমিকৰ ন্যায়সঙ্গত সংগ্ৰামৰ প্ৰতিও। যিহেতু, অসমৰ শ্ৰমজীৱি মানুহৰ সংগ্ৰাম, সৰ্বভাৰতীয় স্তৰত কৰা শ্ৰমজীৱি মানুহৰ সংগ্ৰামৰ অংশ বিশেষ মাথোন, ঠিক সেই দৰেই খেতিয়ক সমাজৰ দাৰিদ্ৰ পৰোক্ষভাৱে শ্ৰমিক শ্ৰেণীৰো অনিশ্চিত ভৱিষ্যতৰ কাৰণ। আৰো, যিহেতুকে, নিবনুৱা সমস্যাক অবজ্ঞা কৰি, কৰ্মক্ষম বেকাৰ সকলৰ প্ৰতি উদাসীন থাকি শ্ৰমিক কৰ্মচাৰীয়ে নিজৰ চাকৰী সম্পৰ্কে কেতিয়াও নিশ্চিত হব নোৱাৰে। সেয়েহে দেখা যায়, অভিবৰ্ত্তনে অতি সঠিক ভাৱেই





চাকৰী পোৱাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাবে স্বীকাৰ কৰাৰ কাৰণে প্ৰস্তাব যোগে দাবী জনাইছে, দাবী জনাইছে প্ৰতিজন কৰ্মক্ষম ব্যক্তিৰ বাবে উপযুক্ত কাম, নহলে বেকাৰ ভাতা। লগতে প্ৰতিশ্ৰুতি দিছে যে যুৱশক্তিয়ে এই দাবী আদায়ৰ কাৰণে যিবোৰ ন্যায়সঙ্গত সংগ্ৰামত অবতীৰ্ণ হব, তাৰে প্ৰত্যেকটোৰ প্ৰতি শ্ৰমিক শ্ৰেণীয়ে অকুণ্ঠ সমৰ্থন আগ বঢ়াব। আৰু দাবী জনাইছে বাগিছা, তেল, ঔষধ আদিৰ দৰে শিল্পৰ জাতীয় কৰণৰ যোগেদি অৰ্থনৈতিক বিকাশৰ কাৰণে। কিন্তু, যিহেতুকে গণতন্ত্ৰ ৰক্ষা কৰিব নোৱাৰিলে শ্ৰমিকৰ কোনো দাবীয়েই, সি যিমানেই ন্যায় সঙ্গত নহওঁক কিয়, আদায় কৰা সম্ভৱ নহয়, সেয়ে গণতন্ত্ৰক ধ্বংস কৰাৰ কাৰণে শাসক শ্ৰেণীয়ে লোৱা প্ৰতিটো প্ৰচেষ্টাক অভিবৰ্ত্তনে তীব্ৰ ভাষাত গৰিহনা দিয়ে।

**সাংগঠনিক পদক্ষেপ** :—কিন্তু এইবোৰ সকলো অৰ্থহীন বাগাড়ম্বৰত পৰিণত হলহেতেন, যদিহে অভিবৰ্ত্তনৰ সন্মুখত কোনো সুনিৰ্দ্দিষ্ট সাংগঠনিক আৰু কাৰ্য্যকৰী আচনি নেথাকিলহেতেন। সৰ্বভাৰতীয় যি দুগৰাকী খ্যাতি-সম্পন্ন ট্ৰেড ইউনিয়ন নেতা—কমঃ কে. জি. বসু আৰু জৰ্জ ফাৰ্ণান্দেজৰ উপস্থিতি আৰু পৰামৰ্শই অভিবৰ্ত্তনৰ মৰ্য্যাদা বৃদ্ধি কৰিলে, তেখেত সকলেও তেখেত সকলৰ দীৰ্ঘ দিনৰ অভিজ্ঞতাৰ পৰাও বাৰে বাৰে যৌথ নেতৃত্ব গঢ়ি তোলাৰ কাৰণে প্ৰতিনিধি সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল—স্থায়ী সংগঠন গঢ়ি তোলাৰ প্ৰতি।

সেয়ে, সকলোৰে ঐকান্তিক ইচ্ছা আৰু উমৈহতীয়া প্ৰচেষ্টাৰ ফলত ৪০২ জন প্ৰতিনিধিৰ বিপুল হৰ্ষধ্বনিৰ মাজত গঠিত হল—**জয়েণ্ট কাউন্সিল অব ট্ৰেড ইউনিয়নচ**—অসম নামৰ এটি সংগঠন। অভিবৰ্ত্তনৰ ভিত্তি হিচাবে গ্ৰহণ কৰা ১৫ দফীয়া দাবী—চনদৰ হৈ ব্যাপকতম জনমত গঢ়ি তোলাৰ প্ৰধান কৰ্মসূচী হিচাবে আগন্তুক বিধান সভাৰ সন্মুখত ব্যাপক শ্ৰমিক সমাবেশ সংগঠিত কৰা।

**বিভেদ নহয়, ঐক্য লাগে** :—শ্ৰমিক শ্ৰেণীৰ ব্যাপক ঐক্য গঢ়ি তোলাৰ ক্ষেত্ৰত ভাষা-জাতি-ধৰ্ম বা মতাদৰ্শগত পাৰ্থক্য যে কেতিয়াও প্ৰতি-বন্ধক নহয়, আন্তৰিকতা আৰু সততা থাকিলে, নিম্নতম দাবীৰ ভিত্তিত ব্যাপক সংগ্ৰামী ঐক্য গঢ়ি তোলা যে সম্ভৱ, সদৌ অসম ট্ৰেড ইউনিয়ন অভিবৰ্ত্তনে



OKDISCD

অধিকাৰ ৰক্ষা তদৰ্থ কমিটিয়ে শ্ৰমিক শ্ৰেণীৰ এই উপলাব্ধক যথোচিত গুৰুত্ব দি, অভিবৰ্ত্তনৰ ভিত্তি হিচাবে দক্ষতাৰে সৈতে যিদৰে সকলোৰে কাৰণে গ্ৰহণ যোগ্য নিম্নতম দাবী সমূহ বাছনি কৰি উলিয়ালে আৰু উপযুক্ত সময়ত অভি-বৰ্ত্তন অনুষ্ঠিত কৰি সৰ্বাঙ্গ সাৰ্থক কৰি তুলিলে, তাৰ কাৰণে তদৰ্থ কমিটিয়ে নিশ্চিত ভাবে অসমৰ প্ৰতিজন গণতন্ত্ৰপ্ৰিয় নাগৰিকৰ পৰা প্ৰশংসা দাবী কৰিব পাৰে।

চৰকাৰৰ ব্যয় সংকোচন নীতি; অটোমেচন প্ৰয়োগ, কলকাৰখানা বন্ধ, মাটিহীন মানুহৰ সংখ্যাবৃদ্ধি, শিল্প বিকাশৰ জৰিয়তে চাকৰীৰ ক্ষেত্ৰ সম্প্ৰসাৰণ কৰাৰ পৰিবৰ্ত্তে, পুজিৰ অভাৱত ক্ৰমান্বয়ে সঙ্কুচিত হৈ পৰাত, দেশৰ আন আন ৰাজ্যৰ দৰেই, অসমতো এক ভয়াবহ নিবনুৱা সমস্যাই দেখা দিছে। চৰকাৰে নিবনুৱা সমস্যা সহ ৰাইজৰ কোনো এটা মৌলিক সমস্যাকে সমাধান কৰিব নোৱাৰি বিক্ষুব্ধ মানুহৰ দৃষ্টি অন্যত্ৰ ঢাল খুৱাবৰ বাবে, শিক্ষাৰ মাধ্যমক কেন্দ্ৰ কৰি শাসকদল আৰু ন্যস্ত স্বাৰ্থ গোষ্ঠীয়ে কি দৰে অসমৰ গণতান্ত্ৰিক শক্তিৰ মাজত অনৈক্য সৃষ্টি কৰে আৰু পৰস্পৰৰ মাজত জাতি-বিদ্বেষ আৰু ঘৃণা জগাই তোলাৰ হীন চক্ৰান্ত চলাই আছে; অসমৰ শ্ৰমজীৱি মানুহে আজি যথেষ্ট পৰিমানে তাক উপলব্ধি কৰিব পাৰিছে।

সেয়ে অভিবৰ্ত্তনে সঠিক ভাৱেই অসমৰ সমগ্ৰ শ্ৰমিক-শ্ৰেণীক ঐক্যবদ্ধ কৰাৰ কাৰণে দাবী জনাইছে: সকলোৰে বাবে প্ৰয়োজনভিত্তিক নিম্নতম মজুৰী, বোনাচ আৰু মূল্যসূচীৰ সম্পূৰ্ণ ক্ষতিপূৰণ হিচাবে মৰগীয়া বানচ, আবাস-গৃহৰ কাৰণে, বৰখাস্ত হোৱা শ্ৰমিক-কৰ্মচাৰীৰ পুনৰ মকৰল আৰু বন্ধ কল-কাৰখানা খোলাৰ বাবে, সেই একে সময়তে কেৰেলাৰ চৰকাৰী কৰ্মচাৰীৰ সংগ্ৰামক সমৰ্থন কৰাৰ দৰে পূৰ্ণ সমৰ্থন আগবঢ়াইছে কৃষক আৰু কৃষি শ্ৰমিকৰ ন্যায়সঙ্গত সংগ্ৰামৰ প্ৰতিও। যিহেতু, অসমৰ শ্ৰমজীৱি মানুহৰ সংগ্ৰাম, সৰ্বভাৰতীয় স্তৰত কৰা শ্ৰমজীৱি মানুহৰ সংগ্ৰামৰ অংশ বিশেষ মাথোন, ঠিক সেই দৰেই খেতিয়ক সমাজৰ দাৰিদ্ৰ পৰোক্ষভাৱে শ্ৰমিক শ্ৰেণীৰো অনিশ্চিত ভৱিষ্যতৰ কাৰণ। আকৌ, যিহেতুকে, নিবনুৱা সমস্যাক অৱজ্ঞা কৰি, কৰ্মক্ষম বেকাৰ সকলৰ প্ৰতি উদাসীন থাকি শ্ৰমিক কৰ্মচাৰীয়ে নিজৰ চাকৰী সম্পৰ্কে কেতিয়াও নিশ্চিত হব নোৱাৰে। সেয়েহে দেখা যায়, অভিবৰ্ত্তনে অতি সঠিক ভাৱেই





চাকৰী পোৱাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাবে স্বীকাৰ কৰাৰ কাৰণে প্ৰস্তাব যোগে দাবী জনাইছে, দাবী জনাইছে প্ৰতিজন কৰ্মক্ষম ব্যক্তিৰ বাবে উপযুক্ত কাম, নহলে বেকাৰ ভাতা। লগতে প্ৰতিশ্ৰুতি দিছে যে যুৱশক্তিয়ে এই দাবী আদায়ৰ কাৰণে যিবোৰ ন্যায়সঙ্গত সংগ্ৰামত অৱতীৰ্ণ হব, তাৰে প্ৰত্যেকটোৰ প্ৰতি শ্ৰমিক শ্ৰেণীয়ে অকুণ্ঠ সমৰ্থন আগ বঢ়াব। আৰু দাবী জনাইছে বাগিচা, তেল, ঔষধ আদিৰ দৰে শিল্পৰ জাতীয় কৰণৰ যোগেদি অৰ্থনৈতিক বিকাশৰ কাৰণে। কিন্তু, যিহেতুকে গণতন্ত্ৰ ৰক্ষা কৰিব নোৱাৰিলে শ্ৰমিকৰ কোনো দাবীয়েই, সি যিমানেই ন্যায় সঙ্গত নহওঁক কিয়, আদায় কৰা সম্ভৱ নহয়, সেয়ে গণতন্ত্ৰক ধ্বংস কৰাৰ কাৰণে শাসক শ্ৰেণীয়ে লোৱা প্ৰতিটো প্ৰচেষ্টাক অভিবৰ্ত্তনে তীব্ৰ ভাষাত গৰিহনা দিয়ে।

**সাংগঠনিক পদক্ষেপ** :—কিন্তু এইবোৰ সকলো অৰ্থহীন বাগাড়ম্বৰত পৰিণত হলহেতেন, যদিহে অভিবৰ্ত্তনৰ সন্মুখত কোনো সুনিৰ্দ্দিষ্ট সাংগঠনিক আৰু কাৰ্য্যকৰী আচনি নেথাকিলহেতেন। সৰ্বভাৰতীয় যি দুগৰাকী খ্যাতি-সম্পন্ন ট্ৰেড ইউনিয়ন নেতা—কমঃ কে. জি. বসু আৰু জৰ্জ ফাৰ্ণান্দেজৰ উপস্থিতি আৰু পৰামৰ্শই অভিবৰ্ত্তনৰ মৰ্য্যাদা বৃদ্ধি কৰিলে, তেখেত সকলেও তেখেত সকলৰ দীৰ্ঘ দিনৰ অভিজ্ঞতাৰ পৰাও বাৰে বাৰে যৌথ নেতৃত্ব গঢ়ি তোলাৰ কাৰণে প্ৰতিনিধি সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল—স্থায়ী সংগঠন গঢ়ি তোলাৰ প্ৰতি।

সেয়ে, সকলোৰে ঐকান্তিক ইচ্ছা আৰু উমৈহতীয়া প্ৰচেষ্টাৰ ফলত ৪০২ জন প্ৰতিনিধিৰ বিপুল হৰ্ষধ্বনিৰ মাজত গঠিত হল—**জয়েণ্ট কাউন্সিল অব ট্ৰেড ইউনিয়নচ**—অসম নামৰ এটি সংগঠন। অভিবৰ্ত্তনৰ ভিত্তি হিচাবে গ্ৰহণ কৰা ১৫ দফীয়া দাবী—চনদৰ হৈ ব্যাপকতম জনমত গঢ়ি তোলাৰ প্ৰধান কৰ্মসূচী হিচাবে আগন্তুক বিধান সভাৰ সন্মুখত ব্যাপক শ্ৰমিক সমাবেশ সংগঠিত কৰা।

**বিভেদ নহয়, ঐক্য লাগে** :—শ্ৰমিক শ্ৰেণীৰ ব্যাপক ঐক্য গঢ়ি তোলাৰ ক্ষেত্ৰত ভাষা-জাতি-ধৰ্ম বা মতাদৰ্শগত পাৰ্থক্য যে কেতিয়াও প্ৰতি-বন্ধক নহয়, আন্তৰিকতা আৰু সততা থাকিলে, নিম্নতম দাবীৰ ভিত্তিত ব্যাপক সংগ্ৰামী ঐক্য গঢ়ি তোলা যে সম্ভৱ, সদৌ অসম ট্ৰেড ইউনিয়ন অভিবৰ্ত্তনে



OKDISCD

সেই সত্যকে আকৌ এবাৰ দৃঢ়তাৰে প্ৰতিষ্ঠিত কৰিলে। অভিবৰ্ত্তনক ব্যৰ্থ কৰাৰ কাৰণে, নানা ধৰণৰ ৰাজনৈতিক অপপ্ৰচাৰ দিনে-নিশাই স্বাৰ্থ জড়িত মহলে চলাই থকা সত্বেও দেখা গ'ল 'ভাৰতীয় মজদুৰ সঙ্ঘ' আৰু 'হিন্দু মজদুৰ সঙ্ঘই' নিয়মাতান্ত্ৰিকভাবে অভিবৰ্ত্তনত অংশগ্ৰহণ নকৰিলেও তেওঁ-লোকৰ অন্তৰ্ভুক্ত কেইটিমান ইউনিয়নে অভিবৰ্ত্তনলৈ নিয়মিত প্ৰতিনিধি পঠাইছে; বিভিন্ন বিষয়ত মতানৈক্য থাকিলেও ভ্ৰাতৃত্বমূলক প্ৰতিনিধি পঠাইছে বিদ্যুৎ কৰ্মচাৰী সকলৰ দুয়োটা ইউনিয়নে; অভিবৰ্ত্তনত যোগ দিব পৰা নাই যদিও অভিনন্দন বাণী পঠাইছে 'আসাম অয়েল কোম্পানীৰ শ্ৰমিক সন্থাই। একেমঞ্চত থিয় দি বিভিন্ন ভাষা-ভাষী প্ৰতিনিধিয়ে ব্যক্ত কৰিলে নিজ নিজ ভাব আৰু অভিজ্ঞতা—পৰস্পৰক অনুপ্ৰাণিত কৰিলে ব্যাপকতম ঐক্যৰ ভিত্তিত প্ৰস্তুত হবলৈ কঠোৰতম সংগ্ৰামৰ বাবে। 'আনন্দ বাজাৰ' 'যুগান্তৰ' আদি পত্ৰিকাৰ দ্বাৰা পৰিবেশিত বাতৰি মিছা বুলি প্ৰমাণ কৰিলে মুকলি সভাৰ বিভিন্ন বক্তা সকলে নিজ নিজ ভাষাত বক্তৃতা দি। (প্ৰাপ্ত)

## (৩) ভিয়েটনাম যুদ্ধাৱসান

অৱশেষত মাৰ্কিন যুক্তৰাষ্ট্ৰই ভিয়েটনামৰ পৰা পশ্চাদপসৰণ কৰিলে। এই যুদ্ধত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ খৰচ হৈছিল সৰ্বমুঠ ৪০০ বিলিয়ন ডলাৰ। (এক বিলিয়ন মানে ১০০০ মিলিয়ন)। বোমাবৰ্ষণৰ পৰিমাণ আছিল সৰ্বমুঠ ১ কৌটি সাত নিযুত টন।

মাৰ্কিন যুদ্ধবাজইঁতে ভিয়েটনামৰ মেহনতী ৰাইজে বহুকষ্টে গঢ়ি তোলা মঠাউৰি, স্কুল, হাস্পাতাল, কাৰখানা বিধ্বস্ত কৰি ভিয়েটনামক পঙ্গু কৰিব খুজিছিল। কিন্তু দীৰ্ঘস্থায়ী যুদ্ধই মাৰ্কিন অৰ্থনীতিকে বিপৰ্য্যস্ত কৰি তুলিলে। ভিয়েটনামৰ বীৰ যোদ্ধা সকলে ৪০০০ খনৰো ওপৰ দামী বিমান আৰু ৫০০০ খনৰো ওপৰ হেলিকপ্তাৰ আৰু অজস্ৰ টেংক ধ্বংস কৰে। তাঁৰ উপৰিও তেওঁলোকৰ দেশপ্ৰেম আৰু ৰণকৌশলে মাৰ্কিন সমৰসজ্জাৰক নিস্প্ৰভ কৰি পেলায়। ২য় মহাযুদ্ধই যেনেকৈ ৰুছদেশত সাম্যবাদৰ সাফল্য প্ৰমাণ কৰিলে তেনেকৈ এই যুদ্ধয়ো প্ৰমাণ কৰিলে সমাজবাদে ভিয়েটনামৰ জনসাধাৰণৰ মনলৈ আনিছে কেনে অপূৰ্ব প্ৰেৰণা, অদমনীয় প্ৰাণশক্তি। বহু প্ৰাণ, বহু





বিধ্বস্ত গৃহ, বহু কষ্টৰ বিনিময়ত ভিয়েটনামৰ জনসাধাৰণে স্বাধীনতা ৰক্ষা কৰিলে। কিন্তু সন্দেহ নাই যে মাৰ্কিন ৰণনীতিয়ে কৰা অমানুষিক ক্ষতিও তেওঁলোকে শীঘ্ৰে পূৰণ কৰিব। বিশ্বৰ মুক্তিকামী মানুহৰ বাবে ভিয়েটনামৰ জনগণৰ শৌৰ্য্য অক্ষয় আশাৰ প্ৰদীপ।

অৱশ্যে ভিয়েটনাম আজিও বিভক্ত। কলংকিত অৰ্থ সাহায্যৰ উপৰিও C. I. A. ৰ কুখ্যাত কৌশল ধাৰলৈ দি প্ৰতিক্ৰিয়াশীল থিউ চৰকাৰক দঃ ভিয়েটনামত কৃত্ৰিম জীৱন দি ৰখা হৈছে। তাৰ দেশপ্ৰেমিক ভিয়েটকং সকলক কমিউনিষ্ট বুলি গোপনে হত্যা কৰা হৈছে। লাওছ আৰু কাম্বোদিয়াত মাৰ্কিন চৌকিদাৰি আজিও শেষ হোৱা নাই—যুদ্ধবিৰতিও হোৱা নাই। চীন আৰু আৰু ৰুছিয়াৰ মাজত অৰিয়াঅৰিৰ ফলত ভিয়েটনামৰ প্ৰতিৰোধ কিঞ্চিৎ দুৰ্বল হৈ পৰিছিল বুলি কোৱাৰ থল আছে।

কিন্তু পেৰিছৰ শান্তিচুক্তিৰ অৰ্থ মাৰ্কিন সাম্ৰাজ্যবাদৰ পৰাজয়। তাৰ অৰ্থ এনে নহয় যে বিশ্বত শোষক আৰু শোষিত শিবিৰৰ মাজত স্থায়ী সন্ধি হৈছে। এই মুহূৰ্ত্ততে কঁপি উঠিছে এফ্ৰিকাৰ ৰোডেছিয়াৰ স্মিথ চৰকাৰ আৰু পৰ্ত্তুগীজ অধিকৃত এংগোলা। আমাৰ শতিকাতে সাম্ৰাজ্যবাদৰ (যি পুঁজিবাদৰে শেষস্তৰ মাত্ৰ) পতন আশা কৰিব পাৰি। আমিও তাত অৱদান দিব পাৰোঁহক।

## অসম সাহিত্যসভা

উলহমালহৰ মাজত "অসম সাহিত্য সভা"ৰ বাৰ্ষিক অধিবেশন এইবাৰলৈ শেষ হ'ল। মন্ত্ৰী মহোদয়সকলেও মঞ্চৰ পৰা সাহিত্যৰ গুণাগুণ সম্পৰ্কে বিস্তৰ চাৰ্টিফিকেট দিলে। ৰাইজেও এইবাৰ আন কেইবাৰতকৈ তীব্ৰভাবে এটা প্ৰশ্ন তুলিছে ঃ এইবোৰৰ পৰা কি লাভ? কাৰ লাভ? প্ৰশ্নৰ উত্তৰ হেনো নতুন বিষয়ববীয়া সকলে শীঘ্ৰে হাতেকামে দিয়াৰ ব্যৱস্থা কৰিছে। সেই সৌভাগ্য নোহোৱালৈকে আমি কিছুমান খুহুৰনি প্ৰকাশ কৰিম। কাৰ্য্যনিৰ্বাহক সমিতিখন জনজাতীয় আৰু পিছপৰা সম্প্ৰদায়ৰ মানুহৰে ঠাহখুৱাই কি বুজাব খোজা হৈছে? যদি অসমীয়া জাতিৰ সাংস্কৃতিক উন্নতিত এখেতসকলক জড়িত কৰিব খোজা হৈছে তেন্তে তেওঁলোকক দায়িত্বশীল বাব একোটা দিয়া নহল কিয়? অসমৰ বিভিন্ন জাতি-উপজাতিৰ মহান সমন্বয়ৰ আদৰ্শ সাহিত্যসভাই



OKDISCD

প্ৰতিষ্ঠা কৰিব খোজে। কেনেকৈ? সন্ত্ৰাস আৰু সন্দেহৰে সেই কাম নহব নিশ্চয়। যিখন দেশত শিক্ষিত দূৰৰে কথা, সাক্ষৰ লোকো মাত্ৰ শতকৰা ৩০ জনতকৈ কম, তাত সাহিত্যৰ প্ৰসাৰ বা উন্নতি সীমাবদ্ধ নহবনে? সাহিত্য সভা হেনো এইবাৰৰ পৰা কেৱল সাহিত্যিকৰ মেল নহয়। তেন্তে সাক্ষৰতা অভিযানত সাহিত্যসভাই কেনে বৰঙণি যোগাব? ভাৰতৰ আৰু বিশ্বৰ বিভিন্ন সাহিত্য আৰু সংস্কৃতিৰ লগত অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ আদান প্ৰদান বৰ প্ৰয়োজনীয়।

## ৰাজধানী স্থানান্তৰ

অৱশেষত পাহাৰৰ চূড়াৰ পৰা ৰাজধানী নামিল। অসমৰ ৰাইজে আশা কৰিছে তেওঁলোকৰ অভাৱ অভিযোগ এতিয়াৰ পৰা মন্ত্ৰী আৰু আমোলাই মন দি শুনিব আৰু বিহিত ব্যৱস্থা লওঁতে অহেতুক পলম নকৰিব। কিন্তু এই সম্পৰ্কে অপৰিমিত আশা নোপোহাই ভাল হব। বিলম্ব কৰাটো অকৰ্মণ্যতা ঠিক নহয় — বৰং সি চৰকাৰী নীতি। দেশৰ উৎপাদনৰ সৰহভাগ ধনিকশ্ৰেণীলৈ ৰাখি বাকীখিনি অগণণ জনতাৰ মাজত বিলাবলৈ যাওঁতে ৰঙা ফিটাৰ মেৰপাকৰ প্ৰয়োজন অনিবাৰ্য্য নহয়নে? কলিকতাখন সমতলত থকাৰ পৰা পঃ বংগৰ সাধাৰণ মানুহৰ বৰ বেছি উপকাৰ হৈছে নেকি? আমোলা ভৈয়ামলৈ নামিলেই দুখ কষ্টৰ ওৰ নপৰে। আচলতে দৰ্কাৰ আমোলাতন্ত্ৰ বিনাশ কৰা। যিটো কেৱল সমাজবাদী শক্তিৰ দ্বাৰাহে সম্ভৱ।

ইতিমধ্যে চৰকাৰী কাৰ্য্যালয়ৰ কৰ্ম্মচাৰী সকলৰ বাসস্থানৰ অভাৱত নাজল নাথল অৱস্থা হৈছে। ঘৰৰ ভাড়া উধাই গৈছে। যানবাহনো সৰ্বসাধাৰণৰ প্ৰয়োজন অনুপাতে তাকৰীয়া হৈছে। ৰাজধানী দূৰলৈ খেদিবলৈ আন্দোলন কৰিব লাগিব নেকি?

ৰাজধানী নিৰ্ম্মাণকাৰ্য্যত থলুৱা লোকক ঠিকা আদি দি সুবিধা কৰি দিয়া বুলি অসম চৰকাৰে বাহ্‌ৱা লৈছে। কিন্তু দেখা যায় যে নিৰ্ম্মাণকাৰ্য্যত যি ১১½ কোটি টকা ব্যয় হব, তাৰে ৯ কোটি টকাই সা-সজুলি যোগাৰ কৰাত খৰচ হব। এই সা-সজুলি যোগান দিওঁতে আমাৰ থলুৱা ডেকাইঁতে সিমান সুবিধা পোৱা নাই। কাৰণ এই যোগানৰ কাৰবাৰ কেৱল শকত





পুঁজি থকা মানুহৰ হাততহে। ঠিকা-ঠিকুলিও সৰহভাগ আঢ্যৱন্ত পৰিয়ালৰ অসমীয়া ডেকাইহে পাইছে। দুখীয়া অসমীয়া কেইজনে পালে?

## মুদ্ৰাস্ফীতি আৰু মূল্যবৃদ্ধি

বয়বস্তুৰ দাম যে অতিপাত বাঢ়িছে সকলোৱে স্বীকাৰ কৰিছে। যোৱা বছৰৰ মূল্যবৃদ্ধিৰ হাৰ আছিল শতকৰা তিনিটকা, এইবাৰ চৰকাৰী হিচাব-মতেই শতকৰা দহটকা। বিছুমানে কয় যে বেছিকৈ নোট ছাপা কৰা বাবেই বস্তুৰ দাম বাঢ়িছে। কিন্তু বেছি নোট ছাপা কৰা হৈছে কেলেই? দেশৰ উৎপাদনৰ তুলনাত চৰকাৰে নোট অত্যধিক ছপা কৰিছে এনে কিছুমান কাৰণত:

(১) বিদেশৰ ওচৰত ভাৰতৰ ঋণ মাত্ৰাধিক হৈছে। স্বাধীনতাৰ সময়ত বৈদেশিক ঋণ আছিল ১৭১০ কোটি টকা। ১৯৭০ চনত তাৰ পৰিমাণ হৈছে আহি ৭২৬৫.৯ কোটি। আৰু ঋণৰ বাবে সুদ দিব লগা হৈছে ১৯৬৯-৭০ চনত ৫৬৮.০৮ কোটি টকা! অৰ্থাৎ বৈদেশিক ঋণৰ কেৰেলাতকৈ গুটি দীঘল।

(২) শ্ৰমিকৰ মজুৰি বিশেষ বঢ়া নাই। কিন্তু কৰকাটলৰ ফলত ভোগ্য সামগ্ৰীৰ দাম বাঢ়িছে। চেনি, চাহ, কেৰাচিন, কাপোৰ, দিয়াচলাই প্ৰভৃতি নিত্যব্যৱহাৰ্য্য বস্তুৰ ওপৰত ১৯৫০ চনত একচাইজ ডিউটি আছিল ৬৩.৪৩ কোটি টকা—১৯৭০-৭২ চনত হ'লগৈ ১৭৫৯ কোটি টকা।

একে সময়তে ধনীমানুহে দিবলগীয়া অথচ আদায় নোহোৱা কৰ (যেনে আয়কৰ, কৰ্পোৰেট কৰ) ১৯৫৯ চনত আছিল ৬২.৯৩ কোটি আৰু ১৯৬৯ চনত সি হয় গৈ ৭৭৮.৪০ কোটি টকা। চৰকাৰে এই ধন আদায় কৰিবলৈ পৰাঙ্মুখ হৈছে। সেই বাবেই দুখীয়াই দিবলগীয়া কৰৰ মাত্ৰাও বাঢ়িছে।

(৩) পৰিকল্পনাৰ নামত চৰকাৰে দুখীয়ালৈ কি ধনসোণ আনিছে সকলোৱে জানে। পৰিকল্পনা আৰু প্ৰশাসনত চৰকাৰৰ প্ৰয়োজনীয় টকা আহে কৰ কাটল আৰু বৈদেশিক ঋণৰ পৰা। সেয়ে নুজুৰিলে অত্যধিক নোট ছপাকৰি সেই ফাক পুৰোৱা হয়।

## দেশনেতা আৰু ভাষাসমস্যা

আঞ্চলিক পঞ্চায়তৰ নেতাবিলাক ধুৰন্ধৰ বদমাছ, আৰু ওপৰৰ ৰাজনৈতিক নেতাবিলাক সাধুমহন্ত—এনে ধাৰণা মানুহৰ মনত বদ্ধমূল কৰাৰ বাবে বাতৰি



OKDISCD

কাকতবোৰ বদ্ধপৰিকৰ। খবৰৰ কাগজত তেওঁলোকৰ আলোকচিত্ৰ আৰু ৰঙীন চাটুবাদ দেখিদেখিয়েই আমাৰ মনত এনে ধাৰণা ওপজে। জনসাধাৰণৰ মনত শাসকশ্ৰেণী সম্পৰ্কে মোহ সৃষ্টি কৰা আৰু শাসকশ্ৰেণীৰ অকৃত্ৰিম শত্ৰুৰ বিৰুদ্ধে কুৎসা প্ৰচাৰ কৰাই এই খবৰকাগজবোৰৰ প্ৰধান উদ্দেশ্য আজিকালি।

অসমৰ ভাষা আন্দোলনত তীব্ৰ তিক্ততা সৃষ্টি হৈছিল। বিভিন্ন সম্প্ৰদায়ৰ নিমাখিত মানুহ বহুতে প্ৰাণ হেৰুৱাইছিল। তাৰ অন্যতম কাৰণ হ'ল এয়ে যে অসমৰ জনসাধাৰণক অসমৰ থলুৱা নেতাসকলে আৰু সৰ্বভাৰতীয় নেতা-সকলে বুজাইছিল যে আঞ্চলিক ভাষা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হোৱাটো সৰ্বভাৰতীয় নীতি। আনকি পাৰ্লামেণ্টৰ মজিয়াৰ পৰা ইন্দিৰাগান্ধী আৰু উপমন্ত্ৰী এফ, এম, মহছিনে ঘোষণা কৰিলে যে ভাৰতৰ ক'তো হেনো তাৰ ব্যতিক্ৰম হোৱা নাই। কোৱা বাহুল্য যে এনে ধৰণৰ প্ৰচাৰৰ ফলত অসমৰ জনমত উত্তেজিত হৈ পৰিছিল।

আচল কথা কিন্তু সম্পূৰ্ণ বেলেগ। এই কথা ইন্দিৰা গান্ধীৰতো কথাই নাই, অসমৰ থলুৱা নেতা সকলেও ভালদৰে জানে। উদাহৰণ স্বৰূপে ১৯৭১ চনৰ ১ অক্টোবৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি'ৰ তৰফৰ পৰা প্ৰকাশিত **"অধ্যয়ন" নামৰ প্ৰবন্ধসংকলনত (সম্পাদক ডঃ ভবেন শইকিয়া)** কিছুমান তথ্যপাতি প্ৰকাশিত হয়। সেই তথ্যপাতিত স্পষ্টকৈ প্ৰকাশ যে বিভিন্ন ৰাজ্যৰ গুজৰাট, কৰ্ণাটক, ওচমানিয়া, পঞ্জাৱ, ৰাঁচি প্ৰভৃতি পোন্ধৰখন বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম দুটা বা তাতকৈও বেছি ভাৰতীয় ভাষা। তাৰ বাহিৰেও আন ছখন বিশ্ববিদ্যালয়ত প্ৰচলিত শিক্ষাৰ মাধ্যমৰ বাহিৰে কেইটামান অনুমোদিত ভাষাত পৰীক্ষা দানৰ সুবিধা আছে! (ভাৰতৰ সৰহ ভাগ বিশ্ববিদ্যালয়তে অনিৰ্দিষ্ট কালৰ বাবে ইংৰাজী চালু ৰাখিছে)। আন সুত্ৰৰ পৰাও এই তথ্যপাতি পোৱা যায়।

তেন্তে "সৰ্বভাৰতীয় নীতিৰ ব্যতিক্ৰম অসমত হব নোৱাৰে" বুলি আজিও প্ৰচাৰ চলাই থকাৰ তাৎপৰ্য কি? জানি-শুনি গোকাট ফাঁকিমৰাৰ কাৰণ কি? অৰ্থ নৈতিক সংকটৰ পৰা জনগণৰ দৃষ্টি আঁতৰাই শাসক শ্ৰেণীৰ দুৰ্নীতি কায়েম ৰখা নহয়নে?

এইখিনিতে নিজকে প্ৰাপ্তবয়স্ক (নে জড়াগ্ৰস্ত?) বুলি যহাই ফুৰা এচাম





অসমীয়া বুদ্ধিজীৱীৰ কীৰ্ত্তিলৈ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল। এওঁলোকে অসমীয়া পুঁজিপতিৰ হাতত থকা প্ৰচাৰৰ মাধ্যমবোৰত একো একোটা দুৰ্গ সাজি বহি লয়। তেওঁলোকে যিবোৰ বাৰে বাং কৰা কথা তাৰ পৰা প্ৰচাৰ কৰে, তাৰ বিৰুদ্ধে কোনো প্ৰতিবাদ প্ৰকাশ কৰা নহয়—সেই প্ৰতিবাদ যিমানেই যুক্তিসংগত আৰু সংযত নহওক! আৰু এনেধৰণৰ কৌশলেৰেই ইহঁতে "গণতন্ত্ৰ" আদি আদৰ্শ ৰক্ষা কৰে! এনেকৈয়ে সিহঁতৰ যুক্তি "প্ৰতিপন্ন" কৰে।

উদাহৰণ স্বৰূপে কিছুদিন আগতে "দৈনিক অসম"ত **অধ্যাপক ভবেন বৰুৱাৰ "জ্যোতিপ্ৰসাদ আৰু একাত্মীকৰণৰ প্ৰশ্ন"** নামৰ এটা প্ৰবন্ধ প্ৰকাশ হয়। সেই প্ৰবন্ধৰ কিছুমান অসংবদ্ধ আৰু ভিত্তিহীন যুক্তিৰ প্ৰতিবাদ লগেলগেই "দৈনিক অসম"লৈ পঠোৱা হৈছিল। অধ্যাপক বৰুৱাৰ গহীন যুক্তিৰ আঁৰত থকা তৰল চিন্তা উদঙাই দিয়া বাবেই হবলা প্ৰতিবাদ প্ৰকাশ নহল। প্ৰতিবাদৰ কেইটামান যুক্তি তলত পুনৰ দোহাৰিলোঁ।

(ক) একাত্মীকৰণ (assimilation) এটা ঐতিহাসিক প্ৰক্ৰিয়া, আৰু স্বতঃস্ফূৰ্ত্ত আদান-প্ৰদান অবিহনে সি অসম্ভৱ। যেতিয়াই কোনো এটা কৃষ্টি বা তাৰ কিছুমান উপাদান আন কোনো গোষ্ঠিৰ ওপৰত জাপি দিবলৈ জোৰ কৰা হয়, তেতিয়াই শত্ৰুতাৰ ভাব গঢ় লৈ উঠি একাত্মীকৰণৰ স্বাভাৱিক প্ৰক্ৰিয়াত বাধা দিয়ে। পৰিকল্পিত একাত্মীকৰণ যদি কোনো সম্প্ৰদায় বা গোষ্ঠিৰ অনাকাংক্ষিত হয়, তেন্তে তাক সমৰ্থন কৰিব নোৱাৰি। বহু ঠাইত বহুবাৰ জ্যোতিপ্ৰসাদ আৰু লেনিনে এই কথা কৈছে।

(খ) লেনিনে জধেমধে assimilation সমৰ্থন কৰা নাই। Bund Socialist দলৰ Cultural Nationalism ৰ লগত মতান্তৰ আৰু বিৰোধৰ স্বকীয়া কাৰণ আছে। লেনিনে খুব পৰিষ্কাৰ ভাষাত কৈছে যে জাৰৰ আমোলত সুদীৰ্ঘ ষড়যন্ত্ৰৰ ফলস্বৰূপে ইহুদিবিলাকৰ লগত আধুনিক জীৱন যাত্ৰা তথা চিন্তা ধাৰাৰ বিশেষ যোগাযোগ নাছিল। ফলস্বৰূপে ৰুছ দেশৰ অধিকাংশ ইহুদি এক ধৰ্মান্ধ, ৰক্ষণশীল, জড়গ্ৰস্ত সাম্প্ৰদায়িক কৃষ্টিৰ কবলত পৰিছিল। সেয়ে Bundist বিলাকে ইহুদি আদি জাতিৰ বাবে বেলেগ স্কুলকলেজ বিচৰাত লেনিনে তাৰ বিৰোধিতা কৰিছিল। কাৰণ তেনেহলে ইহুদিবিলাকৰ অনগ্ৰসৰতা দূৰ নহলহেতেন। অসমৰ বঙালীসকলৰ বিষয়ে সেই কথা নখাটে।

তাৰোপৰি লেনিনে দিয়া পৰিসংখ্যাৰ পৰাই জনা যায় St Petersburg প্ৰতি ঠাইত ইহুদি ছাত্ৰৰ সংখ্যা আছিল নাম মাত্ৰ—শতকৰা এজনতকৈও কম! একেখন ঠাইৰে কম সংখ্যক বিশেষ গোষ্ঠিৰ ছাত্ৰৰ বাবে স্বকীয়া স্কুল কলেজ খোলাটো কাণ্ডজ্ঞানহীন কথা হব। আনহাতে তেওঁলোকৰ স্বকীয়া কৃষ্টিৰ চৰ্চাৰ ব্যৱস্থা স্কুল কলেজত থাকিব লাগিব বুলি লেনিনে নিৰ্দ্দেশ দিছে।

(গ) জ্যোতিপ্ৰসাদে ভাষা সমস্যাৰ বিষয়ে বেলেগে প্ৰবন্ধ লেখি থৈ যোৱা নাই তেওঁ কোনো দাৰ্শনিকৰ দৰে প্ৰণালীবদ্ধ (systematic) চিন্তাৰে কিতাপ লেখাও নাই। বিভিন্ন সময়ৰ বিভিন্ন উপলক্ষ্যত দিয়া ভাষণ আদিৰ পৰাই তেওঁৰ এই সম্পৰ্কে মতামত আহৰণ কৰিব লগিয়া হয়। দুই এক ক্ষেত্ৰত —কেৱল ভাষাৰ বিষয়তে নহয় —তেওঁৰ বিভিন্ন সময়ত দিয়া মতামতৰ মাজত স্ববিৰোধ থকাটো স্বাভাৱিক। সেয়ে এটা সময়ত তেওঁ হয়তো অসমৰ জাতি সমস্যাৰ সমাধান এছিমিলেশ্যনৰ যোগেদি হব পাৰে বুলি ভাবিছিল। কিন্তু জ্যোতিপ্ৰসাদৰ ৰচনাৰ জগত ঘনিষ্ঠ পৰিচয় থকা মানুহ মাত্ৰেই বুজে যে তেওঁৰ চিন্তাৰ এয়ে শেষ সিদ্ধান্ত নাছিল।

মধ্যবিত্ত জাতীয়তাবাদৰ পৰা জীৱনৰ শেষ কাল চোৱাত জ্যোতিপ্ৰসাদ ক্ৰমাৎ আঁতৰি আহিছিল আৰু বিশ্বজনতাৰ আন্তৰ্জাতিকতাৰ প্ৰতি আকৃষ্ট হৈছিল। ক্ৰমাৎ অসমীয়াকেন্দ্ৰিক এছিমিলেশ্যনৰ বিপদ সম্পৰ্কে তেওঁ সজাগ হৈ উঠিছিল আৰু অসমীয়া প্ৰাদেশিকতাৰ বিৰুদ্ধে বহুবাৰ সতৰ্কবাণী আৰু প্ৰতিবাদ উচ্চাৰণ কৰিছিল। এনে মনোভাৱৰ বিস্তৃত উদাহৰণ যোৱা সংখ্যা 'নতুন পৃথিবী”ৰ এটা প্ৰবন্ধত পোৱা যাব।

(ঘ) অধ্যাপক বৰুৱাই বহিৰাগতৰ প্ৰব্ৰজনৰ পৰা সাংবিধানিক উপায়ে অসমক ৰক্ষা কৰিবলৈ বিচাৰিছে। অৰ্থাৎ ছবিয়েট য়ুনিয়নৰ আৰ্হিত এখন সংবিধান কৰি প্ৰতিখন ৰাজ্যৰ চৰকাৰৰ ওপৰতে সেই ৰাজ্যত কাক নাগৰিক স্বত্ব দিয়া হব সেই দায়িত্ব ন্যস্ত কৰিবলৈ বিচাৰিছে। তেনে কৰিলেই সমস্যাৰ সমাধান হব!

প্ৰথমতে, প্ৰব্ৰজন তেতিয়াও বন্ধ নহয়। ভাৰতৰ আৰ্থিক দুৰ্দ্দশা (যাৰ কাৰণে প্ৰধানকৈ দায়ী পুঁজিপতি-জমিদাৰৰ ৰাজত্ব) আৰু বিভিন্ন অঞ্চলৰ আৰ্থিক উন্নয়ণৰ তাৰতম্যৰ বাবেই জীৱিকাৰ সন্ধানত দলে দলে মানুহ এঠাইৰ





পৰা আন ঠাইলৈ যায়। কেৱল এখন কাগজী সংবিধান তৈয়াৰ কৰি নিদাৰুণ আৰ্থিক বাস্তৱক ৰোধ কৰিব পৰা নাযাব। আৰু আৰ্থিক উন্নয়ন অবিহনে প্ৰব্ৰজন চলি থাকিলে কিছুমান সমস্যাও জীয়াই থাকিব।

পুঁজিপতি মহলৰ স্বাৰ্থতে বৰ্তমান সংবিধান ৰচিত আৰু স্বীকৃত হৈছে। প্ৰতিখন ৰাজ্যৰে আৰ্থিক আৰু প্ৰশাসনীয় স্বতন্ত্ৰতা এই সংবিধানমতে সীমাবদ্ধ। নানা কাৰণত এই সংবিধান সলোৱা নিশ্চয় প্ৰয়োজন। কিন্তু কাগজী উপায়ে নহয়। ভাৰতৰ বিভিন্ন ৰাজ্যৰ শোষিত জনতাৰ ঐক্যবদ্ধ আন্দোলনৰ ফলতহে ৰাইজৰ উপযোগী সংবিধান ৰচিত আৰু গৃহিত হব। সেয়ে শোষক শ্ৰেণীৰ দালালহঁতে প্ৰবৰ্ত্তন কৰা উগ্ৰ জাতীয়তাবাদী আন্দোলনত ভোল যোৱা অনুচিত হ'ব।

অধ্যাপক বৰুৱাই এনে ফাঁপৰে ধৰা “যুক্তি” আৰু এঠাইত ডাঙি ধৰিছে। শ্ৰীউপেন্দ্ৰ বৰকটকী সম্পাদিত **“অ মোৰ অসমী আই”** (গুৱাহাটী, ১৯৭৩) নামৰ সংকলনত অধ্যাপক বৰুৱাই পুনৰ কৈছে যে উচ্চ শিক্ষাৰ মাধ্যম আৰু ৰাজ্যভাষা একেই হোৱা উচিত। আমি ওপৰত নিৰ্ভৰযোগ্য তথ্যপাতি সহ প্ৰমাণ ডাঙি ধৰিছো যে ভাৰতৰ বহু বিশ্ববিদ্যালয়ে একাধিক ভাষাক উচ্চ শিক্ষাৰ মাধ্যম বুলি ধৰিছে। তাৰ উপৰিও অসমত ১৯৬১ চনৰ ৰাজ্যভাষা আইনত কাছাৰ জিলাৰ প্ৰশাসনীয় ভাষা হিচাবে বঙলা ভাষাক স্বীকৃতি দিয়া হৈছিল।

১৯৭২ চনৰ আগষ্ট মাহত এখন চিঠিৰ প্ৰতিবাদ কৰি কলিকতাৰ **Statesman** কাগজত হীৰেন গোহাঁয়ে এখন চিঠি লিখে। তাৰ পৰা বহুকথা বাদ দি কাগজ খনে সেই চিঠি প্ৰকাশ কৰে। ভাষা সমস্যা সম্পৰ্কে গোহাঁইৰ সম্পূৰ্ণ মতামত প্ৰকাশ হয় আন্দোলনৰ সময়তে **Assam Express** কাগজত লেখা এলানি প্ৰবন্ধত। তাতে অধ্যাপক বৰুৱাৰ দৰে মানুহৰ যুক্তিক তুলাধুনাদি ধুনা হৈছিল। **(On Certain Confusions in the Nationality Debate, A Fresh look At the Language Problem, Facts and Values in the Nationality Debate)**। সেই প্ৰবন্ধলানি সম্পৰ্কে নিমাত হৈ অধ্যাপক বৰুৱাই এখন চিঠিৰ এটা বাক্য কেউফালে উদ্ধৃত কৰি খদ্যদম লগোৱাৰ কাৰণ কি? প্ৰাপ্ত বয়স্কৰ লক্ষণ? সেই প্ৰবন্ধবোৰতে দেখুৱা হৈছিল যে শিক্ষাৰ মাধ্যম আৰু ৰাজ্যৰ চৰকাৰী ভাষাৰ মাজত অবিচ্ছেদ্য সম্পৰ্ক নাই। চৰকাৰী ভাষাৰ



OKDISCD

অৰ্হতা আৰু শিক্ষাৰ মাধ্যম হোৱাৰ অৰ্হতাও একে নহয়। চিঠিখনত চমুকৈ তাকেই কোৱা হৈছিল। আৰু কোৱা হৈছিল (যদিও অধ্যাপকে তেওঁৰ স্বভাৱসিদ্ধ কায়দাৰে তাক গাইব কৰি পেলালে) যে অসমৰ উন্নতিৰ বাবে উচ্চ শিক্ষাৰ মাধ্যমৰ প্ৰশ্নটো সকলোতকৈ গুৰুত্বপূৰ্ণ নহয়। এনে সাধাৰণ কথা নুবুজা পণ্ডিতে আনৰ দোষ ধৰি ফুৰাত স্বাভাৱিকতেই অত্যুৎসাহী।

উক্ত অধ্যাপকৰ প্ৰবন্ধত অন্নদা শঙ্কৰ ৰায়ৰ উক্তি আপেবেথে উদ্ধৃত কৰা হৈছে। অন্নদা শঙ্কৰ উদাৰনৈতিক মানবতাবাদী হিচাবে শ্ৰদ্ধেয়। কিন্তু অসমৰ জাতি তথা ভাষা সমস্যাৰ ওপৰত তেওঁ authority হ'ল কাহানিৰ পৰা? ষাঠি চনৰ ৰাজ্যভাষা আন্দোলনৰ সময়ত, "ড্ৰাগনেৰ দাঁত" নামৰ তেওঁ যি প্ৰবন্ধ লেখে, সেই প্ৰবন্ধত কোৱা হৈছিল আহোম জাতিয়েই অসমত বঙালীবিৰোধী মনোভাবৰ মূল আৰু ৰাজ্যভাষা আন্দোলন সংক্ৰান্ত সকলো বৰ্বৰতা আহোমেই কৰিলে! তেওঁ কেন্দ্ৰীয় চৰকাৰক সজাগ কৰি দিলে যে ভাৰতীয় ঐক্যৰ প্ৰতি আহোম সম্প্ৰদায়ৰ কোনো আনুগত্য নাই। অৰ্থাৎ একধৰণৰ জাতিগত বিদ্বেষ দূৰ কৰিবলৈ শ্ৰীযুত ৰায়ে আন একধৰণৰ জাতিগত বিদ্বেষ প্ৰচাৰ কৰিলে।

আন্দোলন লগাই দি তাৰ সকলো পৰিণামৰ দায়িত্ব লব নোখোজা বৰ্ণ হিন্দু মধ্যবিত্ত অসমীয়া তেতিয়াৰ পৰাই অন্নদা শঙ্কৰ ৰায়ৰ প্ৰশংসাত পঞ্চমুখ। কিন্তু অন্নদাশংকৰক সঁচাকৈ এনে বিষয়ত authority বুলি লব পাৰিবনে?

(নিজৰ সুবিধা অনুযায়ী লেনিনৰ লেখাৰ কিছু অংশ তুলি ধৰি বাকী প্ৰাসঙ্গিক অংশ বাদ দিয়া কুস্বভাৱ যে এৰিবৰ হ'ল তাক দোহাৰি কোৱাৰ দৰ্কাৰ নাই। লেনিনে Revised Programme ৰ Draft ৰচনা কৰোঁতে—লিখিছিল যে জনগণৰ ওপৰত কোনো ভাষা জাপি দিব নেলাগে।

(প্ৰাপ্ত)

---

**নতুন পৃথিৱীৰ অহা সংখ্যাৰ কাৰণে অৰ্ডাৰ বুক কৰক।**



# টু হুউ

[অনুঃ নীলমণি ফুকন]

হানয়ৰ ভিয়েটনামী শ্ৰমিক পাৰ্টিৰ এজন নেতৃস্থানীয় ব্যক্তি টু হুউ (জন্ম ১৯০৩) সৰ্ব্বশ্ৰেষ্ঠ জীবিত ভিয়েটনামী কবি। সমালোচক সকলৰ মতে ভিয়েটনামী কবিতাৰ প্ৰাচীন ঐতিহ্যৰ লগত বিপ্লৱী ভাৱনা আৰু জনপ্ৰিয় স্বচ্ছন্দতাৰ সমন্বয়েই' তেওঁৰ কবিতাৰ বৈশিষ্ট্য। এই কবিতাটি নৰ্মান পীগান আৰু হোই চান কৃত ইংৰাজী ভাঙনিৰ অসমীয়া ৰূপ।

বাৰিষাৰ ৰাতিত
জিলিবোৰ যেতিয়া
টোপনিত
শুনিবলৈ চেষ্টা কৰোঁ
বাঁহৰ বাঢ়নীবোৰৰ শব্দ
ট্ৰানফুৰ আলিবাটত
চৰচৰায়
তেতেলী গছবোৰৰ তলত
বাহৰ বাঢ়ণী বোৰৰ শব্দ
জাবৰবোৰ সাৰি ......

শীতৰ ৰাতিত
ধুমুহা বৰষুণ জাক
থমা মাত্ৰকে
থিয় দি মই চাই ৰওঁ
শূন্য বাটটোত
লোৰ দৰে
ব্ৰোঞ্জৰ দৰে
কাম কৰা ছোৱালীবোৰ
জাবৰ সাৰি ...



OKDISCD

ৰাতি পুৱালে
বজাৰলৈ ফুলবোৰ
লৈ যায়
বাটৰ দুয়ো কাষে ফুল
ন'গক হাৰৰ ফুলবোৰ
দূৰ দূৰলৈ উটি যায় ফুলবোৰৰ সুবাস
মলমলাই
আমাৰ বাটবোৰ
মনত পেলোৱা, ফুলবোৰ
যোৱা ৰাতি
ৰাইজে জাবৰ সাৰিছিল

মনত পেলোৱা
বাঁহৰ বাঢ়নীবোৰৰ শব্দ
বাৰিষাৰ ৰাতিত
তেওঁলোকে সাৰিছিল
আৰু চেচা বতাহত শীতৰ ৰাতিবোৰ
বাঁহৰ বাঢ়নীবোৰৰ শব্দ
পুৱা আৰু ৰাতি
আহিছে গৈছে
বাটবোৰ নিকা আৰু
ধুনীয়াকৈ ৰাখি
মনত পেলোৱা

—×—



# পো চু-ই

[ অনুঃ নীলমণি ফুকন ]

মহৎ তিনিজন চৈনিক কবিৰ এজন পো চু-ই ( ৭৭২—৮৪৬ ) চৈনিক কাব্য সাহিত্যৰ সবাতোকৈ জনপ্ৰিয় কবি। তেওঁৰ সময়ৰ আনকি হালোৱা গৰখীয়াইও তেওঁৰ কবিতা গুণগুনাই ফুৰিছিল। আজিৰ নতুন চীনতো টাং যুগৰ কবি সকলৰ ভিতৰত তেৱেঁই আটাইতকৈ সমাদৃত।

বাচনিক সৰলতাই ( Verbal simplicity ) তেওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য বুলি আৰ্থাৰ ওৱেলিয়ে লিখিছিল। বিষয় বস্তুৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল যদিও ফৰ্মক তেওঁ অৱজ্ঞা কৰা নাছিল। তেওঁৰ কবিতা গদ্যগন্ধী আৰু সাধাৰণ হোৱাৰ কাৰণে তেওঁক সমালোচনা কৰাও দেখা যায়। তলৰ কবিতা তিনিটি ওৱেলিৰ বিখ্যাত ভাঙনিৰ অৱলম্বনত অসমীয়া কৰা হৈছে।

( ১ )

নিচেই সামান্য টোপনি আৰু অনেক দুখ,—বাটকৰাজন
মাজ নিশা সাৰ পায় আৰু ঘৰৰ ফালে পিচলৈ ঘূৰি চায়।
উপকূল দুই থকা বালিবোৰ জোনাকত উজ্বল ;
নাওখন ঢাকি ৰোৱা পালখন নিয়ৰেৰে বগা।
সাগৰৰ ওচৰ চাপি, নৈখন মেলাহি হয়—মেলাহি
সমাগত হেমন্ত,—নিশাবোৰ দীঘল দীঘল হয়।
কুৰঁলী আৰু ঢৌবোৰৰ মাজত কতবাৰ শুলো আমি
আৰু এতিয়াও আমি আহি হাং চাও পোৱাহি নাই!

( ২ )

আনামৰপৰা উপহাৰ বুলি পঠাইছিল—
এটা ৰঙা ভাটৌ
নৰা বগৰীৰ ফুলৰ দৰে ৰঙীন,
মুখত মানুহৰ দৰে কথা।



OKDISCD

পণ্ডিত আৰু কবিক তেওঁলোকে সদায় যি কৰে
তাকেই কৰিছিল তাকো
শকত শলাৰে কৰা এটা সজাত ভৰাই
বন্ধ কৰি থৈছিল ।

( ৩ )

চৰকাৰী ঘোষণা লিখি থাকোতে হঠাৎ মই
পশ্চিমৰ খিৰিকীত থমকি ৰৈছিলো।
পাইন আৰু বাঁহগছবোৰ নিৰ্জনতাত পোত গৈছিল।
জোন ওলাইছিল আৰু এচাটি জুৰ বতাহ আহিছিল;
হঠাৎ পাহাৰত সন্ধ্যাৰ দৰে লাগিছিল।
এইদৰে, মই চিলমিলকৈ টোপনিয়াওঁতে দক্ষিণ পশ্চিমৰ
সপোন দেখিছিলো
আৰু ভাব হৈছিল মই হসিয়েন—যু* মন্দিৰত আছো
সাৰপাই যেতিয়া মই কাৰেঙৰ ঘড়ীত টপ্ টপ্ শব্দটো শুনিলো
তেতিয়াও মই তাক এটা পাহাৰীয়া জুৰিৰ গুণগুননি
বুলি ভাবিছিলো।

—×—

* বন্ধৰ দিন কটোৱা কবিৰ প্ৰিয় এডোখৰ ঠাই।



# কবিতা

স্বাতী বৰুৱা

অনিকেত
বিহঙ্গৰ বিলাপ ধ্বনিয়ে
যেতিয়া মোক ব্যাকুল কৰে
মই গাওঁ সিপাৰৰ গান
সিপাৰৰ গান

ধাননিৰ
সৰি পৰা কেঁচা থোকবোৰে
যেতিয়া মোক আহত কৰে
মই চাওঁ সিপাৰৰ ভূমি
সিপাৰৰ ভূমি

নবজাত
শিশুটিৰ করুণ আৰ্ত্তিয়ে
যেতিয়া মোক বিব্ৰত কৰে
মই শুনো সিপাৰৰ হাঁহি
সিপাৰৰ হাঁহি

—×—



OKDISCD

# আকাংক্ষিত স্বপ্ন

সনন্ত তাঁতি

কমৰেড,
আৰকালিৰ পুৰাবোৰ শেষ হলে
শুনিছোঁ আমাৰ চিৰৰুগ্ন শৰীৰত সঞ্জীৱতা আহিব,

প্ৰতিখন আহত হৃদয়ত
সহস্ৰ নিযুত তেজৰ কণিকা প্ৰবাহিত হব,
নির্ভয়ে আমি বিপক্ষ শক্তিৰ লগত
লড়াই কৰিম জীৱনৰ,

মোৰ প্ৰিয় কমৰেড,
হাজাৰ প্ৰাণৰ প্ৰতিবিম্বত মুখ লুকুৱাই
তুমি সেইদিনা আহিবা,
লক্ষ্য যে নিচেই কাষত !

# নতুন বসন্ত

খগেন্দ্ৰ ভৰালী

কঠিয়া তলিৰ চুলি শিপাঁত
ৰস বাসনাৰ উদ্বেল স্বাদ

পিটনি মাটিৰ বোকাত বান
চকু পানী সিঁচি ৰোঁৱা ধান
চব পতান

পানী চকৰীৰ ঘূৰণ দেহ
নাচোন সজাই পৰাই
পকৰা সাঁফলু মাটি

শীতৰ হিমত কত ঘ্ৰাণ
শেৱালী শেলুৰৈৰ ৰাতি ॥



# প্ৰস্তুতি চলাই আছো

গৰিমা গগৈ

প্ৰস্তুতি চলাই আছো।
আমি সাৰে আছো।
তোমালোকক আমি চিনি পাইছো
তোমালোকৰ ভিতৰৰ মানুহজনক আমি দেখিছো
এইবাৰ নিচেই ওচৰৰ পৰা।
তোমালোকৰ স্বৰূপটো
নিজেই ৰুগ্ন কৰি
আমাক প্ৰদৰ্শন কৰিছা।
তোমালোকৰ সাৰ গৰ্ভ বক্তৃতাৰ আঁৰত
ঠেক মনটোৰ পৰিচয়
আমি কিন্তু অনুভৱ কৰিছো
আমি লাজ পাইছো। তোমালোকেও এদিন পাবা।
উচ্চ পদবী, উচ্চ শিক্ষাৰ ডিগ্ৰীৰে
তোমালোকে কৰা বিলাসিতা ভুৱাখিনি
আমাৰ চকুত পৰিছে, আমি দুখ পাইছো।
নৈতিক দায়িত্ব কৰ্ত্তব্যৰ পৰা
তোমালোক স্খলিত হৈছা,
তোমালোকে ভবা নাই। আমি ভাবিছো।
ধৰা পৰাকৈ তোমালোক কৃত্ৰিম হৈ পৰিছা
সকলোৰে চকুত পৰিছে তোমালোকৰ পৰা নাই।
পদবীৰ এটি লালায়িত তোমালোকৰ অন্তৰ্দ্বন্দ্ব
নিজৰ অন্যায় উচ্চাকাঙ্ক্ষা, সামন্তবাদী মনটো
অভিব্যক্তিৰ স্পষ্ট হৈ পৰিছে। আমি দেখিছো।



OKDISCD

প্ৰস্তুতি চলাই আছো.

জানা, তোমালোকৰ পিছত এচাম নতুন মানুহ আছে
এই নতুন মানুহচাম সদায়ে আহিব।
তোমালোকৰ প্ৰকৃত স্বৰূপটো এই নতুন চামে উদঙাই দিলে
তোমালোকৰ ফালে চাই জগতে হাঁহিব। বেয়াকৈ কিৰিলিয়াব।
আচল কথা
তোমালোকক আমি চিনি পাইছো
আমি সাৰে আছো। বিপ্লৱৰ প্ৰস্তুতি চলাই আছো।
এই প্ৰস্তুতি ৰক্তাক্ত বিপ্লৱৰো হব পাৰে।
এই বিপ্লৱত
আমি মৰিলেও তোমালোকক মাৰিহে যাম।

—×—

## অহা সংখ্যাত

**বিজন লাল চৌধুৰীৰ—প্ৰবন্ধ—অসমীয়া বুদ্ধিজীৱি ঃ জোনাকী যুগ।**
**বিপ্লৱ ৰূপক বৰুৱাৰ—একাংকিকা—সিহঁত সূৰ্য্য**
**এম এস প্ৰভাকৰৰ—পুথি সমীক্ষা—উলিয়াম হিনটনৰ ফেনস্কেন কিতাপখন**
**মুকুট ভট্টাচাৰ্য্যৰ—উপন্যাসিক—গতি**
**যামিনী ফুকনৰ—প্ৰবন্ধ—শ্বেক্সপিয়েৰ আৰু তেওঁৰ সমাজ**



# এটি শুই পৰা ৰাজপথ

জগন্নাথ পাঠক

যন্ত্ৰনাৰ শিবিৰৰ পৰা মুক্তি নোপোৱা
বিক্ষত মনটোয়ে মোৰ
স্মৃতিৰ দুৱাৰ মুকলি দিছিল
দেখিছিলোঁ—
সিহঁত আগুৱাই যোৱা
কেচাঁ তেজত ভিজি উঠা ৰাজপথটি ;
চেকুৰা চেকুৰ তেজত বিৰিঙি উঠা
কেইখন মান অস্পষ্ট মুখ,
ব্যৰ্থ হিয়াৰে আঁতৰি যোৱা
সিহঁতে যেন মোক
কিবা কৰলৈ বিচাৰিছিল।

মই আগুৱালোঁ
কেচাঁ তেজৰ ওপৰত শুই পৰা মৰাশ বোৰ ডেই।
এচাটি অচিন বতাহে মোক কোবাইছিল
বাৰে বাৰে।

সিহঁত থমকি ৰোৱা নাছিল।

ঘুৰি চাই মই বিদায় দিছিলোঁ
পুৰণি যন্ত্ৰনাবোৰক।

—×—



OKDISCD

# উপলব্ধি

অমৃত সাগৰ দিহিঙীয়া

এতিয়া সময় আহিছে
তুচকুৰ পতাত নিলীন হৈ থকা তন্দ্ৰালস্য
দূৰ হোৱাৰ। দূৰৈৰ ক'ৰবাৰ বাঁহীৰ সুৰ ভাহি আহিছে
অজান সুৰদী সুৰ—।
আমি বাৰু বহু সময় শুলো নেকি?
জোনবাইৰ দেশৰ তুলসী হৰিণৰ সাধু কোৱা
ককাইঁতৰ দৰে সিহঁতেও আমাক নিচুকাইছিল,
বহু বহু মিঠা কথাৰে—।
আমি পতিয়ণ গৈছিলা
অবোধ শিশুৰ দৰে।
সিহঁতে হাঁহিছিল.........।
কিন্তু, ধূদৰ লক্ষ্যাই আহি ধৰা দিছে
চাৰিওফালৰ লৌহ কঠিন আবেষ্টনী
ভাঙিবই লাগিব,
আৰু আমাৰ বুকুত থকা সিহঁতৰ
মিঠা মিঠা কথাৰ শিকলি—
আমি আগুৱাই যাম
অদূৰৰ লক্ষ্যক ধিয়াই—।

— :: —



# এৰাতিৰ কবিতা

অশোক কুমাৰ বৰঠাকুৰ

জিৰণি ঘৰৰ চাকি দূৰণিত
টুং টাং বাজে গৰুৰ ডিঙিত
ওচৰ চপাৰ সুৰ
ওলমি লেমত এথোপা পোহৰ
দুপাৰে ৰাতিৰ ভৰ
কমৰেড সাৰে আছা তুমি
আৰু সাৰে আছে সেই
পাহাৰ বগাই
সকলো দিনৰ নদী
আৰু জ্বলি আছে এই
জিৰণি ঘৰৰ চাকি
দূৰণিত
টুং টাং বাজে গৰুৰ ডিঙিত
ওচৰ চপাৰ সুৰ —

—×—

OKDISCD

# জুইৰ দৰে ঃ তীখাৰ দৰে

ফণীন্দ্ৰ নাথ গায়ন

মোৰ হৃদয়ত একুৰা জুই
চকুত আহত বাঘৰ হিংস্ৰতা,
প্ৰতিজ্ঞাত আৱদ্ধ মই
—নাশ হ'ল ক্লীৱতা ভীৰুতা!
তীখাৰ দৰে কঠিন মোৰ
মুষ্টিবদ্ধ দুহাতত
খামুচি ৰাখিছো
মানুহৰ মুক্তি প্ৰতীক
বিজয়ী পতাকা
—নাশ হল হৃদয়ৰ জড়তা।
তেজ মোৰ জুই হ'ল
শক্তি মোৰ তীখা হ'ল
মই কব নোৱাৰাকৈয়ে
মোৰ সত্বা
—এক ভিয়েটকং হ'ল॥

—×—



# গ্লেচিয়াৰ

ৰমেন ৰায়

নিঃসঙ্গ শীতৰ দ্বীপত
অকলশৰে মই
বহুদিন শুই আছিলোঁ।
মোৰ সমগ্ৰ সত্তাৰ
জুলিয়া প্ৰবাহ
গোটমাৰি হ'ল
বৰফৰ বিশাল স্তূপ।
অনেক দিনৰ মূৰত
হঠাতে সঞ্চাৰ হ'ল
মোৰ সমগ্ৰ দেহাত
কি যেন সেই
জুলীয়া উষ্ণ অনুভূতি।
আৰু সেই উষ্ণতাত
মোৰ দেহৰ শীতবোৰ
গলি গলি হ'ল
জুলীয়া তৰল।
তাৰপিছত মই দৌৰিবলৈ ধৰিলোঁ।
মোৰ চৌপাশে সাগৰৰ দুৰন্ত গতি।
আৰু কি সেই
জুলীয়া উষ্ণ অনুভূতি,
অনুভূতিৰ উষ্ণতাৰে
মাথোঁ অনুভব হ'ল
মোৰ সমগ্ৰ জুলীয়া অস্তিত্ব।
অনন্ত সাগৰৰ গতিশীল প্ৰবাহ।



OKDISCD

# কমৰেড্ তোমাৰ কবিতা

বিমল বৰা

পঁচিশ বছৰে কত জ্বালা যন্ত্ৰণা
পাটীৰে ঢাৰিতহে আমাৰ চেতনা।
কমৰেড্ !
মোক ৰেহাই দিবা ?
খেতিয়কৰ লৰা মই
দেৰিকৈহে বুজোঁ।
মোৰে হাতৰ কাঁচিখনৰ প্ৰতি ৰেপত
তোমাৰ কবিতা
কবিতাবোৰ গীত হয়
গীতবোৰ সুৰ হয়
সুৰবোৰে মুঠি মুঠি
পোহৰ বিলায়। আৰু—
পোহৰবোৰ ?
মোৰ পজা ঘৰৰ
ইকৰা বেৰৰ জলঙাৰে সৰকে
জুইৰ ফিৰিঙতিবোৰে উজ্জ্বল হৈ
পঁচিশ বছৰে কত কত জ্বালা যন্ত্ৰণা
পাটিৰে ঢাৰিতহে আমাৰ চেতনা।
কমৰেড্ !
মোক জগাই দিবা
খেতিয়কৰ লৰা মই
দেৰিকৈহে বুজোঁ।

—×—



# উইলিয়াম হিনটনৰ ফেনশ্বন কিতাপখন

এম এস প্ৰভাকৰ

( আগৰ সংখ্যাৰ পিছৰ পৰা )

( ২ )

কিতাপখনৰ বাকী পাঁচ খণ্ডত কৰ্মীবাহিনীয়ে গাঁৱলৈ অহাৰ পৰা গাওঁ এৰি যোৱা এই ১৭০ দিনত যিবোৰ ঘটনা ঘটিছে তাৰে ধাৰাবাহিক বিৱৰণ দিয়া হৈছে। আমি গাঁৱৰ একোজন খেতিয়কৰ ব্যক্তিগত জীৱনধাৰা লক্ষ্য কৰিহে এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক ক্ষমতাচ্যুত কৰাৰ আৰু পুৰণি শাসকশ্ৰেণীৰ ক্ষমতাৰ ঘাই শিপাডাল নিৰ্মূল কৰাৰ প্ৰকৃত তাৎপৰ্য্য উপলব্ধি কৰিব পাৰো। "বিপ্লব হ'ল গণঅভ্যুত্থান য'ত—বল প্ৰয়োগ কৰি এটা শ্ৰেণীয়ে আনটোক ক্ষমতাৰ পৰা বিতাৰিত কৰে।" "এইটো এটা ভোজমেল নহয় বা ৰচনা এখন লিখা নহয়। বিপ্লৱ অৰ্থ ছবি আঁকা বা কাপোৰত গুণাৰ বন কৰাও নহয়। ইমান মাজিত, ইমান ধীৰেসুস্থিৰে কৰা কামো নহয়। ইমান মিতাচাৰী, সদয়, শিষ্ঠাচাৰ সম্পন্ন, সীমিত আৰু উদাৰো হব নোৱাৰে।" লংবোত "বাগৰ সলোৱা" প্ৰক্ৰিয়াৰ ইয়াতকৈ ভাল বৰ্ণনা হব নোৱাৰে। ১৯৪৭ চনৰ ২৫ ডিচেম্বৰৰ মাওৰ "বৰ্তমান অৱস্থা আৰু আমাৰ কৰ্ত্তব্য" এই ভাষণত ব্যাখ্যা কৰা কৌশলৰ সংক্ষিপ্ত বৰ্ণনা এটা দি 'বাগৰ সলোৱাৰ' বিৱৰণ দিয়া হৈছে। সেই সময়ত অৰ্থাৎ চিয়াংকাইচেক চক্ৰৰ সম্পূৰ্ণ পৰাজয়ৰ আগতে মাওয়ে মিশ্ৰ অৰ্থনীতি আৰু যুক্ত চৰকাৰৰ ওপৰত জোৰ দিছিল। দৰাচলতে এই সময়ত ('বাগৰ সলোৱাৰ' কালছোৱা পৰ্য্যন্ত) মাওৰ ৰচনা আৰু বক্তৃতাৰ মূল বক্তব্য আছিল এইটোৱেই। "পাৰ্টিৰ বৰ্ত্তমান নীতি সম্বন্ধে কিছুমান গুৰুত্বপূৰ্ণ সমস্যাত" ( ১৮ জানুৱাৰী, ১৯৪৮ ) বিশেষকৈ ভূমি সংস্কাৰৰ ক্ষেত্ৰত তেওঁ উগ্ৰ বামপন্থী ভাৱধাৰাক গৰিহণাহে দিছে। আৰু আধা ডজনমান ৰচনা বিশেষকৈ "ছানচি চিউয়ানৰ মুক্ত অঞ্চলৰ কৰ্মী সকলৰ আলোচনী সভাত দিয়া বক্তৃতাত (১ এপ্ৰিল ১৯৪৮) তেওঁৰ মত স্পষ্টকৈ ফুটি ওলাইছে। মাওৱে এই ধৰণে অতি বামপন্থী বিচ্যুতি



OKDISCD

সম্বন্ধে সাৱধান বানী উচ্চাৰণ কৰি থকা অৱস্থাতো লুংবোৰ খেতিয়ক সকলে আৰু কৰ্মীবাহিনীয়ে যি ধৰণে কাম কৰিবলৈ লৈছিল তাক প্ৰায় আত্মঘাতী বামপন্থী বুলি কব পাৰি।

কৰ্মীবাহিনীয়ে খেতিয়কসকলৰ কামকাজ আৰু তেওঁলোকে যথেষ্ট পৰিমাণে 'বাগৰ সলাইছে' নে নাই কেবল এইবোৰৰ তদন্ত কৰা নাছিল, এওঁলোকে আৰু গাৱঁৰ পাৰ্টিৰ মুখ্য কৰ্মীবোৰে অবিশ্ৰান্তভাবে নিজৰ আৰু পৰস্পৰৰ দোষগুণ বিচাৰ কৰিব লাগিছিল। আচলতে কিতাপখনৰ অংশ তিনিটা পৰস্পৰ সংযুক্ত প্ৰসঙ্গেৰে ভৰা। প্ৰথম কথা হ'ল সকলো পাৰ্টিৰ কৰ্মীয়ে দুটা অধিবেশনত বিস্তাৰিত ভাৱে আত্মসমালোচনা আৰু পৰস্পৰৰ দোষগুণ বিচাৰ কৰি ডেওনা পাৰ হব লাগিছিল। জবৰদখল আৰু বিতৰণৰ পিছত কৰ্মীবাহিনীয়ে গাৱঁৰ খেতিয়ক সকলৰ শ্ৰেণীগত পৰিবৰ্ত্তনতো সহায় কৰিছিল আৰু শেষত কৰ্মী বাহিনীয়ে তেওঁলোকৰ এজনৰ জীৱন নাশৰ ৰহস্যজনক চেষ্টাৰ ঘটনাটো লৈ ব্যস্ত হৈ পৰিছিল। চুং চুআৰৰ হত্যাকৰা চেষ্টাৰ তদন্ত কৰিবলৈ গৈ গাৱঁৰ বহুতো কুলাঙ্গাৰৰ কথা ওলাই পৰিল। এওঁলোকৰ ভিতৰত প্ৰধান হ'ল চাৰিজন পাৰ্টিৰ কৰ্মী উ লাই, ওৱেনটে, হুংআৰ আৰু হেই উ। হত্যাৰ চেষ্টাৰ লগত এই চাৰিজন জড়িত থকা বুলি সন্দেহ কৰা হৈছিল, পিছে এই ঘটনাৰ লগত তেওঁলোক কিমান দূৰ জড়িত আছিল সেইটো নিশ্চিতভাবে জনা নগৈছিল। এওঁলোকৰ অপৰাধ, শাস্তিবিধান, কেনেকৈ তেওঁলোকক দোষ গুণ বিচাৰ কৰা অধিবেশনত হাজিৰ কৰা হৈছিল এইবোৰ ঘটনা ব্যক্তিগত ভাবে এওঁলোকৰ যি হৈছে তাতকৈ অধিক তাৎপৰ্য্যপূৰ্ণ। ইয়াৰ জৰিয়তে গাৱঁত বৈপ্লবিক চিন্তাধাৰাৰ উন্মেষৰ বিভিন্ন স্তৰবোৰ আমি অনুধাৱন কৰিব পাৰো। প্ৰাৰম্ভিক পৰ্য্যায়ত আগতে আৰম্ভ কৰা বিপথগামী উৎসাহ উদ্দীপনা একেধৰণে চলি থাকে। এই পৰ্য্যায়ৰ কথা তৃতীয় অধ্যায়ত বৰ্ণনা কৰা হৈছে। এই পৰ্য্যায়ত সকলোকে সমতুল্য কৰাৰ এক উগ্ৰ চেষ্টা কৰা হৈছিল। এই নীতি "বনুৱা আৰু নিছলা খেতিয়ক" নীতি হিচাপে বিখ্যাত হৈ পৰিছে। কৰ্মী বাহিনীয়ে আৰু পাৰ্টিৰ স্থানীয় কৰ্মীসকলে জমীদাৰ আৰু চহকী খেতিয়কৰ কথাতো বাদেই, মধ্যবিত্ত খেতিয়ককো বাদ দি কেৱল বনুৱা আৰু নিছলা খেতিয়কক অনুগ্ৰহ দেখুৱাৰ কাৰণে মাত্ৰাধিক উৎসাহ দেখুওৱা হৈছিল। অৱশ্যে





গৰিব মানুহবোৰক বিচাৰি উলিওৱাৰ বিশেষ নিৰ্দ্দেশ দিয়েই কৰ্মীবাহিনীক পঠিওৱা হৈছিল। কম্যুনিষ্ট পাৰ্টিৰ লুংচে প্ৰাদেশিক কমিটিৰ সম্পাদক চে এন এ নিজেই কৰ্ম্মীবাহিনীক এই বুলি কৈছিলঃ "যিজনে গাৱঁৰ গৰিব মানুহবোৰক সনাক্ত কৰি উলিয়াব নোৱাৰে তাৰ নিজৰ ভাতমুঠি খোৱাৰ যোগ্যতা নাই।" ইয়াৰ পিছত কি হব পাৰে সেই ভবিষ্যত বাণী কৰাটো সহজ কথা "বনুৱা আৰু আৰু নিছলা খেতিয়ক" সঙ্ঘ স্থাপন কৰাটোকেই প্ৰধান আৰু প্ৰথম কাম বুলি ধৰি লোৱা হ'ল। এই সঙ্ঘবোৰক সমাজৰ শ্ৰেণীগত চৰিত্ৰ সলনি কৰাৰ কামত আগ ভাগ লবলৈ উদ্গনি দিয়া হৈছিল। এই উদ্দেশ্যে যিবোৰ সভা সমিতি পতা হৈছিল তাৰ বৰ্ণনাও নিখুঁত। "সমাজ বিজ্ঞানৰ" দৰে নিৰস বিষয় এটা প্ৰাণবন্ত হৈ উঠা দেখি পুলকিত আৰু বিস্মিত হব লাগে। 'সমাজ বিজ্ঞান' সঁচাকৈ নিৰস সংখ্যাতত্ব নহয়। আমেৰিকাৰ পৰ্য্যবেক্ষকজনৰ নিজৰে যি পৰিবৰ্ত্তন হ'ল সেইটো সচাঁকৈয়ে চিত্তাকৰ্ষক। আমেৰিকাৰ ট্ৰেক্টৰ অভিযন্ত্ৰী এজনতকৈ চীনৰ গ্ৰাম্যজীৱনৰ প্ৰত্যেকটো দিশ সম্বন্ধে অজ্ঞ অইন কোনো হব নোৱাৰে। পিছে সকলো শ্ৰেণীৰ "বাগৰ সলোৱাৰ" এই প্ৰচেষ্টা ইমান ডাঙৰ যে ই পৰ্য্যবেক্ষকজনক অভিভূত আৰু সংক্ৰমিত নকৰাকৈ নাথাকে। কৰ্ম্মীবাহিনীৰ প্ৰতিজন কৰ্ম্মীৰ বিৰাট পৰিবৰ্ত্তন হয়। হিনটনো বাদ নাযায়। কৰ্ম্মীসকলে সকলো সময়তে এই পৰিবৰ্ত্তন সম্বন্ধে নিজেও সজাগ নহয়। অলপ অলপকৈ, যেনে ধৰক সৰ্ব্বনামৰ প্ৰয়োগৰ কিছু ব্যতিক্ৰম, এইদৰে পৰিবৰ্ত্তন হৈ গৈ থাকিল। শ্ৰেণীগত চৰিত্ৰ সলনি কৰাৰ উদ্দেশ্য পতা সভাসমিতিত লোমহৰ্ষক বিৱৰণ দাঙি ধৰা হৈছিল। একোটা পাৰিয়ালে যে কেনেকৈ জীৱন নিৰ্ব্বাহ কৰিছিল তাক কল্পনা কৰিব নোৱাৰি। চীন গ্ৰামাঞ্চলৰ পৰিয়ালৰ যি চিত্ৰ পোৱা যায় সেইটো অকল্পনীয়। লাও পাওঁ আৰু তেওঁৰ পৰিবাৰৰ কাহিনী, লো পাও উ আৰু তেওঁৰ ভায়েকৰ কাহিনী, গাভৰু ছোৱালী লি শ্বিন আইয়ে যে তেওঁৰ সম্বন্ধীয় ককায়েকৰ লগত পলাই গৈছিল সেই কাহিনী, এই সকলোবোৰ কাহিনীয়ে অবৰ্ণনীয় দুৰ্দশা আৰু শোষণৰ কথাকে প্ৰকাশ কৰে। মাৰ্চ্চৰ শেষলৈ এই শ্ৰেণীগত চৰিত্ৰ সলনিৰ কাম শেষ হয়। পিছে আচৰিত কথা যে কোনো দুখীয়া খেতিয়কে স্বীকাৰ নকৰে যে তেওঁ ইচ্ছানুযায়ী 'বাগৰ সলাব' পৰিছে। দেখাদেখিকৈ যিহেতু "বনুৱা আৰু আৰু



OKDISCD

নিছলা খেতিয়ক' নীতি পালন কৰা হৈছে, নিছলা খেতিয়কৰ শ্ৰেণীভূক্ত হৈ থকা বুলি দেখুৱাব পৰাটো লাভজনক।

প্ৰথম শ্ৰেণীগত চৰিত্ৰ সলনিৰ কাম, তাৰ পিছত 'ডেওনা পাৰ হোৱাৰ' কাম আৰম্ভ হয়। এই সভাত বিভিন্ন পাৰ্টি কৰ্ম্মীৰ অত্যন্ত কটু সমালোচনা কৰা হয়, তেওঁলোকেও অতি নিৰ্মম ভাৱে আত্মসমালোচনা কৰে। উদাহৰণ স্বৰূপে গণবাহিনীৰ সেন শ্বিয়ে যেনেকৈ আত্মসমালোচনা কৰে সেইটো একাধাৰে ঔদ্ধত্যপূৰ্ণ আৰু ঘিণলগা ধৰণৰ। সকলো দায়িত্বশীল কৰ্ম্মীয়ে আত্মসমালোচনা-মূলক ৰিপৰ্ট দাখিল কৰে। পিছে আচৰিত কথা এই যে শেষ পৰ্য্যন্ত ইয়াৰ ফল কিন্তু ভালেই হৈছিল। "টালিবাজিতকৈ সত্যবাদিতাক মানুহে অধিকতৰ প্ৰত্যয় দিয়ে।" আঠ দিন ধৰি শুনানি চলে। ইয়াৰ ভিতৰতে প্ৰায় সকলো-বোৰ কৰ্ম্মীয়ে 'দেওনা পাৰ হয়'। অৱশ্যে চকুত পৰা ব্যতিক্ৰম হ'ল মেন শ্বি। কিতাপখন পঢ়িলে প্ৰতিটো চীনৰ বিপ্লবৰ বৈশিষ্ট্য যে কি সেইটো বুজা যায়। এইটো হ'ল প্ৰতিটো দিশৰ লগতেই জনগণ আন্তৰিক ভাৱে জড়িত। কিন্তু পাৰ্টি আৰু জনগণৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো সঁচাই টান। এই ক্ষেত্ৰত মাও ছে তুঙৰ মতানুযায়ী পাৰ্টিক জনগণৰ সমুখত থিয় কৰাই দিয়া হৈছিল। মাওৰ মত হ'ল '**জনগণেই হ'ল আচল কৰ্ম্মী। আমি বহু ক্ষেত্ৰত অপৈণত আৰু অজ্ঞ। এই বোধ নাথাকিলে প্ৰাথমিক জ্ঞানখিনি লাভ কৰাও অসম্ভৱ।" মেহনতী মানুহৰ আগশাৰীত থাকি পাৰ্টিয়ে জনগণক পৰিচালনা কৰিলেও জনগণেও পাৰ্টিক পৰিচালনা কৰে।** চীনৰ বিপ্লবৰ কালছোৱাত আৰু তাৰ পিছতো, জনগণক পৰিচালনা কৰা আৰু জনগণৰ দ্বাৰা পৰিচালিত হোৱা, এই দ্বন্দ্বমূলক পদ্ধতিৰ মাজেৰে পাৰ্টি আগবাঢ়ি আছে। এই দুয়োফালে গতিশীল পদ্ধতিৰ ব্যাখ্যা দি মাওয়ে এনেকৈ কৈছে: "**বিভিন্ন মানুহৰ মতামত সংগ্ৰহ কৰি সেইবোৰ আকৌ ৰাইজৰ সমুখত দাঙি ধৰিব লাগে, ব্যাখ্যা কৰি ৰাইজৰ গ্ৰহণযোগ্য কৰি তুলিব লাগে যাতে ৰাইজে এই মতবোৰক নিজৰ বুলি আকোৱালি লয়, সক্ৰিয় সমৰ্থন আগবঢ়ায় আৰু কাৰ্য্যত পৰিণত কৰি শুদ্ধাশুদ্ধ বিচাৰ কৰিব পাৰে; এই প্ৰক্ৰিয়াৰ পুনৰাবৃত্তি কৰি গৈ থাকিব লাগে। বাৰেবাৰে ৰাইজৰ মতামত বিশ্লেষণ কৰি সাৰাংশখিনি**





**ৰাইজৰ আগত দাঙি ধৰিব লাগে যাতে ৰাইজে ইয়াক সৰ্ব্বান্তকৰণে সমৰ্থন কৰে। এনেকৈ প্ৰতিবাৰ মতামতবোৰ অধিকতৰ শুদ্ধ হয়, শক্তিশালী আৰু সাৰ্থক হয়।"**

কিন্তু লংবোত পাৰ্টিৰ কৰ্ম্মীৰ সমালোচনা অতিশয় কঠোৰ হৈ উঠিছিল। এপ্ৰিলৰ শেষত লুচেং প্ৰদেশৰ গাৱঁৰ কৰ্ম্মীবাহিনীবোৰৰ অধিবেশনত লংবোৰ খেতিয়কসকলক আৰু কৰ্ম্মীবাহিনীক দুটা বিষয়ে বামপন্থী—আওবাটে যোৱা বুলি অভিযোগ কৰা হয়। প্ৰথমটো হ'ল মধ্যবিত্ত খেতিয়কৰ কথা আওকান কৰি "বনুৱা আৰু নিছলা খেতিয়ক" নীতিৰ প্ৰয়োগ হৈছে আৰু দ্বিতীয়ত "চৰম একীকৰণ" নীতি ইমান কঠোৰ ভাৱে অনুসৰণ কৰা হৈছে যে ক্ষণিকৰ সামান্য ভুলৰ কাৰণে পাৰ্টিৰ নিষ্ঠাবান কৰ্ম্মীকো জগৰীয়া কৰা হৈছে। লুচেঙৰ অধি-বেশনখন আছিল কেৱল কৰ্ম্মীবাহিনীৰ সদস্যসকলৰ মাজত সীমাবদ্ধ আত্ম-সমালোচনা আৰু দোষগুণ বিচাৰ কৰাৰ উচ্চ পৰ্য্যায়ৰ অধিবেশন। এই অধিবেশনৰ উদ্দেশ্য আছিল শিক্ষকসকলক শিক্ষিত কৰি তোলা। ইয়াত আগৰ ভুল ত্ৰুটি সংশোধন কাৰ নতুন নীতি গ্ৰহণ কৰা হয়। এই নীতি হ'ল জমিদাৰ আৰু চহকী খেতিয়কৰ বিৰুদ্ধে বনুৱা আৰু নিছলা খেতিয়কক এক গোট কৰা। চীনৰ দৰে কৃষি প্ৰধান দেশ এখনত এই নতুন নীতিৰ শুদ্ধতা সম্বন্ধে সন্দেহ কৰিবলগীয়া একো নাই। মাওয়ে কৈছে: "**দুখীয়া খেতিয়কৰ ওপৰত নিৰ্ভৰ কৰা, মধ্যবিত্ত খেতিয়কসকলকো একেলগ কৰা, সামন্ততান্ত্ৰিক বিৰুদ্ধ শক্তিৰ লগত সহযোগকাৰি সামন্ততান্ত্ৰিক ভূমি ব্যৱস্থা ধ্বংস কৰা। তাৰ পাছত 'নাঙল যাৰ মাটি তাৰ' এই নীতিৰ প্ৰয়োগ আৰম্ভ কৰা।**" এই নতুন নীতিৰ ফলত এক নতুন শ্ৰেণীৰ খেতিয়কৰ উদ্ভৱ হ'ল। এওঁলোক হ'ল 'বাগৰ সলাই' মধ্যবিত্ত শ্ৰেণীলৈ উত্তীৰ্ণ হোৱা দুখীয়া খেতিয়ক। ইউ লাই, ওয়েন টে আদি বিপথগামী পাৰ্টিৰ কৰ্ম্মীক অতিশয় কঠোৰ শাস্তি দিয়াৰ কাৰণে কৰ্ম্মীবাহিনীক কটু সমালোচনা কৰা হয়। তেওঁলোকক মুক্তি দিয়া হ'ল। ৰাইজৰ আগত থিয় হৈ মুকলি ভাৱে ৰাইজৰ সমালোচনা শুনি তেওঁলোকক 'ডেওনা পাৰ' হৈ নিজৰ স্বভাৱৰ পৰিবৰ্ত্তন কৰিবৰ সুযোগ এটাও দিয়া হ'ল মে'ৰ ১ তাৰিখে লংবোলৈ উভতি আহি কৰ্ম্মীবাহিনীয়ে এই পৰিবৰ্ত্তিত নতুন নীতি প্ৰয়োগৰ কাম হাতত ল'লে।



OKDISCD

কৰ্মীবাহিনীয়ে এই কাম কি দৰে কৰিছিল কিতাপৰ পঞ্চম খণ্ডত তাৰেই বৰ্ণনা দিয়া হৈছে। কাৰণ কৰ্মীবাহিনীয়ে গাৱঁৰ মানুহৰ বিৰূপ সমালোচনা শুনিবলগীয়া হৈছিল আৰু বাহিনীৰো কিছুসংখ্যক অসন্তুষ্ট সদস্যৰ লগত ৰফা কৰিবলগীয়া হৈছিল। এই সদস্যবোৰৰ ক্ষোভ হ'ল যে প্ৰাদেশিক কমিটিয়ে আগতে নিজেই জাৰি কৰা নিৰ্দেশবোৰ আক্ষৰিক ভাবে মানি চলাৰ কাৰণে সেই কমিটিয়েই এতিয়া তেওঁলোকক দোষাৰোপ কৰিছে।

শ্ৰেণীগত চৰিত্ৰসলনিৰ দ্বিতীয় অধিবেশনক লৈ দিগদাৰী বিশেষ হোৱা নাছিল কিন্তু দ্বিতীয়বাৰ "ডেওনা পাৰ হোৱাৰ" ক্ষেত্ৰত সেই কথা নাখাটে। উ লাই আৰু তেওঁৰ ল'ৰাৰ গণবিচাৰৰ কথাৰে ডাঙৰ সমস্যাৰ উদ্ভৱ হ'ল। প্ৰাদেশিক কমিটিৰ নিৰ্দেশ অনুসাৰে তেওঁলোকক মুক্তি দিয়া হৈছে কিন্তু গণবিচাৰৰ কাৰণে গাৱঁৰ কোনো মানুহে তেওঁলোকৰ বিৰুদ্ধে গোচৰ আনিবলৈ সাহস নকৰে। শেষ পৰ্যন্ত উ লাইৰ বোৱাৰীয়েকে যথেষ্ট সাহস গোটাই প্ৰকাশ্যে তেওঁলোকৰ স্বৰূপ উদ্‌ঘাটন কৰি দিয়ে। উ লাইৰ বোৱাৰীয়েকে তেওঁলোকৰ জঘন্য কাৰ্য্যকলাপৰ কথা প্ৰকাশ কৰি দিয়াত বাকীবোৰেও সাহস পায়। বাপেক আৰু পুতেকৰ পাপৰ শাস্তি হ'ল। যিবোৰ নিৰ্দোষী মানুহ "দালালৰ টুপি" পিন্ধি ফুৰিব লগীয়া হৈছিল, নীৰবে মাৰ খাবলগীয়া হৈছিল আৰু অত্যাচাৰীহঁতৰ প্ৰতি কমুনিষ্ট পাৰ্টিৰ নৈতিক সমৰ্থন আছিল বুলি ভাবি প্ৰতিবাদ কৰিব পৰা নাছিল তেওঁলোকেও এতিয়া মুখ খুলিলে। এইদৰে পাৰ্টিৰ উদ্ধত প্ৰকৃতিৰ এই কৰ্মীবোৰৰ আচল ৰূপ ওলাই পৰিল। তেওঁলোকক অৱশ্যে কঠোৰ শাস্তি দিয়া নহল। সৰহ সংখ্যক মানুহক নিজৰফলীয়াকৈ অনাৰ নিৰ্দেশ মনত ৰাখি ওয়েন টে আৰু হুং আৰ' অক বহিষ্কৃত কৰ্মীৰ কাৰণে নিৰ্দিষ্ট শিক্ষাকেন্দ্ৰত ভৰ্তি কৰাবলৈ চুপাৰিচ কৰা হ'ল। আৰু উ লাইৰ মামলাটো জনকংগ্ৰেছে বিচাৰ কৰিব বুলি মুলতুবি ৰখা হ'ল।

গাৱঁৰ জনকংগ্ৰেছ প্ৰতিষ্ঠা কৰাটো হ'ল স্বায়ত্বশাসন প্ৰতিষ্ঠাৰ চূড়ান্ত পৰ্য্যায়। এঘাৰখন গাৱঁৰ কৰ্মীবাহিনীৰ মিটিঙত তিনিটা স্তৰত আগবাঢ়িবলৈ সিদ্ধান্ত কৰি নিৰ্দেশ দিয়া হ'ল। থুলমূলভাবে এই নিৰ্দেশবোৰ হ'ল: (১) গাৱঁত দুখীয়া খেতিয়কৰ সঙ্ঘ পাতি গাওঁ শ্ৰেণী বিভাগ কৰা। (কিমান দুখীয়া খেতিয়ক আছে সেই অনুসাৰে।) (২) শক্তিশালী প্ৰাদেশিক কৃষক সভা গঠন কৰি





ইয়াৰ অন্তৰ্ভুক্ত গাওঁবোৰ কোনখন কোন শ্ৰেণীত পৰে স্থিৰ কৰা। (৩) গাৱঁৰ গ্ৰাম্য কংগ্ৰেছ পাতি গাওঁখন কোন শ্ৰেণীৰ সেই কথাটো চূড়ান্ত ভাবে আকৌ এবাৰ নিৰ্ণয় কৰা। কি ভাবে গ্ৰাম্য সংগঠনৰ সম্প্ৰসাৰণ ঘটি আছে সেই কথা সহজেই লক্ষ্য কৰিব পাৰি। প্ৰথমে বনুৱা আৰু নিছলা খেতিয়কক লৈ কাম আৰম্ভ হ'ল, তাৰপিছত মধ্যবিত্ত খেতিয়ককো সামৰি লোৱা হ'ল আৰু শেষত গাৱঁৰ সকলো শ্ৰেণীৰ মানুহকে সামৰি লোৱা হ'ল।

কিতাপৰ ষষ্ঠ খণ্ডত "বনুৱা আৰু নিছলা খেতিয়ক" নীতি প্ৰত্যাহাৰৰ সপক্ষে তাত্বিক যুক্তি দিয়া হৈছে। গাৱঁৰ প্ৰতিনিধিত্বমূলক সংস্থাবোৰৰ ভিত্তি লাহে লাহে সম্প্ৰসাৰণ কৰাৰ কথাও কোৱা হৈছে। গাৱঁৰ মানুহে কৰা বেচি ভাগ ভুলৰ উৎপত্তি হৈছিল সকলোকে একে সমান কৰাৰ এক উগ্ৰ নীতি অনুসৰণ কৰাৰৰ ফলত। লু চেঙৰ দ্বিতীয় প্ৰাদেশিক অধিবেশনত সম্পাদক চে, এনে আৰু এখন আত্মসমালোচনামূলক ৰিপোৰ্ট দাখিল কৰে। সেইবোৰ দিনৰ ফালে চাই আমি লক্ষ্য কৰোঁ যে লংবো আৰু মুক্ত অঞ্চলৰ আৰু হাজাৰ হাজাৰ গাৱঁত যি পৰিবৰ্তনৰ ঢৌ আহিল সেই একে সময়তে বহু যুগ পিছত হঠাতে মুক্তি লাভ কৰা মানুহৰ স্বাভাৱিক প্ৰবৃত্তি, চৰম বাওঁপন্থী আওবাটেৰে যোৱাৰ বিপদ সম্বন্ধে মাওয়ে বাৰংবাৰ সাৱধান বাণী উচ্চাৰণ কৰি আছিল। ১৯৪৮ চনৰ এপ্ৰিলৰ ১ তাৰিখে কৰ্মী সন্মিলনত তেওঁ এই সম্বন্ধে যি ভাষণ দিছিল সেইটো আটাইতকৈ গুৰুত্বপূৰ্ণ। তেওঁৰ এই ভাষণ আৰু যোৱা কেইমাহমানত গাওঁ অঞ্চলত কাম কৰি যি অভিজ্ঞতা হ'ল তাৰ পৰিপ্ৰেক্ষিতত প্ৰাদেশিক কমিটিয়ে এই সিদ্ধান্তত উপনীত হ'ল যে গাৱঁৰ দুখীয়া খেতিয়কৰ 'বাগৰ সলোৱা' কাম ইতিমধ্যে সম্পূৰ্ণ হ'ল। অৱশ্যে এইটো কথা কব লাগিব যে যদিও কৰ্মীসকলে নিজৰ ভুলত্ৰুটি সম্বন্ধে গতানুগতিক ধৰণে আত্মসমালোচনা কৰি আছিল আৰু যদিও নিছলা খেতিয়কৰ প্ৰতি বেচি মনোযোগ দিয়া হৈছিল তথাপিও, সৰহ সংখ্যক দুখীয়া খেতিয়কে যে 'বাগৰ সলাবলৈ' সমৰ্থ হৈছিল সেইটো হ'ল এই 'সাম্প্ৰদায়িক নীতি' অনুসৰণ কৰাৰ ফল। অন্যায় কিছু হৈছিল সেই সম্বন্ধে সন্দেহ নাই। জমিদাৰ আৰু চহকী খেতিয়কৰ প্ৰতি বৰ বেছি কঠোৰতা দেখুওৱা হৈছিল, আনকি মধ্যবিত্ত খেতিয়কবোৰকো বিৰূপ কৰি তোলা হৈছিল, এইটোও সঁচা। পিছে এই উগ্ৰ



OKDISCD

'নিছলা খেতিয়ক' নীতি লোৱাৰ ফলত লাভো কিছু হৈছে। গতিকে মাওৰ পন্থা অনুসাৰে এতিয়া অলপ বিৰতি লব পৰা অৱস্থা হৈছে, বিপৰীত দিশত অলপ ঢাল খাব পৰাও হৈছে। তাৰ আগতে এই শেষ বাৰলৈ 'ডেওনা পাৰ হোৱা' আৰু গ্ৰাম্য গণকংগ্ৰেছৰ দ্বাৰা গাওঁৰ শ্ৰেণীবিভাগ চূড়ান্তভাৱে নিৰ্ণয় কৰাৰ গুৰুত্ব নোহোৱা নহয়। 'বনুৱা আৰু নিছলা কৃষক' সঙ্ঘ, কৃষক সভা, নাৰীসমিতি, কমুনিষ্ট পাৰ্টিৰ গ্ৰাম্য শাখা, আগতে এইবোৰৰ সভ্য হব পৰাটো এক বিশেষ শ্ৰেণীৰ মানুহৰ মাজত সীমাবদ্ধ আছিল কিন্তু এই গ্ৰাম্য গণকংগ্ৰেছত গাৱঁৰ সকলো শ্ৰেণীৰ মানুহ আছিল। এই গ্ৰাম্য গণকংগ্ৰেছৰ গঠনৰ শ্ৰেণীগত চৰিত্ৰ লক্ষ্য কৰিলেই গম পোৱা যাব যে 'বাগৰ সলোৱা' কামটো অথলে গৈছে নে, ই গাৱঁৰ গণমানসত সচাকৈ কিবা প্ৰভাৱ পেলাব পাৰিছে।

গাৱঁৰ মানুহ, পাৰ্টি, কৰ্মী সকলোৰে আপাত দৃষ্টিত এটা অসাধ্য কাম কৰিবলৈ ওলাইছে। গৰিব মানুহবোৰক 'বাগৰ সলাইছে' বুলি পতিয়ন নিয়াব পাৰিলেই নহব, যিবোৰ মধ্যবিত্ত খেতিয়কৰ ভূসম্পত্তি অন্যায় ভাৱে জব্দ কৰা হৈছে সিহঁতকো পুনঃ প্ৰতিষ্ঠা কৰিব লাগিব। বৰ কঠিন সমস্যা। কৰ্মীবাহিনীৰ নতুন নেতা হৈ টে-এই-চিন অহাত সমস্যাটো নিশ্চয় সহজ নহল। "পোতক তোলা' সময়ছোৱাত তেওঁ নিজেও যথেষ্ট দুৰ্ভোগ ভুগিছে। উগ্ৰ বাম পন্থী নীতিৰ ফলত তেওঁৰ ভায়েকক কোবাই শেষ কৰা হৈছিল, আইতাকক গাৱঁৰ পৰা খেদি দিয়া হৈছিল, আচলতে তেওঁৰ গোটেই পৰিয়ালটোৱেই খতম হৈ গৈছিল। এই মেজাজী মানুহজনৰ তত্ত্বাবধানত শেষ ডেওনা পাৰ হোৱাৰ ব্যৱস্থা কৰা হয়। গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্ব্বাচিত গ্ৰাম্য গণকংগ্ৰেছে চূড়ান্ত ভাৱে গাৱঁৰ শ্ৰেণীবিভাগ নিৰ্ণয় কৰাৰ কাম হাতত লয়। গাৱঁৰ মানুহৰ ওপৰত ৰাজনৈতিক শিক্ষাৰ প্ৰভাৱ কিমানখিনি পৰিছে তাৰ প্ৰমাণ পোৱা যায় তলত উল্লেখকৰা ঘটনাটোত। চূড়ান্ত শ্ৰেণীবিভাগ কৰাত যেতিয়া বিধবা ইউ পু হোক চহকী খেতিয়ক শ্ৰেণীভুক্ত কৰা হয় তেতিয়া গাৱঁৰ এদল মানুহে তেওঁৰ অতিৰিক্ত সা-সম্পত্তি কাঢ়ি লোৱাৰ উদ্দেশ্যে তেওঁৰ ঘৰ খানাতলাচ কৰিবলৈ যায়। এই তিৰোতাজনী আছিল অতিশয় টেঙৰ। তেওঁৰ ধন সম্পত্তি যে লুকাই হৈছিল তেনে নহয়, তেওঁৰ যিমানবোৰ ভাল ভাল পোচাক





পাতি আছিল সেইবোৰো তেওঁৰ ছোৱালীজনীয়ে পিন্ধিবপৰাকৈ সলাই লৈছিল। গৰিব খেতিয়কৰ লগত বিয়া হোৱা কাৰণে ছোৱালীজনীক যদিও দুখীয়া খেতিয়ক শ্ৰেণীভুক্ত কৰা হৈছিল তেওঁ পিছে মাকৰ দোষ ঢাকি থলে। বিপ্লৱৰ প্ৰথম পৰ্য্যায়ত এনেকুৱা ব্যৱহাৰ কৰা হলে ভাল পিটন দিয়াৰ ব্যৱস্থা কৰা হ'ল হয়। কিন্তু এতিয়া কি কায়দাত যে তিৰোতাজনীয়ে গাৱঁৰ মানুহক ভুৱা দিছে সেইটো দেখি খং উঠিলেও মেনশ্বি পৰ্য্যন্ত নিজকে সংযত ৰাখি কেৱল গালাগালি কৰি সন্তুষ্ট হ'ল।

কিতাপখনৰ যিটো অধ্যায়ত বিশেষকৈ মধ্যবিত্ত খেতিয়কৰ পৰা অন্যায় ভাবে জব্দ কৰা মালবস্তু ফিৰাই দিয়াৰ কথা লিখা হৈছে তাত দেখুওৱা হৈছে যে ফিৰাই দিয়াতকৈ ফিৰাই দিয়াৰ ভঙ্গীটোৱেই আচল। যিবোৰ বস্তু ফিৰাই দিয়া হৈছিল তাৰ দাম ৭০০ ডলাৰমান হব। ছোৰেটাৰ এটাৰ কথাই ধৰকচোন। লংবো মুক্ত কৰাৰ পিছত তাৰ পুতলা চৰকাৰৰ মূখীয়াল শ্বেন চি মেইক প্ৰাণদণ্ড দিয়া হৈছিল আৰু তেওঁৰ মৃতদেহৰ পৰা গণ-বাহিনীৰ শেন উ শ্বিনে এই ছোৰেটাৰটো কাঢ়ি লৈছিল। সামান্য বস্তু। উ শ্বিনে ৰাখক বুলি কিছুমানে কৈছিল কিন্তু অইনে সেই কথা নামানিলে। এইটো হ'ল ৰাইজৰ সম্পত্তি, ফিৰাই দিবই লাগিব। তাৰপিছত চেং শ্বুনে অন্যায় ভাৱে জব্দ কৰা গৰুগাড়ীখনৰ কথা লৈ কিমান জটিল আলাপ আলোচনা। 'পোতক তোলাৰ' কালছোৱাত ওয়াই লাই শ্বুনৰ জব্দ কৰা মালবস্তুৰ পৰা সি হেনো গাড়ীখন যি দামত কিনিছে সেইটো অবিশ্বাস্য ধৰণে সস্তা। গণতান্ত্ৰিক পদ্ধতিৰে এই মামলাৰো নিস্পত্তি কৰা হয়। অন্যায়ভাৱে লাভ কৰা পইচাখিনি সি ফিৰাই দিলে, আৰু গাড়ীখনৰ এটা দামো ঠিক কৰি তাৰ পৰা আদায় কৰা হ'ল। এনেকুৱা সৰুসুৰা অসংখ্য ঘটনাৰ মাজেদি বৈপ্লৱিক চীনৰ ৰাজনৈতিক জীৱন গঢ়ি উঠিছে।

চীন কমুনিষ্ট পাৰ্টিৰ লুচেং প্ৰাদেশিক সমিতিৰ সম্পাদকে ক'লে কি হব? 'বাগৰ সলোৱা' কাম একেবাৰে শেষ হোৱা নাছিল। 'বাগৰ সলোৱা'ৰ অৰ্থ কেৱল লংৱোৰ খেতিয়ক সকলৰ মাজত মাটিৰ মালিকী স্বত্বৰ পৰিবৰ্ত্তন কৰাৰ মাজতে সীমাবদ্ধ নহয়। মালিকী স্বত্বৰ আহিঁৰ পৰিবৰ্ত্তন হৈছিল, ভালকৈ হৈছিল। হিনটনৰ কিতাপৰ ৫৯২ পৃষ্ঠাৰ তালিকাখন চালেই কথাটো পৰিষ্কাৰ



OKDISCD

হব। পিছে আচল 'বাগৰ সলোৱাৰ' অৰ্থ আৰু গভীৰ। ভূমি সংস্কাৰৰ গুৰুত্ব নুই কৰিব নোৱাৰি। ইয়াৰ ফলত দুখীয়া খেতিয়ক এজনে যে মধ্যবিত্ত খেতিয়ক হোৱাৰ মৰ্য্যাদা পাইছিল সেইটো একমাত্ৰ ডাঙৰ কথা নহয়। হিনটনে কোৱা মতে ভূমি সংস্কাৰে গাওঁ অঞ্চলৰ উৎপাদনকাৰীসকলৰ মাজত মোটামুটি সমতা এটা আনি দি তেওঁলোকক বাট এটা বাছি লোৱাৰ ব্যৱস্থা কৰি দিলে। ব্যক্তিগত চেষ্টাৰ জৰিয়তে ধনতন্ত্ৰৰ পথ নে সমূহীয়া প্ৰচেষ্টাৰ জৰিয়তে সাম্যবাদৰ পথ? মূল কথা হ'ল উৎপাদন আৰু কি ভাৱে এই উৎপাদন ব্যৱস্থা সংগঠন কৰা হব সেইটো।

লংবোৰ খেতিয়কসকলে কোন পথ লব সেইটো তেতিয়াও স্পষ্ট হৈ উঠা নাই। পিছে এইটো খাটাং যে সামন্তৱাত্ৰিক ব্যৱস্থাৰ অবসান ঘটিছে। সামন্ততান্ত্ৰিক ব্যৱস্থাৰ অৱসানৰ আশু প্ৰতিক্ৰিয়া হিচাপে উগ্ৰ বামপন্থী কৰ্ম্মপন্থাৰ উদ্ভৱ হৈছিল। জমীদাৰবোৰক উচ্ছেদ কৰা হৈছে যেতিয়া তেতিয়া তৎক্ষণাৎ সাম্যবাদ প্ৰতিষ্ঠা কৰিব পৰা যাব, এই সৰল বিশ্বাসৰ পৰা এইটো হৈছে। এই অৱস্থাত শুদ্ধ পথেৰে পৰিচালনা কৰাৰ দায়িত্ব হ'ল কমুনিষ্ট পাৰ্টিৰ। এইক্ষেত্ৰত কমুনিষ্ট পাৰ্টিয়ে পৰিচালনা নকৰা হ'লে দুৰ্ব্বল আৰু অকামিলা খেতিয়কসকলে উন্নতিশীল লগৰীয়াবোৰক তেওঁলোকৰ শত্ৰুৰ ফালে খেদি পঠিয়ালে হেতেন। এনেকুৱা হ'লে গাৱঁত থকা, সঁচাকৈ যুজিব পৰা, কামত আগ্ৰহ থকা আৰু সফল নেতৃত্ব দিব পৰা সকলো মানুহৰ চিন নোহোৱা হ'ল হেতেন। এই ভুল কৰা হ'লে খেতিয়কসকলৰ মাজত দলাদলি আৰম্ভ হৈ গ'ল হেতেন। আত্মীয়তাৰ সূত্ৰ, ধৰ্ম্মৰ ভিত্তি, ব্যক্তিগত প্ৰভাৱ প্ৰতিপত্তি, সাম্প্ৰদায়িক আনুগত্য এনেবোৰ বিভিন্ন ধৰণে খেতিয়কসকল বিভিন্ন দলত ভাগ হৈ গ'ল হেতেন। আৰু ইয়াৰ ফলত বিভিন্ন দলবোৰৰ মাজত অন্তহীন কাজিয়াৰ সৃষ্টি হ'ল হেতেন! খেতিয়কসকলৰ ন্যায় আৰু সুবিচাৰ পোৱাৰ প্ৰত্যাশা আছিল বৰ ডাঙৰ কিন্তু দেশৰ আটকীয়া অৰ্থনৈতিক অৱস্থাত এই কাম সম্পন্ন কৰাটো আছিল অসম্ভৱ। গতিকে তেনেকুৱা কৰা হ'লে শেষ পৰ্য্যন্ত খেতিয়কসকলে হাৰ মানিবলৈ বাধ্য হ'ল হয়। সপোন যদি হয় সকলোকে সম্পূৰ্ণ ভাৱে একে সমান কৰা আৰু কাৰ্য্যতালিকা যদি হয় বাছ-বিচাৰ গুচাই সকলোকে একে কৰা তেনেহ'লে ফল কি হব? ফল হব আকৌ সম্পূৰ্ণভাৱে 'ভদ্ৰলোকৰ'





শাসন প্ৰবৰ্ত্তন। এই সমস্যাৰ সমাধান আজিলৈ হোৱা নাই। সেই বাদানুবাদ, সেই দ্বন্দ্বমূলক পদ্ধতি আজিও চলি আছে। ইয়াৰ প্ৰমাণ পোৱা যায় সাংস্কৃতিক বিপ্লবৰ ঘটনাৱলীৰ মাজত। অৱশ্যে এই সাংস্কৃতিক বিপ্লৱৰ ওলট-পালটৰ মাজত ভূমি সমস্যাৰ বাহিৰেও বহুতো বিতৰ্কমূলক কথা সোমাই আছে।

পিছে 'বাগৰ সলোৱাৰ' আচল অৰ্থ কি? শেষ পৰ্য্যন্ত দেখা যায় যে যিজনে 'বাগৰ সলাইছে' তেওঁ যে নিছলা খেতিয়কৰ পৰা মধ্যবিত্ত খেতিয়কলৈ উন্নত হৈছে কেৱল সেইয়েই নহয়; তেওঁ প্ৰাকৃতিক আৰু সামাজিক অৱস্থাৰ নিশ্চেষ্ট দাস হৈ নাথাকি নতুন পৃথিৱী এখন গঢ়িবলৈ সক্ৰিয় অংশ গ্ৰহণ কৰিছে। 'বাগৰ সলোৱাৰ' অৰ্থ হ'ল ভিতৰ বাহিৰ দুয়োৰে পৰিৱৰ্ত্তন। ব্যক্তিগত ভাৱে সামাজিক অৰ্থত আৰু গোটেই দেশখনৰ পৰিপ্ৰেক্ষিতত ইয়াৰ অৰ্থ হ'ল নতুন মানুহ আৰু নতুন সমাজৰ সৃষ্টি। সেই কাৰণে এই কথা বাৰে বাৰে সোঁৱৰাই দিব লাগে যে 'বাগৰ সলোৱা' কামটো এতিয়াও শেষ হোৱা নাই। লংবোৰ মানুহবোৰে সেই শেষ লক্ষ্যস্থলত উপনীত হবৰ উদ্দেশ্যে প্ৰথম পদক্ষেপ দিছিল মাত্ৰ। সঙ্কীৰ্ণ অৰ্থত তেওঁলোকে 'বাগৰ সলাইছেও'। মুক্ত অঞ্চলৰ হাজাৰ হাজাৰ গাৱঁৰ দৰে লংবোৰ গাৱঁৰ মানুহবোৰে চীনৰ অন্যান্য যিবোৰ অঞ্চল আশু মুক্ত হব সেই অঞ্চলৰ মানুহৰ কাৰণে এটা আহি দাঙি ধৰিছে। পিছে 'বাগৰ সলোৱা' এটা অনবচ্ছিন্ন কৰ্ম্মধাৰা। সাম্ৰাজ্যবাদৰ শিকলি ছিঙি পেলোৱা, নিছলা খেতিয়কৰ সঙ্ঘ পতা, সমাজৰ শ্ৰেণী নিৰ্ণয় কৰা, জমীদাৰ আৰু অত্যাচাৰীক শাস্তি দিয়া, মালবস্তু জব্দ কৰি পুনৰ্বিতৰণ কৰা; এইয়া হ'ল 'বাগৰ সলোৱাৰ' আৰম্ভনি। পিছে অতঃ কিম? লংবোত 'বাগৰ সলোৱা' কামটো আপাত দৃষ্টিত বৰ নিয়াৰিকৈ কৰা হৈছিল বুলি বোধ হ'লেও হিনটনে নিজেও এই কথাটো স্বীকাৰ কৰিব যে কমুনিষ্ট সমাজ প্ৰতিষ্ঠা কৰাৰ মহান প্ৰচেষ্টাৰ এইটো এটা স্তৰ মাত্ৰ। নতুন মানুহ গঢ়া আৰু নতুন চেতনা উন্মেষ কৰাৰ এইটো হ'ল প্ৰথম পৰ্য্যায়।

(আগলৈ)

---



OKDISCD

# নতুন পুৰুষৰ গল্পৰ চিন্তাধাৰা আৰু বাস্তৱ সমস্যাৰ প্ৰত্যাহ্বান

## ( এটা মত )

**দ্বিজেন দাস**

আজি কিছুদিন ধৰি অসমীয়া সাহিত্যাই আলোচনীৰ ক্ষেত্ৰত এটি গভীৰ সঙ্কটৰ সন্মুখীন হব লগা হৈছে। "ৰামধেনু", "মণিদীপ", আৰু "অসমীয়া"ৰ দৰে উচ্চ মানদণ্ডৰ আলোচনীৰ অপমৃত্যুৰ পিচত ধাৰাবাহিক ভাবে বিশেষ কোনো শক্তিশালী আৰু উচ্চ মানদণ্ডৰ আলোচনীৰ জন্ম লাভ কৰা নাই। এনেকুৱা গভীৰ প্ৰতিকূল অৱস্থাতো অসমীয়া সাহিত্যত কিছুমান নতুন লিখকৰ সৃষ্টি হোৱাটো উৎসাহজনক। এই লিখক সকলে ইতিমধ্যে অসমীয়া সাহিত্যৰ বিভিন্ন দিশত বিশেষকৈ গল্প আৰু উপন্যাসৰ ক্ষেত্ৰত পঢ়ুৱৈৰ মাজত চিনাকী হবলৈ সমৰ্থ হৈছে। কিন্তু তথাপিও এই কথা স্বীকাৰ কৰিব লাগিব যে নতুন পুৰুষৰ এজনেও বৰ্ত্তমানলৈ কোনো ধৰণৰ সবল সম্ভাৱনা আমাৰ সাহিত্যলৈ বহন কৰি আনিব পৰা নাই। মানদণ্ড আৰু আঙ্গিকৰ দখলৰ ফালৰ পৰা এজনেও ভবেন শইকীয়া, মহিম বড়া, সৌৰভ চলিহা বা যোগেশ দাসৰ ওচৰ চাপিব পৰা নাই। (যদিও এওঁলোকৰ লিখনিতো মধ্যবিত্তৰ শ্ৰেণী চৰিত্ৰ সুস্পষ্ট)। প্ৰায় বিলাক নতুন পুৰুষৰ গল্পত চিন্তাৰ খেলিমেলি, বিশেষত্বহীন বিষয়বস্তু আৰু সামাজিক বাস্তৱ অভিজ্ঞতাৰ অস্পষ্ট চেতনা বিদ্যমান। সেয়েহে নতুন পুৰুষৰ লিখনি নতুনত্বহীন। ফলত তেওঁলোকৰ লিখনিয়ে মুক্তিকামী জনগণৰ মাজত উৎসাহ সঞ্চাৰ কৰিব পৰা নাই। সাহিত্যত আমি নতুন লিখকৰ লিখনিক স্বাগত জনাও। কিন্তু প্ৰশ্ন হৈছে, কেনে ধৰণৰ লিখক আৰু কেনেধৰণৰ চিন্তা? বৰ্ত্তমান সামাজিক অৱস্থাত আমি এনে চিন্তা বিচাৰোঁ, যিয়ে আমাক চলমান সমাজৰ আভ্যন্তৰীণ দ্বন্দ্ব বুজাত সহায় কৰি আনি দিয়ে জীৱনৰ নতুন মূল্যবোধ। যি চেতনাই সমাজৰ শোষণকাৰী শক্তিৰ ভণ্ডামী আৰু নিষ্ঠুৰতাৰ স্বৰূপ উদঙাই মাজ আলিত দ্বিধাগ্ৰস্তভাৱে অবস্থান কৰি থকা এক শ্ৰেণীক নতুন পথৰ সন্ধান



দিয়াত কৃতকাৰ্য্য হয়। আমাৰ নতুন পুৰুষৰ লিখক আৰু সমালোচক সকলে জীৱন ধাৰণৰ মূল বাস্তৱতাৰ প্ৰতি চকু ৰাখি শক্তি সঞ্চয় কৰিব লাগিব। মহৎ সাহিত্যৰ লক্ষ্য হল জীৱন—নিত্য চলমান সংগ্ৰামশাল জীৱন। জীৱন ধাৰণৰ মূল সমস্যাৰ পৰা অভিজ্ঞতা অৰ্জ্জন কৰাৰ নামেই আবিষ্কাৰ। এতিয়া প্ৰশ্ন হল—এই নতুন পুৰুষৰ লিখনিত এই বাস্তৱ অভিজ্ঞতা কিমানদূৰ প্ৰতিফলিত হৈছে? দুই এজনৰ বিক্ষিপ্ত সাফল্যৰ বাদে বাকী সকলোৱে এই ক্ষেত্ৰত শোচনীয় ভাবে ব্যৰ্থ হোৱাটো নিতান্ত দুৰ্ভাগ্য জনক।

আজি কিছুদিন ধৰি অসমীয়া সামাজিক জীৱনত "নতুন পুৰুষ" শব্দই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰি আহিছে। সাধাৰণ অৰ্থত নতুন পুৰুষ মানে প্ৰগতিৰ সমৰ্থনকাৰী। অৰ্থাৎ তেওঁলোকে পুৰণি পচা মূল্যবোধৰ অৱসান ঘটাই কিবা নতুন ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ প্ৰতি সচেষ্ট। এই কাৰ্য্যফেৰা বাস্তৱত ৰূপায়িত কৰিবলৈ কিদৰে অগ্ৰসৰ হব লাগিব, তাৰ প্ৰতি অৱশ্যে বহুক্ষেত্ৰত সচেতন হোৱা দেখা নাযায়। কাৰণ অতি স্পষ্ট। আজিও নতুন পুৰুষৰ মন ৰক্ষণশীল আৰু বুৰ্জোৱা চিন্তাৰ দ্বাৰা ভাৰাক্ৰান্ত। ফলস্বৰূপে প্ৰগতিবাদৰ চিন্তাত উজ্বল হলেও নতুন পুৰুষে বুদ্ধি চিন্তাৰ নামত অসাৰ্থক ভাও দিয়াহে দেখা যয়। বুৰ্জোৱা জীৱনযাত্ৰাৰ অভ্যস্ত আত্মচেতনা আৰু আত্মকেন্দ্ৰিকতাৰ হাত সাৰি নতুন পুৰুষে সমাজৰ মূল সমস্যাক বুজিবৰ চেষ্টা কৰা উচিত আছিল। অন্যথা নতুন পুৰুষৰ চিন্তাৰ আঁটদাল হেৰাই যোৱাটো স্বাভাবিক। প্ৰশ্ন হৈছে সমাজৰ মূল বাস্তৱতাক কিদৰে উপলব্ধি কৰা যায়। তাৰ আজি প্ৰকৃত উত্তৰ বিচাৰাৰ সময় উপস্থিত।

আমি আজি সামাজিক, অৰ্থনৈতিক আৰু শিক্ষা ব্যৱস্থাৰ কে উদিশে গুৰুতৰ সংকটৰ সন্মুখীন হৈছো। সাম্ৰাজ্যবাদীৰ শোষণত জৰ্জ্জৰিত জৰাজীৰ্ণ ভাৰতীয় অৰ্থনীতি আজিও গা কৰি উঠিবলৈ সমৰ্থ হোৱা নাই। পৰন্তু, একচেতীয়া পুঁজিবাদী কবলৰ পৰা আমাৰ অৰ্থনীতি ব্যৱস্থা মুক্তকৰাৰ কোনো ধৰণৰ সঠিক সমাজবাদী ধাৰা প্ৰবৰ্ত্তনৰ চেষ্টা পৰিলক্ষিত হোৱা নাই। স্বাধীনতাৰ পঁচিশটা বছৰ অতিবাহিত হোৱা সত্বেও, চাৰিটা পৰিকল্পনা শেষ হোৱা সত্বেও ৰাষ্ট্ৰীয় আয়ৰ সুফল সমাজৰ দুৰ্গত শ্ৰেণীটোৱে অনুভব নকৰিলে। আজিও ভাৰতীয় অৰ্থনীতি ৭৫টা একচেতীয়া প্ৰতিষ্ঠানৰ কৰায়ত্ব। আজিও ভাৰতৰ

OKDISCD

শতকৰা ৪২% ভাগ মানুহে দৰিদ্ৰতাৰ চৰম সীমাত দিন অতিবাহিত কৰে। আমাৰ তথাকথিত সমাজবাদী চৰকাৰে ৰাষ্ট্ৰীয় আয় বৃদ্ধি কৰি, তাৰ দ্বাৰা ধনী দুখীয়াৰ মাজত থকা আকাশলঙ্ঘা ব্যৱধান হ্ৰাস কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে।

আনহাতে বুৰ্জোৱা অৰ্থনীতি ব্যৱস্থাৰ ফল স্বৰূপে যিমান ৰাষ্ট্ৰীয় আয় বাঢ়িল, সিও পুঞ্জীভূত হ'ল এটি বিশেষ শ্ৰেণীৰ মাজত। সেই শ্ৰেণীটোৱে সমাজৰ বৃহৎ শ্ৰেণীৰ শোষণৰ বিনিময়ত উপভোগ কৰিছে ঘৃণণীয় ঐশ্বৰ্য্য। যেতিয়া ৰাষ্ট্ৰীয় সম্পদ কোনো এটি দিশত পুঞ্জীভূত হয়, তেতিয়া আন এটা দিশত পুঞ্জীভূত হয় দৰিদ্ৰতা। এয়ে হৈছে ব্যক্তিগত সম্পত্তিৰ কুফল। বৰ্ত্তমান ভাণ্ডিপৰা ভাৰতৰ পুজিবাদ অৰ্থনীতি ব্যৱস্থাৰ ফল স্বৰূপে সমাজৰ বৃহৎ শ্ৰেণীটোৱে চৰম সংকটৰ সন্মুখীন হৈছে। এই তীব্ৰ আৰু ঘনীভূত সংকটৰ পৰা ৰক্ষা পাবলৈ বৰ্ত্তমান "সমাজবাদী" চৰকাৰে বাস্তৱতাৰ প্ৰতি চকু দিয়া উচিত আছিল। কিন্তু আশ্ৰয় লৈছে সহজ পাতলিয়া শ্লোগানৰ ওপৰত। এনেকুৱা বুৰ্জোৱা অৰ্থনীতি ব্যৱস্থাই সৃষ্টি কৰা সামাজিক বৈষম্যত মধ্যবিত্তৰ ভূমিকা লক্ষণীয়। সিহঁতে বৰ্ত্তমান ব্যৱস্থাৰ কোনখিনিত তাক গভীৰ ভাবে গবেষণা কৰাৰ পৰিবৰ্ত্তে আশ্ৰয় ললে নিজ শ্ৰেণীগত স্বাৰ্থ পূৰণৰ চেষ্টাত। উচিত আছিল মধ্যবিত্ত শ্ৰেণীটোৱে বৰ্ত্তমান শোষণ আৰু বৈষম্যৰ উচ্ছেদ বিচৰা আৰু কৰ্ত্তব্য আছিল গতিশীল শ্ৰমিক কৃষকৰ লগত আত্মীয়তা স্থাপন কৰাটো। তাতে আছে নতুন সমাজ ব্যৱস্থাৰ বীজ। কিন্তু তাৰ পৰিবৰ্ত্তে আদৰ্শহীন, দুৰ্নীতি পৰায়ণ মধ্যবিত্ত শ্ৰেণীটোৱে বৰ্ত্তমান পুঁজিবাদী ব্যৱস্থাৰ উচ্ছিষ্টৰ ভাগ লবলৈ ব্যস্ত। বৰ্ত্তমান ভাৰতৰ ক্ষয়িষ্ণু পুঁজিবাদী ব্যৱস্থাত সেই আশা বাস্তৱত ৰূপায়িত হোৱা অসম্ভৱ হলেও মাত্ৰ মুষ্টিমেয়ৰ কাৰণে সম্ভৱ। এনেকুৱা অৱস্থাত মধ্যবিত্ত বুদ্ধিজীৱিৰ চিন্তা বিপাণ্ডত পৰাটো স্বাভাৱিক। এহাতে পুঁজিবাদৰ উচ্ছিষ্ট ভোগৰ পৰা বঞ্চিত আৰু আনহাতে শোষণ আৰু বৈষম্যৰ উচ্ছেদৰ বাবে সংগ্ৰাম কৰাত সংকোচ। এই দুই প্ৰতিক্ৰিয়াৰ পৰা হাত সাৰিবলৈ বিচাৰিছে অলস বিলাসী আৰু সস্তীয়া পলয়নবাদী চিন্তাত। এই খিনিতে নতুন পুৰুষৰ লিখনিৰ ব্যৰ্থতাৰ উৎস। ফলত আজিও নতুন পুৰুষৰ গল্পত বিষয়বস্তু অতীতৰ স্মৃতি মন্থন আৰু একঘেঁয়ে প্ৰেমৰ বিননি যেন দেখা যায়। সাহিত্য তেওঁলোকৰ কাৰণে এক ধৰণৰ বিলাস, আত্ম চেতনাৰ সৰঞ্জাম।





আমাৰ পঙ্গু চিন্তাধাৰাৰ বাবে দায়ী আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাও এখন শোষণহীন সমাজ গঢ়ি তোলাত শিক্ষাৰ ভূমিকা অপৰিহাৰ্য্য। সেই ক্ষেত্ৰত যে চীনৰ সাফল্য অতি চমকপ্ৰদ তাক বহু সাম্যবাদ বিৰোধী পণ্ডিতেও স্বীকাৰ কৰিছে। এই ক্ষেত্ৰত আমাৰ শিক্ষা ব্যৱস্থা গুৰুতৰভাবে ব্যৰ্থ হৈছে। স্বাধীনতাৰ পচিশটা বছৰ অতিক্ৰম কৰা স্বত্বেও, আমাৰ তথা কথিত প্ৰগতিশীল চৰকাৰে ইংৰাজ সৃষ্ট শিক্ষা ব্যৱস্থা উচ্ছেদ কৰি কোনো ধৰণৰ সুপৰিকল্পিত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে। আমাৰ প্ৰচলিত শিক্ষাৰ মূল ভেটি স্থাপন কৰিছিল সাম্ৰাজ্যবাদী ইংৰাজে। যাৰ মূল লক্ষ্য আছিল শোষণ। শিক্ষা আছিল সিহঁতৰ হাতত শোষণৰ হাতিয়াৰ। শিক্ষা ব্যৱস্থাৰ বিন্যাস কৰাত ইংৰাজ সদা জাগ্ৰত আছিল—যাতে সেই শিক্ষা ব্যৱস্থাই কোনো ধৰণৰ মুক্ত আৰু সংগ্ৰামী চিন্তাৰ বাহক হব নোৱাৰে, এই শিক্ষা ব্যৱস্থাত লালিত পালিত হোৱা তথাকথিত শিক্ষিত মানুহে যাতে মানসিকভাৱে সৰ্ব্বসাধাৰণৰ লগত আত্মীয়তা স্থাপন কৰিব নোৱাৰে। যোৱা পচিশটা বছৰত কিছুমান বুৰ্জোৱা পণ্ডিতৰ (যি সকল সদায় নিজ শ্ৰেণী স্বাৰ্থৰ প্ৰতি তীব্ৰ সচেতন আৰু কৃষক বনুৱাৰ সমস্যাৰ প্ৰতি সম্পূৰ্ণ উদাসীন) দ্বাৰাই শিক্ষা ব্যৱস্থাত নানা ধৰণৰ পৰীক্ষা নিৰীক্ষা চলোৱা হ'ল। কিন্তু মূল সমস্যাটোৰ ওপৰত গভীৰভাৱে গবেষণা কৰাৰ চেষ্টা পৰিলক্ষিত নহল। ফলত শিক্ষা ব্যৱস্থাত শ্ৰেণী বিভাজন অব্যাহত থাকিল। এনেকুৱা শোষণ ভিত্তিক শিক্ষা ব্যৱস্থাত লালিত পালিত হোৱা বুদ্ধিজীবিয়ে কৃষক বনুৱাৰ দুঃখ যন্ত্ৰণা অনুভৱ নকৰাটো অত্যন্ত স্বাভাবিক।

এনেকুৱা শোষণ আৰু বৈষম্যৰ ওপৰত প্ৰতিষ্ঠিত সমাজ ব্যৱস্থাত মধ্যবিত্ত এনে এটা বিন্দুত দোতুল্যমান য'ত এহাতে অতীত আৰু বৰ্ত্তমানৰ প্ৰতি বিযোদগাৰ আৰু আনহাতে ভৱিষ্যতৰ পৃথিবী গঢ়াৰ সঙ্কোচ আৰু শঙ্কা।

আজি আমাৰ চাৰিওপিনে বিপুল পৰিবৰ্ত্তন, অথ নৈতিক আৰু সামাজিক বৈষম্য, পুঁজিপতি শ্ৰেণীৰ স্বেচ্ছাচাৰীতা আৰু ভণ্ডামী, নিম্ন মধ্যবিত্ত শ্ৰেণীৰ হতাশা আৰু নৈৰাশ্য, সৰ্ব্বহাৰাৰ জীৱন যন্ত্ৰনা। এনে অৱস্থাত মধ্যবিত্ত বুদ্ধিজীৱিৰ দায়িত্ব অতি গধুৰ। কাৰণ ক্ষয়িষ্ণু বুৰ্জোৱা ব্যৱস্থাৰ মাজত নিহিত আছে নতুন সমাজৰ গজালি। মধ্যবিত্তই কৃষক বনুৱাৰ লগত আত্মীয়তা



OKDISCD

স্থাপন কৰি জনগণৰ মাজত শ্ৰেণী সংগ্ৰামৰ চেতনাবোধ জাগ্ৰত কৰি সিচি দিব লাগিছিল সৃষ্টিৰ নতুন সচ শিল্প সাহিত্যৰ মাধ্যমেৰে। কিন্তু সেই বুলি শিল্প গুণ বৰ্জিত সাহিত্য সমৰ্থন কৰা বুজোৱা নাই। শিল্প সাহিত্য কোনো বিশেষ শ্ৰেণীৰ বিলাস নহয়; নতুবা কোনো মুষ্টিমেয় তথাকথিত বুদ্ধিজীৱিৰ একচেতিয়া সম্পত্তিও নহয়। সাৰ্থক সাহিত্যৰ ভিত্তি সদায় বাস্তৱতা আৰু সেয়েহে জনগণৰ দুখযন্ত্ৰনা আৰু তাৰ বিৰুদ্ধে তেওঁলোকৰ সংগ্ৰাম কেতিয়াও পাহৰিব নোৱাৰি। এই নিৰ্মম বাস্তৱৰ পৰিপ্ৰেক্ষিতত "নতুন পুৰুষ'ৰ চিন্তা কোন পিনে প্ৰবাহিত হৈছে তাক আজি চালি জাৰি চাবৰ সময় উপস্থিত। আচলতে বৈষম্য আৰু শোষণ ভিত্তিক সমাজ ব্যৱস্থাৰ ফলত, সমাজৰ আভ্যন্তৰিক দ্বন্দ্বই যি শ্ৰেণী সংগ্ৰামৰ সৃষ্টি কৰে তাক বুজি চোৱাটো শিক্ষিত সাহিত্যিকৰ অপৰিহাৰ্য্য কৰ্ত্তব্য। তাকে নকৰি যদি ক্ষয়িষ্ণু পুঁজিবাদী সভ্যতাৰ মিছা প্ৰচাৰত ব্যস্ত হয়, তেতিয়া তেওঁলোকে ভুল আৰু বিভ্ৰান্তিকাৰী চিন্তাৰ আশ্ৰয় লবলৈ বাধ্য। কাৰণ, "The ideas of the ruling class are in every epoch the ruling ideas, i. e. the class which is the the rulling material force of society is at the same time its intellectual force, the class which has the means of production at its disposal has control at the same time over the means of mental production, so that thereby, generally speaking, the ideas of those who lack the means of mental production are subject to it. The ruling ideas are nothing more than the ideal expression of the dominant material relationships, the dominant material relationship grasped as ideas, hence of the relationships which make the one class the ruling one, therefore, the ideas of its dominance. The individuals composing the ruling class possess among other things consciousness and therefore. think. In so far, therefore, as they rule as a class and determine extent and compas of an epoch, it is self-evident





that they do this in its whole range, hence among other things also as thinkers, as producers of ideas and regulate the production and distribution of the ideas of their age, thus their ideas are the ruling ideas of the epoch" (The German Ideology by Marx and Engels. P. 61)

"বুৰ্জোৱা আত্মচেতনা"ৰ পৰা মুক্ত হ'ব নোৱাৰাৰ বাবে শিল্পী সাহিত্যিকে সমাজৰ আভ্যন্তৰিণ বাস্তৱ সত্যক পৰিহাৰ কৰি নিতান্ত ব্যক্তি জীৱনৰ কথা ৰোমন্থন কৰি অদ্ভুত আঙ্গিকৰ মায়াজালেৰে বাস্তৱতাক পাঠকৰ আঁতৰত ৰাখিবলৈ চেষ্টা কৰে। ইয়াৰ দ্বাৰা শোষক শ্ৰেণী বিপদ মুক্ত হয়।

ইয়াৰ ফলত শোষক শ্ৰেণী লাভবান হয়। তেতিয়া সিহঁতৰ শোষণ আৰু অত্যাচাৰ অব্যাহত ৰখাৰ সুবিধা হয়। এহাতে শোষকে ৰাষ্ট্ৰ ব্যৱস্থাৰ দ্বাৰাই শোষিত জনসাধাৰণৰ প্ৰতিবাদ, বিক্ষোভ আৰু বিদ্ৰোহ পদদলিত কৰে, আনহাতে কিছুমান ব্যৱসায়ী বুদ্ধিজীৱিৰ দ্বাৰাই শোষণ ব্যৱস্থাৰ সমৰ্থনত প্ৰচাৰ কাৰ্য্য চলাই যায়। ইও এক ধৰণৰ বেশ্যা বৃত্তি। আত্মকেন্দ্ৰিক মধ্যবিত্তই জীৱন জোৰা হতাশা আৰু যন্ত্ৰণাৰ পৰা সাময়িক মুক্তিৰ আশ্ৰয় বিচাৰে মৰণমুখী বুৰ্জোৱা সভ্যতাৰ ছত্ৰছাঁয়াত পৰিপুষ্টি লাভকৰা পলায়নবাদী সাহিত্যত। এই পলায়নবাদী সাহিত্যৰ বিষয়বস্তু ব্যক্তিজীৱনৰ নৈৰাশ্য আৰু যৌনতা। যৌন-জীৱনৰ লাম্পট্য হ'ল বুৰ্জোৱা বৈশিষ্ট্য—ক্ষয়ৰ লক্ষণ। বুৰ্জোৱাৰ কাৰণে যৌনতা মাদক দ্ৰব্য। এই ধৰণৰ যৌন আৰু নৈৰাশ্যমূলক সাহিত্যই কিন্তু গতিশীল সৰ্ব্বহাৰাক প্ৰভাৱিত কৰিব নোৱাৰে। অবশ্যে মধ্যবিত্তই ইয়াত চাঞ্চল্য আৰু উত্তেজনাৰ খোৰাক পায়। চতুৰ্দ্দিশে পঙ্কিল হতাশা নিমজ্জিত মধ্যবিত্তই এই মলিয়ন পানী পান কৰি অতৃপ্ত বাসনা চৰিতাৰ্থ কৰাৰ প্ৰয়াস কৰিলেও মানসিক ভাবে গুৰুতৰ অসুস্থ হয়।

যৌন সৰ্ব্বস্ব সাহিত্যৰ বাদে পলায়নবাদী সাহিত্যৰ আন এটি স্তৰ হ'ল আঙ্গিকৰ আতিশয্য। সাহিত্যত আমি আঙ্গিকৰ গুৰুত্ব অস্বীকাৰ নকৰোঁ। আঙ্গিকৰ দক্ষ প্ৰয়োগৰ অবিহনে সাহিত্যই কেতিয়াও পূৰ্ণাঙ্গ ৰূপ পাব নোৱাৰে। কিন্তু যেতিয়া আঙ্গিকৰ কৌশলপূৰ্ণ প্ৰয়োগেৰে দুৰ্ব্বল আৰু অবাস্তৱ বিষয় বস্তুৰ দ্বাৰাই লিখকে পাঠকৰ প্ৰশংসা আদায় কৰিবৰ চেষ্টা কৰে তেতিয়া আমি সচেতন



OKDISCD

হোৱা নিতান্ত দৰকাৰ। কাৰণ তেনেকুৱা সাহিত্য আঙ্গিকৰ ফালৰ পৰা যিমানেই উচ্চস্তৰৰ নহওক কিয়, বাস্তৱত তাৰ ভিত্তি দুৰ্ব্বল। তেনেধৰণৰ সাহিত্যই কোনো ধৰণৰ সবল চেতনা জনমানসত সৃষ্টি কৰিবলৈ অপাৰগ। আমি এই ক্ষেত্ৰত খ্যাতনামা গল্প লেখক আৰু আংগিকৰ ক্ষেত্ৰত যাদুকৰ শ্ৰীযুত সৌৰভ চালিহাৰ নাম উ.ল্লখ কৰিব পাৰোঁ। আৰু ইয়াৰ অতি সুন্দৰ উদাহৰণ "এহাত ডাবা", সামাজিক প্ৰকৃত বাস্তৱ সমস্যাৰ পৰা শ্ৰীচলিহাৰ পলায়ন অতি স্পষ্ট।

এনে সামাজিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত আমাৰ নতুন পুৰুষৰ চিন্তাধাৰা কোনপিনে প্ৰবাহিত হৈছে আৰু কি ভূমিকা গ্ৰহণ কৰা উচিত তাক ভালদৰে চালি জাৰি চোৱাৰ সময় উপস্থিত। এই আলোচ্য প্ৰৱন্ধটিত বৰ্ত্তমান দশকৰ বিশেষকৈ 'নীলাচল' সাপ্তাহিক বাতৰি কাকতত আত্মপ্ৰকাশ কৰা কেইজনমান নতুন লিখকৰ কেইটামান গল্পৰ আলোচনা কৰা হব। এই আলোচ্য গল্প কেইটাই এহাতে মধ্যবিত্তৰ হতাশা আৰু ব্যক্তি বিদ্ৰোহৰ অভিব্যক্তি আৰু আনহাতে সামাজিক পুৰণি মূল্যবোধৰ উচ্ছেদৰ নামত প্ৰতিক্ৰিয়াশীল চিন্তাৰ স্বাক্ষৰ বহন কৰিছে। গতিকে এই দৃষ্টি ভঙ্গীৰ পৰা গল্প কেইটা আলোচনা কৰা হব।

নতুন পুৰুষৰ প্ৰায়বিলাক গল্প লেখকেই পুৰণি সমাজৰ সংকট উপলব্ধি কৰিছে আৰু তাৰ প্ৰতি বিতৃষ্ণা প্ৰকাশ কৰিছে। কিন্তু ন-সমাজ গঢ়িবলৈ যেনে নতুন ভাবধাৰা আৰু ম.নাবৃত্তিৰ প্ৰয়োজন সেই ভাব ধাৰাৰ ওচৰ চাপিবলৈ সাহ কৰা নাই। পুৰণি মনোভাবৰ মোহৰ খোলাটো সম্পূৰ্ণ ভাঙিব পৰা নাই। সিয়েই তেওঁলোকৰ ব্যৰ্থতাৰ মূল কাৰণ।

"নতুন পুৰুষ'ৰ ভিতৰত অন্যতম শ্ৰীপোলেন বৰকটকীয়ে কিছুমান নতুন গল্পৰ সৃষ্টি কৰিছে আৰু ব্যৰ্থভাবে হলেও গল্পৰ গতানুগতিকতাৰ পৰা মুক্ত হবলৈ চেষ্টা কৰিছে।

"দুঃসময়ৰ গান" নামৰ গল্প এটিত শ্ৰীবৰকটকীয়ে এজন যুৱকৰ অস্থিৰতা নিঃসঙ্গতা আৰু হতাশাৰ ছবি নানা অসংগতিপূৰ্ণ চিন্তাৰ মাজেদি অঙ্কিত কৰিবলৈ চেষ্টা কৰিছে। ফলত গল্পটিৰ আৰম্ভণী যিদৰে খেলিমেলি, পৰিসমাপ্তিও সেইদৰে বিসংগতি পূৰ্ণ। নায়কে চিন্তা কৰিছে, জীৱনৰ সাৰ্থকতা কোনখিনিত নিসঙ্গতাই সৃষ্টি কৰা মাসসিকক ব্যক্তি বিদ্ৰোহত? নিঃসঙ্গ ব্যক্তি





বিদ্ৰোহ পুঁজিবাদ ব্যৱস্থাৰ বাবে পীড়াদায়ক নহয়। সেয়েহে শ্ৰীবৰকটকীৰ নায়ক বিপাণ্ডত পৰে, "অকলে পাহাৰ ঠেলিব নোৱাৰি।" গতিকে হাৰি নাযাবলৈ কিমান যুজিব? সেয়ে ভীষণ অকলশৰীয়া। জয়ী হৈ থকাৰ নামত তিলে তিলে ক্ষয় হোৱা আৰু আনহাতে যুগৰ লগত খোজ মিলাই সমাজত মূৰতুলি থকা। কোনটো শ্ৰেয়?

ইমান সহজ উত্তৰটো শ্ৰীবৰকটকীৰ নায়কৰ কাৰণে সাথৰ "সি নিজে নাজানে। ইয়াৰ উত্তৰ সি কোনোদিন পোৱা নাই"। বুৰ্জোৱা ব্যৱস্থাৰ নিৰ্ম্মম, সঙ্কট, ক্ষয় আৰু গভীৰ মৌলিক ব্যৰ্থতাত প্ৰবেশ কৰিব নোৱাৰাৰ বাবে সাধাৰণতে বুদ্ধিজীবীয়ে আশ্ৰয় লয় 'এবষ্ট্ৰাক্ট চিন্তাত।" সেয়েহে শ্ৰীবৰকটকীৰ নায়কেও শেষত জীৱনৰ সাৰ্থকতা বিচাৰি পালে "এবষ্ট্ৰাক্ট চিন্তাত।

"বাহিৰৰ পৰা" নামৰ গল্পটিত বৰ্ত্তমান সমাজৰ ভণ্ডামী, শঠতা আৰু কপটতাৰ চিত্ৰ দাঙি ধৰাৰ প্ৰয়াস কৰিছে। কিন্তু লিখকৰ আংগিক আৰু পৰিবেশনৰ দুৰ্ব্বলতাৰ বাবে গল্পটো নিম্ন মানদণ্ডৰ হব লগীয়া হ'ল। তলৰ উদ্ধৃতিৰ পৰাই এই কথাৰ প্ৰমাণ ওলাব।

"প্ৰফেচাৰ চৌধুৰী মানুহজন অলপ চিৰিয়াচ ধৰণৰ চিন্তাশীল লোক। তেওঁ কাকতে পত্ৰে মাজে মাজে দুই এক চিন্তাশীল প্ৰবন্ধ লিখে: মানুহজন কিন্তু বৰ ক্ষীণ। এ, ডি, চি হাজৰীকা কিন্তু বেচ ৰসিক মানুহ। তেওঁৰ স্থূল শৰীৰ আৰু প্ৰকাণ্ড পেটটো দেখিলেই বুজিব পাৰি—অফুৰন্ত প্ৰাণ শক্তিৰে ভৰা মানুহজন। হেজাৰ হওক খেতিয়ক আৰু মণ্ডল-টণ্ডলৰ পৰা মাটি সংক্ৰান্তত অলপ পা-পইচা পায়তো। (মানুহ চীৰিয়াচ হলে শকত হব নোৱাৰি নেকি? ই এটা ৰোমান্টিক ধাৰণা।)।

শ্ৰীবৰকটকীৰ আন এটি গল্প "ৰক্তক্ষৰা"। ইয়াত আছে লিখকৰ খেলি-মেলি চিন্তাৰ সংঘাত আৰু তেওঁ সেই সংঘাতে সৃষ্টি কৰা দ্বন্দ্বৰ সমাধান বিচাৰিছে পাতলীয়া যুক্তিত। বিপ্লৱী দাদাকে ভনীয়েক্ক প্ৰশ্ন কৰিছে—"তুমি এইদৰে পলাই পলাই ফুৰিছা, জীৱনৰ পৰা পলাই ফুৰিছা। কিন্তু এইদৰে পলাই ফুৰি তুমি কিটো কৰিবা?" দাদাকে উত্তৰ দিছে—মই পলোৱা নাই। প্ৰস্তুতি চলাইছো। প্ৰস্তুতি চলাইছো ধ্বংসৰ। তিলে তিলে অবক্ষয়মান এই যে আমাৰ সমাজ ব্যৱস্থা—যাৰ বলি হৈছো তুই মই আমাৰ নিচিনা পৰিয়ালবোৰ,



OKDISCD

সেইখন সমাজ ব্যৱস্থা ভাঙি পেলাম।" ভনীয়েকে ওভোটাই প্ৰশ্ন কৰিছে—"কিন্তু চোৰা দাদা—এইবাবেই কি ধুমুহা কামনা কৰিছা? এই ধুমুহা ক্ষয়ঙ্কৰী। ইতো সকলো নিঃশেষ কৰিব। ভাবা নেকি ই বাচি বাচি ওথ ওথ গছবোৰ-কহে ধ্বংস কৰিব?'

ভনীয়েকৰ যুক্তিত দাদাক নিৰ্ব্বাক নিস্পন্দ। বিপ্লৱ প্ৰাকৃতিক দুৰ্যোগ কেনেকৈ হল? সৰ্ব্বহাৰাই মধ্যবিত্তৰ সহযোগত বিদ্ৰোহ কৰিব শোষণকাৰীৰ বিৰুদ্ধে; শোষণহীন ব্যৱস্থা গঠনৰ বাবে। এই ক্ষেত্ৰত শোষণকাৰীৰ লগত শোষিতৰ ধ্বংসৰ সম্ভাৱনা ক'ত? অথচ ইমান এটি ভোটা যুক্তিত শ্ৰীবৰকটকীৰ নায়ক লেতু-সেতু। শোষণ ব্যৱস্থাৰ অৱসানৰ বাবে কৰা সংগ্ৰাম প্ৰাকৃতিক তাণ্ডৱ নৃত্যৰ লগত তুলনা কৰাতো লিখকৰ বাস্তৱ তথা বিপ্লৱ সম্বন্ধে অভিজ্ঞতাৰ দৈন্যৰে পৰিচয়। এই গল্পটোত লিখকৰ বুৰ্জোৱা ব্যৱস্থাৰ সমালোচনা যান্ত্ৰিক, পৰিসমাপ্তিও গতানুগতিক।

শ্ৰীপোলেন বৰকটকীৰ প্ৰায় সকলো গল্পৰ মুল উৎস হ'ল মধ্যবিত্তৰ হতাশা আৰু পুঞ্জীভূত অতৃপ্ত হাবিলাষ। এই ক্ষোভ বহু ক্ষেত্ৰত প্ৰতিক্ৰিয়াশীল ভাৱে অভিব্যক্ত হৈছে। ব্যক্তি বিদ্ৰোহ বুৰ্জোৱাৰ কাৰণে ভয়াবহ নহয়। আৰু ইয়াৰ দ্বাৰাই সেই ব্যৱস্থাৰ মুলোচ্ছেদ অসম্ভৱ। আচলতে বুৰ্জোৱা ব্যৱস্থাৰ ধ্বংসৰ অঙ্কুৰ আছে তীব্ৰ শ্ৰেণী চেতনাৰ মাজত। এই চেতনা জাগ্ৰত কৰিবলৈ মধ্যবিত্তই সহায় কৰিব লাগিব কৃষক বনুৱাৰ সন্মিলিত সংগ্ৰাম। বৰকটকীৰ গল্পৰ আন এটি উল্লেখযোগ্য দুৰ্ব্বল দিশ হ'ল উপকৰা কথাৰ সমাবেশ, যাৰ ফলত গল্পৰ সৌষ্ঠৱ হানি হোৱাৰ ওপৰিও পাঠকৰ মনত বিশেষ ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিবলৈ সক্ষম নহয়। এয়া হৈছে লিখকৰ অস্পষ্ট বাস্তৱ অভিজ্ঞতা আৰু অবক্ষয়ী বুৰ্জোৱা সভ্যতাৰ আচল মৰ্ম্ম উদ্‌ঘাটন কৰাত অন্তৰ্দৃষ্টিৰ অভাৱ। আমি জনা উচিত য়ুৰোপীয় সাহিত্যৰ অন্ধ অনুকৰণেৰে কোনো ধৰণৰ উচ্চ পৰ্য্যায়ৰ সাহিত্যৰ সৃষ্টি কৰিব নোৱাৰি। আমাৰ সমাজখন কিদৰে চলিছে তাক উপলব্ধি কৰি তাৰ মাজত মানবীয় পৰীক্ষা নিৰীক্ষা চলাব লাগিব আন্তৰিকতাৰে। তেহে সমাজক প্ৰকৃত বাটত খোজ দিবলৈ উদগনি দিব পৰা যাব। এই কথাখিনি অনুধাৱন কৰিব পাৰিলে বৰকটকীৰ গল্পৰ আৰু স্বকীয় বৈশিষ্ট পৰিস্ফুট হোৱাৰ সম্ভাৱনা সুই কৰিব নোৱাৰি।





নতুন পুৰুষৰ আন এজন লিখক শ্ৰীঅৰুণ গোস্বামী। এখেতৰ গল্পৰ বিষয় বস্তুৰ মাজত কিছুমান জীয়া মানুহৰ ছবি পোৱা যায়, যদিও উপস্থাপনৰ ৰীতি থহটা। শ্ৰীগোস্বামীৰ উল্লেখযোগ্য এটি গল্প হ'ল "প্ৰতিযোগিতা"। এজন দুখীয়া পাঠশালা পণ্ডিতে বৰ্তমান অৰ্থনৈতিক আৰু সামাজিক বৈষম্যৰ প্ৰতিযোগিতাত কিদৰে শোচনীয়ভাবে পৰাজয় হৈছে আৰু এই পৰাজয়ক কি দৰে ভবিষ্যতৰ নিৰ্ম্মম অভিশাপ বুলি মানি লৈছে তাৰেই এখন ছবি লিখকে গল্পটিত দাঙি ধৰিছে। গল্পটিত কিছুমান পৰিস্কাৰ আৰু জীৱন্ত পৰ্য্যবেক্ষণেৰে ভৰা সৰু সৰু খুটিনাটি লক্ষ্য কৰিবলগীয়া। তাৰে কিছুমান তুলি ধৰা হ'ল।

১। "এইবাৰ মাষ্টৰে ৰংযোৱা কলাকোটটোৰ ভিতৰ জেপটোৰ পৰা ক'লা চামৰাৰ মানি বেগটো উলিয়াই আনি নগদ টকাৰ জাপটো মেজত থলে। মেৰিয়াই থোৱা কাগজখন একৰাই মাষ্টৰে টকা কেইটা গণনা কৰিবলৈ আঙুলিত থুই লগাই ললে। এশ এটকা। আকৌ লিখিলে। এশ এটকা। দোকানত বাকী এশ বাসত্তৰ টকা।"

২। আজি তিনিদিন আটাকে খোৱা হৈছে। চাউল এমুঠি পিহি বোলে অমুকাৰ ভৰণ দিব লাগে। নাই, তাৰ বাবেও ঘৰখনত চাউল এমুঠি নাই।"

আমি আগতেই কৈছো যে মধ্যবিত্তই বৰ্ত্তমান বৈষম্যপুৰ্ণ অৰ্থনীতিৰ মূল কাৰণত অনুপ্ৰৱেশ নকৰি জীৱন যন্ত্ৰণাৰ পৰা মুক্তি বিচাৰে ভৱিষ্যতৰ ওপৰত নিৰ্ম্মম আত্মসমৰ্পনত। সেয়েহে পাঠশালা মাষ্টৰ শশী শৰ্ম্মাই অৰ্থনৈতিক বৈষম্য নিজৰ জন্ম লগ্নতেই বিচাৰি পায়। আচলতে অৰ্থনৈতিক স্বাধীনতাৰ অবিহনে মানুহ হৈ জীয়াই থকাৰ দাবী অৰণ্যত ৰোদন।

"ফটুৱাই ফটা ভৰিৰে শিলগুটি গচকি গচকি গৈ মাষ্টৰে ভাবিলে যে ওৱেটো জীৱন তেওঁ শিলগুটি গচকিয়েই থাকিব লাগিব। বুজন হোৱাৰে পৰা হেলো হেচো কৰি আহি আছে, তাৰতো দুকুৰি দহ বছৰেও পৰিবৰ্ত্তন নহল। চুই দিয়া কেচুসাপৰ দৰে মনটো জাঙুৰ খুৱাই দিলে এটি কথাই। মৰি হাড়ত বন গজা মাক-বাপেক হালৈ মাষ্টৰৰ হঠাতে খুব খং উঠিল। কিয়, কিয় মাক-বাপেকে মাষ্টৰৰ নিচিনা মানুহৰ জন্ম দিলে! আৰু জন্ম দিলে, অন্ততঃ গৈ থাকিবৰ বাবে গাত বল নিদিলে কেলৈ? মানুহ হৈ জীয়াই থাকিবলৈ কিয় উপায় নিদিলে?"



OKDISCD

আনহাতে এই বৈষম্যৰ মাজতেই আন কিছুমানে সমাজক লুণ্ঠন কৰি পুঁজিবাদৰ গোলামীৰে নিজক প্ৰতিষ্ঠা কৰিছে। শশী মাষ্টৰৰ মনত 'একে-লগৰ বীৰেণ শৰ্ম্মা প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ, এতিয়াও চিনিবই নোৱাৰি চাহাবেই নে অসমীয়া। থাকে শ্বিলঙত।

"প্ৰতিপদৰ জোন" সঙ্কলনটিৰ পিছৰ পৰা অৰুণ গোস্বামীৰ গল্পৰ বিষয় বস্তুৰ পৰিবৰ্তন পৰিলক্ষিত হয়। এই সময়ছোৱাত গোস্বামীয়ে বৰ্তমানৰ সামাজিক ভণ্ডামী আৰু পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাত চেপাখোৱা মানুহৰ বাস্তৱ চিত্ৰ অঙ্কনৰ প্ৰয়াস কৰা দেখা যায়।

"সঙ্কেত" নামৰ গল্পটিত লিখকে দেখুৱাইছে কিদৰে সমাজৰ এটা শ্ৰেণীয়েই আন এটা শ্ৰেণীক শোষণ কৰে আৰু শোষণ ব্যৱস্থা অব্যাহত ৰাখিবলৈ ঘাতক আৰু পুৰোহিত শ্ৰেণীক নিয়োজিত কৰে। ঘাতকৰ দ্বাৰাই শোষিতৰ দাবী, আকাঙ্খাক পদদলিত কৰা হয়, আৰু পুৰোহিত শ্ৰেণীৰ দ্বাৰাই শোষণ ব্যৱস্থাৰ অব্যাহতিৰ বাবে ৰাইজৰ মাজত মিছা প্ৰতাৰণা প্ৰচাৰ কৰা হয়। শ্ৰীগোস্বামীৰ "সঙ্কেত" নামৰ গল্পটিয়ে ক্ষীণ ভাবে হলেও এনেকুৱা এটিৰ ইঙ্গিত বহন কৰি আনে। অৱশ্যে শেষৰ পিনে ৰাইজৰ দাবানলৰ আগত শোষণ ব্যৱস্থা ভষ্মীভূত হোৱা দেখুৱা হৈছে।

শোষিত ৰাইজৰ তেজৰ বিনিময়ত ৰজাই নিৰ্ম্মাণ কৰিলে পঁচিশ খলপীয়া সিংহাসন। সিংহাসনৰ উচ্চ খাপত বহি আনন্দমত্ত ৰজাই নিৰ্দ্দেশ দিলে—সকলোকে আনন্দ কৰিবলৈ "এতিয়া আমি সকলোৱে আনন্দ কিৰিলি পাৰিব লাগে।" লগে লগে বিষয়াবৰ্গ-মন্ত্ৰী-অমাত্য পেটাল মঙহাল মানুহখিনিয়ে আনন্দৰ কিৰিলি পাৰি উঠিল। খঙ আৰু কোপত ৰজা চিঞৰি উঠিল 'ৰাইজ খন মৰিল নেকি? ৰাইজে দুৰ্ব্বল কণ্ঠে উত্তৰ দিলে—"এৰা আমি মৰাৰ নিচিনাই।"

ৰাইজৰ নিৰ্ব্বিকাৰতাৰ সঠিক কাৰণ নিৰ্ণয় কৰিবৰ কাৰণে এখনি শক্তি-শালী তদন্ত আয়োগ নিয়োগ কৰা হ'ল। বৰ্তমান অনাহাৰত মানুহ মৰাৰ মূল কাৰণ বিচাৰি উলিওৱা আয়োগৰ নিচিনাকৈ।

এই ক্ষেত্ৰত আমি গোস্বামীৰ দুটা গল্পৰ উল্লেখ কৰিব পাৰো—"ভিন্ন-বেশ" আৰু "তেওঁলোকক জগাই দিয়ক"। প্ৰথমটিত তিনিজন লম্পটে নিজ





নিজ দুষ্কৃতি, অন্যায় আৰু শোষণৰ ফলত সৃষ্টি হোৱা সম্ভাব্য বিপদৰ পৰা নিস্কৃতিৰ সহজ পন্থা পাইছে—সত্যচাই বাবাৰ ছবিৰ তলত আত্মসমৰ্পণত। এই খিনিতে ধৰ্ম্মৰ স্বৰূপ বোধগম্য হৈ পৰে। আজিও ধৰ্ম্মৰ ভণ্ডামীৰ দ্বাৰাই সমাজৰ এক শ্ৰেণীৰ মানুহে শোষণ, পীড়ন আৰু অমানুষিক কাৰ্য্যক নিৰীহ ৰাইজৰ চকুত ধুলি দি আহিছে।

দুৰ্নীতিগ্ৰস্ত বেপাৰী ৰাম প্ৰসাদ মহেশ্ৰী, শোষণকাৰীৰ সহায়ক এম্ এল্ এ মনেশ্বৰ আৰু শোষণকাৰীৰ হাতিয়াৰ ইক্ৰাম—এই তিনিওজনে বাকীৰ ওৰফে চি, আই, ডি, ইন্সপেক্টৰ শান্তিপন দুৱৰাৰ আগত কৰা স্বীকাৰোক্তিত ফুটি উঠিছে সমাজৰ প্ৰচলিত শোষণৰ স্বৰূপ। অৱশ্যে গল্পটোৰ শেষৰ পিনে দুৱৰাৰ উক্তিটোত ভাবপ্ৰৱণ আবেগ ফুটি উঠিছে। বিশেষকৈ বুৰ্জোৱা আইনৰ মেৰপাকত দুৱৰাৰ উক্তিৰ সাৰ্থকতা যে নাথাকে সি ধ্ৰুৱপ—

"পেট পোহাটো আমাৰ চাকৰিৰ উদ্দেশ্য নহয়। তোমালোকৰ নিচিনা কেন্সাৰ ৰোগৰ বীজাণুবোৰ ধৰা পেলোৱাহে আমাৰ জীৱনৰ উদ্দেশ্য। তোমালোক সাৱধান হোৱা দৰকাৰ। ইতিমধ্যে এই উদ্দেশ্য লৈ বহুত ডেকা বিভিন্ন চাকৰিত সোমাইছে।"

"তেওঁলোকক জগাই দিয়ক" নামৰ গল্পটিত লিখকে স্বৰাজ দাদাৰ গল্পৰ মাজেদি দেখুৱাইছে কিদৰে এখন দেশৰ শোষিত জনতাই সংগ্ৰামৰ মাজেদি নিষ্পেষণৰ অবসান ঘটাই গঢ়ি তুলিছিল শোষণহীন সমাজব্যৱস্থা। "সকলোবোৰ ফুটি উঠাৰ পাচত জুইবোৰে অতদিনে দেশৰ দ'ম হৈ থকা জাবৰবোৰ পুৰিবলৈ ধৰিলে। তাৰ পিচত দেশখন ছাইময় হ'ল যদিও ক্ষুধাতুৰ জনতাৰ চকুৰ পানীৰে দেশৰ ছাইবোৰ উটাই লৈ গ'ল। অলপ দিনৰ পিচত নতুন গছ গজিবলৈ ধৰিলে। গছ গজোতে তাত যাতে ৰঘুমালাৰ বীজ পৰিবহি নোৱাৰে তাৰ প্ৰতি মানুহবোৰ সচেতন হ'ল। জুইত নপৰা যি দুই এক ৰাজঘৰীয়া বা তেজসোহা জীৱ আছিল তেওঁলোকক জনতাই ডিঙিত ৰচী লগাই পিঠিত চুণৰ চিটিকনি দি বাটে বাটে টানি লৈ ফুৰিবলৈ ধৰিলে। আৰু শেষত নতুন চিৰিয়াখানা এটা নিৰ্ম্মাণ কৰি পিচৰ মানুহবোৰে চাবৰ কাৰণে বান্ধি ৰাখিলে। শুই থকা মানুহবোৰেই তেতিয়া দিনত খেতি কৰি ৰাতি শাসনৰ ওপৰত চকু দিলে বা দায়িত্ব ললে।"

শ্ৰীহৰেন্দ্ৰ কুমাৰ ভূঞাও এজন নতুন পুৰুষৰ প্ৰতিনিধি। ভূঞাৰ



OKDISCD

“বকুল কুসুম কেবল” নামৰ গল্পটিও কিছুনান স্ববিৰোধী উক্তিৰ সমাবেশ। এহাতে নায়কে কৈছে “বুজিছা বকুল, চিৰকাল ধৰি চলি অহা মানুহৰ ওপৰত অত্যাচাৰ, শোষণ আৰু নিষ্পেষণৰ আমি ওৰ পেলাব বিচাৰিছো। তাৰ বাবে আমি বাচি লৈছো ধ্বংস আৰু হত্যাৰ বাট। কিন্তু সকলোৰে মৃত্যু সকলোৰে ধ্বংস নহয়। ধ্বংস বিচাৰিছো সেইবোৰৰ যিবোৰে এই অত্যাচাৰ শোষণৰ পৃষ্ঠপোষকতা কৰে” আকৌ কৈছে — “আমি অভিমন্যুৰ দৰে চক্ৰ বেহুত যোৱাৰ বাট চিনো, ওভটাৰ বাট আমাৰ জানা নাই”। আদৰ্শৰ বাবে কৰা সংগ্ৰাম অভিমন্যুৰ চক্ৰবেহু নহয়! বৰং বুৰ্জোৱা ব্যৱস্থাৰ খাদ্য পানীৰে পৰিপুষ্টি লাভ কৰা সমাজ ব্যৱস্থাহে চক্ৰ বেহু। যত অভিমন্যুৰ নিচিনা বীৰ নহলেও বহু বুদ্ধিজীৱিয়ে বেহুত প্ৰবেশ কৰা কৌশল আয়ত্ত কৰিছে কিন্তু তাক চেদেলি ভেদেলি কৰি ওলাই অহা বাট চিনি নাপায় বা পাবলৈ ইচ্ছা নকৰে। সেয়েহে শোষণ ব্যৱস্থা বজাই ৰাখিবলৈ প্ৰচাৰ কাৰ্য্য চলায় প্ৰগতিবাদৰ নামত। তাৰ নমুনা এই গল্পতো স্থূলতঃ “পাৰ্টি, মুক্তি সংগ্ৰাম, আদৰ্শৰ সংঘাত চবয়েন বাজে কথা। অৰ্থহীন কথা”। মাত্ৰ বাজে কথা আৰু অৰ্থহীন নহয় পুঁজিবাদ ব্যৱস্থাৰ অমানুষিক শোষণ আৰু অত্যাচাৰ সম্পৰ্কে উট চৰাইৰ নিচিনা নীতি প্ৰদৰ্শন কৰাটো!

আকৌ শ্ৰীভূঞাৰ নায়কে কৈছে—“তুমি জানা সেইটো পাৰ্টিত মৰম চেনেহৰ স্থান নাই। মানৱতাৰ স্থান নাই। তাত পাৰ্টিতকৈ ডাঙৰ কোনো নাই” মানবতা দয়া মমতা বৰ্জিত পাৰ্টিৰ অস্তিত্ব ক'ত? শ্ৰীভূঞাৰ গল্পৰ নায়কৰ উক্তি সমূহ পঢ়ি এনে যেন লাগে যেন বুৰ্জোৱা উচ্ছিষ্ট ভক্ষনৰ বাবে লালায়িত বুদ্ধিজীৱি সাধাৰণতে ভয়ানক চালাক হয়। মানবতা, দয়া, মমতা বৰ্ত্তমান সমাজ ব্যৱস্থাত তেওঁলোকে বোধহয় বিচাৰি পায়।

নতুন পুৰুষৰ মাজৰ কিছু পৰিমাণে সফল গল্পলিখক হ'ল শ্ৰী অপূৰ্ব্ব শৰ্ম্মা। যদিও সংখ্যাৰ ফালৰপৰা গল্প বেচি নহয়। শ্ৰীশৰ্ম্মাৰ “শুভ বাৰ্ত্তা” নামৰ গল্পটিৰ বিষয় বস্তু এটি মধ্য বিত্ত পৰিয়ালৰ আদৰ্শৰ আৰু আত্ম চেতনাৰ সংঘাত। আমাৰ বোধেৰে গল্পটিৰ গাঠনি আৰু চিন্তাত কিছু পৰিমাণে হলেও নতুনত্ব আছে।

অতীতৰ বিপ্লৱী ছাত্ৰ নেতা জ্যোতিষক কেন্দ্ৰ কৰি গল্পটি গঢ়ি উঠিছে আৰু





সি “সমাজৰ বিৰুদ্ধে যুদ্ধৰ পৰা পলাই নিজৰ একান্ত গুহাৰ অন্ধকাৰত আশ্ৰয় লৈছে” মধ্যবিত্তৰ আত্মচেতনাৰ পৰা সম্পূৰ্ণ মুক্ত হব নোৱাৰাৰ বাবে। তথাপিও এই পলায়নে জ্যোতিষৰ মনত সংঘাত সৃষ্টি নকৰাকৈ থকা নাই। “যি যুদ্ধৰ বাবে জীৱন উৎসৰ্গিত হোৱা আছিল তাৰ প্ৰতি পিঠি দি নিজৰ নিচাত ডুবি আছো। এসময়ত সমাজৰ বিৰুদ্ধে যুদ্ধত যেতিয়া তাৰ যৌৱনৰ প্ৰচণ্ড তেজ আৰু উদ্যম নিয়োজিত হৈছিল, প্ৰত্যেকটো কামেই অৰ্থ পূৰ্ণ অপৰিহাৰ্য্য আৰু পবিত্ৰ কৰ্ত্তব্য যেন বোধ হৈছিল, জীৱনৰ উদ্দেশ্য পূৰ্ণতা সম্পৰ্কে সামান্যতম সন্দেহ নাছিল, আৰু এতিয়া ভাৱ হয় জীৱনৰ অন্য কোনো অৰ্থ নাই, কেৱল সমস্ত শক্তি সমগ্ৰ মনোযোগেৰে নিজক জীয়াই ৰখা, শূন্যতাৰ মাজলৈ নিস্ফল পৰিনতিৰ মাজলৈ নিৰুপায় ভাবে আগবাঢ়ি যোৱা।

জীৱনৰ লক্ষ্য কি এয়ে আছিল? এই তেনে হলে সকলোৰে নিজৰ আপোন হৃদয়ৰ বন্ধ কোঠাৰ মাজত নিজক বন্ধ কৰি ৰাখিব আৰু মানুহৰ অসংখ্য দুৰ্ভোগ, সমাজৰ সীমাহীন অন্যায় চকু মুদি নিশ্চেতন নিষ্ক্ৰিয় হৈ সহ্য কৰি কৰি যাব?” এইখিনি জানিও জ্যোতিষে কিয় আগুৱাই আহি পিচুৱাই গ'ল? সি ভাবে প্ৰত্যেক মানুহ যেন একোটা নিচাত মত্ত হৈ পলাই আহিছে জীৱনৰ বাস্তৱ যুদ্ধৰ পৰা আৰু মচগুল হৈছে বিভিন্ন নিচাত “ঘৰৰ প্ৰতি দায়িত্ব পালনৰ নিচা, কেৰিয়াৰ-নিচা, সমৃদ্ধিৰ নিচা, ৰ'মান্সৰ নিচা”। যেতিয়া জ্যোতিষৰ বিপ্লৱী কাৰ্য্য কলাপত দেউতাক ৰুষ্ট হৈ তৰ্জন গৰ্জন কৰে, জ্যোতিষে যুক্তি তৰ্কৰ দ্বাৰাই পিতাকৰ সন্মুখত থিয় দিবৰ সাহস গোটাব নোৱাৰে। “অথচ মই ডাঙৰ হৈছো, অসামঞ্জস্যবোৰ দেখিবলৈ ধৰিছো ন্যায় আৰু প্ৰমূল্যৰ সামাজিক বা ব্যক্তিগত হত্যাকাণ্ড প্ৰত্যক্ষ কৰিছো আৰু নিজৰ ৰাস্তা নিজে ঠিক কৰি লৈছো।” এইবোৰ জানিও জ্যোতিষে কিয় শেষ মুহূৰ্ত্তত বাস্তৱ যুদ্ধৰ পৰা প্ৰস্থান কৰিলে? সি জানো দ্বিধা গ্ৰস্ত মধ্যবিত্তৰ প্ৰতিনিধিত্ব নহয়?

আনহাতে জ্যোতিষৰ দেউতাক আছিল স্বাধীনতা আন্দোলনত এজন অখ্যাতনামা যুজাৰু যিজনে আন্দোলনৰ তিতা কেহাৰ মাজতো জীৱনৰ প্ৰাণ শক্তি হেৰুৱালে? কিয় বাৰু মানুহজনৰ মাজত সৃষ্টি হ'ল ব্যক্তি সচেতনতা? ই জানো বুৰ্জোৱা আন্দোলনৰ পৰোক্ষ পৰিণতি নহয়?



OKDISCD

জ্যোতিষৰ সৰু ভায়েক বাপ বৰ্ত্তমান বিপ্লৱৰ নিচাত মত্ত বাপ উদ্দাম কণ্ঠত সমাজৰ পৰিৱৰ্ত্তন, কায়েমী স্বাৰ্থৰ বিৰুদ্ধে প্ৰতিবাদ। সিয়ো জানো স্থিৰে থাকিবলৈ সমৰ্থ হব শেষ মুহূৰ্ত্তলৈ? জ্যোতিষৰ বন্ধু জামালৰ কণ্ঠত বিনা যুদ্ধে পৰাজিত সেনাপতিৰ কণ্ঠস্বৰ।

গোটেই গল্পটিত মধ্যবিত্ত আত্ম চেতনাক কেন্দ্ৰ কৰি গঢ়ি উঠা সংঘাতৰ চিত্ৰ আছে। এই গল্পটি ভাষাৰ পিনৰপৰা সবল আৰু লিখকে ইয়াত এনে কিছুমান প্ৰশ্ন তুলিছে যাক ভাবি চাব লগিয়া। লিখকে গল্পটিৰ শেষৰ পিনে পুলিচৰ লাঠি চালনাত আহত হোৱা লৰাজনক ৰক্ষা কৰিব যোৱাৰ মাজেদি জ্যোতিষক বুৰ্জোৱা আত্ম কেন্দ্ৰিকতাৰ পৰা ওলাই অহা দেখুৱাইছে। কিন্তু বাপৰ বিপ্লৱৰ মাজত নাবালক ভাবাবেগ থকা যেন লাগে। সেয়েহে বাপৰ চিন্তাক আমি অভিনন্দন জনালেও, বাস্তৱত তাৰ তাৎপৰ্য্য কিমান ভাবিব লগিয়া।

সমাজৰ প্ৰকৃত সমস্যা বুজিবলৈ চেষ্টা নকৰিলে কলাৰ সৌন্দৰ্য্যময়ী ৰূপ পৰিস্ফুট হৈ নুঠে। আৰু এই ক্ষেত্ৰত শিল্পীৰ সামাজিক চেতনা অপৰিহাৰ্য্য। সামাজিকভাৱে চেতনাই শিল্পী সাহিত্যিকৰ মনত সৃষ্টি কৰে জীৱনবোধৰ গভীৰতা আৰু নিখুত জ্ঞান। বুৰ্জোৱা শ্ৰেণী অৱস্থানৰ পৰা জন্মা মোহ আত্মকেন্দ্ৰিকতা আৰু আত্ম প্ৰৱঞ্চনাই সৃষ্টিৰ দুৰ্দান্ত বাধা স্বৰূপ। সেয়েহে নতুন পুৰুষসকলে সাহসেৰে বুৰ্জোৱা ব্যৱস্থাৰ পিশাচী চক্ৰবেহু ভেদ কৰি নতুন দিগন্ত উন্মোচন কৰাত সহায় কৰিব লাগিব। অন্যথা তেওঁলোকে নিজকে প্ৰবঞ্চনা কৰি আনকো বিভ্ৰান্ত কৰিব।

—×—





# পুথি সমালোচনা

অসমীয়া প্ৰগতিশীল সাহিত্যত এটা ডাঙৰ দুৰ্বলতা দেখা যায়। সি হ'ল প্ৰকৃত সংঘাত আৰু দ্বন্দ্বৰ অনুপস্থিতি। মধ্যবিত্ত লেখকৰ সৃষ্টি এই সাহিত্যত ভৱিষ্যৎ সম্পৰ্কে অপাৰ আশা সাধাৰণতে প্ৰকাশ পায় বহুব্যৱহৃত আৰু ঘঁহনি খাই খাই পিছল হোৱা কিছুমান শব্দ আৰু কল্পচিত্ৰৰ জৰীয়তে। কিন্তু জনসাধাৰণৰ বাস্তৱ সংগ্ৰামৰ লগত কোনো প্ৰত্যক্ষ পৰিচয় নথকা বাবে এওঁলোকৰ সহানুভূতি প্ৰায়ে তৰল যেন লাগে। আনহাতে নিজৰ মধ্যবিত্ত জীৱনৰ লগত সৰ্বহাৰাৰ সংগ্ৰামৰ মতাদৰ্শৰ দ্বন্দ্বও সততা আৰু আন্তৰিকতাৰে ফুটাই তুলিবলৈ এওঁলোকৰ সংকোচ। সেয়ে কেশৱ মহন্ত (যাৰ কবিতাত অভিজ্ঞতা ক্ৰমাৎ গভীৰ হৈ অহাৰ লক্ষণ আনন্দদায়ক), হীৰেন ভট্ট প্ৰভৃতি কবিৰ এমুঠিমান কবিতাৰ বাহিৰে প্ৰগতিশীল বাক্য অগভীৰ বা শ্লোগানধৰ্মী হৈয়েই আছে।

এইফালৰ পৰা **ৰবীন্দ্ৰ সৰকাৰৰ** কবিতা আমাৰ সাহিত্যৰ বাবে এটা শুভ সংবাদ। কাৰণ সৰকাৰৰ সেই সাধুতা আছে, যি সাধুতা আহে মতাদৰ্শ তথা বিশ্বাসৰ পবিত্ৰতাৰ পৰা। সেইবাবেই আন দহজনৰ দৰে সকলো কথা হজম নকৰি তেওঁ বিশ্বাসৰ লগত বাস্তৱৰ দ্বন্দ্বৰ সন্মুখীন হৈছে। জনসাধাৰণৰ বাবে উজ্বল জীৱন বিচাৰি তেওঁ দেখিছে কেনেকৈ জনসাধাৰণৰ সংগ্ৰামক সুবিধাবাদী আৰু আমোলাতান্ত্ৰিক নেতৃত্বই বাৰে বাৰে বিশ্বাসঘাতকতা কৰিছে:

মোৰ প্ৰজ্বলিত বিবেকটো কাক আজি ধাৰে দিওঁ?
সকলোৱে মুখা পিন্ধা;
বিপ্লৱ লাগে বুলি চিঞৰি চিঞৰি হঠাতে নিমাত হয়।

*　　*　　*

সাজ পাৰ সলাই
সানি নতুন ৰহণ
কাঠ পুতলাৰ নাচ
(বহুতো দেখিলোঁ)



OKDISCD

তেওঁৰ নিজৰ সাময়িক হতাশা আৰু দুৰ্বলতা প্ৰকাশ কৰিবলৈকো তেওঁ মিছা লাজ অনুভৱ কৰা নাই :

ফুল
তৰা
জোন
সোণৰ সপোন মাথো
আজি শুকায় শুকায়—
ফুলাৰ মন্ত্ৰ মাতিলেই
কণ্ঠ আমাৰ কঁপি উঠে।

* * *

আহাঁ, এতিয়া সময় হ'ল সমুদ্ৰ যাত্ৰাৰ!
নকল পোচাকবোৰ খুলি থৈ
এতিয়া সময় হ'ল নিজকে বিচাৰি চোৱাৰ।

এই দ্বন্দ্ব সাহসেৰে সন্মুখীন হোৱাবাবেই ৰবীন্দ্ৰ সৰকাৰৰ বিশ্বাসৰ প্ৰকাশত শুনা যায় অভিনৱ ৰক্তস্পন্দন :

হৃদয়ৰ গভীৰত
প্ৰাণোচ্ছল নিজৰাৰ শব্দ
মই সাৰ পাওঁ :
সমুদ্ৰ!
সমুদ্ৰ!!

অৱশ্যে সৰকাৰৰ কবিতাও কিছুমান দোষত্ৰুটিত ভুগি সম্পূৰ্ণ বাঙ্ময় হব পৰা নাই। শ্লোগান ধৰ্ম্মী কবিতাৰ আবেগহীন উত্তেজনাৰ ভাষাৰ লগত প্ৰকৃত কবিতাৰ সজীৱ ভাষাৰ প্ৰভেদ তেওঁ সদায় লক্ষ্য কৰা নাই।

বাধাৰ পাহাৰ বগাই
মানুহৰ জয়গান গাই
নতুন যুগৰ পিনে আগুৱাই যায়।

* * *

মোৰ স্বপ্নৰ পৃথিবীত
প্ৰাণৰ প্ৰাচুৰ্য্যলৈ
আকৌ পোহৰ আহিব।





এনে ধৰণৰ শব্দ তথা পংক্তি যি কোনো মানুহে ধপৰাই লেখি দিব পাৰিব। শুনাত ভাল হ'লেও এইবোৰ শব্দই আচল কবিতাৰ দৰে মনলৈ সুস্পষ্ট অনুভূতি আৰু উপলব্ধি বহন কৰি নানে। দুঃসংবাদ শুনিলে যান্ত্ৰিক ভদ্ৰতাৰে "ছিঃ ছিঃ" বুলি কোৱাৰ দৰে এই ধৰণৰ কবিতাৰ শাৰীৰ প্ৰতি আমাৰ সঁহাৰিও যান্ত্ৰিক হবলৈ বাধ্য।

কবিতা অৱশ্যে কেৱল কল্পচিত্ৰৰ পোহাৰ নহয়। কল্পচিত্ৰৰ সংহতিৰ বাবে কবিমনৰ অনুভূতিৰ বেগ আৰু উপলব্ধিৰ ঐক্য বিশেষ প্ৰয়োজনীয়। কিন্তু সৰকাৰৰ দৰে দোমোজাত পৰা কবিয়ে কিছুমান অলাগতিয়াল জঞ্জালৰ পৰা নিজকে মুক্ত কৰিবলৈ এটা কাম কৰিব পাৰে। সি হ'ল নিজৰ ভাব অনুভূতিৰ যথাৰ্থ আৰু সজীৱ ৰূপক হিচাবে নতুন নতুন কল্পচিত্ৰৰ আৰু সেইবোৰৰ নাটকীয় সংহতিৰ পৰীক্ষা চলোৱা। তেতিয়া তেওঁৰ উপলব্ধিয়ে তাৰ বিশুদ্ধ শক্তি লৈ প্ৰকাশ পাব।

তেওঁ যে নিজেও এনে পৰীক্ষা চলোৱা নাই, তেনে নহয়। "পেণ্টাগনৰ ভূত" নামৰ অনবদ্য কবিতাত কবিৰ শ্লেষ আৰু বিদ্ৰূপ আৰু জীৱনৰ অমৰ সম্ভাৱনা সম্পৰ্কে আশাবাদৰ প্ৰকাশ কলাসন্মত তথা সংযত হৈছে। তাৰ নাটকীয় ভাষা, জীৱন্ত কল্পচিত্ৰ, আৰু আধুনিক কবিতাৰ অনুষঙ্গ প্ৰধান অনুক্ৰম (sequence) অসমীয়া সাহিত্যত এটা দুৰ্লভ অভিজ্ঞতাঃ

ৰাস্তাটো পাৰ হবলৈ যাওঁতে
হঠাতে জীৱনৰ আৰ্ত্তনাদ—
কেঁ—এচ কৈ এটা শব্দ
জুমবান্ধি থকা মানুহজাকে
চিঞৰি উঠিল :
'গ'ল গ'ল গ'ল ...'
পেটুৱা টায়াৰ চাৰিটা
ভয়তে থমকি ৰ'ল ;
সমুখত সময়ৰ ৰঙাচকু ... ...

* * *

সৰ্বনাশ!



OKDISCD

তলত থকা মানুহজাকে ওপৰলৈ চালে
খট খটিত তেজৰ চিন—
শিৰাই শিৰাই উত্তৰণৰ যন্ত্রণা ......
ক'ৰবাত যেন শিলভঙাৰ শব্দ
কিবা এটা গঢ়িছে চাগৈ ......

সেইদৰে "সুন্দৰ দিনৰ বাবে" কবিতাটোত মানবীয় অভিজ্ঞতাৰ উমে কবিতাৰ কল্পচিত্রলৈ প্ৰাণ আনিছে। (কবলৈ বাধ্য হৈছোঁ যে এনে উম নথকা বাবে আধুনিক কবিতাৰ বহু দিক্‌পালৰ মসৃন আৰু নিটোল কল্পচিত্রই মনৰ ওপৰত গভীৰ ৰেখাপাত নকৰে—এছাটি বতাহৰ দৰে পৰ্দাখন অলপ কঁপাই যায়মাত্র!)

অৱশ্যে শ্লোগানৰ ভাষা যে সদায় নিষ্প্ৰাণ হ'ব তেনেদৰে কোনো কোনো মতান্ধ সমালোচকৰ দৰে আইন বান্ধি দিব নোৱাৰি। বহুব্যৱহৃত শব্দ আৰু বাক্‌ভংগীতো জীৱনৰ স্পন্দন আনিব পাৰি অনুভূতিৰ গতিশীলতাৰে, আৰু তাৰ পৰা জন্মা আংগিকৰ গতিশীলতাৰে:

ৰ'দ বৰষুণত অস্পষ্ট হৈ যোৱা
পষ্টাৰৰ আখৰবোৰ
হঠাতে জিলিকি উঠিল—
যৌৱনৰ হাতে হাতে
জীৱনৰ ইস্তাহাৰ—
মুঠিবোৰ লাহে লাহে টান হ'ল
উদ্ধত আকাশৰ পিনে
দলিয়াই দিলে
কেইটামান প্ৰচণ্ড শব্দ:
জীৱন বিদ্ৰোহ দুখীয়াৰ ৰাজ
আহ কি উত্তাপ!!

কিন্তু এনে সজীৱ, গতিশীল অনুভূতি অবিহনে শ্লোগানৰ ভাষা কবিতাত গোট মৰাৰ আশংকা প্ৰবল।

**'বৃত্ত ভঙা সময়'** সম্পাদনা আৰু প্ৰকাশ কৰি উলিয়াইছে সৰকাৰৰ কবিবন্ধু অৱনী চক্ৰৱৰ্ত্তীয়ে। অসমীয়া পাঠক চক্ৰৱৰ্ত্তীৰ ওচৰত ঋণী। কিন্তু





ধাৰণা হয় বহুত ভাল কবিতাই এই সংকলনখনত ঠাই নেপালে। আৰু এই এমুঠি কবিতাৰ ওপৰতে ভৰষা কৰি সৰকাৰৰ সৃষ্টি সম্পৰ্কে ৰায় দিব নোৱাৰি। তথাপি, সসংকোচে হলেও, কব খোজো যে সৰকাৰৰ বক্তব্যৰ জীপ আহিছে গণজাগৰণ তথা গণসংগ্ৰামৰ পৰা। সকলো সময়তে তাৰ লগত নিজকে জড়িত নাৰাখিলে তেওঁৰ কবিতাত বিমূৰ্ত্ত আৰু জঠৰ শব্দই ভীৰ কৰিব পাৰে। কিতাপখনৰ প্ৰাপ্তিস্থানৰ উল্লেখ থাকিলে ভাল আছিল।

কবি **'দীনেশ গোস্বামী'** নীলমণি ফুকনৰ সমসাময়িক, অৰ্থাৎ আধুনিক কবিসকলৰ ভিতৰত বয়সৰ ফালৰ পৰা দ্বিতীয় চামৰ। বহুদিনৰ মূৰত তেখেতৰ এখন সংকলন "বৃত্তৰ বাহিৰত" (বৰুৱা এজেন্সি, গুৱাহাটী-১, ১৯৭২) হাতত পাই আমি আনন্দিত হৈছোঁ। অৱশ্যে এইখনত তেখেতৰ বহুত কবিতাই সম্ভৱতঃ ঠাই পোৱা নাই। কবি গোস্বামীৰ শব্দচয়ন আৰু কথাৰ সুৰত নিজস্বতা আছে। অৱশ্যে তেখেতৰ ওপৰত আধুনিক বঙলা কবিতাৰ প্ৰভাৱ সুস্পষ্ট। তেখেতৰ দুৰ্বলতা এয়ে যে দুৰুহ শব্দই সদায় ঝংকাৰ সৃষ্টি কৰিলেও মাজে সময়ে কাব্যিক ব্যঞ্জনা ফুটাই তুলিব পৰা নাই। ব্যক্তিগত অনুভূতিৰ প্ৰকাশত সংকোচে কেইজনমান বিশিষ্ট আধুনিক কবিৰ কবিতালৈ কৃত্ৰিম বস্তুনিষ্ঠতা আৰু প্ৰাণহীন মসৃনতা আনি দিছে। সেই বিপদ অন্ততঃ গোস্বামীৰ নহয়।

গোস্বামীৰ কাব্যৰ প্ৰধান উপজীব্য এক তীব্ৰ নিঃসংগতাবোধ আৰু নিৰ্বেদ। সেই নিঃসংগতা তেওঁৰ প্ৰিয় নহয়। বৰং সি তেওঁৰ বাবে আত্মাৰ মৰিশালি।

জন্মমুহূৰ্ত্তৰ পৰাই মই বৃদ্ধ
মোৰ ইচ্ছাৰ শিশুবোৰ নিদ্ৰিত।

* * *

আয়নাৰ দৰে এক গভীৰ শব্দহীনতা
মৃতৰ শৰীৰৰ দৰে এক ভয়াবহ স্তব্ধতা
ৰাতিৰ ভিতৰত অন্য এক ৰাতি
দিনৰ ভিতৰত অন্য এক দিন

এই নিঃসঙ্গতাবোধক তেওঁ আধুনিক সাহিত্যৰ কোনো কোনো নেতাৰ দৰে



OKDISCD

মানুহৰ চিৰন্তন অদৃষ্ট বুলি মানি লব পৰা নাই। সমাজ তথা সংস্কৃতিত তেওঁ তাৰ প্ৰতিৰূপ দেখা পাইছে। আৰু সমাজৰ পুনৰ্জাগৰণৰ প্ৰচেষ্টাৰ লগত নিজৰ পুনৰ্জন্মৰ সম্ভাৱনা জড়িত কৰিছে ঃ

আজি বহুদিনৰ পৰা মই কাৰো মুখত
"পাইছোঁ" বোলা কথাষাৰ শুনা নাছিলোঁ
সকলোৰে কিবা হেৰুৱাইছিল
দীৰ্ঘশ্বাসৰ মাজেৰে জীৱনৰ দিনবোৰ পাৰ কৰিছিল
অভিযোগ কৰিছিল, আলিবাটত সমদল
বাহিৰ কৰিছিল
তাৰে কিছুমান পুলিচৰ গুলী খাই মৰিছিল
আৰু মযো মোৰ ৰূপালী চুলিবোৰত হাত ফুৰাই
জীৱনৰ দিনবোৰ কটাইছিলোঁ।

* * *

কিন্তু জন্ম হ'ল ক'ত?
মৃত বন্ধু সকলৰ দেহবোৰ গছকি
অৱসন্ন অৱশিষ্ট যাত্ৰীদল ঘূৰি আহিল
বতাহত প্ৰেতাত্মাৰ অট্টহাস্য শুনি।

কবিৰ হতাশা সামাজিক তথা ৰাজনৈতিক আন্দোলনৰ সাময়িক ভাটাৰ পৰাই আহিছে। তথাপি তেওঁ নিৰ্জীৱ শূন্যতাত স্থায়ীভাবে আশ্ৰয় লোৱা নাই। "বনৰীয়া হাঁহ" কবিতাত মুক্তিৰ বাবে তেওঁৰ করুণ হাবিয়াস প্ৰকাশ পাইছে। "প্ৰাচীন গছ" কবিতাৰ দ্ব্যৰ্থবাচক প্ৰতীকত তেওঁ আভাস দিছে কবিতাৰ তথা মানুহৰ সৃষ্টিপ্ৰতিভাৰ ভয়ংকৰ ৰূপৰ, সাময়িক শুষ্কতাই যাক নিষ্ক্ৰিয় কৰিব নোৱাৰে ঃ

গছতো নহয়
যেনিবা প্ৰেতৰ মূৰ্তি
হেজাৰ বছৰ ধৰি মৃত্তিকাৰ প্ৰাণৰস শুহি
আজি সি ৰিক্ত নিঃস্ব
তাৰ জঠৰত জ্বলে লেলিহান ক্ষুধা
বতাহৰ আন্দোলনে
কৰি তোলে তাক





ভীষণতকৈয়ো ভীষণ
শান্তিৰ প্ৰতিমা ভাঙি
আত্মাৰ অপৰিমেয় গহ্বৰৰ পৰা
উদগীৰণ কৰে
বিষবাষ্প
আৰু
মাজে মাজে
নীৰৱ নিস্তব্ধ হৈ
বিষাদৰ মূৰ্তি ধৰি থাকে।

এই কবিতাৰ শক্তি উজ্বল বা তীক্ষ্ণ কল্পচিত্ৰৰ পৰা অহা নাই। বৰং গছে কেনেকৈ শান্তিৰ প্ৰতিমা ভাঙিব পাৰে ভাবিলে গোলমাল লাগে। (এই সম্পৰ্কে কবি আৰু সজাগ হ'লেই ভাল।) কিন্তু শব্দচয়নৰ বিশেষ ভংগিমা আৰু ছন্দৰ যোগেদিয়েই ফুটি উঠিছে কবিৰ মৌলিক অনুভূতিৰ বেগ।

আন বহু আধুনিক কবিৰ দৰে নিঃসংগ চেতনাৰ পৰা দীনেশ গোস্বামীয়ে মুক্তি বিচাৰিছে আদিম আৰু চিৰন্তন বুলি ধৰি লোৱা যৌনৰহস্যৰ মাজত। তাৰ লগত জড়িত হৈ আছে কবিৰ আপোন সৃষ্টিৰ অভিজ্ঞতা। "লগ্ন" নামৰ কবিতাত এনে এক তন্ত্ৰধৰ্মী উপলব্ধি পৰিস্ফুট। কিন্তু যৌন অভিজ্ঞতাৰ সুন্দৰ, মৰ্মস্পৰ্শী, সাৰ্থক প্ৰয়োগ ঘটিছে "বিষাদ" নামৰ কবিতাত ঃ

বৰফ গলাৰ দৰে
তুমি হয়তো শিয়ঁৰি উঠা
মই অনুভৱ কৰোঁ তোমাৰ শৰীৰৰ কম্পন।

তোমাৰ শৰীৰৰ মৃদু মধু ছন্দৰ কম্পন
বহু শীত বসন্তৰ ৰাতি মই কৰিছোঁ অনুভৱ
যেতিয়া তুমি মোক বুৰাই পেলোৱা
সমুদ্ৰই জাহাঁজ বুৰাই পেলোৱাৰ দৰে
আৰু ৰাতিৰ সেই ৰহস্যময় শব্দবোৰ শুনি
তুমি যেন গুছি যোৱা বহু দূৰলৈ......

OKDISCD

কিন্তু যৌন অভিজ্ঞতা ভূমাৰ সুন্দৰ প্ৰতীক হ'লেও সমাজৰ পুনৰ্জন্মৰ যথাৰ্থ, পৰিপূৰ্ণ দ্যোতক হব নোৱাৰে। তাৰ বাবে একান্ত প্ৰয়োজন সমাজৰ পুনৰ্জন্মৰ বাবে সৰ্বহাৰা শ্ৰেণীৰ সংগ্ৰামৰ লগত পৰিচয়ৰ। কবি দীনেশ গোস্বামী দক্ষ আৰু স্পৰ্শকাতৰ বাবেই আমি আশা ৰাখিছোঁ সেই পৰিচয়ৰ পথ তেওঁ নিজেই মুকলি কৰি লব। তেতিয়া আৰু "শব্দ বোৰ, শব্দবোৰ" বুলি কবিপ্ৰতিভাৰ আত্মৰতিপ্ৰবণ আত্মানুসন্ধানৰ প্ৰয়োজন নহব। দুৰূহ শব্দৰ প্ৰতি আৰু বিশেষণৰ প্ৰতি তেওঁৰ মোহ, কল্পচিত্ৰৰ দুৰ্বলতা আদি দোষো নিশ্চয় তেতিয়া অন্তৰ্হিত হব।

শ্ৰীযুত উত্তম বৰুৱাৰ "বৰৰজা ফুলেশ্বৰী"য়ে (প্ৰকাশক স্বয়ং গ্ৰন্থকাৰ, ১৯৭১) তেখেতৰ মঞ্চজ্ঞানৰ নতুনকৈ পৰিচয় দিছে। তেখেতৰ "বৰ মানুহৰ দোলা" I. P. T. Aৰ দ্বাৰা ব্যাপকভাবে অভিনীত হৈ ৰাইজৰ সমাদৰ লভিছিল। সৰু সৰু মানুহৰ দুখ জ্বালাযন্ত্ৰণাৰ আঁৰত লুকাই থকা, মাজে মাজে ভমকৈ জ্বলি উঠা ক্ৰোধবহ্নিৰ অনবদ্য প্ৰকাশ সেই সৰু নাটিকাখনি। অথচ ঐতিহাসিক কল্পনাৰ সহায়েৰে অতীতৰ গণ-বিক্ষোভৰ তৎকালীন ব্যৰ্থতাৰ হুমুনিয়াহো তাত প্ৰকাশ পাইছিল। I. P. T. A মৰিল। উত্তম বৰুৱাৰ দৰে নাট্যকাৰো ক্ৰমাৎ মধ্যবিত্ত জীৱনযাত্ৰাৰ চাকনৈয়াত সোমাই পৰিল। সেয়ে "বৰ ৰজা ফুলেশ্বৰী"ৰ মৰ্মত জনগণৰ বিক্ষোভতকৈ ফুলেশ্বৰীৰ ব্যক্তিগত জীৱনৰ কাৰুণ্যই বেছি প্ৰকাশ পাইছে। ক্ষমতাবান সামন্ত আৰু যাজক শ্ৰেণীৰ স্বাৰ্থত ফুলেশ্বৰীৰ ফুলৰ দৰে জীৱন কেনেকৈ জঁই পৰি গল, তাৰেই কাহিনী নাটকখনত বিবৃত হৈছে। চিনাতলীয়া নটৰ জীয়ৰী ৰাণী হৈ কি অসামান্য ৰাজনৈতিক দক্ষতা আৰু প্ৰশাসনীয় নৈপুণ্য দেখুৱালে তাৰ ইংগিত লেখকে দিছে। ফুলেশ্বৰীৰ ব্যৰ্থতাৰ কাৰণ তেওঁৰ ব্যক্তিগত ধৰ্মান্ধতা নহয়, সামন্ত আৰু যাজক শ্ৰেণীৰ চক্ৰান্তহে—নাটখনত তাৰ আভাস আছে। আনহাতে ৰজা শিৱসিংহৰ চৰিত্ৰত সামন্ত শ্ৰেণী স্বাৰ্থৰ চেকা লাগিবলৈ নিদি নাট্যকাৰে হয়তো খুটিনাটিৰ সত্য বচাইছে, কিন্তু মূল সত্যৰ পৰা আঁতৰি গৈছে।

ইতিমধ্যে দুই এক অৰ্বাচীনে ঐতিহাসিক কাহিনীৰ নামত ইতিহাসক ইচ্ছামতে মহতিয়াই থকা বাবে শ্ৰীযুত বৰুৱা ঐতিহাসিক খুটিনাটিৰ শুদ্ধতাৰ





প্ৰতি অতি সচেতন। তেখেতৰ এই নাটিকাখনিত মৌলিক ঐতিহাসিক গৱেষণাৰো চিন আছে। কিন্তু তাৰ ফলত শ্ৰীযুত বৰুৱাৰ দক্ষ সংলাপতো মাজেসময়ে জড়তা আহিছে; (উদাহৰণ বৰৰজাৰ ৰাজসভাৰ কবি শিল্পীৰ লগত কথোপকথন।) তাৰ উপৰিও বৰৰজাৰ জীৱন কাহিনীৰ মৰ্মৰ ঐতিহাসিক সত্য উদঘাটন কৰাত নাটকখন সিমান সফল নহ'ল। চতুৰ্ভুজৰ লগত ৰাজদৰবাৰৰ সংঘাতৰ তাৎপৰ্য্য কি? চতুৰ্ভুজ সাধুমহন্ত বাবে তেওঁক অত্যাচাৰ কৰা উচিত হোৱা নাই? নে চতুৰ্ভুজ প্ৰজাৰ ধৰ্মৰ প্ৰতিনিধি বাবে বাবে তেওঁক অত্যাচাৰ কৰা উচিত হোৱা নাই? নে চতুৰ্ভুজৰ ধৰ্ম্ম শাক্ত ধৰ্ম্মতকৈ শ্ৰেষ্ঠ বাবে অত্যাচাৰ অনুচিত হৈছে? চতুৰ্ভুজৰ চৰিত্ৰত এই সকলো বৈশিষ্ট্য আছে নিশ্চয়। কিন্তু প্ৰধান বৈশিষ্ট্য কি? এই সম্পৰ্কে লেথক বিশেষ যত্নবান হোৱা নাই। নাইবা হয়তো ইতিহাসৰ খুটিনাটিৰ প্ৰতি অত্যধিক সতৰ্ক হৈছে। সেয়ে বৰৰজা আৰু পুৰোহিত শ্ৰেণীৰ লগত চতুৰ্ভুজ মুখামুখি হোৱা দৃশ্য বলিষ্ঠ নহ'ল। নাটখনৰ এয়ে প্ৰধান দুৰ্বলতা।

আনহাতে নাটকৰ প্ৰথম দৰ্শন "দেৱদাসী ফুলমতী" লেখকৰ কষ্টোপাৰ্জিত উচ্চমানৰ কলাকুশলতাৰ নিদৰ্শন। চৰিত্ৰসমূহৰ বচনভংগী ইয়াত বুৰঞ্জীসন্মত, অভিজাত জনোচিত। ফুলমতীৰ কথাবতৰাৰ মাজত উদ্ভিন্নযৌৱনা নাৰীৰ ভাব-ভংগী মনোমোহাকৈ ফুটি উঠিছে। বৰবৰুৱাৰ আগমন আৰু সম্ভ্ৰান্ত মানুহখিনিৰ আওপকীয়া কথাবতৰাত ৰাজনৈতিক চক্ৰান্তৰ দৃঢ় ইংগিত। এনে সুন্দৰ আৰম্ভণিৰে কাহিনীটো কিন্তু মাজবাটতে দুৰ্বল হৈ পৰিল। নাট্যকাৰক আমি সোঁৱৰাই দিওঁ ইতিহাসৰ খুটিনাটি অটুট ৰাখিও লেখকে তাৰ মূল সত্যৰ প্ৰতি চকু ৰাখিব লাগিব। সেই সত্য লেখকে নিজৰ অন্তৰতহে পাব, পণ্ডিতৰ ৰচনাত নাপায়।

পদ্ম বৰকটকীৰ "ৰঙা ৰঙা ৰং" (সাহিত্য প্ৰকাশ, গুৱাহাটী-৩,) তেখেতৰ বহু বিজ্ঞাপিত এখন উপন্যাস। বৰকটকীৰ ৰচনাত এটা অনস্বীকাৰ্য্য প্ৰগতিশীল ধাৰা আছে। তেওঁৰ কিছুমান ৰচনা নিঃসন্দেহে শক্তিশালী। আনহাতে তেওঁৰ মাজত তাহানিৰে পৰা ব্যৱসায় প্ৰৱণ, চাঞ্চল্যপ্ৰেমী আৰু সস্তীয়া মনোবৃত্তিৰ ভেজাল আমি লক্ষ্য কৰি আহিছোঁ। শোষক শ্ৰেণীৰ শোষণৰ বৰ্ণনা দিয়েই বৰকটকী ক্ষান্ত হব নোখোজে, শোষক শ্ৰেণীৰ মানুহৰ যৌন



OKDISCD

সংগমৰ বেছ দীঘলীয়া বৰ্ণনাৰ যোগেদি তেওঁ শোষিত শ্ৰেণীক কি শিক্ষা দিব খোজে—আমি বুজি নাপাওঁ।

কিছুমান সুবিধাবাদী আৰু বদমাছ মানুহে পিছ ফালৰ পৰা বিপ্লৱৰ পিঠিত চুৰি বহুৱাব পাৰে বুলি সময় থাকোঁতে জানো সিহঁতৰ স্বৰূপ উদঙাই দি বিপ্লৱক ৰক্ষা কৰিব খুজিছে? এতিয়া কথা হ'ল, এনেবোৰ ধুৰন্ধৰ বদমাছৰ জীৱন যাত্ৰা আৰু আচাৰ-ব্যৱহাৰত তেখেতে যিবোৰ স্খলন আৰু বিচ্যুতি দেখা পাইছে, সেইবোৰৰ পৰা তেওঁৰ নিজৰ ৰচনা মুক্ত হয়নে নহয়?

বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল সকলৰ পৰা আশীৰ্বাদ পালেই সেই ৰচনা বা সাহিত্যিক সফল নহয়। প্ৰকৃত মাৰ্ক্সবাদী সাহিত্য আৰু সাহিত্যিক বৰ্ত্তমান পৰিস্থিতিত বুৰ্জোৱা শ্ৰেণীৰ মাজত জনপ্ৰিয় হোৱাৰ কোনো আশা নাই। আত্মৰক্ষাৰ প্ৰয়োজনতহে বুৰ্জোৱা শাসিত সমাজত মাৰ্ক্সবাদীয়ে বিবিধ কৌশল অৱলম্বন কৰিব লগাত পৰে। শত্ৰুশিবিৰত বাস কৰা মানুহৰ দৰে। সেই বুলি মাৰ্ক্সবাদী মানুহে খুচিমতে কেউফালে ফাকি মাৰি, ঠগবাজী, জুৱাচুৰি কৰি চলিব নোৱাৰে। বিপ্লৱৰ মহৎ উদ্দেশ্যৰ প্ৰতি যাৰ জীৱন উৎসৰ্গিত, তাৰ জীৱনৰ পৰা ক্ষুদ্ৰ স্বাৰ্থপৰতা আৰু শঠতা ক্ৰমাৎ অন্তৰ্হিত হবলৈ বাধ্য। বৰকটকীৰ ব্যক্তিগত জীৱন সম্পৰ্কে গৱেষণা কৰিবলৈ আমাৰ তেনে স্পৃহা নাই। কিন্তু তেখেতৰ ৰচনাতনো কি ধৰণৰ বিপ্লবী চৰিত্ৰ ফুটি ওলাইছে?

"ৰঙা ৰঙা ৰঙ" লেখকৰ দাবীমতে বহুদিনীয়া মৌলিক গবেষণা আৰু চিন্তাৰ ফল। যদিও লেখকে কৈছে যে "এইখন উপন্যাসহে" তথাপি তাৰ চিন্তাত মৌলিকতাও তেওঁ দাবী কৰিছে ঃ "ৰঙা ৰঙা ৰং" কেৱল চিন্তা বিজ্ঞানীৰ সভাত উপস্থিত থকাৰ প্ৰয়াসহে।" (পাতনি)। উপন্যাসখন তত্ত্ব গধুৰ। উদাহৰণস্বৰূপে পৃঃ ১৫-১৬; পৃঃ ২০-২১; পৃঃ ৩০-৩৫; পৃঃ ৩৭-৩৯; পৃঃ ৪৬-৫১; পৃঃ ৫২-৬৩; পৃঃ ৮৫-৯৬; পৃঃ ৯৮-১০৩; পৃঃ ১২৫-১৩১; পৃঃ ১৪৩-১৪৬; পৃঃ ১৬৩-১৬৮ ত তাত্ত্বিক আলোচনাই প্ৰধান। নানা ধৰণৰ আলোচনা, তথ্য আৰু তাত্ত্বিক উদ্ঘাটনৰে এইবোৰ ভৰি আছে। স্বাভাৱিকতে আমাৰ মনত প্ৰশ্ন জাগে—এইবোৰ বৰকটকীৰ নিজস্ব গৱেষণানে? হোৱা হলে বৰকটকী নিঃসন্দেহে ভাৰতৰ এজন অগ্ৰগণ্য মনিষী হিচাবে জনাজাত হ'লহেতেন। কিন্তু দুখ আৰু লাজৰ বিষয় যে উক্ত পৃষ্ঠাবোৰত





সন্নিবিষ্ট পাণ্ডিত্যখিনি দেবীপ্ৰসাদ চট্টোপাধ্যায়ৰ সুবৃহৎ মৌলিক বঙলাগ্ৰন্থ **'লোকায়ত দৰ্শন'**ৰ ( নিউ এজ পাব্লিছাৰ্চ, কলিকতা-১৪, ১৯৫৬ ) পৰা মনে মনে ধাৰ কৰা। কিতাপখনৰ পাতনিত কিন্তু এই সম্পৰ্কে ঘূণাক্ষৰেও কোনো উল্লেখ নাই। "লোকায়ত দৰ্শন"ৰ সেই সংস্কৰণটো বৰ্ত্তমান Out of print, বৰ্ত্তমান সংস্কৰণটো বহুত বেলেগ, সেয়ে বৰ্ত্তমান সংস্কৰণৰ পৰা সেইবোৰ তথ্য আৰু তত্ত্ব লোৱা বুলি কোনেও অৱশ্যে কব নোৱাৰে। ১৯৭ পৃঃৰ ঘন ঘনকৈ ছপা কৰা বৰকটকীৰ কিতাপখনৰ ১৬৮ পৃঃত মাত্ৰ অৰবিন্দ ৰাভাৰ কিতাপৰ তালিকাৰ মাজত ডি চট্টোপাধ্যায়ৰ নামটো সোমাই আছে। কিন্তু তাৰ পৰা কোনো পাঠকে ধৰিব নোৱাৰিব যে দেবীপ্ৰসাদ চট্টোপাধ্যায়ৰ মৌলিক আৰু বিস্তাৰিত গৱেষণা অবিহনে পদ্ম বৰকটকীৰ "বহুদিনীয়া" অধ্যয়ন আৰু চিন্তাও বন্ধ্যা হৈ ৰ'লহেতেন!

গণেশদেৱতাৰ আচৰিত আৰু বিচিত্ৰ ক্ৰমবিকাশ সম্পৰ্কে দেবীপ্ৰসাদ চট্টোপাধ্যায়ৰ উল্লিখিত কিতাপখনৰ তৃতীয় পৰিচ্ছেদত ১৮৩ পৃঃৰপৰা ৩৪৯ পৃঃলৈকে বিস্তাৰিত বিৱৰণ দিয়া হৈছে। বৰকটকীৰ কিতাপত পৃঃ ১৩-১৬, ২০-২২, ৪৫-৫৩ প্ৰভৃতি ঠাইত গণেশ সম্পৰ্কে যি পাণ্ডিত্য প্ৰদৰ্শন কৰা হৈছে, সি দেবীপ্ৰসাদৰ পৰা হুবহু তুলি লোৱা। বৰকটকীয়ে গোপনে ৰখা এই ঋণ এনে বিশদ যে গণেশৰ হাতত থকা আয়ুধ, ডালিম ফলৰ লগত ভাৰতীয় আৰু গ্ৰীক দেবদেবীৰ সম্পৰ্ক ( পৃঃ ১৫ ) পৰ্য্যন্ত তেওঁৰ স্বীকৃতি নিদিয়াকৈ গাইব কৰিছে। পৃঃ ৪৫ ৰ পৰা পৃঃ ৫৩লৈ আৰু পৃঃ ৫৪ৰ পৰা ৬৩ লৈ সকলোখিনি কথাই দেবীপ্ৰসাদৰ পৰা লোৱা হৈছে। আৰু যেহেতু **বৰকটকীৰ পাণ্ডিত্য সম্পূৰ্ণ পাৱত গজা আৰু ফোপোলা** সেয়ে তেওঁ নকল কৰোতেও শুদ্ধকৈ নকল কৰিব পৰা নাই। উদাহৰণ স্বৰূপে ৫২ পৃঃত "বিনায়কঃ কৰ্ম্মবিঘ্নসিদ্ধ্যাৰ্থং......কৃষীবলঃ"—এই ধৰণৰ এটা দীঘলীয়া শ্লোকমালা উদ্ধৃত কৰোঁতে তাক "মানবগৃহ্যসূত্ৰ"ৰ পৰা বুলি বৰকটকীৰ নায়ক ৰাভাই কৈছে। কিন্তু দেবীপ্ৰসাদ চট্টোপাধ্যায়ৰ কিতাপখনো লৰা লৰিকৈ "ব্যৱহাৰ" কৰাৰ ফল বেয়া হ'ল। প্ৰকৃততে দেবীপ্ৰসাদে কৈছে যে এই শ্লোকমালা 'মানবগৃহ্য সূত্ৰৰ বেছ কেইশমান বছৰৰ পিছত লেখা" **যাজ্ঞবল্ক্যস্মৃতিৰ** পৰাহে লোৱা। (লোকায়ত দৰ্শন, পৃঃ ১৯৪)। অথচ বৰকটকীৰ নায়ক অৰবিন্দ ৰাভা মহাপণ্ডিত!!



OKDISCD

বৰকটকীৰ এনে "পাণ্ডিত্য"ৰ উদাহৰণ বহুত দিব পাৰি। কিন্তু তাৰ বোধহয় প্ৰয়োজন নাই। পুনৰ দোহাৰো যে তত্বখিনিয়েই "ৰঙা ৰঙা ৰং" কিতাপৰ শাহ অৰ্থাৎ মূল আকৰ্ষণ। অথচ এই তত্ত্বখিনিক নিৰ্লজ্জ নকল নুবুলি নোৱাৰি।

সাধাৰণ সততাখিনি পদ্মবৰকটকীৰ পৰা আমি নিশ্চয় আশা কৰিব পাৰো।

বৰকটকীয়ে সমগ্ৰ "লোকায়ত দৰ্শন"ৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হলে তেওঁৰো সাধুতা সংশয়াতীত হৈ ৰ'লহেতেন, অসমীয়া পাঠকৰো উপকাৰ বেছি হ'লহেতেন।

---



# সমালোচনা (২)

## আলোচনী সাহিত্য :

পুঁজিপতিৰ পুঁজিৰ যোগেদি বৰ্ত্তমান সাহিত্যৰ ওপৰত ব্যৱসায়িক মূল্য-বোধ বা মূল্যহীনতাই প্ৰভুত্ব কৰিবলৈ বিচাৰিছে। প্ৰতিষ্ঠিত কাগজবোৰত প্ৰতিষ্ঠিত লেখকৰ প্ৰতিপত্তি বেছি। উদীয়মান লেখকসকলে বিশেষ সা-সুবিধা নাপায়। বিশেষকৈ বৰ্ত্তমান সমাজৰ প্ৰচলিত আৰু ৰক্ষণশীল চিন্তাধাৰাৰ বিপৰীতে আৰু তাৰ গণ্ডীৰ বাহিৰত কিবা চিন্তা কৰাৰ প্ৰয়াস দেখিলে পুঁজিপতি নিয়ন্ত্ৰিত কাগজত প্ৰত্যক্ষ বা পৰোক্ষভাবে তাক স্তব্ধ কৰাৰ যড়যন্ত্ৰ চলে। সেইফালৰ পৰা অসমৰ বিভিন্ন ঠাইৰ পৰা ওলোৱা অজস্ৰ ক্ষুদ্ৰ আলোচনী (little magazine) আশাৰ লক্ষণ। পুঁজিবাদী বৌদ্ধিক একাধি-পত্যৰ বিৰুদ্ধে জনসাধাৰণৰ স্বতঃস্ফুৰ্ত্ত প্ৰতিবাদৰ ই উদাহৰণ।

অৱশ্যে সকলো আলোচনী সমানে সজাগ নহয়। কিছুমানত "বোম্বে সংস্কৃতিৰ" শোচনীয় প্ৰভাৱ চকুত পৰা। সস্তীয়া যৌন উত্তেজনা আৰু দায়িত্ব-হীন চাঞ্চল্যপ্ৰীতি সেইবোৰত সুস্পষ্ট। ক্ৰমে কলিকতা, দিল্লী প্ৰভৃতি ঠাইত বহু প্ৰমাণ উদ্‌ঘাটিত হৈছে যে "জীৱনটো উপভোগ কৰা"ৰ নামত যৌন স্বৈৰাচাৰ আৰু অন্তঃসাৰশূন্য উত্তেজনা প্ৰচাৰ কৰা বহু বিদেশী আলোচনী আৰু কিতাপ আমাৰ দেশলৈ C. I. A. ৰ পৃষ্ঠপোষকতাত আহি আছে। সেইবোৰৰ ঘাই উদ্দেশ্য আমাৰ যুৱকসকলৰ মানসিক স্বাস্থ্য আৰু মূল্যবোধ বিকৃত কৰি আত্মকেন্দ্ৰিক ভোগবাদৰ জন্ম দিয়া আৰু বৈপ্লবিক আন্দোলনৰ বিকাশ দুৰ্বল কৰা। কোৱা বাহুল্য যে অসম তথা ভাৰতৰ ক্ষয়িষ্ণু মধ্য-বিত্তসমাজে বিকৃত ৰুচি আৰু পংগু মানসিকতাৰ এই প্লাৱনত ভেটা নিদিয়ে। আনহাতে দেশৰ এমুঠি শিক্ষিত প্ৰগতিশীল লোক সজাগ নহলে এই বিপদৰ পৰিণাম হব সুদূৰপ্ৰসাৰি। সেয়ে আমি সুস্থ, সমাজসচেতন আলোচনীৰ বহল প্ৰচাৰ কামনা কৰোঁ।

এনে প্ৰগতিশীল মূমলীয়া আলোচনীৰ ভিতৰত উল্লেখযোগ্য হ'ল যোৰহাটৰ **"সাম্প্ৰতিক"**, বোকাখাটৰ **"চিতাৰ বুকুৰ চৰাই"**, ডিব্ৰুগড়ৰ **"অঙ্গীকাৰ"**



OKDISCD

আৰু "**প্ৰত্যয়**", দৰংজিলাৰ "**গণবাৰ্ত্তা**", আৰু "**সংকেত**", কুৰুৱাবাহীৰ "**অনিৰ্বাণ**" ইত্যাদি। সহযোগী হিচাবে এওঁলোকক আমাৰ অভিনন্দন আৰু শুভেচ্ছা জনালোঁ। এইবোৰ আলোচনীৰ কিছুমান প্ৰবন্ধ মৌলিক আৰু চিত্তাকৰ্ষক। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি বিপ্লৱৰূপক বৰুৱাৰ "শিক্ষাৰ মাধ্যম আৰু জনতাৰ ঐক্য ('**সাম্প্ৰতিক**' আগষ্ট চেপ্তেম্বৰ, ১৯৭২), তিলোত্তমা মিশ্ৰৰ 'সৰ্বহাৰাৰ বিপ্লৱ আৰু নাৰীৰ স্বাধীনতা' (**অংগীকাৰ**, নৱেম্বৰ, ১৯৭২)। এনেবোৰ ৰচনাই নতুন চিন্তাৰ বাট নিশ্চয় মুকলি কৰিব—যদিও তেওঁলোকৰ সকলো সিদ্ধান্তৰ লগত আমি একমত নহওঁ। সেইদৰে কবিতাবোৰো দুই-এটা ভুলচুক সত্বেও উচ্চ পৰ্যায়ৰ হৈছে।

শেষত এক সাৱধানবাণী শুনাব খোজোঁ—সবিনয়ে। এনেবোৰ আলোচনীৰ যোগেদি শিক্ষিত সমাজৰ একাংশৰ আৰু জনগণৰ ৰাজনৈতিক চেতনা উন্নত হব বুলি আগাৰ চৰকাৰ আৰু সমাজপতি সকলে স্বাভাৱিকতে ভয় কৰে। সেয়ে নানাধৰণৰ কৌশলেৰে সেইবোৰ কাগজৰ আদৰ্শগত বিচ্যুতি ঘটাবলৈ সিহঁত বদ্ধপৰিকৰ। এইবোৰ আলোচনী উলিওৱা তৰুণসকলৰ গণসংগ্ৰামৰ লগত প্ৰত্যক্ষ আৰু গভীৰ যোগাযোগ সকলো ক্ষেত্ৰতে নাই। সেয়ে ৰোমান্তিক উগ্ৰবামনীতি ( ultra leftism ) তেওঁলোকৰ প্ৰিয় হোৱাৰ আশংকা ৰৈ গৈছে। দুঃসাহসিক যৌন বৰ্ণনা, ভাবপ্ৰৱণ, বিশ্লেষণহীন সমালোচনা, চূড়ান্ত সংগ্ৰামৰ বাবে অধৈৰ্য্য আহ্বান আৰু পৰিস্থিতিৰ অধ্যয়নতকৈ আবেগৰ প্ৰতি অধিক আকৰ্ষণ—এই কেইটা উপাদানৰ মিশ্ৰণ শেহান্তৰত গৈ প্ৰতিবিপ্লৱী চক্ৰান্তকাৰীৰ হাতীয়াৰত পৰিণত হব পাৰে! সেয়ে স্থানীয় ৰাইজৰ অভাৱ অভিযোগ তথা সংগ্ৰামৰ লগত আত্মীয়তাৰ যোগেদি ভাৰতীয় বিপ্লৱৰ শিক্ষা সততে আহৰণ কৰিবলৈ তেওঁলোকক অনুৰোধ জনালোঁ।

## কবিতা আলোচনী ঃ

এই প্ৰসংগতে নতুনকৈ ওলোৱা কিছুমান কবিতাৰ আলোচনা উল্লেখযোগ্য। ৰাইজৰ মাজত আধুনিক কবিতাৰ সমাদৰ বাঢ়ক নাবাঢ়ক, শিক্ষিত সমাজত কবিতা লেখা মানুহৰ সংখ্যা বাঢ়িছে। কেৱল গুৱাহাটীতে কেন্দ্ৰীভূত নহৈ এনে কাব্যচৰ্চ্চা অসমৰ সকলো চহৰ বা উন্নত গাৱঁলৈকে বিয়পি গৈছে।





এই সকল কবিৰ মাজত পোনে পোনেই মহৎ প্ৰতিভাৰ আবিৰ্ভাৱ আশা কৰিব নোৱাৰি। কিন্তু এওঁলোকৰ ভাষাৰ সাবলীলতা, শব্দচয়নৰ প্ৰত্যয় আৰু আংগিকৰ স্বাভাৱিকতা উল্লেখ নকৰি নোৱাৰি। নবকান্ত বৰুৱাৰ পৰা হীৰেন ভট্টাচাৰ্য্যলৈকে আধুনিক কবিতাৰ ভাষাত যিমানবোৰ পৰীক্ষা-নিৰীক্ষা চলিল, এলীয়টৰ পৰা জাপানী কবিতালৈকে বিদেশী আংগিকৰ যিমান অনুকৰণ চলিল—সেই সকলো জীৰ্ণ বা ৰপ্ত কৰি এওঁলোক আগবাঢ়ি আহিছে।

এই কবিতা আলোচনী বিলাকৰ ভিতৰত বিশেষ উল্লেখযোগ্য মুনীনভূঞা, প্ৰদীপ গগৈ, ৰঞ্জিৎ নাথ সম্পাদিত "**মাহেকীয়া কবিতা**" (গুৱাহাটী) অক্ষয়কুমাৰ মিশ্ৰ আৰু মনোৰঞ্জন গায়নৰ দ্বাৰা সম্পাদিত "**কবিতা সাময়িকী**" (বৰপেটা) মোহনকৃষ্ণ মিশ্ৰ আৰু অপূৰ্ব চৌধুৰীৰ দ্বাৰা সম্পাদিত "**কবিতা**" (পাঠশালা), পঞ্চপাণ্ডৱ সম্পাদিত '**জোৱাৰ**' (ডিব্ৰুগড় বিশ্ববিদ্যালয়), তুলসী চাংমাই, শিখেশ্বৰ সোনোৱাল, সুনন্দ গগৈ সম্পাদিত '**কল্পদ্ৰুম**' (বৰহাট, শিৱসাগৰ)।

অৱশ্যে দুই এজন কবিৰ বাহিৰে বাকীসকল অনাৱশ্যক বাগাড়ম্বৰৰ বিৰুদ্ধে সাৱধান হলে ভাল। বহুবাৰ ঘঁহনি খাই পিছল হোৱা বিশেষণ বা আন শব্দও ঘপৰাই ব্যৱহাৰ কৰিব নালাগে। সকলোতকৈ ডাঙৰ কথা অনুভূতি-উপলব্ধিৰ পৰিষ্কাৰ, শক্তিমান ৰূপ ফুটাই তোলা। ভাবৰ উপযুক্ত বাহন হিচাবে নিজৰ ভাষা গঢ়ি তুলিবলৈ হলে প্ৰয়োজন হব নিৰবচ্ছিন্ন পৰীক্ষা-নিৰীক্ষাৰ।

নিঃসন্দেহে কেউখন আলোচনীৰ ভিতৰত "**মাহেকীয়া কবিতা**" (গুৱাহাটী) সবাতোকৈ সমৃদ্ধ। আলোচনীখনৰ প্ৰতি প্ৰতিষ্ঠিত সকলৰ শুভেচ্ছাৰ প্ৰমাণো যথেষ্ট আছে। উদাহৰণ স্বৰূপে তাৰ বিশেষ বাৰ্ষিক সংখ্যাত বিখ্যাত সমালোচক ভবেন বৰুৱা আৰু হীৰেণ দত্তৰ বৰঙণি উল্লেখ কৰিব পাৰি। তাৰ উপৰিও ন-পুৰণি বহু কেইজন সমসাময়িক কবিৰ কাব্যকৃতিৰ নমুনা এই সংখ্যাৰ আকৰ্ষণ।

আলোচনীখন প্ৰথম ওলাওঁতেই আমি তাক স্বাগতম জনাইছিলোঁ। লগতে আশা প্ৰকাশ কৰিছিলোঁ যেন সমাজসচেতন সাহিত্য সৃষ্টিত উদ্যোগী হৈ ডেকা কবিসকলে আগৰ চামৰ আত্মকেন্দ্ৰিকতাৰ পোতাশালৰ পৰা আমাৰ কবিতাক উদ্ধাৰ কৰে। সেই বিষয়ে এওঁলোকৰ মাজৰে এচাম কবিক সজাগ দেখি



OKDISCD

আমাৰ ভাল লাগিছে। কিন্তু এনে লক্ষণ দেখিয়েই সমাজৰ গণ্যমান্য তথা শোষক আৰু শাসক শ্ৰেণীৰ সাংস্কৃতিক মুখপাত্ৰ সকলৰ মুখ শুকাইছে। এওঁলোকে এতিয়া চেষ্টা কৰিব গালেমুখে হাত ফুৰাই 'বিপথে' যোৱা কবিকেই-জনক পুনৰ বিলাসী আৰু আত্মকেন্দ্ৰিক সংস্কৃতিৰ বন্দীশালত ভৰাবলৈ। এওঁলোকে বুজাব যে ৰাজনীতি আৰু সাহিত্যৰ সম্পৰ্ক তেল-পানীৰ সম্পৰ্ক। অৱশ্যে এওঁলোকৰ মন্ত্ৰণাতো যে প্ৰচ্ছন্ন ৰাজনীতি আছে, সেই খবৰ নিদিব। প্ৰাচীন সমাজ আৰু তাৰ মূল্যবোধ আৰু সংস্কৃতি ক্ষয়প্ৰাপ্ত হোৱা সত্ত্বেও, গভীৰ সংকটৰ সন্মুখীন হোৱা সত্ত্বেও, দৃষ্টিভংগীৰ আমূল পৰিবৰ্ত্তনৰ আহ্বান তেওঁলোকে নিদিব, সমাজৰ বৈপ্লৱিক ৰূপান্তৰৰ আকাংক্ষা প্ৰকাশ নকৰিব। তেওঁলোকে বৰং সমাজ আৰু সংস্কৃতিক আগৰ অভ্যস্ত ৰাস্তাৰেই চলাই নি থাকিবলৈ চেষ্টা কৰিব। তেওঁলোকে চিঞৰ বাখৰ কৰি ঘোষণা কৰিব যে সাহিত্য ৰাজনীতিৰ ধুলিমলিৰ পৰা মুক্ত বস্তু। কিন্তু বুজাই বুজিব যে তেওঁলোকৰ সা-সম্পত্তি, মানসন্মান, সৌভাগ্য ঐশ্বৰ্য্য ৰক্ষা কৰাৰ ৰাজনীতিকেই তেওঁলোকে এইদৰেই সুকৌশলে চলাই আছে।

নতুন কবিসকলৰ মানসজগৎ আগৰ সকলতকৈ বেলেগ হবলৈ বাধ্য, বেলেগ হোৱা উচিত। Sensibility ৰ বিকাশো এনেকৈয়ে হয়। কবিৰ অন্তৰেন্দ্ৰিয়ত প্ৰতিবিম্বিত হয় সমাজৰ ক্ৰমবৰ্দ্ধমান আৰু পৰিবৰ্ত্তনশীল অভিজ্ঞতাৰ ৰূপ। নতুন কবিসকলৰ বাবে পুৰণা চামৰ শিক্ষা আৰু পৰামৰ্শ নিশ্চয় বৰ প্ৰয়োজন। কিন্তু বয়স্ক সকলৰ ফৰ্মুলাৰ ওচৰত তেওঁলোকৰ নিজস্ব অন্বেষণ আৰু সন্ধান বিসৰ্জন দিলে তেওঁলোকৰ পৰা সাহিত্যৰ ভঁৰাল আৰু চহকি নহব। এনে সাহস, সাধুতা আৰু আত্মপ্ৰত্যয়ৰ প্ৰয়োজন আজি বৰ বেছি। কাৰণ তৰুণৰ স্বাভাবিক বিদ্ৰোহী প্ৰেৰণাক কায়দা কৰি পোহ মনাবলৈ চৰকাৰ আৰু চৰকাৰৰ লেমটো বিলাক দৃঢ়প্ৰতিজ্ঞ।

আনকি বিখ্যাতসকলৰ দিহা-ভৰষাও সাৱধানে জুখি চোৱা উচিত হব। উদাহৰণ স্বৰূপে ষাঠি আৰু সত্তৰৰ দশকৰ ভাল কবিতা বাছিবলৈ তেওঁলোকে কিয় ভবেন বৰুৱাৰ ওচৰ চাপিব লগা হ'ল ? ভবেন বৰুৱাৰ ৰুচি নিশ্চয় অধ্যয়ন-পুষ্ট আৰু উচ্চস্তৰৰ। কিন্তু তেওঁৰ নিৰ্বাচন নিৰ্ভুল বুলি আমিয়েই মানিব পৰা নাই, তৰুণৰ সকলে পাৰিলে কেনেকৈ ? বৰুৱাৰ নিৰ্বাচিত সকলো কবিতাই





তেওঁলোকক গভীৰ ভাবে মুগ্ধ বা অনুপ্ৰাণিত কৰিছিল নেকি ? এই প্ৰশ্ন এৰাই যোৱা মানে তেওঁলোকৰ নিজস্ব অনুভূতি আৰু চিন্তাধাৰাৰ বিকাশৰ দায়িত্ব আনৰ কান্ধত জাপি দিয়া।

এইখিনিতে **বীৰেশ্বৰ বৰুৱাৰ 'লিলিৰ আবেলি' নামৰ** কবিতাটোৰ ওপৰত **ভবেন বৰুৱাৰ** ভাষ্য উল্লেখ কৰা প্ৰয়োজন। **বীৰেশ্বৰ** বৰুৱাৰ অন্যান্য কবিতা সম্পৰ্কে মন্তব্য দিব নোখোজোঁ। কিন্তু ভবেন বৰুৱাই উচ্চ প্ৰশংসা কৰা এই কবিতাটো আমাৰ ধাৰণাত নিশ্চল আৰু নিস্তেজ। তাৰ শব্দচয়ন আৰু কল্পচিত্ৰত এনে এটা কষ্টকল্পনাৰ সাঁচ আছে, যিটো ভাওজোৰা আবেগ অথবা ভণ্ডৰ ধৰ্মনিষ্ঠাৰ সগোত্ৰ। জীৱন্ত আবেগৰ ঠাইত ইয়াত পোৱা যায় আবেগৰ ritual। তাৰ প্ৰধান কাৰণ এয়ে যে 'লিলি'ৰ জীৱনৰ ৰহস্য—তাৰ সকলো দুখবেদনাৰে সৈতে—গভীৰভাবে কবিয়ে অনুভৱ কৰা নাই। এটা ঠেংভঙা পুতলাৰ প্ৰতি আমাৰ মনত যি ধৰণৰ সাময়িক আৰু যন্ত্ৰবৎ অনুকম্পাৰ শিহৰণ আহে, 'লিলি'ৰ ভাগ্যৰ প্ৰতিও বীৰেশ্বৰ বৰুৱাৰ প্ৰতিক্ৰিয়া সেই ধৰণৰ। যদি বীৰেশ্বৰ বৰুৱাই উমান পালে হেতেন যে 'লিলি'ৰ নিষ্ঠুৰ ভাগ্যনিয়ন্তা "সিহঁতৰ" মাজৰে তেওঁ নিজেও এজন, তেনেহলে কবিতাটো এনে তৰাং আৰু ঠুনুকা নহ'লহেঁতেন।

"লিলি" যে পুতলা নহয় কবিতাৰ ভাষ্যই কিবা প্ৰমাণ দিয়েনে ? নিদিয়ে। কেৱল ভবেন বৰুৱাই আমাক জনাইছে যে "লিলি" শব্দটো বৰ কোমল, যে লিলিয়ে কবিক খন্তেক 'আদৰৰ মাত এযাৰ' দিছিল, যে লিলিৰ শত্ৰুবিলাকে "নাৰ্চাৰী ৰাইম শুনিব নোখোজে।" তাৰ ভিত্তিতে ভবেন বৰুৱাই মন্তব্য কৰিছে যে "লিলি"ৰ মাজত প্ৰকাশ পাইছে "সহজ স্বাভাৱিক গীতপ্ৰিয় শিশুমনৰ আভাষ অনা মানবিকতা, অকৃত্ৰিমতা, সহৃদয়তাৰ শক্তি।" লিলিৰ ভিতৰত কি আছিল-নাছিল, বীৰেশ্বৰ বৰুৱাই (আৰু হয়তো ভবেন বৰুৱাই) জানে। কিন্তু ই ধ্ৰুৱ যে কবিতাৰ ভাষাই এইবোৰ তাৎপৰ্য্যৰ এটাকো মূৰ্ত্ত কৰিব পৰা নাই। কোনো সুশৃঙ্খল মনৰ (disciplined mind) সমালোচক এনে ভাবালু দিবাস্বপ্নত মগ্ন হব নোৱাৰে। "কবিতাৰ কাব্য" এনেকৈহে বিচাৰিব লাগে নেকি ?

বীৰেশ্বৰ বৰুৱাৰ কবিতাত ভবেন বৰুৱাই বিচাৰি পোৱা সূক্ষ্ম ব্যঞ্জনা



OKDISCD

আৰু ইংগিত আমাৰ অগোচৰ হৈ ৰ'ল। বৰং, লিলিৰ ভাগ্যৰ প্ৰতি বীৰেশ্বৰ বৰুৱাৰ প্ৰতিক্ৰিয়াত গভীৰ মানবীয় সহানুভূতিৰ ঠাইত আমি দেখিছোঁ সূক্ষ্মতা আৰু গভীৰতাৰ ভাওজোৰা নীৰস, কষ্টকল্পিত আৰু বুদ্ধিগৰ্বী উপমাৰ প্ৰদৰ্শনি :

কৰ্ম্মফল ? ভাগ্য ? এনে হিচাপৰ
তুলাপাতত
এন্ধাৰে হাত বুলাইছে। কাৰ সাধ্য
কেৰ্কেটুৱাই নেজ-নচুওৱা ডালপাতত
সপোনবোৰ টুকি ৰাখিবলৈ।

প্ৰথম তিনিটা শাৰীত এনে কোনো অৰ্থবৈভৱ নাই যে লিলিৰ জীৱনৰ পৰিণতিত আমাৰ মনত করুণ প্ৰশ্ন প্ৰতিধ্বনিত হব পাৰে। অলপ ঘূৰাই-পকাই কবিয়ে মাথোন কৈছে যে লিলিৰ জীৱনৰ সাথৰ কৰ্ম্মফল বা ভাগ্যৰ ধাৰণাৰে ভাঙিব নোৱাৰি। কেৰ্কেতুৱাৰ নেজডালত ভবেন বৰুৱাই বিত্তৰ প্ৰতীকী তাৎপৰ্য্য উদ্ঘটন কৰিছে। উক্ত কবিতাত আমি কিন্তু তেনে তাৎপৰ্য্য ধৰিব নোৱাৰিলো। তাতে "সপোনবোৰ" "ডালপাতত টুকিৰখা"ৰ কাৰবাৰ সোপাচিলা ৰচনা শৈলীৰ পৰিচায়ক। ভবেন বৰুৱাৰ মতে আধুনিক কবিতাই "অকাব্যৰ জথলা" বাদ দি যায়। কিন্তু আমি দেখোন ইয়াত তেনে ধৰণৰ জথলা কেইডালকে ঠং ঠং কৰে ওলাই থকাহে দেখিছো।

মুঠতে এই কবিতাত যি কাব্য আছে, সি সম্পূৰ্ণ সমালোচক ভবেন বৰুৱাৰ খেয়ালী, আত্মকেন্দ্ৰিক, ভাৱপ্ৰৱন কল্পনাৰ সৃষ্টি। সমালোচকৰ যি সুশৃঙ্খল আৰু বস্তুনিষ্ঠ মন লাগে, তাৰ পৰিচয় তাত নাই। আনৰ মনত ত্ৰাসৰ সঞ্চাৰ কৰা তেওঁৰ পদ্ধতি আৰু বিশ্লেষণৰ পোহাৰথন প্ৰকৃততে তেওঁৰ আত্মকেন্দ্ৰিক, ভাৱপ্ৰৱন আৰু সেয়ে স্থূল কল্পনাৰ অন্তঃসাৰ শূন্যতা ঢাকিবলৈহে।

এই কবিতাৰ বিশ্লেষণ প্ৰসংগতে ভবেন বৰুৱাই কৈছে : "বিশেষকৈ "নাৰ্চাৰি ৰাইম" এই ইংৰাজী শব্দ-গ্ৰন্থীৰ ব্যৱহাৰে আমাৰ মনলৈ আনিছে চেক্সপীয়াৰৰ "হেমলেট" নাটকৰ তৰুণী অফেলিয়াৰ কথা। সেই তৰুণীয়েও পৰিবেশী মানুহেই গঢ়া এটা ঘটনা-চক্ৰৰ ফলত উন্মাদিনী হৈ গাই ফুৰিছিল 'নাৰ্চাৰি ৰাইম'।" ইংৰাজীৰ "বিদগ্ধ ছাত্ৰ" এজনৰ পৰা আমি এই ধৰণৰ মন্তব্য আশা কৰা নাছিলোঁ।





অফিলিয়াই নাৰ্চাৰি ৰাইম গোৱা নাছিল, গাইছিল বনগীতৰ ধৰণৰ folk song, আৰু সেইবোৰত নাৰ্চাৰি ৰাইমত দুষ্প্ৰাপ্য যৌন সংগমৰ সুস্পষ্ট উল্লেখ আছে :

Then up he rose and donn'd his clothes,
And dupp'd the chamber-door ;
Let in the maid, that out a maid
never departed more (Act IV, scene V, Hamlet)

পুনশ্চ

Quoth she, before you tumbled me,
You promis'd me to wed
So would I h'done, by yonder sun,
An thou hadst not come to my bed.
(Act IV, scene V, Hamlet)

বীৰেশ্বৰ বৰুৱা বা ভবেন বৰুৱাৰ দৰে ভদ্ৰতাৰ খাতিৰত গভীৰ অভিজ্ঞতাৰ পৰা পলাই ফুৰা ভাৱপ্ৰৱন শিল্পী হোৱা হলে অৱশ্যে শেক্সপীয়াৰে অফিলিয়াৰ মুখত এনে গীত নিদি নাৰ্চাৰি ৰাইমকে দিলেহেতেন !

এসময়ত ভবেন বৰুৱাৰ বৰুৱাৰ সূক্ষ্ম ৰুচিবোধক অভিজ্ঞতাৰ তেজ আৰু নিষ্ঠাই জীৱন্ত কৰি থৈছিল। আজি আছেগৈ কেৱল সেই ৰুচিবোধৰ ঠুনুকা খোলা এটা। ট্ৰেজিক—কিন্তু বৰুৱাই নিজকে প্ৰশ্ন কৰিব লাগিব তেওঁৰ নিজৰ কি সিদ্ধান্ত (choice), কি পলায়নে তেওঁক এনেদৰে বাটকেণা লগাই দিলে ? যাৰ ফলত তেওঁৰ কবিতাতো আমি দেখা পাওঁ একে ধৰণৰ নিৰ্জীৱ, কৃত্ৰিম ভাববিলাস।

কিন্তু ভাল কবিতাৰ মাপ কাঠি কি ? কবিতা গদ্যগন্ধী হয় নে নহয়, সি বৰ গুৰুত্বপূৰ্ণ কথা নহয়। গদ্যগন্ধিতাৰ প্ৰতি বিৰূপতা মালাৰ্মে—এ'লিয়ট—ভালেৰি—ৰিলকেই প্ৰভৃত্ব কৰা, প্ৰতীকবাদৰ প্ৰবল প্ৰভাৱত পৰা বিগত যুগৰ এটা সংস্কাৰ মাত্ৰ। এই আধুনিক সংস্কাৰ কবিতাৰ চিৰন্তন লক্ষণ নহয়। (এসময়ত Imagist বিলাকে কবিতা মাত্ৰেই চিত্ৰকল্প বুলি কৰা দাবীৰ দৰেই এই দাবীটোও সংকীৰ্ণ আৰু ভিত্তিহীন ! ) কাব্যিক কল্পনাৰ পৰশ লাগিলে



OKDISCD

অতি সহজ বৰ্ণনাও নাইবা আপাততঃ গদ্যাশ্ৰয়ী উক্তিও মহিমাময় হৈ উঠিব পাৰে। এই কথা আজিৰ কবি সকলে বুজা বৰ দৰ্কাৰ এইবাবেই যে Secret Society ৰ দৰে জনগণ আৰু প্ৰাথমিক জীৱনৰ পৰা দূৰত যি কষ্টকল্পনা আৰু নিৰস চাতুৰ্য্যৰ কছৰৎ কৰি বুৰ্জোৱা পণ্ডিত আৰু শিল্পীয়ে "কবিতা" সৃষ্টি কৰিছে, তাৰ মাজত প্ৰাণৰ প্ৰতিশ্ৰুতি নাই, স্থায়িত্বৰ প্ৰতিশ্ৰুতি নাই।

তেন্তে ভাল কবিতাৰ উদাহৰণ কেনে ধৰণৰ? এটা কবিতা দিয়া যক য'ত আপাততঃ গদ্যাশ্ৰয়ী যেন লগা কল্পনাই কাব্যৰ শিখৰত আৰোহণ কৰিছে:

## বিদায়

যদি মই মৰোঁ।
খুলি থবা মোৰ ঘৰৰ খিড়ীকিখন।

সৰু লৰাটোৱে সুমথিৰা টেঙা খাইছে।
(মোৰ খিৰিকীৰে মই তাক দেখা পাওঁ।)

দাৱনীয়ে ধান দাইছে পথাৰত।
(মোৰ খিড়ীকিৰে তাইক শুনা পাওঁ।)

যদি মই মৰোঁ।
খুলি থবা মোৰ ঘৰৰ খিড়ীকিখন।

: (**ফেডেৰিকো গাৰ্থিয়া লৰ্কা**)
মুকলি অনুবাদ।

এনে কবিতাৰ সমুখত যি শিৰ নত কৰিব নাজানে, তাৰ স্থান মিউজিয়ামত। কবিতাৰ উৎস কোনো বিশেষ টেকনিক নহয়। সি যিমানেই নিপুণ নহওক, কবিতাৰ উৎস জীৱন।

—×—





( ২০৪ পৃষ্ঠাৰ পিছত )

প্ৰগতিশীল শিক্ষক-ছাত্ৰ সকলৰ প্ৰচেষ্টা সুকলমে নহব আৰু ইয়াত বাধাৰ সৃষ্টি কৰিব প্ৰতিক্ৰিয়াশীল শিক্ষক অভিভাৱক ছাত্ৰ সকলে। এই দুই শ্ৰেণীৰ মাজত এটা সংঘাত হব। কিন্তু এই সংঘাতৰ আশংকাত প্ৰগতিশীল অংশ হতাশ ( বৰ্ত্তমান বহুতে হতাশা প্ৰকাশ কৰে ) নহৈ জনসাধাৰণৰ মাজত সাংগঠনিক ভাবে প্ৰবেশ কৰিলে প্ৰতিক্ৰিয়াশীল মধ্যবিত্ত উফৰি যাবলৈ বাধ্য। সংগঠনৰ মাজেৰে অহা জাগ্ৰত জনসাধাৰণৰ কোবাল সোঁতত মধ্যবিত্তৰ প্ৰভাৱৰ সকলো গাঠনি সুলকি যাব। গতিকে সমাজবাদী শিক্ষা নীতিৰ পৃষ্ঠপোষক সকলে দ্ৰুত গতিৰে জনসাধাৰণৰ মাজত এই স্বাৰ্থপৰ মধ্যবিত্ত শ্ৰেণীটোৰ কু-অভিপ্ৰায় সহজ ভাষাত সঘনে ৰাইজৰ গোচৰলৈ আনিব লাগিব।

প্ৰগতিশীল শিক্ষক, অভিভাৱক আৰু ছাত্ৰ কেৱল শিক্ষাৰ ক্ষেত্ৰত প্ৰগতিশীল হলে নহব। সমাজৰ লগত শিক্ষাৰ গাঢ় সম্পৰ্ক বুজা মানুহেহে শিক্ষাৰ ক্ষেত্ৰত প্ৰগতি অনাৰ সমস্যা ভালদৰে বুজি পাব। গাৱঁৰ যিজন মানুহে বানপানী-মাৰী-মড়ক-অনাহাৰত ৰাইজৰ হৈ চিন্তা নকৰে, হাতে কামে ৰাইজৰ সেৱা নকৰে, ৰাইজৰ স্থায়ী আৰ্থিক বিপত্তিৰ বিৰুদ্ধে জনমত সংগঠন নকৰে— শিক্ষাৰ সংস্কাৰৰ ক্ষেত্ৰত তেনে মানুহৰ নেতৃত্ব আৰু উপদেশ ফুটুকাৰ ফেন হবলৈ বাধ্য।

—×—

নতুন প্ৰগতিশীল চিন্তাধাৰাৰ বাহন
"সাম্প্ৰতিক" পঢ়ক আৰু পঢ়ুৱাওক।
যোগাযোগৰ ঠিকনা—**সম্পাদক, সাম্প্ৰতিক**
**মাৰফৎ-পুথিভঁৰাল সমলয়, তৰাজান, যোৰহাট-১**



OKDISCD

# অসমীয়া মধ্যবিত্ত সমাজৰ ইতিহাস

## ( ৩য় খণ্ড )

ডঃ হীৰেণ গোহাঁই

**Sibsagar District Gazetteers** তো উল্লেখ কৰা হৈছে যে অসমীয়া মানুহৰ ব্যৱসায়ত কোনো ধাউতি নাই। আনকি চাহবাগানত ৰচদপাতি যোগান ধৰা খুচুৰা আৰু পাইকাৰী ব্যৱসায়ো প্ৰায়থিনি অনা-অসমীয়াৰ কৰায়ত্ত ( পৃঃ ১৯১ )। কোম্পানীৰ আমোলৰ পূৰ্বে অসমত পণ্য উৎপাদন তথা বণিক শ্ৰেণীৰ বিকাশ আছিল যৎসামান্য।

কুটিৰ শিল্পও ব্যৱসায়ীৰ চাহিদা আৰু তত্ত্বাৱধানতহে পুঁজিবাদী পণ্যউৎপাদনত পৰিণত হয়। ইংলেণ্ডত সেই ঘটনাই ঘটিছিল। তাৰ ফলতে কুটিৰ-শিল্পৰ পৰা মূলধন সংগ্ৰহ সম্ভৱ হৈছিল। অসমত পৰিবেশ আছিল বেলেগ। নগাওঁ জিলাত পাটসূতা আৰু লাৰ উৎপাদন আছিল উল্লেখযোগ্য শিল্প। য'তেই মূল ধনৰ প্ৰয়োজন সামান্যভাবে হলেও বেছি—যেনে তেলপেৰা, দা-কুঠাৰ গঢ়া—এইবোৰ এই শতিকাৰ প্ৰাৰম্ভতেই বহিৰাগতৰ আয়ত্তত আছিল। ( **Nowgong District Gazetteer p. 141** )। অৱশ্যে অসমীয়া কুটিৰ-শিল্পী সকল তেতিয়াও স্বাধীন আছিল। মাৰোৱাৰী পুজিৰ আকাৰ আৰু প্ৰভাৱ বাঢ়ি আহিলেও সৰ্থেবাৰীৰ কাঁহ শিল্প যেনেকৈ পিছত কেঞামহাজনৰ কৱলত পৰিছিল, তেনে অৱস্থা তেতিয়াও হোৱা নাছিল। কিন্তু অনুমান কৰাটো অসংগত নহব যে কুটিৰ-শিল্পৰ অন্ধকাৰ ভৱিষ্যত তেতিয়াই প্ৰমাণিত হৈছিল।

কুটিৰ শিল্পীসকল জীৱিকানিৰ্বাহৰ বাবে আংশিকভাবে খেতিৰ ওপৰত নিৰ্ভৰশীল আছিল। ( **Hunter, Statistical Account of Assam, p. 261** )। সেইবাবেই সাম্ৰাজ্যবাদ আৰু তাৰ সহযোগী দেশীয় পুঁজিয়ে অসমৰ জনসাধাৰণৰ কি সৰ্বনাশ কৰিবলৈ ওলাইছে, তেতিয়াই ধৰিব পৰা হোৱা নাছিল। কুটিৰ শিল্পৰ অনুন্নত নিৰ্মাণ কৌশল আৰু দ্ৰব্য পৰিবেশনৰ প্ৰাচীন, গতিহীন পদ্ধতিৰ বাবে বজাৰ অলপ অলপকৈ বহলি যোৱা সত্বেও





তাৰ সুযোগ অসমীয়া কুটিৰ শিল্পীয়ে গ্ৰহণ কৰিব নোৱাৰিলে। বৰং বাহিৰৰ অধিক উন্নত শিল্প আৰু পণ্যৰ প্ৰতিযোগিতাই স্থানীয় কুটিৰ শিল্পক কোঙা কৰি পেলালে। প্ৰাচীন সামন্ত শ্ৰেণী হীনবল হোৱাত বিলাসী দেশীয় দ্ৰব্যৰ চাহিদা কমি গৈছিল। সাধাৰণ প্ৰজাৰ ক্ৰয়ক্ষমতাও কুটিৰ শিল্পৰ উৎপাদন প্ৰচুৰ পৰিমাণে কিনিব পৰাকৈ উন্নত হোৱা নাছিল। এনে সন্ধিক্ষণতে বাহিৰৰ পুঁজিবাদী শিল্পৰ সস্তা আৰু অপৰ্য্যাপ্ত পণ্য উপাচ পৰি স্থানীয় কুটিৰ শিল্পক হেঁচা মাৰি ধৰিলেহি। এড়ীকাপোৰ, মুগা প্ৰভৃতি আন ঠাইৰ বাবে আপুকুগীয়া বস্তুৰ চাহিদা অৱশ্যে নকমিল। ( যদিও তাৰ উৎপাদন কৌশল পুৰণিকলীয়া আৰু অনুন্নত হৈ ৰ'ল। ) তথাপি ১৮৮৯-৯১ চনত (**Indian Museum** Notes ( vol. I, 1889-91, p. 191 ) ত Stack চাহাবে লেখিলে যে অসমত পাট শিল্পৰ অৱনতি বিশেষ লক্ষ্য কৰিব লগীয়া। ১৮৯৭ চনত সুতাকটাৰ কৌশল অসমৰ মানুহে প্ৰায় পাহৰি গৈছিল—বাহিৰৰ সস্তীয়া সূতাৰ আমদানিৰ কোবত। Major Hannay এ কৈছিল : the competition of English iron under the British Government has extinguished the indigenous industry, ( লেখকৰ **বাস্তৱৰ গ্ৰন্থ**, গুৱাহাটী বুকষ্টল ১৯৭২ পঢ়ক ) ১৮৮৬ চনত Rev. P.H. Moore এ Jubilee conference of American Baptist Mission Union ত পঢ়া এটা প্ৰবন্ধৰ মতে কপাহী কাপোৰ আৰু সূতা, ধাতু আৰু ধাতুনিৰ্ম্মিত বস্তু, আৰু ( চাহবাগানৰ বাবে ? ) চাউল দাইলেই অসমৰ প্ৰধান আমদানি। চাউল দালি সৰিয়হৰ ব্যৱসায়ত লগা মানুহৰ সংখ্যা আছিল অসমীয়া-অনাঅসমীয়া মিলি ব্যৱসায়ত লাগি থকা মানুহৰ শতকৰা ৫০ জন। ( তেতিয়া ছিলেট অসমৰ ভিতৰতে আছিল। ) সেয়ে ব্যৱসায় আৰু শিল্পৰ যোগেদি পুঁজি সঞ্চয় কৰাটো আৰু অসমীয়াৰ হৈ নুঠিল।

অৱশ্যে এটা বিষয়ত স্থানীয় মানুহৰ কিঞ্চিৎ অগ্ৰগতি দেখা গৈছিল। যোৱা সংখ্যাত অসমত চাহশিল্পৰ প্ৰবৰ্ত্তন আৰু বিকাশৰ কথা লেখা হৈছিল। ১৮৬০ চন মানৰে পৰা বিলাতৰ ধনিক শ্ৰেণীৰ হাতত ওফন্দি উঠা পুঁজি প্ৰয়োগ কৰিবলৈ তাত জাগাই নোহোৱা হুল। ৰেলপথ নিৰ্ম্মাণ প্ৰভৃতিত পুঁজি খটাই বহু পৰিয়াল সৰ্বস্বান্ত হোৱাৰ পিছতো আন বস্তুতৰে পুঁজি থাকি



OKDISCD

গ'ল। হয়তো তাৰে এটা অংশ বানপানীৰ দৰে অসমলৈ আহিবলৈ ধৰে। অসতর্কভাবে বেহিচাবীভাৱে জধেমধে এনে মুলধন খটোৱাত হঠাতে চাহব্যৱসায়ত প্রচণ্ড অৱনতি ( Crash ) হয়। কিন্তু ১৮৭০ চনৰ পৰা ই পুনৰ গা কৰি উঠে। বাস্তৱিকতে তাৰ পিঁচৰ পৰা চাহশিল্পৰ প্রসাৰ হয় বিস্ময়কৰ ১৮৭২ চনত সর্বমুঠ চাহ উৎপাদন আছিল ৩,২০০,০০০ পাউণ্ড। ১৮৯১ চনত সি হয়গৈ ২৯,০১৭,০০০ পাউণ্ড।, ১৮৮১ চনৰ পৰা ১৮৯০ চনলৈ শিৱসাগৰৰ চাহ শিল্পত লাগি থকা শ্রমিকৰ নাটনি পুৰাবলৈ বাহিৰৰ পৰা ৭৬,০৪১ জন মানুহ অনোৱা হয়। ( **Sibsagar District Gazetteer, M 144—148** ) অপর্য্যাপ্ত মাটি fee simple বন্দোৱস্তত চৰকাৰৰ পৰা লোৱা হয়। Assam Companyৰ ১২ খন বাগানৰ সর্ববৃহৎ খনৰ মাটি কালি আছিল ৭,৮৮১ একৰ। Singlo Tea Co.ৰ সর্ববৃহৎখন আছিল ৪,২৯০ একৰ। ১৯০৫ চনলৈকে পোৱা হিচাবৰ পৰা স্পষ্ট হয় যে এনে বাগানৰ দখলত থকা মাটিৰ ১/৪তকৈও কম মাটিত খেতি হৈছিল—বাকীবোৰ ৰখা হৈছিল ভবিষ্যতে ব্যৱহাৰৰ বাবে!!

ব্রিটিছ মালিকানাৰ চাহাবাগানবোৰৰ অভূতপূর্ব সাফল্যই অসমীয়া মধ্যবিত্তকো চাহ খেতিত লাগিবলৈ অনুপ্রাণিত কৰে। এই সকল শিক্ষিত অসমীয়া মধ্যবিত্তৰ ভিতৰত আগৰণুৱা আছিল জগন্নাথ বৰুৱা। আমি শুনামতে চাহবাগানৰ বৃটিছ মালিক দুজন মানৰ পৰামর্শ আৰু উদগনিমতেই উদ্যোগী আৰু স্বাধীন চিতীয়া জগন্নাথ বৰুৱাই পোনতে চাহবাগান খোলাত মন দিয়ে। নতুন অসমীয়া মধ্যবিত্তৰ মাজত ব্যক্তিত্বৰ স্বতন্ত্রতা আৰু আত্মনির্ভৰ সম্পর্কে কিছুমান ধাৰণা জন্মিছিল ব্রিটিছ বুর্জোৱাৰ সংস্পর্শ আৰু আধুনিক শিক্ষাৰ ফলত। স্বাধীনতা পিয়াসী বেজবৰুৱাৰ দৰে মানুহৰ মনতো স্বাধীন ব্যক্তিত্বৰ ঘাই আঁহি আছিল চাহাব!! সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত বেজবৰুৱাই কৈছে : "মুকলি আকাশ, মুকলি বতাহৰ হলত মুকলিমূৰীয়া তেওঁলোকৰ ( ইংৰাজৰ ) ভোজন ভীমসেনৰ ভোজন, শয়ন কুম্ভকর্ণৰ শয়ন, গমন গজেন্দ্রগমন, লম্ফন হনুমন্তৰ লম্ফন, গর্জ্জন ব্যাঘ্রৰ গর্জ্জন, অথচ জাগৰণ সজাগ "বুল ডগ"ৰ জাগৰণ। তেওঁলোকৰ ধেমালি থিকিন্দালি ল'ৰা-ছোৱালীৰ ধেমালি থিকিন্দালি। ৰং-তামচা চ'তৰ বিহুৰ ওপৰৰ থাপৰ। খং ৰিং জানিবা গোনা ম'হৰহে জোঙা





শিং।" ( বেজবৰুৱা গ্রন্থাৱলী, ২য় খণ্ড, সাহিত্য প্রকাশ, পৃঃ ১৮৬১—১৮৬২ ) এনে স্বাধীন নিঃসংকোচ আৰু আত্মনির্ভৰ ব্যক্তিত্ব চাহাবৰ তলত চেলাম ঠুকি বজাই ৰাখিব পৰা নাযাব বুলিয়েই জগন্নাথ বৰুৱা আৰু বেজবৰুৱাই ব্যৱসায়ত লাগিছিল। কিন্তু তেওঁলোকে বুজা নাছিল যে ব্যৱসায়ৰো মূল চাবিকাঠি চাহাবৰ হাততে, managing agency বোৰৰ হাততে। আর্থিক আৰু ৰাজ নৈতিক স্বাধীনতা অবিহনে স্বাধীন ব্যক্তিত্ব গঢ়াৰ সপোন আকাশ-কুসুম মাথোন। এই বিষয়ে পিছত বহলাই লেখা হব।

Sibsagar District Gazetteer ত থকা চাহবাগানৰ তালিকাৰপৰা তলত দিয়া অসমীয়া প্লেণ্টাৰ কেইজনৰ নাম আৰু সম্পত্তিৰ পৰিমাণ উদ্ধাৰ কৰা হ'ল :

| মালিক | বাগান | বাগানৰ আয়তন |
|---|---|---|
| কালীপ্রসাদ চলিহা | বনমালি | ২৬০ একৰ। |
| | গোসাঁইবাৰী | ১৭৭ একৰ। |
| ৰাধানাথ নেওগ | নাহৰণি | ১৭৮ একৰ। |
| ঘনশ্যাম বৰুৱা, গুণিন্দ্রনাথ বৰুৱা | দলোজান | ১,০০৪ একৰ। |
| গুৰুপ্রসাদ কাকতি | বৰটিং | ৩৭৭ একৰ। |
| বিষ্টুৰাম বৰুৱা | ঠেঙালবাৰী | ৬৯৩ একৰ। |
| জগন্নাথ বৰুৱা | ৰবৈয়া | ৪৬৪ একৰ। |
| | লেটেকুজান | ২,৮১১ একৰ। |
| বিষ্টুৰাম দত্ত বৰুৱা | মাধপুৰ | ৮২৩ একৰ। |
| শেখ চাহনুৰ আলি | মতিজান | ১০০ একৰ। |
| মুন্সি মহম্মদ আলি | কচাৰিহাট | ২৩২ একৰ। |
| নাৰায়ণ শর্ম্মা বৰুৱা | বৰশিকটা | ৩৮০ একৰ। |
| আনন্দ কুমাৰ বৰুৱা | মেকুৰাহোলা | ১২৮ একৰ। |
| ডি. চি. বৰুৱা, সর্বানন্দ বৰকাকতি | কাকদোঙা | ৩৩৩ একৰ। |

কোৱা বাহুল্য অসমীয়া বাগানবোৰৰ মাটিৰ পৰিমাণ এনেয়ে তাকৰ। ( অসমীয়া



OKDISCD

কাকতত চন্দ্ৰকুমাৰ আগৰৱালাই অভিযোগ কৰিছিল মাটি দিয়া বিষয়ত চৰকাৰে চাহাব মালিকক পক্ষপাতিত্ব কৰা বুলি।) তাতে তাৰ অধিকাংশ মাটিত চাহ খেতি হোৱা নাছিল। তুলনাত Assam Company ৰ দখলত মাটি আছিল সৰ্বমুঠ ৪০,২০২ একৰ, Singlo Tea Co.ৰ তলত ১৩,৮২৮ একৰ, Jorhat Tea Co.ৰ তলত ১৪,৬৫৪ একৰ। এইবোৰ বাগানৰ পিছত আছিল শিল্প বিপ্লৱ আৰু বিশ্বব্যাপি ব্যৱসায়ৰ যোগেদি বৃটিছে সঞ্চয় কৰা মূলধন আৰু ভাৰতৰ উপনিবেশিক ৰাষ্ট্ৰ। চাহৰ দাম, বজাৰ, পৰিবহন, পৰিবেশন, কেচামাল-যন্ত্ৰপাতি-ক্ৰয় এনেবোৰ বিষয়ত অসমীয়া প্লেণ্টাৰ সকলে সামান্য প্ৰভাৱো বিস্তাৰ কৰিব পৰা নাছিল। সাম্ৰাজ্যবাদী বাগানশিল্পৰ লেছেৰিবোটলা হিচাবেই এওঁলোকৰ বিকাশ হৈছিল। কিন্তু অসমীয়া সাধাৰণ মানুহৰ তুলনাত এওঁ-লোকৰ আয় আছিল বিপুল। ওপৰত উল্লেখ কৰা কাৰণে এওঁলোকৰ মাজত জাতীয়তাবাদ আৰু সম্পুৰ্ণ আৰ্থিক স্বতন্ত্ৰতাৰ স্পৃহা সোমাব পৰা নাছিল। দুই এজনে যেনে জগন্নাথ বৰুৱা, ৰাধাকান্ত সন্দিকৈ, আৰু পিছলৈ ভগৱতী প্ৰসাদ বৰুৱা আদিয়ে বদান্যতা আৰু শিল্প সাহিত্যৰ পৃষ্ঠপোষকতাৰ যোগেদি দেশসেৱা কৰিছিল। কিন্তু বেছি ভাগেই চাহাব খেতিয়কৰ জীৱন যাত্ৰাৰ অন্ধ অনুকৰণ কৰাকেই (যথা Morning Dress, Evening Dress, বয়খানচামা, আৰু ঘৰত পৰ্য্যন্ত ইংৰাজীত কথাপতা, আৰু Club ত প্ৰচুৰ মদ্যপান) জীৱনৰ চৰম সাৰ্থকতা বুলি ভাবিবলৈ ধৰিলে। যি শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে সাম্ৰাজ্যবাদী শোষণৰ স্থূমলীয়া অংশীদাৰ হিচাবে চাকৰি, ব্যৱসায় প্ৰভৃতিৰে বৰ্ত্তি আছিল, চাহবাগিছাৰ অসমীয়া মালিকসকল তেওঁলোকৰ নেতৃস্থানীয় আছিল মাথোন।

অসমৰ অৰ্থনীতিৰ ওপৰত চাহবাগিছাবিলাকৰ প্ৰভাৱ নিশ্চয় নগণ্য নহয়। বহুকালৰ পৰা এই প্ৰভাৱ পৰিছে। প্ৰথমতে চাহবাগানৰ বাবেই ৰাস্তাঘাট আগৰ তুলনাত বহুত বাঢ়িল। ১৮৬১ চনত কমিশ্যনাৰ কৰ্ণেল হপ্‌ কিন্সনে সুগম ৰাস্তাঘাটৰ অভাৱৰ কাৰণে অসমত দেখা পাইছিল "such a want of intercourse between man and man, as does and must result in apathy, stagnation, and torpidity, and a terrible sense of isolation, by which enterprise is chilled and cap-



OKDISCD



ital and adventurers scared away,"। অসম বেংগল ৰেলপথ নিৰ্মাণৰ আগতে ষ্টীমাৰেৰে শিলঘাটৰ পৰা ধুবুৰিলৈ যাবলৈ ২৬ ঘণ্টা সময় লাগিছিল। ৰেলৰে কিন্তু ধুবুৰিৰ পৰা কলিকতালৈ ১৭ ঘণ্টা সময়হে লাগে। (Nowgong District Gazetteer, p 171)। ১৮৮৫ চনত ভিতৰুৱাল অঞ্চলৰ উৎপন্ন নদীঘাটলৈ আনিবলৈ ১০৮ মাইল ৰেলপথ নিৰ্মিত হৈছিল। চাহ বাগিচালৈ ৰচদপাতি আনিবলৈ আৰু চাহ বাহিৰলৈ উলিয়াই নিবলৈকে ঘাইকৈ ৰেল-পথৰ বিস্তাৰ হয়। কেৱল যোগাযোগৰ ক্ষেত্ৰতেই নহয়, আন বিষয়তো চাহবাগানে অসমৰ অৰ্থব্যৱস্থা আৰু সমাজত বিশেষ ধৰণৰ চাপ সৃষ্টি কৰে। চাহবাগানত নতুনকৈ শিক্ষা পোৱা বহু অসমীয়া যুৱকে অপেক্ষাকৃত আৰামৰ চাকৰি পায় আৰু মধ্যবিত্তৰ সংখ্যা কিছু বৃদ্ধি কৰে। চাহবাগানৰ ৰচদপাতি কিনিবৰ বাবে নানা ঠাইত চাহকোম্পানীবোৰে হাট-বজাৰ বহুৱায়। তাত এহাতে যেনেকৈ গঞা খেতিয়কৰ অতিৰিক্ত উৎপাদন বিক্ৰী হয়, তেনেকৈ গাওঁলৈ তাৰ যোগেদি নগদ টকাৰ ক্ষীণ সোঁত এটা বব লৈ ধৰে। কিন্তু সৰবৰাহৰ ব্যৱসায়ৰ পৰা থলুৱা অসমীয়াতকৈ কেঞামহাজনেই বেছি লাভবান হয়।) পৰ্যাপ্তপৰিমাণে মাটিবাৰী থকা মানুহে দিনমজুৰি বা যি কোনোধৰণৰ মজুৰি কৰিবলৈ টান পাইছিল। অসমত মজুৰি কৰি খুটা মানুহৰ নাটনিয়ে চৰকাৰকতো আহুকালত পেলাইছিলেই, চাহকোম্পানীবোৰৰ দুৰ্ভাবনাত পেলাই-ছিল। ১৮৭১ চনত সমগ্ৰ নগাওঁ জিলাতে মজুৰি কৰি খোৱা থলুৱা মানুহ আছিল মাত্ৰ ১,০৪৭ জন। সেয়ে ১৮৭০ চনলৈকে দহবছৰৰ ভিতৰত বাহিৰৰ পৰা চাহবাগানত কাম কৰিবলৈ ১৮,৮৩৭ জন মজদুৰ অনোৱা হয়। ১৮৮১ ৰ পৰা ১৮৯১ ৰ ভিতৰত অসমত জনসংখ্যা বৃদ্ধিৰ হাৰ ভাৰতত সৰ্ব্বোচ্চ হয়। ১৮৮১ চনত বহিৰাগত মানুহ আছে ২৮০,৭১০ জন। ১৮৯১ চনত আছে ৫১০,৬৭২ জন। (তেতিয়া সমগ্ৰ অসমৰে জনসংখ্যা চিলেটকে ধৰি কেইলাখমানহে আছিল!) ইয়াৰে শতকৰা ৮৩ জন চাহবাগানৰ বনুৱা। (Census of India 1891, Assam, vol, I. Report). কোৱা বাহুল্য যে বনুৱাৰ লগে লগে জীৱিকাৰ সন্ধানত অসমলৈ বহুত দোকানী, গাৰোৱান, কেৰাণী, নাৱৰীয়া আদি মানুহলৈ আহে আৰু চাহবাগানৰ ওচৰে পাজৰে থিতাপি লয়। বহিৰাগতৰ এই প্ৰব্ৰজন আজিও চলি আছে। কিন্তু অসমীয়া

ওপৰতে আছিল হাকিম বা ই, এ, চিৰ চাকৰি। ১৯০৩ চনত "জোনাকী"ত লেখিছে: "আসাম দেশত ভাৰতৰ আন আন দেশৰ দৰে ৰজা জমিদাৰ আদি আঢ্যৱন্ত আৰু আন প্ৰকাৰেও ডাঙৰ আৰ্হিৰ মানুহ নাই। ইয়াত দেখিবলৈ গলে অসমীয়া হাকিম কেইজনেই ডাঙৰ মানুহ। ...... এওঁ বিলাকেকেই আমাৰ দেশৰ মুখপাত্ৰ বুলিলে আনক তেনে কৰিবলৈ নাই।" (কাতি, ১৮২৫, পৃঃ ২৪৩) অৱশ্যে অৰুণোদইৰ ১৮৪৬ চনৰ জুলাই সংখ্যাৰ পৰা জনা যায় যে সেই সময়তে বংগৰ দ্বাৰকানাথ ঠাকুৰে চৰকাৰক বছৰি ১০ লাখ টকা খাজনা আৰু কৰ দিছিল। তাৰ পৰাই বঙালী মধ্যবিত্তৰ আৰ্থিক শক্তিৰ আভাস পোৱা যায়। ১৯০৬ চনৰ Sibsagar District Gazetteer ৰ পৰা জনা যায় যে মাত্ৰ ১৪১ জন ব্যৱসায়ীয়ে আৰু ৪১ জন বৃত্তিধাৰীয়ে (professional) আয়কৰ দিব লগা হৈছিল। (পৃঃ ২২০) নগাওঁ জিলাত বছৰি ৫,০০০ টকাতকৈ বেছি আয় থকা মানুহ আছিল মাত্ৰ তিনিজন! (Nowgong District Gazetteer p. 204)।

এই চাকৰিয়াল সকলৰ মাজৰ পৰা বহুকেইজন কৰ্ত্তব্যনিষ্ঠ, সংস্কৃত আৰু দেশহিতৈষী মানুহ ওলাইছিল। কিন্তু তেনে এটা পৰিয়ালতে জন্ম গ্ৰহণ কৰা আৰু তেনে জীৱন যাত্ৰা পিছলৈ নেওচা দিয়া দেশপ্ৰাণ কৃষ্ণ শৰ্মাৰ ডায়েৰিতে এই শ্ৰেণীৰ ভূমিকা সম্পৰ্কে নিৰ্মোহ মন্তব্য পোৱা যায়:

"এইদৰে অসমত ই, এ, চিৰ পুতেক ই, এ, চি, মৌজাদাৰৰ পুতেক মৌজাদাৰ, মণ্ডলৰ পুতেক মণ্ডল, গাওঁবুঢ়াৰ পুতেক গাওঁবুঢ়া হোৱাৰ প্ৰথা চলি আছিল। এইদৰে ইংৰাজৰ আমোলত শিক্ষিত সমাজৰ ভিতৰত এটা দাস কোম্পানী দলৰ সৃষ্টি হৈ বৃটিছৰ শাসন পদ্ধতিৰ চকা দৃঢ়ৰ পৰা দৃঢ়তৰ কৰি দি আনন্দত বিভোল হৈছিল।" (পৃঃ ৬১)

* * *

"বৃটিছৰ শাসন প্ৰতিষ্ঠিত হৈছিল শোষণ নীতিৰ ওপৰত। এই শোষণ নীতিৰ সহায়ক আমি সকলোৱেই। শোষণ যন্ত্ৰৰ ডালপাত স্বৰূপে আমাৰ শিক্ষিত সমাজে গোটেই সমাজক আকাশীলতাৰ দৰে ছাটি পেলালে। আকাশীলতা যিজোপা গছত লন্তে সেই গছৰ ৰস আকাশীলতাই শুহি পেলায়।" (অসম প্ৰকাশন পৰিষদ, পৃঃ ৮১)

**(আগলৈ)**



# চিঠিপত্ৰ

**সম্পাদক ডাঙৰীয়া,**

অসমৰ কংগ্ৰেছ চৰকাৰে ভূমি সংস্কাৰৰ যোগেদি ৰাইজক কেনেকৈ "সমাজতান্ত্ৰিক স্বৰ্গলৈ" লৈ যাব ধৰিছে, অনবৰত তাৰ ঢাকঢোল বাজি আছে। কিন্তু এই চৰকাৰ প্ৰকৃততে যে গৰীব খেতিয়কৰ বন্ধু নহয়, তাক তেওঁলোকৰ কামৰ নমুনাৰ পৰা বুজা যায়। উদাহৰণ স্বৰূপে "অসম প্ৰজা-স্বত্ব আইন"ৰ শেহতীয়া সংশোধনী মতে যিসকল তলতীয়া ৰায়তে একেৰাহে তিনিবছৰ কাৰো মাটি খাই আছে, সেই সকলে সেই মাটিৰ দখলীস্বত্ব পাব। দেখাত বৰ ন্যায়বান বিধি। কিন্তু কাৰ্য্যক্ষেত্ৰত হৈছে কি? মাটিৰ মালিক সকলো বৃহৎ জমিদাৰ নহয়। পিয়ন, চকিদাৰ প্ৰাইমাৰি স্কুলৰ শিক্ষক আৰু সাধাৰণ তৰপৰ খেতিয়ক বহুতে কমপৰিমাণৰ মাটি আধিত দিয়ে। এই উপ-কৰা উপাৰ্জ্জন অবিহনে তেওঁলোকেও চলিব নোৱাৰে। এতিয়া উক্ত আইনৰ ধাৰা বলবৎ হব বুলি ভয় কৰি তেওঁলোকে বহুদিন ধৰি আধি খাই থকা তলতীয়া ৰায়তকো মাটি এৰি দিবলৈ কৈছে। ২।৩ বিঘা নিজা মাটি থকা ৰায়টে লোকৰ আৰু ৩।৪ বিঘা মাটি আধিত লৈ লঘোনে ভোকে কোনো-মতে পেট প্ৰবৰ্ত্তাই আছিল। আজি এনে পৰিস্থিতিত তেওঁলোকৰ বহুতেই আধি খাই থকা মাটি এৰিবলৈ কোৱাত চকুৰে সৰিয়হৰ ফুল দেখিছে। মাটি এৰি দিলে তেওঁলোকৰ জীয়াই থকাৰ উপায়েই নোহোৱা হব।

মনকৰিবলগীয়া কথা এয়ে যে মাটি এৰি দিবলৈ কোৱা মালিকবিলাকৰ এচাম নিজেই দৰিদ্ৰ, নিম্নমধ্যবিত্ত পৰিয়ালৰ। এওঁলোকৰ মনোভাব বুজাত কাৰো অসুবিধা নহয়। আনহাতে বৃহৎ জমিদাৰ বিলাকে তেওঁলোকৰ মাটিত আধিখোৱা মানুহক পূৰ্বে খাই থকা মাটিৰ পৰা তুলি আন ঠাইত খেতি কৰিবলৈ লগাব বুলি শুনা গৈছে।

অৰ্থাৎ তথাকথিত ভূমি সংস্কাৰৰ ফলত দৰিদ্ৰ জনসাধাৰণৰ দুটা চামৰ মাজত বিবাদ আৰু তিক্ততাৰ সৃষ্টি হৈছে মাত্ৰ। তলতীয়া ৰায়টে দখলীস্বত্ব



OKDISCD

পোৱা দূৰৰে কথা, ব্যাপকভাবে মাটিৰ পৰা উচ্ছেদ হৈছে। নিম্ন মধ্যবিত্ত মাটিৰ মালিকেও চকুৰে ধোঁৱা কোঁৱা দেখিছে। আৰামত আছে কেৱল বৃহৎ জমিদাৰসকল।

তলত নলবাৰীৰ পৰা পাচমাইলমান দূৰৈৰ নিজবাঁহজানী গাৱঁৰ কুটামান চুপাৰ তথ্যপাতি পাঠকৰ জ্ঞাতাৰ্থে ডাঙি ধৰা হ'ল। এই তালিকাখনত "কামলা"ৰ অৰ্থ দিনহাজিৰা, কৰা day labourer আৰু "মজুৰ"ৰ অৰ্থ কাঠ মিস্ত্ৰী, ৰাজমিস্ত্ৰী প্ৰভৃতি master craftsman বুজাব।

## গাওঁ—নিজবাহজানী

### চুপাৰ নাম : বংশেৰীয়াপাৰা

| পৰিয়ালৰ নাম | ব্যৱসায় | পৰিয়ালৰ সংখ্যা | মাটিৰ পৰিমাণ নিজা | মাটিৰ পৰিমাণ আধি |
|---|---|---|---|---|
| হনাৰাম চৌধুৰী | কামলা | ৬ জন | ৩ কঠা | × |
| নৰেশ্বৰ ,, | ,, | ৭ ,, | × | ১০ লেচা |
| হেমচৰণ ,, | ,, | ৮ ,, | ২½ কঠা | × |
| দুৰ্গাচৰণ ,, | ,, | ১৮ ,, | ১৯ বিঘা | × |
| জগিন্টৰাম ,, | ,, | ২১ ,, | ১৮ ,, | ৪ বিঘা |

### চুপাৰ নাম : বেজপাৰা

| | | | | |
|---|---|---|---|---|
| মধুৰাম বেজবৰুৱা | কামলা | ৮ জন | ১½ বিঘা | × |
| ললিতচন্দ্ৰ ,, | বেজালী | ১১ ,, | ২ ,, | × |
| জগতচন্দ্ৰ ,, | খেতি | ৮ ,, | ২ ,, | × |
| অৰুণচন্দ্ৰ ,, | মজুৰী | ৯ ,, | ৩½ ,, | × |
| নিৰ্মলচন্দ্ৰ ,, | কামলা | ৬ ,, | ২ ,, | × |
| গোপাল ,, | ,, | ৮ ,, | ১ ,, | × |





### চুপাৰ নাম : পুৰণাবাৰী+শান্তিপুৰ+কলিতাপাৰা

| | | | | |
|---|---|---|---|---|
| ধনীৰাম তালুকদাৰ | খেতি | ১৫ জন | ৩২ বিঘা | × |
| সিদ্ধিৰাম ,, | কামলা | ৭ ,, | ২ কঠা | × |
| অৰুণচন্দ্ৰ দাস | মাছমৰীয়া | ৮ ,, | × | ২½ কঠা |
| মঙ্গলৰাম দাস | ,, | ৯ ,, | ২½ কঠা | × |
| ...ম দাস | খেতি | ১৭ ,, | ৭ কঠা | ১৪ বিঘা |
| সত্যৰাম ডেকা | কামলা | ৭ ,, | ১০ লেচা | × |

আপোনাৰ
ইন্দ্ৰেশ্বৰ তালুকদাৰ
নলবাৰী

## 'সত্য, বিশ্বাস, ধৰ্ম্ম, মাৰ্ক্সবাদ'

সম্পাদক মণ্ডলী,

২য় বছৰ ১ম সংখ্যা নতুন পৃথিৱীত শ্ৰীবিপ্লৱ ৰূপক বৰুৱাই মাৰ্ক্সবাদী দৃষ্টিভংগীৰে সত্য, বিশ্বাস আৰু ধৰ্মৰ বিষয়ে সময়োচিত আলোচনা আগবঢ়াইছে। এই আলোচনা মুকলি কৰাৰ কাৰণে মই ব্যক্তিগতভাবে শ্ৰীবৰুৱাক ধন্যবাদ দি তলৰ কথা খিনিলৈ তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ:

(১) শ্ৰীবৰুৱাই লিখিছে: "গতিকে সত্য সদায় সত্য সৰ্বকালৰ বাবে। কিছুমান সত্য—যেনে সাতে পাচে বাৰ, অনাহাৰে থাকিলে মানুহ মৰে, কপাহতকৈ লো গধুৰ, সৰ্বকালৰ বাবে সত্য। কিন্তু সকলো সত্য সৰ্বকালৰ বাবে সত্য নহয়, হব নোৱাৰে। যেনে অসমৰ ৰাজধানী চিলং এতিয়ালৈকে ই সত্য; কিন্তু তিচপুৰলৈ ৰাজধানী স্থানান্তৰ হোৱাৰ পিচত ই আৰু সত্য হৈ নাথাকিব। আমি স্কুলত পঢ়োতে ভূগোলত পাইছিলো: আমাৰ পূবে ব্ৰহ্মদেশ। আজি সত্য হৈ থকা নাই। কাৰণ অসমৰ পৰা নগাপাহাৰ ওলাই গৈ নগাভূমি নামৰ প্ৰদেশ এখন গঠন হোৱাত অসমৰ পূবে নগাভূমি বুলি কলেহে সত্য হব।"

ভূগোল-বুৰঞ্জীৰ সত্যবোৰেই যে পৰিবৰ্ত্তনশীল সেইটো নহয়—আজি গণিতো স্থিতিশীল হৈ থকা নাই। ধৰাতলৰ জ্যামিতিৰ ত্ৰিভুজৰ তিনিটা কোণ, দুই



OKDISCD

সমকোণৰ সমান। এতিয়া প্ৰমাণিত হৈছে যে সকলো অৱস্থাত ই সত্য নহয়, তাৰোপৰি space জ্যামিতিয়ে প্ৰমাণ কৰি দেখুৱালে যে ত্ৰিভুজৰ তিনিটা কোণৰ যোগ- ফল তিনিসমকোণ। মাৰ্ক্সবাদে eternal truth স্বীকাৰ নকৰে, গতি আৰু পৰিবৰ্ত্তন হে সত্য বুলি স্বীকাৰ কৰে। আৰু স্বীকাৰ কৰে গতিৰ প্ৰাণ দ্বন্দ্ব।

(২) শ্ৰীবৰুৱাই কৈছে "মানুহে চন্দ্ৰত হৰিণা পহু থকা বুলি বি... কাঠ কৰিছিল।" আচলতে ই অন্ধবিশ্বাস। কাৰণ ই প্ৰমাণ সিদ্ধ নহয়। মানুহৰ ঈশ্বৰ বিশ্বাসো বিশ্বাস নহয়—অন্ধ বিশ্বাসহে। বৰ্ত্তমান জ্ঞান বিজ্ঞানৰ দ্ৰুত বিকাশত এইবোৰ অন্ধবিশ্বাসৰ পৰা মানুহ মুক্ত নোহোৱাৰ বৈজ্ঞানিক কাৰণ শ্ৰীবৰুৱাই প্ৰবন্ধটোৰ শেষৰ ফালে অতি সুন্দৰ ভাবে বুজাই দিছে।

হেমেন দাস
সৰুপেটা
২০।২।৭৩

—×—

OKDISCD